PG SO S3 03

দুবছৰীয়া বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

শিক্ষাৰ সমাজতত্ত্ব

সমাজতত্ত্ব



সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বষয় বিশেষজ্ঞ

অধ্যাপক সঞ্জয় বৰবৰা, টি আই এছ এছ, গুৱাহাটী আৱাস
অধ্যাপক সম্বিৎ মল্লিক, এইছ এছ এছ বিভাগ, আই আই টি, গুৱাহাটী
ড° ইন্দ্রানী শর্মা, সমাজবিদ্যা বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° গার্গী গায়ন, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	**শিল্পী শিখা ফুকন ,** গৱেষক, জে.এন.ইউ.	অর্নৱ শর্মা
২,৩,৪,৫,৭	**দীপাঞ্জলী গোস্বামী,** গৱেষক, ঝাৰখণ্ড কেন্দ্রীয় বিশ্ববিদ্যালয়	অর্নৱ শর্মা
৬	**অনুশীলা বৰুৱা,** গৱেষক, জে.এন.ইউ.	
৮,১১	**নৱৰূপা ভূঞা,** গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়	অর্নৱ শর্মা
৯	**অনুশীলা বৰুৱা,** গৱেষক, জে.এন.ইউ.	
১০	**দীপাঞ্জলী গোস্বামী,** গৱেষক, ঝাৰখণ্ড কেন্দ্রীয় বিশ্ববিদ্যালয়	অর্নৱ শর্মা
১২	**বিবেক ভূঞা,** সহকাৰী অধ্যাপক, ডি.এ.ভি. মহাবিদ্যালয়	অর্নৱ শর্মা
১৩	**ৰিতুপর্ণা পাটগিৰি,** গৱেষক, জে.এন.ইউ.	
১৪	**ড° ৰিতি মণী বৰদলৈ,** সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয়	

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ ড° নির্মালী গোস্বামী, তেজপুৰ বিশ্ববিদ্যালয়
ইংৰাজী ভাষা সম্পাদনা ঃ ড° গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
অসমীয়া ভাষা সম্পাদনা ঃ ড° নিভাৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই ২০২৩

© Krishna Kanta Handiqui State Open University
This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা গুৱাহাটী- ৭৮১০২২, Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টো কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত ষাণ্মাসিক ব্যৱস্থাৰ অধীনস্থ স্নাতকোত্তৰ সমাজ শাস্ত্ৰ বিষয়ৰ তৃতীয় ষাণ্মাসিকৰ শিক্ষার্থীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল *শিক্ষাৰ সমাজ শাস্ত্ৰ*। পাঠ্যবিষয়টো পঢ়ি শিক্ষার্থীয়ে সমাজ আৰু শিক্ষাৰ মাজত থকা আন্তঃসম্পৰ্কৰ কথা জানিব পাৰিব। শিক্ষাৰ সৈতে জড়িত প্ৰক্ৰিয়াসমূহ বুজিবলৈ সমাজ শাস্ত্ৰবিদসকলে ব্যৱহাৰ কৰা বিভিন্ন ধাৰণা আৰু দৃষ্টিভংগীৰ বিষয়েও শিক্ষার্থীসকলে পাঠ্যবিষয়টোত পঢ়িবলৈ পাব।

অধ্যায়টো পঢ়ি যাওতে পাঠৰ সোঁ নাইবা বাওঁফালে কিছুমান বাকচ দেখিব। এই বাকচবোৰে পাঠত উল্লেখ কৰা কিছুমান বিশেষ শব্দ অথবা খণ্ডবাক্যৰ অর্থ ব্যাখ্যা কৰা শব্দকোষৰ দৰে কাম কৰে। আকৌ, পাঠ এটাৰ মাজত দিয়া আন কিছুমান বাকচৰ ওপৰত 'জানি থোৱা ভাল' লিখা থকা দেখিব। এই বাকচবোৰত পাঠৰ সৈতে সংগতি থকা কিছুমান অতিৰিক্ত, আকর্ষণীয় আৰু প্ৰাসংগিক তথ্য পঢ়িবলৈ পাব। 'চিন্তা-চর্চা কৰক' বুলি লিখা থকা বাকচবোৰত দিয়া কামবোৰ কৰি আপুনি নিজৰ শিকন প্ৰক্ৰিয়াটো অধিক সক্ৰিয় আৰু ফলপ্ৰসূ কৰি তুলিব পাৰে। মূল শিতানৰ শেষত থকা 'অগ্ৰগতি নিৰীক্ষণ' লিখা বাকচবোৰত কিছুমান প্ৰশ্ন দিয়া থাকে। এই প্ৰশ্নবোৰে আপোনাক অধ্যয়নৰ অগ্ৰগতি নিজে পৰীক্ষা কৰি চোৱাত সহায় কৰিব। অধ্যায়সমূহত থকা শিতানবোৰ পঢ়ি উঠিয়েই এই বাকচবোৰত থকা প্ৰশ্নসমূহৰ উত্তৰ লিখিলে উপকৃত হ'ব। উত্তৰবোৰ পাছত অধ্যায়ৰ শেষৰফালে থকা ' অগ্ৰগতিৰ খতিয়ান' শীৰ্ষক ভাগটোত দিয়া উত্তৰৰ সৈতে মিলাই চাব পাৰিব।

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	শিক্ষাৰ সমাজতত্ত্ব— এক পৰিচয়	৭-২২
অধ্যায় ২ ঃ	শিক্ষাৰ গুৰুত্ব	২৩-৩৫
অধ্যায় ৩ ঃ	শিক্ষাৰ অভিকর্তাসমূহ— পৰিয়াল, বিদ্যালয়, ধর্ম সমনীয়াৰ দল, প্রচাৰ মাধ্যম	৩৬-৪৭
অধ্যায় ৪ ঃ	শিক্ষাক বুজাৰ কার্যকৰী দৃষ্টিভংগীএমিল ডুৰ্খেইম আৰু টালক'ট পার্চনচ্	৪৮-৫৭
অধ্যায় ৫ ঃ	শিক্ষাক বুজাৰ মার্ক্সবাদী দৃষ্টিভংগী- কার্ল মার্ক্স, গ্রাম্চি আৰু আলথাচেৰ	৫৮-৬৭
অধ্যায় ৬ ঃ	জ্ঞান, ক্ষমতা আৰু শিক্ষা	৬৮-৮৩
অধ্যায় ৭ ঃ	সমালোচনামূলক শিক্ষাদান বিজ্ঞান	৮৪-৯৪

অধ্যায় ৮ ঃ শিক্ষা সম্পর্কে থকা বিকল্প দৃষ্টিভংগী— ৰবীন্দ্রনাথ ঠাকুৰ আৰু মহাত্মা গান্ধী ৯৫-১০৮

অধ্যায় ৯ ঃ গণতন্ত্র আৰু শিক্ষা ঃ ডিৰি আৰু বি.আৰ. আম্বেদকাৰ ১০৯-১২০

অধ্যায় ১০ ঃ জ্ঞানৰ সামাজিক নির্মাণ— কৃষ্ণ কুমাৰ ১২১-১৩২

অধ্যায় ১১ ঃ শিক্ষা আৰু সামাজিক স্তৰীকৰণ ১৩৩-১৪৪

অধ্যায় ১২ ঃ ভাৰতত শিক্ষাৰ ইতিহাস ১৪৫-১৬২

অধ্যায় ১৩ ঃ ঔপনিৱেশিক যুগত ভাৰতত প্রচলিত শিক্ষা ১৬৩-১৭৫

অধ্যায় ১৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা

প্রসংগ গ্রন্থসমূহ ১৭৬

অধ্যায় ১ ঃ শিক্ষাৰ সমাজতত্ত্ব— এক পৰিচয়

অধ্যায় গাঁঠনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ শিক্ষা আৰু সমাজতত্ত্বৰ মাজৰ সম্বন্ধ

১.৪ উত্থান

১.৫ তত্ত্ব

১.৫.১ সমষ্টিবাদী স্তৰৰ তত্ত্ব

১.৫.২ ব্যষ্টিবাদী স্তৰৰ তত্ত্ব

১.৬ ভাৰতীয় পটভূমিত শিক্ষাৰ সমাজতত্ত্বৰ পৰিসৰ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৫ অধিক জানিবলৈ

১.৬ অগ্রগতিৰ খতিয়ান

১.৭ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষাৰ সমাজতত্ত্বৰ অর্থ বুজি পাব
- শিক্ষাৰ পৰম্পৰাগত বিভাগবোৰৰ পৰা শিক্ষাৰ সমাজতত্ত্ব কোনবোৰ দিশত পৃথক সেয়া গম পাব
- এই অধ্যয়ন ক্ষেত্রখনৰ কেনেদৰে উত্থান ঘটিল সেয়া জানিব পাৰিব
- শিক্ষাৰ সমাজতত্ত্বৰ সৈতে জড়িত বিভিন্ন তত্ত্ব সম্পর্কে অৱগত হ'ব
- ভাৰতীয় পটভূমিত শিক্ষাৰ সমাজতত্ত্বৰ পৰিসৰ সম্পর্কে জানিব পাৰিব।

১.২ পৰিচয়

শিক্ষাৰ সমাজতত্ত্ব (Sociology of Education/SOE)ৰ সংজ্ঞা দাঙি ধৰাটো শিক্ষা অথবা সমাজতত্ত্বৰ সংজ্ঞা আগবঢ়োৱাৰ দৰে সহজ নহয়। শিক্ষাৰ সমাজতত্ত্ব বিষয়টোৰ এটা সর্বাত্মক তত্ত্ব নাই। ইয়াৰ অধ্যয়ন প্রণালীত কোনো বিজ্ঞানগত আৰু সম্পৰীক্ষালব্ধ সমৰূপতা নাই। সামাজিক নিয়ন্ত্রণ আৰু শৃংখলা তথা ইয়াৰ বিভিন্ন শৈক্ষিক দিশত উদ্ভৱ হোৱা সমস্যাৰ প্রণালীৱদ্ধ অধ্যয়নৰ এক উপায় হিচাপে শিক্ষাৰ সমাজতত্ত্ব বিষয়টোৰ উত্থান ঘটিছে। পিংক আৰু

ন'ব্‌লিট্‌ (১৯৯৫ চন)ৰ যুক্তি অনুসৰি শিক্ষাৰ সমাজতত্ত্বৰ পাঁচটা সহৰতী বিশ্লেষণাত্মক দৃষ্টিকোণ আছে। দৃষ্টিকোণ কেইটা হ'ল— অনুভৱসিদ্ধতা (empirical), প্রয়োগসিদ্ধতা (applied), ব্যাখ্যাত্মক (interprective), সমালোচনামূলক (critical) আৰু উত্তৰ-আধুনিক (Post-modern)। এই বৈশিষ্ট্যকেইটাই 'শিক্ষাৰ সমাজতত্ত্বক প্রাণশক্তি প্রদান কৰিছে'।

শিক্ষাৰ সমাজতত্ত্ব বিষয়টোৰ সৈতে বিশ্বৰ বিভিন্ন পণ্ডিত আৰু দার্শনিকৰ নাম জড়িত হৈ আছে। শিক্ষাৰ সমাজতত্ত্ব সম্পর্কে বিস্তৃত তথা প্রণালীৱদ্ধভাৱে লিখা প্রথমগৰাকী সমাজতাত্ত্বিক হিচাপে এমিল ডুৰ্খেইম (Emile Durkheim) ৰ নাম লোৱা হয়। তেওঁ আছিল এগৰাকী ফৰাছী সমাজতত্ত্ববিদ। ডুৰ্খেইমৰ মতে উন্নত ঔদ্যোগিক সমাজবোৰত বিদ্যালয়ে দুটা প্রধান কাম সম্পাদন কৰে। ইয়াৰে এটা হ'ল সম্প্রদায়ে ভাগ-বাটোৱাৰা কৰি চলা প্রমূল্যবোৰৰ প্রসাৰ আৰু আনটো হ'ল সমকালীনভাৱে শ্রমৰ এটা বিশেষীকৃত বিভাগক ভিত্তি কৰি গঢ় লোৱা অর্থনীতি এটাত প্রয়োজন হোৱা বিশেষীকৃত দক্ষতাবোৰৰ শিক্ষা দিয়া। অর্থাৎ, ডুৰ্খেইমৰ মতে সমাজত শিক্ষাই এক প্রকার্যাত্মক ভূমিকা পালন কৰে। কিন্তু শিক্ষা সম্পর্কে কার্ল মার্ক্স আৰু মেক্স ৱেবাৰে একোটা পৃথক দৃষ্টিভংগী পোষণ কৰিছিল। তেওঁলোক দুয়োৰে দৃষ্টিভংগী সংঘাত তত্ত্ব (conflict theory)ৰ দিশে ঢালখোৱা আছিল। মার্ক্সৰ যুক্তি অনুসৰি বিদ্যালয়ে ধনী শ্রেণীৰ সুবিধা হোৱাকৈ একোটা আদর্শৰ শিক্ষা দিয়ে আৰু 'ভ্রান্ত সচেতনতা' (False Consciousness)ৰ ধাৰণা এটা জোৰকৈ শিকাব খোজে। যেনে— বিদ্যালয়ে শিক্ষার্থীক 'যোগ্যতাতন্ত্র' (meritocracy)ৰ ধাৰণাটো বিশ্বাস কৰিবলৈ শিকায়। সকলো শিক্ষার্থীয়ে যি বিচাৰে সেয়া লাভ কৰিবলৈ সমান সুযোগ পাব বুলি ভাৱিবলৈ দিয়া হয়। মার্ক্সৰ মতে ইয়াৰ বিপৰীতে বিদ্যালয়বোৰ এনে কিছুমান উপায়েৰে গঢ় দিয়া আৰু সজাই লোৱা হয় যিবোৰে সকলো শিক্ষার্থীক একে ধৰণে শিক্ষা গ্রহণ কৰাৰ সুযোগ নিদিয়ে। ফলত একে শিক্ষাৰে শিক্ষিত হোৱা এচাম শিক্ষার্থী সাধাৰণ তথা গতানুগতিক কাম কৰিবলৈ বাধ্য হৈ পৰে। বিদ্যালয় আৰু বিদ্যালয়ে সৃষ্টি কৰা সম্পর্কে ৱেবাৰৰ মত কিছু পৃথক। মার্ক্সৰ মতৰ বিপৰীতে তেওঁ কৈছে যে বিদ্যালয় সৃষ্ট অসমতাৰ ভিত্তি অর্থনৈতিক সম্পর্ক হ'বই লাগিব বুলি কোনো কথা নাই। সামাজিক স্থিতি (মান-মর্যাদা)ৰ বিতৰণ, ক্ষমতা (অইনক তথা সমল নিয়ন্ত্রণ কৰাৰ সামর্থ) আৰু শ্রেণী (নিয়ন্ত্রিত অর্থনৈতিক সম্পর্ক) আদিৰ দৰে কাৰকেও বিদ্যালয়ত অসমতা সৃষ্টি কৰাত একো একোটা গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে। "ৱেবাৰে শিক্ষার্থীৰ সামাজিক শ্রেণীগত মৌলিক পৰিচয়, বিদ্যালয়ত চলা প্রস্তুতিপর্ব আৰু বিদ্যালয় এৰাৰ পাছত জীৱিকা অর্জনৰ বাবে কৰিবলৈ লোৱা কামৰ মাজত থকা দৃঢ় সম্পর্কৰ প্রতি আঙুলিয়াই দিছে। ৱেবাৰৰ যুক্তি অনুসৰি বিদ্যালয়বোৰে একোটা বিশেষ 'সামাজিক স্থিতিকেন্দ্রিক সংস্কৃতি'ৰ শিক্ষা দিয়ে আৰু এনে সংস্কৃতি বর্তাই ৰাখে।" (Ballentine, 2018)

এমিল ডুৰ্খেইমে তেওঁৰ 'Moral Education : A Study in the Theory and Application of the Sociology of Education' শীৰ্ষক গ্ৰন্থখনত শ্ৰেণীকোঠাৰ ভিতৰত অনুশাসন আৰু শৃংখলাৱদ্ধতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিছে। তেওঁৰ মতে এই দুটা দিশ অবিহনে শ্ৰেণী এটাই 'উন্মত্ত জনতা' (mob)ৰ ৰূপ ল'ব।

১.৩ শিক্ষা আৰু সমাজতত্ত্বৰ মাজৰ সম্বন্ধ

শিক্ষা আৰু সমাজতত্ত্বৰ মাজত থকা সম্বন্ধটোৰ বিষয়ে শিক্ষাৰ্থীয়ে জনা আৱশ্যক। এক স্বতন্ত্ৰ অধ্যয়নৰ বিষয় হিচাপে শিক্ষাৰ প্ৰকৃতি নিৰ্দেশাত্মক (normative) আৰু ব্যৱহাৰিক (applied)। আনহাতে, সমাজতত্ত্বৰ পৰস্পৰাগত বৈশিষ্ট্য অনুসৰি ইয়াৰ প্ৰকৃতি তাত্ত্বিক (theoritical) আৰু পৰীক্ষাসাধ্য (empirical)। শিক্ষাবিদসকল শ্ৰেণীকোঠাৰ ভিতৰৰ শৈক্ষিক সমস্যাবোৰৰ স্থিতি জনাৰ আৰু এইবোৰৰ সমাধান উলিওৱাৰ উদ্দেশ্যে শিক্ষাৰ ব্যৱহাৰিক দিশবোৰৰ প্ৰতিহে অধিক মনোযোগ প্ৰদান কৰে। যেনে— বিভিন্ন সমস্যাৰ সমাধান উলিওৱাৰ বাবে তেওঁলোকে শিক্ষাৰ্থীৰ সফলতা, শিক্ষকৰ প্ৰশিক্ষণ আৰু পাঠ্যক্ৰমৰ আৰ্হিৰ প্ৰতি অধিক গুৰুত্ব দিয়ে। শিক্ষাবিদসকলে বিকশাই তোলা তত্ত্ববোৰৰ অধিকাংশৰে আধাৰ হ'ল মনোবিজ্ঞান। সেয়েহে শিক্ষাই মনোবিজ্ঞানৰ পৰাই শিক্ষা পদ্ধতি আৰু আৰ্হিসমূহ ঋণ লৈছে বুলি ক'ব পৰা যায়। ইয়াৰ বিপৰীতে শিক্ষাৰ বিষয়ে অধ্যয়ন কৰা সমাজতাত্ত্বিক এগৰাকীয়ে এক বিস্তৃত পৰিসৰত বিদ্যালয় আৰু সমাজৰ মাজত থকা সম্বন্ধবোৰ চালিজাৰি চায়। (সামাজিক গতিশীলতা আৰু কোনো এক জনসংখ্যাৰ সামাজিকভাৱে পিছপৰা শ্ৰেণীবোৰ শিক্ষাৰ সম্বন্ধৰ দৰে)তেওঁলোকে কিছুমান গুৰুতৰ প্ৰশ্নৰ সমিধানৰ বাবে প্ৰয়াস কৰে।

শিক্ষাৰ সমাজতত্ত্বৰ সহায়ত আমি শিক্ষাৰ উদ্দেশ্যৰ এক বোধগম্য ৰূপ সম্পৰ্কে অৱগত হোৱাৰ সুযোগ পাওঁ। সমাজতাত্ত্বিকসকলে সামাজিক ব্যৱস্থাৰ সংৰচনা অধ্যয়ন কৰে। এনে সংৰচনাৰ প্ৰধান উপাদানবোৰৰ এটা হ'ল পাণ্ডিত্য (scholarship)। সেয়েহে ত্তিক্ষাৰ সমাজতাত্ত্বিকসকলে শিক্ষানুষ্ঠানবোৰত প্ৰচলিত আনুষ্ঠানিক প্ৰক্ৰিয়া, আৰ্হি আৰু এই অনুষ্ঠানবোৰৰ আভ্যন্তৰীণ আন্তঃক্ৰিয়াসমূহৰ বিষয়ে অধ্যয়ন কৰে। বিদ্যালয়সমূহ অন্য সামাজিক অনুষ্ঠানবোৰৰ পৰা স্বতন্ত্ৰ নহয়। এই আন্তঃনিৰ্ভৰশীলতা থকা বাবেই অন্য অনুষ্ঠানবোৰত পৰিৱৰ্তন ঘটিলে শিক্ষানুষ্ঠানসমূহতো পৰিৱৰ্তন হোৱা দেখা যায়।

প্ৰথম অৱস্থাত শিক্ষানুষ্ঠানসমূহৰ শিক্ষা বিভাগত পাঠ্যবিষয় হিচাপে শিকোৱা 'শিক্ষাৰ সমাজতত্ত্ব' বিষয়টোক সমাজতাত্ত্বিকসকলে 'সমাজতত্ত্ব' বুলি গণ্য কৰা নাছিল। এই সন্দৰ্ভত ক'ৰৰিন (২০০২ : ২) এ লিখিছিল, "অধিকাংশ শৈক্ষিক সমাজতাত্ত্বিকেই আছিল শিক্ষা বিষয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত। তেওঁলোকে ব্যৱহাৰ কৰা প্ৰণালীবিদ্যাবোৰে আছিল নিম্নমানৰ। ..... তেওঁলোকে অধ্যয়ন ক্ষেত্ৰখনৰ কিছুমান সংকীৰ্ণ, তথ্যভিত্তিক আৰু হ্ৰস্বম্যাদী সমস্যাকহে মনোযোগৰ বিষয় কৰি লৈছিল।"

১.৪ উত্থান

ৰিচার্ডচন (১৯৮৬) এ ধ্ৰুপদী ইউৰোপীয়ান পৰম্পৰাৰ মাজতেই শিক্ষাৰ সমাজতত্ত্বৰ উৎপত্তিবিন্দু ধৰা পেলাইছে। ঊনবিংশ শতিকাৰ শেষভাগত আৰু বিংশ শতিকাত শিক্ষাক 'সামাজিক পৰিৱৰ্তনৰ এক প্ৰধান আহিলা' হিচাপে গণ্য কৰা হৈছিল। শিক্ষাৰ সমাজতত্ত্বক অধ্যয়নৰ বিষয় হিচাপে প্ৰতিষ্ঠা কৰাত স্পেনচাৰ, ৰেবাৰ আৰু ডুৰ্খেইমৰ অৰিহণা আছে বুলি ৰিচাউচনে মত পোষণ কৰিছে। অৱশ্যে অধ্যয়নৰ এই শাখাটোৱে পোন প্ৰথমে ইউনাইটেড কিংডম (ইংলেণ্ড)তহে গুৰুত্ব লাভ কৰিছিল। দেশখনে বিকাশমূলক ৰূপৰেখাৰ নীতি তৈয়াৰ কৰাৰ সময়ত শিক্ষাৰ সমাজতত্ত্বৰ ধাৰণা-চিন্তাসমূহ প্ৰয়োগ কৰিছিল। ইয়াৰ পাছত লণ্ডন স্কুলচ্ অফ্ ইক'ন'মিক্সৰ সমাজতত্ত্ব বিভাগত স্তৰীকৰণ বিষয়টোৰ সৈতে শিক্ষা বিষয়টোৰ সংহতি স্থাপন কৰি ইয়াক অধ্যয়নৰ বিষয় হিচাপে মুকলি কৰি দিয়া হৈছিল। সেয়েহে বার্নষ্টেইনে কৈছে, "..... বিষয়টোক বৈধ ৰূপ দিয়া শিক্ষানষ্ঠান হিচাপে লণ্ডন স্কুলচ্ অফ্ ইক'ন'মিক্সৰ নাম ল'ব পাৰি আৰু ই অধ্যয়নৰ বৈধতা প্ৰদান কৰা ক্ষেত্ৰখন আছিল ঔদ্যোগিকীকৰণৰ সমস্যা তথা প্ৰক্ৰিয়া" (Bernstein 1974 : 149)। শিক্ষাৰ সমাজতত্ত্বৰ ইতিহাসৰ গভীৰ অধ্যয়নৰ পৰা গম পোৱা যায় যে বিষয়টোৰ মূল ঔদ্যোগিক ক্ষেত্ৰখন আৰু ই এই ক্ষেত্ৰখনৰ উন্নয়নৰ সৈতে জড়িত দিশবোৰত মনোনিৱেশ কৰে। অৱশ্যে অধ্যয়নৰ এই উপ-শাখাটোৰ প্ৰধান দুৰ্বলতা আছিল ইয়াৰ তাত্ত্বিক ভিত্তিটো। ৰিচাউচনে লিখিছে, "ইংলেণ্ডত শৈক্ষিক সমাজতত্ত্ব আছিল মনোবিজ্ঞানৰ সতীয়া পুত্ৰসম। ..... ১৯৫০ৰ দশকলৈকে ই সমাজতত্ত্বৰ সৈতে কোনো প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া হোৱা নাছিল। ..... আমেৰিকা যুক্তৰাষ্ট্ৰতো শৈক্ষিক সমাজতত্ত্বৰ বিকাশ মূলতঃ সাংগঠনিক ক্ষেত্ৰখনতে সীমাৱদ্ধ আছিল। বিষয়টো অধ্যয়ন কৰিব পৰাকৈ 'শৈক্ষিক সমাজতত্ত্ব অধ্যয়নৰ ৰাষ্ট্ৰীয় সমাজ'ৰ গঠন আৰু ১৯২৬ চনত "শৈক্ষিক সমাজতত্ত্বৰ গৱেষণা আলোচনী প্ৰকাশৰ ব্যৱস্থা গ্ৰহণৰ পৰাই এই কথাৰ উমান পোৱা যায়" (Richardson, 1986 : XI)। ৰিচার্ডচনে আকৌ কৈছে যে ১৯৫০-

৬০ৰ দশক দুটাত ইউনাইটেড কিংড'ম আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ দুয়োখন দেশতেই শিক্ষাৰ সমাজতত্ত্ব অধ্যয়নৰ এক অনুন্নত বিষয় হৈয়েই আছিল। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহত থকা শৈক্ষিক অসমতা নিৰ্মূলকৰণ আৰু সামাজিক সংগঠন অধ্যয়ন কৰিবলৈ বিষয়টোৱে আগ্ৰহ প্ৰদৰ্শন কৰাৰ পাছতহে ইয়াৰ গুৰুত্ব বৃদ্ধি পাইছিল। ইয়াৰ পাছত শিক্ষা আৰু সমাজৰ মাজত থকা আন্তঃসম্পৰ্কসমূহ চিনাক্ত কৰি উলিয়াবলৈ গৱেষণামূলক প্ৰচেষ্টাৰ আৰম্ভণি হ'ল। সমাজতত্ত্ব আৰু শিক্ষা বিভাগে শিক্ষাৰ বিভিন্ন দিশত মনোনিৱেশকাৰীৰ ৰূপ গ্ৰহণ কৰিলে। এসময়ত দুয়োটা বিভাগে বেছিভাগ ক্ষেত্ৰতে অন্তঃবিষয়ক সম্পৰ্ক স্থাপন কৰাৰ লগতে গৱেষণা তথা প্ৰশিক্ষণ বিভাগত শিক্ষাৰ সমাজতত্ত্বই এক তাৎপৰ্যপূৰ্ণ স্থান লাভ কৰিলে। এনেকৈয়ে ১৯৬০ৰ দশকৰ পৰা শিক্ষাৰ সমাজতত্ত্বৰ দ্ৰুত বিকাশ ঘটিল আৰু সমাজতত্ত্বৰ এটা প্ৰধান উপ-শাখাত পৰিণতা হ'ল। ইউনাইটেড কিংড'মৰ সকলো সমাজতত্ত্ব মহাবিদ্যালয় আৰু বিভাগতে বিষয়টোৰ শিক্ষাদান আৰম্ভ হোৱাৰ লগে লগে বিশ্বৰ অন্য প্ৰান্তলৈও ই প্ৰসাৰিত হ'ল।

শিক্ষাৰ সমাজতত্ত্বৰ উত্থান আৰু বিকাশ সম্পৰ্কে এক স্পষ্ট ধাৰণা লাভ কৰিবলৈ বিগত সময়চোৱাত বিষয়টোক কেন্দ্ৰ কৰি গঢ় লোৱা কিছুমান প্ৰধান তত্ত্ব আৰু ধাৰণা আলোচনা কৰি চাব আহক।



চিন্তা-চৰ্চা কৰক ঃ ১

যদি সমাজতত্ত্বক সামাজিক ব্যৱস্থাসমূহৰ বিষয়ে অধ্যয়ন কৰিবলগীয়া এটা শাখা বুলি প্ৰতিষ্ঠা কৰা হয়, তেন্তে শিক্ষাৰ সমাজতাত্ত্বিক এগৰাকীয়ে কেনেধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিব?



চিন্তা-চৰ্চা কৰক ঃ ২

ভাৰতৰ পটভূমিত সমাজতত্ত্ব আৰু ইয়াৰ উপ-শাখাবোৰৰ উত্থান কেনেকৈ ঘটিছিল? বিস্তৃত অধ্যয়নৰ ভিত্তিত উত্তৰ বিচাৰি উলিয়াওক।

১.৫ তত্ত্ব

১.৫.১ সমষ্টিবাদী স্তৰৰ তত্ত্ব

সমষ্টিবাদী স্তৰৰ শিক্ষাৰ সমাজতত্ত্বসমূহৰ দ্বাৰা প্ৰাসংগিক সমস্যাবোৰ বহল পৰ্যায়ত অনুসন্ধান কৰা হয়। ইয়াৰ জৰিয়তে অধ্যয়নৰ বাবে গ্ৰহণ কৰা পৰিঘটনা এটাৰ

একত্রিত বোধগম্যতা গঢ়াৰ প্রয়াস কৰা হয়। তলত সামাজিক বাস্তৱ বুজাৰ বাবে শিক্ষাৰ সমাজতত্ত্বই বিকশিত কৰা কেইটামান সমষ্টিবাদী স্তৰৰ তত্ত্বৰ বিষয়ে আলোচনা কৰা হ'ল।

- **কার্যকৰী তত্ত্ব (Functional Theory) ঃ** পূর্বৰ শিতানত আমি ইতিমধ্যে শিক্ষাৰ সমাজতত্ত্ব বিষয়ৰ বাটকটীয়া শিক্ষাবিদ পণ্ডিত এমিল ডুৰ্খেইমৰ বিষয়ে চমুকৈ আলোচনা কৰিছোঁ। তেওঁ শিক্ষাৰ সমাজতত্ত্বৰ কার্যকৰী ধাৰাটোৰো পৃষ্ঠপোষক আছিল। সাধাৰণভাৱে কার্যকৰী তত্ত্বত বিশ্বাসী সকলে ভাৱে যে সামাজিক প্রণালীটো মানৱ শৰীৰতত্ত্বৰ দৰে একে। প্রতিটো অংশই একোটা বিশেষ কার্য সম্পাদন কৰে। কার্যকৰী মতে শৈক্ষিক অনুষ্ঠানবোৰ সামাজিক প্রণালী একোটাৰ এক অংশস্বৰূপ। সমাজৰ সমতা ৰক্ষা কৰিবলৈ প্রতিখন শিক্ষানুষ্ঠানেই যথোপযুক্তভাৱে কার্য সম্পাদন কৰিব লাগে। এই অংগবোৰ স্বতন্ত্রতা আন্তঃনির্ভৰশীলতাৰ আধাৰত গঢ় লয়। ডুৰ্খেইমৰ বিশ্লেষণ অনুসৰি বিভিন্ন সমাজৰ মাজত সামাজিক ভ্রাতৃত্ববোধ বর্তাই ৰখাৰ বাবে প্রয়োজন হোৱা এক নৈতিক সংহিতা আৰু একতা নির্মাণ কৰাই হ'ল শিক্ষাই পালন কৰিবলগীয়া প্রধান ভূমিকা। তেওঁৰ দৃষ্টিত শ্রেণীকোঠাবোৰে একো একোখন 'ক্ষুদ্র সমাজ' অথবা 'সামাজিকীকৰণৰ অভিকর্তা (agent)ৰ প্রতিনিধিত্ব কৰিছিল। শ্রেণীকোঠাবোৰে সমাজৰ নৈতিক শৃংখলাক প্রতিফলিত কৰে। তেওঁ কৈছিল যে অনুশাসন হ'ল এক নৈতিকতা আৰু শ্রেণীকোঠাৰ ভিতৰত এই নৈতিকতা অক্ষুণ্ণ ৰখাতো আৱশ্যক। ডুৰ্খেইমে নৈতিক শিক্ষাতো সমাজৰ এক অপৰিহার্য উপাদান বুলি গণ্য কৰিছিল। আধুনিক প্রকার্যাত্মক তত্ত্বৰ বিকাশত তাৎপর্যপূর্ণ অৱদান আগবঢ়োৱা আন এগৰাকী কার্যকৰী পণ্ডিত হ'ল টালকোট পার্চনচ্ (১৯৫৯)। তেওঁৰ যুক্তি অনুসৰি বিদ্যালয়ে এটি শিশুক গণতান্ত্রিক সমাজত স্বকীয়ভাৱে ভূমিকা পালন কৰিব পৰাকৈ প্রস্তুত কৰি তোলে। ডেভিচ আৰু মূৰ (১৯৪৫)ৰ দৰে আন একাংশ কার্যকৰী পণ্ডিতে বিদ্যালয়ক এক অধিক বিস্তৃত প্রণালী হিচাপে গণ্য কৰে। ই ব্যক্তিক উচ্চস্তৰীয় কাম সম্পাদন কৰিব পৰাকৈ যাৱতীয় প্রশিক্ষণ দিয়ে। এনে কামৰ সুফল আয় আৰু সামাজিক মান-মর্যাদাৰ দিশেৰে উচ্চতৰ। তেওঁলোকে বিদ্যালয়ত লাভ কৰা সফলতাৰ আধাৰ হিচাপে সামাজিক প্রতিষ্ঠা নাইবা ক্ষমতাক মানি নলৈ শিক্ষার্থীৰ মেধাকহে অগ্রাধিকাৰ দিয়ে।
- **সংঘাত তত্ত্ব (Conflict Theory) ঃ** সংঘাত তত্ত্বই প্রকার্যাত্মক তত্ত্বৰ কিছুমান ধাৰণাক প্রত্যাহ্বান জনায়। কার্যকৰী তত্ত্বৰ সমর্থকসকলৰ মতে বিদ্যালয়ত সকলোধৰণৰ আদর্শপ পৰা স্বতন্ত্র আৰু শিক্ষার্থীৰ প্রতি এক নিৰপেক্ষ মনোভাৱ প্রদর্শনকাৰী অনুষ্ঠান। বিদ্যালয়ত শিক্ষার্থীৰ সামাজিক, সাংস্কৃতিক অথবা

অর্থনৈতিক স্থিতিতকৈ মেধাক প্রাধান্য দিয়া হয়। এই ধাৰণাৰ বিৰোধিতা কৰি সংঘাত সূত্রই কয় যে সমগ্র শিক্ষা ব্যৱস্থাটোৱেই অসম সম্পর্কৰ ভিত্তিত গঢ় লৈ উঠে। সংঘাত তত্ত্বৰ বিভিন্ন শাখা আছে। ইয়াৰে সবাতোকৈ প্রাসংগিক শাখাবোৰৰ আধাৰ হ'ল সামাজিক লিংগ, জাতি, নৃগোষ্ঠীয় পৰিচয়, ৰাজনীতি আৰু সংস্কৃতি। এই তত্ত্বৰ পৰম্পৰাগত আধাৰ হ'ল মার্ক্সবাদী শ্রেণী আৰু অর্থনৈতিক সমস্যাসমূহ। সংঘাত তত্ত্বৰ বিকাশ আৰু প্রসাৰৰ কৃতিত্ব কার্ল মার্ক্স তথা মেক্স ৱেবাৰলৈ আগবঢ়োৱা হয়।

নিজৰ ৰচনাৰাজিৰ জৰিয়তে কার্ল মার্ক্সে শ্রমিক শ্রেণীটোক কেনেদৰে পুঁজিবাদী সমাজ ব্যৱস্থাই শোষণ কৰে সেই বিষয়ে বহলাই ব্যাখ্যা কৰি থৈ গৈছে। তেওঁ সমাজক 'সম্পন্ন' (haves) আৰু সর্বহাৰা (haves notes) শ্রেণী দুটাত ভাগ কৰিছিল। 'সম্পন্ন' শ্রেণীটোৱে সমাজৰ অর্থনৈতিক সম্পর্কসমূহ হস্তগত কৰি ৰাখে আৰু সেইবোৰ নিয়ন্ত্রণ কৰে। আনহাতে, 'সর্বহাৰা' শ্রেণীটোৱে সম্পন্ন শ্রেণীটোৰ পৰা পোৱা ন্যূনতম সমলেৰে জীৱন নির্বাহ কৰিবলগীয়া হয়। এ সর্বহাৰাসকল সাধাৰণতে ঔদ্যোগিক সমাজৰ কর্মজীৱি শ্রেণীটোৱে গঠিত। তেওঁলোক সদায় উৎপাদনৰ পুঁজিবাদী ব্যৱস্থাৰ দ্বাৰা শোষিত শ্রেণী। একোটা পুঁজিবাদী আদর্শৰ দ্বাৰা ক্ষমতা অক্ষুণ্ণ ৰখা হয় আৰু বিদ্যালয়সমূহে ধনী শ্রেণীৰ অনুকূল এই আদর্শটো চিৰস্থায়ী কৰি ৰখাত সহায় কৰে। কিন্তু তাত্ত্বিকভাৱে বিদ্যালয়বোৰত প্রচলিত শিক্ষা ব্যৱস্থাক অর্হতা ভিত্তিক বুলি কোৱা হয়। এই ব্যৱস্থাই সকলোৱে শিক্ষা গ্রহণৰ সমান সুযোগ পায় আৰু প্রাপ্য সফলতাৰ গৰাকী হ'ব পাৰে বুলি কয়। ই শিক্ষার্থীৰ মনত এটা ভুৱা সচেতনতাৰ উদ্রেক কৰে। শিক্ষার্থীক কোৱা হয় যে অর্হতাহীনতাই তেওঁৰ অসফলতাৰ মূল কাৰণ। বাস্তৱত সকলোৰে বাবে শিক্ষা গ্রহণৰ সুযোগ থাকিলেও সকলোৱে সমান সুবিধা নাপাবও পাৰে। বিভিন্ন ধৰণৰ আর্থ-সামাজিক পৃষ্ঠভূমি ইয়াৰ কাৰণ। সেয়েহে শিক্ষানুষ্ঠানবোৰে পুঁজিবাদী ব্যৱস্থাৰ প্রয়োজন অনুসৰি সেৱা আগবঢ়াব পৰা মানুহৰ শ্রেণী এটাহে প্রস্তুত কৰে। অৱশ্যে আধুনিক ঔদ্যোগিক সমাজত উদ্ভৱ হোৱা সংঘাত সম্পর্কীয় মেক্স ৱেবাৰৰ দৃষ্টিভংগীটো মার্ক্সৰ দৃষ্টিভংগীৰ পৰা পৃথক। ৱেবাৰৰ মতে এখন অসমতাপূর্ণ সমাজ গঢ়াত অর্থনৈতিক সম্পর্কৰ উপৰি ক্ষমতা আৰু মানুহৰ সামাজিক স্থিতিও সমানে দায়ী।

ৱেবাৰৰ শিক্ষা বিষয়টোৰ সৈতে পোনপটীয়া সম্পর্ক নাছিল যদিও তেওঁৰ ৰচনাৰাজিৰ পৰা সমলপ অসম সুলভতা (unequal access to resources) সম্পর্কীয় ধাৰণা এটা পোৱা যায়। তেওঁৰ মতে শিক্ষাৰ দৰে সমলৰ সুচলতাৰ সমাজৰ সদস্যসকলৰ ক্ষমতা আৰু সামাজিক মান-মর্যাদাৰ স্থিতিৰ ওপৰত

নির্ভৰশীল। তেওঁৰ 'সামাজিক স্থিতি দল' (status group) বিষয়ক ধাৰণাটো সম্পর্কে থকা মনোভাৱ বিশ্লেষণ কৰি এই বিষয়টো অধ্যয়ণ কৰিব পৰা যায়। তেওঁৰ মতে বিদ্যালয়ে একোটা বিশেষ 'সামাজিক স্থিতি সম্পর্কীয়'ৰ বিষয়ে শিক্ষা দিয়ে। "সামাজিক স্থিতি সম্পর্কীয় সংস্কৃতিক সমাজৰ কর্মী শ্রেণী বা উচ্চ শ্রেণীৰ সাংস্কৃতিক গোটৰ সামাজিক স্থিতিৰ ভিত্তিত এটা উপ-সংস্কৃতি হিচাপে বিবেচনা কৰিব পাৰি ....., সমাজৰ এনে প্রতিটো দলৰে নিজা প্রতীক, প্রমূল্য আৰু বিশ্বাসৰ সমষ্টি একোটা থাকে" (Ballantine, Spade, Stuber : 2018)।

- **সামাজিক পুনঃউৎপাদন আৰু প্রতিৰোধ তত্ত্ব (Social Reproductoion and Resistance Theory) ঃ** বিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত প্রতিৰোধ আৰু সামাজিক/ সাংস্কৃতিক পুনঃউৎপত্তি বিষয়ক তত্ত্ববোৰে গা কৰি উঠিছিল। তত্ত্ব বিকাশৰ দিশেৰে ই সংঘাত তত্ত্বতকৈ উন্নত আছিল। সামাজিক পুনঃউৎপত্তি তত্ত্বৰ মূল যুক্তি অনুসৰি উৎপাদন আৰু পুনঃউৎপাদনৰ পুঁজিবাদী উপায়সমূহত যিসকলে আধিপত্য বিস্তাৰ কৰি থাকে তেওঁলোকেই নিজৰ পুঁজিবাদী উদ্দেশ্য সিদ্ধিৰ বাবে সেৱা আগবঢ়াব পৰাকৈ সমাজ ব্যৱস্থা তথা সামাজিক অনুষ্ঠানবোৰ গঢ়ি তোলে। ব'ৰেলচ্ আৰু গিণ্টিজ্ (১৯৭৬) ৰ যুক্তি মতে সাংস্কৃতিক অথবা সামাজিক পুনঃউৎপাদন তথা প্রতিৰোধে আমাক পৰিয়ালকেন্দ্রিক সা-সুবিধা আৰু বিদ্যালয়কেন্দ্রিক সংস্কৃতি কেনেদৰে পৰৱর্তী প্রজন্মসমূহলৈ সম্প্রসাৰিত হয় সেয়া বুজাত সহায় কৰে। এই প্রৱাহে আমাৰ বিশ্বকেন্দ্রিক ধ্যান-ধাৰণাবোৰক একোটা নির্দিষ্ট দিশে ঢাল খুৱাই নিয়ে। পুঁজিবাদী সমাজ ব্যৱস্থা এটাক সদায় আনুগত্য, অনুশাসন, বৈশ্যত আদি বিশেষ গুণ কিছুমান থকা শ্রমিক শ্রেণী এটাৰ প্রয়োজন। এনে ব্যক্তিয়ে কেতিয়াও পুঁজিপতিৰ নীতিবোৰক প্রশ্ন নকৰে আৰু অনুগত কর্মশক্তি হিচাপে কাম কৰি যায়। বিদ্যালয়বোৰে অর্থনীতিৰ এই আর্হিটোত খাপ খাই পৰা মানৱ সম্পদ প্রস্তুত কৰে। শিক্ষার্থীসকলক বিশ্বাস কৰিবলৈ বাধ্য কৰোৱা হয় যে যোগ্যতা আৰু মেধাৰ ভিত্তিত বাছনিত উঠাৰ ইয়েই হ'ল প্রকৃত উপায়। শিক্ষার্থীয়ে বিদ্যালয়লৈ সকলোধৰণৰ সাংস্কৃতিক যোগ্যতা নির্ণায়ক গুণ প্রৱাহিত কৰে আৰু বিদ্যালয়ৰ পৰা এই গুণবোৰ আহৰণ কৰে। মিছেল এপল্ (১৯৯৩)ৰ যুক্তি অনুসৰি বিদ্যালয় ব্যৱস্থাৰ যোগেদি উচ্চ শ্রেণীৰ শিক্ষার্থীসকলে তেওঁলোকৰ বাবে থকা সা-সুবিধাবোৰ আহৰণ তথা পুনঃউৎপাদন কৰে। সামাজিকভাৱে নিম্ন সা-সুবিধাৰ অধিকাৰী শিক্ষার্থীসকলৰ মনত ভুৱা সচেতনতাৰ উদ্রেক কৰি ইয়াৰ জৰিয়তে তেওঁলোকৰ বাবে থকা বিভিন্ন সুযোগৰ পৰিমাণ কম কৰি পেলোৱা হয়।

প্ৰতিৰোধ তত্ত্ব সামাজিক পুনঃউৎপাদন তত্ত্বতকৈ আৰু কিছু আগবঢ়া। এই তত্ত্ব মতে শিক্ষক আৰু শিক্ষাৰ্থীসকল বিদ্যালয় ব্যৱস্থা এটাৰ নিষ্ক্ৰিয় অংশগ্ৰহণকাৰী নহয়। শিক্ষকৰ হাতত সৰ্বাত্মক পাঠ্যক্ৰম যুগুত কৰা অথবা কোনো শিক্ষাৰ্থীৰ মনত বাদ পৰি যোৱাৰ অনুভৱ জন্মিবলৈ নিদিয়া শিক্ষণ কৌশল বিকশিত কৰাৰ বাবে অলপ হ'লে স্ব-নিয়ন্ত্ৰণ ক্ষমতা থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শিক্ষাৰ সমাজতত্ত্ব বিষয়টো পাঠ্যবিষয় হিচাপে আৰম্ভ কৰা শিক্ষানুষ্ঠানসমূহৰ মাজত অগ্ৰণী শিক্ষানুষ্ঠান এখন হ'ল লণ্ডন স্কুল অফ্ ইক'ন'মিকচ্। (শুদ্ধ / অশুদ্ধ)

.....

প্ৰশ্ন ২ ঃ টলিকোট পাৰ্চনচ্ৰ কৰ্মৰাজিত পোন প্ৰথমবাৰৰ বাবে সংঘাত তত্ত্বৰ উপস্থিতি লক্ষ্য কৰা হৈছিল। (শুদ্ধ / অশুদ্ধ)

.....

১.৫.২ ব্যষ্টিবাদী স্তৰৰ তত্ত্ব

ধৰা হ'ল, কোনোলোকে মনীষা নামৰ ছোৱালীজনীয়ে কিয় পঢ়িব নোৱাৰে বুলি প্ৰশ্ন কৰিছে। শিক্ষাৰ সমাজতত্ত্বৰ সৈতে জড়িত বিভিন্ন ব্যষ্টিবাদী স্তৰৰ তত্ত্ব বিশ্লেষণ কৰি বহলাই ইয়াৰ উত্তৰ দিব পৰা যায়। এই তত্ত্বোৰে কোনো এটা শৈক্ষিক দিশৰ ব্যক্তিগত আৰু ব্যষ্টিগত সুবিধা-অসুবিধাসমূহ চালিজাৰি চায়। এয়া সমষ্টিবাদী তত্ত্বসমূহত পোৱা নাযায়। সংঘাত তত্ত্বৰ দৰে বিভিন্ন সমষ্টিবাদী স্তৰৰ তত্ত্বৰ বিপক্ষে সততে শুনিবলৈ পোৱা সমালোচনা এটা হ'ল এই তত্ত্বোৰে শিক্ষাৰ্থীৰ জীৱনক গঢ় দিয়া শ্ৰেণীকোঠাৰ ভিতৰত সংঘটিত দৈনন্দিন জীৱন আৰু আন্তঃক্ৰিয়াসমূহৰ খুটিনাটিবোৰত আলোকপাত নকৰে। এইবোৰ কথাৰ বাবেই আন্তঃক্ৰিয়া তত্ত্ব (Interaction theories) বোৰক শিক্ষাৰ সমাজতত্ত্বৰ ব্যষ্টিবাদী স্তৰৰ তত্ত্বসমূহৰ মাজৰ এটা অতি তাৎপৰ্যপূৰ্ণ উপাদান বুলি গণ্য কৰা হয়। আন্তঃক্ৰিয়া তত্ত্বই কোনো ধৰণৰ সূক্ষ্ম কথাকে বিশ্লেষণৰ পৰা বাদ নিদিয়ে। সামাজিক মনোবিজ্ঞানৰ পৰা উদ্ভৱ হোৱা এটা তত্ত্বটোৱে ব্যক্তি আৰু সমাজক তাৎক্ষণিক পাৰিপাৰ্শ্বিকক আৱৰি ৰখা কিছুমান প্ৰতীকৰ সৈতে সংযুক্ত কৰে। এই প্ৰতীকবোৰ অৰ্থবাহক। আন্তঃক্ৰিয়া তত্ত্বৰ দৰে অন্য ব্যষ্টিবাদী স্তৰৰ তত্ত্বসমূহে এই প্ৰতীকবোৰ বিভিন্ন সময়ত সামাজিকভাৱে গঢ় লৈ উঠিছে নেকি, সেই কথা বিশ্লেষণ কৰি চায়।

সেয়েহে 'মনীষাই কিয় পঢ়িব নোৱাৰে' বুলি সোধা প্ৰশ্নটোৰ উত্তৰ দিবলৈ যোৱাৰ আগতে আমি মনীষাৰ সামাজিক পৰিস্থিতি তথা 'বাস্তৱৰ সামাজিক নিৰ্মাণ' (Social Construction of reality)ৰ কথা বিচাৰ কৰি চাব লাগিব (Burger & Luckmann, 1963)। ইয়াৰ লগে লগে আমি শিক্ষক, বিদ্যালয়ৰ প্ৰশাসনীয় মুৰব্বীসকল, পিতৃ-মাতৃ, অভিভাৱক তথা সমনীয়া-সহপাঠী দলবোৰৰো সামাজিকভাৱে গঢ় লৈ উঠা বাস্তৱবোৰৰ কথা অধ্যয়ন কৰিব লাগিব।

আন্তঃক্ৰিয়াবাদীসকলে বিভিন্ন তত্ত্ব গ্ৰহণ কৰি অধ্যয়ন আগবঢ়াই লৈ গৈছে। ইয়াৰে জনপ্ৰিয় তত্ত্ব কেইটামান হ'ল প্ৰতীকি আন্তঃক্ৰিয়াবাদ (Symbolic Interactionism), ভূমিকা তত্ত্ব (Role Theory) আৰু চিহ্নজ্ঞাপন (Labelling) তত্ত্ব, নাট্য কৌশল তত্ত্ব (Dramaturgy), নৃগোষ্ঠীবৰ্ণনাকাৰী পদ্ধতি বিজ্ঞান (Ethnomethodology) তত্ত্ব আৰু পৰিঘটনামূলক সমাজতত্ত্ব (Phenemenological Sociology)।

- **প্ৰতীকি আন্তঃক্ৰিয়াবাদ তত্ত্ব ঃ** জৰ্জ এইছ. মীড আৰু চি. এইছ. কুলীৰ দৰে পণ্ডিত এই তত্ত্বৰ পৃষ্ঠপোষক। এই তত্ত্বটোৱে প্ৰতীকৰ জৰিয়তে সামাজিক বাস্তৱক বুজাৰ প্ৰয়াস কৰে। প্ৰতীকবোৰ হ'ল কিছুমান চিন্তা অথবা ধাৰণা। ইয়াৰ জৰিয়তে আমি অন্যৰ সৈতে কেনেদৰে আন্তঃক্ৰিয়া সম্পন্ন কৰিম তাৰ ৰূপৰেখা যুগুত কৰি লওঁ। ই আমাৰ চৌপাশৰ সামাজিক বাস্তৱক প্ৰতিফলিত কৰে। শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত জনপ্ৰিয়তা অৰ্জন হ'ল এটা বাঞ্ছিত সফলতা। ক্ৰীড়া, শাৰীৰিক সৌন্দৰ্য, সহঃপাঠ্যক্ৰমভিত্তিক কাৰ্যকলাপ অথবা শৈক্ষিক দিশ সকলোতে শিক্ষাৰ্থীয়ে জনপ্ৰিয় হ'ব খোজে। কিন্তু সমস্যাটো হ'ল মাত্ৰ সীমিত সংখ্যক শিক্ষাৰ্থীয়েহে জনপ্ৰিয়তাৰ গৰাকী হ'ব পাৰে। শিক্ষাৰ্থীসকলৰ একাংশক অসফল আৰু আন একাংশক বিজয়ী বুলি হয়। কেতিয়াবা আকৌ জয়ী অথবা পৰাজিত হোৱাৰ কাৰণ হিচাপে কিছুমান বিশেষ প্ৰতীকক জগৰীয়া কৰা হয়। এনে প্ৰতীকবোৰ শিক্ষাৰ্থীয়ে ঘৰতে শিকি আহি বিদ্যালয়ত প্ৰয়োগ কৰে। যেনে— ধৰা হ'ল, এহাল পিতৃ-মাতৃৰ হাতত প্ৰয়োজনীয় মূলধন আছে। তেওঁলোকে সন্তানক বিজয়ীৰূপে উপস্থাপন কৰিব পৰা সংস্কৃতি তথা আৰ্থিক সুযোগ-সুবিধাৰ যোগান ধৰিব পাৰে। কিন্তু এয়া সকলো পৰিয়ালৰ বাবে সম্ভৱ নহয়। অৰ্থাৎ, বিদ্যালয়ত বিভিন্ন ক্ষেত্ৰত বিজয়ী হোৱাসকলৰ বাবে প্ৰতীকি সমলৰ সুচলতা থাকে বুলি অনুমান কৰি লোৱা হয়। আকৌ, বিজয়ীসকলৰ প্ৰতি শিক্ষক আৰু সহপাঠী উভয়ে পৃথক মনোভাৱ পোষণ কৰে। ই তেওঁলোকক পৃথিৱীখনৰ প্ৰত্যাহ্বানবোৰৰ অধিক আত্মবিশ্বাসেৰে মুখামুখি হোৱাত সহায় কৰে। অৰ্থাৎ, আমাৰ সামাজিক বাস্তৱ গঢ়ি তোলাৰ এটা আৱশ্যকীয় উপাদান হ'ল প্ৰতীক।

- **চিহ্নজ্ঞাপক তত্ত্ব (Labelling Theory) ঃ** এই তত্ত্বৰ প্ৰতীকি আন্তঃক্ৰিয়াবাদ তত্ত্বৰ সৈতে সাদৃশ্য আছে। এই তত্ত্বই আন ব্যক্তিৰ অনুমান-ধাৰণাবোৰে কেনেদৰে এগৰাকী ব্যক্তিৰ 'স্ব-ভাৱমূৰ্তি' (image of self) গঢ়ি তুলিব পাৰে সেই কথা বুজাত সহায় কৰে। চি.এইছ. কুলীক চিহ্নজ্ঞাপক তত্ত্বৰ তাত্ত্বিক বুলি একে আষাৰে অভিহিত কৰিব নোৱাৰি যদিও ব্যক্তিৰ 'স্ব-ভাৱমূৰ্তি' বুজাত 'দাপোণত দেখা স্ব-প্ৰতিবিম্ব' (Looking glass self) ৰ দাৰণাটোৰ বিশ্লেষেণে সবাতোকৈ অধিক সহায় কৰে। 'দাপোণত দেখা স্ব-প্ৰতিবিম্ব' ধাৰণাটোৱে অইনৰ আগত নিজকে উপযুক্তভাৱে উপস্থাপন কৰিবলৈ দাপোণত নিজকে চোৱাৰ দৰে পৰীক্ষা কৰি চোৱাৰ কথা বুজায়। ধৰা হ'ল, মনীষা নামৰ ছাত্ৰীগৰাকীয়ে শিক্ষকে আশা কৰা মতে অধ্যয়নত ভাল ফল দেখুৱাব পৰা নাই। শিক্ষকে সেয়েহে তাইৰ কথা 'মুৰ্খ' অথবা 'ভোটা' শিক্ষাৰ্থীৰ চিহ্নৰ সহায়ত ক'বলৈ আৰম্ভ কৰিছে। কালক্ৰমত মনীষাই 'মুৰ্খ' ছোৱালী বুলি তাইৰ গাত জাপি দিয়া চিহ্নটো আত্মস্থ (internalise) কৰি নিজকে সেইবুলিয়ে ভাবিবলৈ আৰম্ভ কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ কাৰ্যকৰী দৃষ্টিভংগী প্ৰয়োগ কৰি শিক্ষাৰ সমাজতত্ত্ব ক্ষেত্ৰখনত তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়োৱা সমাজতাত্ত্বিক দুগৰাকীৰ নাম লিখক।

.....

প্ৰশ্ন ৪ ঃ চি.এইছ কুলীয়ে তলৰ কোনটো ধাৰণা বিস্তৃতভাৱে বিশ্লেষণ কৰিছিল ?

(ক) নাট্য কৌশল, (খ) ব্লেক বক্স (Black Box)

(গ) দাপোণত স্ব-প্ৰতিবিম্ব (ঘ) আটাইকেইটা

.....

যিসকল শিক্ষক আৰু সহযোগীয়ে মনীষাক এই চিহ্নটো জাপি দিছিল তেওঁলোকে তাইক এই চিহ্নটোৰেই চিনাক্ত কৰাৰ প্ৰক্ৰিয়াটো অব্যাহত ৰাখিলে। এই সৰু উদাহৰণটোৰ পৰাই আমি অনুমান কৰিব পাৰো যে নৃগোষ্ঠী, সামাজিক শ্ৰেণী, সামাজিক লিংগ, জাতি, সম্প্ৰদায়, ধৰ্ম নাইবা পৰিয়ালৰ পৃষ্ঠভূমিৰ আধাৰত শিক্ষকে শিক্ষাৰ্থীক লৈ কৰা প্ৰত্যাশাবোৰ গঢ় লয় আৰু এই প্ৰত্যাশাবোৰে কেনেকৈ শিক্ষাৰ্থীৰ নিজৰ বিষয়ে আৰু সফলতা সম্পৰ্কীয় ধাৰণাবোৰক গঢ় দিয়ে। আমি প্ৰায়েই দেখো যে বিদ্যালয়সমূহে শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ ভিত্তিত পাঠ পঢ়া দল অথবা বিশেষ শিক্ষাদান দলবোৰ গঠন কৰে। তথাকথিত পঢ়াত চোকা শিক্ষাৰ্থীবোৰক একেটা দলতে ৰখা হয়

আৰু মধ্যমীয়া বুদ্ধি-বৃত্তিৰ শিক্ষার্থীক আন এটা দলত অন্তর্ভুক্ত কৰা হয়। ২০১৮ চনত প্রকাশিত গ্রন্থ এখনৰ লেখকত্রয় বেলেণ্টাইন, স্পোড আৰু ষ্টাবাৰৰ মতে নিম্ন স্তৰৰ অধ্যয়ন দলবোৰত স্থান পোৱা শিক্ষার্থীসকল সাধাৰণতে প্রায়েই নিম্ন আয় শিতানত পৰা পৰিয়ালসমূহৰ সন্তান হোৱা দেখা যায়।

বিদ্যালয়ৰ ভিতৰত এগৰাকী শিক্ষার্থীৰ সামাজিক স্থিতিও বহুলাংশে তেওঁৰ 'বিদ্যালয়ৰ বাহিৰৰ সামাজিক স্থিতিচৰ ওপৰত নির্ভৰশীল। শিক্ষার্থী সম্পর্কে শিক্ষকে ইতিমধ্যে একোটা পূর্বানুমানৰ ভিত্তিত ধাৰণা কৰি লয়। শিক্ষার্থীৰ যত্ন লোৱাৰ সময়ত একোটা সর্বাত্মক পন্থা প্রয়োগ কৰাত শিক্ষকসকল ব্যর্থ হোৱাৰ ই প্রধান কাৰণ। ইয়াৰ পৰিৱর্তে শিক্ষকে শিক্ষার্থীৰ গাত 'পঢ়াত বেয়া', 'নিয়ম নমনা' অথবা 'অতি দুর্বল' আদিৰ দৰে চিহ্ন কিছুমান আৰোপ কৰে।

- **নাট্য কৌশল তত্ত্ব ঃ** ১৯৫৯ চনত ইৰ্ভিন গফ্‌মেনে এই ধাৰণাটো বিকশিত কৰিছিল। সমষ্টি আৰু ব্যষ্টিবাদী ধাৰাৰ তত্ত্বসমূহৰ মাজত সংযোগ স্থাপনৰ প্রয়াস কৰাৰ ফলত এই ধাৰণাটো বিকশিত হৈছিল। ব্যক্তিৰ সামূহিক সচেতনতা গঢ়াত প্রতীক আৰু ৰীতি-নীতিৰ গুৰুত্ব বিষয়ক ডুৰ্খেইমে আগবঢ়োৱা ধাৰণাটোৰ পৰা অনুপ্রেৰণা লৈ গফ্‌মেনে কৈছিল যে বৃহত্তৰ সমাজখনৰ সামগ্রিক প্রতিনিধিত্ব কৰা কিছুমান নীতি-নিয়মৰ সমষ্টি অথবা কোনো ব্যৱস্থাৰ দ্বাৰা সমাজ এখনৰ দৈনন্দিন জীৱন নিয়ন্ত্রিত। তেওঁ কথাটোৰ ব্যাখ্যা কৰিবলৈ মঞ্চ এখনৰ 'সন্মুখ অংশ' (Front Stage) আৰু 'পশ্চাদ অংশ' (Backstage) বোলা ধাৰণা দুটা উপস্থাপন কৰিছিল। ব্যক্তিয়ে সমাজ নামৰ মঞ্চখনত নিজৰ ভূমিকা পালন কৰিবলৈ বিভিন্ন ধৰণৰ সমর্থনকাৰী ৰংগমঞ্চকেন্দ্রিক কৌশল (Props) প্রয়োগ কৰে। অর্থাৎ, ব্যক্তিয়ে মঞ্চৰ সন্মুখ অংশত নিজকে আন কোনোবা বুলি উপস্থাপন কৰে যিটো বাস্তৱতকৈ পৃথক। বিদ্যালয়বোৰতো শিক্ষক আৰু শিক্ষার্থীয়ে মঞ্চৰ সন্মুখ অংশত এটা আৰু পশ্চাদ অংশত আন এটা ভূমিকা পালন কৰে। সন্মুখ অংশত পালন কৰা ভূমিকাটো সদায় সামাজিকভাৱে গ্রহণযোগ্য আৰু দর্শক অথবা বৃহত্তৰ সমাজৰ ভাল লাগিব পৰা ধৰণৰ হ'ব লাগিব।

  ইয়াৰ উপৰি বিভিন্ন পণ্ডিতে শ্রেণীকোঠাৰ বাস্তৱ ভালদৰে বুজিবলৈ গফ্‌মেনৰ 'কলংক' (Stigma)ৰ ধাৰণাটো প্রয়োগ কৰে। পুনৰ মনীষাৰ উদাহৰণটোলৈ মন কৰক। মনীষাই বিদ্যালয়ত সমাজৰ সদস্য হিচাপে পালন কৰিবলগীয়া ভূমিকাবোৰৰ বিষয়ে শিকা আৰু সেইবোৰ আত্মস্থ কৰাৰ চেষ্টা কৰে। তাইৰ অর্থনৈতিক আৰু সামাজিক পৃষ্ঠভূমি দুর্বল হোৱা সত্ত্বেও তাই বিদ্যালয়লৈ আহে আৰু পোছাক-পৰিচ্ছদ, পেঞ্চিল বাকচ, কিতাপ ভৰোৱা মোনা, হাতৰ আখৰ আদিৰ দৰে সম্ভাব্য সকলো শ্রেষ্ঠ উপায়ৰ জৰিয়তে নিজকে উপস্থাপন কৰে।

কিন্তু, তাই উচ্চজাতি আৰু আৰ্থিকভাৱে স্বচ্ছল পৰিয়ালৰ পৰা অহা সহপাঠীসকলৰ সমান হিচাপে নিজক উপস্থাপন কৰিব নোৱাৰিবও পাৰে। বিদ্যালয়ত সকলো দিশতে ভালদৰে পাৰদৰ্শিতা দেখুৱাব নোৱাৰা কথাটোক মনীষাৰ বাবে এক 'কলংক' বুলি গণ্য কৰা হ'ব পাৰে। এই কলংকৰ কাৰণ হ'ল তাই সামাজিকভাৱে বঞ্চিত শ্ৰেণী অথবা জাতি এটাৰ সদস্য।

- **যুক্তিগত পছন্দ তত্ত্ব ঃ** ই আন্তঃক্ৰিয়াবাদ তত্ত্ব আৰু প্ৰতীক তত্ত্বক সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান নকৰে। এই তত্ত্ব অনুসৰি বিদ্যালয় প্ৰণালী একোটাৰ সৈতে ব্যয় আৰু পুৰস্কাৰৰ ধাৰণা দুটা জড়িত হৈ থাকে। যদি বিদ্যালয়ৰ এখনৰ পৰা পোৱা সুবিধা বিদ্যালয়ৰ নামত হোৱা ব্যয়তকৈ কম হয়, তেন্তে শিক্ষাৰ্থীসকলে শিক্ষা গ্ৰহণ অবিৰত কৰি ৰখাৰ সম্ভাৱনা বাঢ়ি যায়। কিন্তু যদি লাভ কৰিবলগীয়া সুযোগ-সুবিধাতকৈ কৰিবলগীয়া খৰছৰ পৰিমাণ বাঢ়ি যায় তেন্তে শিক্ষাৰ্থীয়ে অন্য উপযুক্ত বিকল্পৰ সন্ধান কৰিব। এই একেটা তত্ত্বকে শিক্ষকৰ মনোযোগ বুজাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি। এগৰাকী শিক্ষকে যদি ব্যয় কৰা শ্ৰম-সময়তকৈ উন্নততৰ পুৰস্কাৰ লাভ কৰে, তেন্তে তেওঁ দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীক অতিৰিক্ত পাঠদান কৰি সমাজলৈ নিজ অৰিহণা আগবঢ়োৱাত অধিক গুৰুৰুত্ব দিব। ইয়াৰ বিপৰীতে যদি পাবলগীয়া সা-সুবিধাতকৈ ব্যয়ৰ পৰিমাণ অধিক হয়, তেন্তে শিক্ষকে শিক্ষকতা বাদ দিব পাৰে (Dworkin, 2007)।



চিন্তা-চৰ্চা কৰক ঃ ৩

প্ৰতীকি আন্তঃক্ৰিয়াবাদে কেনেদৰে বিদ্যালয়ত ধৰা পৰা 'কলংক'বোৰ বুজাত সহায় কৰিব পাৰে?

১.৬ ভাৰতীয় পটভূমিত শিক্ষাৰ সমাজতত্ত্বৰ পৰিসৰ

ওপৰৰ শিতানবোৰ পঢ়ি আপুনি নিশ্চয় শিক্ষাৰ সমাজতত্ত্বৰ সৈতে জড়িত সমাজতাত্ত্বিক তত্ত্বসমূহৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ যাত্ৰা সম্পৰ্কে অৱগত হ'ল। এতিয়ালৈকে সমগ্ৰ বিশ্বতে শিক্ষাৰ সমাজতত্ত্ব ক্ষেত্ৰখনত হোৱা তাত্ত্বিক বিকাশৰ আলোচনা এক সাধাৰণ ধাৰা হিচাপে সক্ৰিয় হৈ আছে। এই অধ্যায়ত শিক্ষাৰ সমাজতত্ত্বৰ পৰিসৰ, বিশেষকৈ ভাৰতৰ পটভূমিত ইয়াৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰা হ'ব। শিক্ষাবিদসকলে মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে শিক্ষা বিষয়টো চালিজাৰি চোৱাৰ সময়ত শিক্ষাৰ সমাজতত্ত্বৰ জৰিয়তে আৰ্থ-সামাজিক অসমতা তথা সাংস্কৃতিক বিবিধতাসম্পন্ন সমাজখনৰ অধ্যন কৰে। শিক্ষাক অধিক সুচল আৰু সমতাপূৰ্ণ কৰি তুলিবলৈ ভাৰতীয় সমাজ-সংস্কৃতিৰ সূক্ষাতিসূক্ষ্ম জ্ঞান থকাতো এক অত্যাৱশকীয় কাৰক। ভাৰত আৰু

ভাৰতৰ বাহিৰত শিক্ষা বিষয়ৰ এই উপ-বিভাগটোক নীতি নিৰ্দ্ধাৰণৰ ৰেহৰূপ গঢ়িবলৈ বিশেষ তথা বিস্তৃতভাৱে ব্যৱহাৰ কৰা হয়। ভাৰতৰ পটভূমিত শিক্ষাৰ এই উপবিভাগটোৰ উত্থান প্ৰায় নতুন। ১৯৬০ ৰ দশকত ভাৰতত এই উপ-বিভাগৰ কাম-কাজবোৰ আৰম্ভ হৈছিল। ১৯৬৪-১৯৬৬ চনত 'কোথাৰী আয়োগ' নাম পোৱা দেশৰ প্ৰথমখন 'শিক্ষা আয়োগ' গঠন কৰাৰ সময়ত পৰিকল্পনাকাৰী হিচাপে কেইবাগৰীকীও সমাজতাত্ত্বিকক জড়িত কৰোৱা হৈছিল। ১৯৭৬ চনত প্ৰকাশিত 'Papers in Sociology of Education' শীৰ্ষক গৱেষণা পত্ৰখনত শিক্ষাৰ পৰিসৰ সম্পৰ্কীয় এটা ৰূপৰেখা উপস্থাপন কৰা হৈছিল। কথাটোত এম.এছ. গোৰ আৰু আই.পি. দেশাইৰ দৰে প্ৰসিদ্ধ পণ্ডিতেও আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁলোকেই আছিল ভাৰতত শিক্ষাৰ মনোবিজ্ঞানৰ পৰিসৰ জোখাৰ প্ৰথম চেষ্টা চলাইছিল। ১৯৭০ ৰ দশক আগি পোৱালৈকে ভাৰতৰ বিভিন্ন ৰাজ্যত বিষয়টোৰ নানা গৱেষণা সম্পন্ন হৈছিল। এই গৱেষণাবোৰৰ বিষয়ে লিখা কথাবোৰ 'ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ' (NCERT) এ প্ৰকাশ কৰিছিল। বৰ্তমানলৈকে শিক্ষাৰ সমাজতত্ত্বৰ তাত্ত্বিকসকল দেশৰ বিভিন্ন নীতি নিৰ্দ্ধাৰক সমিতিত সক্ৰিয় হৈ আছে। এনে দুটামান নীতি হ'ল— নীতি (NITI) আয়োগ, ইউনিচেফ (UNICEF) আৰু বিশ্ব বেংক (World Bank)। তেওঁলোকে পাঠ্যক্ৰম আৰু শিক্ষাবিজ্ঞান (Pedagogy) ৰ আৰ্হি প্ৰস্তুত কৰাৰ কামত বৰ্তমানেও সক্ৰিয় অংশগ্ৰহণ কৰি আছে। আজিকালি বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত শিক্ষকক প্ৰশিক্ষণ দিবলৈ সমাজতাত্ত্বিক নিয়োগ কৰা হয়।

> শিক্ষাৰ সমাজতত্ত্ব বিষয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰা প্ৰথম ৬ খন ভাৰতীয় বিশ্ববিদ্যালয় হ'ল ক্ৰমে বোম্বে, কলিকতা, মাইচোৰ (মহীশূৰ), লক্ষ্ণৌ, ওচমানিয়া আৰু পুনা।

কেৱল নীতি যুগুতকৰণৰ কামত শিক্ষাৰ সমাজতত্ত্বৰ প্ৰয়োগ সীমিত কৰি ৰাখিলে সমাজতত্ত্ব আৰু শিক্ষা দুয়োটা বিষয়ৰে এই অত্যন্ত গুৰুত্বপূৰ্ণ উপ-বিভাগটোৰ এক বিকৃত ছবিহে ডঙংকন কৰা যেন হ'ব। বিভিন্ন সময়ত পণ্ডিতমহলে যুক্তি দৰ্শাই আহিছে যে শিক্ষাৰ সমাজতত্ত্বক নীতি নিৰ্দ্ধাৰণকেন্দ্ৰিক অধ্যয়নৰ শাখাৰূপে গঢ়ি তোলাৰ প্ৰয়াসবোৰে ইয়াৰ প্ৰকৃত বিদ্যায়তনিক পৰিসৰ সংকুচিত কৰি পেলাইছে। এই উপ-বিভাগটোৰ মন্থৰ বিদ্যায়তনিক বিকাশৰ আন এটা কাৰণ হ'ল সমাজতত্ত্ব বিষয়টোৰ লেহেমীয়া বিকাশ। ১৯১৯ চনতেই বোম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্বৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল যদিও ১৯৫০ চনলৈ দেশৰ মাত্ৰ ছখন বিশ্ববিদ্যালয়েহে বিষয়টোক গুৰুত্ব দিছিল। ১৯৬০ চনলৈ সমাজতত্ত্ব বিভাগ থকা বিশ্ববিদ্যালয়ৰ সংখ্যা ১৯ খন হৈছিলগৈ। তথাপিও শিক্ষাৰ সমাজতত্ত্ব পাঠ্যক্ৰম চলাই থকা বিশ্ববিদ্যালয় আছিল মাত্ৰ দুখন — এম. এছ. বিশ্ববিদ্যালয়, বৰোদা আৰু ওচমানিয়া বিশ্ববিদ্যালয়, হায়দৰাবাদ। ১৯৭০ ৰ দশকতহে ভাৰতত শিক্ষাৰ সমাজতত্ত্বক লৈ গম্ভীৰ প্ৰকৃতিৰ শৈক্ষিক বাতাৰৰণ এটা গঢ় লৈ উঠে। জৱাহৰলাল

নেহৰু বিশ্ববিদ্যালয়ত জাকিৰ হুছেইন শৈক্ষিক অধ্যয়ন কেন্দ্ৰ আৰু টাটা সমাজ বিজ্ঞান প্ৰতিষ্ঠান (TISS)ত শিক্ষাৰ সমাজতত্ত্বৰ গৱেষণা নিকায় (RUSE) স্থাপন হোৱাৰ লগে লগে বিষয়টোৱে নতুন গতি লাভ কৰে। জাকিৰ হুছেইন শৈক্ষিক অধ্যয়ন কেন্দ্ৰৰ লক্ষ্য আছিল ভাৰতত শিক্ষাৰ সমাজতত্ত্ব বিষয়ত আনুষ্ঠানিক উদ্ভাৱনৰ পৃষ্ঠপোষকতা কৰা। ইয়াত শিক্ষাৰ সমাজতত্ত্বৰ বিশেষীকৃত আৰু ঐচ্ছিক/বিকল্প পাঠ্যক্ৰমত শিক্ষা গ্ৰহণ কৰাৰ সুবিধা আছে। একেদৰে, RUSE (নতুন নাম শিক্ষাৰ সমাজতত্ত্ব অধ্যয়ন কেন্দ্ৰ/CSSE) ৰ অধীনত TISSৰ সমাজকাৰ্য পাঠ্যক্ৰমৰ এক অংশ হিচাপে শিক্ষাৰ সমাজতত্ত্ব পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। ইয়াত স্নাতকোত্তৰ পাঠ্যক্ৰমত সামাজিক লিংগ আৰু শিক্ষা শীৰ্ষক বিষয়টোৰ সৈতে শিক্ষাৰ সমাজতত্ত্ব বিষয়টোক 'আধাৰ পাঠ্যবিষয়' হিচাপে পঢ়ুওৱা হয়। TISS ৰ অধীনত ১৯৭০ ৰ দশকত এই কেন্দ্ৰটি স্থাপন কৰাৰ পাছৰে পৰাই ই আগ্ৰহীসকলক গৱেষণামূলক পাঠ্যক্ৰম তথা কাৰ্যসূচীও আগবঢ়াই আহিছে।

শিক্ষাৰ সমাজতত্ত্বক এটা লঘু বিষয় বুলি ধৰাতো উচিত নহ'ব। কাৰণষ এই উপ-বিভাগটোৰ সৈতে যথেষ্ট সুযোগ জড়িত হৈ আছে। ইয়াৰ পৰিসৰ ব্যাপক আৰু ভৱিষ্যৎ উজ্জ্বল। শিক্ষাৰ সমাজতত্ত্বলৈ বিদ্যায়তনিক গতিশীলতা অহাৰ লগে লগে বিভিন্ন সামাজিক গতিশীলতা সম্পৰ্কেও অধিক স্পষ্টকৈ বুজিব পৰা যাব। সমাজত চলি থকা শৈক্ষিক অসমতা আঁতৰাবলৈ ই এক ফলপ্ৰসূ সমাধান বাহিৰ কৰাত সহায় কৰিব পাৰে।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষাৰ সমাজতত্ত্ব হ'ল অধ্যয়নৰ এটা উপ-শাখা। প্ৰকাৰ্যবাদী পণ্ডিত এমিল ডুৰ্খেইমৰ কৰ্মৰাজিৰ পৰা এই ধাৰণাটোৰ উদ্ভৱ আৰু বিকাশ হৈছে।
- ডুৰ্খেইমৰ যুক্তি অনুসৰি বিদ্যালয়ৰ জৰিয়তে লাভ কৰা শিক্ষাই সমাজ ব্যৱস্থাৰ সমতা বৰ্তাই ৰখাত এক কাৰ্যকৰী ভূমিকা পালন কৰে।
- এই দৃষ্টিভংগীৰ পৰা উদ্ভৱ হোৱা শিক্ষাৰ সমাজতত্ত্বই অধ্যয়নৰ এটা বিষয় হিচাপে প্ৰথমে ইউনাইটেড কিংড'ম আৰু পৰৱৰ্তী সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শিক্ষানুষ্ঠানসমূহত স্থান পাইছিল।
- অধ্যয়নৰ এই উপ-শাখাটোৰ পাঠ্যক্ৰম ভাৰতত বহু দেৰীকৈ আৰম্ভ কৰা হৈছে। বিশ্বৰ অন্য অঞ্চলত শিক্ষাৰ সমাজতত্ত্বৰ নব্য ধাৰাটোৰ প্ৰচলন আৰম্ভ হোৱাৰ সময়তহে ১৯৬০ৰ দশকৰ পৰা ভাৰতত ইয়াৰ অধ্যয়ন আৰম্ভ হৈছিল।
- শিক্ষাৰ সমাজতত্ত্বক সমষ্টিবাদী আৰু ব্যষ্টিবাদী স্তৰত বুজিবলৈ বিভিন্ন তত্ত্বৰ বিকাশ ঘটিছে।

- বর্তমান সময়ত পৰম্পৰাগ তত্ত্বৰ পৰা কিছু ফালৰি কাটি গৈ শিক্ষাৰ সমাজতত্ত্বই সামাজিক মূলধন, সাংস্কৃতিক মূলধন, সংকেত তত্ত্ব আৰু নাৰীবাদী তত্ত্বৰ দৰে বহুতো সমসাময়িক ধাৰণা বিকশিত কৰিছে।



১.৮ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



১.৯ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ শুদ্ধ

প্রশ্ন নং ২ উত্তৰ ঃ অশুদ্ধ

প্রশ্ন নং ৩ উত্তৰ ঃ টালকোট পার্চনচ্ আৰু এমিল ডুৰ্খেইম।

প্রশ্ন নং ৪ উত্তৰ ঃ (গ) দাপোণত স্ব-প্রতিবিম্ব।



১.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ চিহ্নজ্ঞাপক তত্ত্ব (Labelling Theory) ৰ বিষয়ে এটা চমুটোকা প্রস্তুত কৰক।

প্রশ্ন নং ২ ঃ শিক্ষা আৰু সমাজতত্ত্বৰ মাজত থকা সম্পর্ক বর্ণনা কৰক।

****

অধ্যায় ২ ঃ শিক্ষাৰ গুৰুত্ব

অধ্যায় গাঁঠনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ব্যক্তিৰ বাবে শিক্ষাৰ গুৰুত্ব
২.৩.১ সমাজৰ বাবে শিক্ষাৰ গুৰুত্ব
২.৪ শিক্ষা আৰু সামাজিক গতিশীলতা
২.৫ শিক্ষা আৰু সামাজিক পৰিৱর্তন
২.৬ ধাৰাবাহিকতাৰ পৰিৱর্তন আৰু আধুনিকীকৰণৰ এক উৎস হিচাপে শিক্ষা
২.৭ শিক্ষা আৰু সমাজ ঃ শিক্ষা আৰু সমাজৰ আন্তঃসম্পর্কৰ ব্যাখ্যা
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক গতিশীলতাৰ ধাৰণা আৰু শিক্ষাৰ মাজত থকা সম্পর্কটোৰ বিষয়ে অৱগত হ'ব।
- সামাজিক পৰিৱর্তনৰ এক আহিলা শিক্ষাই পালন কৰা ভূমিকা সম্পর্কে জানিব পাৰিব।

২.২ পৰিচয়

শিক্ষাই মানুহক জীৱনৰ প্রত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ সাজু কৰি তোলে। ই হ'ল জ্ঞান আহৰণৰ এক ক্রমাগত প্রক্রিয়া। শিক্ষাকো সেয়েহে শিকন বুলি ক'ব পৰা যায়। আমি এই প্রক্রিয়াৰ জৰিয়তে 'কেনেকৈ শিকে' সেই বিষয়েও ধাৰণা লাভ কৰো। শিকন এটা সমগ্র জীৱন ধৰি চলি থকা প্রক্রিয়া। কেঁচুৰা এটিয়ে জন্ম হোৱাৰ মূহুর্তৰ পৰাই শিকে। লাহে লাহে কেঁচুৰাটোৱে সঁহাৰি জনাব পৰা হয়, বহিবলৈ-খোজ দিবলৈ-ক'বলৈ শিকে। ডাঙৰ হৈ গৈ থকাৰ লগে লগে ই আন বিভিন্ন ধৰণৰ কার্যকলাপ শিকে, প্রজ্ঞাত্মক (বোধশক্তি) শিকন প্রক্রিয়াৰে আগবাঢ়ে। এই আটাইবোৰ শিক্ষাই পৰৱর্তী জীৱনত প্রভাৱ পেলায়। এই সকলোবোৰ কার্যকলাপে শিকন প্রক্রিয়া এটা গঢ়ি তোলে। এই প্রক্রিয়াটো বিভিন্ন দিশেৰে শিক্ষাৰ এক গুৰুত্বপূর্ণ অংশ।

লিখা আৰু পঢ়া হ'ল শিক্ষাৰ কেৱলমাত্ৰ দুটা দিশ। শিক্ষাই মানুহক যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা সামৰ্থৰ গৰাকী কৰি তোলে, ভুল-শুদ্ধৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পৰা কৰি তোলে আৰু শিক্ষাৰ বাবেই মানুহে নিজৰ, পৰিয়ালৰ অথবা সামগ্ৰিকভাৱে গোটেই সমাজখনৰ বাবে শুভফলদায়ক নাইবা উপযুক্ত কথাবোৰ পছন্দ কৰিব পৰা হয়। এই দৃষ্টিভংগীবোৰৰ গৰাকী হ'বলৈ আমি সকলোৱে শিক্ষিত হোৱা উচিত। তেতিয়াহে আমি আৱশ্যকীয় নাইবা আকৰ্ষণীয় কথাবোৰ শিকিব অথবা আয়ত্ব কৰিব পাৰিম। এই কথাবোৰক শিক্ষাৰ অনানুষ্ঠানিক ভাগটোৰ অন্তৰ্ভুক্ত বুলি ধৰা হয়। তথাপিও এইবোৰ সমানেই গুৰুত্বপূৰ্ণ। আনুষ্ঠানিক পদ্ধতিৰে গ্ৰহণ কৰা শিক্ষাক অগ্ৰাধিকাৰ দিয়াৰ মূল কাৰণ হ'ল ই সামাজিকভাৱে গ্ৰহণীয়। আনুষ্ঠানিক শিক্ষাই মানুহৰ ভৱিষ্যৎ জীৱনৰ দিগন্ত প্ৰসাৰিত কৰাৰ লগতে কৰ্মসংস্থাপন লাভত সহায় কৰে। বৃত্তি এটাত নিয়োজিত হ'বলৈ নাইবা জীৱনত উন্নতি কৰিবলৈ প্ৰয়োজন হোৱা বিশেষ প্ৰশিক্ষণেৰে ই মানুহক প্ৰস্তুত কৰি তোলে। এই অধ্যায়ত শিক্ষাৰ তাৎপৰ্য সম্পৰ্কে বহলাই আলোচনা কৰা হ'ব।

২.৩ ব্যক্তিৰ বাবে শিক্ষাৰ গুৰুত্ব

শিক্ষা এক উপকাৰী বিষয়। ই মানুহক উন্নতিৰ পথেৰে আগবঢ়াত সহায় কৰে। শিক্ষাৰ বাবেই আমি নিজৰ এক সুকীয়া পৰিচয় গঢ়াৰ সুযোগ পাও। শিক্ষাই মানুহক জীৱজগতৰ অন্যবোৰৰ পৰা পৃথক কৰিছে। ঘৰ, বিদ্যালয় আৰু বিভিন্ন ধৰণৰ আনুষ্ঠানিক-অনানুষ্ঠানিক শিক্ষানুষ্ঠানৰ পৰা লাভ কৰা শিক্ষাই মানুহ হিচাপে আমাৰ উত্তৰণ নিশ্চিত কৰে। আমি জগতৰ কথা অধিক পৰিষ্কাৰকৈ বুজি পাও, মানৱতাবোধৰ গৰাকী হও, বিজ্ঞান-মনস্কতাৰে কথাবোৰ বিচাৰ কৰি চাও, গৱেষণা উদ্ভাৱন আদিৰ সহায়ত জীৱন আৰামদায়ক কৰি তোলাৰ সামৰ্থ আয়ত্ব কৰোঁ। সামগ্ৰিকভাৱে শিক্ষা হ'ল মানুহক জ্ঞানৰ পৰা প্ৰজ্ঞা (wisdom) লৈ আগবঢ়াই লৈ যোৱা এক উদ্ধাৰকাৰী আহিলা। সমাজত বৰ্তি থাকিবলৈ প্ৰয়োজন হোৱা দক্ষতাবোৰেৰে শিক্ষাই মানুহক শাৰীৰিক আৰু মানসিকভাৱে সাজু কৰি তোলে। শিক্ষাই মানুহক জীৱিকা অৰ্জনৰ উপায় বাছি লোৱাত সহায় কৰে। শিক্ষিত লোকে উন্নততৰ কৰ্মসংস্থাপন লাভৰ সুযোগ পায়। আধুনিক সমাজত যিকোনো খণ্ডতে নিয়োগৰ সুযোগ পাবলৈ শিক্ষা সবাতোকৈ গুৰুত্বপূৰ্ণ চৰ্ত হৈ পৰিছে। মানুহ যিমানে শিক্ষিত হ'ব, সিমানে নিয়োগৰ সুবিধা বাঢ়িব, নতুন নতুন পথ খোল খাব। শিক্ষা মানুহৰ সফলতাৰ জখলা স্বৰূপ। শিক্ষাই জ্ঞান আহৰণত সহায় কৰে। ই মানুহৰ সৰ্বাত্মক বিকাশ সাধনৰ লগতে সুবিধা লাভৰ সুযোগ বিস্তৃত কৰি তোলে। এক শিক্ষিত মনেই হ'ল মুক্ত মন। কাৰণ, এনে মনৰ অধিকাৰীয়ে পছন্দ কৰাৰ সামৰ্থ আহৰণ কৰে। শিক্ষাই মানুহৰ প্ৰজ্ঞাত্মক বিকাশতো সহায় কৰে। ই মানুহৰ মনত যুক্তিযুক্ততা আৰু কাৰণ চালিজাৰি চাব পৰা সামৰ্থৰ বিকাশ ঘটায়। সমসাময়িক বিশ্বত মানুহৰ ভাগ্য চকৰী ঘূৰাব পৰা একমাত্ৰ আহিলাবিধ হ'ল শিক্ষা। শিক্ষাই মানুহক কেৱল কেনেকৈ পঢ়িব আৰু লিখিব লাগে তাকেই নিশিকায়। শিক্ষাৰ বাবেই মানুহে কেনেকৈ চিন্তা কৰিব

লাগে, কেনেকৈ পছন্দ কৰা হয়, কেনেকৈ সঠিক সিদ্ধান্ত ল'ব পাৰি, কোনটো ভাল আৰু কোনটো বেয়া সেয়াও জানিব পাৰে।

২.৩.১ সমাজৰ বাবে শিক্ষাৰ গুৰুত্ব

শিক্ষাই মানুহক মানৱ প্ৰণালী এটাৰ ভৌতিক তথা সামাজিক পৰিৱেশ সম্পৰ্কে সচেতন কৰি তোলে। উপযুক্ত শিক্ষাৰ সহায়ত মানুহে নিজৰ চৌপাশৰ পৰিৱেশৰ প্ৰতি সঁহাৰি জনাবলৈ শিকে। প্ৰত্যেক ব্যক্তি, প্ৰতিখন সমাজ আৰু দেশৰ বাবে শিক্ষাৰ আৱশ্যক। শিক্ষাই আমাক নিজৰ ইতিহাস তথা সংস্কৃতিৰ বিষয়ে জনাত সহায় কৰে। শিক্ষা লাভ কৰাৰ ফলত আমি আমাৰ অধিকাৰ আৰু কৰ্তব্যবোৰৰ বিষয়ে জানো। ই আমাক দায়িত্বশীল নাগৰিকৰূপে গঢ়ি তোলে। শিক্ষাই মানুহক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে আৰোপ কৰা আচাৰ-আচৰণ নিয়ন্ত্ৰণকাৰী নিয়ম-নীতিলৈ স্বতন্ত্ৰ অৱদান আগবঢ়াব পৰাকৈ সমৰ্থ কৰি তোলে। ই ব্যক্তিক নিয়মানুবৰ্তিতা আৰু নৈতিক প্ৰমূল্যৰ শিক্ষা দিয়ে। এইবোৰৰ বাবেই সম্প্ৰদায়সমূহে উন্নতি কৰিব পাৰে। আমি তেতিয়াহে এখন প্ৰগতিশীল আৰু সুস্থ সমাজৰ বিষয়ে কল্পনা কৰিব পাৰিম, যেতিয়া ইয়াৰ প্ৰতিগৰাকী সদস্য শিক্ষিত হ'ব। সমাজ এখনক বৰ্তাই ৰাখিবলৈ আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু বিনা-আনুষ্ঠানিক (non-formal) প্ৰকৃতিৰ সকলো শিক্ষাই অৱদান আগবঢ়ায়। শিক্ষাৰ জৰিয়তে মানুহৰ মনত ইতিবাচক মনোভাৱৰ উদ্ৰেক ঘটে। ই সমাজক বিভিন্ন অনুবিশ্বাসৰ পৰা মুক্ত কৰে, যুক্তিসংগতভাৱে চিন্তা কৰাৰ সামৰ্থ গঢ়াত সহায় কৰে। এখন সুস্থ সমাজৰ বাবে আৱশ্যক সু-মানবীয় আচৰণ গঢ়াতো শিক্ষাই সহায় কৰে। গুণমানবিশিষ্ট শিক্ষাই ব্যক্তিৰ জীৱনৰ গুণ সলনি কৰিব পাৰে। এই কথা সাধাৰণভাৱে সমাজ আৰু দেশ এখনৰ ক্ষেত্ৰতো প্ৰযোজ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক—

(ক) আনুষ্ঠানিক পদ্ধতিৰে গ্ৰহণ কৰা শিক্ষাক অগ্ৰাধিকাৰ দিয়াৰ মূল কাৰণ হ'ল ই .....।

(খ) ..... আমাক জীৱজগতৰ অন্য জীৱৰ পৰা পৃথক কৰে।

(গ) শিক্ষা মানুহৰ সফলতাৰ ..... স্বৰূপ।

২.৪ শিক্ষা আৰু সামাজিক গতিশীলতা

গতিশীলতা (mobility)ৰ ধাৰণাটোৰ সৈতে স্তৰীকৰণ (stratification) ৰ ধাৰণাটোৰ সম্পর্ক আছে। য'ত সামাজিক স্তৰীকৰণ ঘটে তাতেই সামাজিক গতিশীলতা পৰিলক্ষিত হয়। সামাজিক গতিশীলতা মানে হ'ল সমাজৰ সদস্যসকলৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গমন। ই সামাজিক স্থিতিত হোৱা পৰিৱর্তনৰ কথা বুজায়। সামাজিক গতিশীলতাৰ প্ৰধান প্ৰকাৰ দুটা। ইয়াৰে এটা হ'ল 'অন্তপ্ৰজন্মগত গতিশীলতা' (Intragenerational mobility) আৰু আনটো হ'ল 'আন্তঃপ্ৰজন্মগত গতিশীলতা' (Intragenerational mobility)। অন্তপ্ৰজন্মগত গতিশীলতা মানে হ'ল মাত্ৰ এটা প্ৰজন্মৰ মাজতে ক্ৰিয়াশীল হৈ থকা সামাজিক গতিশীলতা। ইয়াৰ দ্বাৰা ব্যক্তিয়ে কেনেকৈ নিজৰ জীৱন কালত সামাজিক উন্নতিৰ চাপেৰে উৰ্দ্ধ নাইবা নিম্নমুখী হয় সেয়া বুজা যায়। অর্থাৎ, ই ব্যক্তিৰ সফলতাৰ কথা সূচায়। আন্তঃপ্ৰজন্মগত গতিশীলতাই বহুকেইটা প্ৰজন্মৰ মাজত ক্ৰিয়াশীল হৈ থকা সামাজিক গতিশীলতাক বুজায়। ইয়াৰ অধ্যয়নৰ বিষয়বস্তু হ'ল এগৰাকী ব্যক্তিয়ে নিজৰ পিতৃ-মাতৃৰ তুলনাত কি কৰিছে সেয়া বিচাৰ কৰি চোৱা। ব্যক্তিৰ বর্তমানৰ বৃত্তিগত স্থিতিৰ তেওঁৰ পৰিয়ালৰ সামাজিক স্থিতিৰ সৈতে কিমানখিনি সম্পর্ক আছে নেকি সেয়াও এনে অধ্যয়নৰ দ্বাৰা অনুসন্ধান কৰা হয়।

সমাজতাত্ত্বিকসকলে সামাজিক গতিশীলতাৰ উলম্ব আৰু আনুভূমিক প্ৰকাৰ দুটাৰ মাজতো প্ৰভেদ নিৰূপণ কৰিছে। আনুভূতিক গতিশীলতা (Horizontal mobility) মানে হ'ল এগৰাকী ব্যক্তিৰ এটা সামাজিক স্থিতিৰ পৰা একে মর্যাদাসম্পন্ন (same rank) আন এটা সামাজিক স্থিতিলৈ গমন। উলম্ব গতিশীলতা (Vertical mobility) মানে হ'ল এগৰাকী ব্যক্তিৰ এটা সামাজিক স্থিতিৰ পৰা ভিন্ন মর্যাদাসম্পন্ন আন এটা সামাজিক স্থিতিলৈ গমন। উলম্ব গতিশীলতা উৰ্দ্ধ নাইবা নিম্নমুখী হ'ব পাৰে।

সামাজিক গতিশীলতা অধ্যয়নৰ এগৰাকী বাটকটীয়া পিতিৰিম চ'ৰ'কিন (Pitirim Sorokin) ৰ মতে বিভিন্ন বৃত্তিজীৰি ব্যক্তিৰ মাজত থকা প্ৰতিভাৰ ফলপ্ৰসূ বিতৰণৰ বাবে এই সামাজিক উন্নতি চাপবোৰ অত্যন্ত গুৰুত্বপূর্ণ। ইয়াৰ অভাৱত সমাজত অপাৰদর্শিতা আৰু বিশৃংখলাৰ উদ্ভৱ হ'ব পাৰে। তেওঁ ব্যক্তিক বিভিন্ন বৃত্তিগত স্থিতিত নিয়োগ কৰাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানবোৰে লোৱা ভূমিকা অধ্যয়নৰ প্ৰতি বিশেষভাৱে আগ্ৰহী আছিল। তেওঁৰ যুক্তি অনুসৰি বিদ্যালয়বোৰৰ প্ৰাথমিক প্ৰকার্য হ'ল এটা পৰীক্ষাকাৰী, বাছনিকাৰী আৰু প্ৰতিভূৰ ভূমিকা পালন কৰা। অর্থাৎ, বিদ্যালয়ে শিশু এটাক শ্ৰম বজাৰখনত এটা বিশেষ স্থিতি দখল কৰিব পৰাকৈ প্ৰমাণপত্ৰ দিয়ে। বিদ্যালয়ে ব্যক্তিৰ সামর্থৰ পৃষ্ঠপোষকতা নকৰে অথবা ব্যক্তিৰ প্ৰতিভা বিকশিত কৰিবলৈ কোনো অনুপ্ৰেৰণা নিদিয়ে (Oxford Dictionary, 2009)।

সামাজিক লিংগ, জাতি, নৃগোষ্ঠীয় পৰিচয় আদিয়ে সামাজিক গতিশীলতাক প্ৰভাৱিত কৰে। সামাজিক মর্যাদানুক্ৰমে ব্যক্তিয়ে জন্ম লোৱা পৰিয়ালটো সুদূৰপ্ৰসাৰী পৰিণামৰ কাৰণ হৈ

পৰে। তথাপিও শিক্ষা আৰু আয়ৰ স্থিতিয়ে সামাজিক গতিশীলতাৰ দুটা সবাতোকৈ গুৰুত্বপূৰ্ণ কাৰক হিচাপে নিজৰ আসন বৰ্তমানেও ধৰি ৰাখিচে। শিক্ষাই সুযোগৰ দুৱাৰ মুকলি কৰে। ই ব্যক্তিক অৰ্থনৈতিক আৰু সামাজিক সুস্থিৰতা প্ৰদান কৰে। বৰ্তমান সময়ৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাই সকলোকে নিজৰ শৈক্ষিক তথা উপাৰ্জনকেন্দ্ৰিক স্থিতি উন্নত কৰাৰ সুযোগ দিছে। অৱশ্যে শিক্ষা লাভৰ সুযোগবোৰৰ ক্ষেত্ৰত এনে সমতা স্থাপন কৰাৰ পাছতো বিভিন্ন সামাজিক গোটৰ মাজত শিক্ষাৰ ক্ষেত্ৰত এতিয়াও বৃহৎ ব্যৱধান দেখিবলৈ পোৱা যায়। ভাৰতৰ পটভূমিত প্ৰাথমিক স্তৰৰ সুযোগ দিছে। অৱশ্যে শিক্ষা লাভৰ সুযোগবোৰৰ ক্ষেত্ৰত এনে সমতা স্থাপন কৰাৰ পাছতো বিভিন্ন সামাজিক গোটৰ মাজত শিক্ষাৰ ক্ষেত্ৰত এতিয়াও বৃহৎ ব্যৱধান দেখিবলৈ পোৱা যায়। ভাৰতৰ পটভূমিত প্ৰাথমিক স্তৰৰ শিক্ষাত নামভৰ্তিৰ হাৰ আৰু পঢ়া আধাতে এৰি পেলোৱা শিক্ষাৰ্থীৰ হাৰে যথেষ্ট উদ্বিগ্নতাৰ সৃষ্টি কৰিছে। চৰকাৰে শিক্ষাৰ বিশেষ সুযোগ ৰূপায়িত কৰাৰ পাছতো এই শোচনীয় পৰিস্থিতিৰ অন্ত পৰা নাই। আকৌ, সমাজত প্ৰচলিত মৰ্যাদাক্ৰম (hierarchy) ৰ বাবেও শৈক্ষিক অনুষ্ঠানবোৰে ভিন ভিন বৈশিষ্ট্য প্ৰদৰ্শন কৰে। শিক্ষাই মানুহক উচ্চতৰ বৃত্তিগত স্থিতিত উপনীত হ'বলৈ প্ৰয়োজনীয় জ্ঞান তথা দক্ষতাৰে সমৃদ্ধ কৰে। শিক্ষাৰ মাধ্যমেৰে সম্পন্ন হোৱা সামাজিক গতিশীলতা মানে হ'ল বৃত্তিগতভাৱে আহৰণ কৰা সামাজিক স্থিতিৰ বাবে সামাজিক মৰ্যাদা সলনি হোৱা। ইয়াৰ কাৰণ হ'ল শিক্ষাই প্ৰধানকৈ ব্যক্তিৰ অৰ্থনৈতি দিশটো সলনি কৰে।

প্ৰাচীন ভাৰতত কেৱল উচ্চ জাতিৰ লোকেহে শিক্ষা গ্ৰহণ কৰাৰ অধিকাৰ উপভোগ কৰিছিল। কিন্তু এটা সময়ত আধুনিক শিক্ষা ব্যৱস্থাৰ প্ৰচলন ঘটাৰ পাছৰে পৰা সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰেই নাটকীয় পৰিৱৰ্তন ঘটিল। আধুনিক শিক্ষা ব্যৱস্থা সকলোৰে বাবে সুচল হ'ল আৰু ইয়েই সামাজিক গতিশীলতাৰ সম্ভাৱনীয়তা সৃষ্টি কৰিলে। যিকোনো জাতি-সম্প্ৰদায়ৰ মানুহেই নিজৰ সন্তানক শিক্ষিত কৰি তোলাৰ সুযোগ পালে। শিক্ষিত লোকে শিক্ষাগত অৰ্হতা আৰু সামৰ্থৰ ভিত্তিত যিকোনো বৃত্তি গ্ৰহণ কৰিব পৰা হ'ল। এই দিশটোত বি আৰ আম্বেদকাৰৰ অৰিহণা সবাতোকৈ অধিক বুলি গণ্য কাৰ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ অন্তপ্ৰজন্মগত গতিশীলতা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন ৩ ঃ 'বিদ্যালয়বোৰৰ প্ৰাথমিক প্ৰকাৰ্য হ'ল এটা পৰীক্ষাকাৰী, বাছনিকাৰী আৰু বিতৰণকাৰী প্ৰতিভূৰ ভূমিকা পালন কৰা'— উক্তিটো কাৰ?

.....

২.৫ শিক্ষা আৰু সামাজিক পৰিৱৰ্তন

সমাজ কেতিয়াও স্থিৰ হৈ নাথাকে। সামাজিক পৰিবৰ্তনৰ সাধাৰণ অৰ্থ হ'ল সামাজিক সংৰচনা অথবা সামাজিক অনুষ্ঠানটোত পৰিৱৰ্তন ঘটা কাৰ্য। ই সামাজিক অনুষ্ঠানবোৰত হোৱা পৰিৱৰ্তনে সামাজিক শৃংখলালৈ কঢ়িয়াই অনা পৰিৱৰ্তনবোৰৰ কথা বুজায়। শিক্ষাই সমাজ সংৰক্ষণ আৰু পৰিৱৰ্তন দুয়োটাতে সহায় কৰে। আলথাচেৰ (Althusser) ৰ দৰে সমাজবিজ্ঞানীৰ মতে শিক্ষা হ'ল স্থিতাৱস্থা বাহাল ৰখাৰ এক আহিলা। ই শাসক শ্ৰেণীটোৰ স্বাৰ্থ আৰু চিন্তা-ধাৰণাবোৰ বাস্তৱায়িত কৰাত সহায় কৰে। ইয়াৰ বিপৰীতে আন বহুতো সমাজ বিজ্ঞানীয়ে শিক্ষাক সামাজিক পৰিৱৰ্তনৰ আহিলা বুলি গণ্য কৰে। তৃতীয় বিশ্বৰ দেশবোৰত বিশেষভাৱে শিক্ষাকেই প্ৰযুক্তিবিদ্যাগত পৰিৱৰ্তনৰ বাহক বুলি স্বীকৃতি দিয়া হয়।

টি.বি. ব'ট'মৰ (T. B. Bottomore) এ সামাজিক পৰিৱৰ্তনক সামাজিক সংৰচনা, বিশেষকৈ সামাজিক অনুষ্ঠানবোৰত হোৱা পৰিৱৰ্তন নাইবা এনে অনুষ্ঠানসমূহৰ মাজত থকা সম্পৰ্কত হোৱা পৰিৱৰ্তন বুলি অভিহিত কৰিছিল। আধুনিক বিজ্ঞানৰ বিকাশক সামাজিক পৰিৱৰ্তনৰ সৈতে ঘনিষ্ঠভাৱে জড়িত বিষয় বুলি ধৰা হয়। সৰল সমাজবোৰত সামাজিক পৰিৱৰ্তনৰ গতি তুলনামূলকভাৱে মন্থৰ। পৰিৱৰ্তন, ক্ৰমবিকাশ, উন্নয়ন আৰু প্ৰগতিৰ ধাৰণাসমূহক এটা সংযুক্ত প্ৰক্ৰিয়া বুলি গণ্য কৰা হয়। কাৰণ, আটাইকেইটা ধাৰণাৰ মাজত যুক্তিসংগত সম্পৰ্ক আছে। সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ ভৌতিক, জৈৱিক, প্ৰযুক্তিভিত্তিক আৰু সাংস্কৃতিক প্ৰকৃতিৰ হ'ব পাৰে (Bottomore, 1972)।

শিক্ষা আৰু সমাজৰ অন্য সামাজিক অনুষ্ঠানসমূহৰ মাজত থকা সম্পৰ্কৰ ভিত্তিত শিক্ষা আৰু সামাজিক পৰিৱৰ্তনৰ ভূমিকা বুজাৰ প্ৰয়াস কৰা হয়। এইক্ষেত্ৰত দুটা দৃষ্টিভংগীৰ আলোচনাক গুৰুত্ব দিয়া হয়। এটা দৃষ্টিভংগী অনুসৰি শিক্ষা এটা স্বতন্ত্ৰ কাৰক। ই অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি আদিৰ দৰে সমাজৰ আন আন কাৰকবোৰলৈ পৰিৱৰ্তন কঢ়িয়াই আনে। আনটো দৃষ্টিভংগী অনুসৰি শিক্ষা সম্পূৰ্ণ এটা নিৰ্ভৰশীল কাৰক। সংশ্লিষ্ট সমাজ এখনৰ অন্য কাৰকবোৰক নিৰ্ভৰ কৰি ই অহৰহ সলনি হৈ থাকে।

শিক্ষণ-শিকন প্ৰক্ৰিয়া হিচাপে শিক্ষাই শিক্ষাৰ্থীক জ্ঞান দিব, দক্ষ কৰি তুলিব, প্ৰমূল্যৰে সমৃদ্ধ কৰিব আৰু আচাৰ-আচৰণৰ আৰ্হি গঢ়ি দিব বুলি ভবা হয়। যথোপযুক্ত প্ৰমূল্য আৰু জ্ঞান আদিৰে ই সমাজ এখনৰ অভ্যন্তৰত পৰিৱৰ্তনৰ সূচনা কৰিব বুলি ভবা হয়। শিক্ষাই বৃত্তিকেন্দ্ৰিক নিয়োজনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে ই সামাজিক পৰিৱৰ্তনত প্ৰত্যক্ষ অৱদান আগবঢ়ায়। শিক্ষাই ব্যক্তিৰ দৃষ্টিভংগী আৰু মনোভাৱো সলনি কৰিব পাৰে। ই সামাজিক সম্পৰ্কত হোৱা পৰিৱৰ্তনৰো কাৰণ। সময় বাগৰাৰ লগে লগে শিক্ষাই এক গণতান্ত্ৰিক ৰূপ লৈছে। ধৰ্ম আৰু জাতিগত উচ্চাত্মিকভাৱৰ পৰা শিক্ষা মুক্ত হৈছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই মানুহক সামাজিক কাৰ্যকলাপসমূহত ফলপ্ৰসূভাৱে ভাগ ল'ব পৰাকৈ একোখন মঞ্চ গঢ়ি দিছে। মানুহে সমাজৰ

প্ৰগতিলৈ নিজ নিজ অৱদান আগবঢ়াবলৈ সুযোগ পাইছে। শিক্ষানুষ্ঠানসমূহে কেৱল সমাজৰ প্ৰমূল্যবোৰেই সম্প্ৰসাৰিত আৰু সংৰক্ষণ নকৰে, ই পৰিৱৰ্তনৰ পৃষ্ঠপোষকতাকাৰী হিচাপেও নিজ ভূমিকা পালন কৰে। শিক্ষাই পৰিৱৰ্তনৰ পৃষ্ঠপোষকতা কৰে আৰু সমাজক সুদৃঢ় কৰে।

শিক্ষা ব্যৱস্থা এটাই সামাজিক পৰিৱৰ্তনৰ কাৰ্য সম্পাদন কৰে। নতুন প্ৰমূল্য, চিন্তা-ধাৰণা, আদৰ্শ আৰু আচৰণগত আৰ্হিয়ে সমাজত প্ৰৱেশ কৰিলে শিক্ষাই সমাজক সেই দিশে আগবাঢ়ি যোৱাত সহায় কৰে আৰু নতুন কথাবোৰৰ সমাজত সফল সমাযোজন ঘটায়। ই সাংস্কৃতিক ব্যৱধান কম কৰাত সহায় কৰে। সামাজিক পৰ্যায়ত শৈক্ষিক উন্নতি ক্ৰমিক আৰু স্থিৰ পৰিৱৰ্তনৰ বাহক হ'ব পাৰে। শিক্ষাৰ দ্বাৰা আহৰণ কৰা জ্ঞানে সামগ্ৰিকভাৱে সকলো লোকৰে জীৱনক প্ৰভাৱিত কৰে। জ্ঞান, তথ্য, দক্ষতা আদিৰ প্ৰসাৰ তথা বৃদ্ধি কৰাৰ লগতে শিক্ষাই সামাজিক পৰিৱৰ্তনৰ সূচনা কৰে আৰু এই পৰিৱৰ্তনৰ গতি ত্বৰান্বিত কৰে। শৈক্ষিক পৰিৱৰ্তনে সমাজত অন্য পৰিৱৰ্তনৰ পথ প্ৰশস্ত কৰে। ই গতিশীলতাৰ সক্ৰিয় কৰি তোলে। শিক্ষা অৰ্থনৈতিক উন্নয়নৰো এক প্ৰধান কাৰণ। শিক্ষাই ব্যক্তিৰ আচাৰ-আচৰণ নিয়ন্ত্ৰণত স্বতন্ত্ৰভাৱে প্ৰভাৱ বিস্তাৰ কৰে আৰু শিশুৰ সামাজিকীকৰণত সহায় কৰে। শিক্ষাত হোৱা পৰিৱৰ্তনৰ ফলত সমাজ এখনৰ আচৰণভিত্তিক আৰ্হিবোৰো সলনি হয়।

শেহতীয়াভাৱে শিক্ষা সামাজিক লিংগ (Gender) ভিত্তিক বৈষম্য হ্ৰাস কৰাৰ এক গুৰুত্বপূৰ্ণ আহিলাত পৰিণত হৈছে। বৰ্তমান বিদ্যালয়লৈ যোৱা কন্যা শিশুৰ সংখ্যা লক্ষণীয়ভাৱে বাঢ়িছে। ই জাতিৰ উন্নতিত অৰিহণা যোগাইছে আৰু নাৰীৰ মুক্তি তথা সবলীকৰণ প্ৰচেষ্টাবোৰক উৎসাহিত কৰিছে। সমাজত এতিয়াও পিতৃতন্ত্ৰৰ প্ৰচলন আছে যদিও নাৰী সবলীকৰণৰ প্ৰচেষ্টাবোৰৰ জৰিয়তে সমাজৰ সংৰচনাটোলৈ কিছু পৰিৱৰ্তনৰ আগমন ঘটিছে। শিক্ষাৰ বাবেই এয়া সম্ভৱ হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ খালী ঠাই পূৰণ কৰক—

(ক) সমাজ কেতিয়াও ..... হৈ নাথাকে।

(খ) ..... ৰ মতে শিক্ষা হ'ল স্থিতাৱস্থা বাহাল ৰখাৰ আহিলা।

(গ) শিক্ষাত হোৱা ..... শিশু এটিৰ ..... সাধন কৰে।

প্ৰশ্ন ৫ ঃ সামাজিক পৰিৱৰ্তন মানে কি?

.....

.....

২.৬ ধাৰাবাহিকতা পৰিৱৰ্তন আৰু আধুনিকীকৰণৰ এক উৎস হিচাপে শিক্ষা

ধাৰাবাহিকতাৰ এক মাধ্যম হিচাপে শিক্ষাৰ অৱদান অতি গুৰুত্বপূৰ্ণ। ই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জ্ঞানৰ ভাণ্ডাৰ সৰবৰাহ কৰে। ধাৰাবাহিকতা মানে পুৰণি বস্তুৰ স্থানত নতুন বস্তু স্থাপন কৰা নহয়। ধাৰাবাহিকতা মানে প্ৰচলিত প্ৰমূল্যত নতুন কথা সংযোজিত কৰি গৈ থকা। ই ব্যক্তিৰ পৰিৱৰ্তন সাধন কৰাৰ লগতে সামাজিক তথা ৰাজনৈতিক সচেতনতাৰ দিশতো সামূহিক পৰিৱৰ্তন কঢ়িয়াই আনে। পৰিৱৰ্তন ধাৰাবাহিকতাৰ এক অংশ। আধুনিকীকৰণ এটা শেহতীয়া ধাৰণা। ইয়ো ধাৰাবাহিকতাৰ ধাৰণাৰ পৰাই উদ্ভৱ হৈছে। শিক্ষাই কঢ়িয়াই অনা পৰিৱৰ্তনতেই আধুনিকতা লুকাই থাকে। পৰিৱৰ্তন সহিতে আগবঢ়া ধাৰাবাহিকতাই আধুনিকীকৰণৰ ধাৰণাটোৰ জন্ম দিছে।

শিক্ষাক সামাজিক অনুষ্ঠান বুলি ধৰাৰ লগে লগে ইয়াক ধাৰাবাহিকতাৰ এক উৎস বুলিও ধৰি লোৱা হয়। ই সমাজ এখনৰ সংস্কৃতি আৰু প্ৰমূল্যসমূহক পৰৱৰ্তী প্ৰজন্মলৈ প্ৰৱাহিত হোৱাত সহায় কৰে। একে সময়তে ই সমাজৰ প্ৰমূল্যবোৰ সংৰক্ষণ কৰে। পৰিয়াল, বিদ্যালয়, ধৰ্ম, প্ৰচাৰ মাধ্যম আদিৰ দৰে বিভিন্ন প্ৰতিভূৰ সহায়ত সংস্কৃতিৰ সম্প্ৰসাৰণ ঘটে। শিক্ষা হ'ল প্ৰশিক্ষণৰ অন্য নাম। প্ৰশিক্ষণ যেনেদৰে পায় শিশু এটিয়ে তেনে আচৰণ কৰি দেখুৱায়। এই প্ৰশিক্ষণ আৰু জ্ঞান আহৰণ কাৰ্য হ'ল এটা ধাৰাবাহিক প্ৰক্ৰিয়া।

শিক্ষাক সামাজিকীকৰণৰ এটা মৌলিক প্ৰতিভূ বুলি গণ্য কৰা হয়। সামাজিকীকৰণ কোনো মধ্যৱৰ্তী প্ৰক্ৰিয়া নহয়। ইয়ো এটা ধাৰাবাহিৰক প্ৰক্ৰিয়া। জন্ম হোৱাৰ লগে লগে শিকনৰ সামাজিক প্ৰক্ৰিয়াটো আৰম্ভ হয় আৰু ই সমগ্ৰ জীৱন জুৰি চলি থাকে। আমি সমাজক যিমানে দেখো আৰু শুনো সিমানেই নতুন নতুন প্ৰমূল্য আৰু আচৰণৰ আৰ্হি আয়ত্ব কৰি গৈ থাকো। সমাজত এগৰাকী ব্যক্তিয়ে একাধিক ভূমিকা পালন কৰে। প্ৰতিটো ভূমিকাৰ বাবে ভিন্ন প্ৰকৃতিৰ আচৰণৰ আৰ্হি প্ৰয়োগ কৰিব লাগে। আমি সেইবোৰ প্ৰয়োজন অনুসৰি শিকি লওঁ।

স্থান আৰু সময়ভেদে শিক্ষাৰ অৰ্থত ভিন ভিন বৈশিষ্ট্য আৰোপ কৰা হৈছে তথা ইয়াৰ প্ৰকৃতিয়ে ভিন ভিন ৰূপ লৈছে। আজিৰ পৰা কেইবাদশক আগৰ শিক্ষা আৰু সাম্প্ৰতিক কালৰ শিক্ষাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। সামাজিক পৰিৱৰ্তন স্বতঃস্ফূৰ্ত। সামাজিক আৰু অনা-সামাজিক পৰিৱেশত হোৱা পৰিৱৰ্তনৰ সঁহাৰি হিচাপে সামাজিক পৰিৱৰ্তন ঘটে। ব্যক্তিৰ দৃষ্টিভংগী সলনি কৰি শিক্ষাই সমাজো সলনি কৰে।

শিক্ষা উন্নয়নৰ এক গুৰুত্বপূৰ্ণ আহিলা। বিশেষ সকলো দেশেই আজিকালি শিক্ষাখণ্ডত যথেষ্ট পুঁজি বিনিয়োগ কৰে। শিক্ষা অগ্ৰগতিৰ পূৰ্বচৰ্ত। আধুনিকীকৰণৰ বিষয়ে ভাবিলেই শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু যুক্তিসংগত চিন্তা আদিৰ দৰে কথাবোৰো মনলৈ আহে। এইবোৰ কাৰণতে আনুষ্ঠানিক প্ৰশিক্ষণ অথবা শিক্ষাৰ গুৰুত্ব সৰ্বাধিক হৈ পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ শিক্ষাই কেনেকৈ ধাৰাবাহিকতাৰ এক মাধ্যম হিচাপে কাম কৰে?

.....

.....

প্রশ্ন ৭ ঃ ব্যক্তিৰ শিকন প্রক্রিয়া কেতিয়াৰ পৰা আৰম্ভ হয়?

.....

.....

২.৭ শিক্ষা আৰু সমাজ ঃ শিক্ষা আৰু সমাজৰ আন্তঃসম্পর্কৰ ব্যাখ্যা

শিক্ষাক সমাজ পৰিৱর্তনকাৰী এক আহিলা বুলি ধৰি লোৱাটোৱে ইয়াকে প্রতিপন্ন কৰে যে ই এটা সামাজিক অনুষ্ঠান। সময় আৰু সামাজিক স্থানত শিক্ষা আৰু শৈক্ষিক অনুষ্ঠানসমূহৰ সুৰচনাই গঢ় লয়। অর্থাৎ, দুয়োটা ধাৰণাৰে 'একো নথকা' অৱস্থা এটাত কোনো অস্তিত্ব নাই। শিক্ষাই সমাজক প্রভাৱিত কৰে আৰু ইয়াৰ বিপৰীতে সমাজত ঘটি থকা ঘটনাৱলীৰ দ্বাৰা শিক্ষা প্রভাৱিত হয়। অন্য সামাজিক অনুষ্ঠানবোৰৰ সৈতে শিক্ষায়ো সামাজিক পৃষ্ঠভূমিত নিজ অস্তিত্ব বর্তাই ৰাখে আৰু নির্দিষ্ট প্রকার্যসমূহ সম্পাদন কৰে। বৃহত্তৰ সমাজখন শিক্ষাৰ দ্বাৰা প্রভাৱিত হয়। একেদৰে, অন্য সামাজিক অনুষ্ঠানসমূহে শিক্ষাক প্রভাৱিত কৰে। সমাজভেদে এনে প্রভাৱৰ প্রকৃতি আৰু মাত্রা ভিন ভিন হ'ব পাৰে। শিক্ষাক দাৰিদ্র, সাংস্কৃতিক বৈচিত্র্য আৰু কর্মজগতৰ সৈতে আন্তঃসম্পর্কযুক্ত কৰা হৈছে। সংৰচনাত্মক অসমতা আৰু সাংস্কৃতিক বৈচিত্র্য আদিৰ দৰে কাৰকে শিকন প্রক্রিয়াটোক প্রভাৱিত কৰে। যেনে— অর্থনৈতিক অৱস্থা আৰু সামাজিক লিংগৰ দৰে সামাজিক চলকবোৰক পঢ়া আধাতে এৰা শিক্ষার্থীসকলৰ সৈতে যুক্ত কৰি বিচাৰ কৰা হয়। বিভিন্ন সামাজিক অনুষ্ঠানে শিক্ষাৰ প্রকার্যাত্মক প্রণালীটোক গভীৰভাৱে প্রভাৱিত কৰে। প্রতিটো সামাজিক অনুষ্ঠানেই সমাজত একোটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰাৰ লগতে সমাজখনক সহায়-সমর্থন আগবঢ়ায় আৰু সদস্যসকলক গঢ় দিয়ে। শিক্ষাৰ জৰিয়তে মানুহ সামাজিক প্রাণীত পৰিণত হয়। শিক্ষাই মানুহক সমাজৰ মান্য নীতি, নিয়ম, পৰাম্পৰা, প্রমূল্য তথা আচৰণবোৰৰ বিষয়ে শিকায়।

শিক্ষাই দেশ এখনৰ ৰাজনৈতিক, তথা অর্থনৈতিক উন্নয়নত সহায় কৰে। ই মানুহক নিজ অধিকাৰ তথা কর্তব্যসমূহৰ বিষয়ে সচেতন কৰি তোলে। শিক্ষাৰ জৰিয়তেই মানুহৰ আচৰণ তথা প্রকৃতিত বৈচিত্র্যৰ প্রতি সহিষ্ণুতা আৰু বৈচিত্র্য গ্রহণৰ মানসিকতা আদিৰ দৰে সজগুণবোৰ যোগ দিয়া হয়। ই শিশুক বৃহত্তৰ সামাজিক দায়িত্ব পালন কৰিব পৰাকৈ প্রস্তুত কৰি তোলে।

শিক্ষাই সমসাময়িক সমাজৰ প্ৰয়োজনসমূহ পূৰণ কৰে। শিক্ষা মানে কেৱল সময়ত বিদ্যালয়লৈ যেঞ্জৰা আৰু শিকোৱা কথাবোৰ মুখস্থ কৰি সেয়া পৰীক্ষাত লিখি থৈ অহাৰ প্ৰক্ৰিয়া নহয়। শিক্ষাৰ সৈতে একোটা গুপ্ত পাঠ্যক্ৰম সংলগ্ন হৈ থাকে। ইয়াৰ জৰিয়তে আমি গম নোপোৱাকৈয়ে অনুশাসন, প্ৰমূল্য আৰু সামাজিকীকৰণৰ অভিজ্ঞতাৰে পুষ্ট হওঁ। শিক্ষাই মানুহক পৰিস্থিতিৰ সৈতে খাপ খোৱাত সহায় কৰে।

আধুনিক জগতত শিক্ষাক সামাজিক সমতাৰ লক্ষ্যক বাস্তৱ ৰূপ দিয়াৰ প্ৰধান আহিলাৰ স্থান দিয়া হৈছে। ই মানুহক আৰামদায়ক জীৱনৰ অধিকাৰী কৰি তোলে আৰু সামাজিক সুৰক্ষা প্ৰদান কৰে। সমাজৰ সকলো ধৰণৰ উন্নয়নমূলক কাৰ্যকলাপৰ চালিকা শক্তি হ'ল শিক্ষা। টাৰ্নাৰে সমাজ ব্যৱস্থা এটাত শিক্ষাৰ ছটা সাধাৰণ পৰিণাম চিহ্নিত কৰি উলিয়াইছে। পৰিণামকেইটা হ'ল— সাংস্কৃতিক সংৰক্ষণ আৰু সঞ্চিতকৰণ, সাংস্কৃতিক পুনৰুত্থান আৰু প্ৰসাৰ, সাংস্কৃতিক সম্প্ৰসাৰণ, সামাজিকীকৰণ, সামাজিক স্থান জ্ঞাপন আৰু সামাজিক ৰূপান্তৰণ (Tunner, 2011)।

সংস্কৃতিৰ ভৌতিক আৰু অনা-ভৌতিক উপাদানেৰে সৃষ্ট। সাংস্কৃতিক প্ৰথা-পৰম্পৰাৰ তথা আচৰণৰ এক সমষ্টি বুলি ধৰা হয়। প্ৰাসংগিক অন্য বিষয়বোৰৰ সৈতে ঘটা আন্তঃক্ৰিয়াৰ ফলত সংস্কৃতিৰ নিৰ্মাণ আৰু বিনিৰ্মাণ ঘটে (Ludi, 2006)। শৈক্ষিক ভূমিকাই এই প্ৰথা-পৰম্পৰা তথা আচৰণ, প্ৰমূল্য, বিশ্বাস, ভাষা, প্ৰযুক্তি, বৈজ্ঞানিক জ্ঞান আদি সংৰক্ষণ আৰু সঞ্চিতকৰণৰ কাম কৰে। পৰিয়াল, সামাজিকীকৰণ, শিক্ষানুষ্ঠান, সংগ্ৰহালয়, পুথিভঁৰাল আদিৰ সহায়ত এই কাম কৰা হয়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে শিক্ষাই দ্বিমুখী উদ্দেশ্য সাধন কৰে। ই সংস্কৃতি সংৰক্ষণো কৰে আৰু সম্প্ৰসাৰিত হোৱাতো সহায় কৰে। অত্যাধুনিক সমাজ এখনত পৰিয়ালবোৰে কেৱল সাধাৰণ প্ৰমূল্য, বিশ্বাস আৰু ইতিহাসৰ জ্ঞানহে দিব পাৰে। শৈক্ষিক অনুষ্ঠানবোৰে ব্যক্তিক এইবোৰৰ বহল জ্ঞানেৰে সমৃদ্ধ কৰে আৰু এনেকৈয়ে সংশ্লিষ্ট সমাজখনৰ সংস্কৃতি প্ৰসাৰিত হয়।

শিক্ষা হ'ল অৰ্থনীতি, ৰাজনীতি আৰু সংস্কৃতিৰ সৈতে সম্পৰ্ক থকা এটা সামাজিক অনুষ্ঠান। বৰ্তমানৰ শিক্ষাই সৰ্বাধিক গুৰুত্ব দিয়া বিষয়কেইটা হ'ল সমতা, পৰিচয় আৰু সৰ্বাত্মক অন্তৰ্ভুক্তি। শিক্ষাৰ সমাজতত্ত্বই শিক্ষা আৰু সমাজৰ মাজত থকা সম্পৰ্ক অধ্যয়নৰ জৰিয়তে প্ৰতিষ্ঠা কৰে। অধ্যয়নৰ সময়ত সংৰচনাত্মক অসমতা, সাংস্কৃতিক বৈচিত্ৰ্য আৰু বিভিন্ন সামাজিক গোটৰ পৰিচয়ৰ দৰে সামাজিক চলকবোৰ বিশ্লেষণ কৰি এইবোৰৰ শিক্ষাৰ সৈতে থকা সম্পৰ্কৰ চিত্ৰখন স্পষ্ট কৰাৰ প্ৰচেষ্টা চলোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ শিক্ষাৰ সহায়ত মানুহ কেনেকৈ সামাজিক প্রাণীত পৰিণত হৈছে?

.....

.....

প্রশ্ন ৯ ঃ টার্নাৰৰ মতে সমাজ ব্যৱস্থাত শিক্ষাই দেখুওৱা পৰিণামবোৰ কি কি?

.....

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা হ'ল জ্ঞান প্রদানৰ এক আহিলা। ই আমাক বিভিন্ন দক্ষ কৰি তোলে।
- শিক্ষাই আমাক মানৱ জাতিৰূপে গঢ় দিয়ে।
- শিক্ষা হ'ল শিকনৰ এক অবিৰত প্রক্রিয়া।
- শিক্ষাই আমাক সামাজিক বাস্তৱবোৰ নিৰীক্ষণ কৰিবলৈ নতুন আৰু বহল দৃষ্টিভংগীৰ অধিকাৰী কৰি তোলে।
- শিক্ষাই সমাজৰ নিম্ন স্তৰৰ সদস্যক ব্যক্তিগত তথা সামাজিক গোট হিচাপে উচ্চ স্তৰলৈ উন্নতি কৰাত সহায় কৰে।
- শিক্ষা আৰু বিভিন্ন সামাজিক অনুষ্ঠানৰ মাজত গভীৰ সম্পর্ক থকা বাবে শিক্ষাই সমাজ পৰিৱর্তনৰ এক বাহকৰ ভূমিকা ল'ব পাৰে।
- সমাজ আৰু শিক্ষাৰ মাজত ওতঃপ্রোত সম্পর্ক আছে।



২.৯ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



২.১০ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ (ক) সামাজিকভাৱে গ্রহণীয়, (খ) শিক্ষাই, (গ) জখলা

প্রশ্ন নং ২ উত্তৰ ঃ অন্তপ্রজন্মগত গতিশীল মানে হ'ল মাত্র এটা প্রজন্মৰ মাজতে ক্রিয়াশীল হৈ থকা সামাজিক গতিশীলতা। ইয়াৰ দ্বাৰা ব্যক্তিয়ে কেনেকৈ নিজৰ জীৱন কালত সামাজিক উন্নতিৰ ঢাপেৰে উর্দ্ধ নাইবা নিম্নমুখী হয় সেয়া বুজা যায়।

প্রশ্ন নং ৩ উত্তৰ ঃ পিটিৰিম চ'ৰ'কিনৰ।

প্রশ্ন নং ৪ উত্তৰ ঃ (ক) স্থিৰ, (খ) আলথাচেৰ, (গ) পৰিৱর্তনে, আচৰণগত পৰিৱর্তন।

প্রশ্ন নং ৫ উত্তৰ ঃ সামাজিক সংৰচনা অথবা অনুষ্ঠানসমূহত সংঘটিত হোৱা পৰিৱর্তনেই সামাজিক পৰিৱর্তন। সামাজিক অনুষ্ঠানসমূহত হোৱা পৰিৱর্তনৰ ফলত সামাজিক শৃংখলাত হোৱা পৰিৱর্তনকে সামাজিক পৰিৱর্তন বুলি কোৱা হয়।

প্রশ্ন নং ৬ উত্তৰ ঃ এটা সামাজিক অনুষ্ঠান হিচাপে শিক্ষাই ধাৰাবাহিকতাৰ এক উৎসৱ ভূমিকা পালন কৰে। ই সমাজৰ সংস্কৃতি তথা প্রমূল্যসমূহক পৰৱর্তী প্রজন্মৰ মাজলৈ প্রৱাহিত কৰে। এনেদৰে সমাজ এখনৰ প্রমূল্যসমূহ সংৰক্ষিত হৈ ৰয় আৰু এইবোৰৰ ধাৰাবাহিকতা বর্তি থাকে।

প্রশ্ন নং ৭ উত্তৰ ঃ শিশু এটি (ব্যক্তি) জন্ম হোৱাৰ লগে লগে শিকন প্রক্রিয়া আৰম্ভ হয়।

প্রশ্ন নং ৮ উত্তৰ ঃ শিক্ষাই সামাজিক প্রথা-পৰম্পৰা, নীতি-নিয়ম, প্রমূল্য আৰু স্বীকৃত আচৰণেৰে মানুহৰ সংস্কাৰ সাধন কৰে। এনেকৈয়ে মানুহ সামাজিক প্রাণীত পৰিণত হয়।

প্রশ্ন নং ৯ উত্তৰ ঃ টার্নাৰে সমাজ ব্যৱস্থা এটাত শিক্ষাৰ ছটা সাধাৰণ পৰিণাম চিহ্নিত কৰি উলিয়াইছে। পৰিণামকেইটা হ'ল— সাংস্কৃতিক সংৰক্ষণ আৰু সঞ্চিতকৰণ, সাংস্কৃতিক পুনৰুত্থান আৰু প্রসাৰ, সাংস্কৃতিক সম্প্রসাৰণ, সামাজিকীকৰণ, সামাজিক স্থান জ্ঞাপন আৰু সামাজিক ৰূপান্তৰণ।



২.১১ আৰ্হি প্রশ্ন

(ক) এটা অথবা দুটা শব্দত উত্তৰ দিয়ক—

প্রশ্ন নং ১ ঃ সামাজিক গতিশীলতাৰ প্রকাৰসমূহ কি কি?

প্ৰশ্ন নং ২ঃ আধুনিকীকৰণৰ যিকোনো এবিধ আহিলাৰ নাম লিখক।

(খ) চমু টোকা লিখক (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ শিক্ষাই ব্যক্তিক কেনেকৈ উপকৃত কৰে?

প্ৰশ্ন নং ২ঃ "শিক্ষাৰ 'একো নথকা' অৱস্থা এটাত কোনো অস্তিত্ব নাই"— কাৰণ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ শিক্ষাই সমাজৰ কেনে উপকাৰ সাধন কৰে?

প্ৰশ্ন নং ২ঃ শিক্ষা আৰু সমাজৰ মধ্যৱৰ্তী অন্তৰ্পৃষ্ঠ ব্যাখ্যা কৰক।

****

অধ্যায় ৩ঃ শিক্ষাৰ অভিকর্তাসমূহ— পৰিয়াল, বিদ্যালয়, ধর্ম সমনীয়াৰ দল, প্ৰচাৰ মাধ্যম

অধ্যায় গাঁঠনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পৰিয়াল

৩.৪ বিদ্যালয়

৩.৫ ধর্ম

৩.৬ সমনীয়াৰ দল (Peer Group)

৩.৭ প্ৰচাৰ মাধ্যম

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্ৰগতিৰ খতিয়ান

৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষাৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকর্তাসমূহৰ বিষয়ে অৱগত হ'ব।
- মানুহৰ সমগ্ৰ জীৱনত শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া কেনেকৈ চলি থাকে সেয়া বুজি পাব।

৩.২ পৰিচয়

শিক্ষাই শিশুক মানৱ সম্পদত পৰিণত কৰে। শিক্ষাই ব্যক্তিৰ বিকাশ সাধন কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সমাজ এখনৰ বৈশিষ্ট্যবোৰ প্ৰৱাহিত কৰি সমাজখনক গঢ় দিয়ে। শিক্ষা নিজে নিজে আহৰণ কৰিব পৰা নাযায়। বিভিন্ন অনুষ্ঠান অথবা অভিকৰণে শিক্ষা বিয়পোৱাত সহায় কৰে। সেইবাবে সমাজে শিক্ষা প্ৰদান কৰিব পৰা বিভিন্ন অনুষ্ঠান বিকশাই তোলে। এইবোৰকে শিক্ষাৰ অভিকর্তা (agents of education) বোলা হয়। এই অভিকর্তা অথবা উৎসবোৰৰ জৰিয়তে মানুহে প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে শিক্ষা লাভ কৰে। শিক্ষাৰ দুটামান প্ৰধান অভিকর্তা হ'ল পৰিয়াল, বিদ্যালয়, ধর্ম, সমনীয়াৰ দল আৰু প্ৰচাৰ মাধ্যম ইত্যাদি। শিক্ষাৰ অভিকর্তাসমূহ আনুষ্ঠানিক, অনানুষ্ঠানিক অথবা বিনা-আনুষ্ঠানিক (non-formal) প্ৰকৃতিৰ হ'ব পাৰে। বিদ্যালয়

হ'ল শিক্ষাৰ এটা আনুষ্ঠানিক অভিকৰ্তাৰ উদাহৰণ। আনুষ্ঠানিক সংগঠনবোৰৰ উপৰি সমাজত বহুতো অনানুষ্ঠানিক (informal) সংগঠন থাকে যিবোৰে ব্যক্তিক শিক্ষিত কৰে আৰু ব্যক্তিৰ প্ৰকাৰৰ সামৰ্থ বিকশিত কৰে। দৈনন্দিন অভিজ্ঞতাৰ পৰা মানুহে বিভিন্ন জ্ঞান আহৰণ কৰে, বিভিন্ন দক্ষতা আয়ত্ব কৰে। বিভিন্ন ধৰণৰ মানৱ গোটৰ সৈতে নানা প্ৰকাৰৰ আন্তঃক্ৰিয়া সম্পন্ন কৰিও মানুহে শিকে। অনানুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত শিকন প্ৰক্ৰিয়াটো অৰ্হতাৰ ভিত্তিত জুখি চোৱা নহয়। এনে শিক্ষাৰ ক্ষেত্ৰত মানুহে বাস্তৱ জীৱনৰ পৰিস্থিতিৰ পৰা জ্ঞান আহৰণ কৰে। পৰিয়াল, ধৰ্ম আৰু সম্প্ৰদায় আদি হ'ল শিক্ষাৰ দুটামান অনানুষ্ঠানিক অভিকৰ্তাৰ উদাহৰণ। বিনা-আনুষ্ঠানিক শিক্ষা প্ৰদানৰ প্ৰধান আহিলা হ'ল প্ৰচাৰ মাধ্যমসমূহ। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োধৰণৰ অভিকৰ্তা এটা আনটোৰ অনুপূৰক আৰু দুয়ো শিশুৰ বিকাশত নিজ নিজ অৱদান আগবঢ়ায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শিক্ষাৰ অভিকৰ্তাবোৰ কি কি?

.....

প্ৰশ্ন ২ ঃ কোনবিধ শিক্ষাত শিকন প্ৰক্ৰিয়াটো অৰ্হতাৰ ভিত্তিত জোখা নহয়?

.....

৩.৩ পৰিয়াল

পৰিয়াল সমাজৰ এক অবিচ্ছেদ্য অংগ। পৰিয়াল হ'ল মানুহে সৃষ্টি কৰা ঘনিষ্ঠ ঘৰুৱা দল (intimate domestic group)। পৰিয়ালৰ সদস্যসকল তেজৰ সম্পৰ্ক, শাৰীৰিক সম্বন্ধ নাইবা আইনসংগত সম্পৰ্কেৰে পৰস্পৰৰ সৈতে বান্ধ খাই থাকে (Oxford Dictionary of Sociology, 2009)। সময়ৰ প্লেতে সমাজভেদে পৰিয়ালৰ সংৰচনা ভিন ভিন হ'ব পাৰে। যেনে— এসময়ত পৰম্পৰাগত ভাৰতীয় সনমাজৰ পৰিচয় আছিল যৌথ পৰিয়াল ব্যৱস্থা। কিন্তু সময় সলনি হোৱাৰ লগে লগে একক পৰিয়াল ব্যৱস্থাই প্ৰাধান্য পালে। বৰ্তমান যৌথ পৰিয়াল ব্যৱস্থা প্ৰায় বিলুপ্ত হৈ পৰিছে। পৰিয়ালে নিজৰ সদস্যৰ বাবে প্ৰধানকৈ আৰু সামগ্ৰিকভাৱে সমাজৰ বাবে কাম কৰে।

শিক্ষা প্ৰদান কৰিবৰ বাবে বিশেষভাৱে আৰ্হি যুগুত কৰি লোৱা নহয় যদিও সন্তানক শিক্ষা প্ৰদানত পৰিয়ালে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। পৰিয়ালত বিভিন্ন ধৰণৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি শিশু এটিয়ে সাধাৰণ ভদ্ৰতা, শিষ্টতা আদিৰ পৰা আৰম্ভ কৰি নানা কথা শিকে। সেয়েহে পৰিলায়ক শিশুৰ প্ৰথম পঢ়াশালি বুলি ধৰা হয়। পৰিয়ালৰ একো একোখন পৃথিৱীৰ দৰে। ইয়াত পিতৃ-মাতৃ অথবা অন্য সদস্যসকলে শিশু এটিক বিভিন্ন দক্ষতাৰে সমৃদ্ধ

কৰি তোলাত প্রশিক্ষক - তত্ত্বাৱধায়ক - শিক্ষকৰ দৰে কাম কৰে। শিশুৱে পৰিয়ালতেই চলা-ফুৰা কৰিবলৈ আৰু কথা-বতৰা পাতিবলৈ শিকে। শিশুৱে পৰিয়ালতেই মৰম-চেনেহৰ অভিজ্ঞতা লাভ কৰে আৰু সহযোগিতাৰ মনোভাৱেৰে সমৃদ্ধ হয়। পৰিয়াল হ'ল সামাজিকীকৰণৰ মুখ্য অভিকর্তা। পৰিয়ালৰ সদস্যসকলে শিশুলৈ ভাল-বেয়া আৰু ভুল-শুদ্ধৰ বিচাৰ কৰিব পৰা সামর্থ প্রৱাহিত কৰে। ই শিশুক নিজকে কেনেদৰে সুৰক্ষিত ৰাখিব লাগে সেয়াও শিকায়। সামাজিক সংগঠনৰ প্রাথমিক একক হ'ল পৰিয়াল। শিশুৱে পৰিয়ালৰ পৰাই সমাজক জানে। পৰিয়ালে শিশুক সামাজিক প্রমূল্যসমূহ শিকায়। পৰিয়ালৰ সৈতে থকা সম্পর্কই শিশুৰ আচাৰ-আচৰণক গঢ় দিয়ে, নিয়মানুৱর্তিতা শিকে, কেনেকৈ খাপ খাব লাগে সেয়া জনা হয়। এইবোৰে পাছত শিশুক সামাজিক স্থানত জীয়াই থকাত সহায় কৰে।

পৰিয়ালে ব্যক্তিৰ নৈতিক আৰু ন্যায়নিষ্ঠ প্রমূল্যসমূহ গঢ় দিয়াত ভূমিকা পালন কৰে। পৰিয়ালত শিক্ষণ-শিকনৰ কোনো আনুষ্ঠানিক সংৰচনা নাথাকে। ইয়াত শিকন এক স্বাভাৱিক প্রক্রিয়া। পৰিয়ালৰ কোনেও শিশুৰ বাবে শিক্ষকৰ দৰে আচৰণ নকৰে আৰু কথা শিকাৰ বাবে পৰিয়ালত কোনোধৰণৰ সুনির্দিষ্ঠ পাঠ্যক্রম নাথাকে। পৰিয়ালত যিকোনো ঠাইতে যিকোনো সময়তে শিকন কার্য সংঘটিত হয়। পৰিয়ালৰ পৰা শিকা কথাবোৰ পূর্বপৰিকল্পিত নহয়। শিশু এটি পাকঘৰ নাইবা বাগিচা যিকোনো স্থানত থাকিব পাৰে আৰু এনে অনানুষ্ঠানিক পৰিৱেশতেই অ-সচেতনভাৱে নতুন কথা শিকি গৈ থাকে। নকল কৰি শিশুৱে বিভিন্ন দক্ষতাৰ গৰাকী হয়। সেইবাবে পৰিয়ালৰ সদস্যসকলে কৰি দেখুওৱা আচৰণ, বেয়া অভ্যাস নাইবা অনুশীলন আদিয়ে শিশুক প্রভাৱিত কৰে। সাধাৰণতে পৰিয়ালত শিশুক বৃহত্তৰ সমাজ এখনত অংশগ্রহণৰ বাবে উপযুক্ত ধৰণৰ আচাৰ-আচৰণ শিকাৰ প্রশিক্ষণ দিয়া হয়। পৰিয়ালে শিশুক মৰম-চেনেহ, সুৰক্ষা আৰু সমর্থন প্রদান কৰি সিহঁতৰ ব্যক্তিত্বৰ বিকাশ ঘটাত সহায় কৰে। পৰিয়ালৰ প্রতিগৰাকী সদস্যই পৰস্পৰৰ যত্ন লয় আৰু ইয়াৰ পৰাই পৰৱর্তী সময়ত সমাজৰ সদস্যসকলে পৰস্পৰৰ যত্ন ল'বলৈ শিকে। অর্থাৎ, পৰিয়ালে এসময়ত শিশুৱে প্রৱেশ কৰিবলগীয়া সামাজিক ব্যৱস্থাটো বর্তাই ৰখাত নিজৰ অৱদান আগবঢ়ায়।

- **অৱধাৰণা নির্মাণ আৰু ভূমিকা ঃ**

  বিভিন্ন বিষয়ৰ অৱধাৰণা নির্মাণ আৰু ব্যক্তিৰ ভূমিকা সম্পর্কে জ্ঞান আহৰণৰ সুবিধা দিয়াত পৰিয়ালে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। পৰম্পৰাগত সমাজবোৰত যৌথ পৰিয়ালসমূহে শিশুক সহযোগিতা আৰু এৰা-ধৰা কৰি চলাৰ ধাৰণাবোৰৰ সৈতে পৰিচয় কৰাই দিছিল। কিন্তু ঔদ্যোগিকীকৰণৰ ফলত সৃষ্টি হোৱা একক পৰিয়ালসমূহত এনেবোৰ ধাৰণাৰ শিক্ষা কিছু শিথিল হৈ পৰিল।

  পৰিয়ালে সদস্যসকলৰ পৰা পোৱা আর্থিক সহযোগিতাক নির্ভৰ কৰি চলে। সেয়েহে শিশুৰ মনতো কাম কৰি খোৱাৰ ধাৰণাটো সুমুৱাই দিয়া হয়। পাচত শিক্ষা লাভৰ জৰিয়তে শিশুৱে নিজ পৰিয়াললৈ আর্থিক অৱদান আগবঢ়োৱাৰ প্রয়াস কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ পৰিয়ালত শিশুক শিকাবলৈ কোনো সুনির্দিষ্ট পাঠ্যক্রম থাকেনে?

.....

প্রশ্ন ৪ ঃ পৰিয়ালৰ ক্ষুদ্রতম গোটটোক কি বুলি কোৱা হয়?

.....

৩.৪ বিদ্যালয়

বিদ্যালয় হ'ল শিশুৰে প্রৱেশ কৰা প্রথম আনুষ্ঠানিক সংগঠন। পৰিয়ালৰ পাছতেই বিদ্যালয়ে শিশুৰ সামাজিকীকৰণ প্রক্রিয়াটোৰ দায়িত্বভাৰ গ্রহণ কৰে। এই প্রক্রিয়া এক আনুষ্ঠানিক উপায়েৰে আগবঢ়াই নিয়া হয়। প্রাচীন সমাজৰ অধিকাংশতে বিদ্যালয়ৰ সিমান প্রচলন নাছিল। পৰিয়াল আৰু ধর্মীয় অনুষ্ঠানসমূহেই শিশুক শিক্ষাদান কৰিছিল। আধুনিক সমাজত বিদ্যালয় মানুহৰ এক মৌলিক প্রয়োজনীয়তাত পৰিণত হ'ল। সমাজৰ সদস্য হিচাপে চলিবলৈ প্রয়োজন হোৱা সকলোবোৰ আৱশ্যকীয় জ্ঞান পৰিয়ালে দিব নোৱাৰে। শিশুক সম্পূর্ণ ঔদ্যোগিকীভৱন ঘটা উন্নত প্রযুক্তিৰে পৰিচালিত বিশ্বখনত অংশগ্রহণ কৰিব পৰাকৈ নানা ধৰণৰ জ্ঞানৰ প্রয়োজন। এই প্রয়োজন বিদ্যালয়বোৰে পূৰণ কৰে। অৱশ্যে পৰিয়ালে শিশুৰ বাবে যি আধাৰ গঢ়ি তোলে বিদ্যালয়ে তাকেই এক আনুষ্ঠানিক পৰিৱেশত গঢ়ি পিটি দৃঢ় ৰূপ দিয়ে।

পুৰণি কালত এমুঠিমান অভিজাত লোকৰ বাবেহে বিদ্যালয়বোৰ মুকলি আছিল। বর্তমান সেই পৰিস্থিতিৰ অৱসান ঘটিছে। দেশ এখনক প্রগতিৰ পথেৰে আগবঢ়াই নিবলৈ জাতি-ধর্ম-সম্প্রদায়-লিংগ-নৃগোষ্ঠীয় পৰিচয় নির্বিশেষে প্রতিগৰাকী নাগৰিককে শিক্ষালাভৰ সুযোগ দিব লাগিব। ভাৰতত 'বিনামূলীয়া বাধ্যতামূলক শিক্ষা আইন, ২০০৯'ৰ জৰিয়তে ১৪ বছৰ বয়সলৈকে সকলো শিশু আৰু চেমনীয়াৰ বাবে শিক্ষাগ্রহণ বাধ্যতামূলক কৰা হৈছে। বিদ্যালয়ত আন্তঃক্রিয়াৰ জৰিয়তে শিশুৰে সমাজখনক অধিক ভালদৰে জনাৰ সুযোগ পায় আৰু নিজৰটোতকৈ পৃথক সংস্কৃতিবোৰৰ বিষয়ে ভালদৰে বুজি উঠাৰ লগতে সেইবোৰক শ্রদ্ধা কৰিবলৈ শিকে। বিদ্যালয়ে শিশুক কেৱল লিখা-পঢ়াৰ জ্ঞানেই নিদিয়ে, ই অনুশাসনৰ দৰে সজগুণবোৰো শিকায়। শিশুৰে বিদ্যালয়তে নিয়ম মানি চলিবলৈ শিকে আৰু এনেদৰে এসময়ত সমাজৰ কার্যসম্পাদনকাৰী সদস্যত পৰিণত হয়। শিশুৰে বিদ্যালয়ত লাভ কৰা শিক্ষাৰ মাজেদিয়েই সমতা, ভ্রাতৃত্ববোধ, ন্যায় আদিৰ দৰে ধাৰণাবোৰ বুজি পোৱা হয়।

বিদ্যালয় হ'ল শিক্ষাৰ এক আনুষ্ঠানিক অভিকর্তা। বিদ্যালয়ৰ শিকন প্রক্রিয়াটো পূর্বপৰিকল্পিত। আনুষ্ঠানিকভাৱে নিয়োগ কৰা শিক্ষকে সুনির্দিষ্ট পাঠ্যক্রম আৰু সময় অনুসৰি

শিক্ষার্থীক শিক্ষাদান কৰে। বিদ্যালয়ৰ শিক্ষাৰ সুনির্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকে। বিদ্যালয়ত নামভর্তি কৰিবলৈ কিছুমান বিশেষ যোগ্যতা পূৰণ কৰিব লাগে। একেদৰে, শিক্ষক হ'বলৈও কিছুমান বিশেষ অর্হতাৰ প্রয়োজন। বিদ্যালয় এখনৰ কাম-কাজ পৰিচালনাৰ দিশবোৰত প্রশাসন আৰু আমোলাতন্ত্র আদিও জড়িত হৈ থাকে।

ভাৰতৰ বিদ্যালয়ভিত্তিক শিক্ষা ব্যৱস্থাক প্রাথমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক ভাগত ভগোৱা হয়। প্রাথমিক বিদ্যালয় হ'ল শিশুৰ বাবে প্রথম আনুষ্ঠানিক শিক্ষানুষ্ঠান। ইয়াৰ অভিজ্ঞতা পূর্বৰ পৰিয়ালকেন্দ্রিক অভিজ্ঞতাতকৈ সম্পূর্ণ পৃথক। এটা গাইগুটীয়া শিক্ষানুষ্ঠান হিচাপে বিদ্যালয় নিজেই এক সুকীয়া ব্যৱস্থা। বিভিন্ন আন্তঃসম্পর্কযুক্ত অংশ সামৰি ই এটা সংগঠিত ব্যৱস্থা হিচাপে পৰিচালিত হয়।

সমাজতাত্ত্বিক পার্চনচ্-এ এটা সামাজিক ব্যৱস্থাৰ ধাৰণা প্রয়োগ কৰি শিক্ষণ-শিকন প্রক্রিয়াটো বিশ্লেষণ কৰিছিল। তেওঁ বিদ্যালয়ক বিভিন্ন সামাজিক স্থিতিত থকা— ভূমিকা পালনকাৰীৰ মাজত আন্তঃক্রিয়া সংঘটিত হোৱা এক সমাজ ব্যৱস্থাৰ দৃষ্টিৰে বিচাৰ কৰি চাইছিল। তেওঁৰ বাবে শৈক্ষিক পৰিস্থিতি এটা আছিল সামাজিক সম্পর্কৰ এটা নেটৱর্ক। উল্লেখৰ ৰেহৰূপ অনুসৰি বিদ্যালয়ক এটা ব্যৱস্থা নাইবা উপ-ব্যৱস্থা বুলি গণ্য কৰিব পাৰি। ই শিশুক এনে কিছুমান প্রমূল্য শিকাত সহায় কৰে যিবোৰক সমাজত বহুলভাৱে ভাগ-বাটোৱাৰা কৰা হয়। আধুনিক সমাজৰ শৈক্ষিক সংগঠনসমূহৰ সামাজিক ব্যৱস্থাটো সামাজিক সম্পর্কৰ এক জটিল জালিকাৰে গঠিত। ব্যৱস্থাটোৱে শিক্ষণ আৰু মূল্যায়ন প্রক্রিয়া দুটাত কিছু পৰিমাণে সমৰূপতা নিশ্চিত কৰে।

আনহাতে, ইভান ইলিছ (Ivan Illiach) ৰ দৰে পণ্ডিতে আধুনিক সমাজৰ বিভিন্ন সমস্যাৰ মূল বুলি বিদ্যালয়ক জগৰীয়া কৰিছে। ইলিছৰ মতে বিদ্যালয়ে এছাম নিজ বিচাৰ-বুদ্ধি নথকা (mindless), সেও মানি চলা (Conforming) আৰু সহজে পতিয়ন যোৱা (easily manipulated) নাগৰিক গঢ়ি তোলাত সহায় কৰে। বিদ্যালয়ত শিশুক নিজে নিজৰ বিষয়ে কেনেদৰে ভাবিব লাগে সেয়া পাহৰি কেৱল আজ্ঞা প্রদানকাৰী কর্তৃপক্ষক মানি চলাৰ প্রশিক্ষণ দিয়া হয়। ই প্রতীকি নিয়ন্ত্রণৰ অভিকৰণ হিচাপে কাম কৰে। 'Deshooling Society' নামৰ গ্রন্থখনত ইলিছে বর্তমানৰ শিক্ষা ব্যৱস্থাটো নির্মূল কৰাৰ প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰিছে। কাৰণ, বিদ্যালয়ে কেৱল সেইবোৰ কথাৰহে ভেটি গঢ়ি দিয়ে যিবোৰ মানুহে অনুসৰণ কৰিব লাগে। সেয়েহে সমাজক 'বিদ্যালয়হীন' (Deschooling) কৰি তোলাই হ'ল মানৰ স্বাধীনতাৰ মূল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ খালী ঠাই পূৰণ কৰক—

(ক) শিশুৰ বাবে বিদ্যালয় হ'ল প্রথম ..... সংগঠন।

(খ) বিদ্যালয়ত নামভর্তি কৰিবলৈ কিছুমান বিশেষ .....ৰ প্রয়োজন।

(গ) ইভান ইলিছৰ মতে .....এ প্রতীকি নিয়ন্ত্রণৰ অভিকৰণৰ দৰে কাম কৰে।

৩.৫ ধর্ম

'পৰিত্র' বুলি গণ্য কৰা ধাৰণাটোক কেন্দ্র কৰি গঢ় লোৱা বিশ্বাস, প্রতীক আৰু অনুশীলন কিছুমানৰ সমষ্টিয়েই হ'ল ধর্ম। কোনো এটা ধর্মীয়-সামাজিক সম্প্রদায়ৰ একেধৰণৰ ধর্মীয় পৰম্পৰাত বিশ্বাসীসকলক ধর্মই ঐক্যৱদ্ধ কৰি ৰাখে। ধর্মৰ প্রকৃতি ব্যক্তিগত অনুশীলনবাদী নহয়, ই সামূহিক প্রকৃতিৰ। ডুৰ্খেইমৰ যুক্তি অনুসৰি মানুহক ঐক্যৱদ্ধ কৰা পৰিত্র বস্তু অথবা কথাৰ সৈতে জড়িত বিশ্বাস আৰু অনুশীলনৰ প্রণালী এটাকে ধর্ম বোলা হয়। যিবোৰ বস্তু অথবা কথাক সাধাৰণ বস্তু অথবা কথাৰ পৰা পৃথক কৰি ৰখা হয় আৰু নানা বাধা-নিষেধেৰে বিশেষ স্থানত সংৰক্ষিত কৰি থোৱা হয় সেইবোৰেই 'পৰিত্র'। যিকোনো কথা নাইবা বস্তু 'পৰিত্র' হ'ব পাৰে। কেৱল পৰম সত্ত্বা অথবা ঈশ্বৰেই পৰিত্র নহয়। এটা শিল, এজোপা গছ, এটা ঘৰ, মুঠতে যিকোনো বস্তু পৰিত্র হ'ব পাৰে। কোনো এক নির্দিষ্ট সমাজে যিহকে পৰিত্র বুলি মান্যতা দিয়ে সিয়েই পৰিত্র। ইয়াৰ সৈতে বিভিন্ন প্রতীক আৰু পালন কৰিবলগীয়া ৰীতি-নীতি জড়িত হৈ থাকে। ধর্মীয় বিশ্বাস আৰু নৈতিক প্রমূল্যৰ মাজত ঘনিষ্ঠ সম্বন্ধ আছে। ই সামূহিক সচেতনতা প্রতিফলিত কৰে। মানুহে সামূহিকভাৱে উপাসনা কৰে। ধর্মৰ জৰিয়তে সমাজৰ সংহতি সুদৃঢ় হয়। কিন্তু মার্ক্সবাদী দৃষ্টিভংগীয়ে ধর্মক সামাজিক নিয়ন্ত্রণ আৰু দমনৰ এক আহিলা বুলি গণ্য কৰে। দমনে সৃষ্টি কৰা দুখ-যন্ত্রণাৰ কথা পাহৰি থকাত ধর্মই এক নিচাৰ ভূমিকা লয়। মানুহ যেতিয়া নিষ্পেষিত নাইবা অ-সচেতন অৱস্থাত থাকে তেতিয়া যুক্তিসংগতভাৱে চিন্তা কৰাৰ, যৌক্তিক আৰু বিজ্ঞানসন্মত মানসিকতাৰ পৰিচয় দিয়াৰ সামর্থ হেৰুৱাই পেলায়। মার্ক্সবাদত বিশ্বাসীসকলৰ যুক্তি মতে মানুহ ধর্মৰ পৰা আঁতৰি থকা উচিত। কাৰণ, ই মানুহৰ প্রশ্ন সোধাৰ, চিন্তা কৰাৰ আৰু সমালোচনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰাৰ সামর্থ কাঢ়ি লয়।

ধর্ম আৰু শিক্ষাৰ মাজত ওতঃপ্রোত সম্পর্ক আছে। প্রাচীন কালত ধর্মীয় অনুষ্ঠানসমূহৰ জৰিয়তে শিক্ষা প্রদান কৰা হৈছিল। পৰম্পৰাগত সমাজত পুৰোহিতসকলে শিক্ষার্থীক জ্ঞান দিছিল। শিক্ষার্থীসকলক আকৌ পৰিয়াল-পৰিজনৰ সামাজিক পৰিচয় তথা প্রতিষ্ঠাৰ ভিত্তিত বাছনি কৰা হৈছিল। যেনে— ৰজাৰ পুত্র হ'লে তেওঁক শিক্ষা লাভৰ বাবে যোগ্য বুলি ধৰা হৈছিল। মৌখিক পৰম্পৰাৰে শিক্ষাদান কৰা হৈছিল পৰৱর্তী সময়ত লিপিৰ ব্যৱহাৰ কৰি গ্রন্থ লিখা হ'ল। ধর্মক সংকেতৱদ্ধ ৰূপ দিয়া হ'ল আৰু ই জটিলৰ পৰা জটিলতৰ প্রকৃতিৰ হৈ পৰিল। নতুন প্রজন্মৰ পুৰোহিতসকলে সাক্ষৰ লোকৰ সংখ্যা বৃদ্ধি কৰাৰ দায়িত্ব ল'বলগীয়া হ'ল। লিখিত ৰূপত ধর্মীয় বিশ্বাস প্রণালীবোৰ প্রসাৰিত কৰাৰ সময় আৰম্ভ হ'ল। কালক্রমত শিক্ষাই অধিক

আনুষ্ঠানিক আৰু সংসংৰচনাত্মক ৰূপ ধাৰণ কৰিলে। অর্থনৈতিক আৰু ৰাজনৈতিক হেঁচাত পৰি শিক্ষাই ধর্মনিৰপেক্ষ বৈশিষ্ট্য ধাৰণ কৰিলে। শিক্ষা কেৱল অভিজাত শ্রেণীৰ সম্পদ হৈ নাথাকিল। লাহে লাহে সম্প্রসাৰিত হোৱা শিক্ষাই সমাজৰ সকলো শ্রেণীৰ লোককে সামৰি ল'লে। ভাৰতত ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ লগে লগে মিচনেৰী বিদ্যালয় স্থাপনৰ কাম আৰম্ভ হ'ল। এই কথাৰ দ্বাৰা বিশেষকৈ দুর্গম এলেকাবোৰৰ বাসিন্দাসকল উপকৃত হ'ল। ইয়াৰ পাছত আৰম্ভ হ'ল ঔদ্যোগিকীকৰণৰ যুগ। এই সময়ছোৱাত ধর্ম উন্নয়নমূলক ফলৱতী কৰাৰ স্বার্থত ধর্ম আৰু শিক্ষাৰ মাজত পার্থক্য সৃদ্ধিৰ প্রয়াস কৰা হ'ল। ৰাজনৈতিক শক্তিবোৰে এই প্রভেদকৰণ প্রক্রিয়াত যথেষ্ট সহায় কৰিলে আৰু চৰকাৰৰ দ্বাৰা পৰিচালিত বিদ্যালয়বোৰক ধর্মৰ পৰা সম্পূর্ণ আঁতৰাই নিয়া হ'ল।

কিন্তু শিক্ষা কেৱল আনুষ্ঠানিক সংৰচনা নহয়। কেৱল আনুষ্ঠানিক সংগঠনেহে শিক্ষা দিব পাৰিব বুলি কোনো কথা নাই। ধর্মনিৰপেক্ষতা বোলা ধাৰণাটো উদ্ভৱ হোৱাৰ পাছৰে পৰা শিক্ষা আৰু ধর্মৰ মাজত থকা সম্পর্কৰ গুণগত পৰিৱর্তন সাধন হৈছে। তেনেই সাধাৰণ অর্থত শিক্ষা হৈ পৰিছে শিকন প্রক্রিয়াৰ আন নাম। ধর্মই কোনো এখন নির্দিষ্ট সমাজৰ আচাৰ-আচৰণ বিষয়ক স্বীকৃত নীতি-নিয়ম কিছুমান বান্ধি দিয়ে। ধর্মই শান্তিৰে জীৱন নির্বাহ কৰাৰ শিক্ষা দিয়ে। শিক্ষাই বিভিন্ন পৃষ্ঠভূমিৰ মানুহক এখন উমৈহতীয়া মঞ্চ দিয়ে। শিক্ষাৰ জৰিয়তে আমি সহযোগিতাৰ প্রয়োজনীয়তা বুজি উঠোঁ, অন্যৰ সংস্কৃতিক সন্মান কৰিবলৈ শিকোঁ আৰু শান্তিৰে জীৱন যাপন কৰাৰ পথ বিচাৰি পাওঁ। অর্থাৎ, শিক্ষা আৰু ধর্ম দুটা পৰস্পৰ নির্ভৰশীল বিষয়। ব্যক্তিগত স্বার্থ সিদ্ধি কৰাৰ বাবে কিছুমান ধর্মীয় নেতাই সমাজত অসমতাৰ সৃষ্টি কৰিবলৈ ধর্মৰ অপ-ব্যাখ্যা আগবঢ়াবলৈ আৰম্ভ কৰিছে। বর্তমান সময়ৰ ভাৰত ইয়াৰ এক জ্বলন্ত উদাহৰণ। ধর্মৰ নামত দেশৰ বিভিন্ন অঞ্চলত বর্তমান হিংসাত্মক কার্যকলাপ, বিক্ষোভ-প্রতিবাদ, সংঘাত আদি সুলভ ঘটনা হৈ পৰিছে।

ধর্ম এটা সামাজিক অনুষ্ঠান। সমাজভেদে ইয়াৰ উদ্দেশ্য আৰু সংৰচনা ভিন ভিন। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ ক্ষেত্রতো এই কথা প্রযোজ্য। শিক্ষাৰ বিকাশে ধর্মক প্রভাৱিত কৰিছে। শিক্ষাই ধর্মনিৰপেক্ষ মনোভাৱৰ প্রসাৰ ঘটাত সহায় কৰিছে। অ-ধর্মীয় ক্ষেত্রবোৰত ধর্মৰ পোনপটীয়া গুৰুত্ব হ্রাস পোৱাটো হ'ল শিক্ষাৰ প্রভাৱেৰ সৃষ্টি কৰা এটা ফল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ কোনটো দৃষ্টিভংগীয়ে ধর্মক দমনৰ এক আহিলা বুলি গণ্য কৰে?

.....

প্রশ্ন ৭ ঃ খালী ঠাই পূৰণ কৰক—

(ক) ধর্ম ব্যক্তিগত অনুশীলনবাদী প্রকৃতিৰ নহয়, ইয়াৰ প্রকৃতি .....।

(খ) পৰম্পৰাগত সমাজত .....এ শিক্ষার্থীক শিক্ষাদান কৰিছিল।

(গ) ধর্ম আৰু শিক্ষা পৰস্পৰ .....।

৩.৬ সমনীয়াৰ দল (Peer Group)

সমনীয়াৰ দলৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য থাকে। বয়স, বৃত্তি অথবা নৃগোষ্ঠীয় পৰিচয় আদিৰ ভিত্তিত সমনীয়াৰ দলবোৰ গঠিত। এনে দলৰ সদস্যসকলৰ আগ্রহ আৰু স্বার্থবোৰৰ মাজত সাদৃশ্য থাকে। সাধাৰণতে সমনীয়াৰ দলবোৰৰ আগ্রহ-স্বার্থ আদিৰ প্রকৃতি অস্থায়ী। বয়স আৰু বিকাশ অনুসৰি শিশু এটিয়ে নিজৰ সমনীয়া দল সলনি কৰি থাকে। শিশু অথবা ব্যক্তি একে সময়তে একাধিক সমনীয়া দলৰ সদস্য হ'ব পাৰে। যেনে— চুবুৰীয়া সমনীয়া দল, বিদ্যালয়ৰ সমনীয়া দল ইত্যাদি। এটা সমনীয়াৰ দলৰ সদস্যসকলে পৰস্পৰৰ বিশ্বাস তথা আচৰণক প্রভাৱিত কৰে। এনে দলৰ সদস্যৰ বাবে শিকন প্রক্রিয়াটো কিছু সহজ। সদস্যসকলে নিঃসংকোচে আৰু কাৰো তদাৰক নথকাকৈ পৰস্পৰৰ পৰা কথা শিকিব পাৰে। সমনীয়াৰ দলত থাকি শিকাটো শিশুৰ বাবেই কেৱল লাভদায়ক নহয়, ডাঙৰসকলৰ বাবেও সুফলদায়ক। এনে দলত শিকন প্রক্রিয়াটোৱে পাৰস্পৰিক আদান-প্রদানৰ ৰূপ লয়। প্রতিগৰাকী সদস্যই সক্রিয়ভাৱে অংশগ্রহণ কৰি শিকে। সমনীয়াৰ দলে ব্যক্তিক ভাল-বেয়া দুয়োধৰণে প্রভাৱিত কৰিব পাৰে। কেতিয়াবা সমাজৰ সদস্যই সামাজিক নীতি-নিয়ম উলংঘা কৰা দেখা যায়। বহুসময়ত সমনীয়াৰ প্রভাৱেই ইয়াৰ মূল কাৰণ বুলি প্রমাণিত হয়। শিশুৱে লগৰীয়াৰ পৰা বেয়া অভ্যাস শিকে। যদি সমনীয়াৰ দলৰ কোনো সদস্যই বিদ্যালয়লৈ যোৱা বাদ দিয়ে, আনবোৰেও সেয়া নকল কৰিব বিচাৰে। তথাপিও, সমনীয়াৰ দলবোৰৰ পৰা লাভ কৰা শিক্ষাৰ একোটা সুদূৰপ্রসাৰী ইতিবাচক প্রভাৱ থাকে। এনে দলৰ মাজতেই সামূহিকতাৰ ধাৰণাটো বিকশিত হয়। দলৰ সদস্যসকল বিভিন্ন আর্থ-সামাজিক অথবা সাংস্কৃতিক পৃষ্ঠভূমিৰ পৰা আহিব পাৰে। এই কথাৰ বাবেও শিশু এটিৰ বৌদ্ধিক বিকাশ ঘটে। কাৰণ, সমনীয়াৰ সংঘই শিশুৰ দৃষ্টিভংগী বহল কৰে। বর্তমানৰ আধুনিক ঔদ্যোগিকীকৃত সমাজত আধিপত্য বিস্তাৰ কৰা একক পৰিয়ালৰ সন্তানৰ বাবে ই বিশেষভাৱে সুফলদায়ক কথা। শিক্ষাৰ এক অভিকর্তাৰূপে সমনীয়াৰ দলবোৰে সদস্যসকলৰ ব্যক্তিত্বৰ বিকাশত অৰিহণা আগবঢ়োৱাৰ উপৰি সামাজিক প্রয়োজনীয়তাও পূৰণ কৰে। সমনীয়াৰ দলৰ সৈতে থকা সম্পর্কৰ ভিত্তিতে শিশুৰ আৱেগিক আৰু বৌদ্ধিক সামর্থবোৰৰ বিকাশ ঘটে।

সমনীয়াৰ দলত থাকিলে শিশুৱে সোনকালে স্বাধীনচিতীয়াকৈ কাম কৰিবলৈ শিকে। কোনো এটা সমনীয়াৰ দলৰ সদস্যসকলে নিজ নিজ পৰিয়ালত নিষিদ্ধ বুলি বিবেচিত থকা কিছুমানৰ জ্ঞানো আহৰণ কৰাৰ সুযোগ পায়। যেনে— যৌনতা বিষয়ক নানা কথা সদস্যসকলে পৰস্পৰৰ সৈতে ভাগ-বাটোৱাৰা কৰিব পাৰে।

শিক্ষা বিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰতে আৱদ্ধ হৈ থকা বস্তু নহয়। আগতেই উল্লেখ কৰা হৈছে যে শিক্ষা সকলো ধৰণৰ সীমাৱদ্ধতাৰ উৰ্দ্ধৰ বিষয়। কোনো ভৱণৰ চাৰিবেৰ, তাত্ত্বিক দৃষ্টিভংগী, পৰিকল্পিত ৰূপৰেখা নাইবা সমাজতাত্ত্বিক দৃষ্টিভংগীয়ে শিক্ষাৰ সমগ্রতাক সীমাৱদ্ধ কৰিব নোৱাৰে। জগতৰ উপলব্ধি, প্রকৃতি বুজি পোৱা আৰু প্রজ্ঞাত্মক সামর্থৰ বিকাশ আদি স্বাভাৱিকভাৱে আহৰণ কৰা জ্ঞান। এনে জ্ঞান আহৰণত সমনীয়াৰ দলবোৰে একোটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। লোকসমাজৰ জ্ঞানর্গভ কথা, লোকক্রীড়া, লোককাহিনী আদি মানুহে চৌপাশে থকা আন মানুহৰ পৰা শিকে অথবা চৌপাশে ঘটা অভিজ্ঞতাৰ পৰা আহৰণ কৰে। সমনীয়াৰ দলে শিকন আৰু শিক্ষালাভ দুয়োটা প্রক্রিয়াৰ সবল ভেটি একোটা গঢ়ি তোলে।

শিশু অথবা প্রাপ্তবয়স্ক উভয়ে এক স্বাভাৱিক পৰিৱেশত সমনীয়াৰ দলৰ সৈতে অধিক সময় পাৰ কৰিব লাগে। ইয়াৰ ফলত শিকা কথাবোৰে অধিক প্রাসংগিক আৰু বাস্তৱ ৰূপ লয়। প্রযুক্তিবিদ্যাৰ বিকাশ আৰু সামাজিক নেটৱর্কসমূহৰ প্রসাৰে সমনীয়াৰ দলবোৰ অধিক সংঘন কৰি তুলিছে। এইবোৰে ব্যক্তিক একোখন উমৈহতীয়া মঞ্চ দিছে, ব্যক্তিৰ দৃষ্টিভংগী বহল কৰিছে, মিশ্রিত বৈচিত্র্যৰ সৃষ্টি কৰিছে। এই নেটৱর্কসমূহ শিকনৰ শেহতীয়া দিক্ নির্দেশক হৈ পৰিছে, জনা কার্যটো সুচল কৰি দিয়া আহিলাত পৰিণত হৈছে আৰু জ্ঞান-তথ্য প্রসাৰৰ মাধ্যম হৈ পৰিছে। বিশ্ববিখ্যাত প্রৱনুকাৰ ফ্রান্সিচ বেকনৰ ভাষাত— "সন্মিলনে এগৰাকী প্রস্তুত ব্যক্তি গঢ়ি তোলে।" সন্মিলনৰ অংশ হৈ থকা ব্যক্তি সকলো ধৰণৰ জ্ঞানেৰে সমৃদ্ধ হ'ব পাৰে। কিন্তু ব্যক্তি যিমানে জ্ঞানী নহওক কিয়, অন্যৰ সৈতে আন্তঃক্রিয়া আৰম্ভ নকৰালৈকে তেনে জ্ঞান অসম্পূর্ণ হৈ ৰয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ সমনীয়াৰ দলৰ কেইটামান উমৈহতীয়া বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্রশ্ন ৯ ঃ 'সন্মিলনে এগৰাকী প্রস্তুত ব্যক্তি গঢ়ি তোলে'— উক্তিটো কাৰ?

.....

৩.৭ প্রচাৰ মাধ্যম

টেলিভিছন, ৰেডিঅ', কথাছবি, বাতৰি-কাকত আদিৰ দৰে গণ মাধ্যমসমূহ অনানুষ্ঠানিক শিক্ষাৰ জনপ্রিয় আৰু সহজলভ্য মাধ্যমত পৰিণত হৈছে।

প্রচাৰ মাধ্যমে আধুনিক সমাজৰ মানসিক জগতখন নিয়ন্ত্রণ কৰে। ই শিক্ষণ-শিকনৰ এটা একমুখী প্রক্রিয়া। প্রচাৰ মাধ্যম হ'ল শিক্ষাৰ এক নিষ্ক্রিয় অভিকর্তা। ইয়াৰ মাধ্যমেৰে প্রযুক্তিগত উদ্ভাৱন, তথ্য আৰু জনপ্রিয় সংস্কৃতি সম্প্রচাৰিত হয়।

জন ডিবেয়ে কৈছিল যে শিক্ষাক শিক্ষক আৰু শিক্ষণৰ মাজত আৱদ্ধ কৰিব নোৱাৰি। শিক্ষাৰ ক্ষেত্রত সামাজিক পৰিৱেশৰো গুৰুত্ব আছে। শিক্ষাৰ সামাজিক পৰিৱেশৰ এটা অত্যন্ত প্রভাৱশালী শক্তি হ'ল প্রচাৰ মাধ্যম। প্রতিদিনে ন ন প্রযুক্তি উদ্ভাৱন কৰা হৈ আছে। সেইবোৰৰ বিষয়ে জনাবলৈ নতুন ধৰণৰ পৰিৱর্তনকাৰী শৈক্ষিক প্রয়োজনীয়তাৰ সৃষ্টি হৈছে। প্রচাৰ মাধ্যমে এনে প্রয়োজনীয়তা পুৰণৰ বাবে উপযুক্ত স্থান আগবঢ়াইছে। আজি বহুদিনৰে পৰা কম্পিউটাৰৰ সহায়ত প্রদান কৰা শিক্ষা প্রচলিত হৈ আছে। আধুনিক কৌশল আৰু প্রযুক্তিবিদ্যাৰে সমৃদ্ধ প্রচাৰ মাধ্যমে এয়া প্রমাণ কৰি দেখুৱাইছে যে শিক্ষা শ্রেণীকোঠাৰ চাৰিবেৰৰ মাজত সীমাৱদ্ধ হৈ নাথাকে। সময় আৰু স্থানৰ দিশেৰে শিক্ষাৰ পৰিসৰ অতি ব্যাপক। প্রচাৰ মাধ্যৰ জৰিয়তে নতুন শিক্ষা নীতি আৰু শৈক্ষিক উদ্ভাৱনসমূহ প্রয়োগ আৰু প্রণয়ন কৰা হয়। এই কথাৰ প্রমাণ হ'ল ভাৰত চৰকাৰে আৰম্ভ কৰা 'ই পাঠশালা' আৰু 'স্বয়ম'ৰ দৰে শৈক্ষিক উদ্যমসমূহ। প্রচাৰ মাধ্যমৰ জৰিয়তে আধুনিকতা আৰু পৰম্পৰাগত প্রমূল্যৰ মাজত সংহতি স্থাপন কৰিব পৰা যায়। কাৰণ, প্রচাৰ মাধ্যমসমূহে অনায়াসে ভৌগলিক সীমা, সাংস্কৃতিক ব্যৱধান, জাতি-বর্ণ আৰু শ্রেণীৰ ব্যৱধান আদি অতিক্রম কৰিব পাৰে। শিক্ষাৰ এই অভিকর্তাটোৰ আন এক বৈশিষ্ট্য হ'ল ই তথ্য, জ্ঞান আৰু সুযোগৰ অগণন, পথ খোল খোৱাত সহায় কৰিব পাৰে। বর্তমান মাত্র এবাৰ ইণ্টাৰনেট সংযোগ স্থাপন কৰিয়েই নিজ নিজ ক্ষেত্রৰ স্বনামধন্য পণ্ডিতৰ সাৰুৱা কথা শুনাৰ সপোন বাস্তৱত পৰিণত হোৱাৰ সুযোগ পোৱা যায়। মাল্টিমিডিয়া সুবিধাৰ যোগেদি কম বয়সীয়া ল'ৰা-ছোৱালীক শিকনৰ নানা ধৰণৰ আহিলা যোগান ধৰিব পাৰি। বিভিন্ন শিক্ষানুষ্ঠানে এই সুবিধা বহুলভাৱে প্রয়োগ কৰিবলৈ লৈছে। শিক্ষাৰ এটা অভিকর্তা হিচাপে কাম কৰাৰ লগতে প্রচাৰ মাধ্যমসমূহে আন্তঃসাংস্কৃতিক সংযোগ স্থাপনৰ এক অবিৰত আৰু সুলভ মঞ্চ সৃষ্টি কৰে। এনে সংযোগত বৈচিত্র্যক অগ্রাধিকাৰ দিয়া হয়। বর্তমান সময়ত সাংস্কৃতিক বৈচিত্র্যক আঁকোৱালি লোৱাতোক শিক্ষাৰ এক আৱশ্যকীয় উপাদান হিচাপে গণ্য কৰা হয়। ভাৰতত বিশেষভাৱে প্রান্তীয় শিতানুভুক্ত সামাজিক গোটবোৰৰ বাবে গণ মাধ্যমবোৰক শিক্ষাৰ এক অভিকর্তা হিচাপে সহজলভ্য কৰি তুলিবলৈ ফলপ্রসূ প্রয়াস কৰাৰ সময় আহি পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ ঃ খালী ঠাই পূৰণ কৰক—

(ক) প্রচাৰ মাধ্যমসমূহ শিক্ষণ-শিকনৰ এটা ..... প্রক্রিয়া।

(খ) .....এ কৈছিল যে শিক্ষাক ..... আৰু .....ৰ মাজত সীমাৱদ্ধ কৰিব নোৱাৰি।



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিয়াল হ'ল শিক্ষাৰ সর্বপ্রথম অভিকর্তা।
- বিদ্যালয় হ'ল শিক্ষাৰ সর্বপ্রথম আনুষ্ঠানিক সংগঠন।
- শিক্ষণ-শিকন প্রক্রিয়াৰ উপৰি বিদ্যালয়ে শিক্ষার্থীৰ সামাজিকীকৰণ প্রক্রিয়াটোত এক গুৰুত্বপূর্ণ ভূমিকা লয়।
- সমাজতাত্ত্বিক পার্চন্চে শিক্ষাক এক সামাজিক ব্যৱস্থা বুলি অভিহিত কৰিছে।
- ধর্ম শিক্ষাৰ এটা বিনা-আনুষ্ঠানিক অভিকর্তা। ধর্মই মানুহক প্রমূল্য আৰু নৈতিকতা শিক্ষা দিয়ে।
- সমনীয়াৰ দলে ব্যক্তিক স্বাভাৱিক পৰিৱেশত শিকাৰ সুযোগ দিয়ে।
- বর্তমান সময়ত প্রচাৰ মাধ্যমসমূহে শিক্ষাক সার্বজনীন আৰু সকলোৰে বাবে সহজলভ্য কৰি তুলিছে।



৩.৯ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৩.১০ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ পৰিয়াল, বিদ্যালয়, সমনীয়াৰ দল, প্রচাৰ মাধ্যম ইত্যাদি।

প্রশ্ন নং ২ উত্তৰ ঃ অনানুষ্ঠানিক শিক্ষাত।

প্রশ্ন নং ৩ উত্তৰ ঃ নাথাকে।

প্রশ্ন নং ৪ উত্তৰ ঃ একক পৰিয়াল।

প্রশ্ন নং ৫ উত্তৰ ঃ (ক) আনুষ্ঠানিক, (খ) যোগ্যতা, (গ) বিদ্যালয়ে

প্রশ্ন নং ৬ উত্তৰ ঃ মার্ক্সবাদী দৃষ্টিভংগীয়ে।

প্রশ্ন নং ৭ উত্তৰ ঃ (ক) সামূহিক, (খ) পুৰোহিতসকলে, (গ) নির্ভৰশীল

প্রশ্ন নং ৮ উত্তৰ ঃ বয়স, বৃত্তি, নৃগোষ্ঠীয় পৰিচয় ইত্যাদি।

প্রশ্ন নং ৯ উত্তৰ ঃ ফ্রান্সিচ বেকনৰ।

প্রশ্ন নং ১০ উত্তৰ ঃ একমুখী, (খ) জন ডীৱি, শিক্ষক, শিক্ষণ।



৩.১১ আৰ্হি প্রশ্ন

(ক) চমু টোকা লিখক (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ শিক্ষাৰ এটা আনুষ্ঠানিক অভিকর্তাৰূপে বিদ্যালয়

প্রশ্ন নং ২ ঃ ধর্ম আৰু শিক্ষাৰ মাজৰ সম্পর্ক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ শিক্ষাৰ অনানুষ্ঠানিক অভিকর্তাসমূহ কি কি? চমুকৈ আলোচনা কৰক।

****

অধ্যায় ৪ ঃ শিক্ষাক বুজাৰ কার্যকৰী দৃষ্টিভংগী (Functional approach) এমিল ডুৰ্খেইম আৰু টালক'ট পার্চনচ্

<u>অধ্যায় গাঁঠনি</u>

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ এমিল ডুৰ্খেইম

৪.৪ টালক'ট পার্চনচ্

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্রগতিৰ খতিয়ান

৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষা সম্পর্কে ডুৰ্খেইমৰ দৃষ্টিভংগী কেনে আছিল সেয়া জানিব পাৰিব
- শিক্ষা সম্পর্কে টালক'ট পার্চনচ্ৰ দৃষ্টিভংগী সম্পর্কে অৱগত হ'ব।

৪.২ পৰিচয়

কার্যকৰী (Functionalist) সকলে শিক্ষাক এটা ব্যৱস্থা (system) বুলি গণ্য কৰে। সমাজখনক সামগ্রিকভাৱে বর্তাই ৰাখিবলৈ সমাজৰ প্রতিটো অংশই আন্তঃসম্পর্ক ৰক্ষা কৰি চলে। সমাজৰ প্রতিটো অংশই স্বতন্ত্র যদিও সামাজিক শৃংখলা বর্তাই ৰখাত সকলোবোৰে ভূমিকা পালন কৰে। শিক্ষাৰ এটা গুৰুত্বপূর্ণ বিভাগ হ'ল জীৱবিজ্ঞান। ইয়াৰ পৰাই কার্যকৰী ধাৰণাটোৰ উদ্ভৱ হৈছে। সমাজ আৰু ইয়াৰ কার্যসমূহৰ ধাৰণাটোৰ সৈতে সাদৃশ্য আছে। 'সামাজিক জীৱ' (Social Organism) ৰ ধাৰণাটো হার্বার্ট স্পেনচাৰৰ ৰচনাৰাজিৰ মাজত প্রথমে ধৰা দিছিল। তেওঁ জীৱজগতৰ ক্রমবিৱর্তন নীতিটো মানৰ সমাজৰ ক্ষেত্রতো প্রযোজ্য বুলি বিবেচনা কৰিছিল। স্পেনচাৰে মানৰ সমাজক এটা 'জীৱ'ৰ সৈতে তুলনা কৰিছিল। জীৱ আৰু সমাজ দুয়োটাৰে সৰলৰ পৰা জটিল ৰূপটো ক্রমবিৱর্তন ঘটে। দুয়োটাই একৰূপতাৰ পৰা বহুৰূপতাৰ বৈশিষ্ট্য প্রদর্শন কৰে। তেওঁৰ মতে কার্য সমাজৰ বাবে অনিবার্য। কার্যকৰীবাদৰ মতে সামাজিক ব্যৱস্থা এটা বর্তি থাকিবলৈ ইয়াৰ সকলোবোৰ অংশই কিবা নহয় কিবা কার্য সম্পাদন কৰিবই লাগিব।

ইয়াৰ ব্যতিক্রম হ'লে সামাজিক ব্যৱস্থা এটাত বিৰূপ প্রভাৱ পৰিব। সমাজ ব্যৱস্থাৰ কোনো এটা অংশত হোৱা পৰিৱর্তনে সমাজৰ আন আন অংশবোৰৰো পৰিৱর্তন সাধন কৰে। কার্যকৰীবাদৰ ধাৰণাটোৰ মূল হ'ল একতা (Unity) আৰু সংহতি (Integrity)। এই পদ্ধতিৰে সমাজে ইয়াৰ সদস্যসকলৰ উপকাৰ সাধনৰ বাবে কাম কৰি যায়। সদস্যসকলে এই কথাৰ প্রতি উপযুক্ত সঁহাৰি প্রদান কৰিব লাগে।

শিক্ষা হ'ল মানৰ সমাজৰ এটা অতি গুৰুত্বপূর্ণ অনুষ্ঠান। শিক্ষাৰ দৰেই অর্থনীতি আৰু ধর্মীয়ো সমাজত দুটা গুৰুত্বপূর্ণ অনুষ্ঠানৰ ভূমিকা পালন কৰে। এই সামাজিক অনুষ্ঠানসমূহক সামাজিক উপ-ব্যৱস্থা বোলা হয়। কোনো সামাজিক অনুষ্ঠানৰেই 'একা নথকা অৱস্থা' (Vacuum) এটাত অস্তিত্ব নাথাকে। সামাজিক পৰিস্থিতি একোটাত অনুষ্ঠানসমূহে নিজ কার্য সম্পাদন কৰে আৰু এনেকৈয়ে এইবোৰ সামাজিক ব্যৱস্থাৰ অংশ হৈ পৰে। যদি অর্থনৈতিক অথবা ৰাজনৈতিক উপ-ব্যৱস্থাত কোনো পৰিৱর্তন ঘটে তেন্তে ই শিক্ষা আৰু অন্য উপ-ব্যৱস্থাবোৰকো প্রভাৱিত কৰে। ইয়াৰ ফলত সমগ্র সমাজ ব্যৱস্থাটোৰ পৰিৱর্তন হয়। অর্থাৎ, প্রতিটো উপব্যৱস্থাৰে পাৰস্পৰিক সম্পর্ক আছে আৰু এইবোৰে পৰস্পৰক একাধিক ধৰণে প্রভাৱিত কৰে।

শিক্ষাৰ কার্যকৰী দৃষ্টিভংগীয়ে সামাজিক ব্যৱস্থাৰ অস্তিত্ব বর্তাই ৰখাত শিক্ষাই আগবঢ়োৱা ইতিবাচক অৱদানবোৰৰ আলোচনাত মনোনিবেশ কৰে। কার্যকৰীসকলে ভাৱে যে শিক্ষাই সমাজৰ আৱশ্যকতা পূৰণ কৰে। শিক্ষাৰ বাহ্যিক ভূমিকা হ'ল এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ জ্ঞান আৰু দক্ষতা সঞ্চাৰণ কৰা। সমাজৰ প্রয়োজনীয়তা অনুসৰি সদস্যসকলৰ সামাজিকীকৰণ ঘটোৱাটো হ'ল শিক্ষাৰ আভ্যন্তৰীণ ভূমিকা। শিক্ষাৰ প্রাথমিক কার্য হ'ল সংস্কৃতি সংৰক্ষণ আৰু প্রৱাহিতকৰণ। ইয়াৰ দ্বাৰা সমাজৰ ৰূপান্তৰণ ঘটে। শিক্ষাই সর্বসন্মত প্রমূল্য প্রতিষ্ঠা কৰাত আৰু সামাজিক ভ্রাতৃত্ববোধ বর্তাই ৰখাত নিজ অৱদান আগবঢ়ায়।

কার্যকৰী দৃষ্টিভংগী অনুসৰি শিক্ষাই শিক্ষার্থীক ভাগ ভাগ কৰে। কাৰণ, মেধা (merit)ৰ ভিত্তিত শিক্ষার্থীসকলক পৃথক পৃথক শিতানত স্থান দিয়া হয়। ই সমাজত স্তৰীভৱন ঘটায়। অৱশ্যে কার্যকৰীসকলৰ মতে এনে ধৰণৰ স্তৰীভৱন সমাজৰ বাবে প্রয়োজনীয়। মানৰ ইতিহাসত স্তৰীভৱন নঘটা কোনো সমাজৰ কথা উল্লেখ নাই। এনে বিভক্তকৰণে উচ্চ-প্রতিষ্ঠা প্রদান কৰিব পৰা বৃত্তিবোৰৰ বাবে সর্বাধিক সমর্থৱানসকলক বাছনি কৰাত সহায় কৰে।

শিক্ষাক এটা বৃহত্তৰ ব্যৱস্থাৰ ভিতৰুৱা এটা সৰু ব্যৱস্থা বুলি ধৰা হয়। আনুষ্ঠানিক শিক্ষা ব্যৱস্থা এটাত বিভিন্ন ধৰণৰ সাংগঠনিক সংৰচনাৰ অস্তিত্ব আছে। এইবোৰক মূল শিক্ষা ব্যৱস্থাটোৰ অবিচ্ছেদ্য অংশ বুলি বিবেচনা কৰা হয়। ভাৰতৰ শিক্ষা ব্যৱস্থাক প্রাথমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিতানত ভগোৱা হৈছে। অর্থাৎ, আমি বিদ্যালয়ভিত্তিক শিক্ষাক যদি এটা একক ব্যৱস্থা বুলি ধৰোঁ, তেন্তে প্রাথমিক, উচ্চ মাধ্যমিক হ'ব এই ব্যৱস্থাৰ ভিতৰুৱা তিনিটা উপ-ব্যৱস্থা। যদি প্রাথমিক শিক্ষা ব্যৱস্থাটোৰ মান অৱনমিত হয়, তেন্তে ই উচ্চ-মাধ্যমিক শিক্ষার্থীসকলকো সঠিকভাৱে বুজোৱা অথবা সংশ্লিষ্ট বিষয়ৰ উচ্চ জ্ঞান দিয়াটো কঠিন কাম হ'ব।

এই কথাৰ বিৰূপ প্ৰভাৱ পৰিব শিক্ষার্থীৰ উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত। ইয়াৰ ফলত শিক্ষার্থীৰ পঢ়া আধৰুৱা কৰাৰ সম্ভাৱনা বাঢ়িব। উপযুক্ত শিক্ষাৰ অভাৱে কর্মসংস্থাপন সুযোগৰ পৰিমাণ হ্ৰাস কৰিব। এই কথাই শিক্ষার্থীৰ আর্থিক অৱস্থাক প্ৰভাৱিত কৰিব। যদি শিক্ষাক এটা ব্যৱস্থা হিচাপে চোৱা হয়, তেন্তে ইয়াৰ উপ-ব্যৱস্থাবোৰে পাৰস্পৰিক সামঞ্জস্য বর্তাই ৰাখি কাম কৰি যোৱাতো অত্যন্ত আৱশ্যক। ইয়াৰ ব্যতিক্ৰম হ'লে এক সামগ্ৰিক ব্যৱস্থা হিচাপে শিক্ষা বিফল হ'ব। শিক্ষাক সামাজিক ব্যৱস্থাৰ এটা উপ-ব্যৱস্থা বুলি ধৰিলে এক ব্যর্থ শিক্ষা ব্যৱস্থাই সমাজৰ অর্থনীতি, ৰাজনীতি আৰু সংস্কৃতি আদিৰ দৰে অন্য উপ-ব্যৱস্থাবোৰতো নেতিবাচক প্ৰভাৱ পেলাব।

শিক্ষাৰ প্ৰকার্যাত্মক দৃষ্টিভংগীয়ে অনুসন্ধানৰ বাবে বাছি লোৱা প্ৰধান ক্ষেত্ৰ দুখনৰ বিষয়ে বিস্তৃতভাৱে জানিবলৈ দুটা বিশেষ প্ৰশ্নৰ অৱতাৰণা কৰে। প্ৰথম প্ৰশ্নটো হ'ল— (i) সামগ্ৰিকভাৱে সমাজ এখনত শিক্ষাই কি কার্য সম্পাদন কৰে? এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি উলিয়াবলৈ সমাজ এখনৰ সর্বসন্মতভাৱে প্ৰতিষ্ঠিত প্ৰমূল্য তথা ভ্ৰাতৃত্ববোধ বর্তাই ৰাখিবলৈ শিক্ষাই কেনেধৰণৰ অৱদান আগবঢ়ায় তাক বিচাৰ আৰু মূল্যায়ন কৰি চোৱা হয়। এই দৃষ্টিভংগীয়ে অনুসন্ধান কৰা দ্বিতীয় প্ৰশ্নটো হ'ল— (ii) সামাজিক ব্যৱস্থাৰ অন্য অংশবোৰৰ সৈতে শিক্ষাৰ প্ৰকার্যাত্মক সম্পর্ক কেনেধৰণৰ? উদাহৰণ স্বৰূপে এই দিশেৰে শিক্ষা আৰু ৰাজনৈতিক ব্যৱস্থা এটাৰ মাজত থকা সম্পর্ক বিশ্লেষণ কৰি চোৱা হ'ব পাৰে। অনুসন্ধান কৰিব খোজা বিষয়টো হ'ল ৰাজনৈতিক পছন্দ নিৰূপণৰ ধাৰণাটোৰ সৈতে কেনেকৈ শিক্ষাৰ সংহতি স্থাপন কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মানৰ সমাজক 'জীৱ' বুলি গণ্য কৰা সমাজতাত্ত্বিকগৰাকীৰ নাম কি?

.....

প্ৰশ্ন ২ ঃ শিক্ষাই সমাজৰ বাবে সম্পাদন কৰা গুপ্ত কার্যটো কি?

.....

৪.৩ এমিল ডুৰ্খেইম

১৮৫৮ চনৰ ১৫ এপ্ৰিলত ফ্ৰান্সৰ এপিনেল চহৰত এমিল ডুৰ্খেইমৰ জন্ম হৈছিল। বোৰ্দো বিশ্ববিদ্যালয় (University of Bourdeax)ৰ শিক্ষক হিচাপে কাম কৰি থকা অৱস্থাত তেওঁ বিদ্যালয় পর্যায়ৰ শিক্ষকসকলক শিক্ষা বিষয়ৰ পাঠ্যক্ৰম শিকাইছিল। নৈতিক শিক্ষা আছিল তেওঁ শিকোৱা সবাতোকৈ গুৰুত্বপূর্ণ পাঠ্যক্ৰম। কালক্ৰমত ডুৰ্খেইমে শিক্ষাৰ তত্ত্বসমূহৰ বিকাশত

পোনপটীয়া অৱদান আগবঢ়োৱা শিক্ষাবিদ-সমাজতাত্ত্বিকৰ আসন দখল কৰিছিল। ফৰাছী সমাজৰ নৈতিক অধঃপতনে ডুৰ্খেইমক প্রভাৱিত কৰিছিল। সেয়েহে তেওঁ নিজৰ পাঠ্যক্রমৰ জৰিয়তে শিক্ষাবিদ আৰু শিক্ষাদান কৰোঁতাসকলৰ সৈতে এটা নৈতিক ব্যৱস্থা সম্পর্কে নিজৰ ভাৱ-চিন্তাৰ সংযোগ স্থাপন কৰিবলৈ বিচাৰিছিল। শিক্ষকসকলে এই শিক্ষা কম বয়সীয়া শিক্ষার্থীৰ মাজলৈ সম্প্রসাৰিত কৰিছিল। তেওঁ সমাজৰ পৰিস্থিতি সলনি কৰাৰ বাবে বিপ্লৱৰ প্রয়োজনীয়তা অনুভৱ কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁ সমাজক কার্য সম্পাদন কৰি আগবাঢ়ি গৈ থকাত সহায় কৰা উমৈহতীয়া নৈতিকতাৰ জৰিয়তে সমতা স্থাপন কৰাৰ ধাৰণাটোৰ পৃষ্ঠপোষকতা কৰিছিল। ১৯০৬ চনত ডুৰ্খেইমক 'শিক্ষা বিজ্ঞানৰ অধ্যাপক' আসনত বহুওৱা হৈছিল। ১৯১৩ চনত আসনখনৰ নাম সংশোধন কৰি তেওঁক 'শিক্ষা আৰু সমাজতত্ত্ব বিজ্ঞানৰ অধ্যাপক'ৰ আসন দিয়া হৈছিল। ডুৰ্খেইম আছিল হিংসা আৰু প্রতিবাদী আন্দোলনৰ সম্পূর্ণ বিৰোধী। সমসাময়িক সমাজখনে তেওঁক এগৰাকী উদাৰবাদী বুলি গণ্য কৰিছিল। কিন্তু সাম্প্রতিক সময়ত সমাজতত্ত্ব অধ্যয়নৰ জগতখনত প্রায়েই তেওঁৰ প্রভাৱত সংৰক্ষণশীল মনোভাৱাপন্ন বুলি বিবেচনা কৰা হয়। ডুৰ্খেইম আছিল এগৰাকী ধ্রুপদী সমাজতাত্ত্বিক (Classical Sociologist)। শিক্ষাৰ বিষয়ে বুজিবলৈ এক সমাজতাত্ত্বিক দৃষ্টিভংগীৰ প্রয়োজনীয়তাৰ কথা তেৱেঁই প্রথম আঙুলিয়াই দেখুৱাইছিল। তেওঁ কার্যকৰীবাদ আৰু শিক্ষাৰ ধাৰণা দুটাৰ মাজত সংহতি স্থাপন কৰিছিল। পুৰণি কালৰ সমাজবোৰক একোটা সুদৃঢ়ভাৱে পালন কৰা উনৈহতীয়া নেতিকতাবোধ অথবা শক্তিশালী সামূহিক চেতনাই ঐক্যৱদ্ধ কৰি ৰাখিছিল। আধুনিক সমাজে গা কৰি উঠাৰ লগে লগে ইয়াৰ সৈতে জড়িত জটিলতাবোৰৰ বাবে এই চেতনা লাহে লাহে হ্রাস পাইছিল। ডুৰ্খেইমৰ মতে শিক্ষা এনে এক বিষয় হোৱা উচিত যিটোৱে সমাজৰ একতা বর্তাই ৰাখিব পাৰে। সমাজৰ একতা আৰু সংহতি অক্ষুণ্ণ ৰাখিবলৈ তেওঁ সমাজত কিছুমান নৈতিক প্রমূল্যৰ প্রচলনত ঘটোৱাত জোৰ দিছিল। তেওঁৰ মতে সমাজ সংস্কাৰৰ যোগেদি সমাজৰ বিশৃংখল অৱস্থা কিছু নোহোৱা কৰিব পৰা যায়।

ডুৰ্খেইমৰ বিচাৰমতে শিক্ষাৰ সমাজৰ সংৰচনাটোৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। শিক্ষাই সমাজৰ প্রচলিত ৰীতি-নীতি তথা প্রমূল্যবোৰৰ লগতে কেনেদৰে সামাজিকভাৱে মিলা-মিচা কৰি চলিব লাগে সেয়া শিকায়। এই ৰীতি-নীতি তথা প্রমূল্যবোৰৰ বাবে সমাজ এখন সুস্থিৰ হৈ ৰয় আৰু সামাজিক ভ্রাতৃত্ববোধ গঢ়ি উঠে। তেওঁ বিদ্যালয়ক সমাজৰ ক্ষুদ্র সংস্কৰণ বুলি অভিহিত কৰিছিল। বিদ্যালয়ে সাধাৰণ প্রমূল্য কিছুমানৰ সঞ্চাৰ ঘটাত সহায় কৰে। বিদ্যালয়ে 'সামাজিক অস্তিত্ব ৰক্ষাৰ বাবে আৱশ্যকীয় সমৰূপতা' গঢ়াত সহায় কৰে। বিদ্যালয়ৰ পৰা আহৰণ কৰা দক্ষতাবোৰে 'সামাজিক সহযোগিতাৰ বাবে আৱশ্যকীয় বৈচিত্র্য'ৰ সৃষ্টি কৰে (Haralambos : 2011 : 173)।

ডুৰ্খেইমে সমাজ এখনৰ প্রচলিত ৰীতি-নীতি আৰু প্রমূল্যসমূহ প্রৱাহিত কৰাৰ এক মাধ্যম হিচাপে শিক্ষাৰ ভূমিকা বিচাৰ কৰি চাইছিল। তেওঁ কৈছিল যে সমাজ এখনৰ সদস্যসকলৰ মাজত এক পর্যাপ্ত মাত্রাৰ সমৰূপতা থাকিলেহে সমাজখনৰ অস্তিত্ব বর্তি থাকিব। শিক্ষাই এই

সমৰূপতাৰ প্ৰকৃতি স্থায়ী আৰু সুদৃঢ় কৰে। ইয়াৰ বাবে শিক্ষাই শিশুক জীৱনৰ আৰম্ভণি কালছোৱাৰ পৰাই সামূহিক জীৱনে দাবী কৰা আৱশ্যকীয় সাদৃশ্যবোৰৰ বিষয়ে শিকায় আৰু গঢ় দিয়ে। তেওঁ এই ধাৰণাসমূহক সামাজিক জীৱনৰ এৰাব নোৱাৰা দিশ বুলি অভিহিত কৰিছিল। ডুৰ্খেইমৰ মতে ব্যক্তিৰ গোটসমূহ সামাজিক ভ্ৰাতৃত্ববোধৰ উৎস হোৱা উচিত। সামাজিক গোটবোৰ এগৰাকী ব্যক্তিতকৈ অধিক বৈশিষ্ট্যপূৰ্ণ হয় বাবেই তেওঁ এই চিন্তা উপস্থাপন কৰিছিল। তেওঁ কৈছিল যে সমাজ এখনৰ সৈতে একাত্ম হ'বলৈ শিশু এটিৰ মনত এনে এক অনুভূতিৰ উদ্রেক হ'ব লাগিব যিটো বাস্তৱ, জীৱন্ত আৰু শক্তিশালী। এই অনুভূতিটোৱে শিশুৰ মন-মগজুত আধিপত্য বিস্তাৰ কৰিব লাগিব আৰু শিশুৱে নিজৰ সৰ্বশ্ৰেষ্ঠ গুণ-বৈশিষ্ট্যসমূহৰ বাবে এই বিশেষ অনুভূতিটোৰ ওচৰত ঋণী হ'ব লাগিব। ব্যক্তি আৰু সমাজৰ মাজত শিক্ষাই সেতু নিৰ্মাণ কৰে। ইতিহাস শিক্ষণৰ যোগেদি বিশেষভাৱে এই কাৰ্য সাধিত হয়। ইতিহাসৰ শিক্ষাই শিশুক এই কথা উপলব্ধিত সহায় কৰে যে ব্যক্তিতকৈ সামাজিক গোটসমূহৰ গুৰুত্ব অধিক। ইয়েই সামাজিক গোটবোৰৰ প্ৰতি মানুহৰ মনত এক ধৰণৰ দায়বদ্ধতাৰ উন্মেষ ঘটায়। ড° ভীমৰাও আম্বেদকাৰক ভাৰতীয় সংবিধানৰ বাটকটীয়া বুলি উপস্থাপন কৰা ভাৰতীয় শৈক্ষিক পাঠ্যক্ৰমে ডুৰ্খেইমৰ দৃষ্টিভংগীটোকে প্ৰতিফলিত কৰে। কাৰণ, তেওঁ সম-সুযোগৰ মূল্য তথা দমনৰ বিৰুদ্ধে মাত মতা এক কণ্ঠৰূপেও নিজ তাৎপৰ্য প্ৰতিষ্ঠা কৰি থৈ গৈছে।

বিদ্যালয়বোৰক সামাজিক ব্যৱস্থাৰ এক আৰ্হি বুলি ধৰা হয়। ইয়াত ব্যক্তিয়ে নিজৰ আত্মীয়-স্বজন নোহোৱা, বন্ধুৰ শিতানত নপৰাসকলৰ সৈতেও সহযোগিতামূলক মনোভাৱেৰে কাম কৰিবলৈ শিকে। বিদ্যালয়ত থকা ধৰা-বন্ধা নীন্দ্ৰত-নিয়মৰ সমষ্টিটোৱে ব্যক্তিক সাধাৰণভাৱে সকলো নীতি-নিয়মকে সন্মান কৰিবলৈ শিকায় আৰু আত্ম-নিয়ন্ত্ৰণৰ অভ্যাস গঢ় লৈ উঠাত সহায় কৰে। ডুৰ্খেইমৰ যুক্তি অনুসৰি শিক্ষাই ব্যক্তিক ভৱিষ্যৎ বৃত্তিৰ বাবে প্ৰয়োজনীয় দক্ষতাসমূহ আহৰণত সহায় কৰি কৰ্ম সংস্থাপন লাভ কৰিব পৰাকৈ সাজু কৰে।

বৰ্তমানৰ সমাজত আনুষ্ঠানিক শিক্ষাৰ গুৰুত্ব বাঢ়িছে। ঔদ্যোগিক সমাজত এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জ্ঞান সম্প্ৰসাৰিত কৰাটোৱেই পৰ্যাপ্ত হৈ থকা নাই। শ্ৰম বিভাজনৰ ভিত্তিত জটিল সমাজবোৰত বিভিন্ন বৃত্তিৰ বাবে প্ৰয়োজন হোৱা বিশেষ প্ৰশিক্ষণো শিক্ষাই আগবঢ়াব লাগে। এনে বিশেষীকৃত দক্ষতাৰ পাৰস্পৰিক আন্তঃনিৰ্ভৰশীলতাইহে ঔদ্যোগিক সমাজবোৰৰ সংহতি অক্ষুণ্ণ ৰাখিব পাৰে। ডুৰ্খেইমৰ মতে বিদ্যালয়ে সাধাৰণ প্ৰমূল্য কিছুমান সম্প্ৰসাৰিত কৰে। ই সামাজিক অস্তিত্ব বৰ্তাই ৰখাৰ বাবে প্ৰয়োজনীয় সমৰূপতাৰ সৃষ্টি কৰে। বিদ্যালয়ৰ পৰা আহৰণ কৰা দক্ষতাই সামাজিক সহযোগিতাৰ বাবে অৱশ্যক হোৱা বৈচিত্ৰ্যৰ সৃষ্টি কৰে। প্ৰচলিত ৰীতি-নীতি আৰু প্ৰমূল্যসমূহৰ সঞ্চাৰণ হ'ল শিক্ষাৰ পাঠ্যক্ৰমত নিহিত গোপন উদ্দেশ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ খালী ঠাই পূৰণ কৰক—

(ক) ডুৰ্খেইমে .....ৰ বিৰোধিতা কৰিছিল।

(খ) .....এ শিশুক এই কথা উপলব্ধিত সহায় কৰে যে ..... কৈ সামাজিক গোটৰ গুৰুত্ব অধিক।

(গ) শ্রম বিভাজনৰ ভিত্তিত গঢ় লৈ উঠা ..... সমাজবোৰত কিছুমান বৃত্তিৰ বাবে বিশেষীকৃত ..... ৰ প্রয়োজন হয়।

৪.৪ টালক'ট পার্চলচ্

১৯০২ চনত আমেৰিকা যুক্তৰাষ্ট্রৰ ক'ল'ৰাডো চহৰত টালক'ট পার্চনচ্ৰ জন্ম হৈছিল। শিক্ষাবিদ আৰু সমাজতাত্ত্বিক পার্চনচ্ক শিক্ষা সম্পর্কে থকা ডুৰ্খেইমৰ দৃষ্টিভংগী আৰু মেক্স ৱেবাৰৰ কর্মৰাজিয়ে গভীৰভাৱে প্রভাৱিত কৰিছিল।

পার্চনচে শিক্ষাক ভালদৰে বুজিবলৈ প্রকার্যবাদ ব্যৱহাৰ কৰিছিল। সমাজত শিক্ষাৰ পটভূমিৰ সৈতে জড়িত দুটা গুৰুত্বপূর্ণ দিশ তেওঁ চিনাক্ত কৰি উলিয়াইছিল। তেওঁৰ মতে— (i) বিদ্যাৎয় হ'ল ব্যক্তিৰ সামাজিকীভৱণ আৰু প্রশিক্ষণ লাভৰ এক অভিকর্তা। বিদ্যালয়ে শিশুৰ সামর্থসমূহ বিকশিত কৰি সিহঁতক প্রাপ্তবয়স্কৰ ভূমিকা পালন কৰিব পৰাকৈ প্রস্তুত কৰে। (ii) শিক্ষাৰ কাম হ'ল প্রাপ্তবয়স্কৰ সমাজত থকা ভূমিকা পালনৰ সংৰচনাটোৰ ভিতৰত মানৱ সম্পদৰ আবন্টন কৰা। পার্চনচে এই দুটা ধাৰণাক ক্রমে 'দায়বদ্ধতা' আৰু 'সামর্থ' ৰূপে ব্যাখ্যা কৰিছিল। এই দুয়োটা বৈশিষ্ট্যৰ বিকাশত বিদ্যালয়ে প্রধান ভূমিকা লয়। বিদ্যালয়ে ব্যক্তিৰ মনত বৃহত্তৰ সমাজৰ প্রমূল্যসমূহ গঢ়ি তোলাত আৰু ব্যক্তিক নির্দিষ্ট ভূমিকা পাৰদর্শিতাৰে পালন কৰাৰ দক্ষতা আহৰণত সহায় কৰে। সামর্থই ব্যক্তিগত ভূমিকা পাৰদর্শিতাৰে পালন কৰাৰ দক্ষতাক বুজায়। বিদ্যালয়ে এক আৱন্টন অভিকর্তাৰ কামো সম্পাদন কৰে। ই মানৱ সম্পদ গঢ়ে আৰু বিভিন্ন ভূমিকাত এই সম্পদ আবন্টন কৰে। পার্চনচে পৰীক্ষা কৰি দেখিছিল যে উচ্চ মাধ্যমিক পর্যায়ৰ শিক্ষা সম্পূর্ণ কৰিব পৰাটোৱেই হ'ল সাধাৰণ সমাজ এখনৰ বাবে শৈক্ষিক সফলতাৰ ন্যূনতম সন্তোষজনক স্তৰ। শিশুৱে প্রাথমিক শিক্ষাৰ স্তৰত দেখুওৱা পাৰদর্শিতাৰ ভিত্তিত ভৱিষ্যৎ শিক্ষাৰৱেহৰূপ নির্ণিত হয়। ডুৰ্খেইমে ভবাৰ দৰে পার্চনচেও ভাবিছিল যে শৈক্ষিক ব্যৱস্থা এটাই মানুহক এক পৃথক সামাজিক স্থিতিত উপনীত কৰায় আৰু এই স্থিতি জৈৱিকভাৱে প্রদত্ত নহয়।

পার্চনচ্ৰ মতে বিদ্যালয় হ'ল এটা সামাজিকীকৰণ অভিকর্তা। তেওঁৰ মতে পৰিয়াল হ'ল ব্যক্তিৰ প্রাথমিক সামাজিকীভৱনৰ উৎস। ইয়াৰ পাছতেই সামাজিকীকৰণ প্রক্রিয়াটো বিদ্যালয়ে আগবঢ়াই নিয়ে। বিদ্যালয় হ'ল পৰিয়াল আৰু সমাজৰ মাজৰ সাঁকো। ই শিশুক প্রাপ্তবয়স্কৰ

ভূমিকা পালন কৰিব পৰাকৈ সাজু কৰে। পৰিয়ালত শিশু এটিক এককভাৱে আপডাল কৰা হয়। শিশুৰ আচাৰ-আচৰণক নির্দিষ্ট স্বীকৃত মানৰ ভিত্তিত বিচাৰ কৰা হয়। ইয়াক প্রতিগৰাকী ব্যক্তিৰ ক্ষেত্রতে প্রযোজ্য হ'ব পৰা সার্বজনীনভাৱে স্বীকৃত মানৰ ভিত্তিত বিচাৰ কৰা নহয়। বিদ্যালয়ত শিক্ষকে ফলপ্রসূভাৱে নিৰপেক্ষ ভূমিকা পালন কৰি প্রতিটো শিশুৰ প্রতি সমান ব্যৱহাৰ কৰিব লাগে। পৰিয়ালৰ ভিতৰত শিশু এটিৰ স্থিতি পূর্ব নিৰূপিত, কিন্তু বিদ্যালয়ত শিশুই নিজৰ স্থিতি অর্জন কৰিব লাগে।

বিদ্যালয়ে কর্মশক্তিৰ বিকাশ ঘটায়। বর্তমানৰ কর্মস্থলসমূহে দক্ষতাৰ মূল্যায়ন কৰে, কর্তৃপক্ষৰ প্রতি আনুগত্য বিচাৰে আৰু কর্মীসকল নিয়মানুৱর্তী হ'ব বুলি আশা কৰে। বিদ্যালয়ে এই প্রমূল্যসমূহেৰে শিক্ষার্থীৰ সামাজিকীভৱন ঘটায়। অন্য প্রকার্যবাদীসকলৰ দৰে পার্চনচেও বিশ্বাস কৰিছিল যে সমাজ এখনৰ অস্তিত্ব বর্তি থাকিবলৈ সমাজখনত সর্বজনস্বীকৃত প্রমূল্য কিছুমান থকাতো আৱশ্যক। কথাটো তেওঁ আমেৰিকান সমাজৰ পটভূমিত বিচাৰ কৰি চাইছিল। তেওঁৰ মতে বিদ্যালয়ে ব্যক্তিক দুটা প্রধান প্রমূল্যৰ গৰাকী কৰি তোলে— সফলতাৰ মোল বুজাৰ সামর্থ আৰু সুযোগৰ সমতাৰ মূল্য।

ভাৰতীয় সমাজে বিদ্যালয়বোৰে শিশুক নিয়মানুৱর্তিতা আৰু আনুগত্যৰ কথা শিকাব বুলি আশা কৰে। বিদ্যালয়ে সফলতাৰ মূল্যক বিশালতৰ ধৰণে উপস্থাপন কৰে। ইয়াৰ বাবে শৈক্ষিক সফলতাৰ উচ্চস্তৰত থকা শিক্ষার্থীসকলক আৰু উচ্চ স্তৰত উপনীত হোৱাৰ বাবে পৰিশ্রম কৰাসকলক বিভিন্ন পুৰস্কাৰ দিয়া তথা অনুপ্রেৰণা যোগোৱা হয়। বিদ্যালয়ত সকলোৰে বাবে সমান সুযোগৰ নীতি মানি চলা হয়। মানুহে বিদ্যালয়ত শিকা প্রতিটো অভ্যাস আৰু প্রমূল্যই পৰৱর্তী সময়ত সামগ্রিকভাৱে গোটেই সমাজতে এক চিৰস্থায়ী আৰু গুৰুত্বপূর্ণ প্রভাৱে পেলায়।

অনবৰতে প্রগতিৰ পথেৰে আগবাঢ়ি যোৱাৰ হাবিয়াস থকা যিকোনো সমাজেতেই এনে একোটা ব্যক্তি গোট থকাতো আৱশ্যক যিটো গোটৰ সদস্যসকলে শিক্ষাৰ আনুষ্ঠানিক ব্যৱস্থাৰ দ্বাৰা আহৰণ কৰা প্রমূল্য সমষ্টি এটা মানি চলে।

সমাজ এখনত ভৱিষ্যৎ ভূমিকা পালন কৰিব পৰা ব্যক্তি বাছনি কৰাৰ কামত শৈক্ষিক ব্যৱস্থা এটাই এক গুৰুত্বপূর্ণ আহিলা হিচাপে কাম কৰে বুলি পার্চনচে মত প্রকাশ কৰিছিল। তেওঁৰ মতে শিক্ষা ব্যৱস্থাই প্রাপ্তবয়স্ক সমাজত উপযুক্ত ভূমিকা পাৰদর্শিতাৰে পালন কৰিব পৰা মানৱ সম্পদ আবন্টন কৰে। বিদ্যালয়ে প্রতিগৰাকী ব্যক্তিৰ সামর্থসমূহৰ মূল্যায়ন কৰে আৰু সামর্থ অনুসৰি খাপ খোৱা কর্মক বৃত্তি হিচাপে গ্রহণ কৰিব পৰাকৈ উপযুক্ত প্রশিক্ষণ আৰু দিক্ নির্দেশনা দিয়ে। এই দিশেৰে বিদ্যালয়ে ভূমিকা আবন্টনকাৰী অনুষ্ঠান হিচাপে কাম কৰে বুলি ক'ব পৰা যায়।

পার্চনচে অধ্যয়নৰ দ্বাৰা ব্যাখ্যা কৰি দেখুৱাইছে যে বিদ্যালয়ৰ শিক্ষা আৰম্ভ কৰাৰ সময়ছোৱাত শিশুৰ সফলতাবোৰক প্রজ্ঞাত্মকভাৱে বুজাৰ শক্তি (cognitive) আৰু আহৰণ কৰা নৈতিক প্রমূল্যৰ আধাৰত জোখা হয়। প্রজ্ঞাত্মক মোলসমূহে শিশুৰ লিখিত ভাষা বুজাৰ আৰু

গাণিতিক দক্ষতা প্রদর্শন কৰঙ্গৰ বৌদ্ধিক সমার্থৰ কথা বুজায়। আনহাতে নৈতিক প্রমূল্যৰ শিতানত শিতানত শৃংখলাৱদ্ধতা, শিক্ষকৰ প্রতি সন্মান, সহযোগিতামূলক আচৰণ আদিক ধৰা হয়। এই বৈশিষ্ট্যবোৰে কালক্রমত শিশুক একোগৰাকী দায়িত্বশীল নাগৰিক পৰিণত কৰে। অর্থাৎ, সামাজিক শ্রেণী, সম্প্রদায়, জাতি, সামাজিক লিংগ, নৃগোষ্ঠীয় পৰিচয় আদিৰ দৰে আৰোপিত বৈশিষ্ট্যবোৰৰ সৈতে আহৰণ কৰা বৈশিষ্ট্যবোৰকো সমানে গুৰুত্ব দিয়া হয়। বিদ্যালয়ত এই গুৰুত্বৰ আধাৰ হ'ল মেধাভিত্তিক নীতি। অৱশ্যে শিক্ষার্থীৰ মাজত প্রভেদসূচক সফলতাৰ আন কিছুমান অন্য ভিত্তিত থাকে। যেনে— পৰিয়ালৰ অনুপ্রেৰণা, ব্যক্তিগত সামর্থ অথবা শিক্ষা গ্রহণৰ আগ্রহ ইত্যাদি। বিদ্যালয়ে শিক্ষার্থীসকলক সমাজত বিভিন্ন ভূমিকা পালন কৰিব পৰাকৈ সাজু কৰি তোলে। এই ভূমিকা আবণ্টন প্রক্রিয়াত বিভিন্ন ধৰণৰ পৰীক্ষা আৰু মূল্যায়ন ব্যৱস্থাৰ সহায় লোৱা হয়। শিক্ষার্থীৰ সামর্থ আৰু মেধা অনুসৰি তেওঁক সবাতোকৈ ভালদৰে খাপ খোৱা কর্মসংস্থাপন উপায়টো আবণ্টন কৰা হয়। বিদ্যালয়ে বিভিন্ন ধৰণৰ সফলতাৰ বাবে বিভিন্ন ধৰণৰ পুৰস্কাৰ প্রদান কৰে।

পার্চনচে কোনো এক প্রদত্ত ব্যৱস্থাত মুঠ চাৰিটা প্রকার্যাত্মক পূর্বচর্তৰ প্রয়োজন বুলি মত প্রকাশ কৰিছিল। তেওঁ ইয়াক AGIL আর্হি আখ্যা দিছিল। প্রতিখন সমাজে এই চাৰিটা মৌলিক কার্য সম্পাদান কৰিব লাগে। প্রকার্যকেইটা হ'ল— Adaptation (অনুকূলন), Goal attainment (লক্ষ্যত উপনীত হোৱা), Integrative (সংহতি স্থাপন) আৰু বিলম্বন (Latency)। বিদ্যালয় আৰু পৰিয়াল উভয়ে বিলম্বন সম্পাদন কৰে। দুয়োটা অভিকর্তাই সমাজৰ ক্রিয়াকাৰক (actor) সকলৰ মাজলৈ সংস্কৃতি, প্রচলিত ৰীতি-নীতি আৰু প্রমূল্যবোৰ প্রৱাহিত কৰে তথা সেইবোৰ আন্তৰিকীকৰণ (internalized) ৰ অনুমতি দিয়ে। এইদৰেই শিক্ষাই সমাজত সংহতি বর্তাই ৰখাৰ প্রকার্যটো সম্পাদন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ টালক'ট পার্চনচক কোন দুগৰাকী পণ্ডিতে সর্বাধিক প্রভাৱিত কৰিছিল?

.....

প্রশ্ন ৫ ঃ পৰিয়াল আৰু সমাজৰ মাজত সাঁকো হিচাপে কাম কৰা অনুষ্ঠানটো কি?

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কার্যকৰীসকলে সমাজক এটা ব্যৱস্থা বুলি গণ্য কৰিছিল।
- এটা ব্যৱস্থা হিচাপে সমাজে তদাৰক কৰাৰ স্বার্থত সহঃসম্পর্ক ৰক্ষা কৰি কাম কৰি যায়।

- সমাজ নাৰ ব্যৱস্থাটোৰ কিছুমান উপ-ব্যৱস্থা আছে। এই উপ-ব্যৱস্থাবোৰে নিজেও একোটা ব্যৱস্থা হিচাপে কাম কৰে। উপ-ব্যৱস্থাবোৰৰো নিজ নিজ উপ-ব্যৱস্থা কিছুমান থাকে।
- কার্যকৰীসকলে সমাজৰ একতা আৰু সংহতিৰ দিশ দুটাৰ অধ্যয়নত মনোনিৱেশ কৰে।
- শিক্ষাক এটা সামাজিক অনুষ্ঠান বোলা হয়। ই সমাজ ব্যৱস্থাৰ অধীনস্থ এটা উপ-ব্যৱস্থা।
- সামাজিক ব্যৱস্থাৰ অস্তিত্ব বর্তাই ৰখাত শিক্ষাই আগবঢ়োৱা ইতিবাচক অৱদানসমূহ কার্যকৰীসকলে অধ্যয়ন কৰে।
- ধ্রুপদী সমাজতাত্ত্বিক ডুৰ্খেইমে প্রথমে শিক্ষাৰ বিষয়ে বুজিবলৈ সমাজতাত্ত্বিক দৃষ্টিভংগী এটাৰ প্রয়োজনীয়তাৰ কথা চিন্তা কৰিছিল। তেঁৱেই শিক্ষাৰ সৈতে কার্যকৰী ধাৰণাটোৰ সংহতি স্থাপন কৰিছিল।
- শিক্ষাত কার্যকৰী নীতি প্রয়োগ কৰি পার্চনচে সমাজত শিক্ষাৰ প্রসংগ অধ্যয়ন কৰি দুটা প্রধান বিষয় পোহৰলৈ আনিছিল-
  - (ক) বিদ্যালয় হ'ল শিশুৰ সামাজিকীকৰণ ঘটোৱা আৰু প্রশিক্ষণ দিয়া এক অভিকর্তা। ই সৰু ল'ৰা-ছোৱালীক সমর্থৱান কৰি তোলে আৰু প্রাপ্তবয়স্ক ভূমিকা পালন কৰিব পৰাকৈ প্রস্তুত কৰি তোলে,
  - (খ) বিদ্যালয়ে প্রাপ্তবয়স্ক সমাজৰ ভূমিকা পালন সংৰচনাটোৰ ভিতৰত মানৱ সম্পদ আবন্টন কৰে।



৪.৬ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৪.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ হার্বার্ট স্পেনচাৰ।

প্রশ্ন নং ২ উত্তৰ ঃ সমাজৰ প্রয়োজন অনুসৰি মানুহৰ সামাজিকীভৱন ঘটায়।

প্রশ্ন নং ৩ উত্তৰ ঃ (ক) হিংসা আৰু প্রতিবাদী আন্দোলন

(খ) ইতিহাস, ব্যক্তিত

(গ) ঔদ্যোগিক, প্রশিক্ষণ

প্রশ্ন নং ৪ উত্তৰ ঃ এমিল ডুৰ্খেইম আৰু মেক্স ৱেবাৰ

প্রশ্ন নং ৫ উত্তৰ ঃ বিদ্যালয়



৪.৮ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ কার্যকৰী তত্ত্বৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

প্রশ্ন নং ২ ঃ পার্চনচ্ৰ মতে সমাজৰ কার্যকৰী পূর্বচর্ত চাৰিটা কি কি?

(গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ শিক্ষাই কেনেকৈ সমাজ এখনৰ একতা আৰু সংহতি বর্তাই ৰখাৰ কাম কৰে?

এই বিষয়ত ডুৰ্খেইম আৰু পার্চনচ্ৰ ধাৰণাসমূহ বহলাই আলোচনা কৰক।

****

অধ্যায় ৫ ঃ শিক্ষাক বুজাৰ মার্ক্সবাদী দৃষ্টিভংগী- কার্ল মার্ক্স, গ্রাম্‌চি আৰু আলথাচেৰ

অধ্যায় গাঁঠনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ কার্ল মার্ক্স

৫.৪ এন্ট'নিঅ'

৫.৫ লুই আলথাচেৰ

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষা সন্দর্ভত কার্ল মার্ক্সৰ দৃষ্টিভংগী বুজি পাব।
- আধিপত্যবাদ আৰু শিক্ষাৰ মাজত থকা সম্পর্ক জানিব পাৰিব।
- আদর্শমূলক ৰাষ্ট্র আহিলা হিচাপে শিক্ষাই কেনেদৰে কাম কৰে সেই সম্পর্কে অৱগত হ'ব।

৫.২ পৰিচয়

কার্ল মার্ক্সৰ চিন্তা-ধাৰণাক ভিত্তি কৰি শিক্ষাৰ মার্ক্সবাদী দৃষ্টিভংগী প্রতিষ্ঠিত হৈছে। সমাজ সম্পর্কে থকা মার্ক্সৰ চিন্তা-ধাৰণাবোৰৰ পৰাই পৰৱর্তী সময়ত সংঘাত তত্ত্ব (theory of conflict) বিকশিত হৈছে। এই তত্ত্ব অনুসৰি সমাজবোৰে সকলো সময়তে পৰস্পৰৰ সৈতে সংঘাতত লিপ্ত হৈ থাকে। সমাজৰ ধনী আৰু দুখীয়া শ্রেণী দুটাৰ মাজত সদায় সংঘাত চলি থকা। উৎপাদনৰ উপায়বোৰৰ ব্যক্তিগত মালিকীস্বত্ত্বৰ পোষকতা কৰা অর্থনৈতিক ব্যৱস্থাটোৱেই হ'ল পুঁজিবাদ। এই ব্যৱস্থাত কল-কাৰখানা আৰু ব্যৱসায়-বাণিজ্যৰ আধিকাৰী সীমিত সংখ্যক মানুহৰ গোট এটাই সমাজক নিয়ন্ত্রণ কৰে। এই নিগমবোৰত কাম কৰা মানুহে এইবোৰৰ মালিকীস্বত্ব লাভ নকৰে। কল-কাৰখানাৰ কামবোৰ অতি কঠিন আৰু প্রায়েই বিভিন্ন বিপদৰ আশংকাৰে ভৰা। এনে কামত লাভ কৰা মজুৰিৰ পৰিমাণো নিচেই কম। শ্রমিকক উপযুক্ত মজুৰি প্রদান কৰা নহয়।

ইয়াৰ কাৰণ হ'ল কল-কাৰখানাৰ গৰাকীৰ হাতত অধিক পৰিমাণে লাভ জমা কৰি ৰখাৰ ইচ্ছা। এই কাৰ্যই দুটা দলৰ সৃষ্টি কৰে। কল-কাৰখানাৰ গৰাকীসকল (মার্ক্সে এওঁলোকক 'বুর্জোৱা' নাম দিছিল) আৰু শ্রমিক শ্রেণী (মার্ক্সে এওঁলোকক 'সর্বহাৰা' অথবা প্র'লেটেৰিয়েট নাম দিছিল। মার্ক্সৰ মতে এই ব্যৱস্থাটোৱে এনেদৰে কাম কৰে যিটোৱে ধনীসকলক আৰু ধনী কৰে কিন্তু দুখীয়াসকল সদায় বঞ্চিত হৈ ৰয়। এয়াই হ'ল সমাজ ব্যৱস্থাৰ পুঁজিবাদী আৰ্হি। মার্ক্সে বিশ্বাস কৰিছিল যে পুঁজিবাদে অসমতাৰ ব্যৱধান বৃদ্ধি কৰে। সেয়েহে তেওঁ বিপ্লৱৰ পোষকতা কৰিছিল। বিপ্লৱৰ দ্বাৰাহে সমাজৰ আমূল পৰিৱর্তন সাধন হ'ব বুলি তেওঁ বিশ্বাস কৰিছিল। এনেদৰে সলনি হোৱা সমাজতহে এটা সময়ত সকলো মানুহকে সমান ব্যৱহাৰ কৰা হ'ব আৰু সকলো সম্পত্তিৰ সামূহিক মালিকীস্বত্ব থাকিব। মার্ক্সে এই সমাজ ব্যৱস্থাটোক কমিউনিজম্‌ অথবা সাম্যবাদ নাম দিছিল।

এই অধ্যায়টিত শিক্ষা সন্দর্ভত থকা মার্ক্সবাদী দৃষ্টিভংগী কেইটামানৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ পুঁজিবাদ বুলিলে কি বুজে?

.....

.....

প্রশ্ন ২ ঃ মার্ক্সে সমাজৰ দুখীয়া, শ্রমিক শ্রেণীটোক কি নাম দিছিল?

.....

.....

৫.৩ কার্ল মার্ক্স

জার্মানীৰ 'ৰন্‌চিহ্‌ চিটি অফ্‌ ট্রায়েৰ'ত ১৮১৮ চনৰ ৫ মে'ৰ দিনা কার্ল হেইন্‌ৰিখ্‌ মার্ক্সৰ জন্ম হৈছিল। তেওঁ ট্রায়েৰতে প্রাথমিক শিক্ষা লাভ কৰিছিল। ১৮৩৬ চনত তেওঁ বার্লিন বিশ্ববিদ্যালয়ৰ পৰা আইনৰ ডিগ্রী আৰু ১৮৪১ চনত সন্মানীয় ডক্তৰেট ডিগ্রী লাভ কৰিছিল। সেই সময়ত বার্লিন বিশ্ববিদ্যালয়ৰ বৌদ্ধিক পৰিৱেশত হেগেন আৰু তেওঁৰ যুৱ সমর্থকৰ দলৰ প্রভাৱ আছিল সর্বাধিক। ডিগ্রী লাভ কৰাৰ পাছত মার্ক্সে এখন উদাৰবাদী তথা আমূল পৰিৱর্তবাদী বাতৰি-কাকতত কাম কৰিছিল। এই সময়ছোৱাত প্রকাশিত ৰচনাৰাজিয়ে মার্ক্সক গভীৰভাৱে প্রভাৱিত কৰিছিল। ৰচনাবোৰে গণতান্ত্রিক নীতি, আদর্শবাদ আৰু মানৱতাবাদৰ পোষকতা কৰিছিল। হেগেলিয়ানবাদ, সমাজবাদ আৰু ৰাজনৈতিক অর্থনীতিৰ মতবাদবোৰৰ সংমিশ্রণত মার্ক্সৰ বৌদ্ধিক অভিবিন্যাস (intellctual orientation) গঢ় লৈ উঠিছিল। বিবাহৰ পাছত প্রায় তাৎক্ষণিকভাৱে

মার্ক্সে জার্মানী এৰি উদাৰবাদী বাতাৰৰণে আৰৰি ৰখা পেৰিছৰ বাসিন্দা হৈছিল। তাতেই তেওঁ পাছলৈ আজীৱন বন্ধু, পৃষ্ঠপোষক আৰু সহযোগী হৈ পৰা ফ্রেড্ৰিক্ এংগেলচ্ক লগ পাইছিল। এংগেলচ্ৰ চিন্তাধাৰা আৰু ভাৱাদর্শৰ প্রভাৱতে মার্ক্সে শ্রমিক শ্রেণীৰ দুখ-দুদর্শাৰ প্রতি কৰুণাপূর্ণ মনোভাৱৰ গৰাকী হৈছিল বুলি কোৱা হয়। অৱশ্যে দুয়োৰে তাত্ত্বিক অভিবিন্যাসত যেনেদৰে বহুতো সাদৃশ্য আছিল ঠিক একেদৰে বহুতো প্রভেদো আছিল।

মার্ক্সৰ মতে শিক্ষা হ'ল এটা অতি-বিন্যাস (superstructure) ৰ অংশ। ই অর্থনৈতিক ভিত্তিৰ প্রয়োজনসমূহ পূৰণ কৰে। এই ভিত্তিটোৱে অতি-বিন্যাসৰ গঢ়-গতি নিৰ্দ্ধপণ কৰে আৰু ইয়াৰ বিনিময়ত অতি-বিন্যাসটোৱে অর্থনৈতিক ভিত্তিটো বর্তাই ৰাখে আৰু ইয়াৰ কার্য-কলাপক যুক্তিযুক্ততা প্রদান কৰে। শিক্ষাই পুঁজিবাদী সমাজৰ অসমতাবোৰৰ পুনঃউৎপাদন কৰে। ই যোগ্যতাতন্ত্রৰ দ্বাৰা সৃষ্ট কল্পনাৰে অসমতাক যুক্তিযুক্ত বুলি প্রতিপন্ন কৰে। উদাৰবাদীসকলৰ মতে বিদ্যালয়ে সকলোকে সমান সুযোগ দিয়ে আৰু আমাৰ প্রচেষ্টা তথা সামর্থৰ ওপৰত সফলতা নির্ভৰশীল। অর্থাৎ, আমাৰ বিফলতা আমাৰ নিজৰ ভুলৰ পৰিণাম মাত্র। কিন্তু অর্থনৈতিক উন্নতিৰ কোনটো স্থানত আমি থাকোঁ সেই কথাটোৱে আমাৰ সামর্থ পূর্ব নির্দ্ধাৰিত কৰি ৰাখে। এনেধৰণৰ শিক্ষা ব্যৱস্থা এটা গ্রহণ কৰি আমি প্রকৃতার্থত শ্রেণী অসমতাক বৈধতা প্রদান কৰো। এনে শিক্ষা ব্যৱস্থাই এই অসমতা অবিৰতভাৱে পুনঃউৎপাদন কৰে। এনে শিক্ষা ব্যৱস্থা এটা পৰোক্ষভাৱে আধিপত্য বিস্তাৰৰ উপায় হৈ পৰে। যিহেতু বুর্জোৱা শ্রেণীৰ হাতত ইয়াৰ পুনঃউৎপাদন ঘটে, সেয়েহে সর্বহাৰা শ্রেণীটো এনে শিক্ষা ব্যৱস্থাত নিহিত ধাৰণাবোৰৰ বলি হয়। এই শিক্ষা ব্যৱস্থাই সর্বহাৰাক শোষণ কৰে।

মার্ক্সৰ দৃষ্টিভংগী অনুসৰি শিক্ষা ব্যৱস্থাই শাসক শ্রেণীৰ স্বার্থ ৰক্ষাৰ হকে কাম কৰে। মার্ক্স আৰু এংগেলচ্ৰ যুটীয়াভাৱে প্রকাশিত গ্রন্থ 'কমিউনিষ্ট মেনিফেষ্টো'ত ৰাজহুৱা বিদালয়বোৰত সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষা আৰু শিশু শ্রমিক নিযুক্তি প্রথা নির্মূল কৰাৰ কথা কোৱা হৈছে। অৱশ্যে তেওঁলোকে শিক্ষাৰ কথা পোনপটীয়াকৈ উল্লেখ কৰা নাছিল। কিন্তু পুঁজিবাদৰ বিষয়ে আলোচনা কৰোঁতে প্রচুৰ পৰিমাণে ইয়াৰ উল্লেখ কৰিছিল। তেওঁলোকৰ আলোচনাত শিক্ষা ব্যৱস্থাই কেনেদৰে শ্রেণী ব্যৱস্থা এটা বর্তি থকাত সহায় কৰে সেই কথাই ঠাই পাইছিল। মার্ক্সবাদী দৃষ্টিভংগীয়ে শিক্ষাক অসমতা বর্তাই ৰখাৰ এক আহিলা বুলি গণ্য কৰে। বুর্জোৱা শ্রেণীটোৱে ক্ষমতা আৰু আধিপত্য নিজৰ কৰি ৰাখিবলৈ নিজৰ সামগ্রী আৰু সাংস্কৃতিক মূলধন ব্যৱহাৰ কৰে। শৈক্ষিক অনুষ্ঠানবোৰে স্থিতাৰস্থা বাহাল ৰাখে আৰু নিম্ন তথা মধ্যবিত্ত শ্রেণী দুটাক অনুগত হৈ ৰোৱাৰ শিক্ষা দিয়ে। সংঘাত তত্ত্বৰ তাত্ত্বিকসকলে শিক্ষাক সুবিধা বুলি নাভাবে। তেওঁলোকৰ মতে ই হ'ল ক্ষমতাৰ সংৰচনা বর্তাই ৰখাৰ এক শক্তিশালী মাধ্যম। ই পুঁজিবাদৰ বাবে এটা বশ মানি চলা কর্মশক্তিৰ সৃষ্টি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ কার্ল মার্ক্সৰ ক'ত জন্ম হৈছিল ?

.....

.....

প্রশ্ন ৪ ঃ কোনখন গ্রন্থত সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষাৰ কথা কোৱা হৈছে?

.....

.....

৫.৪ এন্ট'নিঅ' গ্রাম্‌চি

১৮৯১ চনত ইটালীৰ চার্দিনিয়াত এন্ট'নিঅ' ফ্রান্সেস্ক' গ্রাম্‌চি (Antonio Francesco Gramsci) ৰ জন্ম হৈছিল। তেওঁক কার্ল মার্ক্সৰ উপৰি নীৎছে আৰু মেকিয়াভেলীয়েও প্রভাৱিত কৰিছিল। গ্রাম্‌চিয়ে বিশ্বাস কৰিছিল যে আন আদর্শমূলক শক্তিৰ সৈতে মিলি শিক্ষাই শাসক শ্রেণীৰ বাবে এক সাংস্কৃতিক আধিপত্যৰ পৰিৱেশ গঢ়ি দিয়ে। জীৱনৰ আদি কালছোৱাত তেওঁ ইটালীৰ ঔদ্যোগিক আৰু অর্থনৈতিক বিকাশক নিচেই কাষৰৰ পৰা অধ্যয়ন কৰাৰ সুযোগ পাইছিল। ১৯১৯ চনলৈকে তুৰিন চহৰৰ ঔদ্যোগসমূহত আগণন ধর্মঘট আৰুৰ প্রতিবাদী কার্যসূচী পালন কৰা হৈছিল। সংগঠিত খণ্ডৰ শ্রমিকে আয়োজন কৰা এনে কার্যসূচীৰ লক্ষ্য আছিল নিজৰ বাবে একোখন কল-কাৰখানাভিত্তিক (ফেক্ট'ৰী) পৰিষদ গঠন কৰা। মার্ক্সৰ দৰে গ্রাম্‌শ্চিয়েও সাধাৰণ জনগণৰ সচেতনতাৰ কথা কৈছিল। তেওঁৰ মতে যদি সাধাৰণ জনগণ নিজৰ পৰিস্থিতি সম্পর্কে সচেতন হৈ উঠে আৰু তেওঁলোকে নির্বাহ কৰি থকা সামাজিক ব্যৱস্থাটোৰ প্রকৃতি সম্পর্কে অৱগত হয়, তেন্তে তেনে সমাজত বিপ্লৱৰ সূচনা হ'বই। 'Revolution against Capital' নামৰ ৰচনাখনত গ্রাম্‌শ্চিয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে এটা সামাজিক বিপ্লৱ সংঘটিত কৰাৰ বাবে জনসাধাৰণে উপযুক্ত কার্যপন্থা গ্রহণ কৰিব লাগিব। কেৱল অর্থনীতিয়ে জনগণক সফল নকৰে, সফলতাৰ বাবে বৈপ্লৱিক আদর্শৰ প্রয়োজন। এনে আদর্শ নিজে নিজে গঢ় লৈ নুঠে। সামাজিক বুদ্ধিজীৱিৰ সহায় নোহোৱাকৈ জনগণ সজাগ হৈ উঠিব নোৱাৰে। বুদ্ধিজীৱসকলে এনে আদর্শৰ ধাৰণা একোটাৰ উৎপত্তিত সহায় কৰে। তেওঁলোকে ইয়াৰ প্রচাৰ কার্যত নামি পৰে। ধাৰণাবোৰৰ প্রসাৰে সেইবোৰক মানুহৰ অনুশীলনৰ অংশ কৰি তোলে। এবাৰ জনসাধাৰণ কোনো চিন্তা-ধাৰণাৰ দ্বাৰা প্রভাৱিত হোৱাৰ পাছত তেওঁলোকে বিদ্রোহ প্রদর্শন কৰাৰ বাবে উপযুক্ত কার্যপন্থা গ্রহণ কৰে। গ্রাম্‌চিয়ে সমাজ ব্যৱস্থাৰ কেৱল অর্থনৈতিক কাৰণবোৰৰ অধ্যয়নৰ লগতে সামূহিক চিন্তা-চর্চাৰ ধাৰণাটোকো বিশ্লেষণ কৰি চাইছিল।

শাসক শ্রেণীটোৱে সাংস্কৃতিক নেতৃত্বৰো অনুশীলন কৰে। গ্রাম্‌শিয়ে ইয়াক আধিপত্যবাদ বুলি অভিহিত কৰিছিল। সাংস্কৃতিক নেতৃত্ব হ'ল আধিপত্য বিস্তাৰ কৰাৰ এক আৱশ্যকীয় আহিলা। ই শাসক শ্রেণীৰ বস্তুগত অথবা ভৌতিক আধিপত্য সাব্যস্ত কৰে। সেয়েহে গ্রাম্‌শিয়ে কৈছিল যে কেৱল অর্থনীতি নিয়ন্ত্রণাধীন কৰাই নহয়, বিপ্লৱে বিপ্লৱী দলক সাংস্কৃতিক নেতৃত্বও প্রদান কৰে (Ritzer, 2011)।

আধিপত্য হ'ল শাসক শ্রেণীৰ স্বার্থক সার্বজনীন স্বার্থৰূপে উপস্থাপন কৰাৰ আদর্শ প্রতিনিধিত্বমূলক ধাৰণা (Oxford Dictionary, 2009)। গ্রাম্‌শিয়ে কৈছিল যে এখন পুঁজিবাদী সমাজত এই ধাৰণাটোৱে সামাজিক শৃংখলা বর্তাই ৰখাৰ মুখ্য উপায় হিচাপে কাম কৰে। গ্রাম্‌শিৰ মতে ৰাষ্ট্রই দুই ধৰণে নাগৰিকৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। ইয়াৰে এটা হ'ল- হেচা-বল প্রয়োগ (coercion) আৰু আনটো হ'ল হিংসা (violence)। ইয়াৰ উপৰি ৰাষ্ট্রই নাগৰিকৰ পৰা সন্মতি আদায়ৰ অথবা আদর্শ জাপি দিয়াৰ চেষ্টা কৰে। বেছিভাগ সময়তে হেচা-বল আৰু হিংসা দুয়োটা উপায় প্রয়োগ কৰা হয়। আধিপত্যবাদৰ অধীনত জনসাধাৰণে বুর্জোৱা শ্রেণীৰ দমন-শোষণত সন্মতি জনায়। 'Prison Notebook' গ্রন্থত গ্রাম্‌শিয়ে আধিপত্যবাদৰ বিষয়ে বহলাই আলোচনা কৰিছে। ব্যক্তিৰ আনুগত্য নিয়ন্ত্রণ কৰি ক্ষমতা লাভৰ পথ নির্মাণ কৰা হয়। সন্মতিয়ে ক্ষমতা প্রদান কৰে। মানুহে চিন্তা-ধাৰণাক নিয়ন্ত্রণ নকৰে, বৰঞ্চ চিন্তা-ধাৰণাইহে মানুহক নিয়ন্ত্রণ কৰে। ধর্ম, শিক্ষা, ৰাজনীতি আদি বিষয়ত থকা নিজস্ব ধাৰণাসমূহে আমাৰ কাম-কাজ নির্ণয় কৰে। গ্রাম্‌শিয়ে ৰাজহুৱা অথবা ব্যক্তিগত সকলো ধৰণৰ বাতৰি-কাকতকে আধিপত্য বিস্তাৰকাৰী আহিলা বুলি অভিহিত কৰিছিল।

নিজৰ চিন্তা-চর্চাৰ মাধ্যমেৰে গ্রাম্‌শিয়ে বিদ্যালয়ৰ ধাৰণাটোতো আলোকপাত কৰিছিল। তেওঁৰ মতে বিদ্যালয় হ'ল আধিপত্যবাদৰে এটা অংশ। স্থিতাৱস্থা (Status quo) বাহাল ৰাখিবলৈ বিদ্যালয়ৰ জৰিয়তে ব্যক্তিৰ সামাজিকীকৰণ ঘটোৱা হয়। গ্রাম্‌শিয়ে আনুষ্ঠানিক শিক্ষাতকৈ সর্বাত্মক শিক্ষা (inclusive education)ত গুৰুত্ব দিছিল। তেওঁৰ মতে শিক্ষাক কেৱল আনুষ্ঠানিক প্রতিষ্ঠানবোৰত সীমাৱদ্ধ কৰি ৰাখিব নোৱাৰি। গ্রাম্‌শিয়ে ভাষাত আধিপত্যবাদৰ সকলো সম্পর্কই একো একোটা শিক্ষানুষ্ঠানভিত্তিক সম্পর্ক। তেওঁৰ চিন্তা-চর্চাই শিক্ষাক আধিপত্যবাদৰ সকলো কার্য-সম্পাদন প্রক্রিয়াৰ আধাৰ বুলি বিবেচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ খালী ঠাই পূৰণ কৰক –

(ক) ..... চনত গ্রাম্‌শিৰ জন্ম হৈছিল।

(খ) ..... কাৰণসমূহৰ লগতে গ্রাম্‌শিয়ে ..... ধাৰণাটোকো বিশ্লেষণ কৰি চাইছিল।

(গ) ..... বাহাল ৰাখিবলৈ ..... ৰ জৰিয়তে ব্যক্তিৰ সামাজিকীকৰণ ঘটোৱা হয়।

৫.৫ লুই আলথাচেৰ

লুই পীয়েৰ আলথাচেৰ (Louis Pierre Althusser) ক সংৰচনাত্মক মার্ক্সবাদ (Structural Marxism) ৰ জনক আখ্যা দিয়া হৈছে। ১৯১৮ চনত আলজেৰিয়াত আলথাচেৰৰ জন্ম হৈছিল। আলজেৰিয়াত থকাৰ সমলৈকে তেওঁ এক সুখ-স্বাচ্ছন্দ্যৰ ল'ৰাকাল অতিবাহিত কৰিছিল। ১৯৩০ চনত আলথাচেৰ পিতৃ-মাতৃৰ সৈতে ফ্ৰান্সলৈ যায়। ১৯৩৯ চনত তেওঁ ফৰাছী সৈন্য বাহিনীত যোগ দিয়ে। ১৯৪০ চনত আলথাচেৰ জার্মান সেনাৰ হাতত বন্দী হয়। ইয়াৰ পাছত দ্বিতীয় বিশ্বযুদ্ধ চলি থকাৰ সময়ছোৱাত তেওঁ জার্মানীৰ বিভিন্ন যুদ্ধবন্দী ৰখা শিৰিৰত বন্দীৰ জীৱন কটায়। পেৰিছত তেওঁ উচ্চ শিক্ষা লাভ কৰিছিল। পৰৱর্তী সময়ত আলথাচেৰ 'ফ্ৰেন্স কমিউনিষ্ট পার্টি'ৰ সদস্য হৈছিল। এই সময়ছোৱাতে তেওঁ কেইবাগৰাকীও কেথ'লিক অধ্যাপকৰ দ্বাৰা প্ৰভাৱিত হৈ 'কেথ'লিক যুৱ আন্দোলনত যোগদান কৰিছিল। বিশ্ববিদ্যালৰ সহপাঠীসকলৰ মাজত আলথাচেৰ এগৰাকী সম্পূর্ণ কেথ'লিক মতত বিশ্বাসী ব্যক্তিৰূপে পৰিচিত হৈ পৰিছিল। একে সময়তে তেওঁৰ চিন্তা-চর্চাৰ সাম্যবাদেও প্ৰভাৱিত কৰিছিল। তেওঁ ভাবিছিল যে তেওঁক দলৰ ভিতৰত এই মতবাদক বাস্তৱ ৰূপ দিয়াৰ পর্যাপ্ত সুবিধা আছে। ১৯৪৮ চনত আলথাচেৰে দর্শন বিষয়ত উচ্চশিক্ষা সমাপ্ত কৰিছিল। বিভিন্ন নাৰীবাদী আন্দোলনলৈ আলথাচেৰে তাৎপর্যপূর্ণ আৱদান আগবঢ়াই থৈ গৈছে। তেওঁ মহিলাৰ সামর্থক বাস্তৱ ৰূপ দিয়াৰ পক্ষপাতী আছিল। আলথাচাৰে বিশ্বাস কৰিছিল যে ধর্ম আৰু সাম্যবাদৰ জৰিয়তে সামাজিক পৰিৱর্তন সাধন কৰিব পৰা যায়। এনেদৰে পৰিৱর্তিত সমাজ এখনত কোনো ধৰণৰ অর্থনৈতিক শোষণ, ৰাজনৈতিক দমন অথবা আদর্শগত দাসত্ব নাথাকিব আৰু সমগ্ৰ মানৱ জাতিৰ বাবে সন্মান বিৰাজ কৰিব। শিক্ষাৰ বিশ্লেষণত আলথাচেৰৰ কর্মৰাজিয়ে গুৰুত্বপূর্ণ সহায় আগবঢ়াব পাৰে বুলি পণ্ডিত সমাজে বিবেচনা কৰিছিল।

আলথাচেৰৰ যুক্তি অনুসৰি শিক্ষাই এক আদর্শমূলক ৰাষ্ট্রীয় আহিলা (Ideological State Apparatus / ISA) ৰ কাম কৰে। ইয়াৰ অর্থ হ'ল শিক্ষাৰ মাধ্যমেৰে ৰাষ্ট্রই আমাৰ প্ৰমূল্য আৰু বিশ্বাসৰ সমষ্টিসমূহ নিয়ন্ত্রণ কৰে। আমি কি কৰিব পাৰোঁ আৰু কি কৰিব নোৱাৰো তাৰ নীতি-নির্দেশনা প্ৰচাৰ তথা প্ৰসাৰ কৰি শিক্ষা ব্যৱস্থাই সমাজত অসমতা পুনঃ উৎপাদন কৰে। শিক্ষা ব্যৱস্থাই অসমতাৰ বৈধতা প্ৰদান কৰে আৰু সর্বহাৰা শ্রেণীটোক ইয়াৰ অধীনস্থ (subordinate) স্থিতিটো গ্রহণ কৰিবলৈ শিকায়। আদর্শমূলক ৰাষ্ট্রীয় আহিলাৰূপে শিক্ষাই ৰাষ্ট্রৰ চিন্তা-ধাৰণা প্ৰচাৰ কৰে। বিদ্যালয়সমূহে গুপ্ত পাঠ্যক্রমৰ সহায়ত পুঁজিবাদক এক যুক্তিসংগত আদর্শ হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰে।

শাসক শ্রেণীৰ প্রতি বশ্যতা প্রদর্শন কৰিলে শ্রম শক্তিৰ পুনঃ উৎপাদন প্রক্রিয়া সংঘটিত হয়। শৈক্ষিক আহিলাই বিভিন্ন কার্যকলাপৰ পৰা ধর্মৰ প্রভাৱ নাইকিয়া কৰিছে। বিদ্যালয়ে শিক্ষার্থীক সু-আচৰণ প্রদর্শন, ভদ্রভাৱে কথা কোৱাৰ নিয়ম আদি শিকোৱাৰ চেষ্টা কৰে। এই আটাইবোৰ শিক্ষণৰে ভিত্তি হ'ল শাসক শ্রেণীয়ে পোষকতা কৰা আদর্শ।

আলথাচেৰে মার্ক্সবাদী দৃষ্টিভংগীৰে শিক্ষাক বিশ্লেষণ কৰিছিল। তেওঁ মার্ক্সৰ কর্মৰাজিক এটা শুদ্ধ আৰু সুনির্দিষ্ট ধৰণে আলোচনা কৰিব বিচাৰিছিল। মার্ক্সবাদৰ মূল হ'ল সমাজক সংৰচনা। মার্ক্সে কৈছিল যে এটা আন্তঃগাঁথনি আৰু এটা অতি গাঁথনিৰ (বিন্যাস)ৰ ভিত্তিত সামাজিক নির্মাণ ঘটে। আলথাচেৰে এই উক্তি বিশ্লেষণ তথা সংশোধন কৰি কৈছিল যে সামাজিক নির্মাণলৈ অৱদান আগবঢ়োৱা মৌলিক উপাদান কেইটা হ'ল অর্থনীতি, ৰাজনৈতিক ব্যৱস্থা আৰু আদর্শ (Choudhury, 2006)।

শিক্ষা ব্যৱস্থা এটা হ'ল সামাজিক অতি-গাঁথনিটোৰ এক অংশ। সামাজিক আন্তঃগাঁথনিয়ে এই ব্যৱস্থাটোক গঢ়-গতি প্রদান কৰে আৰু ই উৎপাদনৰ সম্পর্কসমূহ প্রতিফলিত কৰে। শিক্ষা ব্যৱস্থাই শাসক শ্রেণীৰ স্বার্থ পূৰণ কৰে। শাসক শ্রেণীৰ অস্তিত্ব বর্তাই ৰাখিবলৈ আৰু এই শ্রেণীটোৰ সমৃদ্ধিৰ স্বার্থত শ্রমশক্তিৰ পুনঃউৎপাদন কৰাতো আৱশ্যক হৈ পৰে। দক্ষতাৰ পুনঃউৎপাদন আৰু শাসক শ্রেণীৰ হঠধর্মী নীতি (Dogmas)ৰ পুনঃউৎপাদন কৰি শিক্ষা ব্যৱস্থাই ইয়াৰ সামাজিকীকৰণ সংঘটিত কৰে। শ্রমশক্তিৰ পুনঃউৎপাদনৰ বাবে এনে কৰাটো আৱশ্যক বুলি ধৰা হয়। ইয়াৰ ফলত এটা কাৰিকৰী দিশেৰে দক্ষ আৰু মালিকৰ বশ হৈ থকা শ্রমশক্তি উৎপন্ন হয়। পুঁজিবাদ এই পুনঃ উৎপাদন প্রক্রিয়াটোৰ ওপৰত সম্পূর্ণ নির্ভৰশীল। এই প্রক্রিয়াই পুঁজিবাদৰ বাবে আৱশ্যকীয় লাভ (Profit) সৃষ্টি কৰে।

কেৱল শক্তি প্রয়োগ কৰি সমাজৰ কোনো শ্রেণীয়েই দীর্ঘকালৰ বাবে ক্ষমতা নিজৰ হাতত ৰাখিব নোৱাৰে। ক্ষমতা ধৰি ৰাখিবলৈ কিছুমান অনুকূল আদর্শ আৰু হঠধর্মী নীতিৰ দ্বাৰা কৰা নিয়ন্ত্রণৰ আৱশ্যক। যদি শ্রমজীৱি শ্রেণীটোৰ সদস্যসকলে নিজৰ জীৱন দশাক আদর্শ অনুসৰি সৃষ্ট (typical) আৰু অনিবার্য (inevitable) বুলি গ্রহণ কৰে আৰু তেওঁলোকৰ জীৱনৰ পৰিস্থিতিসমূহৰ আচল প্রকৃতি উপলব্ধি কৰাত ব্যর্থ হয়, তেন্তে তেওঁলোকে কেতিয়াও শাসক শ্রেণীৰ শ্রেষ্ঠত্বক প্রত্যাহ্বান জনাব নোৱাৰে। সেয়েহে, শ্রম শক্তিৰ পুনঃ উৎপাদনৰ বাবে দক্ষতাৰ পুনঃ উৎপাদনৰ লগতে প্রতিষ্ঠিত শাসন ক্রম (শাসক শ্রেণীৰ আদর্শ) ৰ আনুগত্য স্বীকাৰ কৰা শ্রেণী এটাৰ পুনঃ উৎপাদনৰ প্রয়োজন হয়। এনে বশ্যতা স্বীকাৰ কৰা মনোবৃত্তিৰ মানৰ শ্রেণী এটা শিক্ষা, ধর্ম আৰু প্রচাৰ মাধ্যম আদিৰ সহায়ত পুনঃ উৎপাদন কৰা হয়। সেইবাবে এই মাধ্যমবোৰক আদর্শমূলক ৰাষ্ট্রীয় আহিলা বোলা হয়। এই আটাইবোৰেই শাসক শ্রেণীটোৰ বিশ্বাস তথা আদর্শসমূহৰ প্রচাৰ আৰু প্রসাৰ কৰে। এই শিক্ষাই ভুৱা সচেতনতাৰ সৃষ্টি কৰে। সাধাৰণ দৃষ্টিত এই আটাইকেইটা উপাদান আনুষ্ঠানিকভাৱে ৰাষ্ট্রৰ নিয়ন্ত্রণৰ বাহিৰত। কিন্তু তথাপিও আটাইকেইটা ৰাষ্ট্রৰ প্রমূল্যসমূহ প্রচাৰ কৰে আৰু পুঁজিবাদৰ পুনঃউৎপাদনত সহায় কৰে (Ox-

ford Dictionary, 2009)। আদর্শমূলক ৰাষ্ট্রীয় আহিলা বুলিলে বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠান, ৰাজনৈতিক দল, শ্রমিক সংঘ আদিৰ সমগ্র সমষ্টিটোক ধৰা হয়। এইবোৰ মাত্র এটা শ্রেণীৰ আধিপত্য অক্ষুণ্ণ ৰখাত সহায়কাৰী একো একোটা গুৰুত্বপূর্ণ সংৰচনা।

শিক্ষাই ব্যক্তিৰ মনোভাৱমূলক আৰু আচৰণগত পূর্বচর্তবোৰেই পুনঃউৎপাদন নকৰে, ই পুঁজিবাদী সমাজ ব্যৱস্থাৰ যুক্তিযুক্ততা প্রতিপন্নকাৰী আৰু এনে ব্যৱস্থাক বৈধতা প্রদানকাৰী শাসক শ্রেণীৰ সাধাৰণ আদর্শকো আগবঢ়াই নিয়ে। শিক্ষাই শ্রমিক-কর্মীৰ মনত বৈশ্যতা-আনুগত্যৰ মনোভাৱ জাগ্রত কৰে। ই শাসক শ্রেণীৰ শোষণ-দমন নীতি অনুশীলনকাৰী অভিকর্তাসমূহৰ বাবে এক আহিলাস্বৰূপ। আলথাচেৰৰ মতে শৈক্ষিক ব্যৱস্থা এটাই এনে এক প্রৱাহৰ সৃষ্টি কৰে যিটোৱে সামাজিকভাৱে পালন কৰিবলগীয়া ভূমিকাবোৰত খাপ খাই পৰা আদর্শ মানি চলা ব্যক্তি উৎপাদন কৰে (Haralambos, 2011)।

শিক্ষাই শ্রমজীৱি শ্রেণীটোক অধীনস্থ স্থিতি মানি ল'ব পৰাকৈ সামাজিকীকৰণ প্রক্রিয়াৰ মাজেৰে আগবঢ়াই নিয়ে। শিক্ষাই সামাজিক নিয়ন্ত্রণৰ এক অভিকর্তাৰ ভূমিকা পালন কৰে। আলথাচেৰে শিক্ষাক আদর্শমূলক ৰাষ্ট্রীয় আহিলাৰূপে বিশ্লেষণ কৰি দেখুৱাইছে।

উৎপাদনৰ চৰম চর্ত হ'ল উৎপাদনৰ চর্তবোৰৰ পুনঃউৎপাদন। ইয়াৰ কাম হ'ল দমন আৰু শোষণৰ অভিকর্তাসমূহৰ বাবে শাসক শ্রেণীৰ আদর্শ শ্রেণীটোৱে বিচৰাধৰণে হেৰফেৰ কৰি আগবঢ়াই নিব পৰা দক্ষতাৰ পুনঃউৎপাদন কৰা। শিক্ষাৰ কাম হ'ল শাসক শ্রেণীৰ আদর্শ অনুশীলন কৰা একোটা অনুগত শ্রেণীৰ সৃষ্টি কৰা। আলথাচেৰৰ মতে আদর্শ হ'ল সকলোবোৰ সামাজিক সংৰচনাৰ এটা ৰূপ। ইয়াৰ প্রকৃতি অমৰ।

আলথাচেৰে বিশ্বাস কৰিছিল যে আমাৰ চিন্তা-চর্চালৈ পৰিৱর্তন আহিলেই আমি কেনেদৰে চিন্তা কৰো সেই দিশতো পৰিৱর্তনৰ সূচনা হ'ব। এই পৰিৱর্তনে এসময়ত আমাৰ কাম কৰাৰ উপায়বোৰো সলনি কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ আলথাচেৰে কোন চনত ফ্রান্সৰ সৈন্য বাহিনীত যোগ দিছিল?

.....

প্রশ্ন ৭ ঃ আলথাচেৰৰ মতে ক্ষমতা নিজৰ হাতত ৰাখিবলৈ বল প্রয়োগৰ উপৰি প্রয়োজন হোৱা অন্য গুৰুত্বপূর্ণ উপাদানবোৰ কি কি?

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মার্ক্সবাদী তত্ত্বৰ আন এটা নাম হ'ল সংঘাত তত্ত্ব। এই তত্ত্বমতে সমাজবোৰে সকলো সময়তে সংঘাতত লিপ্ত হৈ থাকে। এই সংঘাত ধনী আৰু দুখীয়া শ্রেণীৰ মাজত চলি থাকে।
- মার্ক্সে অর্থনৈতিক আন্তঃগাঁথনিয়ে কেনেদৰে শৈক্ষিক ব্যৱস্থাবোৰ গঢ়ি তোলে সেয়া আলোচনা কৰিছিল।
- মার্ক্সবাদী দৃষ্টিভংগীয়ে এই কথা উন্মোচন কৰিছিল যে শৈক্ষিক ব্যৱস্থাসমূহে পুঁজিবাদীসকলৰ প্রয়োজন পূৰাব পৰা কর্মশক্তি একোটা তৈয়াৰ কৰি দিয়ে।
- মার্ক্সবাদে ক্ষমতা, আদর্শ আৰু শিক্ষাৰ মাজত থকা সম্পর্কবোৰ উদঙাই দেখুওৱাৰ লগতে পুঁজিবাদী সমাজত থকা উৎপাদনৰ সম্পর্কসমূহ বুজাত সহায় কৰে।
- গ্রাম্‌শিচৰ মতে বিদ্যালয় হ'ল আধিপত্যবাদৰ এক অংগ। তেওঁৰ মতে স্থিতাৱস্থা বাহাল ৰাখিবলৈ বিদ্যালয়ৰ জৰিয়তে ব্যক্তিৰ সামাজিকীকৰণ ঘটোৱা হয়।
- আলথাচাৰৰ মতে ৰাষ্ট্রই শিক্ষাৰ সহায়ত আমাৰ প্রমূল্য আৰু বিশ্বাসৰ সমষ্টিবোৰ নিয়ন্ত্রাণাধীন কৰি ৰাখে।



৫.৭ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৫.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ উৎপাদনৰ উপায়সমূহ ব্যক্তিগত মালিকানাধীন কৰি ৰখা অর্থনৈতিক ব্যৱস্থাটোকে পুঁজিবাদ বোলা হয়।

প্রশ্ন নং ২ উত্তৰ ঃ সর্বহাৰা অথবা প্র'লেটেৰিয়েট।

প্রশ্ন নং ৩ উত্তৰ ঃ জার্মানীৰ ৰেন্‌চিহ্‌ চিটি অফ্‌ চ্‌ৰায়েৰত।

প্রশ্ন নং ৪ উত্তৰ ঃ কার্ল মার্ক্স আৰু ফ্রেডৰিখ্‌ এংগেন্‌চে যুটীয়াভাৰে লিখা 'কমিউনিষ্ট মেনিফেষ্টো' নামৰ গ্রন্থখনত।

প্রশ্ন নং ৫ উত্তৰ ঃ (ক) চার্দিনিয়া; (খ) অর্থনৈতিক, সামূহিক চিন্তা-ধাৰণা; (গ) স্থিতিৰস্থা, বিদ্যালয়

প্রশ্ন নং ৬ উত্তৰ ঃ ১৯৩৯ চনত।

প্রশ্ন নং ৭ উত্তৰ ঃ আদর্শ আৰু হঠধর্মী নীতি।



৫.৯ আৰ্হি প্রশ্ন

(ক) এটা বা দুটা শব্দত উত্তৰ দিয়ক—

প্রশ্ন নং ১ ঃ শিক্ষাই ৰাষ্ট্রৰ আহিলাৰূপে কাম কৰে বুলি কোনে কৈছিল?

প্রশ্ন নং ২ ঃ গ্রাম্‌শ্চিৰ মতে সাংস্কৃতিক নেতৃত্বৰ আন এটা নাম কি?

(খ) চমু প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ মার্ক্সৰ মতে শিক্ষা ব্যৱস্থা এটা কেনেদৰে গঢ় লৈ উঠে?

প্রশ্ন নং ২ ঃ জনগণৰ সচেতনতা সম্পর্কে গ্রাম্‌শ্চিৰ দৃষ্টিভংগী কেনে আছিল?

প্রশ্ন নং ৩ ঃ আলথাচেৰৰ মতে ৰাষ্ট্রই কেনেকৈ শিক্ষা ব্যৱস্থা নিয়ন্ত্রণ কৰে?

(গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ 'শিক্ষা হ'ল অসমতা চিৰস্থায়ী কৰা এক অনুষ্ঠান'— অধ্যায়টিত আলোচিত দৃষ্টিভংগীবোৰৰ ভিত্তিত উদ্ধৃত ধাৰণাটো বহলাই ব্যাখ্যা কৰক।

****

অধ্যায় ৬ ঃ জ্ঞান, ক্ষমতা আৰু শিক্ষা

<u>অধ্যায় গাঁঠনি</u>

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে মেনহে'মৰ দৃষ্টিভংগী

৬.৪ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বার্নষ্টেইনৰ দৃষ্টিভংগী

৬.৫ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বোর্ডিউৰ দৃষ্টিভংগী

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান

৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে মেনহে'মৰ দৃষ্টিভংগী জানিব পাৰিব
- জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বার্নষ্টেইনৰ দৃষ্টিভংগী সম্পৰ্কে অৱগত হ'ব
- জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বোর্ডিউৰ দৃষ্টিভংগীৰ বিষয়ে ধাৰণা লাভ কৰিব।

৬.২ পৰিচয়

জ্ঞান (Knowledge), ক্ষমতা (Power) আৰু শিক্ষা (Education) হ'ল তিনিটা আন্তঃসংযোগ থকা ধাৰণা। বিভিন্ন সমাজতাত্ত্বিকে তিনিওটা ধাৰণাৰ মাজত থকা আন্তঃসম্পৰ্ক বুজাৰ প্রয়াস চলাইছে। এই সম্পৰ্ক বুজি পালে সমাজৰ ক্ষমতাৰ সংৰচনাটো বুজাত সুবিধা হয়। 'সকলোৰে বাবে শিক্ষা' হ'ল এটা অত্যাৱশ্যকীয় বিষয়। সেয়েহে শিক্ষা খণ্ডত থকা অসমতাবোৰৰ কথা বুজাটো গুৰুত্বপূর্ণ হৈ পৰিছে। সমাজৰ কিছুমান শ্রেণীৰ সদস্যৰ দৰে আন কিছুমান শ্রেণীৰ সদস্যই কিয় শিক্ষা লাভৰ সুযোগ নাপায় সেয়া বুজি উঠাতো আৱশ্যক। জ্ঞান, ক্ষমতা আৰু শিক্ষাত নিহিত মাত্রাবোৰত আলোকপাত কৰিবলৈ সমাজতাত্ত্বিকসকলে প্রকার্যত্মক আৰু মার্ক্সবাদী দৃষ্টিভংগী প্রয়োগ কৰি চাইছে। এই অধ্যায়টিত ধাৰণা তিনিটাৰ সৈতে জড়িত মেনহে'ম, বার্নষ্টেইন আৰু বোর্ডিউৰ দৃষ্টিভংগী আলোচনা কৰা হ'ব।

৬.৩ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে মেনহেইমৰ দৃষ্টিভংগী

কার্ল মেনহেইম (Karl Mannheim) হ'ল এগৰাকী জার্মান সমাজতাত্ত্বিক। ১৮৯৩ চনত জন্মগ্রহণ কৰা মেনহেইম আছিল বিংশ শতিকাৰ প্রথমার্দ্ধৰ সবাতোকৈ প্রভাৱশালী সমাজতাত্ত্বিক (মৃত্যু- ১৯৪৭ চন)। তেওঁক ধ্রুপদী সমাজতত্ত্ব (classical sociology)ৰ জনক বুলি অভিহিত কৰা হয়। মেনহেইমে জ্ঞানৰ সমাজতত্ত্ব (sociology of knowledge) ক এটা বিষয় হিচাপে অধ্যয়ন কৰাৰ ভেটিটোও স্থাপন কৰিছিল। তেওঁৰ প্রসিদ্ধ গ্রন্থখনৰ নাম হ'ল Ideology and Utopia। আলোচনা প্রসংগত তেওঁ যুক্তি দর্শাইছে যে আদর্শবাদীসকল হ'ল সমাজৰ আচল প্রকৃতিৰ প্রতিনিধি। আদর্শবাদীসকলে এখন 'ইউটোপিয়া' নির্মাণৰ কামত সফল হোৱাৰ প্রচেষ্টা চলায়। আদর্শবাদত নিহিত হঠধর্মিতাই দর্শনৰ তত্ত্ব আৰু ইতিহাসৰ তত্ত্বসমূহৰ বৌদ্ধিক সংহতিত বিৰূপ প্রভাৱ পেলায়।

মেনহেইমৰ মতে সমাজতত্ত্বই বিমূর্ত্ত ধাৰণাবোৰ পৰিহাৰ কৰি এখন সুনির্দিষ্ট সমাজৰ বিশ্বজনীন অৱলোকনৰ পথ বিচাৰি উলিয়ায়। জ্ঞানৰ সমাজতত্ত্বৰ ব্যাখ্যা আগবঢ়াই মেনহেইমে ঐতিহাসিক বাস্তৱ তথা ধাৰণা আৰু আদর্শসমূহৰ সাংস্কৃতিক তথা সামাজিক মূলৰ মাজত থকা সম্পর্ক চিনাক্তকৰণৰ গুৰুত্বত জো�ৰ দিছিল। তেওঁৰ গৱেষণামূলক কর্মৰাজি মার্ক্সবাদৰ সমালোচনাত্মক মূল্যায়নেৰে আৰম্ভ হৈ বহন অর্থত আদর্শৰ তত্ত্ব এটা নিৰূপণৰ দিশে গতি কৰিছিল। চিন্তাৰ বিভিন্ন প্রৱাহ আৰু বিভিন্ন সামাজিক গোটৰ মাজত আদর্শ তত্ত্ব এটাই সম্পূর্ণ ৰূপত প্রদর্শন কৰা মানসিক সংৰচনাটো মেনহেইমে অধ্যয়ন কৰি দেখুৱাইছিল। আদর্শ সম্পর্কে থকা তেওঁৰ ধাৰণাই সংৰচনাত্মক স্তৰত চিন্তাৰ গতিবিধি পৰীক্ষা কৰাৰ পোষকতা কৰিছিল। এনে পৰীক্ষাত একেটা বস্তুকেই বিভিন্ন দিশেৰে গতি কৰিবলৈ দি পর্যবেক্ষণ কৰা হৈছিল। কোনো এক নির্দিষ্ট ঐতিহাসিক আৰু সাংস্কৃতিক পৰিৱেশৰ ভিতৰত পৰা কথা অথবা বস্তুবোৰৰ বিষয়ে ব্যক্তি, দল অথবা সমাজ এখনে কেনেদৰে ধাৰণা কৰি লয় তাৰ উপায়বোৰ বুজাটোৱেই হ'ল আদর্শৰ বিষয়ে বুজা কার্য। আদর্শৰ দৰে 'ইউটোপিয়া' (কল্পনাদর্শ / আদর্শ সমাজ)ৰ ধাৰণাটোও কোনো এক বিশেষ সামাজিক তথা ৰাজনৈতিক পৰিস্থিতিৰ পৰা উদ্ভৱ হয়। কিন্তু প্রচলিত সামাজিক শৃংখলাটোৰ বিৰোধিতাই হ'ল ইয়াৰ প্রধান বৈশিষ্ট্য। 'ইউৰোপিয়া' হ'ল সামাজিক জগতসমূহক ভাঙি ৰূপান্তৰ ঘটোৱা কিছুমান সামূহিক কর্মৰ দ্বাৰা প্রতিফলিত হ'বলগীয়া 'ইপ্সিত কল্পছবি' (wish images)। আদর্শক বুজাৰ বাবে মেনহেইমে আগবঢ়োৱা বহল আর্হিৰ অংশ হ'ল 'আদর্শ' আৰু 'ইউটোপীয়া'। এই বিশ্লেষণত তেওঁ মার্ক্সবাদৰ সামাজিক ঐতিহাসিক নিয়তিবাদ (Determinism) আৰু 'আপেক্ষিকবাদ' (Relativism)ক অধিক্রমণ কৰি সত্যৰ এক 'সম্বন্ধবাদী' (Ralationist) ধাৰণা প্রতিষ্ঠাৰ দিশে আগবাঢ়ি গৈছে। আদর্শবাদী আৰু ইউটোপিয়াৰ সমর্থকসকলৰ বিভিন্ন তথা প্রতিদ্বন্দ্বিতামূলক সামাজিক স্থিতি বিশ্লেষণ কৰাৰ অন্তত এক প্রকাৰৰ 'সত্য' উন্মোচিত হয়। এই সত্য বৌদ্ধিক বস্তুনিষ্ঠতাৰ চর্তসমূহত নিহিত থাকে আৰু ই অধিক পোনপটীয়াভাৱে 'ধাৰণা'

নির্দ্ধাৰণ কৰা সামাজিক চর্ত অথবা পৰিস্থিতিৰ পৰা পৃথক। অর্থাৎ, সামাজিক ঐতিহাসিক প্রক্রিয়াবোৰৰ পৰা উদ্ভৱ হোৱা সম্বন্ধজনিত জ্ঞানৰ বিপৰীতে 'আদর্শ' আৰু 'ইউটোপিয়া'ই এক বৈধ জ্ঞানৰ মাপকাঠি প্রতিষ্ঠা কৰে।

মেনহেইমৰ বাবে জ্ঞানৰ সমাজতত্ত্ব হ'ল জ্ঞানৰ সামাজিক উৎপত্তি বিন্দুৰ বিজ্ঞানসম্মত অধ্যয়ন কৰাৰ উপায়। ইয়াৰ উদ্দেশ্য হ'ল ৰাজনীতি সম্পর্কে থকা আমাৰ জ্ঞান কম আদর্শবাদী আৰু কম 'ইউটোপিয়ান' কৰি ইয়াক অধিক বিজ্ঞানসম্মত কৰি তোলা। যাতে এনে জ্ঞানৰ সহায়ত বর্তমান সমাজৰ নেতিবাচক দিশবোৰ চিনাক্ত কৰি উলিয়াই একোখন ন্যায়সংগত সমাজ গঢ়াৰ পৰিকল্পনা কৰাৰ লগতে এনে সমাজ নির্মাণ কৰিব পাৰি। মেনহেইমে সুস্পষ্টভাৱে ব্যক্ত চিন্তা, বিশ্বাস আৰু চল-কপটেৰে ভৰা একোটা 'বিশেষ' আদর্শৰ সংকল্পনা স্থানত আদর্শৰ এটা 'সম্পূর্ণ সংকল্পনা' স্থাপনৰ পোষকতা কৰিছিল। এনে সম্পূর্ণ সংকল্পনা এটাত বিৰোধী পক্ষৰ বিশ্বজনীন অৱলোকনৰ সামাজিকভাৱে চর্তৱদ্ধ সংৱচনাৰ এক সামগ্রিক ৰূপ থাকিব। মেনহেইমে বিষয়টোৰ আলোচনা আৰম্ভ কৰাৰ সময়ত বহুতেই দুয়োটা ধাৰণাক আদর্শৰ 'সাধাৰণ' সংকল্পনাৰ পৰা পৃথক আদর্শৰ 'বিশেষ' সংকল্পনা হিচাপে গণ্য কৰিছিল। ইয়াৰ দ্বাৰা পর্যবেক্ষকসকলৰ স্বীকৃতি সম্পর্কেও একোটা ধাৰণা কৰা হৈছিল। কাৰণ, তেওঁলোকেও আদর্শগত আৰু সামাজিকভাৱে বদ্ধমূল জ্ঞানৰ ভিত্তিতহে এই পর্যবেক্ষণ কৰিছিল। মেনহেইমৰ জ্ঞানৰ সমাজতত্ত্বই আদর্শৰ 'সাধাৰণ' সংকল্পনাটোৰ অধ্যয়নত মনোনিৱেশ কৰিছিল। তেওঁ আদর্শৰ ঐতিহাসিক ৰূপ (আমোলাতন্ত্রকেন্দ্রিক, সংৰক্ষণবাদী, সংৰক্ষণাত্মক ইতিহাসবাদী, উদাৰপন্থী গণতান্ত্রিক বুর্জোৱাবাদী, সামাজিক সাম্যবাদী আৰু ফেচিষ্ট ইত্যাদি) আৰু ইউটোপিয়ান সামূহিক মানসিকতা (সহস্রবর্ষবাদী, উদাৰপন্থী মানৱতাবাদী, সংৰক্ষণবাদী আৰু সামাজিক সাম্যবাদী) ৰ প্রৰূপবর্গীকৰণ (typologies) প্রস্তুত কৰিছিল। মেনহেইমৰ কর্মৰাজিৰ প্রধান উদ্দেশ্য আছিল এই আটাইবোৰ ৰাজনৈতিক দৃষ্টিভংগীৰ প্রতিটোতে নিহিত থকা আংশিক সত্যবোৰক সকলো ধৰণৰ একপক্ষীয় পক্ষপাতদুষ্টতাৰ পৰা মুক্ত কৰি এই সত্যবোৰৰ মাজত সংশ্লেষণ সাধন কৰা। তেওঁৰ মতে জ্ঞানৰ সমাজতত্ত্ব নামেৰে পৰিচিত হোৱা সমাজতত্ত্বৰ নব্য শাখাটোৰ অধীনত প্রশিক্ষণ লাভ কৰা আধুনিক 'স্বতন্ত্র বুদ্ধিজীৱি' (unattached intellectuals) ৰ অভিকর্তাৰূপটোৱেহে এই পক্ষপাতদুষ্টতা আঁতৰ কৰাৰ উপায় বিচাৰি উলিয়াব পাৰিব। এই বুদ্ধিজীৱিসকলে বিজ্ঞানসম্মত আৰু সমালোচনাত্মকভাৱে বিভিন্ন আংশিক আদর্শ তথা ইউটোপিয়ান সংকল্পনাৰ সংশ্লেষণ আৰু উৎকর্ষ সাধন কৰিব পাৰিব। তেওঁলোকেহে সামাজিক জ্ঞান আৰু পৰিৱর্তন এটা বিজ্ঞানসম্মত দৃষ্টিভংগী নির্মাণৰ আশা তথা প্রয়াসসমূহক জীৱন্ত কৰি ৰাখিব। মেনহেইমৰ অধ্যয়ন-গৱেষণাৰ পৰম উদ্দেশ্য আছিল ব্যক্তিৰ চিন্তাত থকা আদর্শগত তথা ইউটোপিয়ান বিকৃতিসমূহ আঁতৰাব পৰাকৈ সমাজ বিজ্ঞানৰ বিকাশথ অৱিহণা আগবঢ়োৱা।

মেনহেইমৰ মতে বিশ্বজনীন অৱলোকন (worldviews) অথবা বিশ্বজনীন চিন্তা শৈলী (styles of thought) বোৰে ব্যক্তিৰ মনত ধাৰণাবোৰৰ গঢ়-গতি নির্দ্ধাৰণ কৰে। ধাৰণাবোৰ

সামাজিকভাৱে 'অৱস্থিত' (situated)। চিন্তা শৈলীবোৰৰ সৈতে কাল, জাতি, ৰাষ্ট্ৰ, সাধাৰণীকৰণৰ নীতি আৰু সামাজিক শ্ৰেণীৰ সম্পৰ্ক থাকে। তেওঁৰ মতে কোনো এটা বিশেষ গোটৰ সামাজিক স্বাৰ্থবোৰৰ বাবে গোটটোৰ প্ৰতিগৰাকী সদস্যই সামাজিক জীৱনৰ কিছুমান বিশেষ দিশৰ প্ৰতি সংবেদনশীলতা প্ৰদৰ্শন কৰিব পাৰে। ইয়াৰ আধাৰত তেওঁলোকৰ মাজত কোনো এক বিশেষ 'আদৰ্শ'ৰ বিকাশ ঘটিব পাৰে। ইয়াৰ বিপৰীতে বুদ্ধিজীৱিসকল হ'ল সমাজৰ 'আপেক্ষিকভাৱে শ্ৰেণীহান স্তৰ' (Relatively Classless Stratum)টোৰ অংশ। তেওঁলোক হ'ল 'বাধাহীনভাৱে চলমান বুদ্ধিজীৱি সম্প্ৰদায়' (free floating intelligentsia)। তেওঁলোক সমাজৰ আন অংশবোৰৰ পৰা আপেক্ষিকভাৱে বিচ্ছিন্ন। সেয়েহে তেওঁলোকে আনতকৈ অধিক স্পষ্টভাৱে সামাজিক ধাৰাবোৰ নিৰীক্ষণ কৰিব পাৰে।

একেদৰে মেনহে'মৰ বাবে 'শিক্ষা'ও এটা গুৰুত্বপূৰ্ণ ধাৰণা আছিল। তেওঁৰ মতে শিক্ষাই ওপৰত আলোচনা কৰা বুদ্ধিজীৱি সম্প্ৰদায়টো গঢ়ি তোলে। তেওঁ প্ৰবৃত্তি (instinct) ৰ পৰা অভ্যাস (habit) লৈকে ব্যাপ্ত নিষ্ক্ৰিয় আৰু সক্ৰিয় শিকনৰ গুৰুত্বত আলোকপাত কৰিছিল। শিকনে ব্যক্তিক ভাষাৰ জৰিয়তে মনৰ ভাৱ প্ৰকাশ কৰাৰ দক্ষতা প্ৰদান কৰে আৰু সাংস্কৃতিক প্ৰতীকসমূহৰ অৰ্থ বুজাত সহায় কৰে। মেনহে'মে নিজৰ অধ্যয়নত শৈক্ষিক অভিকৰ্তাসমূহৰ মাজত, শিক্ষক-শিক্ষাৰ্থীৰ মাজত, শিক্ষাৰ্থীৰ মাজত আৰু শ্ৰেণী-বিদ্যালয়ৰ মাজত গঢ় লৈ উঠা সম্পৰ্কৰ প্ৰণালীবোৰকো সামৰি লৈছিল। তেওঁৰ অধ্যয়নত বিদ্যালয় ব্যৱস্থাৰ সংগঠনবোৰৰ জৰিয়তে প্ৰস্তুত কৰা 'সংৰচনাত্মক আনুষ্ঠানিক সময়সীমা' আৰু এই সম্পৰ্কসমূহৰ গুৰুত্ব বুজাৰ প্ৰয়াস পৰিলক্ষিত হয়। তেওঁৰ মতে শিক্ষাই চিন্তাৰ অনুমোদন (approval of thought) ও জনাব নোৱাৰে আৰু সামাজিক অসমতাও পুনঃউৎপাদন কৰিব নোৱাৰে। মেনহে'মৰ চিন্তাধাৰা অনুসৰি শিক্ষা আৰু গণতন্ত্ৰৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। গণতন্ত্ৰ প্ৰচলনৰ বাবে এখন গতিশীল সমাজৰ প্ৰয়োজন। সেয়েহ বিভিন্ন আৰু সহাৱস্থান কৰি বৰ্তি থকা আদৰ্শৰ প্ৰতি সমৰ্থন তথা সহিষ্ণুতা প্ৰদৰ্শন হ'ল একাধিক সংস্কৃতিক যুক্ত কৰাৰ পূৰ্বচৰ্ত। আৰু এই পূৰ্বচৰ্ত বাস্তৱ হোৱাৰ সম্ভাৱনা জনসাধাৰণক জনাবলৈকে গণতন্ত্ৰক গতিশীল সমাজ লাগে। ইয়াৰ বিপৰীতে স্থিৰ সমাজ এখনে চিন্তা-ধাৰণাসমূহক নিশ্চিত (crystalized) ৰূপ দিয়ে আৰু এনে সমাজত ধৰ্মান্ধতা আৰু অনুসৰণবাদৰ দৰে ধাৰণা প্ৰচলনৰ আশংকা অধিক।

মেনহে'মে উপস্থাপন কৰা সমতাপূৰ্ণ সমাজৰ ধাৰণাটোত ক্ষমতা আৰু শিক্ষাই পৰস্পৰ সম্পৰ্কযুক্ত ধাৰণাৰূপে কাম কৰে। ব্যক্তিয়ে নিজকে আদৰ্শ আৰু ইউটোপিয়াৰ হাতোৰাৰ পৰা মুক্ত কৰি সকলো চিন্তা-ধাৰণাৰ মাজত সংশ্লেষণ ঘটাই দমন আৰু অসমতাৰ পৰা মুক্ত সমাজ এখন গঠন কৰিব পাৰে। বুদ্ধিজীৱিসমাজ হ'ল এনে এক সামাজিক অভিকৰ্তা যিটোৱে সমাজৰ এনে পৰিৱৰ্তন সাধন কৰিব পাৰে বুলি ধৰি লোৱা হয়। অৰ্থাৎ, মেনহে'নৰ দৃষ্টিৰে এখন গণতান্ত্ৰিক সমাজ সৃষ্টিত শিক্ষাই এক গুৰুত্বপূৰ্ণ আহিলাৰূপে কাম কৰে।

৬.৪ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বাৰ্নষ্টেইনৰ দৃষ্টিভংগী

বাচিল বাৰ্নাৰ্ড বাৰ্নষ্টেইন (১৯২৪-২০০০) আছিল এগৰাকী বৃটিছ সমাজতাত্ত্বিক। শিক্ষাৰ সমাজতত্ত্ব বিষয়ক ৰচনাৰাজিৰে তেওঁ খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ অধ্যয়নৰ বিষয় আছিল সামাজিক ভাষাতত্ত্ব। ব্যক্তিৰ কথা কোৱাৰ ধৰণ আৰু সামাজিক সংগঠনবোৰৰ মাজত থকা সম্পৰ্কৰ বিষয়ে তেওঁ অধ্যয়ন কৰিছিল। জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে থকা বাৰ্নষ্টেইনৰ দৃষ্টিভংগী অনুসৰি সমাজত প্ৰচলিত পদানুক্ৰমিক শৃংখলা অনুসৰি জ্ঞানৰ অসম বিতৰণ ঘটে। বাৰ্নষ্টেইনৰ তত্ত্বত 'নিয়ম সংহিতা' (code) ৰ ধাৰণাটো কেন্দ্ৰীয় আৰু সৰ্বব্যাপ্ত। সমাজত প্ৰচলিত শ্ৰম বিভাজন অনুসৰি এই নিয়ম সংহিতাই কাম কৰে। ইয়াৰ ফলতেই ব্যক্তিৰ মনত উদয় হোৱা 'আমি কোন', 'আমি কোন হ'ব পাৰিম বুলি ভাবো' আৰু 'আমি কি কৰিব পাৰিম বুলি ভাবো' আদি প্ৰশ্নৰ বিপৰীতে উত্তৰ গঢ় লৈ উঠে। এই 'নিয়ম সংহিতা'ই ব্যক্তিৰ আভ্যন্তৰীণ জগত আৰু সামাজিক সংৰচনা তথা প্ৰণালীবোৰেৰে সৃষ্ট বাহ্যিক জগতৰ মাজত থকা সম্পৰ্কক সংজ্ঞাৱদ্ধ কৰে। সমাজত এনে নিয়ম সংহিতা প্ৰোথিত কৰাৰ ব্যৱস্থাটোৱেই হ'ল জ্ঞানৰ প্ৰভেদপূৰ্ণ বিতৰণ। ইয়াৰ ফল হ'ল মানৱ সচেতনতাৰ বিভিন্ন ধৰণৰ ৰূপ। সকলো সমাজতে থকা সকলো প্ৰকাৰৰ জ্ঞানেই নিৰৱময় আভ্যন্তৰীণ সত্ত্বা আৰু ভৌতিক বাহ্যিক জগতৰ মাজত একোটা বিশেষ সম্পৰ্কৰ সৃষ্টি কৰে। সামাজিক ন্যায়ৰ প্ৰধান অৰ্থ হ'ল 'এখন বিকল্প সমাজ আৰু এক বিকল্প ক্ষমতা সম্বন্ধ'ৰ বিষয়ে কল্পনা কৰিবলৈ আৰু এই কল্পনাক বাস্তৱ ৰূপ দিবলৈ আভ্যন্তৰীণ / বাহ্যিক সম্পৰ্ক সলনি কৰা অভিকৰ্তাৰ সামৰ্থ লাভ কৰিবলৈ মানুহৰ বাবে সুচল হৈ থকা সুযোগ-সুবিধা। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাই অনুশীলনবোৰ হ'ল 'শিক্ষাদান বিজ্ঞান ভিত্তিক আহিলা' (Pedagogic device) ৰ জৰিয়তে এনে নিয়ম সংহিতা উৎপাদন তথা পুনঃউৎপাদন কৰি যোৱাৰ মাধ্যম।

বাৰ্নষ্টেইনে নিয়ম সংহিতাক দুটা ভাগত বিভক্ত কৰিছিল— সীমিত (Restricted) আৰু বিস্তৃত (Elaborated) নিয়ম সংহিতা। সীমিত নিয়ম সংহিতাবোৰক এক ধৰণৰ আশুলিপিত লিখা ভাষণ (short hand speech)ৰ দৰে। বাৰ্নষ্টেইনৰ মতে শ্ৰমজীৱি শ্ৰেণীটোৱে এই সংহিতা পালন কৰে। সীমিত নিয়ম সংহিতাৰ অধীনত পৰা সকলক পৃষ্ঠভূমিৰ জ্ঞান আৰু ভাগ-বাটোৱাৰা কৰা বোধশক্তিৰ ভিত্তিত বাছনি কৰা হয়। এটা নিৰ্দিষ্ট মানৱ দলৰ সদস্যসকলৰ মাজত এই সংহিতাই এক সৰ্বাত্মক (includedness) আৰু আপোনত্ব (felling of belonging) ৰ ভাৱনাৰ উদ্ৰেক কৰে। আনহাতে, বিস্তৃত নিয়ম সংহিতাই সকলো কথা স্পষ্টকৈ প্ৰকাশ কৰে আৰু সকলোৱে ইয়াক বুজি পায়। এনে নিয়ম সংক্ষিপ্ত কৰিবলৈ বক্তাৰ বাবে কোনো অনুকূল পৰিৱেশৰ সৃষ্টি নহয়। য'ত কোনো ধৰণৰ আগতীয়া অথবা ভাগ-বাটোৱাৰা কৰা বুজাবুজি আৰু জ্ঞান নাথাকে তাত এই সংহিতাৰ প্ৰয়োগ ঘটে। তেনে পৰিস্থিতিত নিয়মবোৰ খৰছি মাৰি ব্যাখ্যা কৰিবলগীয়া হয়। বাৰ্নষ্টেইনৰ এই নিয়ম সংহিতা তত্ত্বটোৰ পৰৱৰ্তী সময়ত এটা সামাজিক তত্ত্বৰূপে বিকাশ ঘটে। ইয়াৰ সহায়ত সামাজিক শ্ৰেণী, পৰিয়াল আৰু অৰ্থ প্ৰকাশকাৰী ব্যৱস্থাসমূহৰ পুনঃউৎপাদনৰ

মাজত থকা সম্পৰ্কবোৰ পৰীক্ষা কৰি চোৱা হয়। বাৰ্নষ্টেইনৰ মতে শ্ৰমজীৱি শ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ মাজত সক্ৰিয় সংযোগ স্থাপনকাৰী নিয়ম সংহিতাবোৰৰ মাজত সামাজিক শ্ৰেণী প্ৰভেদ থাকে। এই প্ৰভেদসমূহে শ্ৰমৰ সামাজিক বিভাজন, পৰিয়াল আৰৰু বিদ্যালয়ত সক্ৰিয় শ্ৰেণীব্যৱস্থা তথা ক্ষমতা সম্পৰ্কবোৰ প্ৰতিফলিত কৰে। প্ৰয়োগসিদ্ধ গৱেষণাৰ ভিত্তিত বাৰ্নষ্টেইনে শ্ৰমজীৱি শ্ৰেণীৰ সীমিত নিয়ম সংহিতা আৰু মধ্যবিত্ত শ্ৰেণীৰ বিস্তৃত নিয়ম সংহিতাৰ মাজৰ প্ৰভেদবোৰ চিনাক্ত কৰিছে। সীমিত নিয়ম সংহিতাবোৰ প্ৰসংগ নিৰ্ভৰ (context dependent) আৰু বিশিষ্ট (particularistic) প্ৰকৃতিৰ। কিন্তু বিস্তৃত নিয়ম সংহিতাসমূহ প্ৰসংগ মুক্ত (context independent) আৰু সাৰ্বজনীন (universalistic) প্ৰকৃতিৰ।

সীমিত নিয়ম সংহিতাসমূহ আধৰুৱা প্ৰকৃতিৰ নহয়। এইবোৰ শ্ৰমৰ সামাজিক বিভাজনৰ সৈতে প্ৰকাৰ্যাত্মকভাৱে যুক্ত হৈ থাকে। ইয়াত উৎপাদনৰ প্ৰসংগত প্ৰসংগ নিৰ্ভৰ ভাষা প্ৰয়োগৰ আৱশ্যকতা থাকে। একেদৰে, মধ্যবিত্ত শ্ৰেণীয়ে ব্যৱহাৰ কৰা বিস্তৃত নিয়ম সংহিতাই শ্ৰমৰ বিভাজনত হোৱা পৰিৱৰ্তন আৰু পুনঃ উৎপাদন প্ৰক্ৰিয়াত মধ্যবিত্ত শ্ৰেণীটোৱে লাভ কৰা নতুন স্থিতিৰ দ্বাৰা সৃষ্ট প্ৰকাৰ্যাত্মক পৰিৱৰ্তনসমূহৰ প্ৰতিনিধিত্ব কৰে। বিদ্যালয়ত সফলতা লাভৰ বাবে বিস্তৃত নিয়ম সংহিতা পালন কৰাৰ প্ৰয়োজন হয়। কিন্তু বিদ্যালয়ত শিক্ষালাভৰ ক্ষেত্ৰত আধিপত্য বিস্তাৰকাৰী নিয়ম সংহিতাই শ্ৰমজীৱি শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ বাবে অসুবিধাৰ সৃষ্টি কৰে। এয়া শ্ৰমজীৱি শ্ৰেণীৰ ল'ৰা-ছোৱালীখিনিৰ ভাষাৰ প্ৰকৃতি আধৰুৱা বাবে উৎপন্ন হোৱা অসুবিধা নহয়। বাৰ্নষ্টেইনৰ মতে, সমষ্টিবাদী ক্ষমতা সম্পৰ্কৰ প্ৰসংগতহে এই প্ৰভেদবোৰে আধৰুৱা (deficit) ধৰ্ম প্ৰদৰ্শন কৰে। আলোচিত তত্ত্বটোৰ দ্বাৰা বাৰ্নষ্টেইনে বিদ্যালয়ত শিক্ষা লাভৰ প্ৰক্ৰিয়াসমূহ আৰু এইবোৰৰ সামাজিক শ্ৰেণী পুনঃউৎপাদনৰ সৈতে কেনেধৰণৰ সম্পৰ্ক আছে সেয়া বুজাৰ চেষ্টা কৰিছিল। তেওঁ দুই ধৰণৰ শৈক্ষিক সম্প্ৰচাৰৰ মাজত থকা পাৰ্থক্য বিশ্লেষণ কৰি কৈছিল যে প্ৰতিটো শিক্ষাদান বিজ্ঞানভিত্তিক অনুশীলনৰ শ্ৰেণীবিভাজন আৰু নীতি-নিয়ম নিৰ্দ্ধাৰণৰ মাজত থকা পাৰ্থক্যবোৰৰ সামাজিক শ্ৰেণী স্থিতি (social class position) আৰু বিদ্যালয়ে সেৱা আগবঢ়াই থকা পৰিয়ালবোৰৰ পূৰ্বানুমানৰ সৈতে সম্পৰ্ক আছে। শিক্ষাদান বিজ্ঞান ভিত্তিক শ্ৰেণীবিভাজন আৰু নীতি-নিয়ম নিৰ্দ্ধাৰণ দুই ধৰণৰ হ'ব পাৰে— দৃশ্যমান আৰু অদৃশ্য। দৃশ্যমান পাৰ্থক্যসমূহক শক্তিশালী শ্ৰেণীবিভাজন আৰু শক্তিশালী নীতি-নিৰ্দ্ধাৰণ বোলা হয়। অদৃশ্য পাৰ্থক্যসমূহ হ'ল দুৰ্বল শ্ৰেণীবিভাজন আৰু দুৰ্বল নীতি-নিৰ্দ্ধাৰণ।

বাৰ্নষ্টেইনৰ শিক্ষাদান বিজ্ঞান বিষয়ক আলোচনা আৰু অনুশীলন তত্ত্বৰ মূল হ'ল ওপৰত আলোচনা কৰা শ্ৰেণীবিভাজনৰ ধাৰণাটো। শ্ৰেণীবিভাজনে 'বিষয়বস্তুৰ মাজত সীমা বৰ্তাই ৰখাৰ মাত্ৰা' (the degree of boundary maintenance between contents) ক বুজায়। ইয়াৰ বিচাৰ্য হ'ল পাঠ্যক্ৰম অন্তৰ্গত শিতান (জ্ঞান আৰু বিষয়ৰ ক্ষেত্ৰসমূহ) বোৰৰ মাজত থকা ৰোধ (Insulation) অথবা সীমাসমূহ। শক্তিশালী পাঠ্যক্ৰমৰ সহজ অৰ্থ হ'ল এটা স্পষ্টভাৱে পাৰ্থক্য নিৰূপণ কৰা পাঠ্যক্ৰম। ইয়াত অধ্যয়ন কৰিবলগীয়া বিষয়বোৰক পৰম্পৰাগত বিষয়ত পৃথক কৰি লোৱা

হয়। দুৰ্বল শ্ৰেণীবিভাজন মানে হ'ল এক সংহত পাঠ্যক্ৰম। এনে পাঠ্যক্ৰমত অধ্যয়ন কৰিবলগীয়া বিষয়বোৰৰ মাজৰ পাৰ্থক্যৰ সীমাৰেখাডাল দুৰ্বল। এই শ্ৰেণীবিভাজনৰ ধাৰণাটো প্ৰয়োগ কৰি বাৰ্নষ্টেইনে দুই ধৰণৰ পাঠ্যক্ৰম যুগুতকৰণৰ নিয়ম সংহিতা উপস্থাপন কৰিছিল— সংগ্ৰহৰ নিয়ম (Collection code) আৰু সংহত নিয়ম (Integrated code)। প্ৰথমটোৱে শক্তিশালী আৰু দ্বিতীয়টোৱে দুৰ্বল পাঠ্যক্ৰমক বুজায়।

শ্ৰেণীবিভাজনে জ্ঞানক পাঠ্যক্ৰমত সজ্জিত কৰি লোৱাৰ প্ৰক্ৰিয়াটো সূচিত কৰে। নীতি-নিৰ্দ্ধাৰণ (Framing) হ'ল বিভিন্ন শিক্ষাদান বিজ্ঞান (Pedagogic) ভিত্তিক অনুশীলনৰ জৰিয়তে জ্ঞানৰ সঞ্চাৰ ঘটোৱা প্ৰক্ৰিয়া। ই সংযোগ স্থাপনৰ নীতি-নিয়মবোৰ নিয়ন্ত্ৰণ কৰাৰ কেন্দ্ৰীয় স্থানটোৰ কথা বুজায়। বাৰ্নষ্টেইনৰ মতে যদি পাঠ্যক্ৰমক কোনো অধ্যয়ন কৰিবলগীয়া বিষয়ৰ শিতান এটাৰ কণ্ঠ (Voice) ক নিয়ন্ত্ৰণ কৰা মাধ্যম বুলি ধৰা হয়, তেন্তে নীতি নিৰ্দ্ধাৰণে শিতানটোৰ দ্বাৰা সম্প্ৰচাৰিত বৈধ বাৰ্তাৰ ৰূপ নিয়ন্ত্ৰণ কৰে বুলিব পাৰি। শক্তিশালী নীতি-নিৰ্দ্ধাৰণে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত থকা বিকল্পসমূহৰ সংখ্যা সীমিত কৰে। আনহাতে, দুৰ্বল নীতি নিৰ্দ্ধাৰণে শিক্ষক-শিক্ষাৰ্থীৰ মাজত অধিক মুকলি পৰিৱেশৰ সৃষ্টি কৰে। বাৰ্নষ্টেইনে পাঠ্যক্ৰম (curriculum) আৰু শিক্ষাদান বিজ্ঞান (pedagogy) ক বাৰ্তা প্ৰণালী বুলি বিবেচনা কৰিছিল। মূল্যায়ন (evaluation) নামৰ আন প্ৰণালী এটাৰ সৈতে মিলি ই এক সংৰচনাৰ সৃষ্টি কৰে। এই সংৰচনাই বিদ্যালয়ভিত্তিক জ্ঞান সৃষ্টি, এনে জ্ঞানৰ সঞ্চাৰ আৰু অনুশীলনৰ প্ৰক্ৰিয়াবোৰ স্থিৰ কৰে। পাঠ্যক্ৰমে বৈধ বুলি বিবেচিত জ্ঞানক সংজ্ঞাৱদ্ধ কৰে। শিক্ষাদান বিজ্ঞানে বৈধ বুলি বিবেচিত জ্ঞানৰ সম্প্ৰচাৰ পদ্ধতিক সংজ্ঞাৱদ্ধ কৰে। মূল্যায়নে শিক্ষণৰ অংশবোৰে যোগান ধৰা জ্ঞান আহৰণৰ বৈধ বাস্তৱায়নৰ সংজ্ঞা আগবঢ়ায়। বাৰ্নষ্টেইনৰ শিক্ষা তত্ত্বক শ্ৰেণীবিভাজন, নীতি নিৰ্দ্ধাৰণ আৰু মূল্যায়নৰ ধাৰণাৰ উপৰি এই ধাৰণাসমূহৰ তেওঁৰ সমাজতাত্ত্বিক অধ্যয়ন প্ৰকল্পৰ সৈতে থকা সম্পৰ্কৰ ভিত্তিত বুজাৰ প্ৰয়াস কৰিব লাগে।

ওপৰৰ আলোচনাৰ পৰা বুজা গ'ল যে বাৰ্নষ্টেইনৰ শিক্ষাদান বিজ্ঞান আলোচনা বিষয়ক কৰ্মৰাজিৰ আনুষ্ঠানিক জ্ঞানৰ উৎপাদন, বিতৰণ আৰু পুনঃউৎপাদনৰ সৈতে সম্পৰ্ক আছে। তেওঁৰ অধ্যয়নে এই শিক্ষাই সংৰচনাত্মকভাৱে নিৰ্দ্ধাৰিত ক্ষমতা সম্পৰ্কবোৰৰ সৈতে কেনেধৰণৰ সম্বন্ধ স্থাপন কৰে সেয়াও বিবেচনা কৰি চায়। বাৰ্নষ্টেইনৰ দৃষ্টিভংগীয়ে জ্ঞান উৎপাদনৰ বৰ্ণনা আৰু জ্ঞানৰ সম্প্ৰচাৰ অধ্যয়নত অধিক গুৰুত্ব দিছিল বুলি সমালোচকসকলে মত পোষণ কৰে। তেওঁ বিভিন্ন শিক্ষাৰ্থী গোটৰ শৈক্ষিক পৰিণামসমূহ বিশ্লেষণক অগ্ৰাধিকাৰ দিছিল। শিক্ষাদান বিজ্ঞানভিত্তিক অনুশীলনসমূহ বিশ্লেষণ কৰাৰ সময়ত বাৰ্নষ্টেইনে বিদ্যালয়ৰ ভিতৰচ'ৰাত কি ঘটে তাৰ প্ৰক্ৰিয়া আৰু বিষয়বস্তুত অধিক গুৰুত্ব আৰোপ কৰিছিল। শিক্ষাদান বিজ্ঞানৰ অনুশীলন সম্পৰ্কে তেওঁ বিকশাই তোলা তত্ত্বই নীতি-নিয়মৰ এলানি শৃংখলা পৰীক্ষা কৰিছিল। পৰীক্ষাৰ সময়ত এই নীতি-নিয়মসমূহে সম্প্ৰচাৰ কৰিব খোজা বিষয়বস্তুবোৰক কেনেদৰে প্ৰভাৱিত কৰে সেয়া বিচাৰ কৰা হৈছিল। সফলতাৰে এনে জ্ঞান আহৰণ কৰাসকলৰ ওপৰত এই নীতি-নিয়মসমূহে

কি বিশেষ প্ৰভাৱ পেলাইছিল সেয়া পৰীক্ষা কৰি চোৱাতো গুৰুত্ব আৰোপ কৰা হৈছিল। এই নীতি-নিয়মবোৰ বিশ্লেষণ কৰি বাৰ্নষ্টেইনে শিক্ষাদান বিজ্ঞানভিত্তিক অনুশীলনৰ বিভিন্ন ৰূপ সন্দৰ্ভত সামাজিক শ্ৰেণীবোৰৰ অনুমান তথা পৰিণাম পৰীক্ষা কৰিছিল। বাৰ্নষ্টেইনে এই তত্ত্বটোৰে সংৰক্ষণবাদী /পৰম্পৰাগত অনুশীলন বনাম প্ৰগতিশীল /শিশুকেন্দ্ৰিক অনুশীলন ৰূপবোৰ পৰীক্ষা কৰি চাইছিল। অৰ্থনৈতিক বজাৰ নিৰ্ভৰশীল শিক্ষাদান বিজ্ঞানৰ অনুশীলন আৰু এনে বজাৰৰ আধিপত্যৰ পৰা মুক্ত স্বতন্ত্ৰ তথা স্ব-নিয়ন্ত্ৰিত অনুশীলনৰ মাজত বাৰ্নষ্টেইনে কিছুমান প্ৰভেদ নিৰূপণ কৰিছিল। এই প্ৰভেদবোৰে জ্ঞানৰ স্ব-নিয়ন্ত্ৰিত প্ৰকৃতিক বৈধতা প্ৰদান কৰে। বাৰ্নষ্টেইনে সামৰণিত এই সিদ্ধান্তত উপনীত হৈছিল যে দুয়োধৰণৰ অনুশীলনেই দাবী কৰা ধৰণে শ্ৰেণী অসমতাৰ পুনঃউৎপাদন প্ৰক্ৰিয়াটো সমাজৰ পৰা নিৰ্মূল কৰিবলৈ অসমৰ্থ।

আৰম্ভণিৰে পৰা শেষলৈকে বাৰ্নষ্টেইনে নিজৰ অধ্যয়ন-গৱেষণাৰ জৰিয়তে জ্ঞান, ক্ষমতা আৰু শিক্ষাৰ মাজত থকা সম্পৰ্ক বুজাৰ চেষ্টা চলাইছিল। প্ৰচেষ্টাকালত তেওঁ ভাষা, জ্ঞানৰ সম্প্ৰচাৰ আৰু শিক্ষাদান বিজ্ঞানৰ দৰে ব্যষ্টিবাদী প্ৰক্ৰিয়াবোৰক কিছুমান সমষ্টিবাদী প্ৰক্ৰিয়াৰ সৈতে যুক্ত কৰি পৰীক্ষা কৰি চাব খুজিছিল। সাংস্কৃতিক আৰু শৈক্ষিক নিয়ম সংহিতাৰ লগতে শিক্ষাৰ প্ৰক্ৰিয়াই সামাজিক শ্ৰেণী তথা ক্ষমতা সম্পৰ্কবোৰৰ সৈতে সম্বন্ধ স্থাপন কৰাৰ প্ৰক্ৰিয়াসমূহ হ'ল সমষ্টিবাদী প্ৰক্ৰিয়াৰ উদাহৰণ।

৬.৫ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বোৰ্ডিউৰ দৃষ্টিভংগী

ফ্ৰান্সৰ উত্তৰ দিশত থকা সৰু গাওঁ দংগ্যাঁ (Denguin) ৰ এটা শ্ৰমজীৱি পৰিয়ালত পীয়েৰ বোৰ্ডিউ (Pierre Bourdiew) ৰ জন্ম হৈছিল। বোৰ্ডিউৰ দেউতাক আছিল তেনেই সামান্য আনুষ্ঠানিক শিক্ষা থকা এগৰাকী ক্ষুদ্ৰ কৃষক আৰু ডাকঘৰ কৰ্মচাৰী। তেনে পৰিয়ালৰ সদস্য হোৱা সত্বেও মেধাৱী বোৰ্ডিউ-এ পেৰিছৰ সবাতোকৈ নামী বিশ্ববিদ্যালয় 'ইক'ল নৰ্মাল চুপেৰিঅঁ' (Ecole Normale Superieure) ত দৰ্শন বিভাগত নামভৰ্তি কৰাৰ সুযোগ পাইছিল। বিশ্ববিদ্যালয়ত তেওঁৰ শিক্ষক আছিল প্ৰখ্যাত মাৰ্ক্সবাদী চিন্তাবিদ লুই আলথাচেৰ। বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট ডিগ্ৰী লাভ কৰাৰ পাছত ১৯৫৮ চনত বোৰ্ডিউ-এ আলজেৰিয়াৰ আলজিয়েৰ চহৰত শিক্ষকৰ চাকৰিত যোগ দিছিল। উল্লেখ কৰাতো ভাল হ'ব যে সেই সময়ত আলজেৰিয়া ফ্ৰান্সৰ এখন উপনিৱেশ আছিল। অৱশ্যে সেই সময়তে আলজেৰিয়ান স্বাধীনতা আন্দোলনে গতিশীল ৰূপ লৈছিল আৰু ফ্ৰান্স-আলজেৰিয়াৰ সেনাবাহিনীয়ে যুদ্ধ আৰম্ভ কৰিছিল। চাকৰিত যোগ দি বোৰ্ডিউ-এ আলজেৰিয়াৰ সৰ্বাধিক থলুৱা সম্প্ৰদায়ে বসবাস কৰা কাবাইল (Kabyle) নামৰ ঠাইডোখৰত নিজৰ নৃবংশবিজ্ঞান (Ethnographic) গৱেষণাৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰম্ভ কৰিছিল। এই অধ্যয়নৰ ফলাফলসমূহ তেওঁ 'The Algerians' নামৰ গ্ৰন্থখনত অন্তৰ্ভুক্ত কৰিছে। পৰৱৰ্তী সময়ত বোৰ্ডিউৰ আন এক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ফলশ্ৰুতি হিচাপে 'Outline of a Theory of Practice' শীৰ্ষক গ্ৰন্থখন প্ৰকাশিত হৈছিল। এই গ্ৰন্থখনক বোৰ্ডিউৰ তাত্ত্বিক কথনৰ প্ৰথম আৰু সৰ্বাধিক

প্ৰভাৱশালী গ্ৰন্থ বুলি গণ্য কৰা হয়। তলত আলোচনা কৰিব খোজা বোৰ্ডিউৰ ধাৰণাবোৰে জ্ঞান, ক্ষমতা আৰু শিক্ষাৰ মাজত থকা সম্পৰ্কসমূহ বুজাত সহায় কৰিব।

'মূলধনৰ বিভিন্ন ৰূপ' (Forms of Capital) ৰ জৰিয়তে বোৰ্ডিউ-এ মূলধনৰ ধাৰণাটোক অৰ্থনীতি বিজ্ঞানৰ ধাৰণাৰ উৰ্দ্ধলৈ লৈ গৈছে। অৰ্থনীতি বিজ্ঞানে মূলধনক কেৱল ভৌতিক সামগ্ৰীৰ বিনিময়ৰ ভিত্তিত সংজ্ঞাৱদ্ধ কৰে। বোৰ্ডিউৰ ধাৰণাই মূলধনৰ 'অভৌতিক' (immaterial) আৰু অনা-অৰ্থনৈতিক (non-economic) ৰূপবোৰকো সামৰি লয়। তেওঁৰ ধাৰণাই বিশেষভাৱে সাংস্কৃতিক আৰু সামাজিক মূলধনৰ বিষয়ে আলোচনা কৰে। তেওঁৰ ব্যাখ্যাত বিভিন্ন প্ৰকাৰৰ মূলধন কেনেদৰে আহৰণ, বিনিময় আৰু অন্য প্ৰকাৰলৈ সলনি কৰিব পাৰি সেই বিষয়ৰ আলোচনাই স্থান পাইছে। কাৰণ, মূলধনৰ সংৰচনা আৰু বিতৰণত সামাজিক জগতখনৰ লগতেএই জগতৰ অন্তৰ্নিহিত সংৰচনাটোৰ প্ৰতিফলন ঘটে। বোৰ্ডিউৰ যুক্তি অনুসৰি মূলধনৰ বিভিন্ন ৰূপ সম্পৰ্কে থকা জ্ঞানে আমাক সামাজিক জগতখনৰ সংৰচনা আৰু কাৰ্য-সম্পাদন নীতিসমূহ বুজাত সহায় কৰিব।

পৰিয়ালৰ পৃষ্ঠভূমি, সামাজিক শ্ৰেণী, শিক্ষা বিষয়ত কৰা বিভিন্ন বিনিয়োগ আৰু এই বিষয়টোৰ প্ৰতি থকা বিভিন্ন দায়বদ্ধতা, বিভিন্ন প্ৰকাৰৰ সম্পদ ইত্যাদিৰ দৰে অনা-অৰ্থনৈতিক শক্তিৰ সমষ্টি এটাকে 'সাংস্কৃতিক মূলধন' (Cultural Capital) অভিধাটোৰ বুজোৱা হয়। এই কথাবোৰে শৈক্ষিক সফলতাক প্ৰভাৱিত কৰে। বোৰ্ডিউ-এ তিনি প্ৰকাৰৰ সাংস্কৃতিক মূলধনৰ বিষয়ে আলোচনা কৰিছিল। সাংস্কৃতিক মূলধনৰ সমাৱিষ্ট অৱস্থা (embodied state) টোৰ ব্যক্তিৰ সৈতে পোনপটীয়া সম্পৰ্ক থাকে। ই ব্যক্তিৰ মাজতে সন্নিহিত হৈ থাকে। ই ব্যক্তিয়ে যি জানে আৰু যি কৰিব পাৰে সেইবোৰৰ প্ৰতিনিধিত্ব কৰে। শিকনৰ ৰূপত আগবঢ়াই নিয়া স্ব-উন্নতকৰণ প্ৰক্ৰিয়াত সময় খৰছ কৰি মানুহে সমাৱিষ্ট মূলধন বৃদ্ধি কৰিব পাৰে। এই মূলধনে ব্যক্তিৰ সৈতে সংহতি স্থাপন কৰাৰ লগে লগে এক প্ৰকাৰৰ অভ্যস্ততাত পৰিণত হয়। অভ্যস্ত মূলধন তৎকালীনভাৱে সঞ্চাৰিত কৰিব নোৱাৰি। ইয়াৰ পাছতে আছে সাংস্কৃতিক মূলধনৰ বস্তুকৃত অৱস্থা (Objectified state)। গ্ৰন্থ-পুথি, চিত্ৰ, সা-সঁজুলি নাইবা যন্ত্ৰ আদিৰ দৰে সাংস্কৃতিক দ্ৰব্য, সামগ্ৰী অথবা বস্তুবোৰক এনে অৱস্থাই সামৰি লয়। এই বস্তুবোৰক অৰ্থনৈতিক মূলধনৰ সৈতে ভৌতিকভাৱে আৰু সমাৱিষ্ট মূলধনৰ সৈতে প্ৰতীকীভাৱে খাপ খুৱাই ল'ব পাৰি। সাংস্কৃতিক মূলধনৰ তৃতীয় ৰূপটো হ'ল আনুষ্ঠানিকীকৃত অৱস্থা (Institutionalised state)। শৈক্ষিক অৰ্হতা আৰু প্ৰমাণিকতাসমূহেৰে এই অৱস্থাৰ সৃষ্টি হয়। ই হ'ল 'সাংস্কৃতিক সক্ষমতাৰ এক প্ৰমাণপত্ৰ। ই ধাৰকক ক্ষমতাৰ স্বীকৃতি প্ৰদানকাৰী পৰম্পৰাগত, স্থিৰ আৰু আইনসংগতভাৱে নিশ্চিত মূল্য প্ৰদান কৰে।' এই শৈক্ষিক অৰ্হতাসমূহক পাছত সাংস্কৃতিক আৰু অৰ্থনৈতিক মূলধনৰ মাজত ৰূপান্তৰণৰ হাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

সাংস্কৃতিক মূলধন বিষয়ক সকলো আলোচনাতে বোৰ্ডিউ-এ স্বাভাৱিক যুক্তিতকৈ প্ৰতিপালিত যুক্তিক প্ৰাধান্য দিছিল। তেওঁৰ মতে ব্যক্তিৰ সামৰ্থ আৰু প্ৰতিভা প্ৰধানকৈ সময়

আৰু পিতৃ-মাতৃয়ে বিনিয়োগ কৰা সাংস্কৃতিক মূলধনে নিৰূপণ কৰে। বোর্ডিউৰ যুক্তি অনুসৰি 'পৰিয়ালসমূহে আগতে বিনিয়োগ কৰা সাংস্কৃতিক মূলধন অনুসৰি ব্যক্তিৰ শিক্ষামূলক কার্যৰ ফলাফল নিৰূপিত হয়' আৰু 'কেৱল শক্তিশালী সাংস্কৃতিক মূলধনেৰে চহকী পৰিয়াল সমূহৰ সন্তানসকলৰ ক্ষেত্রতহে সাংস্কৃতিক মূলধনৰ প্রাৰম্ভিক সঞ্চয় পৰিলক্ষিত হয়। সকলো প্রকাৰৰ উপকাৰী সাংস্কৃতিক মূলধনৰ দ্রুত আৰু সহজ সঞ্চয়ৰ বাবে থকা পূর্বচর্তসমূহ ব্যক্তিৰ জীৱনৰ আৰম্ভণিতেই বিলম্ব নকৰাকৈ, সময় নষ্ট নকৰাকৈ সক্রিয় হৈ উঠে।' এই সিদ্ধান্তবোৰৰ ভিত্তিত ক'ব পাৰি যে সাংস্কৃতিক মূলধনে অভ্যাসে কৰাৰ দৰেই ব্যক্তিৰ কাম-কাজ নিয়ন্ত্রণ কৰে আৰু এইবোৰৰ পুনঃউৎপাদন ঘটে। বোর্ডিউৰ আৰ্হি অনুসৰি কোনো এক প্রদত্ত সাংস্কৃতিক মূলধনৰ গৰাকী পৰিয়ালসমূহে সম পৰিমাণৰ সাংস্কৃতিক মূলধনসম্পন্ন সন্তানহে জন্ম দিব পাৰে। এই চিন্তা-চর্চাৰে বোর্ডিউ-এ পুনঃউৎপাদনৰ আৰ্হিটোলৈ নিজ অৱদান আগবঢ়াইছে।

বোর্ডিউৰ 'সামাজিক মূলধন'ৰ সংজ্ঞা অনুসৰি ই হ'ল "পাৰস্পৰিক পৰিচয় আৰু স্বীকৃতিৰ কম-বেছি পৰিমাণে আনুষ্ঠানিকীকৃত সম্পর্কবোৰৰ এক দীর্ঘস্থায়ী নেটৱর্কৰ গৰাকীৰ সৈতে যোগসূত্র থকা প্রকৃত অথবা সম্ভাব্য সম্পদৰ মুঠ পৰিমাণ।" এগৰাকী ব্যক্তিৰ সামাজিক মূলধন তেওঁৰ সম্পর্ক নেটৱর্কৰ আকাৰৰ আধাৰত নিৰূপণ কৰা হয়। সাংস্কৃতিক আৰু অর্থনৈতিক দুয়োবিধ সম্পদেৰে সৃষ্টি হোৱা সঞ্চিত সম্পদৰ যোগফলেই হ'ল সামাজিক মূলধন। ইয়াত ব্যক্তিয়ে কিমান সফলভাৱে এই মূলধনক গতিশীল ৰূপ দিব পাৰে সেয়াও হিচাপ কৰি চোৱা হয়।

বোর্ডিউৰ মতে সামাজিক নেটৱর্কসমূহ সকলো সময়তে অবিৰতভাৱে বর্তাই ৰখা আৰু তদাৰক কৰা উচিত। তেতিয়াহে ভৱিষ্যতে প্রয়োজন সাপেক্ষে তৎক্ষণাত প্রয়োগ কৰিব পৰা যায়। তেওঁৰ আলোচনাৰ আন এটা প্রধান বিষয় আছিল বিভিন্ন ধৰণৰ মূলধনৰ মাজত ঘটা ৰূপান্তৰ। তেওঁ মানি লৈছিল যে ৰূপান্তৰণৰ বিভিন্ন প্রয়াসৰ মাজেদি পাৰ হোৱা অর্থনৈতিক মূলধনৰ পৰাই আন সকলো প্রকাৰৰ মূলধন আহৰণ কৰিব পৰা যায়। বোর্ডিউৰ মতে সাংস্কৃতিক আৰু সামাজিক মূলধনো মৌলিকভাৱে অর্থনৈতিক মূলধনতে নিহিত থাকে। কিন্তু এই দুবিধ মূলধনক সম্পূর্ণৰূপে একোটা অর্থনৈতিক ৰূপ দিব পৰা নাযায়। ইয়াৰ পৰিৱর্তে অর্থনৈতিক মূলধনৰ সৈতে থকা নিজ সম্পর্ক গোপনে ৰখাৰ বাবেহে সামাজিক আৰু সাংস্কৃতিক মূলধনে ফলপ্রসূতা প্রদর্শন কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা মূলধন সম্পর্কে থকা বোর্ডিউৰ ধাৰণাৰ বহল আভাস এটা পোৱা গ'ল। আমি জানিব পাৰিলো যে অর্থনৈতিক মূলধনৰ বাহিৰেও মূলধনত আন কেইবাটাও উপাদান নিহিত থাকে। এইবাৰ সামাজিক মূলধন সম্পর্কে কিছু কথা আলোচনা কৰো আহক।

১৯৭৩ চনত বোর্ডিউ-এ বৃত্তিজীৱিসকলে কেনেদৰে নিজৰ আৰু নিজ সন্তানৰ সামাজিক স্থিতি সুৰক্ষিত ৰাখে সেই বিষয়ক এক আলোচনাত ভাগ লৈছিল। আলোচনা প্রসংগতে তেওঁ সামাজিক মূলধনৰ সংজ্ঞা আগবঢ়াই কৈছিল যে ই "সামাজিক সম্পর্কসমূহৰ এক মূলধন। ই প্রয়োজন সাপেক্ষে উপকাৰী 'সমর্থন' আগবঢ়ায়। ই সন্মানীয়তা (honourability) আৰু

শ্ৰদ্ধাভাজনতা (respectability) ৰ এক মূলধন। এই দুয়োটা উপাদান সামাজিকভাৱে গুৰুত্বপূৰ্ণ স্থিতিত থকাসকলৰ মনোযোগ আকৰ্ষণ কৰিব খোজাসকলৰ বাবে প্ৰায়েই এৰাব নোৱাৰা কথা হিচাপে কাম কৰে। এই মূলধনক ৰাজনৈতিক জীৱন এটাৰ দৰে বিভিন্ন বৃত্তিৰ গৰাকী হ'বলৈ মুদ্ৰাৰ দৰে ব্যৱহাৰ কৰিব পাৰি।" অৱশ্যে ১৯৯২ চনত বোৰ্ডিউ-এ তেওঁৰ এই মতৰ কিছু সংশোধন কৰি কৈছিল যে সামাজিক মূলধন হ'ল প্ৰকৃত অথবা বস্তুতঃ ৰূপত সম্পদৰ মুঠ যোগফল। পাৰস্পৰিক চিনা-পৰিচয় আৰু স্বীকৃতিৰ ভিত্তিত গঢ়ি উঠা কম-বেছি পৰিমাণে আনুষ্ঠানিকীকৃত সম্পৰ্কসমূহৰ একোটা দীৰ্ঘস্থায়ী নেটৱৰ্কৰ গৰাকী হোৱা ব্যক্তি অথবা ব্যক্তিগোটক এই মূলধনৰ গৰাকী বুলি গণ্য কৰা হয়। বোৰ্ডিউৰ মতে সামাজিক মূলধনৰ মূল্য বৰ্তাই ৰাখিবলৈ মানুহে কষ্ট কৰিব লাগে। তেওঁ ইয়াক সাংস্কৃতিক মূলধনৰে এক সহায়ক উপাদান অথবা অন্য এক মাত্ৰা বুলি বিবেচনা কৰিছিল। তেওঁৰ প্ৰধান উদ্দেশ্য আছিল ধাৰণাটোৰ সহায়ত সামাজিক পদানুক্ৰমিক ব্যৱস্থা আৰু অসমতাৰ বিষয়ে ভালদৰে বুজি উঠা। সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক মূলধন তথা এই মূলধনবোৰৰ যুটীসমূহ অধ্যয়ন কৰি বোৰ্ডিউ-এ সামাজিক অসমতা সৃষ্টি আৰু পুনঃউৎপাদনৰ কাৰণ তথা প্ৰক্ৰিয়াসমূহ জনাৰ প্ৰয়াস কৰিছিল। তেওঁ এই মূলধনকেইটাৰ মাজত থকা যোগসূত্ৰবোৰৰ আন্তঃক্ৰিয়া ব্যাখ্যা কৰিছিল। সাংস্কৃতিক আৰু অৰ্থনৈতিক মূলধনৰ মাজত চলা আন্তঃক্ৰিয়া ব্যাখ্যা কৰিবলৈ তেওঁ উকীল অথবা চিকিৎসকৰ বৃত্তি দুটাৰ উদাহৰণ আগবঢ়াইছিল। দুয়োটা বৃত্তিতে বৃত্তিজীৱিয়ে নিজৰ সামাজিক মূলধন প্ৰয়োগ কৰে। এই মূলধন হ'ল প্ৰধানতঃ 'সামাজিক সম্বন্ধ, সন্মানীয়তা আৰু শ্ৰদ্ধাভাজনতাৰ মূলধন।' ইয়াক ব্যৱহাৰ কৰি সমাজৰ উচ্চ স্তৰটোত একাংশ গ্ৰাহক (মক্কেল)ৰ বিশ্বাস তথা ভৰসা জয় কৰা হয় নাইবা ৰাজনীতিৰ দৰে ক্ষেত্ৰত একোটা কৰ্মজীৱন আৰম্ভ কৰা হয়। ইয়াৰ বিপৰীতে কেৱল শিক্ষাগত অৰ্হতাত প্ৰধানকৈ ভৰসা কৰা বৃত্তিজীৱিসকল 'প্ৰামাণিকতাৰ সংকোচন /অৱস্ফীতি (credential deflation) প্ৰক্ৰিয়াটোত সৰ্বাধিক অসুবক্ষিত স্থিতিত ৰৈ যায়। তেওঁলোক কেৱল সামাজিক সম্বন্ধৰ অভাৱতেই নোভোগে, তেওঁলোকৰ সাংস্কৃতিক মূলধনো তেনেই দুৰ্বল। এই কথাই 'প্ৰামাণিকতা' বিচৰা বজাৰখনত চাহিদা থকা জ্ঞানস্ফীতিৰ বিপৰীতে তেওঁলোকৰ জ্ঞানৰ অৱস্ফীতি ঘটায়।

সম্বন্ধ অথবা সম্পৰ্কৰ নেটৱৰ্ক এটাৰ অস্তিত্ব স্বাভাৱিক অথবা সামাজিকভাৱে প্ৰদত্ত নহয়। ই হ'ল অনুষ্ঠানৰ প্ৰাথমিক সক্ৰিয়তাৰ দ্বাৰা গঠিত এক পৰিস্থিতি। পৰিয়ালৰ সদস্যৰ দ্বাৰা গঠিত গোটবোৰ হ'ল ইয়াৰ প্ৰাথমিক উদাহৰণ। ই হ'ল আনুষ্ঠানিক স্তৰত চলি থকা অন্তহীন প্ৰয়াসৰ ফলত দীৰ্ঘস্থায়ী আৰু উপকাৰী সম্পৰ্ক সৃষ্টি তথা পুনঃসৃষ্টিৰ কাম অহৰহ চলি থাকে। এনে সম্পৰ্কই ভৌতিক অথবা প্ৰতীকি লাভালাভসমূহ সুৰক্ষিত কৰি ৰাখে। অন্য অৰ্থত সম্পৰ্ক অথবা সম্বন্ধৰ নেটৱৰ্কসমূহ হ'ল বিনিয়োগ কৌশলৰ উপজ। সামাজিক মূলধনৰ পুনঃউৎপাদন হ'ল সামাজিকতাৰ অবিৰত প্ৰয়াসৰ পূৰ্ব-কল্পনা। ই হ'ল সীমাহীনভাৱে স্বীকৃতি নিশ্চিত তথা পুনঃনিশ্চিত কৰি যোৱা বিনিময় সমূহৰ এক নিৰৱচ্ছিন্ন শৃংখলা।

অভ্যাস (Habitus)

বোর্ডিউৰ মতে সাংস্কৃতিক আৰু প্রতীকাত্মকভাৱে ক্ষমতাৰ সৃষ্টি হয়। বিভিন্ন অভিকর্তা আৰু সংৰচনাৰ মাজত সংঘটিত আন্তঃক্রিয়াই অনবৰতে ক্ষমতাৰ পুনঃবৈধকৰণ প্রক্রিয়াটো সক্রিয় কৰি ৰাখে। এই কার্য আগবাঢ়ি গৈ থকাৰ প্রধান উপায় হিচাপে তেওঁ 'অভ্যাস' অথবা মানুহৰ আচৰণ তথা চিন্তাক দিক্ প্রদর্শন কৰা সামাজিকীকৃত প্রথা-পৰম্পৰা নাইবা প্রৱণতাসমূহৰ কথা উল্লেখ কৰিছিল। সমাজতত্ত্বত 'অভ্যাস' মানে হ'ল 'সমাজৰ সদস্যসকলক নির্দ্ধাৰিতভাৱে চিন্তা, অনুভৱ আৰু কাম কৰাৰ বাবে স্থায়ী স্বভাৱ (disposition)ৰ ৰূপ দিয়া অথবা প্রশিক্ষণেৰে আয়ত্ব কৰোৱা কিছুমান সামর্থ আৰু সুসজ্জিত প্রবৃত্তি। এইবোৰ হ'ল দীর্ঘস্থায়ী ৰূপ হিচাপে ব্যক্তিসত্ত্বাত সমাজ জমা (deposit) হোৱাৰ উপায় আৰু এই উপায়সমূহে বক্তিক দিক্ নির্দেশনা প্রদান কৰে।" ব্যক্তিগত প্রক্রিয়াতকৈ সামাজিক প্রক্রিয়াৰ মাধ্যমেৰে অভ্যাস গঢ় লৈ উঠে। অভ্যাসৰ আর্হিবোৰ দীর্ঘস্থায়ী হোৱাৰ লগতে এটা লগতে এটা প্রসংগৰ পৰা আন এটা প্রসংগলৈ স্থানান্তৰিত কৰিব পৰা বিধৰ হয়। অৱশ্যে বিশেষ প্রসংগত আৰু সময়ৰ সোঁতত এই অভ্যাসবোৰক ৰেহৰূপ সলনি হ'ব পাৰে। অভ্যাস 'স্থিৰ অথবা চিৰস্থায়ী নহয়। অপ্রত্যাশিত পৰিস্থিতি অথবা এক দীঘলীয়া ঐতিহাসিক কালত অভ্যাস সলনি হয়।' অভ্যাস মুক্ত ইচ্ছাৰ ফল নহয়, কোনো বিন্যাসে অভ্যাস নিৰূপণ নকৰে। কিন্তু এই দুয়োটা উপাদানৰ মাজত এক দীঘলীয়া সময়ৰ বাবে চলা এক প্রকাৰৰ আন্তঃক্রিয়াই অভ্যাসৰ সৃষ্টি কৰে। অতীতৰ ঘটনাৱলী আৰু বিন্যাসে গঢ় দিয়া অভ্যাস আৰু সাম্প্রতিক অনুশীলন আৰু বিন্যাস গঢ়া অভ্যাস দুয়োটাই 'অভ্যাস' সম্পর্কে থকা আমাৰ অনুমানবোৰ অৱস্থাপিত কৰে। অর্থাৎ, মানুহে অৱচেতনভাৱে অভ্যাস গঠন আৰু পুনঃগঠন কৰে। 'কোনো ধৰণৰ ইচ্ছাকৃত সংগতি স্থাপনৰ লক্ষ্য অবিহনে, সচেতন মনোযোগ অবিহনে' অভ্যাস গঢ় লৈ উঠে।

ওপৰত আলোচিত ধাৰণাটোৰ সৈতে সম্পর্ক থকা চিন্তা এটা হ'ল 'ক্ষেত্র' (field)। ক্ষেত্র শব্দটোৰে মানুহে নিজ অভ্যাস প্রকট তথা পুনঃউৎপাদন কৰা বিভিন্ন সামাজিক আৰু আনুষ্ঠানিক পৰিৱেশৰ কথা বুজোৱা হয়। এই পৰিৱেশসমূহত মানুহে বিভিন্ন ধৰণৰ মূলধন বিতৰণৰ বাবে প্রতিদ্বন্দ্বিতাত লিপ্ত হয়। 'ক্ষেত্র'ক নেটৱর্ক, সংৰচনা অথবা সম্বন্ধৰ এক সমষ্টি বুলি গণ্য কৰা হয়। ক্ষেত্রৰ প্রকৃতি বৌদ্ধিক, ধর্মীয়, শৈক্ষিক নাইবা সাংস্কৃতিক ইত্যাদি হ'ব পাৰে। মানুহে এক প্রদত্ত সময়ত উপস্থিত থকা ক্ষেত্রখন অনুসৰি ক্ষমতা সম্পর্কে ভিন ভিন অভিজ্ঞতা আহৰণ কৰে। ই মানুহৰ অভ্যাসক প্রভাৱিত কৰে।

এতিয়া বোর্ডিউ-এ আগবঢ়োৱা অভ্যাসৰ তাত্ত্বিক ধাৰণাটো আলোচনা কৰো আহক। তেওঁৰ মতে অভ্যাস হ'ল দীর্ঘস্থায়ী আৰু স্থানান্তৰসাধ্য প্রবৃত্তিৰ এক প্রণালী। অভ্যাস হ'ল সংৰচনাবোৰক সুসজ্জিত কৰাৰ প্রকার্য সম্পাদন কৰিবলৈ সংৰচনাৱদ্ধ কৰা পূর্বনির্দ্ধাৰিত স্বভাৱৰ বিন্যাস। এই অভ্যাসক অনুশীলন আৰু উপস্থাপন সৃষ্টি তথা সুসংগঠিতকাৰী নীতিৰূপে ব্যৱহাৰ কৰা হয়। এনে নীতি ফলাফল অনুসৰি বস্তুনিষ্ঠভাৱে গ্রহণ কৰা হয়। ইয়াৰ পৰিণতি সম্পর্কে

কোনো সচেতন লক্ষ্য পূৰ্বানুমান কৰি লোৱা নহয় অথবা অভ্যাস আহৰণ কৰিবলৈ প্ৰয়োজন হোৱা কাৰ্য সম্পাদন কোনো ব্যক্ত নিপুণতা পুৰ্বানুমান কৰি লোৱা নহয়। বস্তুনিষ্ঠভাৱে অভ্যাস 'নিয়ন্ত্ৰিত' (regulated) আৰু 'নিয়মীয়া' (regular)। ই কোনোপধ্যে নীতি-নিয়মৰ প্ৰতি বাধ্যবাধকতা প্ৰদৰ্শনৰ উপায় নহয়। কোনো পৰিচালকৰ সংগঠনকাৰী কাৰ্য প্ৰক্ৰিয়া অবিহনে অভ্যাসে এক সামূহিকভাৱে সংৰচনাৱদ্ধ প্ৰক্ৰিয়াৰূপে কাম কৰে। অভ্যাস ইতিহাসত নিহিত থাকে। ইয়াক ব্যক্তিৰ দ্বিতীয় প্ৰকৃতি বুলি গণ্য কৰা হয় আৰু ইতিহাস বুলি পাহৰি যোৱা হয়। অভ্যাসত সমগ্ৰ অতীত সক্ৰিয়ৰূপত ক্ৰিয়াশীল হৈ থাকে। কাৰণ, ই অতীতৰ উপজ। অভ্যাসে তাৎক্ষণিক বৰ্তমানৰ বাহ্যিক নিৰ্ণয়সমূহ অনুসাৰে সামাজিক অনুশীলনবোৰক আপেক্ষিক স্ব-নিয়ন্ত্ৰণ ক্ষমতা প্ৰদান কৰে। এই স্বনিয়ন্ত্ৰণ হ'ল পাৰ কৰি অহা অতীত আৰু অতীতৰ পৰা বৰ্তমানলৈকে সক্ৰিয় হৈ থকা অভ্যাসৰ অনুশীলনবোৰৰ স্ব-নিয়ন্ত্ৰণ। বৰ্তমান সময়ত এনে অভ্যাসে সঞ্চিত মূলধন হিচাপে কাম কৰে, ইতিহাসৰ আধাৰত ইতিহাস গঢ়ে আৰু এনেকৈয়ে পৰিৱৰ্তনত চিৰস্থায়িত নিশ্চিত কৰে। ইয়াৰ ফলতেই একোটা একক সামাজিক অভিকৰ্তাই সমগ্ৰ জগতৰ ভিতৰতে আন এক জগতৰ ভিতৰতে আন এক জগতৰ ৰূপ লয়। অভ্যাস সচেতনতা অথবা ইচ্ছাৰহিত স্বতঃস্ফূৰ্ত ক্ৰিয়া। ইতিহাসবিহীন বস্তুৰ বাবে সৃষ্টি হোৱা যান্ত্ৰিক প্ৰয়োজনীয়তাৰ ই সম্পূৰ্ণ বিপৰীত। যান্ত্ৰিকতাবাদী তত্ত্বৰোৰত থকা সিদ্ধান্তৰ বিপৰীতে ইয়াৰ যুক্তিবাদী তত্ত্বৰোৰত থকা 'জড়তাবিহীন' (without inertia) বিষয়বোৰৰ আত্মপ্ৰত্যাৱৰ্তনশীল স্বতন্ত্ৰতাৰ সাদৃশ্য আছে।

ওপৰত আলোচনা কৰা ধাৰণাসমূহৰ পৰা বোৰ্ডিউৰ জ্ঞান, ক্ষমতা আৰু শিক্ষাৰ মাজৰ সম্পৰ্ক সন্দৰ্ভত থকা দৃষ্টি ভংগীৰ উমান পোৱা যায়। মূলধন, অভ্যাস আৰু ক্ষেত্ৰৰ মাজত ঘটা আন্তঃক্ৰিয়াবোৰে জ্ঞান উৎপাদন, পুনঃউৎপাদন আৰু সঞ্চাৰিত কৰে। বোৰ্ডিউৰ দৃষ্টিত ক্ষমতা হ'ল সাংস্কৃতিক আৰু প্ৰতীকিভাৱে সৃষ্ট ধাৰণা। বিভিন্ন সামাজিক অভিকৰ্তা আৰু সংৰচনাৰ মাজত ঘটা আন্তঃক্ৰিয়াই অহৰহ ক্ষমতাক পুনঃবৈধতা প্ৰদান কৰে। মানুহৰ আচৰণ আৰু চিন্তাক দিক্ নিৰ্দেশনা প্ৰদান কৰা অভ্যাস অথবা সামাজিকীকৃত ৰীতি-নীতি অথবা প্ৰৰণতাসমূহৰ মাধ্যমেৰে এই ক্ৰিয়া সম্পাদিত হয়। বিভিন্ন ক্ষেত্ৰত মানুহে নিজৰ অভ্যাস অথবা স্বভাৱ প্ৰকট আৰু পুনঃউৎপাদন কৰে। মূলধনৰ বিভিন্ন প্ৰকাৰে শিক্ষা গঢ়ি তোলে। মানুহৰ মনত ক্ৰিয়াশীল হৈ থকা চিন্তা-ধাৰণা আৰু আচৰণবোৰৰ অভ্যাস তথা ক্ষেত্ৰৰ দিক্ নিৰ্দেশনা অনুসৰি উৎপাদন আৰু পুনঃউৎপাদন ঘটে আৰু ইয়াৰ সহায়তে বিভিন্ন সামাজিক শ্ৰেণীয়ে শিক্ষা আহৰণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মেনহেইমৰ মতে আদৰ্শবাদত থকা পক্ষপাতিত্ব কোনে নাইকিয়া কৰিব পাৰে।

.....

.....

প্ৰশ্ন ২ ঃ বাৰ্নষ্টেইনৰ নিয়ম সংহিতাবোৰৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৩ ঃ বোৰ্ডিউৰ মতে মূলধন কেইপ্ৰকাৰৰ?

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কাৰ্ল মেনহেইম (Karl Mannheim) হ'ল এগৰাকী জাৰ্মান সমাজতাত্ত্বিক। ১৮৯৩ চনত জন্মগ্ৰহণ কৰা মেনহেইম আছিল বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ সবাতোকৈ প্ৰভাৱশালী সমাজতাত্ত্বিক (মৃত্যু- ১৯৪৭ চন)। তেওঁক ধ্ৰুপদী সমাজতত্ত্ব (classical sociology)ৰ জনক বুলি অভিহিত কৰা হয়।
- মেনহেইমৰ বাবে জ্ঞানৰ সমাজতত্ত্ব হ'ল জ্ঞানৰ সামাজিক উৎপত্তি বিন্দুৰ বিজ্ঞানসন্মত অধ্যয়ন কৰাৰ উপায়। ইয়াৰ উদ্দেশ্য হ'ল ৰাজনীতি সম্পৰ্কে থকা আমাৰ জ্ঞান কম আদৰ্শবাদী আৰু কম 'ইউটোপিয়ান' কৰি ইয়াক অধিক বিজ্ঞানসন্মত কৰি তোলা। যাতে এনে জ্ঞানৰ সহায়ত বৰ্তমান সমাজৰ নেতিবাচক দিশবোৰ চিনাক্ত কৰি উলিয়াই একোখন ন্যায়সংগত সমাজ গঢ়াৰ পৰিকল্পনা কৰাৰ লগতে এনে সমাজ নিৰ্মাণ কৰিব পাৰি।
- মেনহেইমৰ কৰ্মৰাজিৰ প্ৰধান উদ্দেশ্য আছিল এই আটাইবোৰ ৰাজনৈতিক দৃষ্টিভংগীৰ প্ৰতিটোতে নিহিত থকা আংশিক সত্যবোৰক সকলো ধৰণৰ একপক্ষীয় পক্ষপাতদুষ্টতাৰ পৰা মুক্ত কৰি এই সত্যবোৰৰ মাজত সংশ্লেষণ সাধন কৰা। তেওঁৰ মতে জ্ঞানৰ সমাজতত্ত্ব নামেৰে পৰিচিত হোৱা সমাজতত্ত্বৰ নব্য শাখাটোৰ অধীনত প্ৰশিক্ষণ লাভ কৰা আধুনিক 'স্বতন্ত্ৰ বুদ্ধিজীৱি' (unattached intellectuals) ৰ অভিকৰ্তাৰূপটোৱেহে এই পক্ষপাতদুষ্টতা আঁতৰ কৰাৰ উপায় বিচাৰি উলিয়াব পাৰিব।
- মেনহেইমৰ অধ্যয়ন-গৱেষণাৰ পৰম উদ্দেশ্য আছিল ব্যক্তিৰ চিন্তাত থকা আদৰ্শগত তথা ইউটোপিয়ান বিকৃতিসমূহ আঁতৰাব পৰাকৈ সমাজ বিজ্ঞানৰ বিকাশথ অৱিহণা আগবঢ়োৱা।
- বাচিল বাৰ্নাৰ্ড বাৰ্নষ্টেইন (১৯২৪-২০০০) আছিল এগৰাকী বৃটিছ সমাজতাত্ত্বিক। শিক্ষাৰ সমাজতত্ত্ব বিষয়ক ৰচনাৰাজিৰে তেওঁ খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ অধ্যয়নৰ বিষয়

আছিল সামাজিক ভাষাতত্ত্ব। ব্যক্তিৰ কথা কোৱাৰ ধৰণ আৰু সামাজিক সংগঠনবোৰৰ মাজত থকা সম্পৰ্কৰ বিষয়ে তেওঁ অধ্যয়ন কৰিছিল।

- জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে থকা বার্নষ্টেইনৰ দৃষ্টিভংগী অনুসৰি সমাজত প্ৰচলিত পদানুক্ৰমিক শৃংখলা অনুসৰি জ্ঞানৰ অসম বিতৰণ ঘটে।
- বার্নষ্টেইনে নিয়ম সংহিতাক দুটা ভাগত বিভক্ত কৰিছিল— সীমিত (Restricted) আৰু বিস্তৃত (Elaborated) নিয়ম সংহিতা। সীমিত নিয়ম সংহিতাবোৰক এক ধৰণৰ আশুলিপিত লিখা ভাষণ (short hand speech)ৰ দৰে। বার্নষ্টেইনৰ মতে শ্ৰমজীৱি শ্ৰেণীটোৱে এই সংহিতা পালন কৰে। সীমিত নিয়ম সংহিতাৰ অধীনত পৰা সকলক পৃষ্ঠভূমিৰ জ্ঞান আৰু ভাগ-বাটোৱাৰা কৰা বোধশক্তিৰ ভিত্তিত বাছনি কৰা হয়।
- শ্ৰেণীবিভাজনে 'বিষয়বস্তুৰ মাজত সীমা বৰ্তাই ৰখাৰ মাত্ৰা' (the degree of boundary maintenance between contents) ক বুজায়। ইয়াৰ বিচাৰ্য হ'ল পাঠ্যক্ৰম অন্তৰ্গত শিতান (জ্ঞান আৰু বিষয়ৰ ক্ষেত্ৰসমূহ) বোৰৰ মাজত থকা ৰোধ (Insulation) অথবা সীমাসমূহ।
- বার্নষ্টেইনে পাঠ্যক্ৰম (curriculum) আৰু শিক্ষাদান বিজ্ঞান (pedagogy) ক বার্তা প্ৰণালী বুলি বিবেচনা কৰিছিল। মূল্যায়ন (evaluation) নামৰ আন প্ৰণালী এটাৰ সৈতে মিলি ই এক সংৰচনাৰ সৃষ্টি কৰে। এই সংৰচনাই বিদ্যালয়ভিত্তিক জ্ঞান সৃষ্টি, এনে জ্ঞানৰ সঞ্চাৰ আৰু অনুশীলনৰ প্ৰক্ৰিয়াবোৰ স্থিৰ কৰে।
- ফ্ৰান্সৰ উত্তৰ দিশত থকা সৰু গাওঁ দংগ্যাঁ (Denguin) ৰ এটা শ্ৰমজীৱি পৰিয়ালত পীয়েৰ বোৰ্ডিউ (Pierre Bourdiew) ৰ জন্ম হৈছিল। বোৰ্ডিউৰ দেউতাক আছিল তেনেই সামান্য আনুষ্ঠানিক শিক্ষা থকা এগৰাকী ক্ষুদ্ৰ কৃষক আৰু ডাকঘৰ কৰ্মচাৰী।
- মূলধন, অভ্যাস আৰু ক্ষেত্ৰৰ মাজত ঘটা আন্তঃক্ৰিয়াবোৰে জ্ঞান উৎপাদন, পুনঃউৎপাদন আৰু সঞ্চাৰিত কৰে।
- বোৰ্ডিউৰ দৃষ্টিত ক্ষমতা হ'ল সাংস্কৃতিক আৰু প্ৰতীকিভাৱে সৃষ্ট ধাৰণা। বিভিন্ন সামাজিক অভিকৰ্তা আৰু সংৰচনাৰ মাজত ঘটা আন্তঃক্ৰিয়াই অহৰহ ক্ষমতাক পুনঃবৈধতা প্ৰদান কৰে।

৬.৭ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ উত্তৰ ঃ বুদ্ধিজীৱি সমাজ।

প্ৰশ্ন নং ২ উত্তৰ ঃ সীমিত আৰু বিস্তৃত নিয়ম সংহিতা।

প্ৰশ্ন নং ৩ উত্তৰ ঃ অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক মূলধন।



৬.৮ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৬.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ আদৰ্শবাদ আৰু ইউটোপিয়া সম্পৰ্কে মেনহে'মৰ দৃষ্টিভংগী কেনে আছিল ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষাদান বিজ্ঞানভিত্তিক অনুশীলন সম্পৰ্কে থকা বাৰ্নষ্টেইনৰ ধাৰণা বহলাই ব্যাখ্যা কৰক

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে বোৰ্ডিউৰ ধাৰণা কেনে আছিল ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ জ্ঞান, ক্ষমতা আৰু শিক্ষা সম্পৰ্কে মেনহে'মৰ ধাৰণা কেনে আছিল ব্যাখ্যা কৰক।

****

অধ্যায় ৭ ঃ সমালোচনামূলক শিক্ষাদান বিজ্ঞান

অধ্যায় গাঁঠনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ পাউল' ৰিগ্‌লাচ নেভেচ ফ্রেইৰি ঃ সমালোচনামূলক শিক্ষাদান বিজ্ঞানৰ জনক
৭.৪ শিকনৰ বেংকিং আৰ্হি
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমালোচনামূলক শিক্ষাদান বিজ্ঞানৰ অর্থ বুজি পাব।
- সমালোচনামূলক শিক্ষাদান বিজ্ঞানলৈ পাউল' ফ্রেইৰিৰ অৱদান সম্পর্কে অৱগত হ'ব।

৭.২ পৰিচয়

সমালোচনামূলক শিক্ষাদান বিজ্ঞান (Critical Pedagogy) হ'ল শিক্ষাত হোৱা দমনৰ বিষয়ে কৰা উপস্থাপন আৰু অধ্যয়ন। সমালোচনা শব্দটোৰ সাধাৰণ অর্থ হ'ল বস্তু নাইবা কথাক বিনা প্রমাণে মানি নোলোৱা (not taking things for granted), বস্তু নাইবা কথাৰ মাজত থকা জটিলতাবোৰ প্রকাশ কৰাৰ লগতে ন্যূনীকৰণবাদ (reductionalism), মতানুতাবাদ (dogmatism) আৰু বিৰোধাভাস (dichotomies) ক প্রত্যাহ্বান জনোৱা। সমালোচনা কৰা মানে হ'ল কোনো বিষয়ত আত্মচিন্তন প্রতিফলিত কৰা। এই প্রক্রিয়াবোৰৰ সহায়ত কৰা সমালোচনাই ক্ষমতা সম্পর্কবোৰৰ অপাৰদর্শী (অস্পষ্ট) সংৰচনাবোৰ প্রকট কৰে।

দুটা পূর্বানুমানৰ ওপৰত সমালোচনামূলক শিক্ষাদান বিজ্ঞান প্রতিষ্ঠিত। ইয়াৰে এটা হ'ল— দমনৰ অস্তিত্ব আছে। এই দমন সামাজিক, অর্থনৈতিক, আদর্শগত ইত্যাদি বিভিন্ন ৰূপৰ হ'ব পাৰে। আনটো পূর্বানুমান হ'ল— দমনৰ ৰূপান্তৰকৰণ সম্ভৱ। দমনৰ কাৰণসমূহৰ বিষয়ে অৱগত হৈ দমিতসকলে নিজকে দমনমুক্ত কৰিব পাৰে। পাউল' ৰিগ্‌লাচ নেভেচ ফ্রেইৰি (Paulo Riglus Neves Freire) ৰ যুক্তি অনুসৰি মানৱ হ'বলৈ আমি আত্ম-প্রত্যয়ৰ গৰাকী হ'ব লাগিব। আমি কি কৰোঁ, আমি কেনেকৈ চিন্তা কৰোঁ— এনেবোৰ কথা অইনৰ দ্বাৰা নিয়ন্ত্রিত হ'ব নোৱাৰিব। ফ্রেইৰিয়ে

সাধাৰণভাৱে সকলো প্ৰকাৰৰ দমনক লৈ চিন্তিত আছিল। কিন্তু শিক্ষা ব্যৱস্থাৰ পৰিধিৰ ভিতৰত সমাজৰ বঞ্চিতসকলৰ ওপৰত চলা দমনৰ বিৰুদ্ধে তেওঁ বিশেষভাৱে সৰৱ আছিল। পৰম্পৰাগত শ্ৰেণীকোঠাত ভাষণ দিয়া শিক্ষাদান আৰ্হিটোৱে কেৱল তথ্য উগাৰে। এনে আৰ্হিত কোনো আন্তঃক্ৰিয়া অবিহনে শিক্ষাৰ্থীয়ে নিষ্ক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। শিক্ষণৰ ৰূপত যি কোৱা হয় তাকেই গ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হয়। কোনো ধৰণৰ আন্তঃক্ৰিয়া নথকা এই ধৰণৰ শিক্ষণ হ'ল কেৱল তথ্য জমা কৰাৰ ব্যৱস্থা। ই শিক্ষাৰ্থীক অ-সমালোচনাত্মক মনোভাৱৰ গৰাকী কৰে। ই শিক্ষণৰ একমুখী পদ্ধতি। ইয়াৰ ফলত অগণতান্ত্ৰিক শিকন প্ৰক্ৰিয়া সংঘটিত হয়। গণতন্ত্ৰ হ'ল নিজ কণ্ঠ অইনক শুনোৱা, সমান অংশগ্ৰহণ কৰিব পৰা এক প্ৰক্ৰিয়া। কিন্তু আধুনিক শিক্ষাই গণতন্ত্ৰৰ এই বৈশিষ্ট্যসমূহক কেতিয়াও উৎসাহিত নকৰে। গণতন্ত্ৰক শাসনৰ সৰ্বশ্ৰেষ্ঠ পন্থা বুলি গণ্য কৰা হয়। কিন্তু ইয়াৰ আত্মাস্বৰূপ শিক্ষা আৰু শিকন প্ৰক্ৰিয়াসমূহক সম্পূৰ্ণ অগণতান্ত্ৰিক ৰূপত প্ৰচলিত কৰা হৈ আহিছে।

দমনৰ বাস্তৱক ৰূপান্তৰিত কৰিবলৈ সমালোচনাত্মক আত্মচিন্তন আৰু কাৰ্যপন্থা গ্ৰহণৰ প্ৰয়োজনীয়তাই দেখা দিছে। ইয়াক 'কাৰ্যান্বয়ন' (Praxis) বোলা হয়। ই এক দ্বন্দ্বাত্মক প্ৰক্ৰিয়া। ই হ'ল প্ৰশ্ন সুধি শিকা পদ্ধতিৰ এটা ৰূপ। এনে পদ্ধতিত শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে প্ৰশ্ন কৰে। এই প্ৰশ্নবোৰক উভয়ৰে সামাজিক সমস্যাসমূহৰ সৈতে প্ৰসংগৱদ্ধ কৰা হয়। প্ৰশ্ন নোসোধাকৈ মানুহে পৰিচয় গঢ়িব নোৱাৰে। প্ৰশ্ন সোধা মানে হ'ল অইনৰ সৈতে আন্তঃক্ৰিয়া সম্পাদন কৰিবলৈ আমাৰ সামৰ্থ প্ৰতিষ্ঠিত হোৱা। ইয়াৰ সহায়তহে আমি দমনৰ পৰা মুক্তিলাভ কৰিম আৰু দমনৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

সমালোচনামূলক শিক্ষাদান বিজ্ঞানৰ ধাৰণাটো বিশ্বলৈ আগবঢ়াই শিক্ষাৰ সামগ্ৰিক ধাৰণাটোৰ চিন্তা-চৰ্চাক সম্প্ৰসাৰিত কৰাত পাউল' ফ্ৰেইৰিৰ অৱদান অতি তাৎপৰ্যপূৰ্ণ। তেওঁৰ চিন্তাক হেগেল, কাৰ্ল মাৰ্ক্স, এণ্ট'নিঅ' গ্ৰাম্‌চি, ইভান ইলিচ আদিৰ কৰ্মৰাজিয়ে প্ৰভাৱিত কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক—

(ক) সমালোচনামূলক শিক্ষাদান বিজ্ঞান হ'ল .....ত হোৱা দমনৰ উপস্থাপন আৰু অধ্যয়ন।

(খ) পাউল' ফ্ৰেইৰিক ..... আদিয়ে প্ৰভাৱিত কৰিছিল।

(গ) 'কাৰ্যান্বয়ন' হ'ল ..... জৰিয়তে শিকাৰ এটা ৰূপ।

৭.৩ পাউল' ৰিগ্‌লাচ নেভেচ ফ্রেইৰি ঃ সমালোচনামূলক শিক্ষাদান বিজ্ঞানৰ জনক

ব্রাজিলৰ উত্তৰ-পূৱ দিশত থকা ৰেচিফ (Recife)ত ১৯২১ চনত পাউল' ফ্রেইৰিৰ জন্ম হৈছিল। সামৰিক বিষয়াৰূপে কাম কৰা ফ্রেইৰিৰ পিতৃয়ে ১৯৩০ৰ দশকত হোৱা বৃহৎ আর্থিক মন্দাৱস্থাৰ সময়ত মৃত্যুবৰণ কৰিছিল। ১৯৩৪ চনত পিতৃহাৰা হোৱা ফ্রেইৰিয়ে কোমল বয়সতে ক্ষুধা আৰু দাৰিদ্র্যৰ সৈতে পৰিচিত হৈছিল। পৰিয়ালটোক আর্থিক সকাহ দিবলৈ কাম কৰাৰ বাবে তেওঁ আধাতে বিদ্যালয়ৰ শিক্ষা বাদ দিছিল। পৰিস্থিতিয়ে দুখীয়া শ্রেণীটোৰ প্রতি থকা তেওঁৰ ভ্রাতৃত্ববোধৰ ভাৱণা দৃঢ় কৰিছিল। তেওঁ নিজে দৰিদ্রতাৰ বাস্তৱৰ এক অংশ হৈ পৰিছিল। শিক্ষাত আর্থ-সামাজিক পৰিস্থিতিয়ে পেলোৱা প্রভাৱ সম্পর্কে ফ্রেইৰিয়ে গভীৰ জ্ঞান আয়ত্ব কৰিছিল। সামাজিক শ্রেণী আৰু জ্ঞানৰ মাজত থকা সম্পর্কৰ বিষয়েও তেওঁ সজাগ হৈ পৰিছিল। শিশুকালৰ আটাইবোৰ অভিজ্ঞতাই তেওঁৰ শিক্ষা বিষয়ক চিন্তা-ধাৰণাবোৰ গঢ় লোৱাত সহায় কৰিছিল। এসময়ত পৰিয়ালটোৰ আর্থিক অৱস্থা কিছু উন্নত হোৱাৰ পাছত ফ্রেইৰেয়ে বিদ্যালয়ৰ আধৰুৱা শিক্ষা সমাপ্ত কৰিছিল। তাৰপাছত তেওঁ আইন অধ্যয়ন কৰিছিল। ব্রাজিলৰ এখন উচ্চ মাধ্যমিক বিদ্যালয়ত পর্তুগীজ ভাষাৰ শিক্ষক হিচাপে তেওঁ কর্মজীৱন আৰম্ভ কৰিছিল। ফ্রেইৰিয়ে ব্রাজিলৰ শিক্ষা ব্যৱস্থাত থকা সমস্যাসমূহৰ গৱেষণা কৰি ডক্তৰেট ডিগ্রী লাভ কৰিছিল। এসময়ত তেওঁ ৰেচিফ বিশ্ববিদ্যালয়ত শিক্ষাৰ ইতিহাস আৰু দর্শন বিভাগত পঢ়ুৱাইছিল। ব্রাজিলৰ জনপ্রিয় শিক্ষা আন্দোলনৰ সৈতে ফ্রেইৰিৰ নাম জড়িত হৈ পৰিছিল। দেশখনৰ সকলোতে ব্যাপ্ত নিৰক্ষৰতা আঁতৰাবলৈ এই আন্দোলন চলিছিল। কিন্তু আৰম্ভ কৰাৰ পাছতেই তেওঁ এই প্রয়াস ৭০ দিনৰ বাবে বন্ধ কৰিবলগীয়া হৈছিল। ১৯৬৪ চনৰ ১ এপ্রিলৰ দিনা তেওঁক সামৰিক শাসনে কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। ফ্রেইৰি হার্ভার্ড বিশ্ববিদ্যালয় এগৰাকী অতিথি অধ্যাপক আছিল। বিশ্ব গীর্জাঘৰ পৰিষদৰ শিক্ষা বিষয়ৰ এগৰাকী বিশেষ উপদেষ্টা হিচাপে তেওঁ নবছৰ কার্যনির্বাহ কৰিছিল। ১৯৭৯ চনত তেওঁ প্রৱাসৰ পৰা ব্রাজিললৈ উভতি আহি চাও-পাওল'ত থকা ৱ'র্কাৰ্চ পার্টি (Worker's Party)ত যোগদান কৰিছিল। ১৯৮০-৮৬ চনলৈ তেওঁ ছবছৰ কাল পার্টিৰ প্রাপ্তবয়স্ক সাক্ষৰতা প্রকল্পৰ গুৰি ধৰিছিল। ১৯৮৮ চনত চাও-পাওল' প্রশাসনে তেওঁক শিক্ষা সচিবৰ পদত নিযুক্তি দিছিল।

ফ্রেইৰিয়ে ব্রাজিলৰ নিৰক্ষৰ কৃষক সমাজক শিক্ষাদান কৰাৰ প্রয়াস আৰম্ভ কৰিছিল। তেওঁৰ মতে শিক্ষা হ'ল মোক্ষ লাভৰ উৎস। পৰম্পৰাগত শিক্ষণ শৈলীবোৰে দুখীয়াসকলক জ্ঞানৰ নিষ্ক্রিয় আৰু নীৰৱ গ্রাহক বুলি গণ্য কৰে আৰু শ্রেণীটোক সদায় ক্ষমতাহীন কৰি ৰাখে। ফ্রেইৰিৰ মতে সহযোগিতা, বার্তালাপ আৰু সমালোচনামূলক চিন্তাৰ জৰিয়তে প্রতিগৰাকী ব্যক্তিয়ে স্ব-সত্ত্বাৰ একোটা আত্মবোধ বিকশিত কৰিব পাৰে আৰু নিজৰ অধিকাৰ পূৰণৰ হকে মাত মাতিব পাৰে। তেওঁৰ বৈপ্লৱিক চিন্তা-চর্চাই মানুহক নিজৰ ওপৰত চলি অহা দমনৰ প্রকাৰ চিনাক্ত কৰা আৰু সেইবোৰক প্রত্যাহ্বান জনোৱাত সহায় কৰিছিল। তেওঁ এক সহযোগিতামূলক শিক্ষক-

শিক্ষার্থীকেন্দ্রিক শিক্ষা আর্হিৰ জৰিয়তে মানুহৰ মুক্তিৰ পোষকতা কৰিছিল। ফ্রেইৰিৰ মতে মানুহ সদায় অনুসন্ধিৎসু প্রকৃতিৰ হোৱা উচিত। শিক্ষাক সমালোচনামূলক দৃষ্টিভংগীৰে বুজাৰ প্রয়াসক এক প্রতিষ্ঠিত ৰূপ দিবলৈ তেওঁ জীৱনৰ ৪৫ টা বছৰ দান কৰিছিল। শিক্ষাৰ বিষয়ে কৰা চিন্তা-চর্চাই তেওঁক সাক্ষৰতাৰ বিষয়েও চিন্তা কৰাৰ উদ্‌গনি যোগাইছিল। শিক্ষাৰ সামগ্রিকতাৰ এক মৌলিক অংশ হ'ল সাক্ষৰতা। প্রাপ্তবয়স্ক সাক্ষৰতাৰ ক্ষেত্রখনতো ফ্রেইৰিয়ে নিজ ব্যুৎপত্তিৰ পৰিচয় দিছিল। তেওঁ চিন্তাক সমালোচনাত্মক ৰূপ দিয়াৰ পোষকতা কৰিছিল, শিক্ষণ তথা জনাৰ উপায়বোৰ সমালোচনামূলক হোৱাতো বিচাৰিছিল আৰু শিক্ষকে শিক্ষার্থীৰ সৈতে সুকীয়াধৰণে কাম কৰি যোৱাৰ পক্ষপাতী আছিল।

ফ্রেইৰিয়ে মানুহক মানৰীয় গুণ-বৈশিষ্ট্যসম্পন্ন কৰাৰ কামত আত্মনিয়োগ কৰিছিল। বিশ্বৰ ৰূপান্তৰণ আৰু সচেতন ক্রিয়াৰ মাধ্যমেৰে তেওঁ এই মানৰীয়কৰণ সম্ভৱ কৰি তোলাৰ চেষ্টা চলাইছিল। ব্যক্তিয়ে নিজকে দমনৰ পৰিস্থিতিবোৰৰ পৰা মুক্ত কৰাৰ কাম আৰম্ভ কৰাৰ আগতে সমালোচনামূলক সচেতনতাৰ বিকাশ ঘটাব লাগিব। মানুহৰ মানৰীয় অৱমূল্যায়ন ঘটা বাবেহে মানৰীয়কৰণ সম্ভৱ। ই সমাজত প্রচলিত এটা অন্যায়পূর্ণ শৃংখলাৰ পৰিণাম। ই দমনকাৰীৰ মাজত হিংসাৰ ভাৱনা ত্বৰান্বিত কৰে আৰু তেওঁলোকে দমিতসকলৰ মানবীয় অৱমূল্যায়ন ঘটায়। কিন্তু আজি অথবা কাইলৈ দমনকাৰীৰ বিৰুদ্ধে দমিতসকলে সংঘর্ষত লিপ্ত হ'বই। মানুহে বাস্তৱত হস্তক্ষেপ কৰিলেহে বাস্তৱ সলনি হয়। বাস্তৱক সলনি কৰিব নোৱাৰিলে মানুহে ইয়াৰ সৈতে নিজকে খাপ খুৱাই চলাৰ চেষ্টা কৰে। কিন্তু এনেদৰে খাপ খাই চলাতো জীৱ-জন্তুৰহে বৈশিষ্ট্য। এনে খাপ খাই চলাৰ ফলত মানুহৰ মানৰীয় অৱমূল্যায়ন ঘটে। মানুহে যদি জানে তেওঁ কি বিচাৰে, ভাবে আৰু অনুভৱ কৰে, তেন্তে তেওঁ সেইমতে কাম কৰিবলৈ সক্ষম হ'ব। যদি মানুহে চিন্তা কৰিব নোৱাৰে তেন্তে অজ্ঞাত কর্তৃত্বৰ বশ্যতা স্বীকাৰ কৰে আৰু অজ্ঞাত কথাত নিজকে খাপ-খুৱাই লয়। মানুহে যিমানে অধিক এনে কাম কৰে, সিমানেই এই কর্তৃত্বৰ ক্ষমতাক স্বীকৃতি দিবলৈ বাধ্য হৈ পৰে। ফ্রেইৰিয়ে এই কথা ব্রাজিলৰ সমাজখনৰ পটভূমিতা কৈছিল। সমাজৰ সংক্রমণ কালছোৱাত শিক্ষা এক অতি গুৰুত্বপূর্ণ বিষয় হৈ পৰে। কিন্তু শিকন প্রক্রিয়াটো তেতিয়াহে সফল হ'ব যেতিয়া মানুহে প্রকৃতার্থত শিকিব আৰু শিকা কথাবোৰ কার্যত প্রয়োগ কৰিবলৈ সক্ষম হ'ব। এই সামর্থই শিকনক পুনঃউদ্ভাৱন কৰে। যিসকলে শিকনক কার্যত প্রয়োগ কৰিব নোৱাৰে আৰু ইয়াৰ পুনঃ উদ্ভাৱন কৌশল নাজানে তেন্তে তেওঁ বাস্তৱত একো নিশিকে। 'Conscientizacão' বোলা পর্তুগীজ শব্দটোৰ অর্থ হ'ল নিজৰ চৌপাশে ঘটি থকা ঘটনাৱলীৰ প্রতি সজাগ হৈ চলা। ফ্রেইৰিয়ে এনেধৰণৰ সচেতনাৰ উদ্রেক ঘটোৱাৰ পোষকতা কৰিছিল। যদি ব্যক্তি সচেতন হয়, তেন্তে চিন্তা কৰিবলৈ শিকে, চিন্তালৈ অহা কথাবোৰৰ আত্ম-চিন্তন ঘটে। এবাৰ আত্ম-চিন্তন ঘটা কথাবোৰৰ বাবে প্রয়োজনীয় কার্য কৰিবলৈ মানুহ আগবাঢ়ে। আমি একো নকৰালৈকে বাস্তৱ সলনি নহয়। কার্য হ'ল মৌলিক বিষয়। ই বাস্তৱ সলনি কৰাৰ প্রক্রিয়া। এই প্রক্রিয়াত শিকনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই সামাজিক বাস্তৱবোৰ উদঙাই দেখুৱায়। শিকনে মানুহক প্রকৃততে

কি ঘটি আছে সেয়া ক'ব পৰা কৰি তোলে আৰু ইয়াৰ বাবে কি কাম কৰিব লাগিব সেয়া বুজাত সহায় কৰে। মানুহ এটা প্ৰক্ৰিয়াৰ মাজেৰে গৈ পৰিৱৰ্তনৰ এক আহিলাত পৰিণত হ'ব পাৰে। এই প্ৰক্ৰিয়াত সামাজিক বাস্তৱ সম্পৰ্কে সমালোচনাত্মক সজাগতা আৰু ইয়াৰ বাবে কাম কৰাৰ সামৰ্থ নিহিত থাকে। এই উপাদানবোৰে মিলি 'Conscientizacão' গঠন কৰে।

সমালোচনামূলক শিক্ষাদান বিজ্ঞান হ'ল মানুহৰ শিক্ষাদান শাস্ত্ৰ। ই মানুহৰ আত্মমুক্তিৰ বাবে যুঁজ কৰি যায়। দমনৰ বলি হোৱাসকলে স্বাধীন হ'বলৈ সংগ্ৰাম কৰিবই লাগিব। কিন্তু দমনকাৰীয়ে এই শিক্ষাদান শাস্ত্ৰ বিকশিত কৰিব নোৱাৰে। যদি দমনকাৰীক এই শাস্ত্ৰ বিকাশৰ দায়িত্ব দিয়া হয়, তেন্তে এসময়ত ইয়ো মানৱীয় অৱমূল্যায়নৰ এক আহিলাত পৰিণত হ'ব। দমনকাৰী আৰু দমিত দুয়োৰে বাবে মানৱীয়কৰণ সমানে গুৰুত্বপূৰ্ণ। দমনকাৰীসকলো মানৱীয় অৱমূল্যায়নৰ এক প্ৰকট ৰূপ। দমিতসকলে নিজৰ দমন বাস্তৱ সম্পৰ্কে অনুমান কৰিব পাৰিব লাগিব। কিন্তু এই অনুমানৰ সৈতে বাস্তৱ সলনি কৰাৰ বাবে কাম কৰি যাবলৈ উদ্বুদ্ধ হ'ব লাগিব। তেওঁলোকে নিজৰ স্বাধীনতাৰ বাবে কাম কৰিব লাগিব। একে প্ৰক্ৰিয়াৰে দমনকাৰীসকলো স্বাধীন হ'ব পাৰে। ইয়াৰ বাবে তেওঁলোকে দমিত শ্ৰেণীটোক এটা বিমূৰ্ত্ত শ্ৰেণী বুলি ধৰি লোৱাতো বন্ধ কৰিব লাগিব।

স্বাধীনতা সম্পৰ্কে ফ্ৰেইৰিৰ ধাৰণাটো সৰ্বদা গতিশীল। ফ্ৰেইৰিয়ে আনকি গণতান্ত্ৰিক স্বাধীনতা অথবা নাগৰিক স্বাধীনতাৰ মুখা পিন্ধি প্ৰচলিত হৈ থকা বিশেষ প্ৰকাৰৰ দমনৰ অধ্যয়নতো সমানে মনোযোগ দিছিল। তেওঁৰ মতে শিক্ষাই জীৱনৰ এই বাধাবোৰ অতিক্ৰম কৰাত মানুহক সহায় কৰে।

৭.৪ শিকনৰ বেংকিং আৰ্হি

ফ্ৰেইৰিয়ে শিকনৰ বেংকিং আৰ্হি নামৰ ধাৰণাটো সমৰ্থন কৰিছিল। তেওঁৰ মতে শিক্ষা ব্যৱস্থাৰ প্ৰধান সমস্যাটো হ'ল ই এটা বেংকৰ দৰে নিজৰ কাম আৰম্ভ কৰে। বেংকত যেনেদৰে নিজৰ একাউণ্টত মানুহে ধন জমা থয় অথবা একাউণ্টৰ পাৰ ধন উলিয়াই আনে ঠিক তেনেদৰে শিক্ষকসকলেও শিক্ষাৰ্থীৰ মনত তথ্য জমা ৰখাৰ চেষ্টা কৰে। শিক্ষাৰ্থীৰ মন বিভিন্ন ধৰণৰ তথ্যেৰে ভৰ্তি হৈ থাকে। বেংকিঙৰ সাধাৰণ ধাৰণাটোৱে শুদা পাত্ৰত পানী ঢলাৰ উদাহৰণটো প্ৰতিফলিত কৰে। ফ্ৰেইৰিৰ মতে শিক্ষাৰ এই বেংকিং ধাৰণাটোৱে আচলতে দমনৰ এক আহিলা হিচাপে কাম কৰে। শিক্ষকসকলে বাস্তৱক গতিহীন, স্থবিৰ ক্ৰিয়া বিভাজিত আৰু পৰম্পৰাগত ৰূপত ব্যাখ্যা কৰে। ইয়াৰ লগতে শিক্ষকে শিক্ষাৰ্থীৰ বাস্তৱৰ পৰা সম্পূৰ্ণ পৃথক এক অপৰিচিত বাস্তৱৰ শিক্ষা দিয়ে। ইয়াত শিক্ষাদান কৰোতাসকলৰ যিটো অভিপ্ৰায়ে ক্ৰিয়া কৰে সেইটো হ'ল শিক্ষাৰ্থীৰ বাস্তৱৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন বিষয়বস্তুৰ তথ্যেৰে শিক্ষাৰ্থীৰ মন ভৰাই ৰখা। এনে পৰিৱেশত শিক্ষাৰ্থীয়ে কথাবোৰ কেৱল মুখস্থ কৰে আৰু প্ৰয়োজন সাপেক্ষে আওৰাই থাকে। কথা নুবুজাকৈয়ে এই প্ৰক্ৰিয়াটো চলি থাকে। শিক্ষকে কথক / বৰ্ণনাকাৰীৰ ভূমিকা লয় আৰু শিক্ষাৰ্থীয়ে যান্ত্ৰিকভাৱে

শিক্ষকৰ কথাবোৰ মুখস্থ কৰে। শিক্ষার্থীসকল শিক্ষকে পূৰ কৰি যোৱা পাত্রত পৰিণত হয় আৰু শিক্ষা হৈ পৰে তথ্য জমা ৰখা এটা কার্য। শিক্ষকসকল হ'ল জমাকর্তা আৰু শিক্ষার্থীসকল হ'ল জমাভাণ্ডাৰ। এয়াই শিক্ষাৰ বেংকিং ধাৰণা [Freire, 2017]। এই ব্যৱস্থাটোৱে শ্রেণীকোঠাত নীৰৱতাৰ সংস্কৃতি অনুশীলনৰ পোষকতা কৰে। সম্পূর্ণ নীৰৱতা বর্তি থকা শ্রেণীকোঠা এটাক নিয়মানুবর্তিতা মানি চলা শ্রেণী বুলি বিবেচনা কৰা হয়। কিন্তু এনে পৰিৱেশত শিশু অথবা শিক্ষার্থী নিষ্ক্রিয় তথা অনা-আন্তঃক্রিয়া সম্পাদনকাৰী হৈ পৰে। ফ্রেইৰিয়ে কৈছিল যে বাস্তৱ চিন্তা নীৰৱতা অথবা বিচ্ছিন্ন পৰিৱেশত জাগ্রত নহয়। সংযোগ স্থাপিত হোৱা স্থানবোৰতহে বাস্তৱৰ চিন্তাই সাৰ পাই উঠে। শিক্ষা ব্যৱস্থা কাহিনী কথন (narration)ৰ ৰোগৰ দ্বাৰা আক্রান্ত হৈ পৰিছে। শিক্ষা আৰু সাক্ষৰতা মানুহৰ মোক্ষ লাভৰ আহিলা হ'ব পাৰে। শিক্ষার্থীয়ে শিক্ষাত নিজৰ জ্ঞান আৰু অভিজ্ঞতা প্রয়োগ কৰিব পাৰিলেহে এয়া সম্ভৱ হ'ব।

ফ্রেইৰিয়ে দমনৰ ধাৰণাটোও বহলাই আলোচনা কৰিছিল। আলোচনাত তেওঁ দেখুৱাই দিছিল কেনেকৈ পৰম্পৰাগত শিক্ষা ব্যৱস্থাই মানুহক মুক্ত কৰাৰ সলনি দাসত পৰিণত কৰিছিল, কেনেকৈ সামগ্রীৰ দৰে কৰা আচৰণ সহ্য কৰিবলৈ শিকাইছিল আৰু কেনেদৰে সত্যৰ হেৰফেৰ কৰি মানুহক কেতিয়াও নাগৰিক হিচাপে কাম কৰাৰ আৰু মানুহ হোৱাৰ সুযোগ দিয়া হোৱা নাছিল। মানুহ হ'বৰ বাবে পৃথিৱীত বাস কৰা অন্য মানুহৰ সৈতে মানৱীয় সম্পর্ক স্থাপন কৰিব লাগিব। মানুহে ইজনে সিজনৰ সৈতে আন্তঃক্রিয়া সম্পাদন আৰু কথা-বার্তা আদান-প্রদান কৰিব লাগিব। দমনৰ বলি মানুহে যদি নিজৰ মুক্তিৰ বাবে লাগতিয়াল কার্যকলাপবোৰত সক্রিয়ভাৱে অংশগ্রহণ নকৰে, তেন্তে ইয়াক স্বাধীনতা লাভৰ কার্য বুলি ক'ব নোৱাৰি। স্বাধীন হ'ব খোজা মানুহখিনিৰ পৰাই স্বাধীনতাৰ উন্মেষ ঘটিব লাগিব। স্বাধীনতা লাভৰ প্রক্রিয়াটোত তেওঁলোকে নিজে সক্রিয়ভাৱে ভাগ ল'ব লাগিব।

শিক্ষক-শিক্ষার্থীৰ মাজৰ সম্পর্ক আছিল ফ্রেইৰিৰ আলোচনাত স্থান পোৱা আন এটা গুৰুত্বপূর্ণ বিষয়। তেওঁৰ মতে ই এক দমিত-দমনকর্তাৰ সম্পর্ক। তেওঁ এই পৰিস্থিতি সলনি কৰিবলৈ আলাপ-আলোচনাৰ প্রক্রিয়া আৰম্ভ কৰাৰ পোষকতা কৰিছিল। এই প্রক্রিয়াটোৱে দমনকর্তা আৰু দমিত-দুয়ো পক্ষকে স্বাধীন হোৱাত সহায় কৰিব বুলি ফ্রেইৰিয়ে মত প্রকাশ কৰিছিল। তেওঁৰ মতে শিক্ষক-শিক্ষার্থীৰ মাজত এক সমতাৰ সম্পর্ক থকা উচিত। এই সমতাৰ সম্পর্কত মাত্র এটা পক্ষই নিজকে অধিক ক্ষমতাশালী বুলি ভবা অথবা আনটো পক্ষক নিয়ন্ত্রণ কৰাৰ থল নাথাকিব। দুয়োটা পক্ষই বুজি পাব লাগিব যে আলাপ-আলোচনাত ভাগ লোৱাৰ লগে লগে জ্ঞানৰ ৰূপান্তৰ ঘটাৰ প্রক্রিয়া আৰম্ভ হ'ব আৰু নতুন জ্ঞানৰ উন্মেষ হ'ব। ইয়াৰ সহায়তেই আমি পৃথিৱীখনক এক উন্নততৰ ৰূপ দিব পাৰিম। সমতা আৰু আলাপ-আলোচনাৰ সুবিধা নথকা পৰিৱেশত জ্ঞান সৃষ্টি নহয়। শিক্ষা হ'ল স্বাধীন হোৱাৰ অনুশীলন। শিক্ষক-শিক্ষার্থী দুয়োৰে বাবে ই এখন সমতাপূর্ণ মঞ্চৰ সৃষ্টি কৰে। ই দুয়োপক্ষকে একক উক্তি আৰু নীৰৱতাৰ পৰিৱেশৰ পৰা মুক্ত কৰে। দুয়োটা পক্ষই প্রকৃতার্থত শিকিবলৈ আৰম্ভ কৰে। নিৰক্ষৰতা, দৰিদ্রতা অথবা

প্রযুক্তিবিদ্যাকেন্দ্রিক অজ্ঞতাৰ বাবে সহিবলগীয়া হোৱা লাঞ্ছনা-গঞ্জনাৰ বিষয়ে মানুহে গাহৰি যায় আৰু নিজৰ মোল বুজি পোৱা হয়।

পাউল' ফ্ৰেইৰিয়ে উৎপাদক বিষয়বস্তু (Generative theme) ৰ ধাৰণাটোও উল্লেখ কৰিছিল। প্ৰতিটো প্ৰজন্মই তেওঁলোকৰ বাবে প্ৰত্যাহ্বান কঢ়িয়াই অনা কিছুমান চিন্তা, ধাৰণা আৰু প্ৰমূল্যৰ প্ৰতি গভীৰ মনোযোগ দিয়ে। এইবোৰক ওলোটাই প্ৰত্যাহ্বান জনাব পাৰিলে সহাৰস্থান হ'ব। ই এক দ্বন্দ্বাত্মক প্ৰক্ৰিয়া। ইয়াত কোনো কথা প্ৰতিপন্নকাৰী সিদ্ধান্ত (thesis) এটাৰ লগতে ইয়াৰ প্ৰতি-সিদ্ধান্ত (Antithesis)ও থাকে। এই সহাৰস্থানৰ বাবেই লক্ষ্যপ্ৰাপ্তিৰ পূৰ্ণতা অনুভৰ কৰিব পৰা যায়। ফ্ৰেইৰিৰ আলোচনাৰ আন এক বিষয় আছিল কাৰ্যান্বয়ন (Praxis)। কাৰ্যান্বয়ন অবিহনে মানুহে মানৱীয় গুণসম্পন্ন ৰূপত নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে। কাৰ্যান্বয়ন হ'ল এক প্ৰক্ৰিয়া। ইয়াৰ জৰিয়তে সিদ্ধান্ত অথবা দক্ষতাবোৰে ব্যক্তিৰ গাত আৰোপিত হৈ মূৰ্তৰূপ ধাৰণ কৰে নাইবা বাস্তৱত পৰিণত হয়। ইয়াক চিন্তা-ধাৰণাবোৰৰ সৈতে জড়িত হৈ পৰা আৰু এইবোৰৰ অনুশীলন অথবা অভ্যাস কৰাৰ বাস্তৱ কাৰ্য বুলিও ধৰিব পাৰি। কাৰ্যান্বয়ন প্ৰক্ৰিয়াৰ মাধ্যমেৰে দমিত অথবা দুখীয়া লোকসকলে নিজৰ বাস্তৱ পৰিস্থিতি সম্পৰ্কে সমালোচনামূলক সজাগতা বিকশিত কৰিব পাৰে। ইয়াৰ উপৰি আলাপ-আলোচনাৰ ধাৰণাটোও ফ্ৰেইৰিৰ বাবে গুৰুত্বপূৰ্ণ আছিল। মানুহক নিজৰ সামাজিক বাস্তৱ সম্পৰ্কীয় জ্ঞান আহৰণ কৰাত সাধাৰণ কথা-বতৰাই একো সহায় নকৰে। আলাপ-আলোচনাই মানুহৰ মাজত চিন্তা-ধাৰণাৰ আদান-প্ৰদান ঘটাত সহায় কৰে। শব্দ হ'ল আলাপ-আলোচনাৰ মূল। শব্দ উচ্চাৰণ হ'ল এক মানবীয় পৰিঘটনা। কেৱল সত্যৰ দ্বাৰাহে মানৱ অস্তিত্বৰ আপডাল কৰিব পাৰি। সত্য ক'ব পৰা হ'বলৈ মানুহৰ মনত সমালোচনাত্মক সজেতনতা জাগি উঠিব লাগিব। সত্যৰ দ্বাৰাহে পৃথিৱীৰ ৰূপান্তৰণ সম্ভৱ। ফ্ৰেইৰিৰ শিক্ষা পদ্ধতিৰ ভেটি হ'ল আলাপ-আলোচনা (dialogue)। এই পদ্ধতি গঠন কৰা প্ৰধান উপাদান দুটা হ'ল সংযোগ আৰু আন্তঃসংযোগ। ইয়াক এক যুটীয়া অন্বেষণত জড়িত দুটা 'মেৰু'ৰ মাজত স্থাপিত হোৱা 'সহমৰ্মিতা'ৰ সম্বন্ধ বুলি কোৱা হয়। আলাপ-আলোচনাৰ জৰিয়তে মানুহৰ মনত সমালোচনামূলক মনোভাৱে গা কৰি উঠে। মৰম-ভালপোৱা, নম্ৰতা, আশা, আস্থা আদি বিষয়ক ভিত্তি কৰি চলা সকলো ধৰণৰ আলাপ-আলোচনাই শক্তিশালী আৰু অৰ্থবহ ভূমিকা পালন কৰে। আলাপ-আলোচনাৰ মূল হ'ল প্ৰত্যেক ব্যক্তিৰ সত্ত্বা আৰু অস্তিত্বত থকা বিশ্বাস।

কিন্তু কেৱল চিন্তা-ধাৰণাৰ আদান-প্ৰদানেই পৰ্যাপ্ত নহয়। বাস্তৱ সলনি কৰিবলৈ সকলো পক্ষই নিজৰ পৰিৱেশত একেলগে কাম কৰিব লাগিব। কেৱল কথা পাতি থাকিলেই অথবা আলাপ-আলোচনা কৰি থাকিলেই বাস্তৱ সলনি নহয়। মানুহে ইয়াৰ বাবে কাম কৰিব লাগিব। মানুহে কথাবোৰ সমালোচনাত্মক দৃষ্টিভংগীৰে চিন্তা কৰিব আৰু সকলো দিশ চালি-জাৰি চাব লাগিব। তাৰপাছত উপযুক্ত কাৰ্যপন্থা প্ৰয়োগ কৰি বাস্তৱ সলনি কৰাৰ কাম আৰম্ভ কৰিব লাগিব। অৰ্থাৎ, সমালোচনামূলক শিক্ষাদান বিজ্ঞানে আলাপ-আলোচনাৰ মাধ্যমেৰে ঘটা শিকন প্ৰক্ৰিয়াত মনোনিৱেশ কৰে।

ৰূপান্তৰৰ পৰিৱেশ এটাত আলাপ-আলোচনাৰ সমানে এটা আলাপ-আলোচনা বিৰোধী (anti-dialogue) মনোভাৱেও এৰাব নোৱাৰা অংশ হিচাপে কাম কৰে। দুয়োটা কথা পৰস্পৰ বিৰোধী যদিও দুয়োটাই ঐতিহাসিক সাংস্কৃতিক নির্মাণৰ প্রধান উপাদান। আলাপ-আলোচনা বিৰোধী মনোভাৱে 'সহমর্মিতা'ৰ সম্বন্ধ ভংগ কৰে। এনে অৱস্থাত মৰম-ভালপোৱাবিহীন, আশাহীন, অনাস্থাপূর্ণ পৰিৱেশে গা কৰি উঠে। এই প্রক্রিয়াটোৱে মানুহৰ মাজত উলম্ব সম্বন্ধ (vertical relationship) গঢ়ি তোলে।

কিন্তু, এই পৰিৱেশত যিহেতু মৰম-প্রীতি আৰু বিশ্বাস-আস্থাৰ অভাৱ ঘটে, সেয়েহে ই মানুহৰ মনত সমালোচনাত্মক মনোভাৱ গঢ়িব নোৱাৰে। ফ্রেইৰিয়ে ১৫ বছৰতকৈও অধিক কাল প্রাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্রখনত কাম কৰিছিল। পৰম্পৰাগতভাৱে ৰেচিফৰ দৰে ঠাইবোৰত বিদ্যালয় আছিল এটা নিষ্ক্রিয় ধাৰণা। সেয়েহে তেওঁ 'সংস্কৃতি চক্র' (culture circle) বুলি কোৱা জনপ্রিয় সংস্কৃতিৰ এক নতুন অনুষ্ঠানৰ প্রচলন ঘটাইছিল। ফ্রেইৰিয়ে সূচনা কৰা এই নতুন ধাৰণাটোত শিক্ষকৰ পৰিৱর্তে সমন্বয়ৰক্ষী আছিল, শ্রেণীকোঠাৰ ভিতৰত দিয়া বক্তৃতাৰ সলনি আলাপ-আলোচনাক আগস্থান দিয়া হৈছিল, একক শিক্ষার্থীৰ সলনি দলীয় অংশগ্রহণত গুৰুত্ব দিয়া হৈছিল, বাস্তৱ বিচ্ছিন্ন পাঠ্যক্রমৰ সলনি শিকন গোট (learning unit) ত ভাঙি লোৱা আৰু সংকেতৰদ্ধ কৰা সুগঠিত শৈক্ষিক কার্যসূচী আৰম্ভ কৰা হৈছিল। এয়াই আছিল শিক্ষাৰ পথ (Freire : 2016 : 40)। সংস্কৃতি চক্রত দলীয় বিতর্কৰ মাধ্যমেৰে কোনো পৰিস্থিতি সম্পর্কে স্পষ্ট দৃষ্টিভংগী গ্রহণ কৰা হৈছিল অথবা এই স্পষ্টতাৰ আধাৰত উপযুক্ত কার্যপন্থা স্থিৰ কৰা হৈছিল। দলবোৰে নিজে বিতর্কৰ বিষয় বাছনি কৰিছিল। যান্ত্রিক সাক্ষৰতা কার্যসূচীসমূহ প্রত্যাখ্যান কৰা হৈছিল বাবে প্রাপ্তবয়স্কসকল অনুপ্রাণিত হৈছিল। সচেতনতা জাগ্রত কৰিবলৈ তেওঁলোকে কেনেকৈ পঢ়িব লাগে সেয়া শিকাৰ চেষ্টা কৰিছিল। ফ্রেইৰিয়ে অন্বেষণ (search) আৰু উদ্ভাৱন (invention) ৰ বৈশিষ্ট্য সম্বলিত এটা ফলপ্রসূ সাক্ষৰতা কার্যসূচীৰ পোষকতা কৰিছিল। এনে কার্যসূচীয়ে সংস্কৃতিৰ গণতান্ত্রিকীকৰণ ঘটাত অৰিহণা যোগাব পাৰে।

ফ্রেইৰিয়ে ঔপনিৱেশবাদ ভংগ হ'বলৈ আৰম্ভ হোৱা সময়ত 'Pedagogy of the Oppressed' নামৰ গ্রন্থখন লিখিছিল। গ্রন্থখন জাতি অথবা ৰাষ্ট্রগঠন বিষয়ক নহয়। ইয়াত কেৱল ব্যক্তিৰ বিকাশ আৰু মানৱ উন্নয়ন সম্পর্কে আলোচনা কৰা হৈছে। ফ্রেইৰিয়ে কৈছে যে মানুহ নিজৰ বি-ঔপনিৱেশীকৰণ (decolonization) প্রক্রিয়াৰ মাজেৰে পাৰ হ'ব লাগিব। ঔপনিৱেশিক চৰকাৰ আঁতৰি গ'লেও মানুহৰ চিন্তা-ধাৰণাবোৰ ঔপনিৱেশিক হৈয়েই ৰৈ যায়। মানুহে ঔপনিৱেশিক সংস্কৃতিকেই নিজৰ সংস্কৃতিতকৈ অধিক গুৰুত্ব দিয়ে। গ্রন্থখনৰ জৰিয়তে তেওঁ দমনৰ তেওঁ দমনৰ বিৰোধিতা কৰিছে। ইয়াত তেওঁ 'সমালোচনাত্মক সাক্ষৰতা' (critical literacy) বোলা অভিধাটো উল্লেখ কৰিছে। ই হ'ল মানুহক স্বাধীন হোৱাত সহায় কৰিব পৰা এক শিকন পন্থা।

ফ্রেইৰিৰ মতে শাসকসকলো মুক্ত অথবা স্বাধীন নহয়। তেওঁলোক নাগৰিক সঁচা, কিন্তু তেওঁলোক ঔপনিৱেশিক শাসনৰ অধীন নাগৰিকহে। তেওঁলোকৰো সমালোচনামূলক সচেতনতা

বিকশিত কৰাৰ সামৰ্থ নাই। সেয়েহে তেওঁলোককো স্বাধীনতাৰ প্ৰয়োজন। ঔপনিৱেশিক নাগৰিকে বস্তু অথবা সামগ্ৰী হিচাপে গণ্য কৰা নিৰক্ষৰ সমাজখনে ভাবে যে তেওঁলোকে কেতিয়াও নিজৰ অৱস্থা সলনি কৰিব নোৱাৰে। তেওঁলোকক এনে চিন্তাৰ পৰা স্বাধীন কৰিবলৈ তেওঁলোকৰ মনত সমালোচনাত্মক সচেতনতাৰ উন্মেষ ঘটাব লাগিব।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে সমালোচনামূলক শিক্ষাদান বিজ্ঞানৰ ধাৰণাটো উপস্থাপন কৰি পাউল' ফ্ৰেইৰিয়ে শিক্ষাৰ ধাৰণাটো সম্প্ৰসাৰিত কৰিছিল। তেওঁৰ মতে শিকনৰ সমালোচনামূলক উপায়েৰে আগবাঢ়িব পাৰিলেহে জ্ঞান নিৰ্মাণ প্ৰক্ৰিয়াটোৰে চিন্তাৰ নতুনত্ব প্ৰদৰ্শন কৰিব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ ব্ৰাজিলৰ জনপ্ৰিয় শিক্ষা আন্দোলনে মনোনিৱেশ কৰা প্ৰধান বিষয়টো কি আছিল?

.....

প্ৰশ্ন ৩ ঃ ফ্ৰেইৰিয়ে কোনখন দেশৰ পৃষ্ঠভূমিত নিজৰ শিক্ষা বিষয়ক ধাৰণাবোৰ বিকশিত কৰিছিল?

.....

প্ৰশ্ন ৪ ঃ ফ্ৰেইৰিৰ মতে মানুহৰ সাংস্কৃতিক মুক্তি লাভ কিহে নিশ্চিত কৰিব পাৰে?

.....

প্ৰশ্ন ৫ ঃ 'Conscientizacão' কি ভাষাৰ শব্দ?

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমালোচনামূলক শিক্ষাদান বিজ্ঞান (Critical Pedagogy) হ'ল শিক্ষাত হোৱা দমনৰ বিষয়ে কৰা উপস্থাপন আৰু অধ্যয়ন।
- সমালোচনা শব্দটোৰ সাধাৰণ অৰ্থ হ'ল বস্তু নাইবা কথাক বিনা প্ৰমাণে মানি নোলোৱা (not taking things for granted), বস্তু নাইবা কথাৰ মাজত থকা জটিলতাবোৰ প্ৰকাশ কৰাৰ লগতে ন্যূনীকৰণবাদ (reductionalism), মতানুতাবাদ (dogmatism) আৰু বিৰোধাভাস (dichotomies) ক প্ৰত্যাহ্বান জনোৱা। সমালোচনা কৰা মানে হ'ল কোনো

বিষয়ত আত্মচিন্তন প্রতিফলিত কৰা। এই প্রক্রিয়াবোৰৰ সহায়ত কৰা সমালোচনাই ক্ষমতা সম্পর্কবোৰৰ অপাৰদর্শী (অস্পষ্ট) সংৰচনাবোৰ প্রকট কৰে।

- পাউল' ৰিগ্‌লাচ নেভেচ ফ্রেইৰি (Paulo Riglus Neves Freire) ৰ যুক্তি অনুসৰি মানৱ হ'বলৈ আমি আত্ম-প্রত্যয়ৰ গৰাকী হ'ব লাগিব। আমি কি কৰোঁ, আমি কেনেকৈ চিন্তা কৰোঁ— এনেবোৰ কথা অইনৰ দ্বাৰা নিয়ন্ত্রিত হ'ব নোৱাৰিব।
- ফ্রেইৰিয়ে ব্রাজিলৰ নিৰক্ষৰ কৃষক সমাজক শিক্ষাদান কৰাৰ প্রয়াস আৰম্ভ কৰিছিল। তেওঁৰ মতে শিক্ষা হ'ল মোক্ষ লাভৰ উৎস। পৰম্পৰাগত শিক্ষণ শৈলীবোৰে দুখীয়াসকলক জ্ঞানৰ নিষ্ক্রিয় আৰু নীৰৱ গ্রাহক বুলি গণ্য কৰে আৰু শ্রেণীটোক সদায় ক্ষমতাহীন কৰি ৰাখে। ফ্রেইৰিৰ মতে সহযোগিতা, বার্তালাপ আৰু সমালোচনামূলক চিন্তাৰ জৰিয়তে প্রতিগৰাকী ব্যক্তিয়ে স্ব-সত্ত্বাৰ একোটা আত্মবোধ বিকশিত কৰিব পাৰে আৰু নিজৰ অধিকাৰ পূৰণৰ হকে মাত মাতিব পাৰে।
- ফ্রেইৰিয়ে শিকনৰ বেংকিং আৰ্হি নামৰ ধাৰণাটো সমর্থন কৰিছিল। তেওঁৰ মতে শিক্ষা ব্যৱস্থাৰ প্রধান সমস্যাটো হ'ল ই এটা বেংকৰ দৰে নিজৰ কাম আৰম্ভ কৰে।
- সমতা আৰু আলাপ-আলোচনাৰ সুবিধা নথকা পৰিৱেশত জ্ঞান সৃষ্টি নহয়। শিক্ষা হ'ল স্বাধীন হোৱাৰ অনুশীলন। শিক্ষক-শিক্ষার্থী দুয়োৰে বাবে ই এখন সমতাপূর্ণ মঞ্চৰ সৃষ্টি কৰে। ই দুয়োপক্ষকে একক উক্তি আৰু নীৰৱতাৰ পৰিৱেশৰ পৰা মুক্ত কৰে। দুয়োটা পক্ষই প্রকৃতার্থত শিকিবলৈ আৰম্ভ কৰে।
- ফ্রেইৰিৰ আলোচনাৰ আন এক বিষয় আছিল কার্যান্বয়ন (Praxis)। কার্যান্বয়ন অবিহনে মানুহে মানৱীয় গুণসম্পন্ন ৰূপত নিজকে প্রতিষ্ঠা কৰিব নোৱাৰে। কার্যান্বয়ন হ'ল এক প্রক্রিয়া। ইয়াৰ জৰিয়তে সিদ্ধান্ত অথবা দক্ষতাবোৰে ব্যক্তিৰ গাত আৰোপিত হৈ মূর্তৰূপ ধাৰণ কৰে নাইবা বাস্তৱত পৰিণত হয়। ইয়াক চিন্তা-ধাৰণাবোৰৰ সৈতে জড়িত হৈ পৰা আৰু এইবোৰৰ অনুশীলন অথবা অভ্যাস কৰাৰ বাস্তৱ কার্য বুলিও ধৰিব পাৰি। কার্যান্বয়ন প্রক্রিয়াৰ মাধ্যমেৰে দমিত অথবা দুখীয়া লোকসকলে নিজৰ বাস্তৱ পৰিস্থিতি সম্পর্কে সমালোচনামূলক সজাগতা বিকশিত কৰিব পাৰে।



৭.৬ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৭.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ (ক) শিক্ষা, (খ) হেগেল, কার্ল মার্ক্স, এণ্ট'নিঅ' গ্রাম্‌শ্চি আৰু ইভান ইলিচ, (গ) প্রশ্ন সোধাৰ

প্রশ্ন নং ২ উত্তৰ ঃ দেশখনৰ পৰা গুৰুতৰ ৰূপ ধাৰণ কৰা নিৰক্ষৰতাৰ সমস্যাটো আঁতৰ কৰা।

প্রশ্ন নং ৩ উত্তৰ ঃ ব্রাজিল।

প্রশ্ন নং ৪ উত্তৰ ঃ সমালোচনামূলক সচেতনতা।

প্রশ্ন নং ৫ উত্তৰ ঃ পর্তুগীজ ভাষাৰ।



৭.৮ আৰ্হি প্রশ্ন

(ক) এটা বা দুটা শব্দত উত্তৰ দিয়ক—

প্রশ্ন নং ১ ঃ ফ্রেইৰিয়ে কিয় বিদ্যালয়ৰ পঢ়া আধাতে এৰিছিল?

প্রশ্ন নং ২ ঃ ফ্রেইৰিৰ মতে মানুহৰ সাংস্কৃতিক মুক্তি লাভ কিহে নিশ্চিত কৰিব পাৰে?

প্রশ্ন নং ৩ ঃ শিক্ষাৰ কোনটো ৰূপত নীৰৱতাৰ সংস্কৃতিয়ে গা কৰি উঠে?

(খ) চমুটোকা লিখক (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ Conscientizacão

প্রশ্ন নং ২ ঃ 'আলাপ-আলোচনাই দমিত আৰু দমনকাৰী উভয়কে মুক্তিৰ পথ দেখুৱায়'— ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ ফ্রেইৰিৰ ভাষা সম্পর্কীয় দৃষ্টিভংগী।

(গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সমাজত দমনৰ অস্তিত্ব আছেনে? যদি আছে, তেন্তে দমিতসকলৰ অৱস্থাৰ ৰূপান্তৰ কেনেকৈ সম্ভৱ হ'ব? ফ্রেইৰিৰ চিন্তা-ধাৰণাৰ ভিত্তিত বিষয়টো আলোচনা কৰক।

প্রশ্ন নং ২ ঃ শিক্ষক-শিক্ষার্থীৰ সম্পর্কৰ বিষয়ে ফ্রেইৰিৰ দৃষ্টিভংগী কেনে আছিল? তেওঁৰ শিকনৰ বেংকিং ধাৰণাটো বহলাই ব্যাখ্যা কৰক।

****

অধ্যায় ৮ ঃ শিক্ষা সম্পর্কে থকা বিকল্প দৃষ্টিভংগী— ৰবীন্দ্রনাথ ঠাকুৰ আৰু মহাত্মা গান্ধী

অধ্যায় গাঁঠনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ গান্ধীৰ শিক্ষা সম্পৰ্কীয় ধাৰণা

৮.৪ ঠাকুৰৰ শিক্ষা সম্পৰ্কীয় ধাৰণা

৮.৫ ঠাকুৰ আৰু গান্ধীৰ ধাৰণাসমূহৰ তুলনা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মোহনদাস কৰমচাঁদ গান্ধীৰ শিক্ষা সম্পৰ্কীয় ধাৰণাবোৰৰ বিষয়ে জানিব পাৰিব
- ৰবীন্দ্রনাথ ঠাকুৰৰ শিক্ষা সম্পৰ্কীয় ধাৰণাবোৰৰ বিষয়ে অৱগত হ'ব।

৮.২ পৰিচয়

শিক্ষাৰ প্রচলিত আনুষ্ঠানিক ব্যৱস্থাবোৰতকৈ মহাত্মা গান্ধী আৰু ৰবীন্দ্রনাথ ঠাকুৰৰ শৈক্ষিক চিন্তা-ধাৰণাসমূহ আছিল সম্পূর্ণ পৃথক। প্রচলিত শিক্ষা ব্যৱস্থাত শিক্ষার্থীয়ে বিদ্যালয়ত থাকিবলগীয়া সময়খিনি অনমনীয়ভাৱে স্থিৰ আৰু বিদ্যালয়ত অনুসৰণ কৰিবলগীয়া পাঠ্যক্রমো যথেষ্ট কাঢ়া। দুয়োগৰাকী চিন্তাবিদে শিশুৰ বাবে এৰ ভিন্নধর্মী শিক্ষাৰ আৰ্হি বাস্তৱ কৰি তোলাৰ পোষকতা কৰিছিল। দুয়ো উপস্থাপন কৰা এই আৰ্হিটোক বর্তমানৰ পটভূমিত 'বিকল্প শিক্ষা আৰ্হি' বুলি বিবেচনা কৰি চাব পৰা যায়। এই অধ্যায়টিত দুয়োগৰাকী চিন্তাবিদৰে শিক্ষা সম্পৰ্কীয় দৃষ্টিভংগীসমূহ আলোচনা কৰা হ'ব।



জানি থোৱা ভাল

বিকল্প বিদ্যালয় (Alternative School) হ'ল বিদ্যালয়ত শিক্ষাদান তথা শিক্ষাগ্রহণ কৰাৰ কিছুমান পদ্ধতি। ইয়াত শিক্ষণ-শিকনৰ বাবে প্রয়োগ কৰা কৌশলসমূহ সম্পূর্ণ অপৰম্পৰাগত প্রকৃতিৰ। ই গতানুগতিক আনুষ্ঠানিক শিক্ষণ-শিকন প্রক্রিয়াবোৰতকৈ পৃথক।

৮.৩ গান্ধীৰ শিক্ষা সম্পর্কীয় ধাৰণা

গান্ধীৰ জীৱনকালত প্রচলিত শিক্ষা ব্যৱস্থাই এক কেন্দ্রীভূত আৰু সমৰূপী উচ্চ শিক্ষা ব্যৱস্থা গঢ়ি তোলাত মনোনিৱেশ কৰিছিল। এই সময়ছোৱাত শিক্ষাৰ লক্ষ্য আছিল ল'ৰা-ছোৱালীৰ মনত শিক্ষাক সামাজিক কল্যাণ সাধন কৰা এটা উপায় বুলি বিবেচনা কৰা এক সাধাৰণ মনোভাৱৰ উন্মেষ ঘটোৱা। মহাত্মা গান্ধীৰ মতে ভাৰতত প্রচলিত শিক্ষা অনুশীলনবোৰৰ চৰম ত্রুটিটো হ'ল ই অস্তিত্বৰ ধাৰাবাহিকতা ভংগ কৰে। ই শিক্ষিত আৰু অশিক্ষিতৰ মাজত ব্যৱধানৰ সৃষ্টি কৰে। অৱশেষত এই দুয়োটা শ্রেণীৰ মাজত কোনো উমৈহতীয়া বৈশিষ্ট্য নাথাকেগৈ। গান্ধীয়ে নিজৰ জীনকালত ভাৰতত প্রচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ মতিগতি সম্পর্কে সন্দেহ প্রকাশ কৰিছিল। কাৰণ, এই ব্যৱস্থাই ব্যক্তিক সম্প্রদায়ৰ উর্দ্ধত স্থান দি প্রাচীন ভাৰতীয় আদর্শসমূহৰ প্রৱাহ ব্যাহত কৰিছিল। প্রচলিত শিক্ষা ব্যৱস্থাই সামাজিক বান্ধোন আৰু দায়িত্ববোধ শিথিল কৰি পেলাইছিল। গান্ধীৰ মতে প্রকৃত শিক্ষাৰ মূল হ'ল এটা প্রজন্মন পূৱবর্তী প্রজন্মৰ ভাৱ-আদর্শসমূহ আগবঢ়াই নিব পৰাকৈ উপযুক্ত কৰি তোলা। ই সামাজিক ব্যৱধান নাইকুয়া কৰাৰ লগতে সামূহিক জীৱনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিব। প্রাচীন ভাৰতীয় পৰম্পৰা আৰু সংস্কৃতিৰ ভিত্তিত গঢ় লৈ উঠা প্রমূল্যসমূহ বর্তাই ৰখাৰ দায়িত্ব পালন কৰাৰ লগতে শিক্ষাই এক সামাজিক বিপ্লৱ সূচনাকাৰী আহিলাৰ ভূমিকাও পালন কৰিব লাগিব। তেতিয়াহে মানুহৰ এক সহযোগিতাকেন্দ্রিক কল্যাণকামী সমাজ প্রতিষ্ঠা কৰিব পৰা যাব।

এয়া সকলোৱে জানো যে গান্ধীৰ চিন্তাৰ কেন্দ্রবিন্দু আছিল দেশ। স্বদেশক বিদেশীয়ে অধিকাৰ কৰি লোৱা কথাটোৱে তেওঁৰ চিন্তা জগত আগুৰি আছিল। তেওঁ বিশ্বাস কৰিছিল যে একমাত্র উপযুক্ত শিক্ষাৰ সহায়তহে মানুহে স্বাধীনতাৰ সোৱাদ পাব পাৰে। গান্ধীৰ মতে ভাৰতৰ জনসাধাৰণক শিক্ষাগত দিশেৰে, নৈতিক আৰু সামাজিক ভাৱে প্রশিক্ষণ দি সাজু কৰি তুলিব নোৱাৰিলে ৰাজনৈতিক স্বাধীনতা ক্ষতিগ্রস্ত হ'ব। গণতন্ত্র বর্তাই ৰাখিবলৈ ভাৰতীয় নাগৰিকক শিক্ষিত কৰি তুলিবই লাগিব। এই শিক্ষা ৰাজনৈতিক আৰু সামাজিক দুয়ো ধৰণৰ হ'ব লাগিব।

- **গান্ধীৰ বুনিয়াদী শিক্ষাৰ আৰ্হি ঃ**

গান্ধীৰ মতে ব্যক্তিক নিজ চৰিত্ৰ গঠন কৰিব পৰা আৰু নিজৰ বৈশিষ্ট্যসমূহ প্ৰশিক্ষণৰ জৰিয়তে উজলাই তুলিব পৰাকৈ শিক্ষিত কৰি তোলাৰ লগতে মানৱ জাতিৰ সেৱাৰ খাতিৰত নিজৰ আৱেগ-বাসনা (passion)ক নিয়ন্ত্ৰণ কৰিবলৈ শিকোৱা শিক্ষাহে প্ৰকৃত শিক্ষা। তেওঁ বৃটিছ শিক্ষা ব্যৱস্থাৰ নিৰৰ্থকতাক প্ৰশ্ন কৰিছিল আৰু শিক্ষা বিষয়ক নিজৰ পৰিকল্পনা উপস্থাপন কৰিছিল। তেওঁ এই পৰিকল্পনাৰ নাম দিছিল বুনিয়াদী শিক্ষা (Basic Education) নাইবা 'নয়ী তালিম'। ভাৰতৰ প্ৰথমটো কৰ্মসংস্থাপনকেন্দ্ৰিক, প্ৰমূল্যভিত্তিক আৰু জনগণকেন্দ্ৰিক শিক্ষাৰ আৰ্হি মহাত্মা গান্ধীয়ে প্ৰস্তুত আৰু উপস্থাপন কৰিছিল বুলি ক'লেও ভুল নহয়। গান্ধীৰ এই 'বুনিয়াদী শিক্ষ'' নামৰ আৰ্হিটোৱে হস্তকৰ্মৰ প্ৰশিক্ষণৰ লগতে নানা ধৰণৰ বৌদ্ধিক অনুশীলনৰ পৰিকল্পনা উপস্থাপন কৰিছিল। গান্ধীৰ শিক্ষা আৰ্হিটোক ভাৰতৰ প্ৰথম 'শিক্ষাক বৃত্তিমুখী কৰি তোলাৰ প্ৰয়াসকাৰী' আৰ্হি বুলি অভিহিত কৰা হয়। গান্ধীয়ে সামাজিক সচেতনতা গঢ়াত জোৰ দিয়া আৰু প্ৰত্যেক ব্যক্তিৰে মৰ্যাদাৰ প্ৰতি সন্মান জনোৱা বুনিয়াদী শিক্ষাৰ ৰূপ এটাৰ প্ৰচলন ঘটোৱাৰ পোষকতা কৰিছিল। তেওঁৰ মতে হস্তশিল্প (Craft) শিক্ষাৰ কেন্দ্ৰবিন্দু হোৱা উচিত। তেওঁ বিশ্বাস কৰিছিল যে 'হস্তশিল্পকেন্দ্ৰিক শিক্ষা ব্যৱস্থা এটাই দেশত এক নতুন যুগৰ সূচনা কৰিব। ইয়াৰ ফলত সমাজৰ পৰা শ্ৰেণী বৈষম্য, সাম্প্ৰদায়িক ঘৃণা আৰু শোষণৰ দৰে কুপ্ৰথাবোৰ নাইকিয়া হ'ব। হস্তশিল্পই প্ৰতিগৰাকী শিল্পী-কৰ্মীৰ ব্যক্তিগত বৈশিষ্ট্যসমূহ অক্ষুণ্ণ ৰখাৰ উপৰি তেওঁলোকৰ মাজত সহযোগিতা তথা দলীয়ভাৱে কৰ্ম কৰাৰ মনোভাৰ গঢ়ি তুলিব। গান্ধীয়ে 'হাতে-কামে কৰি শিকা' (learning by doing)ৰ নীতিত গুৰুত্ব আৰোপ কৰিছিল। এনে শিক্ষা পদ্ধতিয়ে শিক্ষাৰ্থীক বিদ্যালয়ত উৎপাদনশীল কাৰ্যত ব্যস্ত ৰাখিব পাৰিব। 'হাতে-কামে কৰি শিকা'ৰ পদ্ধতিয়ে শিক্ষাৰ্থীসকলক নিজৰ পূৰ্বপুৰুষে যি শিল্পকৰ্মৰ দ্বাৰা জাতীয় তথা সামাজিক জীৱন প্ৰতিষ্ঠা কৰিছিল তেনেবোৰ শিল্পকৰ্মত নিপুণ হোৱাৰ প্ৰশিক্ষণো দিব পাৰিব। অৰ্থাৎ, এই শিক্ষা ব্যৱস্থাৰে বৰ্তমান তথা পূৰ্বজ প্ৰজন্মৰ মাজৰ ধাৰাবাহিকতা অব্যাহত ৰাখিব পৰা যাব। গান্ধীয়ে এয়াও কৈছিল যে নিজে নিজৰ কাম কৰিবলৈ শিকা ল'ৰা-ছোৱালীয়ে শ্ৰমৰ জৰিয়তে প্ৰশিক্ষণৰ মাচুল পৰিশোধ কৰাতো যে দেশপ্ৰেমৰ চানেকী সেয়া সহজে উপলব্ধি কৰিব পাৰিব।

১৯৩৭ চনত 'ৱাৰ্দ্ধা আঁচনি'ৰ জৰিয়তে গান্ধীয়ে ঔপনিৱেশিক শিক্ষা ব্যৱস্থাৰ প্ৰত্যুত্তৰ হিচাপে নিজৰ শিক্ষা আৰ্হিটো উপস্থাপন কৰিছিল। ইয়াত 'নঈ তালিম' নাইবা 'বুনিয়াদী শিক্ষা'ৰ এক ৰাষ্ট্ৰীয় কাৰ্যসূচী সন্নিৱিষ্ট কৰা হৈছিল। গান্ধীয়ে থলুৱা হস্তশিল্পসমূহক কেন্দ্ৰ কৰি বিদ্যালয়ে প্ৰদান কৰিবলগীয়া জ্ঞানৰ পুনৰ গঠন কৰাৰ প্ৰস্তাৱ দিছিল। তেওঁৰ এই প্ৰস্তাৱ আছিল দেশত প্ৰচলিত ব্ৰাহ্মণ্যবাদী শিক্ষা আৰু ঔপনিৱেশিক শিক্ষা ব্যৱস্থাৰ পৰা মুক্ত হ'বলৈ কৰা এক বৈপ্লৱিক আহ্বান। গান্ধীৰ শিক্ষা আৰ্হিয়ে

পাঠ্যক্রম প্রস্তুত তথা শিক্ষাদান বিজ্ঞানৰ কেন্দ্রীভূত কর্তৃপক্ষক প্রত্যাহ্বান জনাইছিল। তেওঁৰ প্রস্তাৱিত শিক্ষা পদ্ধতিয়ে শিক্ষকৰ সামর্থ আৰু স্থানীয় জ্ঞানৰ গুৰুত্বক অগ্রাধিকাৰ দিছিল। বুনিয়াদী শিক্ষাৰ মূল উদ্দেশ্য আছিল অগ্রগতি লাভ কৰা ঔদ্যোগিকীকৰণৰ যুগত গাঁৱলীয়া ল'ৰা-ছোৱালীখিনিৰ উৎপাদন সামর্থপূর্ণ বিকশিত কৰা। ই আছিল কর্মৰ জৰিয়তে জ্ঞান উৎপন্ন তথা প্রসাৱিত কৰা প্রয়াস। তাত্ত্বিক দিশেৰে গান্ধীৰ চিন্তা-ধাৰণাৰ ডিৱিৰ শৈক্ষিক তত্ত্ববোৰৰ সৈতে মিল আছিল। ডিৱি (Dewey)-এ এনে এক বিদ্যালয় প্রণালীৰ পোষকতা কৰিছিল যিটো সামাজিক জীৱনৰ সৈতে সংগত হৈ থাকে। তেওঁৰ শিক্ষা আৰ্হিয়ে ইটালীয়ান শিক্ষাবিদ মাৰিয়া মণ্টেচ্চৰীৰ দৃষ্টি আকর্ষণ কৰিছিল। মণ্টেচ্চৰীয়ে ভাৰতৰ শিক্ষকসকলক ১৯৩৯ ৰ পৰা ১৯৪৭ চনলৈ প্রশিক্ষণ দিছিল। এই প্রশিক্ষণে ভাৰতত মণ্টেচ্চৰীৰ শিশুকেন্দ্রিক শিক্ষাদানৰ চিন্তা-ধাৰণাসমূহক গভীৰভাৱে খোপনি পোতাত সহায় কৰিছিল।

প্রথম অৱস্থাত গান্ধী বিজ্ঞান শিক্ষাৰ সমর্থক নাছিল। পাছলৈ অৱশ্যে তেওঁ এক নতুন বিজ্ঞানৰ সম্ভাৱনা তথা ইয়াৰ অনুশীলন বিষয়ক চিন্তা-চর্চাত মনোনিৱেশ কৰিছিল। 'খাদী' আৰু বুনিয়াদী শিক্ষা বিষয়ক গান্ধীৰ ৰচনাৰাজিৰ মাজত তেওঁৰ এই দৃষ্টিভংগী প্রতিফলিত হৈছিল। তেওঁ বুনিয়াদী শিক্ষা ব্যৱস্থাত হস্তশিল্পৰ তাৎপর্যৰ কথা অহৰহ উল্লেখ কৰিছিল। তেওঁ প্রতিটো শিশুকে বিজ্ঞানসম্মতভাৱে প্রতিটো হস্তশিল্প শিকোৱাত জোৰ দিছিল। গান্ধীৰ মতে ল'ৰা-ছোৱালীবোৰে শিকিবলৈ লোৱা হস্তশিল্পটোৰ প্রতিটো প্রক্রিয়া খৰছি মাৰি জনা উচিত। তেওঁ কৈছিল যে এনে শিকন কৌশলে শিকন দক্ষতা সমৃদ্ধ কৰে আৰু পৰৱর্ত্তী সময়ত যথেষ্ট পৰিমাণে শ্রম ৰাহি কৰে। এনে শিকন কৌশলে ল'ৰা-ছোৱালীক এবছৰতে বহু কথা আয়ত্ব কৰাত সহায় কৰিব যিবোৰ হয়তো সিহঁতে প্রচলিত 'বিদ্যালয়ভিত্তিক শিক্ষা'ৰ এছোৱা দীঘলীয়া সময়ৰ ভিতৰতহে শিকিব পাৰিলেহেঁতেন। শিক্ষাৰ এই হস্তশিল্পভিত্তিক বিজ্ঞানসম্মত দিশটো গান্ধীৰ বাবে শিক্ষাৰ যান্ত্রিক দিশতকৈ বহুগুণে অধিক গুৰুত্বপূর্ণ আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ গান্ধীয়ে কোৱা 'হস্তশিল্পকেন্দ্রিক শিক্ষা'ৰ সুফলসমূহ কি কি?

.....

.....

.....

.....

প্রশ্ন ২ ঃ গান্ধীয়ে শিক্ষাৰ কোনটো ৰূপৰ প্রত্যুত্তৰ হিচাপে নিজৰ শিক্ষা আৰ্হিটো উপস্থাপন কৰিছিল ?

.....

- **গান্ধীৰ শিক্ষা আৰ্হিত অর্থনৈতিক দিশৰ গুৰুত্ব ঃ**

মহাত্মা গান্ধীয়ে বিশ্বাস কৰিছিল যে শিক্ষা ব্যৱস্থাত অর্থনৈতিক কার্যকলাপে এটা মৌলিক অংশৰ ভূমিকা পালন কৰিব লাগে। অর্থনৈতিক কার্যকলাপ বুলি গান্দীয়ে মূলতঃ হস্তশিল্প প্রস্তুত কৰাৰ কাম-কাজবোৰকে বুজাছিল। তেওঁৰ মতে শিশুৰ সকলোবোৰ গুণ আৰু বৈশিষ্ট্য হস্তশিল্পৰ শিক্ষা দি বাহিৰ কৰা উচিত। ইয়াৰ উপৰি ইতিহাস, পাটীগণিত আৰু ভূগোলৰ গৰে বিষয়বোৰ শিক্ষার্থীয়ে শিকি থকা শিল্পবিধৰ সৈতে জড়িত প্রকৃতিৰ হোৱা উচিত। গান্ধীয়ে হস্তশিল্প শিকাত জোৰ দিয়াৰ কাৰণ ইয়াৰ সৈতে জড়িত অর্থনৈতিক উদ্দেশ্য ফলৱতী কৰাটোৱেই নহয়। গান্ধীৰ মতে শিক্ষাই উপযুক্ত অনুশীলন আৰু শৰীৰৰ অংগ প্রত্যংগবোৰৰ উপযুক্ত প্রশিক্ষণ দাবী কৰে। সেয়েহে, ব্যক্তিৰ আত্মৰ লগতে মন আৰু শৰীৰৰ প্রশিক্ষণো একে সময়তে আগবাঢ়ি গৈ থকা উচিত। গান্ধীয়ে শিক্ষাক মানৱ মূলধনৰ বিকাশ সাধনকাৰী এক আহিলা হিচাপে গণ্য কৰিছিল। তেওঁৰ মতে প্রচলিত শিক্ষা ব্যৱস্থাই দেশৰ জনসাধাৰণৰ উৎপাদনশীল বিকাশ ব্যাহত কৰিছিল। এই শিক্ষা ব্যৱস্থাই মানুহক বিশৃংখল কৰি পেলোৱাৰ ফলত দৰিদ্রতা, নিৰনুৱা সমস্যা আৰু হতাশাৰ দৰে সমস্যাসমূহে গা কৰি উঠাৰ চল পাইছিল। গান্ধীৰ 'নয়ী তালিম'ৰ ক্ষেত্রত মনোযোগৰ কেন্দ্রীয় বিষয় আছিল সমাজৰ উৎপাদনশীল শক্তিসমূহ। এই শিক্ষা আৰ্হিৰ মূল উদ্দেশ্য আছিল জনসাধাৰণৰ উৎপাদনশীল তথা সামাজিক দক্ষতা বিকশিত কৰা।

ব্যক্তিত্বৰ বিকাশ কৰাৰ উপৰি শিক্ষাই বৃত্তিমুখী প্রশিক্ষণৰ পাঠ্যক্রম আগবঢ়াই নিব লাগে। ই সমাজৰ সদস্যসকলৰ আর্থিক প্রয়োজনীয়তা পূৰণত সহায় কৰিব। গান্ধীয়ে বিশ্বাস কৰিছিল যে সমাজৰ প্রতিগৰাকী ব্যক্তিৰে জীৱনৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰাৰ সমান অধিকাৰ আছে। একে সময়তে প্রতিগৰাকী ব্যক্তিয়ে শাৰীৰিক শ্রমৰ দ্বাৰা কিছুমান কাম কৰি নিজৰ সামাজিক কর্তব্য কিছুমানো সম্পাদন কৰিব লাগে। গান্ধীয়ে প্রস্তুত কৰা নতুন শিক্ষা আঁচনিত মানুহৰ মনত এনেধৰণৰ নতুন প্রমূল্য কর্ষণ কৰাৰ কথা কোৱা হৈছিল। এই প্রমূল্যবোৰে তেওঁলোকক আত্মনির্ভৰশীল কৰি তোলাৰ লগতে আর্থিক আৱশ্যকতাও পূৰণ কৰিব।

- **শিক্ষাৰ মৌলিক গুৰুত্ব ঃ**

শিক্ষাৰ চৰম লক্ষ্য হ'ল ব্যক্তিৰ স্ব-সত্বাক বাস্তৱ ৰূপ দিয়া আৰু মানৱ ব্যক্তিত্বৰ সম্পূর্ণ বিকাশ সাধন কৰা। এই লক্ষ্য মানৱ জীৱনৰ চৰম লক্ষ্য সম্পর্কে গান্ধীয়ে আগবঢ়োৱা ধাৰণাৰ সৈতে মিলে। গান্ধীৰ মতে মানৱ জীৱনৰ চৰম লক্ষ্য হ'ল পৰম বাস্তৱৰ

উপলব্ধি— এই বাস্তৱ হ'ল ঈশ্বৰ নাইবা সত্যৰ জ্ঞান।

সমগ্র সম্প্রদায়কে সামৰি ল'ব পৰাকৈ গান্ধীৰ শিক্ষাৰ আৰ্হিটো আছিল অত্যন্ত কেন্দ্রীভূত প্রকৃতিৰ। ইয়াক একোটা সম্পূর্ণ সম্প্রদায়ক উদ্বুদ্ধ কৰি তুলিব পৰাকৈ সজাই লোৱা হৈছিল। গান্ধীৰ শিক্ষাৰ আৰ্হিয়ে সম্প্রদায় স্তৰত দায়িত্ববোধ আৰু ভৱসাযোগ্যতাৰ উদ্রেক কৰাত জোৰ দিছিল। আর্থ-সামাজিক ন্যায়ৰ ভিত্তিত গান্ধীয়ে এটা সামাজিক শৃংখলা প্রতিষ্ঠা কৰিব খুজিছিল। এনে সামাজিক শৃংখলাত 'কোনো দাল-দৰিদ্র নাইবা ভিখাৰী নাথাকিব, কোনো উচ্চ-নীচ নাথাকিব, কোনো লাখপতি নিযুক্তিদাতা আৰু অর্ধাহাৰে থকা কর্মচাৰী নাথকিব'। এনে এখন সমাজ গঢ়াত তেওঁৰ শিক্ষা আঁচনিখনে সহায় কৰিব বুলি গান্ধী আশাবাদী আছিল।

গান্ধীৰ চিন্তা অনুসৰি শিক্ষাৰ বহল লক্ষ্য হ'ল মানুহৰ মনত সত্যৰ মোল প্রতিষ্ঠা কৰা, মানুহৰ মনত সত্যৰ মোল প্রতিষ্ঠা কৰা, মানুহক অহিংসাৰ প্রয়োজনীয়তা বুজোৱা, শ্রমৰ মর্যাদা শিকোৱা, ব্রহ্মচর্যৰ গুৰুত্ব বুজোৱা, স্বদেশীৰ আৱশ্যকতা সম্পর্কে সচেতন কৰা, অস্পৃশ্যতাৰ নিৰর্থকতা উপলব্ধি কৰাত সহায় কৰা, উপবাসৰ তাৎপর্য বুজোৱা তথা মানৱ জাতিৰ সেৱাত আত্ম-উছর্গা কৰিবলৈ উদ্বুদ্ধ কৰা। তেওঁ তিনিটা 'H'-ত গুৰুত্ব আৰোপ কৰিছিল। 'H' তিনিটা হ'ল— হেড (মস্তিস্ক), হার্ট (হৃদয়) আৰু হেণ্ড (হাত)। তেওঁৰ মতে এই তিনিটাই পঠন, লেখন অথবা গণিত শিকনতকৈ অধিক ভালকৈ শিক্ষা লাভত সহায় কৰে। গান্ধীৰ মত অনুসৰি শিক্ষাৰ এক সন্তোষজনক ব্যৱস্থা গঢ়ি তুলিবলৈ মস্তিষ্ক, হৃদয় আৰু হাতৰ প্রকৃত বিকাশ অতি আৱশ্যকীয়। ব্যক্তিৰ আধ্যাত্মিক, বৌদ্ধিক আৰু শাৰীৰিক বৈশিষ্ট্যসমূহক উদ্দীপনা যোগোৱা আৰু সেইবোৰক সমৃদ্ধ কৰি তোলা শিক্ষাহে প্রকৃত শিক্ষা। একোগৰাকী সম্পূর্ণ ব্যক্তি গঢ়ি তোলা আৰু প্রতিগৰাকী ব্যক্তিৰ অবিচ্ছেদ্য ব্যক্তিত্ব গঠন কৰাটোৱেই শিক্ষাৰ লক্ষ্য হোৱা উচিত। "সাক্ষৰতাই শিক্ষা নহয়। ই শিক্ষাৰ অন্তিম লক্ষ্যও নহয় আৰম্ভণি বিন্দুও নহয়।" মানৱৰ অন্তর্নিহিত দিশবোৰ উন্মোচন কৰিব পৰা এক প্রক্রিয়াৰ নাম শিক্ষা। শিক্ষা বিমূর্ত অথবা বিচ্ছিন্ন শিতনাত বিভক্ত ধাৰণা হ'ব নালাগে। শিক্ষাৰ প্রকৃতি মূর্ত আৰু আন্তঃসম্পর্ক প্রদর্শনকাৰী হোৱা উচিত। মূর্ত শিক্ষাই শিক্ষার্থীক কোনো সমস্যা নাইবা সমস্যাৰ সমষ্টি এটাক বিভিন্ন দিশেৰে বিচাৰ কৰি চোৱাৰ, সমস্যাবোৰৰ মাজত থকা সম্পর্ক অধ্যয়ন কৰাৰ, চৰিত্র তথা শৈল্পিক বোধ বুজাত সহায় কৰে। ই মন, হৃদয়, হাত আৰু চকুক সমকালীনভাৱে তথা সহঃসম্পর্কযুক্ত বৈশিষ্ট্যৰে কাম কৰাৰ সুযোগ দিয়ে। মানুহৰ সামঞ্জস্যপূর্ণ আৰু সু-সমতাযুক্ত ব্যক্তিত্ব হ'ল এনে শিক্ষাৰ ফলাফল। গান্ধীয়ে শিশুক মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা দিয়াৰ পোষকতা কৰিছিল। কাৰণ, ই শিশুৰ সামাজিক তথা সাংস্কৃতিক পৰিৱেশত জৈৱিকভাৱে সংলগ্ন হৈ থাকে।

৮.৪ ঠাকুৰৰ শিক্ষা সম্পৰ্কীয় ধাৰণা

ভাৰতীয় শিক্ষা ব্যৱস্থা সম্পৰ্কে গঠনমূলক দৃষ্টিভংগী উপস্থাপন কৰাসকলৰ অন্যতম হ'ল সাহিত্যিক চিন্তাবিদ ৰবীন্দ্রনাথ ঠাকুৰ। শৈশৱকালত তেওঁ ধর্মীয় পুনৰুত্থানবাদ (Religious Revivalism) ৰ দ্বাৰা প্রভাৱিত হৈছিল। পৰৱর্তী সময়ত শৈল্পিক নৱজাগৰণ (Artistic Renaissance) আৰু সমগ্র দেশতে বিয়পি পৰা জাতীয় আন্দোলনে ঠাকুৰক প্রভাৱিত কৰিছিল। তেওঁ সকলো ধৰণৰ 'ভাৰতীয়' বস্তু তথা বিষয়ৰ প্রতি স্বাৱগতভাৱে সহানুভুতিশীল আছিল। ভাৰতীয়ত্বক কেন্দ্র কৰি জাগি উঠা নতুন চিন্তা প্রৱাহবোৰে তেওঁৰ এই মনোভাৱ গাঢ়তৰ কৰি তুলিছিল। দেশত সেই সময়ত প্রচলিত শিক্ষা ব্যৱস্থা আৰু ইয়াৰ অশুভ প্রকৃতিটোক সমালোচনা কৰা প্রথমগৰাকী ভাৰতীয় আছিল ৰবীন্দ্রনাথ ঠাকুৰ। তেৱেঁই পোনপ্রথমে ছাত্র-ছাত্রীক মাতৃভাষাত শিক্ষাদান কৰাত সর্বাধিক গুৰুত্ব আৰোপ কৰি এই সন্দর্ভত স্পষ্ট মনোভাৱাপন্ন লেখনী লিখিছিল। ব্যক্তিৰ শিক্ষা তথা ব্যক্তিগত জীৱনত মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে তেওঁ সদায় সৰব আছিল। বিদেশী ভাষা এটাক শিক্ষণৰ মাধ্যমৰূপে ব্যৱহাৰ কৰিলে ই ব্যক্তিৰ মৌলিক অভিব্যক্তি প্রকাশত অন্তৰায়ৰ সৃষ্টি কৰিব বুলি ঠাকুৰে মত প্রকাশ কৰিছিল। তেওঁৰ মতে সাধাৰণ জনগণৰ মাজত মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাৰ প্রসাৰ ঘটোৱা উচিত। তেওঁ ইংৰাজী ভাষাটোক মাতৃবাষাৰ অনুপূৰক ভাষা হিচাপে ব্যৱহাৰ কৰাৰ পোষকতা কৰিছিল। ঠাকুৰৰ মতে দেশৰ সাধাৰণ নাগৰিকৰ উন্নয়নৰ হকে কাম নকৰা পর্যন্ত কোনো শৈক্ষিক উন্নতিৰ পৰিকল্পনাই বাস্তৱ ৰূপ নহয়।

ৰবীন্দ্রনাথ ঠাকুৰ বিদেশী দৃষ্টিভংগীবোৰৰ প্রতিও যথেষ্ট সংবেদনশীল আছিল। তথাপিও তেওঁৰ নিজৰ দৃষ্টিকোণৰ ভেটি আছিল ভাৰতীয় দর্শন। তেওঁ এনে এক দৃষ্টিভংগী নির্মাণৰ প্রয়াস কৰিছিল য'ত ব্যক্তিৰ মোল তথা মর্যাদাৰ প্রতি উপযুক্ত সন্মান প্রদর্শন কৰা এক সর্বাত্মতা আৰু সামগ্রিকতাৰ অনুভৱ বিৰাজ কৰিব। ঠাকুৰে বিশ্বাস কৰিছিল যে পাৰিপার্শ্বিকৰ সৈতে থকা সংযোগ হেৰুৱাই পেলোৱাৰ বাবে ভাৰতীয় শিক্ষা ব্যৱস্থা দুর্বল হৈ পৰিছিল। ইয়াৰ উদাহৰণ হিচাপে তেওঁ ইউৰোপৰ বিশ্ববিদ্যালয়সমূহলৈ আঙুলিয়াই দেখুৱাইছিল। ইউৰোপিয়ান বিশ্ববিদ্যালয়সমূহে লাহে লাহে বিজ্ঞান আৰু সংস্কৃতিৰ দিশত প্রগতিৰ পথেৰে আগুৱাই যোৱাৰ লগতে ইউৰোপিয়ান জীৱনৰ এক প্রাণৱন্ত জৈৱিক অংগৰূপে নিজৰ বিৱর্তন ঘটাইছিল। ভাৰতেও একে ধৰণে নিজৰ অনুষ্ঠান-প্রতিষ্ঠানসমূহক ক্রমবিকাশৰ পথেৰে আগবঢ়াই নিয়া উচিত বুলি ঠাকুৰে মত পোষণ কৰিছিল। তেওঁৰ মতে দেশৰ অনুষ্ঠান-প্রতিষ্ঠানসমূহক ভাৰতীয় পৰম্পৰাৰে সজাই তুলি সেইবোৰক অনুক্রমে বিকশিত হোৱাৰ সুযোগ দিয়া উচিত।

ৰবীন্দ্রনাথ ঠাকুৰে আধুনিক মানৱতাবাদী শিক্ষাৰ ইউৰোপিয়ান পৰম্পৰাবোৰৰ পৰা সমল আহৰণ কৰি ভাৰতীয় পৃষ্ঠভূমিত শৈশৱৰ ধাৰণাটোক কেন্দ্র কৰি এক যুক্তিবাদী শিক্ষাদান বিজ্ঞান (Liberationist Pedagogy) বিকশিত কৰিছিল। তেওঁ এই শিক্ষাশাস্ত্রক অর্থনৈতিক কার্যকলাপ তথা আধুনিক বৈজ্ঞানিক অগ্রগতিৰ সৈতে খাপ খুৱাই লৈ অনুশীলন কৰাৰ পৰামর্শ

দিছিল। পাশ্চাত্যৰ শিক্ষাবিদ ডিৰি আৰু মণ্টেচ্চৰীৰ পৰা ঠাকুৰে প্রয়োজনীয় অনুপ্রেৰণা আহৰণ কৰিছিল। তেওঁৰ শৈক্ষিক তত্ত্ববোৰে এক কার্যকলাপকেন্দ্রিক পাঠ্যক্রমৰ পোষকতা কৰিছিল। এনে পাঠ্যক্রমত "শিক্ষকৰ প্রথমিক কাম হ'ব সৃজনশীল কার্যকলাপৰ বাবে একোটা অনুকূল পৰিৱেশ গঢ়ি তোলা"। ঠাকুৰৰ শিক্ষাদান বিজ্ঞান শিশুৰ অনুসন্ধিৎসা, সৃজনশীলতা আৰু আত্ম-নিয়ন্ত্রণৰ পূর্বানুমানৰ ভিত্তিত বিকশিত হৈছিল।

ৰবীন্দ্রনাথ ঠাকুৰৰ শৈক্ষিক চিন্তাবোৰ ভালদৰে বুজি পাবলৈ আমি প্রথমতে তেওঁৰ জীৱন দর্শন সম্পর্কে কিছু কথা জানি ল'ব লাগিব। ঠাকুৰৰ মতে সমগ্র বিশ্ব-ব্রহ্মাণ্ড হ'ল সর্বদা তথা সর্বত্র বিৰাজমান এক সর্বশক্তিমান পৰম সত্তাৰ মূর্ত্ত প্রকাশ। এই দর্শনৰ বাবেই তেওঁ জীৱ-জড় আৰু জৈৱিক-অজৈৱিক সকলোতে সক্রিয় হৈ থকা বৈচিত্র্যৰ মাজত ঐক্যৰ নীতিটোৰ তাৎপর্যক গুৰুত্ব দিছিল। ঠাকুৰে বিশ্বাস কৰিছিল যে বিশ্ব-ব্রহ্মাণ্ডৰ সকলোতে একোটা সৰগীয় দ্যুতি বিৰাজ কৰে। এই কথাই তেওঁক ঈশ্বৰ সৃষ্ট সকলো বস্তুকে সন্মান কৰিবলৈ শিকাইছিল। এয়াই আছিল ঠাকুৰৰ প্রকৃতিবাদ, মানৱতাবাদ আৰু আন্তর্জাতিকতাবাদৰ প্রকৃত আধাৰ। তেওঁ পশ্চিমীয়া সভ্যতা আৰু সংস্কৃতি তন্নতন্নকৈ অধ্যয়ন কৰিছিল আৰু তাত থকা সকলোবোৰ যুক্তিসংগত তথা শুভংকৰ কথা গ্রহণ কৰিছিল। এই অধ্যয়ৰ ফলশ্রুতিতে তেওঁ ব্যক্তিক যুক্তিসংগতভাৱে চিন্তা কৰা আৰু ব্যক্তিগত তথা সমাজ জীৱনত বিজ্ঞানসন্মত মনোভাৱেৰে পৰিচালিত হোৱাৰ সামর্থ আয়ত্ত্ব কৰিবলৈ আহ্বান জনাইছিল।

- **ৰবীন্দ্রনাথ ঠাকুৰৰ আদর্শ বিদ্যালয় ঃ**

  ৰবীন্দ্রনাথ ঠাকুৰে স্থাপন কৰা বিদ্যালয়খনত শিক্ষার্থীৰ সর্বাংগীণ বিকাশত গুৰুত্ব আৰোপ কৰা হৈছিল। তেওঁৰ মতে ভাৰতৰ জগত সম্পর্কীয় দৃষ্টিভংগী আৰু সময়ৰ সৈতে ক্রমবিকাশৰ পথেৰে আগবঢ়াত দেশকনক সহায় কৰা বাস্তৱক মাত্র এটা যৌগিক সংস্কৃত শব্দেৰে প্রকাশ কৰিব পাৰি। শব্দটো হ'ল 'সচ্চিদানন্দ'। শব্দটোৰ অর্থই বাস্তৱৰ বিভিন্ন স্তৰৰ প্রতিনিধিত্ব কৰে। 'সৎ' মানে হ'ল বস্তু অথবা বিষয়ৰ প্রকৃত ৰূপ আৰু এক উমৈহতীয়া অস্তিত্বৰ সম্পর্কেৰে পৰস্পৰৰ সৈতে বান্ধ কাই থকা অৱস্থা। বাস্তৱৰ দ্বিতীয় স্তৰটো হ'ল 'চিত'— ই মানৱৰ সচেতন অৱস্থাৰ লগতে জ্ঞানৰ সম্বন্ধেৰে সকলো বস্তু তথা বিষয়ৰ মাজত স্থাপন হোৱা যোগসূত্রৰ কথা বুজায়। 'আনন্দ' হ'ল বাস্তৱৰ তৃতীয়টো স্তৰ। ইয়াৰ অর্থ হ'ল মানৱৰ অস্তিত্ব আছে আৰু মানৱে এই অস্তিত্বই দিয়া সকলোবোৰ অভিজ্ঞতা উপভোগ কৰে। শিক্ষাৰ উদ্দেশ্য হ'ল প্রকৃতি আৰু জীৱনৰ ঐক্য সম্পর্কে শিক্ষার্থীৰ মনত বোধৰ উন্মেষ ঘটোৱা। ঠাকুৰৰ মতে শিক্ষা কেতিয়াও কেৱল বিমূর্ত্ত আৰু বৌদ্ধিক আখৰা হ'ব নালাগে। শিক্ষাক প্রকৃতার্থত সৃজনশীল কৰি তুলিবলৈ ইয়াক অর্থনীতি, বৌদ্ধিক বিষয়বস্তু, নান্দনিক বিষয়বস্তু, সামাজিক তথা আধ্যাত্মিক জীৱনৰ সৈতে সংযুক্ত কৰিব লাগিব। ঠাকুৰে প্রাচীন ভাৰতৰ 'তপোৱন' (আশ্রম) পদ্ধতিৰ শিক্ষা ব্যৱস্থাৰ প্রশংসা কৰিছিল। এনে ব্যৱস্থাত শিক্ষক-শিক্ষার্থীয়ে পৰস্পৰ তথা প্রকৃতিৰ

সৈতে সমিল-মিল স্থাপন কৰি বিদ্যাচর্চা কৰিছিল। এনেধৰণৰ শিকন আৰ্হিয়ে শিক্ষার্থীৰ মনত আধ্যাত্মিক শিক্ষাক নিগাজী কৰাৰ লগতে শিক্ষার্থীয়ে অ-সচেতনভাৱে বিভিন্ন শাৰীৰিক, আৱেগিক তথা বৌদ্ধিক কার্যকলাপতো দক্ষতা আহৰণ কৰিছিল। শিক্ষা সদায় স্বাধীনতাৰ ভাৱনা আৰু আনন্দেৰে অনুপ্রাণিত হোৱা উচিত।

শান্তিনিকেতন আৰম্ভ কৰা শৈক্ষিক উদ্যমবোৰে ৰবীন্দ্রনাথ ঠাকুৰৰ দর্শনকে প্রতিফলিত কৰে। তেওঁ ১৯০১ চনত শান্তিনিকেতনত 'ব্রহ্মচার্য আশ্রম' প্রতিষ্ঠা কৰিছিল। ইয়াত শিক্ষার্থীসকলক প্রকৃতিৰ কাষ চপাই নিয়াৰ বিশেষ ব্যৱস্থা আছিল। ঠাকুৰৰ অনুষ্ঠানটো আছিল এখন 'মুকলি আকাশৰ তলত বহা বিদ্যালয়' (Open Air School)। তেওঁ নগৰ-চহৰ কোৰ্হালৰ পৰা দূৰত সঁচাকৈয়ে শিশুৰ বাবে এখন নতুন পৃথিৱীৰ সৃষ্টি কৰিছিল। বিদ্যালয়ৰ পৰিৱেশ আছিল স্বাধীন আৰু স্বতঃস্ফূর্ত কার্যকলাপেৰে ভৰা। শিশুক নিজৰ কল্পনামতে খেল-ধেমালি কৰাৰ পর্যাপ্ত সুযোগ দিয়া হৈছিল। শিশুৰ মনত আশ্চর্যবোধ আৰু অনুসন্ধিৎসা আঁতৰোৱাৰ সন্তুষ্টি জাগি উঠাৰ পৰিৱেশ ৰচনা কৰা হৈছিল। সভ্যতাই বলপূর্বক জাপি দিয়া নানা বাধা-নিষেধ শিশুৰ প্রাপ্য আনন্দ আৰু স্বাধীনতা নাইকিয়া কৰা কথাটোৰ ঠাকুৰ দুর্ঘোৰ বিৰোধী আছিল। তেওঁ কৈছিল যে চাল আৰু দেৱালেৰে পৰিৱেষ্টিত শ্রেণীকোঠাবোৰে শিশুৰ কল্পনাপ্রৱণতা, উদ্যোগমুখীতা আৰু সমল সমৃদ্ধ অৱস্থাক তেনেই সীমিত কৰি পেলায়। কিন্তু প্রকৃতিৰ কোলাত, মুকলি আকাশৰ তলত শিশুৰ বাবে শাৰীৰিক গতি-বিধি সম্পাদন কৰা আৰু বিকাশৰ অসীম সুযোগ থাকে। এনে পৰিৱেশে শিশুৰ মানসিক বিকাশ তথা আধ্যাত্মিক উন্নতিৰো অপৰিসীম সম্ভাৱনা বহন কৰে। এনে পৰিৱেশত শিশুৰ শৰীৰ, বুদ্ধি আৰু আত্মিক সত্ত্বাৰ সমতাপূর্ণ বিকাশ ঘটে। সমগ্র বিশ্ব-ব্রহ্মাণ্ডৰ সৈতে শিশুৰ জীৱনে সামঞ্জস্য স্থাপন কৰে। এয়াই হ'ল শিক্ষাৰ পৰম লক্ষ্য।

ৰুছোৰ দৰে ৰবীন্দ্রনাথ ঠাকুৰেও 'ৰবিন্সন ক্রুছো'ৰ কাহিনীটোত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে এনে ধৰণৰ কাহিনী শিশুৰ মনোগ্রাহী হোৱাৰ লগতে অনুপ্রেৰণাৰো উৎস হ'ব পাৰে। ঠাকুৰে ক্রুছোৰ কাহিনীটো পশ্চিমীয়া সভ্যতাৰ আত্মা প্রকাশকাৰী প্রতিনিধিত্বমূলক কাহিনী হিচাপে গ্রহণ কৰিছিল। কিন্তু ইয়াৰ অর্থ এয়া নাছিল যে তেওঁ সৰু ল'ৰা-ছোৱালীক সামাজিক প্রভাৱৰ পৰা চিৰদিন আঁতৰাই ৰখাৰ পোষকতা কৰিছিল। তেওঁ কেৱল শিশুৰ মনত সমাজৰ প্রতি এক সুস্থ আৰু দায়িত্বশীল মনোভাৱে গঢ় লৈ উঠাতো বিচাৰিছিল।

- **ঠাকুৰৰ শৈক্ষিক আৰ্হিত অর্থনৈতিতক দিশৰ গুৰুত্ব ঃ**

আধ্যাতিমকতাৰ দৰে অর্থনৈতিক উন্নয়নতো ৰবীন্দ্রনাথ ঠাকুৰে গুৰুত্ব আৰোপ কৰিছিল। গঠন হ'বৰ সময়ৰে পৰা সমাজখনক অর্থনৈতিক সহযোগিতাই ধৰি ৰাখিছে। সেয়েহে শিক্ষানুষ্ঠানসমূহ বৌদ্ধিক বিকাশৰ লগতে অর্থনৈতিক জীৱন গঢ়াৰো কেন্দ্র হোৱা উচিত

বুলি ঠাকুৰে মত প্রকাশ কৰিছিল। শিক্ষানুষ্ঠানসমূহে গাঁৱৰ বাসিন্দাৰ অর্থনৈতিক স্থিতি উন্নত কৰাৰ বিভিন্ন কার্যসূচী ৰূপায়ণ কৰি গাওঁবোৰৰ কল্যাণ সাধনৰ হকে কাম কৰি যোৱা উচিত। গাঁৱৰ বাসিন্দাৰ বাবে শিক্ষা তেতিয়াহে সুফলদায়ক হ'ব, যেতিয়া ই অতীতৰ প্রমূল্য তথা পাশ্চাত্য সভ্যতাৰ নতুন প্রমূল্যবোৰক সমতাপূর্ণভাৱে পাঠ্যক্রমত সন্নিৱিষ্ঠ কৰিব। ঠাকুৰৰ মতে দেশ এখনৰ জীৱন্ত ৰূপটো সংৰক্ষণ তথা সুদৃঢ় কৰি ৰাখিবলৈ প্রয়োজন সাপেক্ষে বহিঃপ্রভাৱক আদৰণি জনাব লাগিব।

- **ঠাকুৰৰ শৈক্ষিক আর্হিত সৃজনশীলতা গুৰুত্ব ঃ**

  ৰবীন্দ্রনাথ ঠাকুৰে শিক্ষাত সৃজনশীলতা থকাত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে শিক্ষার্থীয়ে সৃজনশীলভাৱে স্ব-অভিব্যক্তি প্রকাশ কৰাৰ পর্যাপ্ত সুযোগ পোৱা উচিত। তেওঁ পাঠ্যক্রমসমূহত সুকুমাৰ কলাক এক বিষয় হিচাপে অন্তর্ভুক্ত কৰিবলৈ নীন্দ্রত নির্দ্ধাৰকসকলক গোহাৰি জনাইছিল। তেওঁৰ মতে সুকুমাৰ কলা ব্যক্তিৰ বাবে কেৱল ব্যক্তিগত সন্তুষ্টিৰ উৎস নহয়। ই ব্যক্তিৰ সুপ্ত প্রতিভাক পোহৰলৈ অনাৰ এক মাধ্যম। এই সুপ্ত বৈশিষ্ট্যসমূহ বিশ্ব-ব্রহ্মাণ্ডৰ প্রত্যোকটো বস্তুতে নিহিত থাকে। ঠাকুৰে কৈছিল যে মানুহে পার্থিৰ সমৃদ্ধিৰ লগতে সাংস্কৃতিক আৰু সৃজনশীল জীৱৰ উন্নতিৰ বাবেও প্রয়াস কৰা উচিত মানুহে নিজৰ ভাৱ-অনুভূতি তথা সংবেদনশীল প্রকাশ কৰিবলৈ সমর্থ হোৱা উচিত। আনন্দ, সৃজনশীলতা আৰু জাৱনদায়িনী শক্তিবোৰৰ প্রভাৱ নৃত্য, নাটক, সংগীচ আৰু কবিতাৰ দৰে সুকুমাৰ কলাৰ বিভাগবোৰত কর্ষণ কৰি মুক্তভাৱে প্রকাশ কৰিব পৰা যায়।

- **ঠাকুৰৰ আন্তর্জাতিকতাবাদ ঃ**

  ৰবীন্দ্রনাথ ঠাকুৰৰ শিক্ষাৰ দর্শনত স্থান পোৱা আন এটা গুৰুত্বপূর্ণ বিষয় হ'ল আন্তর্জাতিকতাবাদ। ইয়াৰ আধাৰ হ'ল তেওঁৰ জীৱন দর্শন। তেওঁ সকলোৰে প্রতি সন্মানৰ মনোভঙ্গৰ পোষণ কৰিছিল। কোনো দেশ, জাতি অথবা সম্প্রদায়ৰ প্রতি তেওঁৰ মনত ঘৃণা-দ্বেষ নাছিল। তেওঁ সকলো ৰাজনৈতিক সংকীর্ণতা অথবা ধর্মীয় পক্ষপাতিত্বমূলক চিন্তাৰ উর্দ্ধত আছিল। আন্তর্জাতিক পৃষ্ঠভূমি সম্পর্কে কৰা গভীৰ চিন্তা-চর্চাৰ ফলতে ঠাকুৰৰ মনত 'বিশ্বভাৰতী' প্রতিষ্ঠাৰ ইচ্ছা জাগ্রত হৈছিল। তেওঁ 'বিশ্বভাৰতী'ক শিখনৰ এনে এক অনুষ্ঠানত পৰিণত কৰাৰ সপোন দেখিছিল য'ত সমগ্র বিশ্বই একেটা পৰিসৰতে নিজক বিচাৰি পাব আন্তর্জাতিকতাবাদৰ বিশাল ধাৰণাই হ'ল 'বিশ্বভাৰতী' প্রতিষ্ঠাৰ আঁৰৰ চালিকা শক্তি। এই শিক্ষানুষ্ঠানখনে প্রাচ্য আৰু পাশ্চাত্যৰ সংস্কৃতি অধ্যয়ন কৰাৰ বিশেষ সুবিধা আগবঢ়াই আহিছে। শিক্ষার্থীয়ে দুয়োটা দিশৰ অধ্যয়ন কৰি মানৰ জাতিৰ সাংস্কৃতিক ঐতিহ্যলৈ কোনে কেনেধৰণৰ অৱদান আগবঢ়াই থৈ গৈছে সেয়া গুদ্ধৰূপত জনাৰ সুযোগ পায়। কলা-সাহিত্য-ধর্ম-দর্শন আদি হ'ল বিশ্বৰ সাংস্কৃতিক ঐতিহ্য গঠনকাৰী উপাদান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ ৰবীন্দ্রনাথ ঠাকুৰে স্থাপন কৰা বিশ্ববিদ্যালয়খনৰ নাম কি?

.....

- **ঠাকুৰৰ শৈক্ষিক দৃষ্টিভংগী আৰু প্রগতিশীল শিক্ষাৰ ধাৰণা ঃ**

একাংশ লোকৰ মতে ৰবীন্দ্রনাথ ঠাকুৰৰ শৈক্ষিক সম্পৰীক্ষাসমূহ আছিল সেই সময়ত ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্রত চলি থকা শৈক্ষিক আন্দোলনবোৰৰ প্রতিধ্বনি সদৃশ চিন্তাৰ ফল। এই আন্দোলনবোৰে শিশুক শৈক্ষিক প্রক্রিয়াবোৰৰ মধ্যমণি কৰাৰ পোষকতা কৰিছিল। এনে চিন্তাধাৰাসমূহক প্রগতিশীল শিক্ষা বুলিও জনা গৈছিল। ঠাকুৰৰ শৈক্ষিক সম্পৰীক্ষা আৰু প্রগতিশীল শিক্ষাৰ মাজত নিঃসন্দেহে কিছু সাদৃশ্য আছে। যেনে— ঠাকুৰে শিশুৰ স্বকীয়তাক যথেষ্ট গুৰুত্ব দিছিল আৰু স্বাধীনতা তথা আনন্দক শিক্ষাৰ ভেটি বুলি গণ্য কৰিছিল। প্রগতিশীল শিক্ষায়ো এই একেবোৰ কথাকে মানি চলিছিল। অৱশ্যে ঠাকুৰে শিশুক অকলশৰে শিকিবলৈ দিয়াৰ পক্ষপাতী নাছিল আৰু শিশুহঁত সামাজিক প্রয়োজনীয়তাৰ প্রতি উদাসীন হোৱাতো বিচৰা নাছিল। তেওঁ জোৰ দি কৈছিল যে শিক্ষাই শিশুৰ মনত সামাজিক ভাৱনা আৰু সামূহিক সচেতনতা জগাই তুলিব লাগে। শিক্ষাই শিশুৰ স্ব-ব্যক্তিত্বৰ বিকাশ ঘটাত সহায় কৰিব লাগে। এইবোৰ উদ্দেশ্যত উপনীত হ'বলৈ শিকন পৰিস্থিতিসমূহক একোটা উপযুক্ত আৰু প্রণালীৱদ্ধ উপায়েৰে সজাই লোৱা আৱশ্যক বুলি তেওঁ মত প্রকাশ কৰিছিল।

ঠাকুৰৰ মতে শিক্ষণ আৰু শিকন হ'ল শিক্ষা নামৰ প্রক্রিয়াটোৰ প্রধান দিশ। শিক্ষা হ'ল জীৱন নামৰ ৰোমাঞ্চকৰ অভিজ্ঞতাটোৰ সৈতে স্থায়ীভাৱে যুক্ত হৈ থকা এটা বৈশিষ্ট্য। শিক্ষাৰ প্রক্রিয়াই বর্তমানৰ পৰিধি অতিক্রম কৰি অতীত আৰু বর্তমান দুয়োটাকে সামৰি লয়। এনে শিক্ষাই বর্তমানক বাট দেখুৱায়। ঠাকুৰে ঈশ্বৰ সৃষ্ট সকলোৰে মাজত ঐক্য বিৰাজমান বুলি বিশ্বাস কৰিছিল। কিন্তু তেওঁৰ শৈক্ষিক দর্শনত কোনো ৰহস্যবাদ নাছিল। তেওঁ দৃঢ় চিন্তাসম্পন্ন, ব্যৱহাৰিক আৰু জীৱনৰ আগ্রহী পর্যবেক্ষক আছিল। ঠাকুৰৰ শৈক্ষিক চিন্তা-ধাৰণাক সেই সময়ৰ বহুতো লোকে সমালোচনা কৰিছিল। কিন্তু শিক্ষাৰ সামাজিক প্রয়োগ বিষয়ক আধুনিক চিন্তা-চর্চাই তেওঁৰ ধাৰণাবোৰক সামৰি ল'বলৈ আৰম্ভ কৰিছে। ঠাকুৰৰ মতে প্রকৃত স্ব-ব্যক্তিত্ব গঢ়াৰ মূল শক্তি হ'ল আত্মজ্ঞান। আত্মজ্ঞান আহৰণ কৰি থকাৰ সময়ত ব্যক্তিয়ে সমাজৰ পৰা যিমান পায় তাতকৈ বহু বেছি সমাজক দিয়ে। ব্যক্তিয়ে সমাজক দিয়া আত্ম-উপহাৰ সকলোৰে বাবে যথার্থ আশীর্বাদস্বৰূপ হ'ব পাৰে।

৮.৫ ঠাকুৰ আৰু গান্ধীৰ ধাৰণাসমূহৰ তুলনা

ৰবীন্দ্রনাথ ঠাকুৰ আৰু মহাত্মা গান্ধীৰ চিন্তা-ধাৰণা তথা দৃষ্টিভংগীৰ মাজত পার্থক্য আছে। গান্ধীক ঠাকুৰৰ চিন্তা-ধাৰণা আৰু সম্পৰীক্ষাবোৰে অনুপ্রাণিত কৰিছিল। তেওঁ নিজৰ 'বুনিয়াদী শিক্ষা' বুলি নামকৰণ কৰা শিক্ষা ব্যৱস্থাটো প্রতিষ্ঠা কৰিবলৈ শান্তিনিকেতনত কাম কৰি থকা কর্মীৰ সহায় লৈছিল। কিন্তু তথাপিও এয়া তেনেই সামান্য প্রভাৱহে আছিল। কাৰণ 'বুনিয়াদী শিক্ষা'ক ঠাকুৰৰ কর্মৰাজি অথবা চিন্তা-ধাৰণাৰ হুবহু প্রতিফলন বুলি ক'ব নোৱাৰি। চি.এফ. এণ্ড্রিউজৰ মতে দুয়োগৰাকী চিন্দাবিদৰ মানসিক সংস্থিতি (Temperament)ৰ মাজত বৃহৎ ব্যৱধান আছে। দুয়োৰে পক্ষে এক উমৈহতীয়া বৌদ্ধিক বুজাবুজিত উপনীত হোৱাতো অসম্ভৱ কথা আছিল। দুয়োৰে মাজৰ বন্ধুত্ব সদায় শক্তিশালী হৈ ৰ'ল— সেয়া এক সম্পূর্ণ সুকীয়া বিষয়।

ঠাকুৰে শিশুৰ স্বাধীনতা আৰু খেল-ধেমালিক সকলো শিকনৰ মূলাধাৰ বুলি বিশ্বাস কৰিছিল। এই দুয়োটা দিশত ঠাকুৰে ইমানেই গুৰুত্ব আৰোপ কৰিছিল যে তেওঁ গান্ধীয়ে পোষকতা কৰা ৰাষ্ট্রীয় বুনিয়াদী শিক্ষাৰ আঁচনিখনকো তীব্র সমালোচনা কৰিছিল। ঠাকুৰৰ বিদ্যালয়ভিত্তিক পাঠ্যক্রমত প্রকৃতি অধ্যয়ন, কলা আৰু সংগীত আদিৰ দৰে বিষয়ৰ সমানে হস্তশিল্পকো এটা গুৰুত্বপূর্ণ স্থানত ৰখা হৈছিল। কিন্তু তেওঁৰ বাবে হস্তশিল্প বিদ্যালয়ৰ আয়ৰ উৎস নাছিল। ই আছিল সম্পূর্ণৰূপে শিক্ষার্থীৰ আত্ম-অভিব্যক্তি প্রকাশৰ এক মাধ্যম। ল'ৰা-ছোৱালীবোৰে বিভিন্ন ধৰণৰ কেঁচামালৰ পৰা নানা চালে চকুৰোৱা সামগ্রী তৈয়াৰ কৰি কেৱল নিজৰ সৃজনশীল প্রৱণতাৰ বহিঃপ্রকাশ ঘটাইছিল আৰু নান্দনিক সামর্থক বাস্তৱ ৰূপ দিছিল। আনহাতে, গান্ধীয়ে সৰু ল'ৰা-ছোৱালীৰ শিক্ষাত শাৰীৰিক শ্রম আৰু সমাজসেৱা অন্তর্ভুক্ত কৰাত জোৰ দিছিল। তেওঁৰ মতে শৈক্ষিক অনুষ্ঠানসমূহে শিক্ষার্থীক ব্যৱহাৰিক ঔদ্যোগিক প্রশিক্ষণ দিয়াৰ লগতে সহযোগিতামূলক (সমবায়ভিত্তিক) কাম কৰাৰ শিক্ষা দিব লাগে। শিক্ষার্থীক বিদ্যালয়ে এনে প্রকল্পত জড়িত কৰাব লাগে যিবোৰে সামগ্রিকভাৱে মানুহৰ অর্থনৈতিক, নৈতিক, শাৰীৰিক আৰু বৌদ্ধিক জীৱন উন্নত কৰি তোলে।



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গান্ধী সেই সময়ত প্রচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাটোক লৈ সন্তুষ্ট নাছিল। কাৰণ, ই ব্যক্তিক সম্প্রদায়ৰ উর্দ্ধত ৰাখি প্রাচীন ভাৰতীয় আদর্শবোৰ বিঘ্নিত কৰিছিল।
- গান্ধীৰ মতে ভাৰতীয় নাগৰিক প্রথমে শৈক্ষিক, নৈতিক আৰু সামাজিক দিশেৰে প্রশিক্ষিত কৰি নল'লে ই ৰাজনৈতিক স্বাধীনতাৰ সুফল উপভোগত বাধাৰ সৃষ্টি কৰিব।
- গান্ধীৰ দৃষ্টিভংগী অনুসৰি গণতন্ত্র বর্তাই ৰাখিবলৈ ভাৰতীয় নাগৰিক ৰাজনৈতিক আৰু

সামাজিকভাৱে শিক্ষিত হ'ব লাগিব।

- ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আৰ্হি প্রস্তুত কৰোতাসকলৰ অন্যতম আছিল ৰবীন্দ্রনাথ ঠাকুৰ। এই মহান শিক্ষাবিদ আৰু চিন্তাবিদগৰাকী শৈশৱত ধর্মীয় পুনৰুত্থানৰ দ্বাৰা প্রভাৱিত হৈছিল। পৰৱর্তী জীৱনত তেওঁক শৈল্পিক নৱজাগৰণ আৰু সমগ্র দেশতে চলা ৰাষ্ট্রীয় আন্দোলনে প্রভাৱিত কৰিছিল।
- ঠাকুৰ স্বভাৱগতভাৱে সকলো প্রকাৰৰ 'ভাৰতীয়' বস্তু তথা বিষয়ৰ প্রতি সহানুভূতিশীল আছিল। সেই সময়ত দেশত প্রৱাহিত হৈ থকা চিন্তাৰ সোঁতবোৰে ঠাকুৰৰ এই ভাৰতীয় ভাৱনা দৃঢ় কৰিছিল।
- প্রচলিত শিক্ষা ব্যৱস্থাৰ নেতিবাচক দিশবোৰৰ বিষয়ে মুকলি চর্চা আৰম্ভ কৰা ঠাকুৰ আছিল প্রথমগৰাকী ভাৰতীয়।
- ঠাকুৰে সৰু ল'ৰা-ছোৱালীক শিক্ষাদান কৰাৰ মাধ্যম হিচাপে মাতৃভাষা ব্যৱহাৰ কৰাৰ প্রয়োজনীয়তাত সর্বাধিক গুৰুত্ব আৰোপ কৰিছিল।



৮.৭ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৮.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ গান্ধীয়ে সামাজিক সচেতনতা গঢ়াত জোৰ দিয়া আৰু প্রত্যেক ব্যক্তিৰে মর্যাদাৰ প্রতি সন্মান জনোৱা বুনিয়াদী শিক্ষাৰ ৰূপ এটাৰ প্রচলন ঘটোৱাৰ পোষকতা কৰিছিল। তেওঁৰ মতে হস্তশিল্প (Craft) শিক্ষাৰ কেন্দ্রবিন্দু হোৱা উচিত। তেওঁ বিশ্বাস কৰিছিল যে 'হস্তশিল্পকেন্দ্রিক শিক্ষা ব্যৱস্থা এটাই দেশত এক নতুন যুগৰ সূচনা কৰিব। ইয়াৰ ফলত সমাজৰ পৰা শ্রেণী বৈষম্য, সাম্প্রদায়িক ঘৃণা আৰু শোষণৰ দৰে কুপ্রথাবোৰ নাইকিয়া হ'ব। হস্তশিল্পই প্রতিগৰাকী শিল্পী-কর্মীৰ ব্যক্তিগত বৈশিষ্ট্যসমূহ

অক্ষুণ্ণ ৰখাৰ উপৰি তেওঁলোকৰ মাজত সহযোগিতা তথা দলীয়ভাৱে কর্ম কৰাৰ মনোভাৱ গঢ়ি তুলিব।

প্রশ্ন নং ২ উত্তৰ ঃ ব্রাহ্মণ্যবাদী আৰু ঔপনিৱেশিক ৰূপৰ শিক্ষা ব্যৱস্থা।

প্রশ্ন নং ৩ উত্তৰ ঃ বিশ্বভাৰতী।



৮.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ বুনিয়াদী শিক্ষা মানে কি?

প্রশ্ন নং ২ ঃ ঠাকুৰৰ আদর্শ বিদ্যালয়খন বর্ণনা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ শিক্ষা সম্পর্কে গান্ধী আৰু ঠাকুৰে পোষণ কৰা চিন্তা-ধাৰণাসমূহৰ তুলনা কৰক।

****

অধ্যায় ৯ ঃ গণতন্ত্র আৰু শিক্ষা ঃ ডিৰি আৰু বি.আৰ. আম্বেদকাৰ

অধ্যায় গাঁঠনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ গণতন্ত্র আৰু শিক্ষা সম্পর্কে ডিৰিৰ দৃষ্টিভংগী

৯.৪ গণতন্ত্র আৰু শিক্ষা সম্পর্কে বি.আৰ. আম্বেদকাৰৰ দৃষ্টিভংগী

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণতন্ত্র আৰু শিক্ষাৰ মাজৰ সম্পর্ক বুজি পাব
- গণতন্ত্র আৰু শিক্ষা সম্পর্কে ডিৰিৰ দৃষ্টিভংগীৰ জানিব পাৰিব
- গণতন্ত্র আৰু শিক্ষা সম্পর্কে বি.আৰ. আম্বেদকাৰৰ দৃষ্টিভংগীৰ বিষয়ে অৱগত হ'ব।

৯.২ পৰিচয়

শিক্ষা আৰু গণতন্ত্রৰ মাজত ওতঃপ্রোত সম্পর্ক আছে। গণতন্ত্রই ইয়াৰ ঐতিহাসিক আৰু সমসাময়িক ৰূপেৰে সদায় শিক্ষাক প্রভাৱিত কৰি তথা গঢ় দি আহিছে। ইয়াৰ বিপৰীতে শিক্ষায়ো সময়ে সময়ে গণতন্ত্রৰ ভেটি নির্মাণৰ সহায় কৰি আহিছে। অর্থাৎ, দুয়োটা আন্তঃসম্পর্কযুক্ত ধাৰণাৰ মাজত অনবৰতে এক ধৰণৰ আদান-প্রদান চলি থাকে। দার্শনিক, কার্যসূচীত আৱদ্ধ কৰিব পৰা তথা শিক্ষাদান বিজ্ঞানকেন্দ্রিক মাত্রাবোৰৰ সৈতে সংগতি ৰাখি শিক্ষাৰ বিষয়ে কল্পনা কৰা হয়, শিক্ষা পৰিকল্পনা যুগুত তথা সৈইবোৰক বাস্তৱত ৰূপায়ণ কৰা হয়। এই আটাইবোৰ কথাকে আকৌ গণতন্ত্রৰ প্রতিদ্বন্দ্বিতামূলক ধাৰণাবোৰে আকাৰ-আকৃতি প্রদান কৰে।

আলোচনাৰ আৰম্ভণিতে গণতন্ত্র আৰু শিক্ষা বোলা ধাৰণা দুটাৰ বিষয়ে কিছু কথা বুজি লও আহক। গণতন্ত্র হ'ল চৰকাৰৰ এটা ৰূপ। ইয়াত সংখ্যাগৰিষ্ঠৰ শাসন চলে। জনগণৰ দ্বাৰা গঠিত, জনগণৰ বাবে সমর্পিত আৰু জনগণেই পৰিচালনা কৰা চৰকাৰেই হ'ল গণতন্ত্র। ৰাজনীতিৰ লগতে গণতন্ত্রৰ সৈতে একোটা অর্থনৈতিক আৰু সামাজিক ধাৰণাও যুক্ত হৈ থাকে। অর্থনৈতিক দিশেৰে ই হ'ল এক শোষণহীন ব্যৱস্থা। এই ব্যৱস্থাই কোনো ব্যক্তিগত এককত মনোনিৱেশ

নকৰি সামগ্রিকভাৱে গোটেই সম্প্রদায়টোৰ বাবে সম ভাগ-বাটোৱাৰা আৰু সমান সুযোগ-সুবিধা আগবঢ়ায়। সমাজৰ প্রতিগৰাকী ব্যক্তিকে সামর্থ আৰু সক্ষমতাৰ আধাৰত কাম কৰাৰ সমান সুযোগ থকা একোটা জীৱন যাপনৰ স্বীকৃত মানৰ গৰাকী কৰি তোলাৰ আশ্বাস দিয়া হয়। সামাজিক দিশেৰে এনে গণতন্ত্রত জাতি-ধর্ম, ভাষা-বর্ণ, লিংগ-জন্ম নাইবা সম্পত্তিৰ পৰিমাণ নির্বিশেষে সকলোকে এখন সম্পূর্ণ পক্ষপাতমুক্ত সমাজত বাস কৰাৰ সুযোগ দিয়াৰ কথা কোৱা হয়। এনে ব্যৱস্থাত প্রত্যেককে কিছুমান মৌলিক অধিকাৰ আৰু ব্যক্তিত্বৰ পূর্ণ বিকাশ সাধন কৰিবলৈ সমান সুযোগ-সুবিধাৰ নিশ্চিতি দিয়া হয়।

অর্থাৎ, গণতন্ত্রৰ লাইখুঁটা হ'ল সামাজিক ন্যায় আৰু সমতা। এই ব্যৱস্থাই সাধাৰণ মানুহৰ মোলক সর্বাধিক বিশ্বাস কৰে। প্রতিগৰাকী ব্যক্তিৰে গণতন্ত্রত নিজ নিজ অংশ থাকে। ই হ'ল জীৱন-যাপনৰ এক উপায়। আলাপ-আলোচনা, যুক্তি-তর্ক, বুজনি, প্রত্যয় জন্মোৱা, দৃষ্টিভংগীৰ লেনদেন আদিৰ দৰে উপায়ৰ মাজেদি গণতন্ত্র আগবাঢ়ে। এই ব্যৱস্থাত ভাবুকি-বলপ্রয়োগ, হিংসা, অবিশ্বাস আৰু সংঘাতৰ কোনো স্থান নাই। এই যুক্তিৰ আধাৰত ক'ব পাৰি যে শিক্ষা আৰু গণতন্ত্রৰ মাজত এক অবিচ্ছেদ্য সম্বন্ধ আছে। সকলো নাগৰিকৰ চৰিত্র আৰু বুদ্ধিমত্তাক গণতন্ত্রই নির্ভৰ কৰে। বার্নার্ড শ্বৰ ভাষাত এখন সমাজৰ বাবে শিক্ষা আৰু গণতন্ত্রই পৰস্পৰক গঢ় দিয়াত কেনে ভূমিকা পালন কৰে সেয়া অত্যন্ত গুৰুত্বপূর্ণ। শিক্ষাৰ লক্ষ্য, পাঠ্যক্রম, শিক্ষণৰ পদ্ধতি, শৈক্ষিক প্রশাসন, শৈক্ষিক সংগঠন, নিয়মানুবর্তিতা, বিদ্যালয় আৰু শিক্ষক আদিৰ দৰে সকলো উপাদানতে গণতান্ত্রিক চিন্তা-ধাৰণাৰ প্রতিফলন ঘটা উচিত। একেদৰে, এটা গণতান্ত্রিক পৰিৱেশ গঢ়িব পৰাকৈ সমাজখনো শিক্ষিত হৈ উঠিব লাগে। তেতিয়াহে সমাজত গণতন্ত্রৰ প্রকৃত ৰূপটো জীৱন্ত হৈ থাকিব। এই অধ্যায়টোত গণতন্ত্র আৰু শিক্ষা সম্পর্কে ডিৱি আৰু আম্বেদকাৰে পোষণ কৰা দৃষ্টিভংগীৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।

৯.৩ গণতন্ত্র আৰু শিক্ষা সম্পর্কে ডিৱিৰ দৃষ্টিভংগী

জন ডিৱি (১৮৫৯-১৯৫২) আছিল এগৰাকী আমেৰিকান দার্শনিক, মনোবিজ্ঞানী আৰু শিক্ষা সংস্কাৰক। প্রয়োজনবাদৰ দর্শন (philosophy of pragmatism)ৰ সৈতে ডিৱিৰ নাম জড়িত। তেওঁক প্রকার্যাত্মক মনোবিজ্ঞান (functional psychology)ৰ এগৰাকী বাটকটীয়া বুলিও অভিহিত কৰা হয়। প্রগতিশীল শিক্ষা, উদাৰবাদ আৰু সমাজ সংস্কাৰৰ ক্ষেত্রকেইখনত ডিৱিৰ চিন্তা-ধাৰণাই গভীৰ প্রভাৱ পেলাইছে। তেওঁৰ আগ্রহৰ আন ক্ষেত্র কেইখনমান আছিল জ্ঞান-মীমাংসা (epistemology), তত্ত্বমীমাংসা (metaphysics), নন্দনতত্ত্ব (aesthetics), কলা, তর্কবিজ্ঞান, সামাজিক ইতিহাস আৰু নীতিশাস্ত্র। ডিৱিক বিংশ শতিকাৰ এগৰাকী প্রধান শিক্ষা সংস্কাৰক বুলি গণ্য কৰা হয়। শিক্ষা সম্পর্কে থকা তেওঁৰ চিন্তা-ধাৰণাবোৰৰ কেন্দ্র আছিল গণতন্ত্র। এই গণতন্ত্র ৰাজনৈতিক, শৈক্ষিক, সংযোগভিত্তিক অথবা সাংবাদিকতাৰ জগতখনৰ সৈতে যুক্ত হ'ব পাৰে।

১৯১৬ চনত প্রকাশিত 'Democracy and Education : An Introduction to the

Philosophy of Education' নামৰ গ্ৰন্থখনত ডিৰিয়ে জীৱ আৰু নিৰ্জীৱ বস্তুৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰি দেখুৱাইছিল। তেওঁৰ মতে দুয়ো প্ৰকাৰৰ বস্তুৱে বেলেগ বেলেগ প্ৰকৃতিৰ কাৰ্য প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। নিৰ্জীৱ বস্তুৱে অইনে কৰা কাম অনুকৰণ কৰি কোনো ক্ৰিয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে। কিন্তু জীৱিত বস্তুৰ ক্ষেত্ৰত অইনে কৰা কামবোৰে প্ৰভাৱশালী কাৰকৰ ভূমিকা ল'ব পাৰে আৰু জীৱই অবিৰতভাৱে তেনে কাম কৰি গৈ থাকিব পাৰে। জীৱন হ'ল পাৰিপাৰ্শ্বিকৰ পটভূমিত কাৰ্যৰ জৰিয়তে আগবাঢ়ি গৈ থকা এটা স্ব-নৱীভৱন (self-renewing) প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটোৱে সময় বাগৰাৰ লগে লগে জটিলৰ পৰা জটিলতৰ ৰূপ লয়। কাৰণ, বিষয় আৰু বস্তুৰ পুনঃউৎপাদন প্ৰক্ৰিয়াটো এক অবিৰত ক্ৰমত আগবাঢ়ি গৈ থাকে। জীৱনৰ ধাৰাবাহিকতা মানে হ'ল জীৱিত বস্তুৰ প্ৰয়োজনীয়তা অনুসৰি পাৰিপাৰ্শ্বিকৰ অবিৰত পুনঃসমাযোজন (re-adaptation) কৰি গৈ থকা প্ৰক্ৰিয়া।

ধাৰাবাহিকতাৰ অৰ্থ বুজাবলৈ ডিৰিয়ে জীৱন আৰু অভিজ্ঞতাৰ দ্বি-ধাৰণা ব্যৱহাৰ কৰিছিল। শাৰীৰিক অস্তিত্বৰ নৱীভৱন ঘটাৰ লগে লগে বিশ্বাস, আদৰ্শ, আশা, আনন্দ, দুখ-যন্ত্ৰণা আৰু অনুশীলন আদিৰো পুনঃসৃজন হয়। সামাজিক গোটৰ নৱীভৱনৰ জৰিয়তে যিকোনো অভিজ্ঞতাৰ ধাৰাবাহিকতা হ'ল এক আক্ষৰিক সত্য। বহল অৰ্থত শিক্ষা হ'ল জীৱনৰ সামাজিক ধাৰাবাহিকতাৰ এক মাধ্যম। ব্যক্তিয়ে ভাষা, বিশ্বাস, ধাৰণা অথবা সামাজিক স্বীকৃত মান অবিহনে সম্পূৰ্ণ অপৰিপক্কতাৰে জন্মলাভ কৰে। এই কথাবোৰৰ জীৱন-অভিজ্ঞতা সৃষ্টিকাৰী গোটবোৰৰ অভিজ্ঞতা বহনকাৰীসকলৰো সময় বাগৰাৰ লগে লগে মৃত্যু হয়। কিন্তু গোটবোৰৰ জীৱনৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকে। ডিৰিয়ে পৰিপক্ক আৰু অপৰিপক্ক জীৱৰ মাজত থকা ব্যৱধানৰ বিষয়ে বুজাবলৈ শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছিল। শিক্ষাই এফালে ভৱিষ্যতে আত্ম-প্ৰতিনিধিৰ ভূমিকা পালন কৰিবলগীয়া গোটৰ নৱজাত সদস্যসকলৰ অপৰিপক্কতা আৰু গোটৰ জ্ঞান তথা প্ৰথা-পৰম্পৰাবোৰ বহনকাৰী পৰিপক্ক সদস্যসকলৰ মাজত থকা বৈসাদৃশ্যসমূহ বিবেচনা কৰি চোৱাত সহায় কৰে। আনফালে, গোটৰ অপৰিপক্ক সদস্যসকলক পৰ্যাপ্ত সংখ্যাত শাৰীৰিকভাৱে সংৰক্ষণ নকৰি সিহঁতক পৰিপক্ক সদস্যৰ আগ্ৰহ, উদ্দেশ্য, তথ্য, দক্ষতা আৰু অনুশীলন আদিৰ ভাগ দি সমাজৰ অংশ কৰি লোৱাৰ প্ৰয়োজনীয়তাৰ দিশতোও বিবেচনা কৰাত সহায় কৰে। অন্যথা, সামাজিক গোট এটাৰ জীৱন্ত বৈশিষ্ট্যসমূহৰ অবিৰত গতি বাধাপ্ৰাপ্ত হ'ব। সমাজৰ একেবাৰে অনুন্নত অসংস্কৃত গোটবোৰতো এই ব্যৱধান থাকে। এনে গোটৰ অপৰিপক্ক সদস্যসকলেও পৰিপক্ক সদস্যৰ দিক্ নিৰ্দশনা নহ'লে বহুতো কামত সফলতা লাভ নকৰে। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে এই ব্যৱধান বাঢ়ি গৈ আছে। কেৱল শিক্ষাইহে ইয়াৰ মাজত সেতু নিৰ্মাণ কৰিব পাৰে।

জৈৱিক জীৱনৰ দৰেই একোটা সঞ্চাৰণ প্ৰক্ৰিয়াৰ মাজেৰে সমাজৰ অস্তিত্ব বৰ্তি থাকে। প্ৰাপ্তবয়স্ক প্ৰজন্মৰ পৰা নৱপ্ৰজন্মলৈ সঞ্চাৰিত হোৱা কাম কৰাৰ অভ্যাস, চিন্তাৰ ধৰণ-কৰণ আৰু আৱেগ-অনুভূতি আদিৰ দৰে সংযোগ স্থাপনৰ উপাদানেবোৰৰ জৰিয়তে এই প্ৰক্ৰিয়াটো আগবাঢ়ি গৈ থাকে। দলী! জীৱন অতিক্ৰম কৰি অহাসকলে নিজৰ আদৰ্শ, আশা, প্ৰত্যাশা, স্বীকৃত মান

আৰু মতামত আদি দলীয় জীৱনত প্ৰৱেশ কৰিব খোজাসকললৈ প্ৰসাৰিত নকৰিলে সামাজিক জীৱন অস্তিত্বহীন হৈ পৰিব। সমাজৰ অপৰিপক্ক সদস্যসকলক শিক্ষিত কৰি তোলাটো হ'ল এক সামাজিক প্ৰয়োজনীয়তা। এনে শিক্ষা মূলতঃ সংযোগ স্থাপনৰ মাধ্যমেৰে সঞ্চাৰিত হয়। এই ক্ষেত্ৰত অভিজ্ঞতাৰ ভাগ-বাটোৰাৰা হ'ল সংযোগ স্থাপনৰ মূল অভিপ্ৰায়। ইয়াৰ জৰিয়তে প্ৰচাৰ আৰু প্ৰসাৰ ঘটা অভিজ্ঞতাসমূহ উমৈহতীয়া সম্পদত পৰিণত নোহোৱালৈকে সংযোগ স্থাপন প্ৰক্ৰিয়াটো অব্যাহতভাৱে চলি থাকে। প্ৰক্ৰিয়াটোৱে নিজে নিজে অংশগ্ৰহণকাৰী পক্ষবোৰৰ ভাষ্যবোৰ সাল-সলনি কৰি গৈ থাকে। প্ৰতিটো মানৱ সংগঠনৰে প্ৰধান উদ্দেশ্য হ'ল সমাজৰ অপৈনত সদস্যসকলৰ সৈতে জ্ঞান-অভিজ্ঞতাৰ ভাগ-বাটোৰাৰা কৰি তেওঁলোকক শিক্ষিত কৰি তোলা। প্ৰতিটো সামাজিক সজ্জাই শৈক্ষিক প্ৰকৃতি ধাৰণ কৰিব যদিহে ইয়াত সংশ্লিষ্ট সমাজ এখনৰ বয়োজ্যেষ্ঠ আৰু কনিষ্ঠ প্ৰজন্মৰ মাজত একোটা যোগসূত্ৰ থাকে। সংৰচনা আৰু সমলৰ দিশেৰে শিকন প্ৰক্ৰিয়া জটিলতাৰ হৈ পৰাৰ লগে লগে আনুষ্ঠানিক নাইবা অভিপ্ৰায়মূলক শিকন-শিক্ষণৰ প্ৰয়োজনীয়তা বাঢ়ি যায়। ডিৰিৰ মতে আনুষ্ঠানিক শিকন-শিক্ষণ বৃদ্ধি পোৱাৰ লগে লগে অভিজ্ঞতাৰ জৰিয়তে শিকা আৰু বিদ্যালয়ত আহৰণ কৰা শিক্ষাৰ মাজত থকা প্ৰত্যক্ষ সম্বন্ধৰ মাজত ব্যৱধানৰ সৃষ্টি হয়।

সমাজৰ উঠি অহা প্ৰজন্মই নিজকে শিক্ষিত কৰি তুলিবলৈ সামাজিক পৰিৱেশত সৃষ্টি হোৱা পোনপটীয়া কাৰ্যকলাপসমূহত ভাগ লোৱা উচিত। ডিৰিৰ মতে অচেতন শিকনে ব্যক্তিৰ নিভৃতত গবীৰ শৈক্ষিক সংৰচনা নিৰ্মাণ কৰিব পাৰে। সমাজৰ স্বৰূপ জটিল হৈ পৰাৰ লগে লগে এই প্ৰকৃতিৰ শিক্ষাকো একোটা আনুষ্ঠানিক ৰূপ দি লোৱা হৈছে। সমাজৰ পৈণত সদস্যসকলৰ সামৰ্থ-প্ৰতিভাৰ আপডাল কৰিবলৈ আজিকালি বিশেষ সামাজিক পৰিৱেশ একোটা সৃষ্টি কৰি অচেতন শিকনৰ পথ মুকলি কৰি দিয়া হয়। ডিৰিয়ে এনেধৰণৰ বিশেষ পৰিৱেশবোৰে সাধন কৰা তিনিটা গুৰুত্বপূৰ্ণ কাৰ্যৰ বিষয়ে উল্লেখ কৰিছিল। কাৰ্য তিনিটা হ'ল—

- শিক্ষাই বিকশিত কৰিব খোজা ভাষ্যটোৰ সৰলীকৰণ ঘটোৱা আৰু কাৰকবোৰক ক্ৰমৰদ্ধ কৰা;
- প্ৰচলিত সামাজিক প্ৰথা-পৰম্পৰাসমূহৰ বিশুদ্ধিকৰণ ঘটোৱা আৰু এইবোৰক আদৰ্শৰ ৰূপ দিয়া;
- সমাজৰ উঠি অহা প্ৰজন্মক কোনো তত্ত্বাৱধান অবিহনে আগবাঢ়িবলৈ দিলে প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা পৰিৱেশবোৰতকৈ বিস্তৃত, উন্নততৰ আৰু অধিক সমতাপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰা।

সমাজৰ যুৱা প্ৰজন্মৰ স্বাভাৱিক অথবা প্ৰবৃত্তিগত প্ৰৱণতাবোৰে জন্মলাভ কৰা সামাজিক গোটটোৰ জীৱনচৰ্যা আৰু প্ৰথা-পৰম্পৰাসমূহক মানি লোৱাত বাধা দিয়ে। এই বয়সত ব্যক্তিক দিক্-নিৰ্দেশনা অথবা পৰিচালনাৰ প্ৰয়োজন। কিন্তু এনে নিয়ন্ত্ৰণৰ প্ৰকৃতি বল-ভাবুকি প্ৰদৰ্শনকাৰী হ'ব নোৱাৰে। ই কোনো এক নিৰ্দিষ্ট ফলাফল নিৰূপণকাৰী প্ৰৱণতাবোৰক কোনো এক নিৰ্দিষ্ট

সময়ত নিয়ন্ত্ৰণাধীন কৰি ৰাখে, তথা কার্যৰ ক্ৰমবোৰত ধাৰাবাহিকতাৰ শৃংখলা একোটা ধার্য কৰে। এই নিয়ন্ত্ৰণে কোনো কার্যত ভাগ লোৱাসকলৰ মাজত বুজাবুজিৰ একোটা উমৈহতীয়া, স্থায়ী আৰু ফলপ্ৰসূ পদ্ধতিৰ সৃষ্টি কৰে। কোনো কার্য সম্পাদন কৰাৰ উপায় আৰু ফলাফল সম্পর্কে সৃষ্ট উমৈহতীয়া বোধেই হ'ল সামাজিক নিয়ন্ত্ৰণৰ কেন্দ্ৰবিন্দু। ইয়াৰ প্ৰকৃতি পৰোক্ষ অথবা আৱেগিক অথবা বৌদ্ধিক। ই প্ৰত্যক্ষ অথবা ব্যক্তিগত প্ৰকৃতিৰ হ'ব নোৱাৰে। একেদৰে, ই ব্যক্তিক বাহ্যিকভাৱে প্ৰভাৱিত নকৰে অথবা ইয়াৰ প্ৰকৃতি বল প্ৰয়োগকাৰী নহয়। ই ব্যক্তিৰ সামগ্ৰিকতাত নিহিত এক আভ্যন্তৰীণবোধ। আগ্ৰহ আৰু স্বার্থৰ চিনাক্তকৰণ তথা আকলনৰ জৰিয়তে ব্যক্তিক এই আভ্যন্তৰীণ নিয়ন্ত্ৰণৰ গৰাকী কৰোৱাটোৱেই হ'ল শিক্ষাৰ প্ৰধান কাম। এই সামাজিক নিয়ন্ত্ৰণৰ অধিকাৰী হোৱাৰ বিভিন্ন কৌশলৰ বিষয়ে নানা কিতাপ-পত্ৰ তথা আলাপ-আলোচনাত বিশেষভাৱে চর্চা কৰা হৈছে। বিদ্যালয়বোৰক নিজৰ পূর্ণ ফলপ্ৰসূতা প্ৰদর্শন কৰিবলৈ যথেষ্টসংখ্যক সংযুক্ত কার্যকলাপ (conjoint activity) সম্পদান কৰাৰ সুযোগৰ প্ৰয়োজন হয়। এনে কার্যকলাপত নির্দেশনাপ্ৰাপ্তসকলে ভাগ লোৱা উচিত। ইয়াৰ দ্বাৰা কার্যকলাপবোৰ সম্পাদনত ব্যৱহাৰ কৰা সামগ্ৰী তথা আহিলাবোৰ প্ৰয়োগ কৰিবলৈ থকা নিজ নিজ ক্ষমতা সম্পর্কে অংশগ্ৰহণকাৰীসকল অৱগত হ'ব। এনেকৈয়ে তেওঁলোকে এক প্ৰকাৰৰ সামাজিক বোধৰ গৰাকী হ'ব পাৰিব।

ডিৱিয়ে আলোচনা কৰা আন এটা গুৰুত্বপূর্ণ ধাৰণা হ'ল বিকাশ (Growth)। শিক্ষাৰ বিষয়ে ভালদৰে বুজাত এই ধাৰণাটোৱে সহায় কৰে। ডিৱিৰ মতে অন্যৰ প্ৰয়োজনীয়তা (need for others) আৰু অভিজ্ঞতাৰ পৰা শিকাৰ ওপৰত ব্যক্তিৰ বিকাশ ক্ষমতা নির্ভৰশীল। অভিজ্ঞতাৰ পৰা শিকা কথাবোৰে ব্যক্তিৰ অভ্যাস গঠনত সহায় কৰে। অভ্যাসে আমাক পৰিৱেশ-পৰিস্থিতি নিয়ন্ত্ৰণ আৰু সেইবোৰক মানৱ উদ্দেশ্য সাধনত ব্যৱহাৰ কৰাৰ ক্ষমতা প্ৰদান কৰে। অভ্যাসে আমাক কোনো কথা নাইবা কামত অভ্যস্ত কৰি তোলে আৰু নতুন পৰিস্থিতিগত চর্ত পূৰণ কৰিব পৰাকৈ কার্যকলাপসমূহ খাপ খুৱাই ল'ব পৰা সামর্থৰ অধিকাৰী কৰে। অভ্যাসে বিকাশৰ পৃষ্ঠভূমি নির্মাণ কৰে আৰু অভ্যস্ততাই বিকাশ নিশ্চিত কৰে। বিকাশ জীৱনৰ বৈশিষ্ট্য। বিকাশ আৰু শিক্ষা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। ইটোক বাদ দি সিটোৰ কোনো অর্থ নাই। বিদ্যালয়কেন্দ্ৰিক শিক্ষাৰ মূল্য বোলা কথাষাৰৰ অর্থ হ'ল এনে শিক্ষাই কিমানখিনি বিকাশ অবিৰত ৰখাৰ ইচ্ছা জগাই তোলে আৰু এই ইচ্ছা ফলৱতী কৰিবলৈ কিমান উপায় আগবঢ়ায়।

ডিবিয়ে কৈছিল যে প্ৰচলিত বিদ্যালয় ব্যৱস্থাটো শিক্ষার্থীৰ অবিৰত বিকাশ নিশ্চিত কৰাত ব্যর্থ হৈছে। এই ব্যৱস্থাটোৱে চিন্তাশীল, স্বতন্ত্ৰ, তথ্যসমৃদ্ধ সিদ্ধান্তগ্ৰহণকাৰী গঢ়ি তোলাৰ সলনি এশ্ৰেণী নিষ্ক্ৰিয় আৰু অভিযোগপূর্ণ শিক্ষার্থীৰহে সৃষ্টি কৰিছে। তেওঁৰ মতে শিক্ষাৰ এটা তাৎপর্যপূর্ণ প্ৰকার্য হ'ল শিক্ষার্থীৰ বুদ্ধিৰ বিকাশ ঘটোৱা। শিক্ষাই এছাম অনুপ্ৰাণিত আৰু প্ৰজ্ঞাৰে পূর্ণ শিক্ষার্থীৰ সৃষ্টি কৰিব লাগে। ই এচাম পৈণত চিন্তাৰ সুফলসৃষ্টিকাৰী নাগৰিক গড়ি তোলে। এনে নাগৰিকে সমাজৰ মান্য সংস্কৃতিক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সঞ্চাৰিত কৰে আৰু পৰিৱর্তনৰ সৈতে খাপ খোৱাকৈ সংস্কৃতিৰ ৰূপান্তৰ ঘটাব পাৰে। ডিৱিৰ মতে শৰীৰতাত্ত্বিক জীৱনত

পৰিপুষ্টি আৰু প্ৰজন্মৰ দিশ দুটা যিমান গুৰুত্বপূৰ্ণ সামাজিক জীৱনত শিক্ষাও সিমানেই গুৰুত্বপূৰ্ণ।

ডিৱিৰ ভাষাত গণতন্ত্ৰ মানে কেৱল ভোট দিয়াৰ অধিকাৰ থকা ব্যৱস্থা এটা নহয়। গণতন্ত্ৰই ৰাজহুৱা কল্যাণ সাধন কৰিব পৰা তথ্যসমৃদ্ধ আৰু বুদ্ধিদীপ্ত পছন্দ কৰিব পৰা তথা সুবিবেচনাপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব পৰা দায়িত্বশীল নাগৰিকো সৃষ্টি কৰিব লাগে। ডিৱিয়ে বিশ্বাস কৰিছিল যে গণতন্ত্ৰ এটা ৰাজনৈতিক ব্যৱস্থা হোৱাৰ লগতে নাগৰিকৰ তথ্যলব্ধ জ্ঞান আৰু সক্ৰিয় অংশগ্ৰহণ থকা এক ন্যায়নিষ্ঠ আদৰ্শ। এক সফল গণতন্ত্ৰৰ বাবে ইয়াৰ নাগৰিকসকল তথ্যসমৃদ্ধ, জ্ঞানী আৰু প্ৰজ্ঞাপূৰ্ণ হ'ব লাগিব। এইবোৰ বাস্তৱ কৰিবলৈ শিক্ষাই নিজস্ব ধৰণে এক নৈতিক প্ৰকাৰ্যও সম্পাদন কৰিব লাগে। বিদ্যালয়ৰ শিক্ষক আৰু বিদ্যালয়ৰ শিক্ষাই শিক্ষাৰ্থীক জ্ঞান প্ৰদান কৰা তথা দক্ষ কৰি তোলাৰ লগতে তেওঁলোকৰ সুচৰিত্ৰও গঢ়ি তুলিব লাগে। ডিৱিয়ে শিক্ষকসকল সৃজনী প্ৰতিভাৰ অধিকাৰী বৃত্তিজীৱি হোৱাতো বিচাৰিছিল। তেওঁৰ মতে শিক্ষকসকলে কেৱল শিক্ষণৰ বিষয়বস্তুবোৰ ভালদৰে বুজি পালে অথবা বুজালেই নহ'ব। শিক্ষকসকলৰ জ্ঞান আহৰণৰ প্ৰৱণতা, বৌদ্ধিক অনুসন্ধিৎসা আৰু শিকন প্ৰক্ৰিয়া সম্পৰ্কে বিশদ জ্ঞান থাকিব লাগিব। তেওঁলোকে নিজৰ তত্ত্বাৱধানত থকা ল'ৰা-ছোৱালীবোৰৰ শিকন দক্ষতা অনুধাৱন কৰিব পাৰিব লাগিব। ডিৱিয়ে কৈছিল যে উযকৃষ্ট শিক্ষকে সদায় এয়া বুজে যে কোনো কথাৰ প্ৰতি শিক্ষাৰ্থীয়ে জনোৱা সঁহাৰি হ'ল তেওঁলোকৰ কথা বুজি পোৱা স্তৰটোৰ সাম্প্ৰতিক স্থিতিৰ পৰিচায়ক। এই সঁহাৰি নিৰ্মাণবাদৰ প্ৰত্যক্ষ পৰিণাম।

নিৰ্মাণবাদৰ তত্ত্ব সম্পৰ্কে থকা ডিৱিৰ দৃষ্টিভংগীয়ে শিকন প্ৰক্ৰিয়াৰ গভীৰতাৰ দিশটো ব্যাখ্যা কৰে। বৰ্তমান তেওঁৰ এই ব্যাখ্যা এক প্ৰতিষ্ঠিত নিদৰ্শনত পৰিণত হৈছে। এই নিদৰ্শনে শিক্ষাৰ্থীৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি, অভিজ্ঞতাৰ সৈতে শিকনৰ সম্পৰ্ক স্থাপন, শিক্ষাৰ্থীৰ ভাৱ-চিন্তা বুজি পাবলৈ তেওঁলোকৰ ক'বলগীয়াখিনি মনোযোগ দি শুনা আৰু সেইমতে শিক্ষণ প্ৰক্ৰিয়াবোৰ খাপ খুৱাই লোৱা আদি দিশক সামৰি লয়। ডিৱিৰ মতে শিক্ষাৰ্থীৰ আগ্ৰহৰ প্ৰতি দিয়া মনোযোগ সমতাপূৰ্ণ প্ৰকৃতিৰ হোৱা উচিত যাতে ই শিক্ষাৰ্থীৰ জ্ঞান অৰ্জন আৰু বুজা সামৰ্থৰ শক্তিশালী বিকাশ সুনিশ্চিত কৰে। এই বিষয়ৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম কেনেকৈ সজাব লাগে তাকে লৈ চলা বিতৰ্ক আজিলৈকে অব্যাহত আছে। ডিৱিৰ মতে সৰু ল'ৰা-ছোৱালীক অনিশ্চয়তাৰ মুখামুখি হোৱাত সহায় কৰাতো অত্যন্ত গুৰুত্বপূৰ্ণ। সিহঁতক জীৱনৰ পৰা কেনেকৈ শিকিব লাগে তাৰ শিক্ষা দিয়া উচিত। তথ্যসমৃদ্ধ পছন্দ আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পৰা সক্ষম নাগৰিক গঢ়ি তোলাৰ এক নৈতিক অনুষ্ঠানৰূপে শিক্ষাৰ ভূমিকা সম্পৰ্কে ল'ৰা-ছোৱালীক বুজোৱা উচিত।

অৰ্থাৎ, শিক্ষা সম্পৰ্কে এটা প্ৰকাৰ্যাত্মক আকলন উপস্থাপন কৰি ডিৱিয়ে শিক্ষা আৰু গণতন্ত্ৰৰ মাজত থকা সম্বন্ধ ব্যাখ্যা কৰাৰ চেষ্টা চলাইছিল। তেওঁৰ মতে শিক্ষাৰ সহায়ত প্ৰবীণ প্ৰজন্মই নবীন প্ৰজন্মক সমালোচনাত্মক দৃষ্টিভংগীৰে চিন্তা কৰিব পৰাকৈ প্ৰস্তুত কৰে, তথ্যসমৃদ্ধ নাগৰিকৰূপে গঢ় দিয়ে আৰু সমাজৰ হিতৰ বাবে গণতান্ত্ৰিক সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ সক্ষম কৰি তোলে।

৯.৪ গণতন্ত্ৰ আৰু শিক্ষা সম্পৰ্কে বি.আৰ. আম্বেদকাৰৰ দৃষ্টিভংগী

সমগ্ৰ ভাৰতবাসীৰ বাবে 'বাবাচাহেব আম্বেদকাৰ' নামেৰে পৰিচিত ভীমৰাও ৰামজী আম্বেদকাৰ (১৮৯১-১৯৫৬) আছিল একেধাৰে এগৰাকী ন্যায়বিদ, অৰ্থনীতিবিদ, ৰাজনীতিক আৰু সমাজ সংস্কাৰক। তেওঁ ভাৰতৰ দলিত বৌদ্ধ আন্দোলনৰ অনুপ্ৰেৰণাৰ প্ৰধান উৎস আছিল। আম্বেদকাৰে ভাৰতৰ দলিত শ্ৰেণীটোৰে সন্মুখীন হৈ অহা সামাজিক বৈষম্যৰ বিৰুদ্ধে চলা শক্তিশালী অভিযানৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ আছিল স্বাধীন ভাৰতৰ প্ৰথম গৰাকী আইন আৰু ন্যায় মন্ত্ৰী। আম্বেদকাৰক ভাৰতীয় সংবিধান নিৰ্মাণকাৰী আৰু ভাৰত গণৰাজ্যৰ জনক বুলি অভিহিত কৰা হয়।

১৯১৩-১৯১৬ চনত আম্বেদকাৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'লাম্বিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল। বিশ্ববিদ্যালয়ত তেওঁৰ শিক্ষকবৃন্দ আছিল বিভিন্ন বিষয়ৰ মুধাফুটা পমি্ডত। শিক্ষকবৃন্দৰ ভিতৰত জন ডিৱিয়ে আম্বেদকাৰক সৰ্বাধিক প্ৰভাৱিত কৰিছিল। এই কথা তেওঁৰ ৰাজনৈতিক কৰ্মৰাজিত প্ৰতিফলিত হৈছিল। এনে কাৰ্যকলাপত আম্বেদকাৰে ডিৱিৰ সৈতে হোৱা বাৰ্তালাপৰ প্ৰসংগ টানি আনিছিল। খৃষ্ট'ফাৰ কুইনৰ ভাষাত আম্বেদকাৰৰ লেখনী আৰু তত্ত্ববোৰত ডিৱিৰ উপস্থিতি সহজে ধৰিব পাৰি। আম্বেদকাৰৰ বৌদ্ধধৰ্ম পুনৰ্গঠনৰ প্ৰয়াসত এই উপস্থিতি বিশেষভাৱে লক্ষণীয়। অৱশ্যে ডিৱিৰ মতৰ বিপৰীতে গৈ আম্বেদকাৰে শিক্ষা সম্পৰ্কীয় ধাৰণাত শিক্ষাৰ বাবে ব্যাপক মাত্ৰাত ৰাজহুৱা সংযোগ স্থাপনৰ বিষয়টোত জো�ৰ দিছিল। ডিৱিয়ে সমাজৰ উন্নততৰ সঞ্চাৰণ তথা পুনৰীক্ষণৰ বাবে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰাৰ প্ৰতি আগ্ৰহী আছিল। আনহাতে, আম্বেদকাৰে শ্ৰেণীকোঠাৰ বাহিৰত সমাজ নিৰ্মাণ তথা সংস্কাৰ কৰাৰ বাবে সম্পৰীক্ষামূলক পদ্ধতি প্ৰয়োগৰ প্ৰয়োজনীয়তাত জোৰ দিছিল। শিক্ষা দিবলৈ প্ৰয়াস কৰক অথবা নকৰক, সমাজত থাকি লাভ কৰা অভিজ্ঞতাবোৰত কিন্তু অনবৰতে একোটা নিৰ্দিষ্ট জড়তা থাকে আৰু একে সময়তে সমাজৰ সদস্যসকলৰ মাজত একোটা নিৰ্দিষ্ট শিক্ষাপ্ৰদ (educative) শক্তি সক্ৰিয় হৈ থাকে। ধৰ্মৰ মাধ্যমেৰে সৃষ্ট সামাজিক পৰিৱেশত আম্বেদকাৰে এই কথা ধৰা পেলাইছিল। হিন্দুত্ববাদেৰে গঠিত সমাজবোৰত এই কথা বিশেষভাৱে প্ৰযোজ্য। এনে সমাজৰ কিছুমান নিৰ্দিষ্ট গোটৰ মাজত যিকোনো ধৰণৰ যোগাযোগ আৰু সংযোগ স্থাপন নিষিদ্ধ। এনেবোৰ কথাই আম্বেদকাৰৰ ১৯২০ৰ দশকটো আৰু ১৯৩০ৰ দশকটোৰ আদিভাগত কৰা কাম-কাজবোৰক প্ৰভাৱিত কৰিছিল। তেওঁ মন্দিৰবোৰৰ মাজত সংহতি স্থাপন, পানীৰ উৎসবোৰৰ সাৰ্বজনীন ব্যৱহাৰৰ আৰু অসবৰ্ণ সম্প্ৰদায়বোৰৰ মাজত প্ৰীতিভোজৰ আয়োজন আদি কাৰ্যৰ জৰিয়তে সামাজিক পৰিৱেশটো পুনৰ্নিৰ্মাণৰ প্ৰয়াস কৰিছিল। ডিৱিৰ দৰে আম্বেদকাৰেও গণতন্ত্ৰ আৰু সংযোগৰ মাজত যোগসূত্ৰ থকাৰ কথা কৈছিল। তেওঁৰ মতে সমাজৰ পৰা আওপুৱণি কথাবোৰ আঁতৰ কৰাত এক প্ৰগতিশীল শৈক্ষিক সংযোগে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। জনসাধাৰণৰ মাজত এনে সংযোগে নতুন চিন্তা-ধাৰণাৰ প্ৰসাৰ ঘটাব আৰু এনে চিন্তা-ধাৰণাসমূহক অধিক ফলপ্ৰসূ কৰি তুলিবলৈ প্ৰয়োজনীয়

দিক্-নির্দেশনা প্রদান কৰিব।

আম্বেদকাৰে ডিৱিয়ে উপস্থাপন কৰা শিক্ষাত নিহিত গণতান্ত্রিক ধাৰণাটো সমর্থন কৰিছিল। কোনো এটা সামাজিক দলে দিয়া যিকোনো প্রকাৰৰ শিক্ষাই দলটোৰ সদস্যসকলৰ সামাজিকীকৰণ ঘটায়। সেয়েহে শিক্ষাদান কৰাতো সমাজৰ দায়িত্ব। সমাজৰ অনুন্নত সম্প্রদায়বোৰৰ বাবে শিক্ষাই কেনে ভূমিকা ল'ব পাৰে তাৰ এক উদাহৰণ আছিল স্বয়ং আম্বেদকাৰ। শিক্ষাই গ্রাম্য অভিজাত শ্রেণীটোৰ কবলৰ পৰা দুখীয়াসকলক মুক্ত কৰি তেওঁলোকৰ আত্ম-নির্ভৰশীলতা বৃদ্ধি কৰে। শিক্ষাই দুখীয়া সম্প্রদায়বোৰক বৃত্তিগত পৰিৱর্তন সাধনৰ সুযোগ দিয়ে। ই ব্যক্তিক অপমান-বঞ্চনা সম্পর্কে সজাগ কৰি তোলে আৰু দাসত্বৰ বান্ধোনৰ পৰা মুক্ত হোৱাৰ পথ দেখুৱায়। আম্বেদকাৰে বিশ্বাস কৰিছিল যে উচ্চশিক্ষা, উন্নততৰ নিয়োগ সুবিধা আৰু জীৱিকা অর্জনৰ উন্নত উপায় হ'ল দমনৰ বলি তথা 'অস্পৃশ্য'সকলৰ মোক্ষ লাভৰ পথ।

আম্বেদকাৰে শিক্ষাৰ জৰিয়তে চৰিত্র গঠনত গুৰুত্ব দিছিল। তেওঁ 'ভাৰতীয় সমাজ সেৱা সংঘ' প্রতিষ্ঠা কৰিছিল। সংস্থাটোৰ মূলমনস্তত্র আছিল পঢ়া, নিজৰ মনৰ ভাৰ অইনক পঢ়িবলৈ দিয়া, নিজৰ মনৰ ভাৱ অইনক শুনিবলৈ দিয়া, বুজা, উপলব্ধি কৰা আৰু বুজা কথাবোৰক বাস্তৱ ৰূপ দিয়া (Read, read out and hear, understand, realize and give realization)। আম্বেদকাৰে উপলব্ধি কৰিছিল যে সমাজৰ তলখাপৰ সদস্যখিনিৰ মনত আত্মসন্মান আৰু মর্যাদাবোধ জগাই তোলাত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। শিক্ষাইহে সমাজৰ মূলসুতিত তেওঁলোকৰ লীনভৱন প্রক্রিয়াটো ত্বৰান্বিত কৰি তুলিব পাৰিব। আম্বেদকাৰৰ মতে পাঠ্যক্রমে শিক্ষার্থীক যুক্তিসংগত কৰি তোলাত তাৎপর্যপূর্ণ ভূমিকা পালন কৰে। যুক্তিবাদী চিন্তাধাৰাই শিক্ষার্থীক অসত্যৰ পৰা সত্যক পৃথক কৰিবলৈ সক্ষম কৰি তোলে।

পাঠ্যক্রম সম্পর্কে নিজৰ দৃষ্টিভংগী ব্যক্ত কৰি আম্বেদকাৰে কৈছিল যে বিশ্ববিদ্যালয়বোৰে কোনো পাঠ্যবিষয়ৰ পাঠ্যক্রমত একোটা বহল ৰূপৰেখা উপস্থাপন কৰিব লাগে। শিক্ষকসকলে সেই ৰূপৰেখাৰ আধাৰত নিজস্ব শিক্ষণ পদ্ধতি প্রয়োগ কৰি নিজ নিজ দৃষ্টিভংগী ব্যক্ত কৰাৰ পূর্ণ স্বাধীনতা পাব লাগে। অর্থাৎ, বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষকসকলে উপযুক্ত ৰেহাই-অধিকাৰ ব্যৱস্থাৰ ভিতৰত থাকি শিক্ষা সম্পূর্ণৰূপে নিয়ন্ত্রণ কৰা আৰু শিক্ষার্থীৰ পৰীক্ষা লোৱাৰ সুবিধা পোৱা উচিত। ইয়াৰ উপৰি কোনো এটা বিশেষ পাঠ্যক্রম পঢ়ুৱাই থকা সকলো শিক্ষকে একোটা সমৰূপী গোট হিচাপে কাম কৰি শিক্ষার্থীক উন্নত ফলাফল প্রদর্শন কৰাত সহায় কৰিব লাগে। আম্বেদকাৰে এক আন্তঃক্রিয়াশীল শিক্ষণ-শিকন প্রক্রিয়াত বিশ্বাস কৰিছিল। এই প্রক্রিয়াত শিক্ষকে সুবিধা সুচলকাৰী আৰু দিক্ নির্দেশকৰ ভূমিকা পালন কৰি শিক্ষার্থীৰ শিক্ষ সুচল কৰি তোলে। তেওঁ প্রচলিত পৰীক্ষা ব্যৱস্থাটোৰ উগ্র সমালোচক আছিল আৰু ইয়াক কেৱল এক সমাপ্তিত উপনীত হোৱাৰ উপায় বুলি গণ্য কৰিছিল।

আম্বেদকাৰে ব্যক্তিৰ সামাজিক আৰু আর্থিক স্থিতি নির্বিশেষে পুৰুষ-মহিলা উভয়ৰে বাবে শিক্ষা প্রয়োজনীয় বুলি বিবেচনা কৰিছিল। তেওঁৰ মতে প্রতিগৰাকী ব্যক্তিয়েই ন্যূনতম

শিক্ষাৰে শিক্ষিত হোৱা উচিত যাতে তেওঁলোকে অন্ততঃ পঢ়িব আৰু লিখিব পাৰে। সর্বসাধাৰণক ন্যূনতম আৱশ্যকীয় শিক্ষাৰে শিক্ষিত কৰি তোলাৰ কামটো প্রাথমিক শিক্ষাই কৰিব পাৰে। আম্বেদকাৰে সকলো লোককে জীৱনত উন্নতি কৰিবলৈ উচ্চশিক্ষাৰে শিক্ষিত হ'বলৈ অনুপ্রাণিত কৰিছিল। তেওঁৰ মতে কোনো এক সম্প্রদায়ৰ সদস্যসকলৰ শৈক্ষিক অগ্রগতিয়ে সম্প্রদায়টোৰ উন্নতি সাধন কৰে। সেইবাবে তেওঁ প্রাথমিক শিক্ষাতকৈ উচ্চ শিক্ষাত অধিক জোৰ দিছিল। তেওঁ বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষাক আনবোৰতকৈ আগত স্থান দিছিল। আম্বেদকাৰে শিক্ষা ব্যৱস্থাৰ সমানে পুথিভঁৰালবোৰকো শিক্ষানুষ্ঠানৰ সমপর্যায়ৰ অনুষ্ঠান বুলি অভিহিত কৰিছিল। লগতে তেওঁ আইন বিদ্যানুষ্ঠান আৰু কাৰিকৰী শিক্ষা আদিৰ প্রসাৰৰো পোষকতা কৰিছিল। স্ত্রী শিক্ষাৰ প্রসাৰ আছিল আম্বেদকাৰৰ বাবে এক অত্যন্ত গুৰুত্বপূর্ণ বিষয়। তেওঁ কৈছিল যে সমাজৰ নিষ্পেষিত দুখীয়া শ্রেণীটোৰ উন্নতি তেতিয়াই ত্বৰান্বিত হ'ব যেতিয়া এই শ্রেণীটোৰ পুৰুষ আৰু মহিলা সদস্য উভয়ৰে শিক্ষালাভ প্রক্রিয়া দুটা সমান্তৰালভাৱে আগবাঢ়িব।

শিক্ষা সম্পর্কে আম্বেদকাৰে আগবঢ়োৱা চিন্তাবোৰক আদর্শবাদী বোলাৰ সলনি বাস্তৱবাদী আৰু ব্যৱহাৰিক বুলি কোৱা উচিত। তেওঁ কিতাপ পঢ়ি আহৰণ কৰা বিদ্যাত বিশ্বাস নকৰিছিল। তেওঁ আনুষ্ঠানিক শিক্ষাৰ সমানে অনানুষ্ঠানিক শিক্ষা প্রক্রিয়াটোও গুৰুত্বপূর্ণ বুলি উপলব্ধি কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে তেওঁৰ সম্প্রদায়টোৰ দশা উন্নত কৰাৰ শিক্ষাই হ'ল সবাতোকৈ শক্তিশালী উপায়। শিক্ষাই এটা জাতি এখন দেশকো উন্নতিৰ জখলাৰে উধাই যোৱাত কৰিব পাৰে। গণতন্ত্র সম্পর্কে ভালদৰে বুদাত শিক্ষাৰ গুৰুত্ব আম্বেদকাৰে মানি লৈছিল। তেওঁৰ মতে গণতন্ত্র হ'ল 'এগৰাকী ব্যক্তি, এটা ভোট আৰু এটা প্রমূল্য'ৰ নীতি অনুসৰণ কৰা এক ব্যৱস্থা। তেওঁৰ বাবে গণতন্ত্র হ'ল বৈক্তিৰ সৈতে জড়িত সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশগ্রহণ কৰিব পৰাকৈ ব্যক্তিক সবল কৰি তোলা এক ব্যৱস্থা। এয়া শিক্ষাৰ জৰিয়তহে বাস্তৱ ৰূপ ল'বলগীয়া কথা।

ডিৱি আৰু আম্বেদকাৰ দুয়োৰে মতে শিক্ষাৰ গণতন্ত্রৰ সৈতে সম্পর্ক আছে। গণতনন্ত্রই মানুহৰ মাজত অইনৰ সৈতে আন্তঃক্রিয়া সম্পন্ন কৰাৰ অভ্যাস গঢ়ি তোলে। গণতন্ত্রই মানুহক সমবাসীৰ সৈতে মিলি সমস্যা সমাধান কৰিবলৈ শিকায়। গণতন্ত্র এক অভ্যাস, জীৱন যাপনৰ কে পন্থা। ডিৱিৰ মতে গণতন্ত্র হ'ল এক অত্যন্ত ব্যক্তিগত বিষয়। ই 'ৰাইজ' গঢ়াৰ বাবে যথোপযুক্ত চর্ত আৰোপ কৰে আৰু ৰাইজ সৃষ্টি কৰে। আম্বেদকাৰে গণতন্ত্র সম্পর্কে ডিবিয়ে কোৱা বহুতো কথাৰ লগতে ইয়াক জীৱন যাপনৰ এক উপায় হিচাপে লৈছিল। তেওঁ ভাৰতৰ পৃষ্ঠভূমিত ডিৱিৰ গণতন্ত্রৰ ধাৰণাটো খাৰ খুৱাব খুজিছিল আৰু জাতি-ধর্মৰ বিষয় দুটা ইয়াৰ পৰিধিৰ ভিতৰত আলোচনা কৰিছিল। অর্থাৎ, ডিৱি আৰু আম্বেদকাৰ দুয়োৰে 'ন্যায়সংগত সমাজ'ৰ ধাৰণাত গণতন্ত্র আৰু শিক্ষাৰ আন্তঃসম্পর্ক স্থাপিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ডিৱিৰ মতে গণতন্ত্র কি?

.....

প্রশ্ন ২ ঃ বি. আৰ. আম্বেদকাৰে ডিৱিয়ে কোৱা গণতন্ত্র আৰু শিক্ষাৰ যোগসূত্রক ক'ত প্রয়োগ কৰিছিল?

.....

প্রশ্ন ৩ ঃ গণতন্ত্র আৰু শিক্ষাৰ ধাৰণা গঢ়িবলৈ ডিৱি আৰু আম্বেদকাৰে কি কি পদ্ধতি ব্যৱহাৰ কৰিছিল?

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা আৰু গণতন্ত্রৰ ওতঃপ্রোত সম্পর্ক আছে।
- জন ডিৱি (১৮৫৯-১৯৫২) এগৰাকী আমেৰিকান দার্শনিক, মনোবিজ্ঞানী আৰু শিক্ষা সংস্কাৰক আছিল।
- জীৱনৰ ধাৰাবাহিকতা মানে হ'ল জীৱৰ প্রয়োজন অনুসৰি পাৰিপার্শ্বিকৰ অবিৰত পুনঃসমাযোজন।
- জীৱনৰ ধাৰাবাহিকতা বুজিবলৈ ডিৱিয়ে জীৱন আৰু অভিজ্ঞতা নাম দিয়া ধাৰণা দুটা প্রয়োগ কৰিছিল।
- সামাজিক গোটবোৰৰ নৱীভৱন (renewing)ৰ জৰিয়তে যিকোনো অভিজ্ঞতাৰ ধাৰাবাহিকতা হ'ল এক আক্ষৰিক সত্য। বহল অর্থত শিক্ষাই জীৱনৰ এই সামাজিক ধাৰাবাহিকতাৰ কথাকে বুজায়।
- মানুহে কোনো ভাষা, বিশ্বাস, ধাৰণা অথবা সামাজিক স্বীকৃত মান নোহোৱাকৈ অপৰিপক্ক অৱস্থাত জন্মলাভ কৰে।
- পৈণত আৰু অপৈণত জীৱৰ মাজত থকা ব্যৱধানৰ কথা বুজিবলৈ শিক্ষাৰ প্রয়োজন বুলি ডিৱিয়ে মত পোষণ কৰিছিল।
- জৈৱিক জীৱনৰ দৰে সামাজিক জীৱনেও একোটা সঞ্চাৰণ প্রক্রিয়াৰ মাজেৰে নিজ অস্তিত্ব বর্তাই ৰাখে। কাম কৰাৰ অভ্যাস, চিন্তা কৰাৰ অভ্যাস আৰু নানা আৱেগ-অনুভূতি আদি প্রবীণ প্রজন্মই নবীন প্রজন্মলৈ সংযোগৰ মাধ্যমেৰে হস্তান্তৰ কৰিলেই এই সঞ্চাৰণ সম্পন্ন হয়।

- সমাজৰ অপৈণত সদস্যসকলক শিক্ষিত কৰি তোলাতো হ'ল এটা সামাজিক আৱশ্যকতা। এই শিক্ষাই মূলতঃ সংযোগৰ মাধ্যমেৰে সঞ্চাৰিত কৰা যিকোনো কথাকে সামৰি লয়।
- ডিৰিৰ বাবে গণতন্ত্ৰ কেৱল ভোট দিয়াৰ অধিকাৰেই নহয়, ই হ'ল নাগৰিকক তথ্যসমৃদ্ধ, বুদ্ধিমান পছন্দ কৰিবলৈ আৰু ৰাজহুৱা কল্যাণ সাধন কৰিব পৰা সিদ্ধান্ত ল'বলৈ দায়িত্বশীল ব্যক্তিৰূপে গঢ়ি তুলিব পৰা এক ব্যৱস্থা।
- গণতন্ত্ৰ সফল কৰিবলৈ গণতান্ত্ৰিক দেশৰ নাগৰিকসকল তথ্য-সমৃদ্ধ, জ্ঞানসম্পন্ন আৰু প্ৰজ্ঞাপূৰ্ণ হ'ব লাগিব। অৰ্থাৎ, শিক্ষাই এক নিজস্ব ধৰণৰ নৈতিক সম্পদান কৰিবলগীয়া হয়।
- ভীমৰাও ৰামজী আম্বেদকাৰ (১৮৯১-১৯৫৬) ৰ জনপ্ৰিয় নামটো হ'ল বাবাচাহেব আম্বেদকাৰ। তেওঁ আছিল এগৰাকী ন্যায়বিদ, অৰ্থনীতিবিদ, ৰাজনীতিক আৰু সমাজ সংস্কাৰক। তেওঁ ভাৰতৰ দলিত বৌদ্ধ আন্দোলনৰ বাবে অনুপ্ৰেৰণাৰ প্ৰধান উৎস আছিল। আম্বেদকাৰে দলিতসকলৰ বিৰুদ্ধে চলা সামাজিক বৈষম্যৰ বিৰুদ্ধে অভিযান চলাইছিল আৰু মহিলা তথ্য শ্ৰমিকসকলৰ অধিকাৰৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল।
- আম্বেদকাৰৰ মতে সংযোগৰ শিক্ষামূলক দিশ এটা আছে, শিক্ষা সঞ্চাৰিত কৰিব পাৰি আৰু শিক্ষাই জীৱনৰ সামাজিক ৰূপবোৰৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে।
- ডিৰিৰ দৃষ্টিভংগীৰ বিপৰীতে অৱস্থান লৈ আম্বেদকাৰে নিজৰ শিক্ষা সম্পৰ্কীয় ধাৰণাটোৰ নিৰ্মাণত বিশাল পৰিসৰৰ ৰাজহুৱা সংযোগত গুৰুত্ব দিছিল।
- কোনো সামাজিক দলে ইয়াৰ সদস্যসকলক দিয়া যিকোনো ধৰণৰ শিক্ষাই সামাজিকীকৰণ প্ৰক্ৰিয়াটো সম্পাদন কৰে। সেয়েহে শিক্ষাদান কৰাতো সমাজৰ দায়িত্ব।
- আম্বেদকাৰৰ মতে গণতন্ত্ৰ 'এজন ব্যক্তি, এটা ভোট' হোৱাৰ লগতে 'এটা ভোট, এটা প্ৰমূল্য'ক প্ৰতিফলিত কৰা এক ব্যৱস্থা। তেওঁৰ মতে গণতন্ত্ৰ হ'ল যিকোনো ব্যক্তিকে সবল কৰি তোলা ব্যৱস্থা। সবলীকৰণ ঘটা ব্যক্তিয়ে নিজ স্বাৰ্থজড়িত বিষয়বোৰত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ভাগ ল'ব পাৰে। এয়া শিক্ষাৰ জৰিয়তে বাস্তৱ কৰি তুলিব পৰা যায়।
- ডিৰি আৰু আম্বেদকাৰ দুয়ো শিক্ষাক গণতন্ত্ৰৰ সৈতে যুক্ত কৰিছিল। শিক্ষাৰ দৰে গণতন্ত্ৰয়ো অন্যৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰা, সমমনোভাৱাপন্নৰ সৈতে মিলি সমস্যা সমাধান কৰা আদিৰ দৰে অভ্যাস প্ৰদৰ্শন কৰে।
- গণতন্ত্ৰ হ'ল এক অভ্যাস নাইবা জীৱন যাপন কৰাৰ পন্থা। ডিৰিৰ মতে গণতন্ত্ৰ হ'ল এক অত্যন্ত ব্যক্তিগত বিষয়। ই 'ৰাইজ' গঢ়াৰ চৰ্ত বান্ধি দিয়ে আৰু 'ৰাইজ' গঢ়ে। আম্বেদকাৰে ডিৰিৰ আন বহুতো চিন্তাৰ লগতে গণতন্ত্ৰ জীৱন যাপনৰ এক পন্থা বোলা মতটো গ্ৰহণ কৰিছিল। তেওঁ গণতন্ত্ৰ সম্পৰ্কে থকা ডিৰিৰ মনোভাৱক ভাৰতীয় পৃষ্ঠভূমিত খাপ খুৱাই লৈ জাতি-ধৰ্মৰ সমস্যাটো বিশ্লেষণ কৰিছিল।



৯.৬ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



৯.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ ডিৱিৰ মতে গণতন্ত্র হ'ল জীৱন যাপনৰ এক পন্থা।

প্রশ্ন নং ২ উত্তৰ ঃ ভাৰতৰ পৃষ্ঠভূমিত সক্রিয় হৈ থকা জাতি-ধর্মৰ সমস্যা বিশ্লেষণত।

প্রশ্ন নং ৩ উত্তৰ ঃ নির্দেশনমূলক পদ্ধতি।



৯.৮ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ শিক্ষা সম্পর্কে ডিৱিয়ে আগবঢ়োৱা দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ শিক্ষা সম্পর্কে আম্বেদকাৰে আগবঢ়োৱা দৃষ্টিভংগী ব্যাখ্যা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ গণতন্ত্র আৰু শিক্ষাৰ ধাৰণা গঢ়াৰ সময়ত ডিৱি আৰু আম্বেদকাৰে কোনবোৰ দিশত সাদৃশ্য প্রদর্শন কৰিছিল?

প্রশ্ন নং ২ ঃ গণতন্ত্র আৰু শিক্ষাৰ ধাৰণা গঢ়াৰ সময়ত ডিৱি আৰু আম্বেদকাৰে কোনবোৰ দিশত পার্থক্য প্রদর্শন কৰিছিল?

****

অধ্যায় ১০ঃ জ্ঞানৰ সামাজিক নির্মাণ— কৃষ্ণ কুমাৰ

অধ্যায় গাঁঠনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ বৃটিছ শাসনৰ কালছোৱাৰ জ্ঞান নির্মাণ প্রক্রিয়া
১০.৪ জ্ঞানৰ সামাজিক নির্মাণ
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অগ্রগতিৰ খতিয়ান
১০.৭ অধিক জানিবলৈ
১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্ষমতা আৰু জ্ঞানৰ মাজৰ সম্বন্ধ বুজি পাব
- জ্ঞান নির্মাণ সম্পর্কে থকা কৃষ্ণ কুমাৰৰ দৃষ্টিভাংগী জানিব পাৰিব।

১০.২ পৰিচয়

জ্ঞানৰ দর্শন এক বিশাল বিষয়। কিন্তু শিক্ষা ব্যৱস্থাত নিহিত জ্ঞান (Knowledge)ৰ এক নির্দিষ্ট পৰিসীমা আছে। সমাজত ক্ষমতা (Power)ৰ প্রকৃতি আৰু বিতৰণ প্রণালীয়ে শিক্ষা ব্যৱস্থাত নিহিত জ্ঞানৰ সংজ্ঞা নিৰূপণ কৰে। কার্ল মেনহাইমৰ মতে কেৱল শ্রেণীয়েই নহয়, আন বহুতো সামাজিক স্থিতিয়ে জ্ঞানৰ ৰূপসমূহ নির্দ্ধাৰণ কৰে। সমাজত আধিপত্য বিস্তাৰ কৰি থকা দলটোৱে শিক্ষা ব্যৱস্থাত জ্ঞান বুলি কোনবোৰ কথাক বিবেচনা কৰা হ'ব তাৰ সিদ্ধান্ত লয়। এনে জ্ঞানকে শিক্ষণৰ বাবে উপযুক্ত আৰু শ্রেয় বুলি গণ্য কৰা হয়। অর্থাৎ, শ্রেণীকোঠাৰ ভিতৰত লাভ কৰা জ্ঞান যদি সমাজৰ প্রভাৱশালী গোট এটাৰ সিদ্ধান্তমর্মে শিকোৱা জ্ঞান, তেন্তে ই কেৱল ক্ষমতাশালীসকলৰ অনুকূল হ'ব। ক্ষমতা নথকাসকল নিজে নিজে ব্যৱস্থাটোৰ দ্বাৰা সৃষ্ট বৈষম্যৰ বলি হ'ব। জ্ঞান সৃষ্টিৰ প্রক্রিয়াটোত শিক্ষার্থীৰ আৰু শিক্ষকৰ অভিজ্ঞতাক কোনো গুৰুত্ব দিয়া নহয়। প্রভাৱশালী গোটটোৱে কিছুমান বিশেষ তথ্যত অর্থ আৰোপ কৰি দিয়ে আৰু তাকেই বৈধ বুলি বলেৰে প্রচলিত কৰে। কেৱল ক্ষমতা থকা বাবেই তেওঁলোকে এই কামটো কৰিব পাৰে আৰু এনে তথ্যবোৰক শিক্ষাত নিহিত জ্ঞান বুলি বিবেচনা কৰিবলৈ শিকায়। ইয়াৰ বাবেই জ্ঞান ব্যৱস্থাপনা (Management of knowledge) বোলা ধাৰণাটোৱে গা কৰি উঠিছে। বিদ্যালয়কেন্দ্রিক

শিক্ষাৰ মাজত জ্ঞান ব্যৱস্থাপনাৰ বিভিন্ন মাত্রা দেখিবলৈ পোৱা যায়। বিদ্যালয়-শ্রেণীকোঠাভিত্তিক আন্তঃক্রিয়া, শিক্ষণ প্রক্রিয়াটো বৃত্তিগতকৰণ, বিদ্যালয় সংগঠনৰ আমোলাতান্ত্রিক ৰূপ আৰু বিশেষভাৱে সাংস্কৃতিক স্তৰত হোৱা পৰিৱর্তন আদি হ'ল এই জ্ঞান ব্যৱস্থাপনাৰ দুটামান সততে চকুত পৰা মাত্রা। জ্ঞান ব্যৱস্থাপনাই জ্ঞান আৰু ক্ষমতাৰ সমাজতত্ত্বৰ মাজত যোগসূত্র স্থাপন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শিক্ষা ব্যৱস্থাত নিহিত জ্ঞান সম্পর্কে কেনেকৈ সিদ্ধান্ত লোৱা হয়?

.....

প্রশ্ন ২ ঃ জ্ঞান ব্যৱস্থাপনাৰ বিভিন্ন ধৰণৰ মাত্রা ক'ত দেখিবলৈ পোৱা যায়?

.....

১০.৩ বৃটিছ শাসনৰ কালছোৱাৰ জ্ঞান নির্মাণ প্রক্রিয়া

কৃষ্ণ কুমাৰে ঔপনিৱেশবাদৰ অধীনস্থ ভাৰতৰ পৃষ্ঠভূমিত জ্ঞান নির্মাণৰ বিষয়টো আলোচনা কৰিছিল। এই পৰম্পৰা এছোৱা দীঘলীয়া সময়ৰ বাবে অক্ষুণ্ণ আছিল। বর্তমানেও ভাৰতৰ শিক্ষা ব্যৱস্থা ঔপনিৱেশিক কার্য-ক্রমণিকাৰে প্রভাৱিত। ভাৰতত কর্মৰত বৃটিছ নীতি নির্দ্ধাৰকসকলে থলুৱা জ্ঞান প্রত্যাখ্যান কৰি ঔপনিৱেশিক শিক্ষা ব্যৱস্থা বিকশিত কৰিছিল। ই এচাম শিক্ষিত ভাৰতীয় গঢ়ি তুলিছিল। এই শিক্ষা ব্যৱস্থাই লগতে শিক্ষিত আৰু অশিক্ষিত ভাৰতীয়ৰ মাজত এক বৃহৎ ব্যৱধানৰো সৃষ্টি কৰিছিল।

ইয়াত জ্ঞান বোলোতে শিক্ষা তথা শিকন প্রক্রিয়াৰ সৈতে জড়িত উপযুক্ত আৰু বৈধ জ্ঞানৰ কথা বুজোৱা হৈছে। কিছুমান চিন্তা ধাৰণাই আনবোৰতকৈ অধিক বৈধতা আহৰণ কৰে। শিক্ষানুষ্ঠানসমূহত যি শিকোৱা হয় সেইবোৰে বৈধ বিদ্যালয়ভিত্তিক জ্ঞানৰ মর্যাদা লাভ কৰে। ভাৰতীয় শিক্ষা ব্যৱস্থা আছিল বৃটিছ বিষয়া আৰু মিছনেৰীসকলৰ সিদ্ধান্তই সৃষ্টি কৰা ঔপনিৱেশিক শাসনৰ সাংস্কৃতিক তথা অর্থনৈতিক চাপৰ পৰিণাম। ঔপনিৱেশিক ভাৰতত থলুৱা জ্ঞানক বেছিভাগ সময়তে একাষৰীয়া কৰি থৈ প্রবুদ্ধ বহিৰাগত শ্রেণীটোৱে বিদ্যালয় কেন্দ্রিক শিক্ষা কেনে হ'ব তাৰ সিদ্ধান্ত লৈছিল, শিক্ষাৰ বিষয় বাছনি কৰিছিল আৰু শিক্ষা ব্যৱস্থাটো গঢ়ি তুলিছিল। ঔপনিৱেশিক শাসক পক্ষই প্রাপ্তবয়স্ক আৰু ভাৰতীয়সকলে শিশুৰ ভূমিকা পালন কৰিছিল। এই সাবালক-নাবালক সম্বন্ধই শৈক্ষিক কার্যকলাপবোৰ নিয়ন্ত্রণ কৰিছিল। শাসক পক্ষৰ লক্ষ্য আছিল স্থানীয় বাসিন্দাক প্রশিক্ষণ দি নাগৰিক কৰি তোলা। লাহে লাহে প্রবুদ্ধ বাহিৰাগত (enlishtened

outsider) সকলৰ স্থান ল'লে শিক্ষিত ভাৰতীয়সকলে। তেওঁলোকে ঔপনিৱেশিক শাসকে নির্দ্ধাৰণ কৰা আৰু উপযুক্ত বুলি মর্যাদা দিয়া জ্ঞানৰ মৌলিক সংৰচনাটোকে আগবঢ়াই নিলে। ইয়েই বহুদিনলৈকে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ৰেহৰূপ আৰু গতি-প্রকৃতি নির্ণয় কৰিছিল।

এই কথাটোৱে শিক্ষানুষ্ঠানবোৰে দিয়া জ্ঞান আৰু থলুৱা ভাৰতীয় জ্ঞান তথা দক্ষতাৰ মাজত এক ব্যৱধানৰ সৃষ্টি কৰিছিল। বিদ্যালয়ভিত্তিক পাঠ্যক্রম আৰু বাস্তৱ জীৱনৰ মাজত লাহে লাহে দূৰত্ব বাঢ়ি গৈছিল। শিক্ষণ-শিকন প্রক্রিয়াৰ মূল স্তম্ভস্বৰূপ শিক্ষকসকলকো জ্ঞান নির্বাচনা প্রক্রিয়াৰ পৰা আঁতৰত ৰখা হৈছিল। তেওঁলোকে কি শিকাব সেয়া পাঠ্যক্রম হিচাপে তেওঁলোকৰ হাতত তুলি দিয়া হৈছিল। ইয়াৰ লগতে ইংৰাজী ভাষাটো হৈ পৰিছিল শিক্ষা নির্দেশনা প্রদানৰ আদর্শ মাধ্যম। ইয়াৰ দ্বাৰা শিশুৰ বিদ্যালয়ভিত্তিক জ্ঞান আৰু বিদ্যালয়ৰ বাহিৰত জগতখনৰ মাজত যোগসূত্র স্থাপন কৰিব পৰা সুবিধা কর্তন কৰা হৈছিল। নিৰক্ষৰ জনসাধাৰণৰ হস্তকলা আৰু জ্ঞানক শিকিব পৰা কথা বুলি স্বীকৃতি দিয়া হোৱা নাছিল বাবে সংস্কৃতিৰ অংশস্বৰূপ এই কথাবোৰক অজ্ঞানতা আৰু অধোগতিৰ প্রতীক বুলি গণ্য কৰা হৈছিল। এনে মনোভাৱৰ বাবে থলুৱা জ্ঞান আৰু দক্ষতা শিক্ষাৰ বাবে অপ্রাসংগিক হৈ পৰিছিল। ঔপনিৱেশিক প্রশাসনকসকলৰ চেষ্টা আছিল ভাৰতীয় সমাজত নথকা পাঠ্যক্রম দেশখনৰ শিক্ষা ব্যৱস্থাত সন্নিৱিষ্ট কৰা। শিক্ষকসকলে বিদ্যালয়ত সকলো বিষয়েই শিকাইছিল। কিন্তু পাঠ্যক্রমৰ বিষয়সূচীৰ অন্তর্গত পাঠবোৰ শিশুৰ বাস্তৱ জীৱন আৰু সামাজিক পৃষ্ঠভূমিৰ বাবে সম্পূর্ণ আচহুৱা আছিল। ভাৰতত প্রাক্-ঔপনিৱেশিক আৰু ঔনিৱেশিক শিক্ষা ব্যৱস্থাই মিলি এক পৰস্পৰা সৃষ্টি কৰিছে। ভাৰতীয় সমাজে নেতিবাচক অথবা নিন্দাৰ মনোভাৱ প্রদর্শন কৰি খিলঞ্জীয়া জ্ঞানৰ প্রত্যাখান কৰাৰ কথাটো স্বাভাৱিক বুলিয়ে গ্রহণ কৰিছিল। বিশেষভাৱে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ বাবে গঢ় লৈ উঠা জ্ঞানৰ এই নতুন ৰূপটোৰ বিৰুদ্ধে ক্ষীণ প্রতিবাদে মূৰ দাঙি উঠিছিল। অধিকাংশ লোকৰে অভিপ্রায় আছিল সন্তানক এই শিক্ষা দি চৰকাৰী চাকৰি লাভ কৰিব পৰাকৈ অর্হতাসম্পন্ন কৰি তোলা। ভাৰতত বর্তমান প্রচলিত শিক্ষা ব্যৱস্থাতকৈ ঔপনিৱেশিক কালছোৱাৰ শৈক্ষিক পাঠ্যক্রম আছিল ভালেখিনি পৃথক। বর্তমানৰ আধুনিক শিক্ষা যথার্থতা আৰু যুক্তিনির্ভৰ। আগতে পাঠ্যপুথিবোৰ শিক্ষণ-শিকনৰ এক সহায়ক আহিলা হোৱাৰ পৰিৱর্তে একধৰণৰ পাঠ্যপুথি সংস্কৃতিৰ উত্থান ঘটিছিল। পাঠ্যপুথিয়েই প্রকৃত পাঠ্যক্রমৰ ভূমিকা লৈছিল। চৰকাৰে পাঠ্যপুথিত যি প্রকাশ কৰিছে শিক্ষকে তাকেই ব্যাখ্যা কৰিছিল, শিক্ষার্থীয়ে প্রয়োজনীয় কথাবোৰ টুকি লৈছিল, মুখস্থ কৰিছিল আৰু পৰীক্ষাত অহা প্রশ্নবোৰৰ উত্তৰ লিখিছিল। লিখিত পৰীক্ষা আছিল শিক্ষাৰ আমোলাতান্ত্রিক কেন্দ্রীভূত ব্যৱস্থা এটা বিকশিত কৰাৰ এক পদ্ধতি। পাঠ্যপুথিত থকা বিষয়বোৰ শিক্ষক-শিক্ষার্থী উভয়ে জানি-বুজি পার্গত হ'ব লাগিব বুলি ধৰা হৈছিল। শিক্ষার্থীয়ে সেয়েহে মুখস্থক গুৰুত্ব দিছিল আৰু পৰীক্ষাত মুখস্থ থকা কথাবোৰকে লিখিছিল। পৰীক্ষাত অসফল হোৱাৰ দুঃচিন্তা এৰাই চলিব খোজা শিক্ষার্থীসকলৰ বাবে জ্ঞানৰ শাৰীৰিক সঞ্চয়, যিটো পাঠ্যপুথিগত বিদ্যাৰ সমার্থক, হৈ পৰিছিল শিক্ষার্থী সংস্কৃতিৰ এক অংশ। শিক্ষকসকলেও শিক্ষার্থীক পাছৰ জীৱনৰ

বাবে উপযুক্ত কৰি গঢ়ি তোলাক সলনি চূড়ান্ত পৰীক্ষাবোৰত সফল হ'ব পৰাকৈ প্ৰস্তুত কৰি তোলাৰ প্ৰচেষ্টা হিচাপে কেৱল পাঠ্যপুথিত থকা কথাবোৰ খৰছি মাৰি বুজাতহে জোৰ দিবলৈ লৈছিল। পাঠ্যপুথিকে পাঠ্যক্ৰম বুলি গণ্য কৰা হৈছিল। ফলত জ্ঞানৰ আন সকলোবোৰ ৰূপেই পাঠ্যপুথি সংস্কৃতিৰ কবলত পৰি বৈধতাহীন বিষয়ত পৰিণত হৈছিল। জ্ঞানৰ অন্য ৰূপত থকা নিপুণতাক শিক্ষা বুলি গণ্য কৰা নহৈছিল।

বিদ্যালয়কেন্দ্ৰিক পাঠ্যক্ৰম আৰু সংস্কৃতিক প্ৰমূল্যৰ মাজত সৃষ্টি হোৱা ব্যৱধানক শিক্ষাৰ ঔপনিৱেশিক ব্যৱস্থাৰ বৈশিষ্ট্য বুলি ক'ব পাৰি। বিদ্যালয়ভিত্তিক জ্ঞান হৈ পৰিছিল শিশুৰ দৈনন্দিন জীৱন আৰু সাংস্কৃতিক পৃষ্টভূমিৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন। এয়া বহুদিন ধৰি নিৰবচ্ছিন্নভাৱে চলি আছিল। কৃষ্ণ কুমাৰৰ মতে দেশৰ বাবে এখন ৰক্ষণীয়া পাঠ্যক্ৰম যুগুত কৰিবলৈ সমাজ আৰু সংস্কৃতিৰ বৰ্তমান পৰিস্থিতিবোৰৰ বিষয়ে চিন্তা-চৰ্চা কৰি চাবই লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ঃ খালী ঠাই পূৰ কৰক—

(ক) কৃষ্ণ কুমাৰে ..... অধীনস্থ .....ত জ্ঞান নিৰ্মাণৰ বিষয়টো আলোচনা কৰিছিল।

(খ) ভাৰতত কৰ্মৰত বৃটিছ নীতি নিৰ্দ্ধাৰকসকলে ..... প্ৰত্যাখান কৰি ..... শিক্ষা বিকশাই তুলিছিল।

(গ) জ্ঞানৰ শাৰীৰিত সঞ্চয়, যিটো ....., হৈ পৰিছিল ..... এক অংশ।

১০.৪ জ্ঞানৰ সামাজিক নির্মাণ

ভাৰতীয় শিক্ষাবিদ-লেখক কৃষ্ণ কুমাৰৰ জন্ম হৈছিল এলাহবাদত। তেওঁৰ মাতৃ আছিল মধ্যপ্ৰদেশৰ টিকমগড়ৰ বিদ্যালয় এখনৰ প্ৰধান শিক্ষয়ত্ৰী। কৃষ্ণ কুমাৰৰ পিতৃয়ে ওকালতি কৰিছিল। ২০০৪-২০১০ বৰ্ষত কৃষ্ণ কুমাৰে NCERT-ৰ নিৰ্দেশকৰ দায়িত্ব পালন কৰিছিল।

কৃষ্ণ কুমাৰৰ জীৱনত শিক্ষয়ত্ৰী মাতৃৰ প্ৰভাৱ অতি গভীৰ। সৰুৰে পৰা তেওঁ শিক্ষা জগতখনৰ বিভিন্ন অভিজ্ঞতা লাভৰ সুযোগ পাইছিল। এই কথাই তেওঁক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল।

কৃষ্ণ কুমাৰৰ মতে এই বিশ্বজনীনতাৰ যুগত শিক্ষিত হ'লেহে সকলোৰে সৈতে যুক্ত হৈ তাকিব পৰা যাব। শিক্ষা মানে হ'ল শিকন প্ৰক্ৰিয়া। আমি শিকি গৈ থাকিলেহে শিক্ষা আহৰণ কৰি থাকিব পাৰিম। কৃষ্ণ কুমাৰে শিক্ষাক এক বিচ্ছিন্ন প্ৰক্ৰিয়া বুলি বিবেচনা কৰা নাছিল। তেওঁৰ মতে

শিক্ষাক অন্য সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক দিশে প্রভাৱিত কৰে। ভাৰতত ১৯৭০ৰ দশকৰ শেষৰফালে আৰু ১৯৮০ ৰ দশকত শিক্ষাৰ বিবাজন প্রক্রিয়াটো আৰম্ভ হৈছিল। কৃষ্ণ কুমাৰৰ ভাষাত ভাৰতৰ এক বিভাজন হ'ল ইতিহাসৰ অংশ। সেয়া হ'ল ১৯৪৭ চনৰ দেশ বিভাজন। কিন্তু ইয়াৰ পাছত ভাৰতত আন এক বিভাজন ঘটিছিল। ১৯৭০ৰ দশকৰ শেষৰ ফালে এই বিভাজন আৰম্ভ হৈছিল। এই বিভাজনে কেৱল শিক্ষাকেই নহয়, ভাৰতীয় জীৱনৰ সকলো দিশকে চুই গৈছিল। জীৱন যাপনৰ শৈলী, সুৱাপানৰ অভ্যাস, বাট-পথ, বাসভৱন আদি সকলোতে বিভাজন ঘটিছিল। মধ্যবিত্ত শ্রেণীটোৱে এই বিভাজনৰ গুৰি ধৰিছিল। এই শ্রেণীটোৰ প্রয়াস আছিল ভাৰতৰ ভিতৰতে অইনতকৈ পৃথক ধৰণে বাস কৰা কিন্তু এক সময়তে ভাৰতৰ পৰাও পৃথকে থকা। তেওঁলোকে সার্বজনীন ব্যৱস্থাবোৰৰ পৰা আঁতৰি থকাৰ চেষ্টা কৰিছিল। ইয়াৰ ফলত দেশত সকলো ক্ষেত্রতে বিভাজন আৰম্ভ হৈছিল। মধ্যবিত্ত শ্রেণীটোৱে নিজৰ বাবে আৰামদায়ক পৰিৱেশ বিচাৰি ভাৰতৰ বাবে এক নতুন বাস্তৱৰ সৃষ্টি কৰিছিল।

বিদ্যালয়ভিত্তিক শিক্ষা আৰু দক্ষতাৰ সামাজিক চৰিত্র অধ্যয়ন কৰিবলৈ কৃষ্ণ কুমাৰে ভাৰতীয় সমাজ ব্যৱস্থাৰ সংৰচনাত্মক আৰু ঐতিহাসিক বৈশিষ্ট্যসমূহ প্রয়োগ কৰিছিল। তেওঁৰ মতে ভাৰতীয় শিক্ষা পাঠ্যক্রমৰ প্রধান সমস্যাটো হ'ল ইয়াত অপূর্ণ (imperfect) পছন্দ আৰু সিদ্ধান্ত সন্নিৱিষ্ট কৰা আছে। কিয় তথ্যৰ কিছুমান নির্দিষ্ট অংশ শিক্ষাৰ সৈতে সমীকৃত (equate) কৰি ৰখা হৈছে সেয়া কোনেও সোধা নাই। আমাৰ দেশৰ বৃহৎ সংখ্যক লোকে জ্ঞানৰ কিছুমান বিশেষ সংৰচনা বৈধতা স্বীকাৰ কৰি লোৱাত অভ্যস্ত হৈ পৰিছে। এই অভ্যস্ততাই পাঠ্যক্রম আৰু শিশুৰ তাৎক্ষণিক সমাজ-সাংস্কৃতিক নাইবা ভৌতিক পৰিৱেশৰ মাজত থকা অসংলগ্নতা সহজে মানি লয়। পাঠ্যক্রমৰ সমস্যাটোৰ সৈতে প্রধানতঃ তিনিটা প্রশ্ন জড়িত হৈ আছে। তিনিওটা প্রশ্ন আপঙ্গততঃ পৰস্পৰৰ পৰা স্বতন্ত্র যদিও এক গভীৰ আভ্যন্তৰীণ স্তৰত প্রশ্ন তিনিটাই নিজৰ মাজত এক সম্বন্ধ বর্তাই ৰাখে। প্রশ্ন তিনিটা হ'ল— (ক) কি শিকোৱা শ্রেয় (What is worth teaching)? (খ) ইয়াক কেনেকৈ শিকোৱা উচিত (How should it be taught)? আৰু (গ) বিতৰণ কৰা শিক্ষাৰ সুযোগবোৰ কেনে (How are the opportunities for education distributed)?

এতিয়া প্রশ্ন হয় 'শ্রেয়'ৰ মোল কেনেকৈ নির্দ্ধাৰণ কৰা হ'ব? শিশুৰ বাবে শিক্ষাৰ সাৰ (essence) হ'ব পৰাকৈ কোনো কথা 'শ্রেয়' নে 'অশ্রেয়' তাৰ পার্থক্য বিচাৰি উলিয়াবলৈ জ্ঞানৰ বিভিন্ন প্রকাৰত আমি কেনেধৰণৰ মোল (value) আৰোপ কৰিম? ইয়াৰ বাবে কুমাৰে দুটা উপায় আগবঢ়াইছে। শিক্ষার্থীৰ আৱশ্যকতা আৰু সামর্থৰ কথা বিবেচনা কৰি আনি কি শিকাব বিচাৰো— এই কথাটোৱে কি শ্রেয় সেয়া সিদ্ধান্ত লোৱাত সহায় কৰিব। 'শ্রেয়' হ'ল গ্রাহক (receiver)ৰ দৃষ্টিভংগী। কথাটো ব্যাখ্যা কৰিবলৈ তেওঁ 'উপহাৰ'ৰ উদাহৰণটোক শিক্ষাৰ পৃষ্ঠভূমিত প্রয়োগ কৰিছিল। আমি 'উপহাৰ' এটা কিনাৰ সময়ত উপহাৰ গ্রহণকাৰীৰ ব্যক্তিত্ব অনুসৰি পছন্দ কৰো। অৱশ্যে শিক্ষাৰ ক্ষেত্রত এই উদাহৰণটো প্রয়োগ কৰাতো কঠিন। কাৰণ, শিক্ষা প্রক্রিয়া এটাত লাখ লাখ শিশু জড়িত হৈ থাকে। শিক্ষা কেৱল এটা শিশুৰ বাবে নহয়। লাখ লাখ আৱশ্যকতাৰ

কথা বিবেচনা কৰাতো অসম্ভৱ কথা। সেয়েহে, আমি শিশুৰ ব্যক্তিত্বৰ এক সাধাৰণীকৃত আকলনক বেছিভাগ ক্ষেত্ৰতে নিৰ্ভৰ কৰিবলগীয়া হও। প্ৰাপ্তবয়স্ক লোকে এটা সীমালৈকে শিশুৰ হৈ কথাবোৰ চিন্তা কৰিব পাৰে। কিন্তু তেওঁলোকৰ চিন্তা সম্পূৰ্ণৰূপে শিশুৰ দৰে নহয়। অৰ্থাৎ, আমি যদিও কোনো শিকাব খোজা বিষয়ৰ শ্ৰেয়ত্ব শিশুৰ দৃষ্টিভংগীৰ আধাৰত বিচাৰ কৰি চাব খোজো, তথাপিও তলত উল্লেখ কৰা কাৰণবোৰৰ বাবে তেনে বিচাৰে সম্পূৰ্ণৰূপে শিশুৰ দৃষ্টিভংগী প্ৰকাশ কৰিব নোৱাৰে।

- সকলো আৰু যিকোনো ধৰণৰ জ্ঞানে শিশুক আকৰ্ষণ কৰিব পাৰে। বিষয় অথবা কথা এটা সিহঁতৰ আগত কেনেদৰে উপস্থাপন কৰা হয় তাৰ ওপৰত এই আকৰ্ষণ নিৰ্ভৰশীল। সেয়েহে, শ্ৰেয় জ্ঞান কি হয় অথবা কি নহয় সেয়া শিশুৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত সিমান প্ৰাসংগিক নহয়।
- জ্ঞান বিমূৰ্ত। শিশুৱে বিমূৰ্ত বিষয়ত নিজৰ মতামত দাঙি ধৰিব পাৰিব বুলি প্ৰত্যাশ্য নকৰাই উচিত। শিশুৱে বিভিন্ন জ্ঞানৰ প্ৰতি পছন্দ কৰা নাইবা অগ্ৰাধিকাৰ দিয়াৰ ইংগিত প্ৰদৰ্শন কৰিব পাৰে।
- ওপৰৰ সমস্যা দুটাই তৃতীয় সমস্যাটোৰ সৃষ্টি কৰে। শিশুৰ পছন্দ-অপছন্দ স্থায়ী নহয়। এনে পৰিৱৰ্তনশীল পছন্দক ভিত্তি কৰি সিহঁতক কি শিকোৱা উচিত তাৰ ভাৰসাযোগ্য ভেটি এটা গঢ়িব নোৱাৰি।

আলোচিত কাৰণসমূহৰ বাবে কি জ্ঞান অৰ্জন কৰা শ্ৰেয় সেই বিষয়ে সিদ্ধান্ত লোৱাৰ সময়ত শিশুৰ দৃষ্টিভংগী বিচাৰ কৰাতকৈ শিশুৰ হৈ চিন্তা কৰা প্ৰাপ্তবয়স্কসকলৰ চিন্তা-ধাৰণা অনুসৰণ কৰা উচিত। ইয়াৰ দ্বাৰা 'শ্ৰেয়' কথাবোৰ চিনাক্ত কৰিব পৰা যাব। কোনো কথা নাইবা বিষয়ক তেতিয়াহে শিক্ষণৰ বাবে শ্ৰেয় বুলি গণ্য কৰা হয় যেতিয়া এই নাইবা বিষয়টো শিকিব পাৰি। শিকনৰ প্ৰাৰম্ভিক কালছোৱাত জ্ঞান আৰু দক্ষতাৰ মাজৰ পাৰ্থক্য বুজাতো কঠিন। গৱেষণাৰ পৰা গম পোৱা গৈছে যে শিশুৰ পঠন সফলতা দুটা কথাত নিৰ্ভৰশীল— প্ৰথমটো হ'ল ভাষা এটাও থকা শিশুৰ আগতীয়া জ্ঞান ব্যৱহাৰ কৰিবলৈ শিশুটিয়ে লাভ কৰা অনুপ্ৰেৰণা আৰু দ্বিতীয়টো হ'ল প্ৰাপ্তবয়স্তসকলে ছপা কথা নাইবা বিষয়বোৰৰ অৰ্থবহল সংকেত উদ্ধাৰ কৰি সেয়া শিশুক বুজাই দিয়া। কিন্তু ভাৰতীয় পৃষ্ঠভূমিত এনে ব্যৱস্থাৰ প্ৰচলন নাই বাবে শিক্ষা ব্যৱস্থাটোৱে বাৰম্বাৰ ব্যৰ্থতা প্ৰদৰ্শন কৰি আহিছে। শিশুৱে যেতিয়া পঢ়া কথাবোৰৰ অৰ্থ ভাঙিব নোৱাৰে তেতিয়া পঢ়াৰ আগ্ৰহ হেৰুৱায় আৰু এনেকৈয়ে বিদ্যালয়ৰ শিক্ষা আধৰুৱা কৰা শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ে। কিছুমান শিক্ষাৰ্থীয়ে কথাবোৰ মুখস্থ কৰে যদিও সেইবোৰৰ সৈতে বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ সংযোগ স্থাপন কৰিব নোৱাৰে। কিন্তু যদি পাঠ্যপুথিৰ অন্তৰ্গত পাঠবোৰ ফলপ্ৰসূভাৱে শিকাব পৰা যায়, তেন্তে আমাৰ দেশৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাত হৈ থকা অপচয় বহুখিনি বোধ কৰিব পৰা যাব।

কি জ্ঞান শ্ৰেয় সেয়া বিচাৰ কৰি চোৱাৰ আন এক উপায় হ'ল শিকাব খোজা কথা নাইবা

বিষয়বোৰৰ অন্তর্নিহিত মোল নিৰূপণ কৰাৰ প্রয়াস। ই শিশুৰ দৃষ্টিভংগী নুবুজায়। কথা নাইবা বিষয় এটাত থকা অন্তর্নিহিত মোল কিছুমান চিনাক্ত কৰি লোৱাৰ পাছত সেয়া শিকাৰ যোগ্য হয়নে নহয় তাৰ সিদ্ধান্ত লোৱা হয়। যদি শিকাৰ যোগ্য তেন্তে কথা নাইবা বিষয়টো শিকাই শিশুক জ্ঞান আহৰণত সহায় কৰা হয়।

আগতেই কোৱা হৈছে যে জ্ঞান এক বিশাল ধাৰণা। শিক্ষাই জ্ঞানৰ এক সীমিত ৰূপৰহে প্রতিনিধিত্ব কৰে। ইতিহাসৰ কোনো এছোৱা নির্দিষ্ট সময় আৰু কোনো এডোখৰ স্থানৰ সামাজিক বাস্তৱে শিক্ষাৰ সংজ্ঞা নিৰূপণ কৰে। কার্ল মেনহাইমে কৈছিল যে শিক্ষাৰ লক্ষ্য ঐতিহাসিক দৃষ্টিকোণেৰেহে বুজিব পাৰি। শিক্ষাৰ লক্ষ্যক ইতিহাসে গঢ় দিয়ে বাবে কাল আৰু সমাজভেদে এই লক্ষ্যসমূহ সলনি হৈ থাকে। শিক্ষাত নিহিত থকা জ্ঞান হ'ল কোনো এক প্রদত্ত সামাজিক পৰিস্থিতিত কৰা বিষয় বাছনিৰ ভিত্তিত চলা এক পুনঃনির্মাণ প্রক্রিয়া। এনে জ্ঞানৰ মাত্র এটা অংশহে পৰৱর্তী প্রজন্মলৈ সঞ্চাৰিত কৰাৰ বাবে শ্রেয় বুলি গণ্য কৰা হয়। শিক্ষা আৰু প্রকৃত জ্ঞান (True Knowledge)ৰ মাজত সম্পর্ক ক্ষীণ। কোনো এক প্রদত্ত সামাজিক পৃষ্ঠভূমিত জ্ঞান বুলি ধৰি লোৱা বিষয়বোৰৰ সৈতে শিক্ষাৰ গভীৰ সম্পর্ক থাকে। বহুতো শিক্ষকে প্রকৃত আৰু কৃত্রিম (False) জ্ঞানৰ পার্থক্য নির্ণয় কৰাৰ চেষ্টা কৰে। কিন্তু এয়াও তেওঁলোকে কেৱল জ্ঞান বুলি ধৰি লোৱা কথা নাইবা বিষয়বোৰৰ পটভূমিতে বিচাৰ কৰি চাব লাগে। জ্ঞান হিচাপে শ্রেয় বুলি সিদ্ধান্ত লৈ যিবোৰ কথা নাইবা বিষয় পাঠ্যক্রমৰ অন্তর্গত কৰা হৈছে সেইবোৰতেই শিক্ষকে প্রকৃত আৰু কৃত্রিম জ্ঞানৰ সম্ভেদ বিচাৰে। কিন্তু এনে একোটা সময় আহে যেতিয়া সমাজৰ সংৰচনাটোৰ বিষয়ে সাৱধানে বিৱেচনা কৰি চোৱাৰ লগতে আৰু এই সংৰচনাৰ সৈতে খাপ খাই চলি থকা শৈক্ষিক সা-সুবিধাবোৰৰ গাঁথনিভিত্তিক সংৰচনাটোও চালিজাৰি চাব লাগে।

বিদ্যালয়ে যোগান ধৰা শিক্ষাক সমাজৰ জ্ঞান আৰু ক্ষমতা বিষয়ক সামগ্রিক শ্রেণীবিভাজনে গঢ় দিয়ে। জ্ঞানৰ উপযুক্ত পুনঃনির্মাণ কৰি বিদ্যালয়বোৰে ব্যক্তিক প্রয়োজনীয় দক্ষতা আৰু তথ্যৰে সমৃদ্ধ কৰি তোলে যাতে তেওঁলোক জীৱিকা নির্বাহৰ বাবে প্রয়োজনীয় দৈনন্দিন কাম কৰিব পৰাকৈ উপযুক্ত হৈ উঠে। এনে কাম অর্থনীতিয়ে সৃষ্টি আৰু ৰাজনীতি তথা সংস্কৃতিয়ে সমর্থন কৰে।

সমাজৰ কিছুমান বিশেষ দল আৰু জ্ঞানৰ কিছুমান বিশেষ ৰূপৰ মাজত সম্পর্ক থকাতো আৱশ্যক। ই কোনো এছোৱা নির্দিষ্ট সময়ত কোনো এখন সমাজত থকা শিক্ষিত সদস্যৰ ছবিখন পৰিষ্কাৰ ৰূপত প্রতিফলিত কৰে। ইয়াৰ ফলতেই জ্ঞানৰ কিছুমান নির্দিষ্ট ক্ষেত্র শিক্ষাৰ সৈতে যুক্ত হয়। প্রতিটো যুগতে শিক্ষিত ব্যক্তিৰ সংজ্ঞা ভিন ভিন হোৱা দেখা যায়। জ্ঞানৰ নির্দিষ্ট ৰূপৰ সৈতে ব্যক্তিৰ সম্পর্কৰ ভিত্তিত শিক্ষিতৰ সংজ্ঞা নিৰূপিত হয়। কৃষ্ণ কুমাৰে এই সন্দর্ভত এটা উদাহৰণ দিছিল। তেওঁৰ ঘৰত থকা গৃহ সহায়িকাগৰাকীয়ে ভাৰতীয় কেলেণ্ডাৰ চাব জানে। এগৰাকী শিক্ষিত ব্যক্তি হিচাপে কুমাৰে আশা কৰে যে পৰিচাৰিকাগৰাকীয়ে কেৱল ভাৰতীয় মাহ-দিন, যেনে— আঘোণ, শাওন আদিৰ ব্যৱস্থাটোহে জানে। আনহাতে, এগৰাকী অশিক্ষিতা

মহিলা হিচাপে পৰিচাৰিকাগৰাকীয়ে এয়া আশা কৰে যে কুমাৰৰ দৰে শিক্ষিত লোক এজনে তেওঁ জনা কেনেণ্ডাৰ ব্যৱস্থাটোৰ বিষয়ে নাজানে। কেলেণ্ডাৰ চোৱাৰ বিষয়ত দুয়োৰে মাজত থকা এই পাৰস্পৰিক অজ্ঞতাই দুয়োৰে শিক্ষিত আৰু অশিক্ষিত পৰিচয় দুটা গঢ় দিয়ে। পৰিচাৰিকাগৰাকী নিম্নবর্ণৰ হোৱা কথাটোৱেও তেওঁৰ দুর্বল জ্ঞানৰ পৰিচয় দিব পাৰে। কিন্তু, এগৰাকী পুৰোহিতেও ভাৰতীয় ব্যৱস্থাৰ কেলেণ্ডাৰ ব্যৱহাৰ কৰে। তেওঁৰ জ্ঞানক কিন্তু গৃহ সহায়িকাগৰাকীৰ জ্ঞানৰ সৈতে এক বুলি সাহোৱা নহয়।

শিক্ষা ব্যৱস্থাৰ আলোচনাত পাঠ্যক্রমৰ সমস্যাসমূহেও স্থান পোৱা উচিত। পাঠ্যক্রম এক আলোচনা আৰু বিতর্কৰ বিষয়। প্রতিটো নির্ভেজাল আলোচনা-বিতর্কৰ ভিত্তি হ'ল কোনো কণ্ঠকে নীৰৱ হৈ ৰ'বলৈ দিয়াতো অনুচিত বুলি কৰা অনুমান। কোনো এক প্রদত্ত পাঠ্যক্রম এনেয়ে গ্রহণ কৰি নাইবা কোনো প্রতিক্রিয়া প্রকাশ নকৰি আমি নিজকে অইনৰ দ্বাৰা শাসিত হ'বলৈ এৰি দিও। কিন্তু যেতিয়াই আমি এয়া উপলব্ধি কৰো যে পাঠ্যক্রম এনেয়ে জাপি দিব পৰা বস্তু নহয়, আলাপ-আলোচনা আৰু বিতর্কৰ সহায়ত গ্রহণ কৰিবলগীয়া বিষয়, তেতিয়াই আমি দমনক চিৰস্থায়ী ৰূপ দিয়া শিক্ষা ব্যৱস্থা এটাৰ আধিপত্য দুর্বল কৰি তোলাৰ প্রক্রিয়াটো আৰম্ভ কৰো। কুমাৰৰ মতে এই ব্যৱস্থাটোৰ বাবেই নিপীড়িত-শোষিতৰ ওচৰ চপাত আমাৰ দেশৰ শিক্ষা ব্যর্থ হৈছে। পাঠ্যক্রম প্রস্তুতকৰণত জড়িত আমোলাতন্ত্রই কেতিয়াও এই বৈশিষ্ট্যটো প্রতিফলিত কৰিব পৰা পাঠ্যক্রম আৰ্হি যুগুত কৰা নাই।

পাঠ্যক্রমত সন্নিৱিষ্ট কৰা জ্ঞানৰ সংৰচনাটোক লৈ কোনেও কোনোধৰণৰ অনুসন্ধান প্রশ্ন কৰা নাই। পাঠ্যক্রম বিষয়ক আলোচনা হ'ল এক সামাজিক আলোচনা। যিমানে বিষয়টো সন্দর্ভত আন্তঃক্রিয়া সম্পন্ন হ'ব সিমানেই শিক্ষাই কার্য সম্পাদন কৰিবলগীয়া সামাজিক পৰিস্থিতিসমূহৰ বিষয়ে পাঠ্যক্রম প্রস্তুতকর্তাসকল অৱগত হ'ব আৰু পাঠ্যক্রমত ইয়াৰ প্রতিফলন ঘটিব। কুমাৰে পাঠ্যক্রমকেন্দ্রিক আলোচনাত শিক্ষকসকল অন্তর্ভুক্ত কৰাৰ পৰামর্শ দিছিল। কিন্তু ভাৰততে প্রচলিত শিক্ষাৰ সংস্কৃতিটোও থকা পাঠ্যক্রম প্রস্তুতকৰণৰ সর্ববৃহৎ প্রত্যাহ্বানটোৱেই হ'ল শিক্ষকসকলক আজ্ঞা পালনকাৰী কার্য সম্পাদক বুলি গণ্য কৰা মানসিকতা। শিক্ষকসকলক সৰৱ কণ্ঠৰ অধিকাৰী হ'বলৈ নিদি কেৱল পাঠদানৰ জৰিয়তে দক্ষতা শিকোৱাতে সীমাৱদ্ধ কৰি ৰখা হয়। শিক্ষকৰ মতামত অবিহনে শিক্ষা ব্যৱস্থাটোৰ বৰমূৰীয়া পর্যায়ত অনুষ্ঠিত সকলো ধৰণৰ পাঠ্যক্রমভিত্তিক আলাপ-আলোচনাই দুর্বল ফলাফল প্রদান কৰি আহিছে। আলাপ-আলোচনাৰ মাধ্যমেৰে সিদ্ধান্ত গ্রহণত কেৱল উপস্থিতসকলৰ সংখ্যাগৰিষ্ঠতাৰ প্রয়োজন। কিন্তু পাঠ্যক্রম বিষয়ক আলোচনাৰ ক্ষেত্রত সবাতোকৈ গুৰুত্বপূর্ণ কথাটো হ'ল এই বিষয়ে সমাজত চলি থকা আলাপ-আলোচনাবোৰৰ প্রতি প্রদর্শন কৰা সংবেদনশীলতা। বিদ্যালয়ৰ পাঠ্যক্রমে কেতিয়াও সমাজৰ সাধাৰণ লোকে মুখামুখি হৈ থকা বিষয়বোৰ জুখি-মাখি উলিয়াই নলয়। শ্রেণীকোঠাৰ ভিতৰত প্রদান কৰা জ্ঞানে শিশুৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা আৰু সমাজৰ ক্ষমতাহীন শ্রেণীটোৰ প্রাপ্তবয়স্কসকলৰ বাস্তৱ অভিজ্ঞতা দুয়োটাকে আওকাণ কৰে। 'ৰাষ্ট্রীয়' চিন্তাৰ বিষয় নাম দি

যিবোৰ কথা শিকোৱা হয় সেইবোৰৰ মৌলিক সম্পৰ্ক থাকে সমাজৰ প্ৰভাৱশালী গোটবোৰৰ সৈতে। এনে জ্ঞান হ'ল সাধাৰণ নাগৰিকৰ দৈনন্দিন জীৱনৰ বাস্তৱক এৰাই চলা প্ৰয়াসৰ নামান্তৰ। কুমাৰৰ মতে এনে ধৰণৰ লোক-উৰ্দ্ধ (Transcendental)ৰ পাঠ্যক্ৰম অপচয়ৰ বাহিৰে আন একো নহয়। ই পটভূমিগত জ্ঞান প্ৰদানৰ বাবে বিদ্যালয়ে আগবঢ়োৱা সুযোগ কোনোধৰণে ব্যৱহাৰ নকৰে। এনে পাঠ্যক্ৰম ধ্বংসাত্মক প্ৰকৃতিৰ। কাৰণ, ই শিক্ষাৰ্থীক বাস্তৱ-অবাস্তৱৰ পাৰ্থক্য বুজি নোপোৱা চিজোফ্ৰেনিয়া ৰোগী কৰি তোলে আৰু শিক্ষাৰ্থীৰ সচেতনতাক বশ কৰি ৰাখে। বিদ্যালয়কেন্দ্ৰিক শিক্ষাৰ বাস্তৱ জীৱনৰ সৈতে থকা এই সম্পৰ্কহীন অৱস্থাটো নাইকিয়া কৰিবলৈ ভাৰতে স্বাধীনতা লাভ কৰাৰ ইমান বছৰৰ পাছতো শিক্ষাদান বিজ্ঞান (Pedagogical)ৰ ক্ষেত্ৰখনত কোনো প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সমাজত উপলব্ধ শিকন সুযোগবোৰৰ বিতৰণৰ দিশটোও আলোচনা কৰিবলগীয়া আন এটা অপৰিহাৰ্য বিষয়। কাৰণ, ই কোনো এক নিৰ্দিষ্ট প্ৰকাৰৰ জ্ঞানৰ শ্ৰেয়ত্ব কেনেদৰে অনুমান কৰা হৈছে আৰু শৈক্ষিক সামগ্ৰীত শিকোৱাৰ বাবে শ্ৰেয় বুলি গ্ৰহণ কৰা জ্ঞানক কেনেদৰে উপস্থাপন কৰা হৈছে এই দুয়োটা কথাকে প্ৰভাৱিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ কিয় শিক্ষাৰ বাবে সাধাৰণ জনগণৰ সংস্কৃতি অপ্ৰাসংগিক হৈ পৰিছিল?

.....

.....

প্ৰশ্ন ৫ ঃ ভাৰতত প্ৰচলিত ঔপনিৱেশিক যুগৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান বৈশিষ্টটো কি?

.....

.....

প্ৰশ্ন ৬ ঃ জ্ঞানৰ কিছুমান নিৰ্দিষ্ট ৰূপ আৰু কিছুমান বিশেষ সামাজিক গোটৰ মাজত সম্বন্ধ থকাতো কিয় প্ৰয়োজনীয়?

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় শিক্ষাবিদ কৃষ্ণ কুমাৰে নিজৰ লেখনী আৰু চিন্তা-আলোচনাৰ মাধ্যমেৰে জ্ঞানৰ সামাজিক নির্মাণৰ ধাৰণাটো প্রসাৰিত তথা ব্যাখ্যা কৰিছিল।
- কুমাৰৰ মতে বর্তমানৰ বিশ্বজনীনতাৰ যুগত শিক্ষা হ'ল সকলোৰে সৈতে যোগসূত্র ৰক্ষা কৰি চলাৰ ধাৰণাটোৰ সমতুল্য।
- শিক্ষাৰ 'ৰিক্ত' অৱস্থা এটাত কোনো অস্তিত্ব নাথাকে। বিভিন্ন সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক দিশে শিক্ষাক প্রভাৱিত কৰে।
- কৃষ্ণ কুমাৰে জ্ঞানক কেন্দ্রীয় বিষয় হিচাপে লৈ নিজৰ চিন্তা-চর্চাক আগবঢ়াই নিছিল। পঠন, পাঠ্যপুথি, সামাজিক লিংগ আৰু ধর্মনিৰপেক্ষতাৰ দৰে শিক্ষণৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ পৃষ্ঠভূমিত জ্ঞানৰ বাছনি তথা উপস্থাপন আছিল তেওঁৰ লেখনীৰ মূল বিষয়।
- কুমাৰে জ্ঞানৰ সম্পূর্ণ ধাৰণাটোক প্রশ্ন কৰিছিল আৰু কিয় কিছুমান তথ্যক শিক্ষাৰূপে অথবা তাতোকৈ ভয় লগাকৈ জ্ঞানৰূপে কল্পনা কৰা হয় সেয়া সমালোচনাত্মক দৃষ্টিভংগীৰে ব্যাখ্যা কৰি দেখুৱাইছিল।
- এখন গুৰুত্বপূর্ণ পাঠ্যক্রমে তিনিটা প্রধান প্রশ্নৰ উত্তৰ দিবলৈ সক্ষম হোৱা উচিত— ১) শিক্ষণৰ বাবে কি শ্রেয়?, ২) ইয়াক কেনেকৈ শিকোৱা উচিত? আৰু ৩) বিতৰণ কৰা শিক্ষাৰ সুযোগ-সুবিধাবোৰ কেনেকুৱা?
- শিক্ষাৰ পৰিসৰৰ ভিতৰত শিশুৱে ইতিমধ্যে আহৰণ কৰা জ্ঞানক প্রশংসা কৰা তথা স্বীকৃতি দিয়া উচিত। শিশুৰ সম্পৰীক্ষামূলক তথা অস্তিত্বধাৰণকেন্দ্রিক বাস্তৱকো প্রশংসা তথা স্বীকৃতি প্রদানেৰে সুদৃঢ় কৰা উচিত।
- ভাৰতীয় জ্ঞান প্রণালীত অন্তর্লীন হৈ পৰা ঔপনিৱেশিক প্রভাৱ আৰু সংৰচনাবোৰৰ বিনির্মাণ আৰু সেইবোৰৰ স্থানত নতুন প্রভাৱ তথা সংৰচনা যুক্ত কৰা উচিত।

১০.৬ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ সমাজত ক্ষমতাৰ প্রকৃতি আৰু বিতৰণ ব্যৱস্থাৰ ভিত্তিত।

প্রশ্ন নং ২ উত্তৰ ঃ বিদ্যালয়ৰ শ্রেণীকোঠাভিত্তিক আন্তঃক্রিয়াত, শিক্ষণ প্রক্রিয়াটোৰ বৃত্তিগতকৰণত, বিদ্যালয় সংগঠনৰ আমোলাতান্ত্রিক ৰূপত আৰু বিশেষভাৱে সাংস্কৃতিক স্তৰত হোৱা পৰিৱর্তনত।

প্রশ্ন নং ৩ উত্তৰ ঃ (ক) ঔপনিৱেশিকতাৰ, ভাৰতৰ পৃষ্ঠভূমিত।

(খ) থলুৱা জ্ঞানক, ঔপনিৱেশিক।

(গ) পাঠ্যপুথিগত বিদ্যাৰ সমার্থক।

প্রশ্ন নং ৪ উত্তৰ ঃ ঔপনিৱেশিক শাসকসকলৰ দৃষ্টিত সংস্কৃতিৰ এনে ৰূপবোৰ অজ্ঞনতা আৰু অধোগতিৰ প্রতীক আছিল।

প্রশ্ন নং ৫ উত্তৰ ঃ বিদ্যালয়কেন্দ্রিক পাঠ্যক্রম আৰু সাংস্কৃতিক প্রমূল্যসমূহৰ মাজত সৃষ্টি হোৱা ব্যৱধান।

প্রশ্ন নং ৬ উত্তৰ ঃ এনে সম্পর্কই কোনো এছোৱা নির্দিষ্ট সময়ত কোনো এখন সমাজত থকা শিক্ষিত সদস্যৰ ছবিখন পৰিষ্কাৰ ৰূপত প্রতিফলিত কৰে। ইয়াৰ ফলতেই জ্ঞানৰ কিছুমান নির্দিষ্ট ক্ষেত্র শিক্ষাৰ সৈতে যুক্ত হয়।



১০.৭ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



১০.৮ আৰ্হি প্রশ্ন

(ক) এটা বা দুটা বাক্যত উত্তৰ দিয়ক

প্রশ্ন নং ১ ঃ কৃষ্ণ কুমাৰে ক'ত প্রাথমিক শিক্ষা গ্রহণ কৰিছিল?

প্রশ্ন নং ২ ঃ কৃষ্ণ কুমাৰৰ মতে দেশৰ বাবে এখন ৰক্ষণীয় পাঠ্যক্রম যুগুত কৰিবলৈ আমি কি কৰিব লাগিব?

(খ) চমু টোকা লিখক (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ জ্ঞানৰ শ্রেয়ত্ব নির্ণয় কৰাৰ দুটা উপায়।

প্রশ্ন নং ২ ঃ আলাপ-আলোচনাৰ ফলশ্রুতিত প্রস্তুত হৈ উঠা পাঠ্যক্রম।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ ঔপনিৱেশিক শাসনৰ অধীনত জ্ঞানৰ নিৰ্মাণ কেনেকৈ কৰা হৈছিল? এই সম্পৰ্কে কৃষ্ণ কুমাৰৰ দৃষ্টিভংগী কেনে আছিল আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ বিচ্ছিন্নভাৱে শিক্ষাৰ কোনো অস্তিত্ব নাথাকে।— উক্তিযাৰৰ সৈতে আপুনি সহমতনে? কিয়?

****

অধ্যায় ১১ ঃ শিক্ষা আৰু সামাজিক স্তৰীকৰণ

অধ্যায় গাঁঠনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ শিক্ষা ব্যৱস্থাত স্তৰীকৰণ
১১.৪ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৃষ্ঠভূমিত স্তৰীকৰণ
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্রগতিৰ খতিয়ান
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক স্তৰীকৰণৰ অর্থ বুজি পাব
- সামাজিক স্তৰীকৰণ ব্যৱস্থাই কেনেদৰে অসমতা দীর্ঘস্থায়ী কৰে সেই বিষয়ে অৱগত হ'ব।

১১.২ পৰিচয়

শিক্ষাৰ প্ৰসংগত স্তৰীকৰণ (stratification)ৰ প্ৰক্ৰিয়াটো বুজাৰ প্ৰয়াস কৰাৰ আগতে আমি সামাজিক স্তৰায়নৰ ধাৰণাটো বুজি পাব লাগিব। স্তৰীকৰণৰ সাধাৰণ অর্থটো হ'ল মানুহক বিভিন্ন দল অথবা শিতানত বিভক্ত কৰা। সামাজিক স্তৰীকৰণ মানে হ'ল সমাজৰ বিভিন্ন দল অথবা গোটৰ সদস্যসকলক বিভিন্ন শিতানৰ অন্তর্ভুক্ত কৰা অথবা সমাজৰ ভিতৰত বিভিন্ন স্থান দিয়া। এই প্ৰক্ৰিয়াটোৱে অর্থনৈতিক অৱস্থা সম্পত্তিৰ পৰিমাণ, ৰাজনৈতিক ক্ষমতা, সামাজিক লিংগ আৰু সামাজিক স্থিতি আদিৰ দৰে কিছুমান সূচক বিন্দুৰ আধাৰত এক পদানুক্ৰমত সমাজৰ বিভিন্ন বিভাগৰ অন্তর্গত মানুহৰ মাজত বিভিন্ন পার্থক্যৰ সৃষ্টি কৰে। অর্থাৎ, এনেধৰণৰ নীতি-নিয়ম অনুসৰণ কৰি পদানুক্ৰমিকভাৱে বিভক্ত কৰা মানৱ গোটবোৰে নিজ নিজ সামাজিক স্থিতি অনুসৰি সমাজৰ আন সদস্যসকলৰ পৰা ভিন ভিন আচৰণ লাভ কৰে।

১১.৩ শিক্ষা ব্যৱস্থাত স্তৰীকৰণ

'শিক্ষা সকলোৰে বাবে সমান' বুলি প্ৰচলিত অসত্য ধাৰণাটোৰ আজিও ৰাজহুৱা মানসত অস্তিত্ব আছে। বিভিন্ন বিদ্যায়তনিক আলাপ-আলোচনা, নীতি নিৰ্দ্ধাৰণ ব্যৱস্থা, গৱেষণা আৰু ক্ৰিয়াকলাপ এই অসত্য ধাৰণাটোক কেন্দ্ৰ কৰি আজিও চলি আছে। প্ৰকৃত সত্যটো ৰাষ্ট্ৰ সমৰ্থিত শিক্ষাই যি দিব বুলি প্ৰতিশ্ৰুতি দিয়ে য়াৰু বাস্তৱত যি দিয়ে তাৰ মাজত আকাশ-পাতাল পাৰ্থক্য থাকে। কাৰণ সমগ্ৰ শিক্ষা ক্ষেত্ৰখনতে বিশাল অসমতা আছে। এই অসমতা শিক্ষাৰ সুলভতা, গক্ষণাবেক্ষণ, পাৱদৰ্শিতা আৰু ফলাফল আদি সকলো দিশতে দেখা যায়। সমাজৰ শোষিত শ্ৰেণী আৰু আনসকলৰ মাজত এই অসমতা বিৰাজমান। শৈক্ষিক সা-সুবিধাসমূহৰ বিতৰণৰ দিশটোৱে ভাৱতত উত্থান ঘটা সামাজিক প্ৰভেদ আৰু অসমতাবোৰৰ আৰ্হিসমূহকে অনুসৰণ কৰে। এই আৰ্হিবোৰ অনিৰ্দ্ধাৰিত আৰু তৰল প্ৰকৃতিৰ। পৰম্পৰা আৰু নৱ-উত্থিত সামাজিক স্থিতিৰ ধাৰণাৰ সৈতে এই আৰ্হিবোৰে জটিল আন্তঃক্ৰিয়া সম্পন্ন কৰে আৰু এইবোৰৰ সৈতে আৰ্হিবোৰ পাক খাই থাকে। সামাজিক স্থিতিৰ নতুনকৈ গা কৰি উঠা ধাৰণাবোৰৰ আধাৰ হ'ল জাতি, সম্প্ৰদায়, শ্ৰেণী, লিংগ, ধৰ্ম, নৃগোষ্ঠীয় পৰিচয় আদিৰ দৰে সামাজিক সংৰচনাসমূহ। ৰাষ্ট্ৰই গণতান্ত্ৰিককৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে গণ শিক্ষাৰ বিষয়টোত মনোনিবেশ কৰি আহিছে যদিও দেশৰ দূ�ৰণিবটীয়া, দুৰ্গম এলেকাবোৰত আজিও এই ধাৰণাবোৰ উপযুক্তভাৱে কাৰ্যৰূপায়িত কৰিব পৰা নাই। এই এলেকাবোৰত ঐতিহাসিকভাৱে অনুন্নত শ্ৰেণীবোৰৰ লোকে বসবাস কৰি আহিছে।

শিক্ষাই সমাজত পালন কৰা ভূমিকাক ঐতিহাসিক, পৃষ্ঠভূমিকেন্দ্ৰিক আৰু সম্পৰ্কভিত্তিক দৃষ্টিকোণেৰে বিচাৰ কৰি চোৱা উচিত। তেতিয়াহে শিক্ষাত হোৱা স্তৰীকৰণ প্ৰক্ৰিয়াটো খৰছি মাৰি বুজিব পৰা যাব। এখন সমাজে কেনেকৈ শিক্ষাগত জ্ঞানবোৰ বাছনি, শ্ৰেণীবিভক্ত, মূল্যায়ণ তথা সঞ্চাৰিত কৰে সেয়া ভালদৰে নিৰীক্ষণ কৰা উচিত। ক্ষমতাৰ বিতৰণ আৰু সামাজিক নিয়ন্ত্ৰণৰ নীতিৰ আধাৰত উল্লিখিত কথাবোৰ বিবেচনা কৰা উচিত। আধিপত্য আৰু ৰাজনৈতিক-অৰ্থনৈতিক ক্ষমতাৰ সংৰচনা তথা আদৰ্শবোৰে এখন অসমতাপূৰ্ণ আৰু পদানুক্ৰমিক ব্যৱস্থাৰে পৰিচালিত সমাজত কেনেদৰে কাম কৰে সেয়াও অধ্যয়ন কৰা উচিত।

অৱশ্যে তথাপিও এটা কথা উল্লেখ কৰাতো সমীচিন হ'ব যে সমাজ ব্যৱস্থাটোৰ আসোঁৱাহবোৰ আঙুলিয়াই দেখুওৱা আৰু সমালোচনা কৰাসকলেও প্ৰচলিত অসমতাবোৰ আঁতৰ কৰাৰ উপায় বিচাৰে। তেওঁলোকে সাম্প্ৰতিক সমাজ-ৰাজনৈতিক সংৰচনাৰ ভিতৰত থাকিয়েই নীতি পৰিৱৰ্তন আৰু সংস্কাৰ সাধনৰ পোষকতা কৰে। শিক্ষা সৰ্বসন্মত মতামতেৰে পৰিচালিত মঞ্চ নহয়। শিক্ষাৰ ক্ষেত্ৰখন আদৰ্শগত সংঘাতেৰে ভৰা। ইয়াৰ উপৰি চৰকাৰেও প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়লৈকেহে শিক্ষাৰ প্ৰসাৰ ঘটাবলৈ সক্ষম হৈছে। চৰকাৰৰ আংশিক সফলতাই উচ্চ শিক্ষাক এতিয়াও সম্পূৰ্ণৰূপে সামৰি ল'ব পৰা নাই। এই অংশটো এতিয়াও ব্যক্তিগত অভিকৰ্তা (private agency)ৰ দখলত আছে। দেশত ব্যক্তিগত শিক্ষাৰ ব্যাপক প্ৰসাৰ ঘটিছে আৰু ই

একাংশ লোকৰ ন্যস্তস্বার্থ পূৰণ কৰি আছে।

- **বিদ্যালয়ৰ ভিতৰত অনুশীলন কৰা স্তৰীকৰণ প্ৰক্ৰিয়া**

বিদ্যালয় হ'ল শিশুৰ বাবে বিভিন্ন আনুষ্ঠানিক কথা শিকাৰ প্ৰৱেশ পথ। বিদ্যালয়ত ঘটা সামাজিকীকৰণৰ জৰিয়তে শিশুৱে বহল বিশ্বত নিজকে খাপ খুৱাই লোৱাৰ উপায় শিকে। প্ৰাপ্তবয়স্ক হিচাপে জীৱনত কেনেদৰে নিজৰ পৰিচয় গঢ়িব বিদ্যালয়ে শিশুক তাৰো দিক্-নিৰ্দেশনা প্ৰদান কৰে। বিদ্যালয় পাঠ্যক্ৰমৰ মাধ্যমেৰে লাভ কৰা কঠোৰ আৰু অবিৰত প্ৰশিক্ষণ, দৈনিক আন্তঃক্ৰিয়া তথা অনুশীলন আৰু বিদ্যালয়ভিত্তিক শিক্ষাৰ অন্য ৰূপবোৰৰ সহায়ত শিশুৱে জীৱন যাপনৰ উপায়বোৰ শিকে। বিদ্যালয়ৰ শিক্ষাই শিশুৰ মনত বিচৰা ধৰণৰ মনোভাৱ বিকশিত কৰি সিহঁতক প্ৰাপ্তবয়স্ক জীৱনৰ বাবে সাজু কৰি তোলে। অনানুষ্ঠানিক পৰিৱেশ, যেনে— পৰিয়াল, সমনীয়াৰ দলৰ সৈতে সম্পাদন কৰা আন্তঃক্ৰিয়া আদিয়েও শিশুক কিছুমান প্ৰমূল্যৰ অধিকাৰী কৰে। তথাপিও শিশুৰ মনোভাৱ সুনিৰ্দিষ্ট ধৰণে গঢ় দিয়াত বিদ্যালয়ে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিকনৰ সুনিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি শিশু বিদ্যালয়লৈ যায়। বিদ্যালয়ত লাভ কৰা শিক্ষাৰ জৰিয়তে শিশুৱে গম পায় পাছত সমাজত ই কেনে ভূমিকা পালন কৰিব। এনে ভূমিকা ফলপ্ৰসূভাৱে পালন কৰাৰ প্ৰয়োজনীয় দিশবোৰো শিশুৱে বিদ্যালয়তে শিকে। মানুহে সমাজত সদায় একাধিক ভূমিকা পালন কৰিবলগীয়া হয়। যেনে— শিশুৱে ভাল পুত্ৰ/কন্যা হ'বলৈ শিকে, ভাল পিতৃ/মাতৃ হ'বলৈ শিকে আৰু ভাল নাগৰিক হ'বলৈ শিকে। শিশুৱে সমাজৰ নীতি-নিয়মবোৰ জানে আৰু ইয়াৰ সৈতে খাপ খাই চলাৰ ধাৰণাটো আয়ত্ব কৰে। শিশুৱে সমাজৰ স্বীকৃত আৰু অস্বীকৃত কথাবোৰ মানি চলিবলৈ শিকে, নীতি-নিয়মবোৰ সপক্ষে-বিপক্ষে গৈ সমাজৰ পুৰস্কাৰ-শাস্তিবোৰ স্বীকাৰ কৰিবলৈ শিকে। শিক্ষাৰ ভূমিকাই সেয়েহে সামাজিক সংৰচনাৰ তদাৰক অথবা পুনঃনৱীভৱণ ঘটোৱাত জোৰ দিয়ে। শিক্ষাই সময় আৰু পৰিস্থিতি সাপেক্ষে সমাজৰ কিছুমান কথা বৰ্তাই ৰখাৰ আৰু কিছুমান নাইকিয়া কৰাৰ কথা কয়।



জানি থোৱা ভাল

সামাজিকীকৰণ হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ সহায়ত মানুহে সমাজৰ স্বীকৃত প্ৰথা-পৰম্পৰা আৰু আদৰ্শসমূহ আয়ত্ব কৰে আৰু সমাজে বিচৰাধৰণৰ আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকে।

আকৌ, ঘৰুৱা পৰিৱেশত ঘটা সামাজিকীকৰণ প্ৰক্ৰিয়াটো বুজাত মনোযোগ দি বিদ্যালয়ত আয়ত্ব কৰা জ্ঞানৰ পাৰ্থক্য বিচাৰি উলিওৱাৰ প্ৰৱণতা এটাও পৰিলক্ষিত হয়। ঘৰুৱা সামাজিকীকৰণক বিদ্যালয়ত ঘটা ঘটনাৱলীৰ পৰা আভাসীৰূপত বৰ্জন কৰি চোৱা হয়। পাৰ্থক্য নিৰ্ণয় কৰিবলৈ বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু বিদ্যালয়ভিত্তিক শিক্ষা অৰ্জনৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াসমূহ পৰীক্ষা-নিৰীক্ষা কৰা হয়। এনে অনুষ্ঠানৰূপে বিদ্যালয় হ'ল সামূহিক পৰম্পৰা তথা মানৰিক আন্তঃক্ৰিয়াৰ ধাৰক

আৰু বাহক। এইবোৰ চিনাক্ত কৰিব পৰা সামাজিক তথা অৰ্থনৈতিক আদৰ্শৰ পৰা উৎপাদিত উপাদান হ'ল বিদ্যালয়। বিদ্যালয়ৰ পাঠ্যক্ৰম হ'ল কোনো উৎসৰ পৰা লব্ধ আদৰ্শগত আৰু সাংস্কৃতিক সমলৰ প্ৰতি জনোৱা সঁহাৰি আৰু প্ৰতিনিধি। অৱশ্যে এইখিনিতে মনত ৰাখি থোৱাতো ভাল হ'ব যে প্ৰতিটো সামাজিক দল অথবা গোটৰ অৰ্থৰ প্ৰতি ইয়াৰ দ্বাৰা প্ৰতিক্ৰিয়া প্ৰকাশিত নহয় অথবা ই প্ৰতিটো গোটৰ প্ৰতিনিধিত্ব নকৰে। ঐতিহাসিকভাৱে, পাৰ হোৱা এছোৱা দীঘলীয়া সময়ত সংখ্যাগৰিষ্ঠ লোকে গ্ৰহণ কৰা কিছুমান নিৰ্দিষ্ট সামাজিক অৰ্থই বিদ্যালয়ে প্ৰকাশ কৰা অৰ্থৰ ৰূপ লয়। অৰ্থাৎ, এনেবোৰ কথাৰ আঁৰত গ্ৰহণযোগ্যতাৰ তুলাচনী সক্ৰিয় হৈ থাকে। বিদ্যালয় পাঠাক্ৰমৰ অৰ্থ নিৰ্মাণ প্ৰক্ৰিয়াটোৰ মূল হ'ল সামাজিক নিয়ন্ত্ৰণ। সেয়েহে কোৱা হয় যে বিদ্যালয়ে প্ৰদান কৰা জ্ঞান হ'ল এক সচেতন সিদ্ধান্ত। শিশুৰ মনবোৰক বিচৰা ধৰণে গঢ় দিবলৈ কি শিকোৱা উচিত সেয়া আগতীয়াকৈ ঠিক কৰি লোৱা হয়। এনেধৰণৰ জ্ঞান সমাজৰ প্ৰভাৱশালী অংশটোৰ স্বাৰ্থত আঘাত নকৰাকৈ প্ৰদান কৰিবলৈ মঞ্জুৰী দিয়া হয়।

সমাজত যেনেদৰে সাংস্কৃতিক মূলধনৰ এক সামাজিক বিতৰণ প্ৰক্ৰিয়া থাকে, ঠিক একেদৰে শ্ৰেণীকোঠাৰ ভিতৰতো জ্ঞানৰ এক সামাজিক বিতৰণ প্ৰক্ৰিয়া থাকে। পৰিয়াল আৰু শ্ৰম বজাৰৰ মাজত থকা একমাত্ৰ প্ৰধান অনুষ্ঠানটো হ'ল বিদ্যালয়। সেয়েহে, ঐতিহাসিক আৰু সাম্প্ৰতিক উভয় প্ৰেক্ষাপটতে বিদ্যালয়ে কিছুমান পাৰ্থক্য সম্বলিত সা-সুবিধা থকা সামাজিক অৰ্থ বিতৰণ কৰাৰ কথাটো ইয়াৰ অপ্ৰত্যাশিত বৈশিষ্ট্য নহয়। বিদ্যালয়ভিত্তিক শিক্ষাৰ প্ৰধান কাম হ'ল প্ৰভাৱশালী আদৰ্শৰ পুনৰুৎপাদন আৰু এনে আদৰ্শই গঢ়া জ্ঞান তথা দক্ষতাৰ বিতৰণ। এই বিতৰণ প্ৰক্ৰিয়াই অৱধাৰিতভাৱে সামাজিক অসমতাৰ পুনৰুৎপাদন কৰি গৈ থাকে।

বিগত কিছুময় ধৰি চলি থকা এক গুৰুত্বপূৰ্ণ চিন্তা হ'ল গৱেষণাৰ ক্ষেত্ৰখনত ধৰা পৰা অসমতা। অৱশ্যে, বিষয়টোক লৈ চলা গৱেষণাৰ বিচাৰ্য দিশটো হ'ল শিক্ষাৰ্থীৰ সমাজ-সাংস্কৃতিক পৃষ্ঠভূমি নিৰ্ভৰ কৰি শিক্ষাৰ সুচলতা তথা শিক্ষা লাভত প্ৰদৰ্শন কৰা সফলতাত পৰিলক্ষিত হোৱা অসমতা। শিক্ষা ব্যৱস্থাটোৱে নিজে এই অসমতাৰ বাহক আৰু অবিৰতভাৱে আগবঢ়াই লৈ গৈ থকাৰ মাধ্যম নেকি সেই প্ৰশ্নটো এনেবোৰ গৱিষণাত বিচাৰ কৰি চোৱা নহয়। গৱেষণাকালত এই দিশটোৰ প্ৰতি লক্ষ্য কৰাটোও অত্যন্ত আৱশ্যক যে শিক্ষানীতিসমূহে প্ৰচলিত তথা ঐতিহাসিক শৈক্ষিক সুবিধা আৰু অসুবিধাবোৰ বৰ্তাই ৰাখিছে আৰু বৰ্তি থকাৰ পৰিৱেশ গঢ়ি দিছে। এই কথাই সমাজত কিছুমান নতুন বিভাজনৰ সৃষ্টি কৰাৰ লগতে পদানুক্ৰমিক বৈষম্যৰ উত্থানত সহায় কৰিছে। যিবোৰে নতুন সামাজিক জটিলতা কিছুমান উৎপন্ন কৰিছে।

- **শিক্ষাত ঘটা স্তৰীকৰণৰ প্ৰকাৰ**

শৈক্ষিক প্ৰক্ৰিয়াসমূহৰ জৰিয়তে পুনৰুৎপাদিত অসমতাৰ কথা আলোচনা কৰাৰ সময়ত তিনি প্ৰকাৰৰ পুনঃউৎপাদনৰ প্ৰসংগ উল্লেখ কৰা হয়। প্ৰথম প্ৰকাৰৰ পুনৰুৎপাদন ধাৰণাটো প্ৰধানকৈ বাৱেলচ্ আৰু গিণ্টিজ (Bowels and Gintis) এ বিকশিত কৰিছিল। অৰ্থনৈতিক পুনৰুৎপাদন এই আৰ্হিটোৰ মতে বিদ্যালয়ভিত্তিক প্ৰকাৰ্যসমূহে শিক্ষাৰ্থীৰ মনত যি মনোভাৱ আৰু চিন্তাধাৰাৰ

উন্মেষ ঘটায় সেইবোৰ অর্থনৈতিক ক্ষেত্রখনত আধিপত্য বিস্তাৰকাৰী আৰু আধিপত্য মানি চলা শ্রেণীটোৰ মাজৰ সম্বন্ধক বৈধতা প্রদান কৰাৰ বাবে প্রয়োজনীয়। দ্বিতীয়টো হ'ল সাংস্কৃতিক পুনৰুৎপাদনকাৰী আর্হি। প্রধানতঃ ব'র্ডিউ (Bourdieu) এ বিকশাই তোলা এই আর্হিটোৰে শ্রেণীত বিভক্ত সমাজ গঠনত সংস্কৃতিৰ ভূমিকা বর্ণনা কৰে। ইয়াৰ প্রয়াস হ'ল সমাজৰ প্রভাৱশালী স্তৰটোৰ সাংস্কৃতিক মূলধনক বৈধতা প্রদান তথা পুনঃউৎপাদনত বিদ্যালয়বোৰে পালন কৰা তাৎপর্যপূর্ণ ভূমিকাটোৰ কথা পোহৰলৈ অনা। তৃতীয় আর্হিটো গ্রাম্‌শ্চিয়ে বিকশিত কৰিছিল। আধিপত্যবাদী ৰাষ্ট্র পুনৰুৎপাদন আর্হি নাম দিয়া এই আর্হিটোৰে পুঁজিবাদী সমাজত ৰাষ্ট্রৰ ভূমিকা বর্ণনা কৰে। আর্হিটোৰ জৰিয়তে শিক্ষাৰ পুনঃউৎপাদনকাৰী প্রকার্যসমূহ গঢ় দিয়াত ৰাষ্ট্রৰ হস্তক্ষেপৰ ভূমিকা বিশ্লেষণ তথা বুজাৰ চেষ্টা কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শৈক্ষিক অনুষ্ঠানসমূহত অসমতা অনুশীলন কৰাৰ প্রধান উপায়বোৰ কি কি?

.....

.....

.....

.....

.....

পাৰ হৈ যোৱা বছৰ কেইটামানত শৈক্ষিক আহিলাসমূহৰ সামাজিক, অর্থনৈতিক আৰু আদর্শমূলক ভূমিকা সম্পর্কে বহুতো গৱেষণা কৰা হৈছে। ইয়াৰ পৰা বিদ্যালয়সমূহ জড়িত থকা তিনিটা প্রধান প্রকার্যৰ গঠন সম্পর্কে অনুমান কৰা হৈছে। প্রকার্য তিনিটা হ'ল—

(ক) সঞ্চয়ন (Accumulation) ঃ বিদ্যালয়সমূহে মূলধন সঞ্চয় প্রক্রিয়াত সহায় কৰে। এক অসমানভাৱে সঁহাৰিজ্ঞাপক অর্থনীতি পুনঃসৃষ্টি কৰিবলৈ প্রয়োজন হোৱা চর্তসমূহৰ মাজৰে দুটামান চর্ত পূৰণ কৰি বিদ্যালয়সমূহে এই কাম সম্পন্ন কৰে। 'প্রতিভা' আৰু 'সফলতা'ৰ দৰে ধাৰণাৰ ভিত্তিত শিক্ষার্থীক ভাগে ভাগে বিভিন্ন শিতানত অন্তর্ভুক্ত কৰি এই কামটোক বাস্তৱ ৰূপ দিয়া হয়। শিক্ষার্থীসকলক বিভক্ত কৰি লোৱা এই শিতানসমূহৰ ভিত্তিত সিহঁতক বিভিন্ন দক্ষতা অর্জন কৰিবলৈ, বিভিন্ন প্রমূল্য-জ্ঞান-প্রথা-পৰম্পৰা আহৰণ কৰিবলৈ আৰু সিঁহতৰ ক্ষেত্রত ধৰি লোৱা সামর্থ অনুসৰি নানা প্রৱণতা প্রদর্শন কৰিবলৈ শিকোৱা হয়। ই শিক্ষার্থীসকলক সমাজে বিচৰা ধৰণে প্রস্তুত হৈ ডাঙৰ হোৱাত সহায় কৰে।

(খ) **বৈধতা (Legitimacy) ঃ** বিদ্যালয়বোৰে বৈধতা প্রদানকাৰী উৎস হিচাপে কাম কৰে। বিদ্যালয়বোৰ হ'ল এনে কে জটিল সামাজিক সংৰচনাৰ অংশ যিটোৱে কিছুমান বিশেষ সামাজিক দলক বৈধতা প্রদান কৰে। বিদ্যালয়ৰ জৰিয়তে সামাজিক আৰু সাংস্কৃতিক আদর্শসমূহ পুনঃসৃষ্ট হয়, সেইবোৰ বর্তি থাকে আৰু ভৱিষ্যতলৈ প্রৱাহিত হয়। বিদ্যালয়ৰ ভূমিকা কেৱল আমাৰ আর্থ-সামাজিক ব্যৱস্থাবোৰক বৈধতা প্রদান কৰি সেইবোৰক স্বাভাৱিক যেন কৰি তোলাতেই সীমিত হৈ ৰৈ নাযায়। ই শাসিতসকলৰ পৰা নিজকে আঁতৰত ৰাখি বৈধতা প্রদান কৰে।

(ক) **উৎপাদন (Production) ঃ** আমাৰ শিক্ষা আহিলাসমূহে সামগ্রিকভাৱে উৎপাদনৰ সকলোবোৰ গুৰুত্বপূর্ণ অভিকর্তাৰ সমষ্টি গঠন কৰি দিয়ে।

সাধাৰণ জনগণৰ মাজত শিক্ষাৰ প্রসাৰ ঘটোৱাৰ ৰাজনৈতিক বাগাড়ম্বৰপূর্ণ বচন আৰু সামাজিক উদ্দেশ্যধর্মী প্রচাৰৰ পৰিণাম হিচাপে শিক্ষা ক্ষেত্রখন জনতাৰ দৃষ্টিত এখন নিৰপেক্ষ ক্ষেত্র হৈ পৰে। সাধাৰণভাৱে এনে লাগে যেন এই ক্ষেত্রখনত কোনো অন্যায় অথবা অসমতাৰ স্থান নাই। ক্ষেত্রখনৰ সৈতে জড়িত 'মেধা' আৰু 'সফলতা'ৰ দৰে মিথ্যাবোৰে এয়া প্রতিপন্ন কৰাত সহায় কৰে যে শিক্ষাৰ ক্ষেত্রখন সকলোৰে বাবে আৰু সকলো আসোঁৱাহৰ পৰা মুক্ত এক নিৰপেক্ষ ক্ষেত্র। এই ক্ষেত্রখনে প্রতিষ্ঠা আৰু অনুশীলনৰ ভিত্তিত কিছুমান নিজস্বভাৱে আৰোপিত বৈশিষ্ট্য প্রদর্শন কৰে। কিন্তু ক্ষেত্রখন মৌলিকভাৱে সু-সাংস্কৃতিক তথা অর্থনৈতিক মূলধনেৰে সমৃদ্ধসকলৰ বাবে সংৰক্ষিত। 'মেধা'ৰ ধাৰণাটো বিভিন্ন বৈষম্যৰ পৰা ৰক্ষণাবেক্ষণ দিয়া নীতি আৰু ইয়াৰ দ্বাৰা উপকৃত হ'ব পৰা হিতাধিকাৰীসকলক আঁতৰাই ৰখাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। শিক্ষাৰ ক্ষেত্রখনত কেৱল আধিপত্য বিস্তাৰ কৰি থকা আদর্শটোৱেহে 'মেধা'ৰ গতি-প্রকৃতি নিৰূপণ কৰে আৰু প্রকৃত জ্ঞান বুলি কোনবোৰ বৈশিষ্ট্যক গণ্য কৰা হ'ব সেয়া ধার্য কৰে। এই কথাবোৰত প্রভাৱশালী অংশটোৰ অন্তর্গতসকলে অতি সহজে সফলতা লাভ কৰে। এটা উদাহৰণলৈ মন কৰক। যিটো ভাষাক 'বিশুদ্ধ' (pure) বুলি গণ্য কৰা হয় অথবা যিবোৰ বিষয়ক 'অভিজাত' (Elite) শ্রেণীত ৰখা হয় সেইবোৰ সমাজৰ প্রতিপত্তিশালী স্তৰৰ ল'ৰা-ছোৱালীৰ বাবে ইতিমধ্যে পৰিচিত কথা। সেয়েহে, বিদ্যালয়ত কেনে জ্ঞান আৰোপ কৰা হয় কেৱল তাতেই মনোনিৱেশ নকৰি 'গুপ্ত পাঠ্যক্রম' (hidden curriculum)ৰ বিষয়টো অধ্যয়নতো মনোযোগ দিয়া উচিত। এনে পাঠ্যক্রমত থকা আদর্শস্বৰূপ (normative) আৰু প্রৱণতা প্রদর্শনকাৰী (dis-positional) উপাদানসমূহে সমাজৰ ক্ষমতাশালী শ্রেণীটোৰ আদর্শগত আধিপত্যবাদ বর্তাই ৰাখে। ইয়াৰ সহায়তে এই শ্রেণীটোৰ অর্থনৈতিক তথা অন্য স্বার্থবোৰ অক্ষুণ্ণ হৈ ৰয়। সেয়েহে, অধ্যয়নৰ সময়ত বিদ্যালয়কেন্দ্রিক জীৱনৰ সংগঠনত কেনেকৈ (how) আৰু কিয় (why) কিছুমান কথাৰ সামাজিক অর্থক 'জ্ঞান' বুলি ধৰা হয় আৰু আন কিছুমানক জ্ঞানৰ শাৰীত ৰখা নহয় সেই কথা বিবেচনা কৰি চোৱা উচিত।

ক্ষমতাৰ সুচল অৱস্থা আৰু কিছুমান বিশেষ আধিপত্য বিস্তাৰকাৰী শিতানৰ বৈধতা

লাভৰ সুযোগৰ মাজত এক দ্বন্দ্বাত্মক সম্বন্ধ আছে। এই সম্বন্ধৰ সৈতে এনেবোৰ শিতান কিছুমান বিশেষ সামাজিক দলৰ বাবে উপলব্ধ হোৱাৰ প্রক্রিয়াবোৰো জড়িত হৈ থাকে। এই প্রক্রিয়াবোৰে সামাজিক দলবিশেষক ক্ষমতা আৰু নিয়ন্ত্রণৰ অধিকাৰী কৰে। এই দলবোৰৰ দ্বাৰা নির্ণত বৈধতাৰ প্রাথমিক দৃষ্টিত ধৰা পৰা প্রমাণ হ'ল বিদ্যালয়ভিত্তিক জ্ঞান হিচাপে নির্মাণ কৰা কিছুমান বিশেষ পৰম্পৰা আৰু আদর্শস্বৰূপ বিষয়বস্তু। এইবোৰ দিশেৰে চালে শৈক্ষিক সুযোগ লাভৰ পৰা বঞ্চিত হোৱা, বিফলতা আৰু নিম্নস্তৰৰ সফলতা আদি যে শিক্ষা ব্যৱস্থাত নিহিত উপাদান সেয়া ধৰিব পাৰি। আমি ইয়াৰ পৰা গম পাওঁ যে সফলতাৰ নিম্নস্তৰ অথবা ফলপ্রসূ বর্জন (effective exclusion) আদিয়ে শিকন ফলাফল প্রতিফলিত নকৰে। শৈক্ষিক জ্ঞানৰ সৈতে জড়িত সমস্যাক, যেনে— বিদ্যালয়ত যি শিকোৱা হয়, তাক সমাজত বৃহত্তৰ ৰূপত বিতৰণ কৰা সামগ্রী আৰু সেৱাৰে এটা ৰূপ বুলি ধৰি ল'ব লাগিব। পণ্ডিতসকলে এয়া বিভিন্ন প্রসংগত উল্লেখ কৰিছে যে যিকোনো শিক্ষা ব্যৱস্থাতে 'দৃশ্যমান' (manifested) আৰু 'সুপ্ত' (latent) এই দুয়োপ্রকাৰৰ প্রকার্য সক্রিয় হৈ থাকে। এই প্রকার্যসমূহক শৈক্ষিক আৰু আর্থ-ৰাজনৈতিক দিশেৰে বুজাৰ চেষ্টা কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ঃ বিদ্যালয়ৰ পাঠ্যক্রমত 'জ্ঞান' বুলি ধৰা বিষয় অথবা কথাবোৰ কিহে গঠন কৰে?

.....

.....

.....

.....

.....

১১.৪ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৃষ্ঠভূমিত স্তৰীকৰণ

শিক্ষাৰ ৰাষ্ট্রীয় নীতিৰ সিদ্ধান্তমর্মে ভাৰত চৰকাৰে শিক্ষা আয়োগ (১৯৬৪-৬৬ চন)ৰ প্রতিবেদনখনৰ সৈতে সহমত পোষণ কৰিছিল। প্রতিবেদনখনত কোৱা হৈছিল যে, "এতিয়া শ্রেণীকোঠাৰ ভিতৰত ভাৰতৰ ভাগ্যই গঢ় ল'ব।" কথাষাৰিলৈ মন কৰিলে এয়া স্পষ্ট হৈ পৰে যে ভাৰতক গঢ় দিয়াৰ বিশাল দায়িত্ব শিক্ষাৰ হাতত তুলি দিয়া হৈছিল। শৈক্ষিক অনুষ্ঠানসমূহে এই দায়িত্বক বাস্তৱ ৰূপ দিয়াৰ মাধ্যম হিচাপে নিজ ভূমিকা পালন কৰিছিল। ভাৰতৰ পটভূমিত জাতি-বর্ণ আৰু শ্রেণী বৈষম্যৰ লগতে পিতৃপ্রধান সমাজৰ সংৰচনাই সাধাৰণতে আধিপত্য

বিস্তাৰকাৰী আদর্শ তথা স্বার্থবোৰ নির্মাণ কৰিছে। সমসাময়িক বিশ্বত এই কামটো কৰে বিশ্বজনীন পুঁজিবাদী অর্থনীতিয়ে। এনে আদর্শ তথা স্বার্থবোৰ ৰাষ্ট্রৰ বিভিন্ন অভিব্যক্তিৰ মাধ্যমেৰে প্রকাশিত হয় আৰু এইবোৰে শৈক্ষিক বিকাশ, শিক্ষাৰ গতিশীলতা তথা প্রসাৰৰ দৰে কথাবোৰৰ গঢ়-গতি নিৰূপণ কৰি দিয়ে। উল্লিখিত উপাদানবোৰৰ প্রভাৱ সক্রিয় হৈ পৰাৰ লগে লগে শিক্ষাৰ গাঁথনি, বিষয়বস্তুৰ সূচী আৰু প্রক্রিয়াসমূহে ৰাজনৈতিক তথা আদর্শকেন্দ্রিক চিন্তা-ধাৰণাৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা গ্রহণ কৰে।

- **ঐতিহাসিক দৃষ্টিকোণেৰে স্তৰীকৰণত আলোকপাত**

শিক্ষাৰ ভাৰতীয় ইতিহাসত ঔপনিৰেশিকতাৰ প্রভাৱ তাৎপর্যপূর্ণ। ঔপনিৰেশিক শিক্ষা আর্হিটোৱে দেশৰ থলুৱা শিক্ষা ব্যৱস্থাক এলাগী কৰি তুলিছিল। ঔপনিৰেশিক শাসক সকলে এক ধর্মনিৰপেক্ষ শৈক্ষিক আঁচনি বর্তাই ৰখাৰ চেষ্টা কৰিছিল। প্রচলিত শিক্ষা ব্যৱস্থাৰ স্থানত তেওঁলোকে জাতি-সম্প্রদায়ভিত্তিক পৰম্পৰাগত সামাজিক শৃংখলাৰ আধাৰত বিকশিত এক শিক্ষা ব্যৱস্থাৰ প্রচলন ঘটাইছিল। স্বাধীনতা লাভৰ পাছত ভাৰতত জাতীয়তাবাদ শক্তিশালী হৈছিল। সেইবাবেই ৰাষ্ট্র নির্মাণ আৰু ৰাষ্ট্রীয় উন্নয়নৰ দৰে বিষয়বোৰত সফলতা লাভৰ মূল উপায় হিচাপে শিক্ষাক অগ্রাধিকাৰ দিয়া হৈছিল। শিক্ষাৰ উন্নতিয়ে ৰাষ্ট্র নির্মাণ আৰু ৰাষ্ট্রীয় উন্নয়নৰ অগ্রগতি দৃশ্যমান কৰি তুলিছিল। ঔদ্যোগিকীকৰণত বিশেষ মনোযোগ দি শিক্ষাৰ আমূল পৰিৱর্তন সাধন কৰাৰ চেষ্টা চলোৱা হৈছিল। এই চেষ্টাই ভাৰতীয়ৰ মনত এক বিজ্ঞান মনস্কতা আৰু যুক্তিবাদী মেজাজ গঢ়ি তুলিছিল। এই নতুন শিক্ষা ব্যৱস্থা গঢ়োতাসকল কিন্তু ঔপনিৰেশিক শাসন চলি থকা সময়ৰে পৰাই সমাজৰ ক্ষমতাশালী শক্তিৰ ভূমিকা পালন কৰি আহিছিল। তেওঁলোকৰ সকলো সময়তে ৰাষ্ট্রনীতি আৰু শৈক্ষিক নীতিবোৰ নিজৰ সুবিধামতে পৰিচালিত কৰাৰ ক্ষমতা আছিল। ৰাষ্ট্রীয়তাবাদী আন্দোলন চলি থকাৰ সময়ৰ এক গুৰুত্বপূর্ণ কার্যক্রমণিকা আছিল শিক্ষা প্রসাৰৰ চেষ্টা চলোৱা। সমাজৰ নিম্নবর্গৰ সদস্য, বিশেষকৈ বিতাড়িত আৰু নিষ্পেষিত সকলৰ শিক্ষাৰ জৰিয়তে উন্নতি সাধনৰ উদ্দেশ্য আগত বান্ধি লৈ সকলো জাতীয়তাবাদী আন্দোলনৰ সূত্রপাত হৈছিল।

নতুন উদাৰবাদী প্রমূল্যৰ উত্থানেও মাত্র ক্ষমতাশালী দলটোৰ আধিপত্য মানি লোৱা পুৰণি সাংস্কৃতিক ব্যৱস্থাটোকে শক্তিশালী কৰি তুলিছিল আৰৰু এই ব্যৱস্থাটোৰেই পোষকতা কৰিছিল। ঐতিহাসিকভাৱে বঞ্চিত হৈ ৰোৱাসকলৰ মাজৰ পৰা প্রতিভাৱানসকলক বাছি উলিয়াই নাইবা প্রতিভাৱান গঢ়ি তুলি নাইবা প্রতিভাধৰ সৃষ্টি কৰি এই প্রমূল্যসমূহে কোনো পৰিৱর্তন সাধন কৰিব পৰা নাছিল। বিশ্বজনীন পুঁজিবাদী অর্থনীতিয়ে শৈক্ষিক চিন্তা-ধাৰণাবোৰলৈ বিপুল পৰিৱর্তন কঢ়িয়াই আনিছিল। সমাজৰ সকলো শাখাতে ব্যক্তিগতকৰণৰ চাহিদা বৃদ্ধি পাইছিল। ব্যক্তিৰ হাতত থকা মূলধনৰ ওপৰত ব্যক্তিগতকৰণৰ সা-সুবিধা লাভ কৰোতাসকলৰ গুণগত উৎকর্ষৰ স্তৰ নির্ভৰশীল হৈ পৰিছিল। এই ব্যৱস্থাই বিভিন্ন স্বার্থত কাম কৰি থকা গোটসমূহক নিজ নিজ আধিপত্যক বৈধ ৰূপ দিবলৈ আৰু সম্প্রসাৰিত কৰিবলৈ সুযোগ দিছিল। এই অর্থনৈতিক উদাৰীকৰণৰ যুগতো শিক্ষাই কেৱল সমাজৰ আধিপত্য বিস্তাৰকাৰী সামাজিক সম্পর্কবোৰক

সহায় কৰি থাকিলষ শ্রমৰ বজাৰখনত সামাজিক লিংগ, জাতি-সম্প্রদায় আৰু শ্রেণীৰ লগতে এই দিশতো শিক্ষাই অৱদান আগবঢ়াই গ'ল।



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্র সমর্থিত শিক্ষাই যি দিব বুলি প্রতিশ্রুতি দিয়ে য়াৰু বাস্তৱত যি দিয়ে তাৰ মাজত আকাশ-পাতাল পার্থক্য থাকে। কাৰণ সমগ্র শিক্ষা ক্ষেত্রখনতে বিশাল অসমতা আছে। এই অসমতা শিক্ষাৰ সুলভতা, গক্ষণাবেক্ষণ, পাৱদর্শিতা আৰু ফলাফল আদি সকলো দিশতে দেখা যায়। সমাজৰ শোষিত শ্রেণী আৰু আনসকলৰ মাজত এই অসমতা বিৰাজমান।
- ৰাষ্ট্রই গণতান্ত্রিককৰণ প্রক্রিয়াৰ মাধ্যমেৰে গণ শিক্ষাৰ বিষয়টোত মনোনিবেশ কৰি আহিছে যদিও দেশৰ দূৰণিবটীয়া, দুর্গম এলেকাবোৰত আজিও এই ধাৰণাবোৰ উপযুক্তভাৱে কার্যৰূপায়িত কৰিব পৰা নাই। এই এলেকাবোৰত ঐতিহাসিকভাৱে অনুন্নত শ্রেণীবোৰৰ লোকে বসবাস কৰি আহিছে।
- শিক্ষাই সমাজত পালন কৰা ভূমিকাক ঐতিহাসিক, পৃষ্ঠভূমিকেন্দ্রিক আৰু সম্পর্কভিত্তিক দৃষ্টিকোণেৰে বিচাৰ কৰি চোৱা উচিত। তেতিয়াহে শিক্ষাত হোৱা স্তৰীকৰণ প্রক্রিয়াটো খৰছি মাৰি বুজিব পৰা যাব।
- শিক্ষা সর্বসন্মত মতামতেৰে পৰিচালিত মঞ্চ নহয়। শিক্ষাৰ ক্ষেত্রখন আদর্শগত সংঘাতেৰে ভৰা। ইয়াৰ উপৰি চৰকাৰেও প্রাথমিক আৰু মাধ্যমিক পর্যায়লৈকেহে শিক্ষাৰ প্রসাৰ ঘটাবলৈ সক্ষম হৈছে।
- অনানুষ্ঠানিক পৰিৱেশ, যেনে— পৰিয়াল, সমনীয়াৰ দলৰ সৈতে সম্পাদন কৰা আন্তঃক্রিয়া আদিয়েও শিশুক কিছুমান প্রমূল্যৰ অধিকাৰী কৰে। তথাপিও শিশুৰ মনোভাৰ সুনির্দিষ্ট ধৰণে গঢ় দিয়াত বিদ্যালয়ে সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শিকনৰ সুনির্দিষ্ট উদ্দেশ্য আগত ৰাখি শিশু বিদ্যালয়লৈ যায়।
- এনে অনুষ্ঠানৰূপে বিদ্যালয় হ'ল সামূহিক পৰম্পৰা তথা মানৰিক আন্তঃক্রিয়াৰ ধাৰক আৰু বাহক। এইবোৰ চিনাক্ত কৰিব পৰা সামাজিক তথা অর্থনৈতিক আদর্শৰ পৰা উৎপাদিত উপাদান হ'ল বিদ্যালয়। বিদ্যালয়ৰ পাঠ্যক্রম হ'ল কোনো উৎসৰ পৰা লব্ধ আদর্শগত আৰু সাংস্কৃতিক সমলৰ প্রতি জনোৱা সঁহাৰি আৰু প্রতিনিধি।
- বিদ্যালয় পাঠাক্রমৰ অর্থ নির্মাণ প্রক্রিয়াটোৰ মূল হ'ল সামাজিক নিয়ন্ত্রণ। সেয়েহে কোৱা হয় যে বিদ্যালয়ে প্রদান কৰা জ্ঞান হ'ল এক সচেতন সিদ্ধান্ত। শিশুৰ মনবোৰক

বিচৰা ধৰণে গঢ় দিবলৈ কি শিকোৱা উচিত সেয়া আগতীয়াকৈ ঠিক কৰি লোৱা হয়। এনেধৰণৰ জ্ঞান সমাজৰ প্ৰভাৱশালী অংশটোৰ স্বাৰ্থত আঘাত নকৰাকৈ প্ৰদান কৰিবলৈ মঞ্জুৰী দিয়া হয়।

- শ্ৰেণীকোঠাৰ ভিতৰতো জ্ঞানৰ এক সামাজিক বিতৰণ প্ৰক্ৰিয়া থাকে। পৰিয়াল আৰু শ্ৰম বজাৰৰ মাজত থকা একমাত্ৰ প্ৰধান অনুষ্ঠানটো হ'ল বিদ্যালয়। সেয়েহে, ঐতিহাসিক আৰু সাম্প্ৰতিক উভয় প্ৰেক্ষাপটতে বিদ্যালয়ে কিছুমান পাৰ্থক্য সম্বলিত সা-সুবিধা থকা সামাজিক অৰ্থ বিতৰণ কৰাৰ কথাটো ইয়াৰ অপ্ৰত্যাশিত বৈশিষ্ট্য নহয়। বিদ্যালয়ভিত্তিক শিক্ষাৰ প্ৰধান কাম হ'ল প্ৰভাৱশালী আদৰ্শৰ পুনৰুৎপাদন আৰু এনে আদৰ্শই গঢ়া জ্ঞান তথা দক্ষতাৰ বিতৰণ। এই বিতৰণ প্ৰক্ৰিয়াই অৱধাৰিতভাৱে সামাজিক অসমতাৰ পুনৰুৎপাদন কৰি গৈ থাকে।
- শৈক্ষিক প্ৰক্ৰিয়াসমূহৰ জৰিয়তে পুনৰুৎপাদিত অসমতাৰ কথা আলোচনা কৰাৰ সময়ত তিনি প্ৰকাৰৰ পুনঃউৎপাদনৰ প্ৰসংগ উল্লেখ কৰা হয়।
- পাৰ হৈ যোৱা বছৰ কেইটামানত শৈক্ষিক আহিলাসমূহৰ সামাজিক, অৰ্থনৈতিক আৰু আদৰ্শমূলক ভূমিকা সম্পৰ্কে বহুতো গৱেষণা কৰা হৈছে। ইয়াৰ পৰা বিদ্যালয়সমূহ জড়িত থকা তিনিটা প্ৰধান প্ৰকাৰ্যৰ গঠন সম্পৰ্কে অনুমান কৰা হৈছে।
- সাধাৰণ জনগণৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটোৱাৰ ৰাজনৈতিক বাগাড়ম্বৰপূৰ্ণ বচন আৰু সামাজিক উদ্দেশ্যধৰ্মী প্ৰচাৰৰ পৰিণাম হিচাপে শিক্ষা ক্ষেত্ৰখন জনতাৰ দৃষ্টিত এখন নিৰপেক্ষ ক্ষেত্ৰ হৈ পৰে।
- 'মেধা'ৰ ধাৰণাটো বিভিন্ন বৈষম্যৰ পৰা ৰক্ষণাবেক্ষণ দিয়া নীতি আৰু ইয়াৰ দ্বাৰা উপকৃত হ'ব পৰা হিতাধিকাৰীসকলক আঁতৰাই ৰখাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। শিক্ষাৰ ক্ষেত্ৰখনত কেৱল আধিপত্য বিস্তাৰ কৰি থকা আদৰ্শটোৱেহে 'মেধা'ৰ গতি-প্ৰকৃতি নিৰূপণ কৰে আৰু প্ৰকৃত জ্ঞান বুলি কোনবোৰ বৈশিষ্ট্যক গণ্য কৰা হ'ব সেয়া ধাৰ্য কৰে।
- ক্ষমতাৰ সুচল অৱস্থা আৰু কিছুমান বিশেষ আধিপত্য বিস্তাৰকাৰী শিতানৰ বৈধতা লাভৰ সুযোগৰ মাজত এক দ্বন্দ্বাত্মক সম্বন্ধ আছে। এই সম্বন্ধৰ সৈতে এনেবোৰ শিতান কিছুমান বিশেষ সামাজিক দলৰ বাবে উপলব্ধ হোৱাৰ প্ৰক্ৰিয়াবোৰো জড়িত হৈ থাকে। এই প্ৰক্ৰিয়াবোৰে সামাজিক দলবিশেষক ক্ষমতা আৰু নিয়ন্ত্ৰণৰ অধিকাৰী কৰে।
- ভাৰতৰ পটভূমিত জাতি-বৰ্ণ আৰু শ্ৰেণী বৈষম্যৰ লগতে পিতৃপ্ৰধান সমাজৰ সংৰচনাই সাধাৰণতে আধিপত্য বিস্তাৰকাৰী আদৰ্শ তথা স্বাৰ্থবোৰ নিৰ্মাণ কৰিছে। সমসাময়িক বিশ্বত এই কামটো কৰে বিশ্বজনীন পুঁজিবাদী অৰ্থনীতিয়ে।
- বিশ্বজনীন পুঁজিবাদী অৰ্থনীতিয়ে শৈক্ষিক চিন্তা-ধাৰণাবোৰলৈ বিপুল পৰিৱৰ্তন কঢ়িয়াই আনিছিল। সমাজৰ সকলো শাখাতে ব্যক্তিগতকৰণৰ চাহিদা বৃদ্ধি পাইছিল। ব্যক্তিৰ

হাতত থকা মূলধনৰ ওপৰত ব্যক্তিগতকৰণৰ সা-সুবিধা লাভ কৰোতাসকলৰ গুণগত উৎকর্ষৰ স্তৰ নির্ভৰশীল হৈ পৰিছিল।



১১.৬ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



১১.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ শৈক্ষিক প্রক্রিয়াসমূহৰ জৰিয়তে পুনৰুৎপাদিত অসমতাৰ কথা আলোচনা কৰাৰ সময়ত তিনি প্রকাৰৰ পুনঃউৎপাদনৰ প্রসংগ উল্লেখ কৰা হয়। প্রথম প্রকাৰৰ পুনৰুৎপাদন ধাৰণাটো প্রধানকৈ বাৰেলচ্ আৰু গিণ্টিজ (Bowels and Gintis) এ বিকশিত কৰিছিল। অর্থনৈতিক পুনৰুৎপাদন এই আর্হিটোৰ মতে বিদ্যালয়ভিত্তিক প্রকার্যসমূহে শিক্ষার্থীৰ মনত যি মনোভাৱ আৰু চিন্তাধাৰাৰ উন্মেষ ঘটায় সেইবোৰ অর্থনৈতিক ক্ষেত্রখনত আধিপত্য বিস্তাৰকাৰী আৰু আধিপত্য মানি চলা শ্রেণীটোৰ মাজৰ সম্বন্ধক বৈধতা প্রদান কৰাৰ বাবে প্রয়োজনীয়। দ্বিতীয়টো হ'ল সাংস্কৃতিক পুনৰুৎপাদনকাৰী আর্হি। প্রধানতঃ ব'র্ডিউ (Bourdieu) এ বিকশাই তোলা এই আর্হিটোৱে শ্রেণীত বিভক্ত সমাজ গঠনত সংস্কৃতিৰ ভূমিকা বর্ণনা কৰে। ইয়াৰ প্রয়াস হ'ল সমাজৰ প্রভাৱশালী স্তৰটোৰ সাংস্কৃতিক মূলধনক বৈধতা প্রদান তথা পুনঃউৎপাদনত বিদ্যালয়বোৰে পালন কৰা তাৎপর্যপূর্ণ ভূমিকাটোৰ কথা পোহৰলৈ অনা। তৃতীয় আর্হিটো গ্রাম্শিয়ে বিকশিত কৰিছিল। আধিপত্যবাদী ৰাষ্ট্র পুনৰুৎপাদন আর্হি নাম দিয়া এই আর্হিটোৱে পুঁজিবাদী সমাজত ৰাষ্ট্রৰ ভূমিকা বর্ণনা কৰে। আর্হিটোৰ জৰিয়তে শিক্ষাৰ পুনঃউৎপাদনকাৰী প্রকার্যসমূহ গঢ় দিয়াত ৰাষ্ট্রৰ হস্তক্ষেপৰ ভূমিকা বিশ্লেষণ তথা বুজাৰ চেষ্টা কৰা হয়।

প্ৰশ্ন নং ২ উত্তৰ ঃ 'মেধা'ৰ ধাৰণাটো বিভিন্ন বৈষম্যৰ পৰা ৰক্ষণাবেক্ষণ দিয়া নীতি আৰু ইয়াৰ দ্বাৰা উপকৃত হ'ব পৰা হিতাধিকাৰীসকলক আঁতৰাই ৰখাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। শিক্ষাৰ ক্ষেত্ৰখনত কেৱল আধিপত্য বিস্তাৰ কৰি থকা আদৰ্শটোৱেহে 'মেধা'ৰ গতি-প্ৰকৃতি নিৰূপণ কৰে আৰু প্ৰকৃত জ্ঞান বুলি কোনবোৰ বৈশিষ্ট্যক গণ্য কৰা হ'ব সেয়া ধাৰ্য কৰে। এই কথাবোৰত প্ৰভাৱশালী অংশটোৰ অন্তৰ্গতসকলে অতি সহজে সফলতা লাভ কৰে। এটা উদাহৰণলৈ মন কৰক। যিটো ভাষাক 'বিশুদ্ধ' (pure) বুলি গণ্য কৰা হয় অথবা যিবোৰ বিষয়ক 'অভিজাত' (Elite) শ্ৰেণীত ৰখা হয় সেইবোৰ সমাজৰ প্ৰতিপত্তিশালী স্তৰৰ ল'ৰা-ছোৱালীৰ বাবে ইতিমধ্যে পৰিচিত কথা। সেয়েহে, বিদ্যালয়ত কেনে জ্ঞান আৰোপ কৰা হয় কেৱল তাতেই মনোনিৱেশ নকৰি 'গুপ্ত পাঠ্যক্ৰম' (hidden curriculum)ৰ বিষয়টো অধ্যয়নতো মনোযোগ দিয়া উচিত। এনে পাঠ্যক্ৰমত থকা আদৰ্শস্বৰূপ (normative) আৰু প্ৰৱণতা প্ৰদৰ্শনকাৰী (dispositional) উপাদানসমূহে সমাজৰ ক্ষমতাশালী শ্ৰেণীটোৰ আদৰ্শগত আধিপত্যবাদ বৰ্তাই ৰাখে। ইয়াৰ সহায়তে এই শ্ৰেণীটোৰ অৰ্থনৈতিক তথা অন্য স্বাৰ্থবোৰ অক্ষুণ্ণ হৈ ৰয়। সেয়েহে, অধ্যয়নৰ সময়ত বিদ্যালয়কেন্দ্ৰিক জীৱনৰ সংগঠনত কেনেকৈ (how) আৰু কিয় (why) কিছুমান কথাৰ সামাজিক অৰ্থক 'জ্ঞান' বুলি ধৰা হয় আৰু আন কিছুমানক জ্ঞানৰ শাৰীত ৰখা নহয় সেই কথা বিবেচনা কৰি চোৱা উচিত।



১১.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ স্তৰীকৰণ মানে কি?

প্ৰশ্ন নং ২ ঃ বিদ্যালয়ত প্ৰচলিত স্তৰীকৰণ ব্যৱস্থাটো বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত থকা স্তৰীকৰণ ব্যৱস্থাটো বহলাই আলোচনা কৰক।

****

অধ্যায় ১২ঃ ভাৰতত শিক্ষাৰ ইতিহাস

অধ্যায় গাঁঠনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ হিন্দু পৰম্পৰাত শিক্ষাৰ ধাৰণা

- ১২.৩.১ বৈদিক শিক্ষা ব্যৱস্থা
- ১২.৩.২ বৈদিক শিক্ষা ব্যৱস্থাৰ সংৰচনা
- ১২.৩.৩ বৈদিক শিক্ষা ব্যৱস্থাত নাৰী আৰু প্ৰান্ত্য সম্প্ৰদায়বোৰৰ বাবে শিক্ষা

১২.৪ বৌদ্ধ পৰম্পৰাত শিক্ষা

১২.৫ শিক্ষাৰ ইছলামীয় ধাৰণা

- ১২.৫.১ ভাৰতত মুছলিম শিক্ষাৰ ইতিহাস
- ১২.৫.২ ভাৰতত মুছলিম শিক্ষাৰ লক্ষ্য
- ১২.৫.৩ ভাৰতত মুছলিম শিক্ষাৰ সংগঠন
- ১২.৫.৪ ভাৰতত মুছলিম শিক্ষাৰ পাঠ্যক্ৰম
- ১২.৫.৫ মুছলিম শিক্ষা ব্যৱস্থাত মহিলাৰ শিক্ষা

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্ৰগতিৰ খতিয়ান

১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হিন্দু পৰম্পৰাৰ অধীনত প্ৰচলিত প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাটোৰ বিষয়ে অৱগত হ'ব
- বৌদ্ধ পৰম্পৰাৰ অধীনত প্ৰচলিত প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাটোৰ বিষয়ে জানিব পাৰিব
- মুছলিম পৰম্পৰাৰ অধীনত প্ৰচলিত মধ্যযুগৰ ভাৰতৰ শিক্ষা ব্যৱস্থাটোৰ বিষয়ে জ্ঞান লাভ কৰিব।

১২.২ পৰিচয়

ভাৰতৰ বিভিন্ন পূৰাতাত্ত্বিক স্থানত শেহতীয়াভাৱে আৱিষ্কাৰ কৰা প্ৰাচীন হস্তশিল্পজাত

সামগ্ৰীসমূহ অধ্যয়ন কৰি এই সহমতত উপনীত হোৱা গৈছে যে প্ৰাচীন ভাৰতীয় সভ্যতাৰ অস্তিত্ব প্ৰায় ৭৫০০ খৃষ্টপূৰ্বৰ পৰা ৬২০০ খৃষ্টপূৰ্বৰ ভিতৰত আছিল বুলি ধৰিব পাৰি। কিন্তু পৰ্যাপ্ত প্ৰমাণৰ অভাৱ হেতুকে ইমান প্ৰাচীন সময় এছোৱাৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰাতো ব্যৱহাৰিক দিশেৰে গ্ৰহণযোগ্য নহয়। সেয়েহে এই অধ্যায়টিত 'ভাৰতত শিক্ষাৰ ইতিহাস' হিচাপে আলোচনা কৰা কালছোৱাৰ পৰিসৰ বৈদিক যুগৰ পৰা আৰম্ভ কৰি ইয়াৰ পৰৱৰ্তী সময়ত ভাৰতলৈ আগমন ঘটা ইচলামীয় শিক্ষাৰ অধ্যয়নতে সামৰা হৈছে। অধ্যায়টিৰ শৈক্ষিক অভিপ্ৰায় হ'ল ভাৰতৰ সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত প্ৰাচীন পৰম্পৰাগত হিন্দু, বৌদ্ধ আৰু মুচলিম শিক্ষা ব্যৱস্থাই পেলোৱা প্ৰভাৱৰ বৰ্তমানেও দৃশ্যমান আৰু গভীৰ ৰূপসমূহত আলোকপাত কৰা।

১২.৩ হিন্দু পৰম্পৰাত শিক্ষাৰ ধাৰণা

প্ৰাচীন ইণ্ডো-আৰ্য সাহিত্যৰ ভাষা বিজ্ঞান অধ্যয়নৰ সময়ত দুটামান এনে শব্দ বিচাৰি পোৱা গৈছে যিবোৰক আধুনিক যুগৰ শব্দ 'শিক্ষা'ৰ সমাৰ্থক বুলি ভবা হৈছে। এনে এটা শব্দ হ'ল বৈদিক মন্ত্ৰসমূহত পোৱা 'শিক্ষ্' শব্দটি। ইয়াৰ অৰ্থ হ'ল 'আবৃত্তি কৰিবলৈ শিকা কাৰ্য'। ব্ৰাহ্মণ্য, ঊপনিষদীয় আৰু সূত্ৰ সাহিত্যসমূহত বিচাৰি পোৱা আন এটা শব্দ হ'ল 'অধ্যায়না'। ইয়াৰ আক্ষৰিক অৰ্থ হ'ল 'সমীপলৈ যোৱা কাৰ্য'। ইয়াৰ ব্যাখ্যা অনুসৰি শব্দটোৱে শিক্ষা লাভৰ বাবে কোনো শিক্ষকৰ কাষ চপাৰ কথা বুজায়। এনেধৰণৰ তৃতীয় শব্দটো হ'ল 'বিনয়'। শব্দটোৰ মূলগত অৰ্থটো হ'ল 'এক বিশেষ ধৰণে নিজকে আগবঢ়াই নিয়া'। প্ৰথম শব্দটোৰ অৰ্থ 'শিক্ষা'ৰ সৈতে মিলে, দ্বিতীয় আৰু তৃতীয় শব্দ দুটাই একেলগে চৰিত্ৰ গঠনত মনোনিৱেশ কৰি শিক্ষা অৰ্জন কৰাৰ পথ আৰু মাধ্যমৰ কথা বুজায়। অৰ্থাৎ, ইণ্ডো-আৰ্য সভ্যতাত ব্যক্তিৰ সৰ্বাংগীন বিকাশৰ ধাৰণাটোৰ উন্মেষ ঘটিছিল।

প্ৰাচীন হিন্দু পৰম্পৰাত শিক্ষাক সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। শিক্ষাক ব্যক্তিৰ তৃতীয় নয়ন হিচাপে গণ্য কৰা হৈছিল। শিক্ষাই ব্যক্তিক ধৰ্মৰ পথেৰে আগবাঢ়ি যোৱাত সহায় কৰে বুলি বিবেচনা কৰা হৈছিল। শিক্ষা নথকা ব্যক্তিক অন্ধৰ সৈতে তুলনা কৰা হৈছিল। এযাৰি আপ্তবাক্যই কয় যে ৰজা কেৱল নিজ ৰাজ্যৰ সীমাৰ ভিতৰত পূজিত, কিন্তু এগৰাকী শিক্ষিত ব্যক্তি সৰ্বত্ৰ পূজ্য। শিক্ষাক এক অবিৰত প্ৰক্ৰিয়া বুলিও গণ্য কৰা হৈছিল। প্ৰাচীন ভাৰতত প্ৰচলিত আন এযাৰি জ্ঞানগৰ্ভ কথা হ'ল 'এগৰাকী বিপ্ৰ (জ্ঞানী লোক) সদায়েই এগৰাকী শিক্ষাৰ্থী।' সেই সময়ছোৱাত শিক্ষাক স্বতন্ত্ৰতাৰ বাবে অপৰিহাৰ্য উপাদান বুলি বিবেচনা কৰা হৈছিল। সমাজে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ব্যক্তিক শ্ৰেষ্ঠ হ'বলৈ অতিৰিক্ত চকু নাইবা হাতৰ প্ৰয়োজন নাই। শিক্ষাই ব্যক্তিক শ্ৰেষ্ঠ কৰি তোলে। ই ব্যক্তিৰ মন তীক্ষ্ণ কৰে, ব্যক্তিৰ চৰিত্ৰ গঢ়ে, অন্ধবিশ্বাসৰ পৰা মনক মুক্ত কৰে, বুদ্ধি বৃদ্ধি কৰে, সহজাত গুণ-বৈশিষ্ট্যসমূহ বিকশিত কৰে, আত্মসন্মান বৃদ্ধি কৰে, শক্তি আৰু নিপুণতা বৃদ্ধি কৰে ইত্যাদি। প্ৰাচীন কালৰ ভাৰতীয় সভ্যতাই ভাবিছিল যে শিক্ষাই ব্যক্তিৰ জীৱন প্ৰবুদ্ধ কৰে আৰু মোক্ষ লাভৰ পথ দেখুৱায়।

হিন্দু ধর্মৰ মতে মানুহ সদায় গুৰু, সাধু আৰু সন্তৰ ওচৰত ঋণী। কাৰণ, তেওঁলোকেই মানুহে জন্মসূত্রে লাভ কৰা ধর্ম আৰৰু সংস্কৃতিৰ প্রতিষ্ঠাপক। তাৰপাছতহে মানুহ ক্রমে ঈশ্বৰ আৰু পিতৃ-মাতৃৰ ওচৰত ধৰুৱা। অর্থাৎ, মানুহে সদায় নিজৰ ঋণ পৰিশোধ কৰিবলৈ দায়ৱদ্ধ হৈ ৰোৱা উচিত। ইয়াৰে প্রথমটো ঋণ বেদৰ শিক্ষার্থীৰূপে পৰিশোধ কৰিব পাৰি। ঈশ্বৰৰ ঋণ পৰিশোধ কৰাৰ উপায় হ'ল বিভিন্ন বলি-বিধান সমাপন। তৃতীয় ঋণ পিতৃ-পুৰুষ পূজা-তর্পণ কৰি আৰু নিজে পিতৃ-মাতৃ হৈ পৰিশোধ কৰিব লাগে। মানুহে এই তিনি প্রকাৰৰ ঋণ সুঁজিব পাৰিলেহে এই পার্থিৱ জীৱনৰ পৰা মুক্তিলাভ কৰি চিৰশান্তি লভিব পাৰে। প্রাচীন হিন্দু সমাজে শিক্ষাক এক জীৱন প্রক্রিয়া হিচাপে গণ্য কৰিছিল। ইয়াৰ আধাৰত মানুহৰ জীৱনকালক চাৰিটা প্রধান ভাগত ভগোৱা হৈছিল। প্রতিটো ভাগৰ বাবে বিশেষ কর্তব্য কিছুমান নিৰূপণ কৰা হৈছিল। প্রতিটো ভাগকে এনেদৰে সজাই লোৱা হৈছিল যে প্রতিটো ভাগেই মানুহক পৰৱর্তী ভাগটোৰ নিৰূপিত কর্তব্যসমূহ সমাপন কৰিব পৰাকৈ প্রস্তুত কৰি তুলিছিল। মানৰ জীৱনৰ প্রথম ভাগটোক 'ব্রহ্মচর্য' অথবা ছাত্রজীৱন নাম দিয়া হৈছিল। এই ভাগত মানুহে গুৰুৰ অধীনত জ্ঞান অর্জন কৰিছিল। গুৰুৱে সাধাৰণতে শিষ্যৰ মন মুকলি কৰি ইয়াক অনুশাসনেৰে নিয়ন্ত্রিত কৰি তুলিছিল। অনুশাসনেৰে গঢ় লোৱা ব্যক্তিৰ দেহ আৰু মন সদায় মনৰ নির্দেশ পালন কৰিব পৰাকৈ প্রস্তুত হৈ থাকে। জীৱনৰ দ্বিতীয় ভাগটোৰ নাম দিয়া হৈছিল 'গৃহস্থ'। ব্যক্তিয়ে ব্রহ্মচর্য স্তৰত শিকা সকলো নীতি আৰু কথা এই স্তৰত অনুশীলনৰ মাধ্যমেৰে বাস্তৱ ৰূপ দিছিল। জীৱনকালৰ তৃতীয় ভাগ 'বাণপ্রস্থ'ত ব্যক্তিয়ে নিজকে বৈষয়িত কাম-কাজ তথা দৈনন্দিন কর্তব্য সমাপনৰ চক্রটোৰ পৰা বিচ্ছিন্ন কৰিছিল। এই ভাগত প্রৱেশ কৰা মানুহৰ দেহ-মন বিশুদ্ধ হৈ পৰিছিল বাবে তেওঁলোকে আংশিক ত্যাগৰ নীতি গ্রহণ কৰিছিল। মানৰ জীৱনৰ অন্তিম ভাগ 'সন্ন্যাস'ত ব্যক্তিয়ে নিজৰ আৰু অবিনাশী সত্ত্বাৰ মাজত থকা সম্বন্ধক স্বীকৃতি দিয়াৰ কামত একাগ্রচিত্তে মনোনিৱেশ কৰিছিল। এই স্তৰত মানুহে অস্তিত্বৰ উৎস আৰু অর্থৰ ব্যাখ্যা উদ্ধাৰৰ চেষ্টা চলাইছিল।

অর্থাৎ, বৈদিক যুগ শিক্ষাৰ লক্ষ্য আছিল মানুহ নৈমত্তিক জাগতিক ক্রিয়া-কলাপৰ পৰা আঁতৰলৈ নি আধ্যাত্মিকভাৱে জাগ্রত কৰি তোলা। মানুহক ধর্মৰ পথেৰে আগবাঢ়ি যোৱাৰ উৎসাহ যোগাই শিক্ষাই প্রকৃতার্থত মানুহক স্বাধীন হোৱাত সহায় কৰিছিল।

১২.৩.১ বৈদিক শিক্ষা ব্যৱস্থা

হিন্দু পৰম্পৰাৰ প্রাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ইতিহাসক প্রধানকৈ তলত উল্লেখ কৰা চাৰিটা কালত ভগোৱা হয়।

- **প্রাক্-ঐতিহাসিক কালৰ পৰা খৃষ্টপূর্ব ১০০০ বর্ষলৈ ঃ** এই কালছোৱাৰ বৈদিক যুগ বোলা হয়। এই সময়খিনিতে অধিকাংশ বৈদিক সাহিত্য ৰচনা কৰা হৈছিল।
- **খৃষ্টপূর্ব ১০০০ বর্ষৰ পৰা ২০০ খৃষ্টাব্দলৈ ঃ** এই সময়ছোৱাক উপনিষদ, সূত্র আৰু মহাকাব্যৰ যুগ বোলা হয়।

- **২০০ খৃষ্টাব্দৰ পৰা ৫০০ খৃষ্টাব্দলৈ ঃ** এই সময়ছোৱাক ধর্মসূত্ৰৰ যুগ বোলা হয়।
- **৫০০ খৃষ্টাব্দৰ পৰা ১২০০ খৃষ্টাব্দলৈ ঃ** এই সময়ছোৱাত পুৰাণ আৰু নিবন্ধৰ যুগ বোলা হয়।

প্ৰাচীন ভাৰতীয় দর্শনৰ মতে তিনি প্ৰকাৰে শিক্ষা আহৰণ কৰা হয়। শিক্ষাই মানুহৰ জ্ঞানপ্ৰাপ্তি ঘটায়। মানুহে 'শ্ৰৱণ' কৰি অথবা শুনি শিকে, 'মনন' কৰি অথবা ধ্যানৰ যোগেদি শিকে আৰু 'নিদিধ্যাসন' অথবা বাৰে বাৰে স্মৰণৰ অভ্যাস কৰি শিকে। পোনতে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ পৱিত্ৰ জ্ঞান সঞ্চাৰিত কৰাৰ মাধ্যম হিচাপে শিকনক উৎসাহিত কৰা হৈছিল। পাণ্ডুলিপিৰ ৰূপত প্ৰাচীন জ্ঞানৰাশি সংৰক্ষিত নোহোৱালৈকে মৌখিক শিক্ষণ-শিকন প্ৰক্ৰিয়া চলি আছিল। বিদ্যালয়ৰ পাঠ্যক্ৰম বছৰৰ ঋতুবোৰৰ ভিত্তিত সজাই লোৱা হৈছিল। বৈদিক শিক্ষা আছিল মূলতঃ ধর্মীয় প্ৰকৃতিৰ। ইয়াৰ উপৰি শিক্ষা সদায় ৰাষ্ট্ৰ অথবা অন্য সকলো ধৰণৰ কর্তৃত্বশীল অভিকৰণৰ বাহ্যিক নিয়ন্ত্ৰণৰ পৰা মুক্ত আছিল।

জৱাহৰলাল নেহৰুৱে তেওঁৰ 'Discovery of India' শীর্ষক গ্ৰন্থত লিখিছে যে "চতুর্বেদৰ ভিতৰত প্ৰথম ঋকবেদখনেই সম্ভৱতঃ মানৱ জাতিৰ প্ৰথম গ্ৰন্থ।" 'ৱেদ' (অসমীয়াত বেদ) শব্দটি 'ৱিদ' শব্দৰ পৰা উৎপন্ন হৈছে। ইয়াৰ অর্থ হ'ল 'জনা' (to know)। অর্থাৎ, বেদসমূহ হ'ল জ্ঞানৰ উৎস। প্ৰাৰম্ভিক অৱস্থাত বেদবোৰৰ কোনো লিখিত ৰূপ নাছিল। গুৰু আৰু শিষ্যৰ মাজত ঘটা মৌখিক শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি বেদসমূহ সংৰক্ষিত হৈ আছিল। মহাকাব্য মহাভাৰতৰ যুগুতহে কৃষ্ণ-দ্বৈপায়ন ঋষিয়ে বেদসমূহ সংকলিত কৰিছিল। সেয়েহে তেওঁৰ আন এটা নাম হ'ল বেদ-ব্যাস (ৱেদ-ব্যাস)। তেওঁ বেদসমূহক চাৰিটা সংকলনত একত্ৰিত কৰিছিল—

- **ঋক্‌বেদ সংহিতা** — ঈশ্বৰস্তুতিৰ সংকলন
- **যজুর্বেদ সংহিতা** — বলি-বিধানৰ নীতি-নিয়মৰ সংকলন
- **সামবেদ** — গীতৰ সংকলন। অধিকাংশ গীতৰে মূল হ'ল ঋক্‌বেদ।
- **অর্থৱবেদ** — দৈনন্দিন জীৱন, যাদু-মন্ত্ৰ আৰু সামাজিক নীতি-নিয়ম পালনৰ ৰীতি-নীতি, প্ৰার্থনা, মন্ত্ৰ আদিৰ সংকলন।

পৰম্পৰাগতভাৱে ৬ টা প্ৰধান বিষয়ক পঢ়া, বুজা আৰু বেদৰ পৰা আহৰণ কৰা জ্ঞানৰ সঠিক প্ৰয়োগ কৰাৰ বাবে আৱশ্যকীয় বুলি ধৰি লোৱা হৈছিল। আটাইকেইটা বিষয়কে একেলগে 'বেদাংগ' (ৱেদাংগ) বোলা হৈছিল। বিষয়কেইটা আছিল— শিক্ষা (ধ্বনিবিজ্ঞান), ছন্দ, ব্যাকৰণ, নিৰুক্ত (শব্দব্যুৎপত্তিবিদ্যা অথবা শব্দৰ অর্থ ব্যাখ্যাকাৰী

বিদ্যা, জ্যোতিষ বিদ্যা আৰু কল্প (উৎসন-পার্বন অথবা ধর্মীয় কার্য সম্পাদনৰ অনুশীলন বিদ্যা)। ইয়াৰে প্রথম বিষয় দুটাক বেদ পঢ়াৰ বাবে প্রয়োজনীয় বুলি গণ্য কৰা হৈছিল। দ্বিতীয় বিষয় দুটাই বেদ বুজাত সহায় কৰিছিল। শেষৰ বিষয় দুটাই বেদজ্ঞানক বিভিন্ন বলি-আহুতি আদিৰ অনুশীলনৰ জৰিয়তে ব্যৱহাৰিক প্রয়োগ কৰাত সহায় কৰিছিল। এই মৌলিক বিষয়কেইটাৰ আধাৰতে আন আন পঢ়াৰ যোগ্য বুলি বিবেচিত বিষয়সমূহ পৰৱর্তী সময়ত বিকশিত কৰা হৈছিল বুলি ধৰা হয়। যেনে— আইন অধ্যয়নক কল্প বিদ্যাৰ ভিত্তিত বিকশাই তোলা হৈছিল। প্রাচীন কালৰ হিন্দু সমাজত শিক্ষাৰ মূল আৰু বিকাশৰ কেন্দ্রবিন্দু আছিল বলিদানৰ ধাৰণা। এই ধাৰণাই হ'ল বৈদিক ধর্মৰ ক্রমবিকাশৰ এক স্তম্ভস্বৰূপ।

বৈদিক শিক্ষা ব্যৱস্থাৰ সামাজিক জীৱনৰ সৈতে ঘনিষ্ঠ সম্বন্ধ আছিল। ইয়াৰ প্রধান উদ্দেশ্য আছিল ধ্যানৰ জৰিয়তে জ্ঞান আহৰণ কৰা। যিকোনো ভুল অথবা অনুচিত কামৰ বাবে প্রায়শ্চিত্তৰ ব্যৱস্থা আছিল। এই ব্যৱস্থাই শিক্ষার্থীৰ নৈতিকতা, আধ্যাত্মিকতা আৰু মুক্তিৰ মান উন্নতৰ কৰি তুলিব বুলি বিশ্বাস কৰা হৈছিল। পৰৱর্তী বৈদিক যুগত শিক্ষাত ধর্মৰ প্রভাৱ ক্রমে বৃদ্ধি পাইছিল। বলি-বিধান আৰু যজ্ঞ-আহুতিৰ দৰে কর্ম-কাণ্ডই অধিক গুৰুত্ব লাভ কৰিছিল। এনে অনুষ্ঠানসমূহ সঠিক আৰু সুনির্দিষ্ট নীতি-নিয়মেৰে সমাপন কৰাত জোৰ দিয়া হৈছিল। এনে পৰিৱর্তনবোৰে সমাজত পদানুক্রমিক ব্যৱস্থা একোটা গঢ়ি তুলিছিল। এসময়ত সমাজৰ এক নির্দিষ্ট শ্রেণীৰ সদস্যই সমগ্র শিক্ষা ব্যৱস্থাটোত একাধিপত্যৰ প্রদর্শন আৰম্ভ কৰিছিল। এনেকৈয়ে লাহে লাহে সমাজৰ নিম্ন শ্রেণী আৰু মহিলা সদস্যসকলৰ শিক্ষাৰ দিশটোক আওকাণ কৰা হৈছিল।

১২.৩.২ বৈদিক শিক্ষা ব্যৱস্থাৰ সংৰচনা

- **গুৰুকুল ঃ** প্রাচীন ভাৰতৰ বৈদিক শিক্ষা ব্যৱস্থাৰ এক অনন্য বৈশিষ্ট্য হ'ল ইয়াৰ অন্তর্ভুক্ত গুৰুকুল ব্যৱস্থা। শিক্ষার্থীসকলে শিক্ষকৰ বাসস্থান (আশ্রম) লৈ গৈ শিক্ষালাভ কৰিব লাগিছিল। গুৰুকুলসমূহ আছিল ছাত্রাৱাসৰ ব্যৱস্থা থকা বিদ্যালয়। সাধাৰণতে আৱাসিক আৰু ব্যৱসায়িক স্থানৰ কোৰ্হাল আৰু ভিৰৰ পৰা আঁতৰত গুৰুকুলসমূহ স্থাপন কৰা হৈছিল। এই সন্দর্ভত ৰবীন্দ্রনাথে কোৱা কথা এফাকি আওৰাব পাৰি। তেওঁ কৈছিল যে "ভাৰতত দৃষ্টিগোচৰ হোৱা এটা উৎকৃষ্ট বৈশিষ্ট্য হ'ল ইয়াৰ সকলোবোৰ সংস্কৃতিৰে ভেটি নগৰ-চহৰ নহয় অৰণ্যহে।" বৈদিক যুগত কম বয়সতে শিক্ষা আৰম্ভ কৰাটো আৱশ্যক বুলি গণ্য কৰা হৈছিল। তেতিয়াহে মানুহৰ বাহ্যিক-আভ্যন্তৰীণ-সর্বাংগীন বিকাশ সাধন হয় আৰু প্রতিভাৰ প্রকাশ ঘটে বুলি ধৰা হৈছিল। সাধাৰণতে শিশু ৫ বছৰীয়া হোৱাৰ লগে লগে 'উপনয়ন'

পাতি 'যজ্ঞোপৱীত' (লগুণ) পিন্ধোৱা হৈছিল। তাৰপাছত শিশুৱে ঘৰৰ আৰামদায়ক জীৱন এৰি শিক্ষালাভৰ বাবে গুৰুকুলত প্ৰৱেশ কৰিছিল। বৈদিক যুগত আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰাৰ সঠিক বয়স কি আছিল সেয়া আজি অনুমান কৰাৰ কোনো সুবিধা নাই যদিও কমবয়সতে শিক্ষাদান প্ৰক্ৰিয়া আৰম্ভ হৈছিল বুলি ধৰা হয়। এনে শিক্ষাই ব্যক্তিক সৰুতে নিজৰ যত্ন ল'ব পৰাকৈ সক্ষম কৰি তুলিছিল। গুৰুকুলত প্ৰৱেশ কৰাসকলক বিদ্যাৰ্থী (জ্ঞান অন্বেষণকাৰী), শিষ্য অথবা ছাত্ৰ বোলা হৈছিল।

প্ৰাচীন ভাৰতৰ গুৰু অথবা শিক্ষকসকল আছিল একো একোগৰাকী পৰম সন্মানীয় স্বনামধন্য পণ্ডিত। কোৱা হৈছিল যে গুৰুৰ প্ৰভাৱ অগ্নিসম আৰু শৌৰ্য বজ্ৰসম (ইন্দ্ৰ)। শিক্ষকসকলক লব্ধ প্ৰতিষ্ঠ জ্ঞানী আৰু উচ্চ খাপৰ আধ্যাত্মিক লোক বুলি বিবেচনা কৰা হৈছিল। শিক্ষকসকলে শিক্ষাৰ্থীক নিজৰ সন্তানৰ দৰে প্ৰতিপালন কৰিছিল।

- **গুৰুকুলত শিক্ষাৰ্থীৰ জীৱন ঃ** গুৰুকুলত শিক্ষাৰ্থীসকলে একোটা আদৰ্শ, সৰল আৰু কঠোৰ অনুশাসনেৰে বন্ধা জীৱন কটাবলগীয়া হৈছিল। 'মৎস্যপুৰাণ'ৰ মতে এজন বিদ্যাৰ্থী সদায়, নম্ৰ, ভদ্ৰ, শিষ্ট প্ৰকৃতিৰ হ'ব লাগে। তেওঁ নিজৰ ইন্দ্ৰিয় সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণাধীন কৰি ৰাখিব লাগে। কথা আৰু চিন্তাত ব্ৰহ্মচৰ্যৰ ৰীতি-নীতি কঠোৰভাৱে মানি চলাৰ প্ৰমাণ ফুটি উঠিব লাগে, মাটিত শুব লাগে, মিছা কথা ক'ব নালাগে, কাজিয়া-পেচালত লিপ্ত হ'ব নালাগে আৰু সোৱোপা তথা এলেহুৱা হ'ব নালাগে। বৈদিক যুগৰ গুৰুকুলৰ আৱাসী বিদ্যাৰ্থীসকলে ফেঁহুজালি দিওতেই শয্যা ত্যাগ কৰিছিল আৰু ৰাতি গুৰু টোপনি যোৱাৰ পাছতহে নিজে শুইছিল। সম্পূৰ্ণ উৎসৰ্গিত মনোভাৱেৰে গুৰুসেৱা কৰাটো বিদ্যাৰ্থীৰ কৰ্তব্য বুলি গণ্য কৰা হৈছিল। বিদ্যাৰ্থীসকলে গুৰুগৃহ অথবা গুৰুকুলৰ সকলো ঘৰুৱা কাম-কাজো কৰিবলগীয়া হৈছিল। গৰু চৰোৱা, গাখীৰ খিৰোৱা, গৰু-ম'হক দানা-পানী খুওৱা, পাকঘৰৰ বাবে খৰি-খেৰ সংগ্ৰহ কৰা আদি কাম গুৰুকুলত থকা বিদ্যাৰ্থীসকলৰ বাবে দৈনন্দিন কৰণীয় আছিল। প্ৰাতঃকৃত্য সম্পন্ন কৰি স্নান কৰি বিদ্যাৰ্থীসকলে প্ৰাৰ্থনাত বহিব লাগিছিল। বৈদিক যুগৰ শিক্ষাৰ্থীসকলে পুৱাৰ ভাগত যথেষ্ট সময় অগ্নি আহুতিৰ সৈতে জড়িত নানা ধৰণৰ বিধি-বিধান সম্পাদনৰ অনুশীলন কৰিছিল। তাৰপাছত নতুন পাঠ শিকিছিল আৰু পুৰণি পাঠ আওৰাইছিল। দুপৰীয়াৰ আহাৰৰ সময়ত তেওঁলোকক কিছুসময়ৰ বাবে জিৰণি দিয়া হৈছিল। আকৰ্ষণীয় কথা এটা হ'ল বৈদিক যুগৰ শিক্ষাৰ্থীসকলে ভিক্ষা মাগিবলৈ গৈছিল। অন্নভিক্ষাক বিদ্যাৰ্থী জীৱনৰ এক মহান অংশ বুলি গণ্য কৰা হৈছিল। ই বিদ্যাৰ্থীক নম্ৰ আৰু বিনয়ী কৰি তোলে বুলি ভবা হৈছিল। এই কাৰ্যৰ দ্বাৰা বিদ্যাৰ্থীক সমাজে কৰা সহায় আৰু প্ৰদৰ্শন কৰা সহানুভূতি উপলব্ধি কৰিবলৈ শিকোৱা হৈছিল।

বিদ্যার্থীসকলে গুৰুকুলতেই নিজ জাতিৰ ঐতিহ্যৰ বিষয়ে জনাৰ সুযোগ পাইছিল। গুৰুকুলৰ শিক্ষাই বিদ্যার্থীসকলক উপযুক্ত জীৱিকা অর্জনৰ সুযোগ দিব পৰা বৃত্তি এটা গ্ৰহণ কৰিব পৰাকৈ সমর্থ কৰি তুলিছিল। গুৰুকুলৰ পৰিৱেশে ধনী-দুখীয়া বিদ্যার্থীৰ মাজত থকা বৈষম্য আঁতৰ কৰিব বুলি ভবা হৈছিল। ইয়াৰ উপৰি গুৰুকুলৰ বিদ্যার্থীসকলৰ ভিক্ষা মগা কার্যই সমাজকো নিজৰ দায়িত্ব আৰু কর্তব্যৰ কথা সোঁৱৰাই দিছিল। সমাজে ইয়াৰ উঠি অহা প্ৰজন্মৰ শিক্ষাৰ দিশটোলৈ নজৰ ৰাখিছিল আৰু তেওঁলোকৰ যত্ন লৈছিল। কোনোবা ঘৰে যদি বিদ্যার্থীক ভিক্ষা দিবলৈ অমান্তি হৈছিল তেওঁলোকৰ বিৰুদ্ধে গুৰুতৰ ধর্মীয় আৰু আধ্যাত্মিক নিষেধাজ্ঞা নিষেধাজ্ঞা বলবৎ কৰা হৈছিল। বিদ্যার্থীসকলে ভিক্ষা কৰি পোৱা অন্নহে ৰান্ধি খাব পাৰিছিল। দৈনিক ভিক্ষা কৰি পোৱা অন্ন এদিনৰ বাবে জীৱন বর্তাই ৰাখিবলৈ পর্যাপ্ত বুলি ভবা হৈছিল। যদি কোনো বিদ্যার্থীয়ে অন্নৰ লগতে বস্ত্ৰ, অলংকাৰ, নগদ ধন আদি ভিক্ষাৰূপে লাভ কৰিছিল, তেন্তে অন্নৰ বাহিৰে আন সকলো সামগ্ৰী গুৰুক দক্ষিণা হিচাপে আগবঢ়াব লাগিছিল। এবাৰ শিক্ষা সাং কৰা কোনো বিদ্যার্থীয়ে পুনৰায় ভিক্ষা কৰিব নোৱাৰিছিল। ধনী বিদ্যার্থীৰ বাবে ভিক্ষা এক আনুষ্ঠানিকতা আৰু দুখীয়া বিদ্যার্থীৰ বাবে একমাত্ৰ বিকল্প আছিল। গুৰুকুলৰ শিক্ষাত কোনো ধৰণৰ আনুষ্ঠানিক পৰীক্ষা পতা নহৈছিল আৰু এনে শিক্ষা সমাপ্ত কৰাৰ কোনো নির্দ্ধাৰিত বয়স সীমা নাছিল। গুৰুৱে প্ৰতিগৰাকী বিদ্যার্থীৰ সামগ্ৰিক মূল্যায়ন কৰি শিক্ষা সমাপ্তিৰ সিদ্ধান্ত লৈছিল। সাধাৰণতে মধ্যমীয়া বুদ্ধিৰ বিদ্যার্থী এজনক শিক্ষা সমাপ্ত কৰিবলৈ প্ৰায় ১২ বছৰৰ প্ৰয়োজন হৈছিল। বিদ্যা সমাপ্ত কৰাসকলৰ বাবে 'সমাৱর্তন' নামৰ এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। বিদ্যার্থীসকলে অনুষ্ঠানত এক পৱিত্ৰ স্নানত ভাগ লৈছিল আৰু তাৰপাছতেই তেওঁলোকক শিক্ষাত উত্তীর্ণ হোৱা বুলি ধৰা হৈছিল।

- **বৈদিক পাঠ্যক্ৰম ঃ** বৈদিক পাঠ্যক্ৰমক ৮টা বিভিন্ন ৰূপত বিভক্ত কৰি লোৱা হৈছিল। ৰূপকেইটা হ'ল চাৰি বেদৰ অধ্যয়ন, ছয় বেদাংগৰ অধ্যয়ন, চাৰি উপ-বেদৰ অধ্যয়ন, চাৰি ব্ৰাহ্মণ শাস্ত্ৰৰ অধ্যয়ন, ১৮০ খন উপনিষদৰ অধ্যয়ন, দর্শনৰ ছটা প্ৰণালীৰ অধ্যয়ন, ভাগৱৎ গীতাৰ অধ্যয়ন আৰু তিনিখন স্মৃতিৰ অধ্যয়ন। ইয়াৰ ওপৰঞ্চিলৈ বিদ্যার্থীসকলে ইতিহাস, ব্যাকৰণ, ধ্বনিবিজ্ঞান (Phonetics), টীকাভাষ্য (exegetics), মাপন বিদ্যা (metrics), তর্কবিদ্যা, যুক্তি প্ৰয়োগৰ কৌশল, নাট্যকলা. দণ্ডবিধি (penal code), ৱার্ট্রা (অর্থনীতি), দণ্ডনীতি (শাসন শাস্ত্ৰ), ৱাজনীতি, জ্যোতিষ বিদ্যা, গণিত, জীৱবিজ্ঞান, চিকিৎসা শাস্ত্ৰ আদিও অধ্যয়ন কৰিবলগীয়া হৈছিল। ক্ষত্ৰিয় জাতিৰ বিদ্যার্থীসকলৰ বাবে সামৰিক শিক্ষাৰো ব্যৱস্থা আছিল। সকলো শিক্ষা সংস্কৃত ভাষাত দিয়া হৈছিল। এইবোৰৰ লগতে বাৎসায়ণ

মুনিয়ে কোৱা ৬৪ বিধ কলাও বিদ্যার্থীসকলে আয়ত্ব কৰিছিল। এনে কলাৰ ভিতৰত গৃহৰ আভ্যন্তৰীণ সজ্জা (interior decoration), স্থাপত্য কলা (architecture), প্রসাধন (cosmetics), ৰন্ধন কলা (cooking), ক্রীড়া আৰু বিভিন্ন হস্তকলাৰ জ্ঞান আদি অন্তর্ভুক্ত আছিল।

১২.৩.৩ বৈদিক শিক্ষা ব্যৱস্থাত নাৰী আৰু প্রান্ত্য সম্প্রদায়বোৰৰ বাবে শিক্ষা

বৈদিক যুগৰ এটা মনত ৰাখিবলগীয়া বৈশিষ্ট্য হ'ল এয়াই যে বৈদিক বলি-বিধান প্রণালীসমূহত ভাগ লোৱা সকলোৰে বাবে বৈদিক শিক্ষা গ্রহণৰ দুৱাৰ মুকলি আছিল। কেৱল বৈদিক ধর্মত দীক্ষিত হোৱাৰ আগতে আটায়ে উপনয়ন ধাৰণ অনুষ্ঠানৰ মাজেদি পাৰ হোৱাতো বাধ্যতামূলক আছিল। ঋক্‌বেদত থকা বহুতো স্তুতিগীতৰ ৰচয়িতা নাৰী বুলি অনুমান কৰা হয়। অর্থাৎ, এয়া স্পষ্ট যে নাৰীৰ বাবেও বৈদিক শিক্ষা মুকলি আছিল। বৈদিক যুগত বিদূষী আখ্যা পোৱা কেইবাগৰাকী নাৰীৰ নাম আজিও চর্চাৰ বিষয়। ঋক্‌বেদৰ বিভিন্ন স্তুতিগীতৰ ৰচয়িতা হিচাপে ২০ গৰাকীতকৈও অধিক বিদূষী মহিলাৰ নাম পোৱা যায়। তেওঁলোকৰ ভিতৰত সবাতোকৈ চর্চিত বিদূষী দুগৰাকীমান হ'ল লোপামুদ্রা, গার্গী, আত্রেয়ী আৰু পৌলামী। অৱশ্যে বৈদিক যুগৰ নাৰী ঋষি (জ্ঞানী ব্যক্তি) সন্দর্ভত পৰৱর্তী সময়ত বিভিন্ন পণ্ডিতে ভিন্নমত পোষণ কৰিছে। তথাপিও এই বিষয়ত কাৰো দ্বিমত নাই যে বৈদিক যুগত মহিলা লেখক ভাষ্যকাৰৰ অস্তিত্ব আছিল। কিন্তু ঋক্‌বেদৰ স্তুতিগীতসমূহৰ ৰচনাত নাৰী ৰচয়িতাৰ হাত আছেনে নাই সেই বিষয়ত সহমতত উপনীত হোৱাৰ আগতে এই সম্পর্কীয় পুংখানুপুংখ গৱেষণাৰ এতিয়াও প্রয়োজন আছে বুলি ভবা হয়। পৰৱর্তী সময়ত পৰম্পৰাগত শিক্ষা ব্যৱস্থাত নাৰীৰ অংশগ্রহণ নিষেধ কৰা হৈছিল।

পৰৱর্তী সময়ত বৈদিক শিক্ষা ব্যৱস্থাত জাতিভিত্তিক বৈষম্যই গা কৰি উঠিছিল। প্রাৰম্ভিক সময়ছোৱাত বৈদিক শিক্ষা আছিল সার্বজনীন আৰু কোনো বৈষম্য নৰখাকৈ সকলোৰে বাবে মুকলি হৈ থকা এক ব্যৱস্থা। বৈদিকোত্তৰ যুগত লাহে লাহে শিক্ষা ব্যৱস্থাটো এক বিশেষ জাতিৰ বাবে সীমাৱদ্ধ হৈ পৰিল। বৈদিক যুগত জাতি-সম্প্রদায় ব্যৱস্থাৰ আধাৰ আছিল ব্যক্তিৰ সামর্থ আৰু বৃত্তি। ইয়াৰ আধাৰতে বৈদিক সমাজ ব্যৱস্থাত ব্রাহ্মণ (শিক্ষক/ধর্মীয় ৰীতি-নীতি অনুশীলনকাৰী), ক্ষত্রিয় (প্রশাসক, যোদ্ধা), বৈশ্য (ব্যৱসায়ী) আৰু শূদ্র (সেৱক) বর্ণৰ উৎপত্তি হৈছিল। বৈদিকোত্তৰ যুগত জাতি-সম্প্রদায়ক জন্মৰ সৈতে সাঙোৰা হ'ল। ইয়াৰ লগে লগে জাতি-সম্প্রদায়ৰ প্রভাৰ আৰু দমন নীতিয়ে গা কৰি উঠিল। ব্রাহ্মণসকলে শিক্ষা খণ্ডত নিজৰ আধিপত্য বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে। বৈশ্য আৰু শূদ্র জাতিক সামাজিক স্থিতিৰ দিশেৰে নিম্নস্তৰত স্থান দিয়া

হ'ল। লাহে লাহে শূদ্রসকলৰ সামাজিক স্থিতিৰ অধিক অৱনতি ঘটিল।

ওপৰৰ আলোচনাৰ ভিত্তিত ক'ব পাৰি যে বৈদিকোত্তৰ যুগত শূদ্র আৰু দলিত সম্প্রদায়ৰ লোকৰ বাবে শিক্ষা গ্রহণৰ সুযোগ-সুবিধা নাইকিয়া হৈ পৰিল। এই সময়ছোৱাত কোনো বৰ্ণৰ অন্তর্গত নোহোৱা প্রান্ত্য সম্প্রদায়সমূহৰ বিষয়ে ক'তো কোনো কথাৰ উল্লেখ পাবলৈ নাই। সেই সময়ছোৱাক পৰাই ভাৰত বিভিন্ন জনজাতি সম্প্রদায়ৰো বাসভূমি আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বৈদিক শিক্ষা গ্রহণ আৰম্ভ কৰাৰ বয়স কিমান আছিল ?

.....

প্রশ্ন ২ ঃ বেদ সংকলন কৰাৰ কৃতিত্ব কাক দিয়া হয়।

.....

প্রশ্ন ৩ ঃ গুৰুকুলত শিক্ষা গ্রহণ কৰাৰ সাধাৰণ সময়সীমা কিমান বছৰ আছিল বুলি ধৰা হয় ?

.....

১২.৪ বৌদ্ধ পৰম্পৰাত শিক্ষা

হিন্দু ধর্মক ছানি ধৰা জাতিভেদ প্রথা আৰু মাত্রাধিক ৰীতি-নীতি পালনৰ প্রতিবাদ স্বৰূপে বৌদ্ধধর্মৰ জনপ্রিয়তা বৃদ্ধি পাইছিল। বৌদ্ধ ধর্মৰ প্রৱর্তক আছিল গৌতম বুদ্ধ। তেওঁ হিন্দু পৰিয়ালতে জন্মগ্রহণ কৰিছিল, হিনন্দুৰূপেই জীৱন যাপন কৰিছিল আৰু হিন্দু হৈয়েই মহাপ্রয়াণ কৰিছিল। সেয়েহে প্রাচীন হিন্দু আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাৰ মাজত ভালেখিনি মিল থকাতো অস্বাভাৱিক কথা নহয়। সবাতোকৈ স্পষ্ট পার্থক্যটো হ'ল বৌদ্ধধর্মই বর্ণবাদ অথবা জাতিৰ ভিত্তিত কৰা শ্রেণীবিবাজনক অগ্রাহ্য কৰিছিল। কিন্তু ব্রাহ্মণ্যবাদী শিক্ষাৰ ক্ষেত্রত জাতিয়ে প্রধান ভূমিকা লৈছিল। বৌদ্ধবিহাৰ অথবা বৌদ্ধসংঘসমূহ গুৰুকুলৰ সমতুল্য অনুষ্ঠান আছিল। পিতৃ-মাতৃৰ সন্মতিসহ শিক্ষার্থীক শিক্ষার্থীক বৌদ্ধ বিহাৰাত ৰখা হৈছিল। বিহাৰত আৱাসী হোৱা শিক্ষার্থীসকলে গুৰুকুলত থকা 'উপনয়ন' ধাৰণ অনুষ্ঠানৰ দৰে একে 'পব্বাজা' নামৰ অনুষ্ঠান এটা পালন কৰিছিল। শিক্ষাৰম্ভ কৰাৰ আনুষ্ঠানিক বয়স আছিল ৮ বছৰ। শিক্ষার্থীসকলক 'অন্তেৱাসিন' বুলি কোৱা হৈছিল। ইয়াৰ অর্থ হ'ল 'শিক্ষালাভৰ বাবে ঘৰৰ বাহিৰত থকা লোক'। শিক্ষার্থী ২০ বছৰীয়া হোৱাৰ পাছত 'উপসম্পদ' নামৰ আন এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। ইয়াৰ পাছত তেওঁলোকক বৌদ্ধসংঘৰ স্থায়ী সদস্য হিচাপে স্বীকৃতি দিয়া হৈছিল। 'উপসম্পদ' (উপসম্পদা) আৰু 'সমাৱর্তন'

অনুষ্ঠানৰ মাজত কিছু পার্থক্য আছে। সমাৱর্তন শেষ হোৱাৰ পাছত বিদ্যার্থীয়ে মন কৰিলে অবিবাহিত হৈ ৰোৱাৰ প্রতিজ্ঞা ভাঙি পৰিয়ালকেন্দ্রিক জীৱন গ্রহণ কৰিব পাৰিছিল। কিন্তু 'উপসম্পদ' অনুষ্ঠানৰ পাছত এগৰাকী বিদ্যার্থী চিৰদিনৰ বাবে এজন বৌদ্ধভিক্ষুত পৰিণত হৈছিল। তেওঁ চিৰকুমাৰ হৈ ৰৈ গৈছিল আৰু পৰিয়ালসৃষ্ট জীৱনৰ সকলো ক্রিয়া-কর্মৰ পৰা আঁতৰ হৈছিল। গুৰুকুল আৰু বৌদ্ধবিহাৰ উভয়তে শিক্ষক-ছাত্রৰ জীৱন একে আছিল। তথাপিও দুয়োটা অনুষ্ঠানৰ মাজত এক বিশেষ পার্থক্য আছিল। গুৰুকুলসমূহ আছিল মাত্র এগৰাকী গুৰুৰ পৰিচালনাত চলা অনুষ্ঠান। আনহাতে, বিহাৰবোৰ আছিল শিক্ষার্থী, পণ্ডিত আৰু শিক্ষকৰ এক বিশাল সদন। নালান্দাৰ দৰে বিশ্ববিদ্যালয়সমূহে সেই সময়ৰ জ্ঞাত পৃথিৱীখনৰ সকলো অঞ্চলৰ হাজাৰ হাজৰ শিক্ষার্থী-পণ্ডিতক আকর্ষিত কৰিছিল। বৌদ্ধ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম গুৰুকুলৰ পাঠ্যক্রমৰ দৰেই মূলতঃ ধর্মীয় প্রকৃতিৰ আছিল। বৌদ্ধ শিক্ষাৰ প্রধান লক্ষ্য আছিল বৌদ্ধধর্মৰ শিকনিসমূহ প্রচাৰিত তথা প্রসাৰিত কৰা। ইয়াৰ বাবে বৌদ্ধ বিহাৰসমূহত ভিক্ষা আৰু ভিক্ষুণীসকল প্রস্তুত কৰি তোলা হৈছিল। শিক্ষাৰ ভাষিক মাধ্যম আছিল সংস্কৃত আৰু সর্বসাধাৰণে ব্যৱহাৰ কৰা স্থানীয় ভাষা পালি। এইখিনিতে এটা কথা মনত ৰখাতো ভাল হ'ব যে প্রাচীন হিন্দু আৰু বৌদ্ধ শিক্ষা ব্যৱস্থা ইটো সিটোৰ পৰিপন্থী নহয় অনুপূৰকহে আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষাকেন্দ্রটোক কি নামেৰে জনা যায়?

.....

প্রশ্ন ৫ ঃ 'উপসম্পদ' কি?

.....

.....

প্রশ্ন ৬ ঃ ভাৰতত থকা বৌদ্ধ পৰম্পৰাৰ উচ্চশিক্ষাৰ বিখ্যাত অনুষ্ঠান এটাৰ নাম লিখক।

.....

১২.৫ শিক্ষাৰ ইছলামীয় ধাৰণা

মুছলিম শিক্ষা ব্যৱস্থাৰ উৎপত্তি বিন্দু হ'ল হজৰত মহম্মদে প্রতিষ্ঠা কৰা 'চুফ্ফা নৱী' নামৰ মঞ্চখন। হজৰত মহম্মদে নিজে এই মঞ্চৰ পৰা শিক্ষা দিছিল আৰু অনুগামীসকলক লিখা-পঢ়া শিকাবলৈ অন্য শিক্ষকক নিযুক্তি দিছিল। হজৰত মহম্মদে দিয়া শিক্ষা আছিল সেই সময়ৰ সাধাৰণ শিক্ষাতকৈ সম্পূর্ণ পৃথক। তেওঁ ব্যক্তিত্বৰ সর্বাংগীন বিকাশ সাধন কৰিবলৈ শিক্ষা দিছিল।

'চুফ্‌ফা নৰী' এটা আৱাসিক শিক্ষানুষ্ঠান আছিল। ইয়াত দিনে-ৰাতি শিক্ষণ-শিকন প্ৰক্ৰিয়া অবিৰতভাৱে চলিছিল। পৱিত্ৰ কো�ৰান-হডিথ্‌-মহম্মদৰ বাণী আদি আছিল শিক্ষাদান আৰু অধ্যয়নৰ বিষয়। ইয়াৰ শিক্ষাই মহম্মদৰ অনুগামীসকলক সকলো ধৰণৰ ধর্মীয় আৰু দৈনন্দিন জীৱনৰ সাধাৰণ কাম-কাজ চলাই নিবলৈ প্ৰয়োজনীয় দিক্‌ নির্দেশনা দিছিল। 'চুফ্‌ফা নৰী'ত সহপাঠীৰূপে থকা আৱাসীসকলৰ মাজৰ যিসকলে শিক্ষকতা বৃত্তি গ্ৰহণ কৰিছিল তেওঁলোকক সমগ্ৰ বিশ্বত ইছলামৰ শিকনিসমূহ প্ৰচাৰ কৰাৰ দায়িত্ব দিয়া হৈছিল। ইছলামীয়া শিক্ষাৰ প্ৰসাৰ ঘটোৱা কেগিৰাকীমান প্ৰসিদ্ধ শিক্ষক হ'ল হজৰত আবু হুৰাইৰা, হজৰত জাইদ বিন চাবিট আৰু আব্দুল্লা বিন ডুবেষ্ট্ৰা। হজৰত মহম্মদে মক্কাৰ পৰা গৈ মদিনাত থাকিবলৈ লোৱাৰ পাছত মদিনাৰ নাৱভি মছজিদ মুছলিম শিক্ষাৰ প্ৰথম পীঠ হৈ পৰিছিল।

সময় বাগৰাৰ লগে লগে মছজিদ আৰু ধর্মীয় আলাপ-আলোচনাৰ কেন্দ্ৰসমূহ ইছলামীয় শিক্ষাৰ আনুষ্ঠানিক কেন্দ্ৰত পৰিণত হৈছিল। ইছলাম ধর্মৰ অনুগামীসকলৰ বাবে কোৰান সদায়েই নীতিশিক্ষা, মানবীয় গুণ, আধ্যাত্মিক-ধর্মীয় সত্য আদি সকলোৰে পৰম উৎস। কোৰানত সন্নিৱিষ্ট একাধিক পদত শিক্ষাৰ গুৰুত্ব উল্লেখ কৰা হৈছে।

ওপৰৰ আলোচনাৰ পৰা ইছলাম ধর্মই শিক্ষাক প্ৰদান কৰা গুৰুত্বৰ এক আভাস পোৱা গ'ল। ইছলাম ধর্মৰ মতে শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ল ব্যক্তিক ধর্মনিষ্ঠা আৰু বিশ্বাসৰ অধিকাৰী কৰি তোলা। তেতিয়াহে মানুহ ঈশ্বৰৰ কাষ চাপিব পাৰিব। শিক্ষাই 'সৎ আৰু শুদ্ধ পথত চলা মানুহ' গঢ়ি তুলিব পাৰে।

১২.৫.১ ভাৰতত মুছলিম শিক্ষাৰ ইতিহাস

পৃথ্বিৰাজ চৌহানক পৰাস্ত কৰি চুলতান শ্বহদ-উদ্‌-দিন্‌-ঘোৰে, যাক মহম্মদ ঘোৰী নামেৰেও জনা যায়, ভাৰতত মুছলিম শাসনৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। পোন প্ৰথমবাৰৰ বাবে তেওঁ আজমেৰত মুছলিম শিক্ষা প্ৰসাৰৰ বাবে কেইবাখনো বিদ্যালয় আৰু মাদ্ৰাছা খুলিছিল। তাৰপাছত কুতুব-উদ্‌-দিন্‌ আইবাকে (১২১০ খৃষ্টাব্দ-১২১০ খৃষ্টাব্দ) আজমেৰতেই আন কেইবাটাও মছজিদ আৰু কেইবাখনো মাদ্ৰাছা স্থাপন কৰিছিল। খিল্‌জী ৰাজবংশৰ প্ৰতিষ্ঠাপক জলাল-উদ্‌-দিন্‌ খিলজী (১২৯০-১২৯৬ খৃষ্টাব্দ) আছিল এগৰাকী শিক্ষানুৰাগী শাসক। তেওঁ সেই সময়ৰ স্বনামধন্য পণ্ডিতসকলক যথেষ্ট সন্মান যাঁচিছিল আৰু তেওঁলোকৰ কর্মৰাজিৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ দিল্লীৰ কিলোকৰী (Kiokari) নামৰ এলেকাটোত এটা পুথিভঁৰাল স্থাপন কৰি প্ৰসিদ্ধ কবি-শিল্প আমীৰ খুশ্ৰুক ইয়াৰ মুৰব্বী পাতিছিল। ঘয়াচ্‌-উদ্‌-দিন্‌ (গিয়াচুদ্দিন) তুঘলক্‌ (১৩২০-১৩৮৯ খৃষ্টাব্দ) আছিল আন এগৰাকী শিক্ষানুৰাগী শাসক। তেৱোঁ জ্ঞানী সমাজৰ কর্মৰাজিৰ পৃষ্ঠপোষকতা কৰিছিল, বিভিন্ন স্থানত মাদ্ৰাছা স্থাপন কৰিছিল আৰু পণ্ডিতসকলক নানা ধৰণৰ জলপানি আগবঢ়াইছিল। তেওঁৰ উত্তৰাধিকাৰী মহম্মদ বিন তুঘলক্‌ (১৩২৫-

১৩৫১ খৃষ্টাব্দ) আছিল এগৰাকী সুলেখক আৰু পণ্ডিত। বিন তুঘলক্ৰ ৰাজসভা জ্ঞানী পণ্ডিতেৰে ভৰা আছিল। তেওঁ বিভিন্ন স্থানত মোক্তাব আৰু মাদ্ৰাছা পাতিছিল। পণ্ডিতসকলে তেওঁৰ পৰা সাহিত্য কৰ্ম সৃষ্টিৰ বাবে অফুৰন্ত অনুপ্ৰেৰণা লাভ কৰিছিল। তেওঁৰ শাসনকালৰ এগৰাকী মহান সাহিত্যিক হ'ল মৌলানা মইনুদ্দিন। লোডী ৰাজবংশৰ চুলতানসকলো শিক্ষাৰ পৃষ্ঠপোষক আছিল। তেওঁলোকও যথেষ্ট সংখ্যক মাদ্ৰাছা স্থাপন কৰিছিল আৰু সাহিত্যিকক সাহিত্য ৰচনা কৰাৰ বাবে উৎসাহিত কৰিছিল। শাসক চিকন্দৰ লোডী আছিল এগৰাকী সু-লেখক, কবি আৰু শিল্পকলাৰ অনুৰাগী। তেওঁ ৯০০০ টা কবিতাৰ 'দিৱান' নামৰ সংকলনখন প্ৰস্তুত কৰিছিল।

মোগল শাসকসকল আছিল শিক্ষা, কলা আৰু সাহিত্যৰ মহান পৃষ্ঠপোষক। ১৫২৬-১৫৩০ খৃষ্টাব্দলৈ ৰাজপাটত থকা জহীৰ-উদ্‌চদিন্‌ মোহম্মদ বাবৰে ভাৰতত মোগল ৰাজবংশৰ শাসনৰ পাতনি মেলিছিল। বাবৰ নিজে তুৰ্কী আৰু পাৰস্য সাহিত্যৰ এগৰাকী পণ্ডিত আছিল। তেওঁ নিজৰ লোক নিৰ্মাণ বিভাগক অন্য কৰ্তব্যৰ লগতে নতুন মোক্তব আৰু মাদ্ৰাছা নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰিছিল। সাহিত্য কৰ্ম সৃষ্টিৰ বাবে তেওঁ 'শ্বোহৰত-এ-আম' নামৰ এটা বিশেষ বিভাগ গঠন কৰিছিল। বাবৰে 'ত্বজুক-এ-বাবৰ' নামৰ আত্মজীৱনীখনো ৰচনা কৰিছিল। তেওঁৰ উত্তৰাধিকাৰী হুমায়ুন (১৫৩০-১৫৫৫ খৃষ্টাব্দ) কো এগৰাকী শিক্ষানুৰাগী শাসক হিচাপে জনা যায়। হুমায়ুনে নিজৰ শাসনকালত সাম্ৰাজ্যৰ বিভিন্ন অঞ্চলত যথেষ্ট সংখ্যক মোক্তাব, মাদ্ৰাছা আৰু পুথিভঁৰাল নিৰ্মাণ কৰিছিল। শ্বেৰশ্বাহ চুৰীক পৰাস্ত কৰি হুমায়ুনে তেওঁ নিৰ্মাণ কৰা 'শ্বৰমণ্ডল' নামৰ ভৱনটিক এক বিশাল পুথিভঁৰালৰ ৰূপ দিছিল।

মোগল সম্ৰাট আকবৰ (১৫৫৬-১৬০৫ খৃষ্টাব্দ) নিজে নিৰক্ষৰ আছিল। কিন্তু তেওঁ সদায় গুণী-জ্ঞানী লোকক যথাযোগ্য সন্মান যাঁচিছিল। তেওঁৰ শাসনকালছোৱাক নতুন সাহিত্যৰ পৃষ্ঠপোষকতাৰ সোণালী যুগ বুলি অভিহিত কৰা হয়। আকবৰৰ ৰাজত্বকালত আগ্ৰা শিক্ষা-সাহিত্যৰ কেন্দ্ৰ হৈ পৰিছিল। বিদেশৰ পণ্ডিত সমাজ নিয়মীয়াকৈ আগ্ৰালৈ আহিছিল। আকবৰ আছিল এগৰাকী ধৰ্মনিৰপেক্ষ আৰু উদাৰ শাসক। তেওঁৰ ৰাজসভাত প্ৰসিদ্ধ 'নৱৰত্ন' ই শোভাৱৰ্দ্ধন কৰিছিল। এই 'নৱৰত্ন' আছিল আকবৰৰ সমসাময়িক নগৰাকী প্ৰখ্যাত হিন্দু আৰু মুছলমান পণ্ডিতৰ মণ্ডলী। পৰৱৰ্তী মোগল সম্ৰাট জাহাংগীৰকো (১৬০৫-১৬২৭ খৃষ্টাব্দ) পণ্ডিত আৰু সাহিত্য-কলাৰ অনুৰাগী শাসক বুলি জনা যায়। তেওঁৰ আত্মজীৱনীখনৰ নাম হ'ল 'জাহাংগীৰনামা'। তেওঁৰ পৃষ্ঠপোষকতাতে কবি সুৰদাস, তুলসীদাস আৰু কেশৱদাসে প্ৰসিদ্ধি লাভ কৰিছিল। সকলো মোগল সম্ৰাটৰ ভিতৰত সম্ৰাট শ্বাহজাহান (১৬২৭-১৬৫৩ খৃষ্টাব্দ) আছিল শিল্প কলাৰ গভীৰ অনুৰাগী। শিক্ষাতকৈ তেওঁ স্থাপত্যকন আৰু শিল্পকলাৰ পৃষ্ঠপোষকতাত মনোনিৱেশ কৰিছিল। বিশ্ববিখ্যাত 'তাজমহল' তেওঁৰ কলানুৰাগৰ সৰ্বোৎকৃষ্ট নিদৰ্শন।

সম্ৰাট ঔৰংজেৰ (১৬৫৭-১৭০৭ খৃষ্টাব্দ)ক তেওঁৰ ধর্মানুতা আৰু নিষ্ঠুৰতাৰ বাবে জনা যায়। তেওঁৰ শাসনকালতেই শিক্ষা খণ্ডত প্ৰচলিত উদাৰবাদী নীতিবোৰৰ ওৰ পৰে। তেওঁ অৱশ্যে মুছলিম শিক্ষানুষ্ঠানসমূহৰ পৃষ্ঠপোষকতা অব্যাহত ৰাখিছিল। তেওঁৰ শাসনকালতেই 'ফিৰংগী মহল' আৰু মাদ্ৰাছা অনুষ্ঠান দুটাৰ শ্ৰীবৃদ্ধি ঘটিছিল।

ঔৰংজেৱৰ পাছত ৰাজপটত বহা মুছলমান শাসকসকলৰ প্ৰসাৰ আৰু অগ্ৰগতিলৈ বিশেষ মনোযোগ তথা অৱদান নাছিল। মোগল ৰাজবংশৰ অন্তিমগৰাকী ৰজা বাহাদুৰ শ্বাহে মাত্ৰ দুখন মাদ্ৰাছা স্থাপন কৰিছিল। বাহাদুৰ শ্বাহৰ ৰাজসভাত থকা এগৰাকী সন্মানীয় তথা প্ৰসিদ্ধ পণ্ডিত হ'ল গাজী-উদ্-দিন্ তেঁ বর্তমানৰ দিল্লীৰ আজমেৰী গে'ট নামেৰে জনাজাত প্ৰৱেশ দ্বাৰখনৰ বাহিৰত 'দাৰুল-লুম' নামৰ মাদ্ৰাছা এখন স্থাপন কৰিছিল। বর্তমান এই মাদ্ৰাছাখন দিল্লী ক'লেজ নামেৰে পৰিচিত।

১২.৫.২ ভাৰতত মুছলিম শিক্ষাৰ লক্ষ্য

আন সকলো স্থানৰ দৰে ভাৰততো মুছলিম শিক্ষাৰ প্ৰচাৰ তথা প্ৰসাৰৰ মূল লক্ষ্য-উদ্দেশ্য আছিল ইছলামীয় নীতিবোৰৰ জ্ঞান বিয়পোৱা আৰু মানুহক এইবোৰৰ শিক্ষা দিয়া। নীতিবোৰৰ লগতে ইছলামীয় আইন-কানুন আৰু বিভিন্ন সামাজিক সন্মিলনৰ বিষয়েও প্ৰচাৰ কৰা হৈছিল। আৰম্ভণিতে কন্যা সন্তানৰ শিক্ষাৰ প্ৰতিও সমান গুৰুত্ব আৰোপ কৰা হৈছিল। মানুহৰ চকিত্ৰ গঠন কৰাৰ বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। ধর্মীয় প্ৰমূল্য আৰু বৈষয়িক উন্নতিৰ মাজত উপযুক্ত সমন্বয় সাধন কৰাতো কৰাতো জোৰ দিয়া হৈছিল। বিভিন্ন বিষয়ৰ লিখিত খতিয়ানসমূহ সংৰক্ষণতো মুছলিম শিক্ষাই জোৰ দিছিল। এই গুৰুত্বৰ বাবেই মুছলিমসকলৰ শাসনকালত সাহিত্য আৰু ইতিহাস বিষয়ক ৰচনাৱলী বিকাশ সাধনকাৰী পৃষ্ঠপোষকতাই প্ৰাধান্য পাইছিল।

১২.৫.৩ ভাৰতত মুছলিম শিক্ষাৰ সংগঠন

মোক্তাব, মাদ্ৰাছা আৰু ব্যক্তিগতভাৱে দিয়া গৃহশিক্ষাৰ দৰে মাধ্যমৰ জৰিয়তে ইছলামীয় শিক্ষাই ত্ৰিমুখী ধাৰাৰে আগবাঢ়ি গৈছিল। শিক্ষা ব্যৱস্থাটোত তিনিটা প্ৰধান স্তৰ আছিল— প্ৰাথমিক শিক্ষা (প্ৰাথমিক বিদ্যালয়ৰ জৰিয়তে), মাধ্যমিক শিক্ষা (ব্যাকৰণ বিদ্যালয়ৰ জৰিয়তে) আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক শিক্ষা স্তৰ। উচ্চতৰ শিক্ষাৰ দিশটোৱে স্নাতক আৰু স্নাতকোত্তৰ শাখাত অধ্যয়নৰত সকলোকো সামৰি লৈছিল। এইবোৰ আছিল সামূহিক অনুষ্ঠান। সমাজৰ নামজ্বলা ব্যক্তি, ৰাজসভাৰ সদস্য, ব্যৱসায়ী, উলেমা (শিক্ষিত অভিজাত লোক) আদিয়ে এই শিক্ষানুষ্ঠানসমূহক পুঁজিৰ যোগান

ধৰিছিল। তেওঁলোকেই এনে শিক্ষানুষ্ঠানসমূহ পৰিচালনা কৰাৰ ৰীতি-নীতি নির্ধাৰণ কৰি দিছিল। এই শিক্ষানুষ্ঠানসমূহ কোনো ধৰণৰ চৰকাৰী হস্তক্ষেপ নথকাকৈ ৰাইজৰ দ্বাৰা পৰিচালিত হৈছে। সাধাৰণতে একো একোটা মছজিদৰ সৈতে এই শিক্ষানুষ্ঠানসমূহৰ সম্বন্ধ আছিল। শিক্ষানুষ্ঠানসমূহ সকলোৰে বাবে মুকলি আৰু বিনামূলীয়া আছিল। অভাৰী পৰিয়ালৰ পৰা অহা শিক্ষার্থীৰ বাবে এইবোৰত থকা-খোৱাৰ সুব্যৱস্থা আছিল। দুখীয়া শিক্ষার্থীক বিভিন্ন ধৰণৰ জলপানিও দিয়া হৈছিল।

- **মোক্তাব/ মক্তাব ঃ** সাধাৰণতে একো একোটা মছজিদৰ সৈতে সংযুক্ত হৈ থকা শিক্ষানুষ্ঠান। কমবয়সীয়া ল'ৰা আৰু ছোৱালী উভয়ে মোক্তাবত পঢ়িব পাৰে। ইয়াত কোৰনৰ আয়াতবোৰ মুখস্থ ৰখাৰ বিদ্যা শিকোৱাৰ লগতে লিখা, পঢ়া আৰু প্ৰাথমিক পর্যায় গণিত শিকোৱা হয়। প্ৰথমতে মোক্তাবৰ বিদ্যার্থীক আৰবী আখৰ লিখিবলৈ শিকোৱা হয়। তাৰপাছত পার্ছী ভাষা আৰু আখৰ শিকোৱা হয়। মোক্তাবলৈ প্ৰথমবাৰৰ বাবে অহা শিশুক নতুন কাপোৰ পিন্ধাই অনা হয়। শিশুটিয়ে ঘৰতে শিকা কোৰানৰ দুটামান পদ মাতি শুনাব লাগে। যদি একো মাতি শুনাব নোৱাৰে, তেন্তে 'বিচমিল্লাহ্' শব্দটো উচ্চাৰণ কৰিবলৈ দি শিশুটিৰ বিদ্যাৰম্ভ কৰা হয়। 'বিচমিল্লাহ' শব্দৰ অর্থ হ'ল আল্লাৰ নাম লৈ শুভ আৰু কল্যাণকাৰী কামৰ আৰম্ভণি কৰা কার্য।
- **মাদ্ৰাছা ঃ** প্ৰাথমিক পর্যায়ৰ শিক্ষা সাং কৰা শিক্ষার্থীক মাদ্ৰাছালৈ পঠিওৱা হয়। মাদ্ৰাছাবোৰ উচ্চ শিক্ষা প্ৰদানকাৰী অনুষ্ঠান। বেলেগ বেলেগ বিষয় শিকাবলৈ মাদ্ৰাছাবোৰত বেলেগ বেলেগ শিক্ষক নিযুক্তি দিয়া হৈছিল। ধর্মীয় বিষয়ৰ লগতে ধর্মনিৰপেক্ষ বিষয়ৰ শিক্ষাদান কৰাত বিশেষ জোৰ দিয়া হৈছিল।
- **ব্যক্তিগত গৃহ শিক্ষা ঃ** ৰজাঘৰীয়া আৰু অৱস্থাপন্ন পৰিয়ালৰ ল'ৰা-ছোৱালীক ৰাজপ্ৰসাদ অথবা ঘৰতে শিক্ষাদান কৰা হৈছিল। মৌলৱীসকলৰ কঠোৰ তত্ত্বাৱধানত এনে শিশুৱে শিক্ষা গ্ৰহণ কৰিছিল।

১২.৫.৪ ভাৰতত মুছলিম শিক্ষাৰ পাঠ্যক্ৰম

ভাৰতৰ মুছলমান শাসকসকলে সেই সময়ত বিশ্বৰ আন দেশবোৰত প্ৰচলিত শিক্ষাৰ আর্হিটোকে গ্ৰহণ কৰিছিল। মোক্তাবসমূহৰ বিশেষ লক্ষ্য আছিল জনসাধাৰণক ধর্মীয় শিক্ষা প্ৰদান কৰা। মোক্তাবৰ পাঠ্যক্ৰম পৰিত্ৰ কোৰানৰ অধ্যয়ন, কোৰানৰ আয়াতসমূহৰ প্ৰবৃত্তি, আৰবী ভাষা শিক্ষা, হস্তলিপি বিদ্যা (Calligraphy) আৰু পার্ছী ভাষা শিক্ষাৰ লগতে প্ৰাথমিক গণিত শিক্ষাক সামৰি লৈছিল। মোক্তাবসমূহে শিশুক ব্যাকৰণ আৰু 'লেইলা-মজনু', 'য়ুচুক-জুলেখা' আদিৰ দৰে কিছুমান নির্বাচিত পার্ছী ৰোমাণ্টিক সাহিত্যও শিকাইছিল। মোক্তাবকেন্দ্রিক শিক্ষাৰ প্ৰধান পদ্ধতি আছিল মুখস্থ

বিদ্যাৰ অনুশীলন।

আগতেই কৈ অহা হৈছে যে মাদ্ৰাছাসমূহ আছিল উচ্চ শিক্ষাৰ অনুষ্ঠান। সেই সময়ৰ মাদ্ৰাছাসমূহ বৰ্তমানৰ মহাবিদ্যালয়ৰ আছিল মাদ্ৰাছাত ব্যাকৰণ, কবিতা, পৰম্পৰা, গণিত, বীজগণিত, জ্যামিতি, হিচাপ পৰীক্ষা, অৰ্থনীতি, ভূগোল, জ্যোতিষ বিদ্যা, ফিক্‌হ অথবা ইছলামীয় আইন-কানুন, ইচাদ অথবা বংশাৱলী পৰীক্ষা, জীৱনী, ইতিহাস, চিকিৎসা শাস্ত্ৰ, ৰসায়ন শাস্ত্ৰ (alchemy), হদিথ্, তৰ্কবিদ্যা, দৰ্শন, ৰহস্যবাদ, অলংকাৰ শাস্ত্ৰ (Rhetoric), তফ্‌চিৰ (ভাষ্য বিদ্যা), পাণ্ডিত্যবিদ্যা (Scholasticism) ইত্যাদি শিকোৱা হৈছিল। ৰাজপৰিয়ালৰ ল'ৰা-ছোৱালীক বাধ্যতামূলক সামৰিক প্ৰশিক্ষণ দিয়া আৰু ৰাজনীতি বিজ্ঞানৰ পাঠ পঢ়োৱা হৈছিল।

খ্যাতনামা দাৰ্শনিক আৰু শিক্ষাবিদ ইমান যজালিয়ে বৃত্তিমুখী শিক্ষা আৰু কলা শিক্ষাত জোৰ দিছিল। তেওঁ লগতে কাপোৰ বোৱা, কাঠত বিভিন্ন নক্সা কটাৰ দৰে শিল্পকৰ্ম আৰু কৃষিৰ শিক্ষা দিয়াতো পোষকতা কৰিছিল। মোগল সম্ৰাটসকলে সুকুমাৰ কলা, চিত্ৰকলা, সংগীত, নৃত্য, হস্তকলা আদিৰ শিক্ষাত গুৰুত্ব দিছিল। মোগল শাসনৰ কালছোৱাত হাতেৰে কাপোৰত ফুল তোলা, হাতী দাঁতৰ কাৰুকার্য, আটক ধুনীয়া অলংকাৰ নিৰ্মাণ কৰোতাৰ লগতে বিভিন্ন ধৰণৰ বোৱা-কটাত দক্ষ লোকে প্ৰশংসা আৰু সন্মান পাইছিল।

১২.৫.৫ মুছলিম শিক্ষা ব্যৱস্থাত মহিলাৰ শিক্ষা

এটা উল্লেখযোগ্য কথা হ'ল ইছলাম ধৰ্মত শিক্ষাৰ ক্ষেত্ৰত কোনো নিষেধাজ্ঞা নাছিল আৰু শিক্ষা সকলোৰে বাবে মুকলি আছিল। সৰু ল'ৰা-ছোৱালী উভয়কে মোক্তাবত শিক্ষা গ্ৰহণৰ সুযোগ দিয়া হৈছিল। পৰৱৰ্তী সময়ত মুছলমান শাসনকালত সমাজে মহিলাক যথেষ্ট সন্মান কৰিছিল যদিও কন্যাশিশুৰ ক্ষেত্ৰত পৰ্যাপ্ত সা-সুবিধা আগবঢ়োৱা হোৱা নাছিল। কন্যা সন্তানৰ বাবে উচ্চশিক্ষা লাভৰ কোনো সুযোগ নাছিল। ছোৱালীক মাদ্ৰাছাত প্ৰৱেশ কৰাত বাধা দিয়া হৈছিল। মুছলিম সংস্কৃতিৰ অংশ 'পৰ্দা প্ৰথা'ৰ বাবে মহিলা আৰু ছোৱালীৰ অচিনাকী ব্যক্তিৰ সন্মুখত থিয় দিয়াৰ অধিকাৰ নাছিল। তেওঁলোকে 'বুৰ্খা' নামৰ ওৱণিৰে নিজকে ঢাকিহে চলা-ফুৰা কৰিব পাৰিছিল। অৰ্থাৎ, মহিলাৰ ওপৰত জাপি দিয়া এনে নিষেধাজ্ঞাসমূহে তেওঁলোকৰ শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াটো ব্যাহত কৰিছিল। তথাপিও ভাৰত শাসন কৰা মুছলমান শাসকসকলৰ দিনত কেইবাগৰাকীও বিদূষী মহিলাই সাহিত্য, কলা আৰু ৰাজ্য প্ৰশাসনৰ দিশত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। এনে কেইবাগৰাকীমান খ্যাতনামা আৰু উচ্চশিক্ষিতা মুছলমান মহিলা হ'ল সাম্ৰাজ্ঞী নুৰজাহাঁ, চুলতানা ৰেজিয়া, ৰাজকুমাৰী গুলবদন, ঔৰংজেৱৰ কন্যা চুলতানা জুবুন্নিচা, চুলতানা চুলীমা, মুমতাজ মহল আৰু জাহান-

আৰা। শিক্ষা কেৱল ৰাজপৰিয়াল আৰু আঢ্যৰন্ত পৰিয়ালৰ নাৰীৰ বাবে সুলভ আছিল যদিও সাধাৰণ পৰিয়ালৰ নাৰীসকল উচ্চশিক্ষা লাভৰ সুযোগৰ পৰা বঞ্চিত আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ শিক্ষাৰ মুছলিম পদ্ধতি ভাৰতত কেতিয়াৰ পৰা প্রচলিত হৈছিল?

.....

প্রশ্ন ৮ ঃ মাদ্রাছা কি?

.....

প্রশ্ন ৯ ঃ হজৰত মহম্মদে শিক্ষাদান কৰিবলৈ কোনখন মঞ্চৰ সহায় লৈছিল?

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৈদিক শিক্ষাৰ যুগ ৭৫০০ খৃষ্টপূর্বৰ পৰা ৬২০০ খৃষ্টপূর্ব বছৰৰ ভিতৰত বুলি ধৰা হয়।
- বৈদিক যুগৰ শিক্ষাৰ প্রধান উৎস আছিল চতুর্বেদ।
- বৈদিক যুগৰ শিক্ষাপীঠক গুৰুকুল বোলা হৈছিল।
- বৈদিক যুগত শিক্ষণ-শিকনৰ বাবে ব্যৱহৃত ভাষাটো আছিল সংস্কৃত।
- বৈদিক যুগৰ প্রাৰম্ভিক অৱস্থাত শিক্ষা ল'ৰা আৰু ছোৱালী উভয়ৰে বাবে মুকলি আছিল।
- বৈদিক যুগৰ পৰৱর্তী অৱস্থাত শিক্ষাই জাতি-সম্প্রদায় আৰু লিংগভেদক আধাৰ কৰি লৈছিল।
- বৈদিক যুগৰ কেইগৰাকীমান বিদূষী মহিলা হ'ল লোপামুদ্রা, গার্গী, আত্রেয়ী আৰু পৌলামী।
- বৌদ্ধ পৰম্পৰাত শিক্ষা জাতি আৰু লিংগ নিৰপেক্ষ আছিল।
- বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষণ-শিকনৰ বাবে সংস্কৃত আৰু পালি ভাষা ব্যৱহাৰ কৰা হৈছিল।
- মোহাম্মদ ঘোৰীৰ ভাৰত আক্রমণৰ লগে লগে প্রায় ১২০০ খৃষ্টাব্দ মানৰ পৰা ভাৰতত মুছলিম শিক্ষা ব্যৱস্থা প্রচলিত হৈছিল।
- মোক্তাবসমূহত ল'ৰা-ছোৱালী উভয়ে প্রাথমিক শিক্ষা গ্রহণ কৰিব পাৰিছিল। কিন্তু ছোৱালীৰ বাবে উচ্চশিক্ষা লাভৰ সুযোগ নাছিল।
- ভাৰতত চলা মুছলিম শাসনকালত নিজৰ পাণ্ডিত্য আৰু শিক্ষাৰ বলত সুনাম অর্জন কৰা

কেইবাগৰাকীমান ৰাজপৰিয়ালৰ মহিলা হ'ল সাম্ৰাজী নুৰজাহাঁ, চুলতানা ৰেজিয়া, ৰাজকুমাৰী গুলবদন, ঔৰংজেৰৰ কন্যা চুলতানা জুবুন্নিচা, চুলতানা চুলীয়া, মুমতাজ মহল আৰু জাহান-আৰা।



১২.৭ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



১২.৮ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ উত্তৰ ঃ পাঁচ বছৰ।

প্ৰশ্ন নং ২ উত্তৰ ঃ কৃষ্ণ দ্বৈপায়ন অথবা বেদ-ব্যাস (ৱেদ-ব্যাস)।

প্ৰশ্ন নং ৩ উত্তৰ ঃ বাৰ বছৰ।

প্ৰশ্ন নং ৪ উত্তৰ ঃ বিহাৰ অথবা সংঘ।

প্ৰশ্ন নং ৫ উত্তৰ ঃ শিক্ষাৰ্থীয়ে ১২ বছৰ শিক্ষাগ্ৰহণ কৰাৰ পাছত প্ৰায় ২০ বছৰীয়া হ'লে ভাগ ল'বলগীয়া হোৱা এটা অনুষ্ঠান হ'ল 'উপসম্পদ' (উপসম্পদা)। ইয়াৰ পাছতেই শিক্ষাৰ্থীসকলে বিহাৰবোৰত স্থায়ী ভিক্ষু হৈ ৰোৱাৰ অৰ্হতা অৰ্জন কৰিছিল।

প্ৰশ্ন নং ৬ উত্তৰ ঃ নালন্দা বিশ্ববিদ্যালয়।

প্ৰশ্ন নং ৭ উত্তৰ ঃ প্ৰায় ১২০০ খৃষ্টাব্দৰ পৰা।

প্ৰশ্ন নং ৮ উত্তৰ ঃ মুছলিম উচ্চাশিক্ষাৰ অনুষ্ঠান। মাদ্ৰাছাসমূহক বৰ্তমান সময়ৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সম্পপৰ্যায়ৰ বুলি গণ্য কৰা হয়।



১২.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ প্ৰাচীন ভাৰতীয় হিন্দু পৰম্পৰাৰ শিক্ষা ব্যৱস্থাত বিদ্যালয়ক কি নামেৰে জনা গৈছিল ?

প্ৰশ্ন নং ২ ঃ বেদ কি ? বেদ কেইখন ?

প্ৰশ্ন নং ৩ ঃ 'উপনয়ন' অনুষ্ঠান মানে কি ?

প্ৰশ্ন নং ৪ ঃ গুৰুকুল ব্যৱস্থাত শিক্ষাৰ্থীৰ জীৱন আৰু শিক্ষণ প্ৰক্ৰিয়া কেনে আছিল বহলাই লিখক।

প্ৰশ্ন নং ৫ ঃ ভাৰতৰ প্ৰাচীন শিক্ষা ব্যৱস্থাসমূহৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰক।

প্ৰশ্ন নং ৬ ঃ ভাৰতৰ প্ৰাচীন শিক্ষা ব্যৱস্থাসমূহৰ বৈশিষ্ট্য আৰু দুৰ্বলতাবোৰত আলোকপাত কৰক।

****

অধ্যায় ১৩ঃ ঔপনিৱেশিক যুগত ভাৰতত প্ৰচলিত শিক্ষা

অধ্যায় গাঁঠনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ পৰম্পৰাগত শৈক্ষিক ব্যৱস্থাত ঔপনিৱেশবাদৰ প্ৰভাৱ
১৩.৪ ঔপনিৱেশিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য
১৩.৫ ঔপনিৱেশিক ব্যৱস্থাত নাৰী আৰু শিক্ষা
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্ৰগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰম্পৰাগত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব
- শিক্ষাৰ ঔপনিৱেশিক নীতি সম্পৰ্কে অৱগত হ'ব
- শিক্ষাৰ ঔপনিৱেশিক নীতিৰ প্ৰভাৱ বুজিব পাৰিব
- সাম্ৰাজ্যবাদী শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে জানিব পাৰিব
- ঔপনিৱেশিক শিক্ষা ব্যৱস্থাই নাৰীক কেনেকৈ প্ৰভাৱিত কৰিছিল বুজিব পাৰিব

১৩.২ পৰিচয়

১৭৫৭ চনৰ পৰা ভাৰতত বৃটিছ ঔপনিৱেশবাদী শাসনৰ সূত্ৰপাত হৈছিল। লগে লগে দেশৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আহিছিল। বৃটিছসকল ভাৰতলৈ ব্যৱসায়ী আৰু বণিক ৰূপে আহিছিল। কিন্তু লাহে লাহে তেওঁলোকে ভাৰতৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ লগতে শৈক্ষিক অনুষ্ঠান তথা অনুশীলনসমূহকো গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

বিভিন্ন পণ্ডিতৰ যুক্তি মতে ঔপনিৱেশবাদীসকলে উপনিৱেশবোৰৰ বাবে প্ৰস্তুত কৰা শৈক্ষিক নীতিসমূহৰ জৰিয়তে ঔপনিৱেশবাদী আধিপত্যক বৈধতা প্ৰদান আৰু নিজৰ প্ৰয়োজনীয়তাসমূহ পূৰণৰ চেষ্টা কৰিছিল। ঔপনিৱেশিক ক্ষমতাৰ প্ৰয়োজনীয়তাসমূহে বৃটিছ শাসনৰ যুগত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিকাশৰ গতি প্ৰকৃতি নিৰ্দ্ধাৰণ কৰিছিল। এখন দেশ শাসন কৰিবলৈ

আদৰ্শগত নিয়ন্ত্ৰণ প্ৰয়োজন হৈ পৰে। শিক্ষাই এনে নিয়ন্ত্ৰণৰ চাবিকাঠিৰূপে কাম কৰে। ঔপনিৱেশিক শাসনক যুক্তিযুক্ততা প্ৰদান কৰিব পৰা এক প্ৰমূল্য প্ৰণালী গঢ়াৰ বাবে শিক্ষাক ব্যৱহাৰ কৰা হয়। ঔপনিৱেশিক শিক্ষাৰ মূল লক্ষ্য হ'ল দেশ এখনৰ প্ৰশাসনীয় দিশটো উন্নততৰ কৰি তোলা। শিক্ষাৰ বিকাশ অথবা কোনো সামাজিক পৰিৱৰ্তন সাধন কৰাতো ইয়াৰ মূল লক্ষ্য নহয়।

> পৰম্পৰাগত শিক্ষা ব্যৱস্থাত ৰাষ্ট্ৰই শিক্ষাৰ প্ৰসাৰ আৰু প্ৰসাৰত এক সীমিত ভূমিকাহে পালন কৰে।

ভাৰতত প্ৰচলিত শিক্ষা ব্যৱস্থাও ইয়াৰ ব্যতিক্ৰম নাছিল। বৃটিছ ঔপনিৱেশিকসকলে শিক্ষা ব্যৱস্থাত কেতবোৰ বিশেষ পৰিৱৰ্তন সাধন কৰিছিল। ই পৰম্পৰাগত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সংৰচনাটো সলনি কৰিছিল। ভাৰতীয় পৰম্পৰাগত শিক্ষা নীতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাৰ আগতে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ কিছুমান বৈশিষ্ট্যত আলোকপাত কৰা হ'ল।

- **পৰম্পৰাগত ভাৰতীয় শিক্ষা ব্যৱস্থা ঃ**

ভাৰতত বৃটিছ শাসন আৰম্ভ হোৱাৰ আগতে মুছলমানসকলৰ বাবে মাদ্ৰাছা আৰু মোক্তাবৰ শিক্ষা তথা হিন্দুসকলৰ বাবে টোল আৰু পাঠশালাকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ প্ৰচলন আছিল। দেশত পাৰ্চী আৰু সংস্কৃতত উচ্চশিক্ষা লাভৰ বাবেও শিক্ষানুষ্ঠান আছিল আৰু আঞ্চলিক ভাষাত শিক্ষা লাভৰ বাবে অন্য নিম্নস্তৰৰ শিক্ষানুষ্ঠানো আছিল। দেশত প্ৰধানকৈ উচ্চবৰ্ণৰ লোকে শিক্ষালাভৰ সুযোগ পাইছিল। শিক্ষা জাতি-বৰ্ণ প্ৰথা নিৰ্ভৰশীল আছিল। সমাজত ব্যক্তিৰ স্থান অনুসৰি শিক্ষা লাভৰ সুচলতা আছিল। নিম্নবৰ্গৰ লোক, জনজাতি সম্প্ৰদায় আৰু মহিলাসকলক সাধাৰণতে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰত ৰখা হৈছিল।

> ঔপনিৱেশিক শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্য আছিল শাসক পক্ষৰ প্ৰয়োজনীয়তা পূৰণ কৰা। বিকাশ অথবা সামাজিক পৰিৱৰ্তন সাধন কৰা ইয়াৰ উদ্দেশ্য নাছিল।

- **পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্য ঃ**
  - স্থানীয় জমিদাৰসকলৰ দৰে আঢ্যৱন্ত লোকৰ আৰ্থিক অনুদানেৰে বিদ্যালয়সমূহ পৰিচালনা কৰা হৈছিল।
  - বিদ্যালয়সমূহত সংস্কৃত আৰু পাৰ্চীৰ দৰে ধ্ৰুপদী ভাষাৰ শিক্ষাত জো�ৰ দিয়া হৈছিল।
  - এই শিক্ষা ব্যৱস্থাই সমাজৰ নিম্নবৰ্গৰ লোক, জনজাতি সম্প্ৰদায় আৰু নাৰীক শিক্ষাগ্ৰহণৰ পৰা বিৰত ৰাখিছিল।

- ছপাশাল নাছিল বাবে জ্ঞান প্ৰদানৰ বাবে মৌখিক পৰম্পৰাৰ সহায় লোৱা হৈছিল।
- ৰাষ্ট্ৰই শিক্ষাৰ ক্ষেত্ৰত এক সীমিত ভূমিকা পালন কৰিছিল।
- উচ্চশিক্ষা প্ৰধানতঃ ধৰ্মীয় প্ৰকৃতিৰ আছিল।
- দেশত উচ্চ শিক্ষা গ্ৰহণৰ কেন্দ্ৰসমূহৰ লগতে যথেষ্ট সংখ্যক প্ৰাথমিক বিদ্যালয় আছিল। ব্যক্তিবিশেষে শিক্ষকৰূপে স্থানীয় বাসিন্দাৰ সহযোগত এনে প্ৰাথমিক বিদ্যালয়সমূহ চলাইছিল।
- শিক্ষাৰ্থীসকলক দৈনন্দিন জীৱনত সহায় কৰিব পৰাকৈ বিদ্যালয়সমূহত প্ৰাথমিক গণিত আৰু লিখা-পঢ়া শিকোৱা হৈছিল।

বৃটিছ শাসনৰ যুগ আৰম্ভ হোৱাৰ আগতে ভাৰতত থলুৱা শিক্ষা ব্যৱস্থাৰূপে মুছলমানসকলৰ বাবে মাদ্ৰাছা আৰু মোক্তাব তথা হিন্দুসকলৰ বাবে টোল আৰু পাঠশালাভিত্তিক শিক্ষাৰ প্ৰচলন আছিল।

- **পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ কিছুমান নেতিবাচক দিশ ঃ**
  - জ্ঞানৰ পৃথকীকৰণ। সমাজৰ নিম্নবৰ্গৰ লোক আৰু মহিলাক বেছিভাগ সময়তে শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰত ৰখা হৈছিল।
  - শিক্ষাদানৰ বাবে মৌখিক পদ্ধতিক অতিমাত্ৰা ভাৰসা কৰা হৈছিল।
  - শিক্ষা ব্যৱস্থাসমূহৰ মাজত যোগসূত্ৰ স্থাপন কৰিব পৰাকৈ কোনো সাংগঠনিক নেটৱৰ্ক অথবা প্ৰণালী নাছিল।
  - ক্ষমতা আৰু ধনী লোকে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁলোকে ইয়াক নৈতিক আৰু সামাজিক বাধ্যবাধকতা হিচাপে গণ্য কৰিছিল।



চিন্তা-চৰ্চা কৰক ঃ ১

পৰম্পৰাগত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পাঁচটা বৈশিষ্ট্য বৰ্ণনা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ঔপনিৱেশিক শিক্ষাৰ প্ৰধান উদ্দেশ্য কি আছিল?

.....

প্ৰশ্ন ২ ঃ পৰম্পৰাগত শিক্ষা ব্যৱস্থাত ৰাষ্ট্ৰই কেনে ভূমিকা পালন কৰিছিল?

.....

প্ৰশ্ন ৩ ঃ পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিক্ষাদানৰ প্ৰধান পদ্ধতিটো কি আছিল?

.....

১৩.৩ পৰম্পৰাগত শৈক্ষিক ব্যৱস্থাত ঔপনিৱেশবাদৰ প্ৰভাৱ

১৬০০ খৃষ্টাব্দমানৰ পৰাই পৰ্তুগীজ, ডাটচ্, ফ্ৰেন্স আৰু ইংৰাজ বাণিজ্যিক কোম্পানীবোৰে ব্যৱসায়-বাণিজ্য কৰিবলৈ ভাৰতত প্ৰৱেশ কৰিছিল। তেওঁলোক প্ৰত্যেকেই দেশত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। অৱশেষত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ অধিকাংশ অঞ্চল শাসন কৰিবলৈ সক্ষম হৈছিল। আনসকলে কিছুমান নিৰ্দিষ্ট এলেকাত, যেনে— পৰ্তুগীজসকলে গোৱাত আৰু ফ্ৰান্সৰ পৰা অহাসকলে পুডুছেৰীত থিতাপি লৈছিল। ঔপনিৱেশবাদৰ আৰম্ভণি সময়ছোৱাত বৃটিছসকলে শিক্ষাৰ প্ৰতি সিমান আগ্ৰহ দেখুওৱা নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিজকে এটা লাভ সৃষ্টিকাৰী কোম্পানী বুলি গণ্য কৰিছিল। গতিকে শিক্ষাৰ প্ৰসাৰৰ প্ৰতি কোম্পানীটোৱে সিমান মনোযোগ দিয়া হৈছিল। অৱশ্যে সময় বাগৰাৰ লগে লগে ভাৰতলৈ খৃষ্টান মিছনেৰীসকলৰ আগমন ঘটিল আৰু তেওঁলোকে বিভিন্ন অঞ্চলত দাতব্য বিদ্যালয় স্থাপন কৰিবলৈ ল'লে। সেই সময়ছোৱাত শিক্ষাক ভাৰতীয় সমাজক সুসভ্য কৰি তোলা আৰু খৃষ্টান ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত সহায় কৰা এক মাধ্যম বুলি গণ্য কৰা হৈছিল। সেইবাবেই ল'ৰা-ছোৱালী উভয়ৰে বাবে বিভিন্ন দাতব্য বিদ্যালয় স্থাপন কৰা হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানী অথবা বৃটিছ প্ৰশাসনে প্ৰথম অৱস্থাত ভাৰতত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰতি কোনো আগ্ৰহ প্ৰদৰ্শন কৰা নাছিল অথবা এই ব্যৱস্থাত হস্তক্ষেপ কৰা নাছিল। এনে কৰিলে হিতে বিপৰীত হ'ব বুলি তেওঁলোকে ভাবিছিল। প্ৰচলিত শিক্ষা ব্যৱস্থাটোকে চলি থাকিবলৈ দিবনে ইংৰাজী শিক্ষাৰ পৃষ্ঠপোষকতা কৰিব সেই বিষয়তো শাসকবৰ্গ দ্বিধাগ্ৰস্ত আছিল।

> খৃষ্টান মিছনেৰীসকলৰ পৰা হেঁচা পোৱাৰ পাছতহে বৃটিছ সাম্ৰাজ্যবাদী প্ৰশাসকসকলে ভাৰতত শিক্ষাৰ দিশটোলৈ মনোযোগ দিছিল।

এই আৰম্ভণি কালছোৱাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয়ৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত হস্তক্ষেপ নকৰাৰ নীতি অনুসৰণ কৰিছিল। ভাৰতীয় জনসাধাৰণক শিক্ষিত কৰি তোলাতো তেওঁলোকে নিজৰ কৰ্তব্য বুলি গণ্য কৰা নাছিল। সেয়েহে তেওঁলোকে পূৰ্বৰে পৰা চলি থকা পৰম্পৰাগত শিক্ষা ব্যৱস্থাটোকে অব্যাহতভাৱে চলি থাকিবলৈ দিছিল। মাদ্ৰাছা আৰু পাঠশালাসমূহে

নিজৰ ভূমিকা পালন কৰিছিল। ১৮৫৭ খৃষ্টাব্দত হোৱা চিপাহী বিদ্রোহৰ পাছত কোম্পানীৰ পৰা শাসনভাৰ বৃটিছ ৰাজমুকুটৰ হাতলৈ যায়। তেতিয়াৰ পৰাহে বৃটিছ প্ৰশাসনে ভাৰতত শিক্ষাৰ দিশটোলৈ গভীৰভাৱে মনোযোগ দিবলৈ আৰম্ভ কৰিছিল।

- **ছনদ আইনৰ শিক্ষা সম্পৰ্কীয় ব্যয়ৰ আজ্ঞাপত্ৰ ঃ**

ইছলামীয় আইন অধ্যয়নৰ বাবে ১৭৮১ চনত ৱাৰেন হেষ্টিংচে কলিকতা মাদ্ৰাছা স্থাপিত কৰিছিল। ১৭৯২ চনত জ'নাথন ডান্‌কানে বাৰাণসীত হিন্দু দৰ্শন আৰু আইন অধ্যয়ন কৰিবলৈ সংস্কৃত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। ১৭৮৪ চনত ৱিলিয়াম জ'ন্সে 'এচিয়াটিক চোছাইটি' গঠন কৰিছিল। খৃষ্টান মিছনেৰীসকলৰ পৰা পোৱা হেঁচাই সাম্ৰাজ্যবাদী চৰকাৰখনক শিক্ষাখণ্ডত বিনিয়োগ কৰিবলৈ বাধ্য কৰাইছিল। শাসক পক্ষই শিক্ষাৰ্থীক প্ৰাচ্য আৰু পাশ্চাত্যৰ শিকনিসমূহৰ আধাৰত শিক্ষিত কৰি তুলিব পৰা এটা শিক্ষা ব্যৱস্থা বিকশাই তোলাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ আঁৰত দুটা উদ্দেশ্য পূৰণ কৰাৰ অভিপ্ৰায় নিহিত আছিল। এটা হ'ল বৃটিছসকলক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সৈতে পৰিচিত কৰি তোলা আৰু আনটো হ'ল ভাৰতীয়ক পাশ্চাত্যৰ শিকন প্ৰক্ৰিয়াৰ সৈতে অভ্যস্ত কৰি তোলা। ইয়াৰ বাবে স্থাপন কৰা প্ৰথম শিক্ষানুষ্ঠানসমূহে বৃটিছসকলক স্থানীয় আইন-কানুন আৰু প্ৰথা-পৰম্পৰা বিষয়ক শিক্ষা দিছিল। সেই সময়ত বৃটিছসকলৰ বাবে স্থানীয় শিক্ষা গ্ৰহণ নকৰাকৈ ভাৰতীয় পৰম্পৰাৰ বিষয়ে জনাতো সহজ নাছিল। প্ৰথম অৱস্থাত বৃটিছে স্থাপন কৰা শিক্ষানুষ্ঠানসমূহত সেয়েহে উৰ্দু আৰু সংস্কৃত শিক্ষাৰ ব্যৱস্থা আছিল। ই স্থানীয় অভিজাত শ্ৰেণীটোক আকৰ্ষিত কৰিছিল। বৃটিছসকলে এই সুযোগতে তেওঁলোকক চৰকাৰী কেৰাণীৰ চাকৰি কৰিব পৰাকৈ প্ৰশিক্ষণ দি সাজু কৰি লৈছিল। ই ঔপনিৱেশিক স্থানীয় লোকৰ সৈতে সুসম্পৰ্ক স্থাপনৰো সুযোগ দিছিল।

> বৃটিছসকলে ভাৰতত স্থাপন কৰা প্ৰথম শিক্ষানুষ্ঠানসমূহৰ জৰিয়তে তেওঁলোকে নিজকে স্থানীয় আইন-কানুন আৰু প্ৰথা-পৰম্পৰাবোৰৰ সৈতে পৰিচিত কৰাই লৈছিল।

ঊনবিংশ শতিকাৰ পৰা মিছনেৰীসকলে বিদ্যালয় স্থাপনৰ কাম আৰম্ভ কৰিছিল। আগতেই কৈ অহা হৈছে যে বৃটিছসকলে থিতাপি লোৱাৰ আগতে ভাৰতৰ বিদ্যালয়বোৰত সংস্কৃত আৰু পাৰ্ছী ভাষাত শিকোৱা হৈছিল। বৃটিছসকলে দেশত ইংৰাজী ভাষাৰ শিক্ষা আৰম্ভ কৰিছিল। আৰম্ভণিতে এই বিদ্যালয়বোৰ ভাৰতত থকা বৃটিছ সৈন্যৰ ল'ৰা-ছোৱালীৰ বাবেহে মুকলি আছিল। কালক্ৰমত ভাৰতীয় ল'ৰা-ছোৱালীৰ বাবেও বিদ্যালয়বোৰৰ দুৱাৰ মুকলি কৰি দিয়া হ'ল। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ ভাষা হিচাপে সংস্কৃত আৰু পাৰ্ছীৰ স্থান অৱনমিত হ'ল। এই স্থান ইংৰাজী ভাষাই দখল কৰিলে। মিছনেৰীসকলে ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচলনক সমৰ্থন

জনালে। তেওঁলোকে ভাৰিছিল ইয়াৰ সহায়ত ভাৰতীয় সমাজবোৰৰ অভ্যন্তৰত প্ৰৱেশ কৰাতো সুচল হ'ব আৰু এনেকৈয়ে খৃষ্টান ধৰ্ম প্ৰসাৰিত কৰিব পৰা যাব। এই সিদ্ধান্তৰ প্ৰতি ভাৰতীয়সকলে মিশ্ৰিত সঁহাৰি প্ৰদৰ্শন কৰিছিল। কথাটোৰ সমৰ্থকসকলে ভাবিছিল যে ইংৰাজী মাধ্যমৰ শিক্ষাই ভাৰতীয়সকলক পশ্চিমৰ যৌক্তিক তথা বিজ্ঞানসন্মত দৃষ্টিভংগীৰ অধিকাৰী হোৱাত সহায় কৰিব। আন কিছুমানে ভাবিছিল যে ইয়াৰ ফলত ভাৰতীয়সকলে বিভিন্ন চৰকাৰী চাকৰি লাভ কৰিব। আন একাংশই ভাবিছিল যে পশ্চিমীয়া শিক্ষাৰ প্ৰচলনে ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব। তেওঁলোকে এই সিদ্ধান্তৰ বিৰোধিতা কৰিছিল।

ভাৰতৰ থলুৱা শিক্ষা ব্যৱস্থা ভাৰতীয়সকলৰ সক্ৰিয়-নিষ্ক্ৰিয় অথবা প্ৰত্যক্ষ-পৰোক্ষ সহায়-সমৰ্থন অবিহনে ধ্বংস হোৱাৰ প্ৰশ্নই নুঠে। ৰাজা ৰামমোহন ৰয় আৰু এম.জি. ৰাণাডেৰ দৰে বহুতো জাতীয়তাবাদী নেতাই পশ্চিমীয়া শিক্ষাক সমৰ্থন কৰিছিল। তেওঁলোকৰ মতে ইয়াৰ দ্বাৰা সামাজিক সংস্কাৰ সাধন কৰিব পৰা যাব। মেক্‌ডাউলীৰ দৰে বৃঠিছ প্ৰশাসনিক বিষয়াই পৰিশোধন তত্ত্বত বিশ্বাস ৰাখি কৈছিল যে শিক্ষাই সমাজৰ উচ্চৰ পৰা নিম্নক্ৰমত থকা সকলোকে সামৰি লোৱা উচিত। তথাপিও ভাৰতত শিক্ষা ব্যৱস্থাটো সমাজৰ উচ্চ শ্ৰেণীৰ অভিজাত সম্প্ৰদায়টোৰ মাজতে সীমাৱদ্ধ হৈ ৰৈ গৈছিল। বাঙালী কায়স্থ আৰু তামিল ব্ৰাহ্মণৰ দৰে সম্প্ৰদায়সমূহৰ বাবেহে শিক্ষা সুচল আছিল।

ঔপনিৱেশিক শিক্ষাৰ কেইটামান গুৰুত্বপূৰ্ণ প্ৰভাৱ হ'ল—

- ইংৰাজী কিতাপ সহজে পোৱা হৈছিল।
- ১৮৫৭ চনত কলিকাতা (কলকাতা), বোম্বে (মুম্বাই) আৰু মাদ্ৰাজ (চেন্নাই)ত তিনিখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল।
- শিক্ষাৰ প্ৰসাৰত মিছনেৰীসকলে তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁলোকে সমগ্ৰ ভাৰততে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কামত আগভাগ লৈছিল।
- হিন্দু আৰু মুছলমানৰ বাবে থকা পৃথক শিক্ষা ব্যৱস্থাৰ ওৰ পৰিছিল আৰু উমেহতীয়া বৃটিছ শিক্ষা ব্যৱস্থাৰ প্ৰচলন আ�ৰম্ভ হৈছিল।
- পৰম্পৰাগত শিক্ষা পদ্ধতিৰ পৰিৱৰ্তে পশ্চিমূয়া শিক্ষা পদ্ধতিয়ে অগ্ৰাধিকাৰ পাইছিল। অৱশ্যে প্ৰথম অৱস্থাত দুয়োটা পদ্ধতিকে চলাই নিয়াৰ প্ৰয়াস কৰা হৈছিল।
- ঔপনিৱেশিক যুগৰ শিক্ষা আছিল নগৰকেন্দ্ৰিক। স্বাভাৱিকতে গ্ৰামাঞ্চলবোপ শিক্ষাৰ দিশেৰে অৱহেলিত হৈ ৰৈ গৈছিল।

> ঔপনিৱেশিক যুগত ইংৰাজীক পাৰ্ছী ভাষাৰ সলনি চৰকাৰী ভাষাৰ মৰ্যাদা দিয়া হৈছিল।



চিন্তা-চৰ্চা কৰক ঃ ২

পৰম্পৰাগত শিক্ষা ব্যৱস্থাত ঔপনিৱেশিক নীতিসমূহে কি প্ৰভাৱ পেলাইছিল



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ কলিকতা, বোম্বে আৰু মাদ্ৰাজ বিশ্ববিদ্যালয় কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল?

.....

প্ৰশ্ন ৫ ঃ কি ভাষাৰ স্থানত ইংৰাজী ভাষাক চৰকাৰী ভাষাৰ মৰ্যাদা দিয়া হৈছিল?

.....

১৩.৪ ঔপনিৱেশিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশৰ

ভাৰতস্থ বৃটিছ প্ৰশাসনে বিকশাই তোলা শিক্ষা ব্যৱস্থাটো আছিল গ্ৰেট বৃটেইনত প্ৰচলিত শিক্ষা গাঁথনিটোৰ দুৰ্বল অনুসৰণ। ১৮৫৭ চনত কলকাতা, চেন্নাই আৰু মুম্বাইত তিনিখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। এয়াই ভাৰতত আধুনিক বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ আৰম্ভণি। এয়াও আছিল বৃটিছ শিক্ষা ব্যৱস্থাৰ এক দুৰ্বল নকল। কাৰণ, এই বিশ্ববিদ্যালয় কেইখন প্ৰথম অৱস্থাত শৈক্ষিক কৰ্তৃপক্ষ নাছিল, কেৱল পৰীক্ষাকাৰী কৰ্তৃপক্ষহে আছিল। অনুমোদনপ্ৰাপ্ত মহাবিদ্যালয়সমূহত উচ্চশিক্ষা দিয়া হৈছিল। মহাবিদ্যালয়সমূহে ২ বছৰীয়া স্নাতক পাঠ্যক্ৰম চলাইছিল। এই পাঠ্যক্ৰমৰ অধীনত শিক্ষা লাভ কৰাসকলে প্ৰধানকৈ পাঠ মুখস্থ কৰিছিল আৰু পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ চেষ্টা কৰিছিল। ইয়াৰ কাৰণ হ'ল ভাৰতীয়সকল 'মুৰ্খ' আৰু 'নীচ' বুলি বৃটিছে পোষণ কৰা মনোভাৱ। সেয়েহে বিশ্লেষণাত্মক প্ৰকৃতিৰ শিক্ষালাভৰ সুযোগ দিয়াৰ পূৰ্বে ঔপনিৱেশিক প্ৰশাসনে ভাৰতীয়সকল ভাষাতত্ত্বৰ প্ৰশিক্ষণ দিয়াৰ চেষ্টা কৰিছিল। তেওঁলোকৰ মতে ই ভাৰতীয়সকলৰ 'বুদ্ধিমত্তাৰ স্তৰ' আৰু 'সংস্কৃতি'ৰ প্ৰকৃতি উন্নত কৰিব। ইংৰাজী কেৱল এটা ভাষা নাছিল, ই আছিল ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষমতা হাতত ৰখাৰ এক আহিলা। ভাষাটোৰ সৈতে আধুনিকতা, গৌৰৱ আৰু সামাজিক প্ৰতিষ্ঠাক সাঙাৰা হৈছিল।

১৮৪৪ চনত লৰ্ড হাৰ্ডিংছে ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয়ক চৰকাৰী পদৰীত মকৰণ কৰাৰ সিদ্ধান্ত লৈছিল।

বৃটিছসকলে শিক্ষাৰ জৰিয়তে সমাজৰ উন্নতি সাধন কৰিব খোজা নাছিল। তেওঁলোকৰ লক্ষ্য আছিল প্ৰশাসনীয় কাম-কাজত সহায় কৰিব পৰা এচাম শিক্ষিত ভাৰতীয়ৰ সৃষ্টি কৰা। ১৮৪৪ চনত লৰ্ড হার্ডিঞ্জে ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয়ক চৰকাৰী পদবীত মকৰণ কৰাৰ সিদ্ধান্ত লৈছিল। শিক্ষাৰ মূল উদ্দেস্য আছিল ভাৰতীয়সকলক লিখাত পটু কৰি তোলা। কাৰিকৰী শিক্ষাৰ সুযোগ-সুবিধা তেনেই সীমিত আছিল। শৈক্ষিক নির্দেশনা প্ৰদানৰ মাধ্যম ইংৰাজী হোৱাৰ ফলত অধিকাংশ লোক শিক্ষা ব্যৱস্থাৰ বাহিৰত ৰৈ গৈছিল। তেওঁলোকে ইংৰাজী ভাষাটো জনা লোকক নির্ভৰ কৰিবলগীয়া হৈছিল। ইংৰাজী শিক্ষাৰে শিক্ষিত হোৱাসকলে ঔপনিৱেশিক প্ৰশাসন আৰু দুখীয়া অশিক্ষিত জনসাধাৰণৰ মাজত সূত্রধাৰৰ ভূমিকা পালন কৰিছিল। ভাৰত এখন বহুভাষিক দেশ। ইয়াৰ মাজতে ইংৰাজী হৈ পৰিছিল সংযোগী ভাষা। ই কিছু পৰিমাণে ভাষাৰ অন্তৰায় দূৰ কৰিছিল যদিও সকলো সময়তে কথাটো সুবিধাজনক নাছিল। শিক্ষিত ভাৰতীয়সকলে নিজৰ জীৱনলৈ সুযোগ অহাৰ পথ সুচল কৰি তুলিছিল। তেওঁলোকে কিন্তু নিজতকৈ তলৰ খাপৰ মানুহৰ মাজত শিক্ষাৰ প্ৰসাৰ কৰাৰ কথাটোত মূৰ ঘমোৱা নাছিল।

বৃটিছৰ বাবে ভাৰতখন উন্নতৰূপত শাসন কৰিবলৈ ইয়াৰ অতীতৰ বিষয়ে জনাতো গুৰুত্বপূৰ্ণ হৈ পৰিছিল। ইয়াৰ ফলশ্রুতিতে ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগ গঠন আৰু লোকপিয়লৰ কাম আৰম্ভ কৰা হৈছিল। এই কথা দুটাই ঔপনিৱেশিক শাসকক ভাৰতখন ভালদৰে বুজাত যথেষ্ট সহায় কৰিছিল।

কন্যাশিশুৰ শিক্ষাৰ দিশটো আওকাণ কৰা হৈছিল। প্ৰাথমিক শিক্ষাক গুৰুত্বসহকাৰে লোৱা হোৱা নাছিল। ভাৰতৰ অধিকাংশ নাগৰিক নিৰক্ষৰ হৈয়েই ৰৈ গৈছিল। উচ্চশিক্ষা ইংৰাজী ভাষাত গ্রহণ কৰিব লাগিছিল। ইংৰাজী সাহিত্য আঞ্চলিক ভাষালৈ অনুবাদ কৰাৰ কোনো চেষ্টা চলোৱা হোৱা নাছিল। ঔপনিৱেশিক যুগৰ শিক্ষাৰ লক্ষ্য আছিল প্ৰশাসনীয় কাম-কাজ চলিবলগীয়া এলেকাবোৰলৈ বিষয়া কর্মচাৰীৰ দল প্ৰেৰণ কৰা। সেই সময়ছোৱাত ভাৰতত স্থাপন হোৱা সাহিত্য আৰু বিজ্ঞান বিষয়ক অনুষ্ঠানবোৰৰ আৰ্হি আছিল পশ্চিমীয়া দেশ, বিশেষকৈ গ্রেট বৃটেইন। বৃটিছে স্থাপন কৰা অধিকাংশ শিক্ষানুষ্ঠান আছিল নগৰত। তেওঁলোকে নিজে সহজে ঢুকি পোৱা স্থানতহে এই অনুষ্ঠানসমূহ নির্মাণ কৰিছিল। গ্রামাঞ্চলত এনে সুবিধা গঢ়ি তোলা হোৱা নাছিল। বৃটিছসকলে ভাৰতীয় পাঠ্যক্রমবোৰৰ প্রতিও সঠিক মনোযোগ দিয়া নাছিল। শিক্ষাৰ আৰ্হি পশ্চিমীয়া হ'লেও ভাৰতীয় শিক্ষা ব্যৱস্থাই একে গুণমানবিশিষ্ট শিক্ষাৰ সুবিধা আগবঢ়াব পৰা নাছিল। বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ শিক্ষাক কোনো গুৰুত্ব দিয়া নহৈছিল। শাসক পক্ষই মুখস্থ বিদ্যাৰহে পোষকতা কৰিছিল। ইংৰাজীৰ তুলনাত অন্য স্থানীয় ভাষাসমূহৰ মর্যাদা নিম্ন বুলি ভবা হৈছিল। এনে বহু কাৰণত বৃটিছ শাসিত ভাৰতৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি হোৱা নাছিল।

- বৃটিছ শাসনকালত শিক্ষাক ভাৰতীয় জনগণক অধঃস্তন কৰি ৰখাৰ অস্ত্র হিচাপে ব্যৱহাৰ কৰা হৈছিল।
- মিছনেৰীসকলৰ বাবে এই শিক্ষা খৃষ্ঠান ধর্ম প্রচাৰ আৰু স্থানীয় লোকক ধর্মান্তৰিত কৰাৰ

এক আহিলা আছিল।

- ঔপনিৱেশিক শিক্ষাই সাম্ৰাজ্যবাদী প্ৰয়োজনীয়তাবোৰ পূৰ কৰিছিল। এই শিক্ষাই এটা 'শিক্ষিত আভ্যন্তৰীণ' গোটৰ সৃষ্টি কৰিছিল। এই গোটটোৱে প্ৰশাসন আৰু ব্যৱস্থাপনাৰ দিশত সহায় কৰিছিল।
- আধুনিক শিক্ষা মানে আছিল মানুহক পশ্চিমীয়া শিক্ষা পদ্ধতি, সাহিত্য আৰু বিজ্ঞানৰ বিষয়ে বিষয়ে জ্ঞান দিয়া।
- ভাৰতত প্ৰচলিত শিক্ষাৰ উচ্চ শিক্ষাৰ পৰীক্ষাগাৰ হিচাপে ৰূপায়িত কৰা হৈছিল। ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয়ই আৰু অধিক লোকক শিক্ষিত কৰি তুলিব বুলি ভবা হৈছিল।
- কেইগৰাকীমান ঔপনিৱেশিক বিষয়াই ভাৰতৰ ধৰ্ম, আইন, প্ৰথা আদিৰ বিষয়ে ৰচিত কেইবাখনো ধ্ৰুপদী গ্ৰন্থ ইংৰাজীলৈ অনুবাদ কৰিছিল। ই স্থানীয় আইন-কানুন আৰু পৰম্পৰাবোৰৰ বিষয়ে বুজাত বৃটিছসকলক সহায় কৰিছিল।
- বৃটিছসকলে শিক্ষাৰ পৰিশোধন তত্ত্বত বিশ্বাস কৰিছিল। এই তত্ত্ব অনুসৰি ভাৰতীয় সমাজৰ উচ্চ বৰ্ণৰ লোক আৰু অভিজাতসকলক শিক্ষিত কৰি ল'লে শিক্ষাৰ প্ৰৱাহ সমাজৰ নিম্ন স্তৰলৈও বিয়পিব।
- এই শিক্ষাৰ লক্ষ্য হ'ল এনে এচাম শিক্ষিত ভাৰতীয়ৰ সৃষ্টি কৰা যিসকলে শাসক আৰু শাসিতৰ মাজত যোগসূত্ৰ ৰক্ষাকাৰীৰ ভূমিকা লৈছিল।

এনে বহুতো কাৰণত ভাৰতীয় জাতীয়তাবাদীসকলে দেশৰ শিক্ষা ব্যৱস্থাটোৰ ভাৰতীয়কৰণ ঘটোৱাৰ দাবী কৰিছিল। পশ্চিমীয়া শিক্ষাই থলুৱা শিক্ষা ব্যৱস্থাটোক গ্ৰাস কৰি সকলো কথা সলনি কৰিবলৈ ধৰিছে বুলি তেওঁলোক শংকিত হৈ পৰিছিল।



চিন্তা-চৰ্চা কৰক ঃ ৩

জনসাধাৰণক অধঃস্তন কৰি ৰাখিবলৈ শিক্ষাক কেনেদৰে এপাত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল?

১৩.৫ ঔপনিৱেশিক ব্যৱস্থাত নাৰী আৰু শিক্ষা

ঔপনিৱেশিক শাসনকালৰ শিক্ষা ব্যৱস্থাই ইংৰাজী শিক্ষাৰে শিক্ষিত পুৰুষ আৰু বেছিভাগ সময়তে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰাই ৰখা মহিলা সমাজৰ মাজত এক বৃহৎ ব্যৱধানৰ সৃষ্টি কৰিছিল। অৱশ্যে সমাজবোৰ কেৱল উচ্চ শ্ৰেণী আৰু উচ্চ জাতৰ পুৰুষেহে সাধাৰণতে ইংৰাজী শিক্ষা লাভ কৰিছিল। বাকীসকলক আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত কৰা হৈছিল। পুৰুষ আৰু মহিলাৰ মাজত সৃষ্টি হোৱা দূৰত্বই এনে পৰ্যায় পাইছিল যে শিক্ষিত পুৰুষে অশিক্ষিতা মহিলাক বিয়া কৰাবলৈ অনিচ্ছা কৰিছিল। এই ব্যৱধান মহিলা সমাজক অৰ্থনৈতিক, ৰাজনৈতিক

আৰু সামাজিক সা-সুবিধাসমূহৰ পৰাও আঁতৰাই নিছিল। সেয়েহে ঊনবিংশ শতিকাত মূৰ দাঙি উঠা সমাজ সংস্কাৰ আন্দোলনে সমাধা কৰিব খোজা এটা প্ৰধান জ্বলন্ত সমস্যা আছিল মহিলাৰ সামাজিক স্থিতি। আন্দোলনৰ সূত্ৰপাতকাৰীসকলে এয়া উপলব্ধি কৰিছিল যে ভাৰতীয় সমাজৰ সংস্কাৰ সাধন কৰিবলৈ হ'লে মহিলাৰ সামাজিক স্থিতি সলনি কৰিবই লাগিব। অধিকাংশ মহিলাৰ সামাজিক স্থিতি পিতৃ অথবা স্বামীৰ সামাজিক স্তিতিনির্ভৰ আছিল। এই সমস্যা সমাধানৰ এটা পথ আছিল শিক্ষা। মহিলাসকলক শিক্ষালাভ আৰু নিজকে সুসংস্কৃত কৰি তোলাৰ সুবিধাৰ পৰা বঞ্চিত কৰি ৰখা কথাটোৱে সমাজ সংস্কাৰৰ প্ৰয়োজনীয়তা বৃদ্ধি কৰিছিল।

বৃটিছসকলে শিক্ষা লাভৰ বাবে ভাৰতীয় মহিলা সমাজক উলিয়াই অনাৰ ক্ষেত্ৰত বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। পৰ্দা প্ৰথা, বাল্য বিবাহ, নাৰীশিক্ষাৰ প্ৰতি সামাজিক আৰু পৰিয়ালকেন্দ্ৰিক আওকণীয়া মনোভাৱ আদি হ'ল এনে দুটামান প্ৰত্যাহ্বান। কিন্তু লাহে লাহে কেৱল ল'ৰা শিক্ষার্থীৰ বাবে আৰম্ভ কৰা পশ্চিমীয়া শৈলীৰ শিক্ষা ছোৱালীসকলেও গ্ৰহণ কৰিবলৈ ল'লে। কিছুমান নেতৃস্থানীয় লোকে ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক পাঠ্যক্ৰম প্ৰচলনৰ দাবী তুলিলে। তেওঁলোকৰ যুক্তি আছিল যে ছোৱালীৰ জীৱনৰ লক্ষ্য ল'ৰাতকৈ বেলেগ। ১৮৮২ চনৰ শিক্ষা আয়োগে কথাটো মানি লৈ ল'ৰা আৰু ছোৱালী শিক্ষার্থীৰ বাবে সুকীয়া পাঠ্যক্ৰম ঘোষণা কৰিলে।

ছোৱালী আৰু মহিলাৰ শিক্ষাত এনেকৈয়ে নাৰীসুলভ গুণৰ অধিকাৰী হৈ ঘৰুৱা দিশত পাৰ্গত হৈ উঠাৰ লক্ষ্য সন্নিৱিষ্ট হ'ল। নাৰী শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা দুটামান বিষয় আছিল ঘৰুৱা হিচাব-নিকাচ, ৰন্ধনবিদ্যা, বেজী-সূতাৰ কাম, নৈতিক শিক্ষা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা। ছোৱালীসকলক একোগৰাকী সু-পত্নী আৰু সু-মাতৃ হোৱাৰ প্ৰশিক্ষণ দিয়া হৈছিল। নাৰী শিক্ষাৰ এটা অপৰিহার্য বিষয় আছিল গার্হস্থ্য বিজ্ঞান। ইয়াৰ জৰিয়তে ছোৱালীসকলক খাদ্য আৰু পুষ্টি, ঘৰ পৰিচালনাৰ নীতি-নিয়ম, মাতৃত্ব আৰু শিশুৰ কল্যাণ, সাজ-পাৰ কৰা আৰু বস্তৰ বিজ্ঞানৰ শিক্ষা, ব্যক্তিগত পৰিচ্ছন্নতা আৰু বিভিন্ন ৰোগ প্ৰতিৰোধকাৰী দৰৱৰ ব্যৱহাৰ আদি শিকোৱা হৈছিল। কেৱল বুৰ্জোৱা অথবা অভিজাত পৰিয়ালৰ ছোৱালীয়েই এই শিক্ষা গ্ৰহণ কৰা নাছিল। দুখীয়া পৰিয়ালৰ ছোৱালীকো এই শিক্ষা দি 'আধুনিক' ঘৰুৱা অনুশীলনবোৰৰ সৈতে অভ্যস্ত কৰাই লোৱা হৈছিল। পৰৱর্তী সময়ত এই ছোৱালীখিনিক অভিজাত পৰিয়ালসমূহত ঘৰুৱা পৰিচাৰিকা হিচাপে নিয়োগ কৰিলে তেওঁলোকে কামত পৰিদর্শিতা দেখুৱাব লাগিছিল অথবা নিজ নিজ সম্প্ৰদায়ত নৈতিক দিশেৰে পৰিত্ৰ হৈ থাকিবলৈ অন্যক উপদেশ দিব পৰা অভিভাৱকৰ ভূমিকা ল'ব বুলি আশা কৰা হৈছিল। বৃটিছসকলে ভাৰতত নাৰী শিক্ষাৰ প্ৰচলন কৰিছিল যদিও এই শিক্ষা মুঠেও প্ৰগতিশীল নাছিল আৰু ইয়াৰ গতি অত্যন্ত মন্থৰ আছিল।

মুম্বাইৰ শিক্ষানুষ্ঠানসমূহত ছোৱালী শিক্ষার্থীসকলে বিজ্ঞানৰ যিকোনো বিভাগৰ সলনি ঘৰুৱা অর্থনীতি (Domestic Economy) ৰ বিষয়টো পঢ়িব পাৰিছিল। বংগৰ শিক্ষানুষ্ঠানসমূহত ছোৱালীক ছোৱালীক কৃষিবিজ্ঞান অথবা বিজ্ঞান আৰু জ্যামিতিৰ সলনি বেজী-সূতাৰ কাম শিকোৱা

হৈছিল। পাঞ্জাবত ছোৱালী শিক্ষার্থীৰ বাবে মাতৃভাষা মাধ্যমৰ মাধ্যমিক বিদ্যালয়সমূহত এটা সুকীয়া পাঠ্যক্ৰম চলোৱা হৈছিল। এই পাঠ্যক্ৰম ল'ৰা শিক্ষার্থীৰ বাবে থকাতকৈ ভালেখিনি কম পাটীগণিত ৰখা হৈছিল। বহুসময় অতিবাহিত হোৱাৰ পাছতহে পৰিৱৰ্তনৰ প্ৰতি ভাৰতীয় মনোভাৰ সলনি হৈছিল আৰু নাৰী শিক্ষাই প্ৰাপ্য মনোযোগ লাভ কৰিছিল।

১৮৪৮ চনত পুনেত জ্যোতিৰাও ফুলে আৰু সাৱিত্ৰীবাই ফুলেই দেশৰ প্ৰথমখন বালিকা বিদ্যালয় স্থাপন কৰিছিল। বংগৰ ব্ৰাহ্ম সমাজে মহিলাসকলে ধৰ্মীয় নীতি-নিৰ্দেশনা, ঘৰুৱা কাম-কাজৰ দক্ষতা আৰু সামাজিক সমস্যাসমূহৰ বিষয়ে জানব পৰাকৈ ১৮৬৫ চনত এটা প্ৰতিষ্ঠান গঢ়ি তুলিছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, জ্যোতিৰাও ফুলে, সাৱিত্ৰীবাই ফুলে আৰু পণ্ডিতা ৰমাবাইৰ দৰে প্ৰগতিশীল চিন্তা-চৰ্চা কৰা সমাজ সংস্কাৰক সকলে নাৰী শিক্ষাক সমৰ্থন কৰিছিল যদিও বাল গংগাধৰ তিলৰ দৰে পৰম্পৰাবাদী জাতীয়তাবাদী কিছুমান নাৰী শিক্ষাৰ বিৰোধী আছিল। ১৮২০ চনত এখন আইন গৃহীত কৰি বৃটিছ প্ৰশাসনে 'সতী' প্ৰথাৰ বিলোপ ঘটাইছিল আৰু ১৮৫৬ চনত বিধৱা পুনৰবিবাহ আইন বলবৎ কৰিছিল। এনেধৰণৰ সমাজ সংস্কাৰমূলক কাম-কাজে নাৰী শিক্ষাৰ পথ প্ৰশস্ত কৰি তুলিছিল। ভাৰতীয় মহিলাৰ বাবেও বিভিন্ন সামাজিক সা-সুবিধা কালক্ৰমত সুচল হৈ পৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ ঔপনিৱেশিক যুগত নাৰী শিক্ষাক সমৰ্থন কৰা দুগৰাকী মহিলা সমাজ সংস্কাৰকৰ নাম লিখক।

.....

প্ৰশ্ন ৭ ঃ বিধৱা পুনৰবিবাহ আইনখন কোন চনত গৃহীত হৈছিল?

.....



চিন্তা-চৰ্চা কৰক ঃ ৪

ঔপনিৱেশিক যুগত পুৰুষ আৰু নাৰী শিক্ষা কোনবোৰ দিশত পৃথক আছিল?



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাৰ অধিকাংশ ভাৰতীয় জাতীয়তাবাদী আৰু ইতিহাসবিদে বুজি উঠিছিল যে বৃটিছ শাসকসকলৰ একমাত্ৰ অভিপ্ৰায় আছিল অৰ্থনৈতিক। ভাৰতৰ শিক্ষা ব্যৱস্থাৰ

সবল বিকাশৰ কথা চিন্তা কৰাটো তেওঁলোকৰ উদ্দেশ্যৰ ভিতৰুৱা বিষয় নাছিল।

- বৃটিছৰ নীতিবোৰ কেতিয়াও ভাৰতীয় সমাজৰ গভীৰ পৰিৱৰ্তন সাধনৰ অভিপ্ৰায়েৰে যুগুত কৰা হোৱা নাছিল।
- ঔপনিৱেশিক শাসনৰ প্ৰাৰম্ভিক সময়ছোৱাত শিক্ষা প্ৰসাৰৰ বাবে চলা প্ৰচেষ্টাসমূহ মূলতঃ চহৰকেন্দ্ৰিক আছিল। বৃটিছসকল এনে এচাম শিক্ষিত যুৱক সৃষ্টি কৰাত আগ্ৰহী আছিল যিসকলে তেওঁলোকৰ প্ৰশাসনীয় কৰ্তব্য সমাপনত সহায় কৰিব পাৰে।
- বৃটিছ প্ৰশাসনে সাধাৰণ জনগণক শিক্ষিত কৰি তুলিবলৈ কোনো শৈক্ষিক কাৰ্যসূচী আৰম্ভ কৰা নাছিল।
- ইংৰাজী শিক্ষাক অগ্ৰাধিকাৰ দিয়া হৈছিল। ভাৰতৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানকে বৃটিছ শিক্ষানুষ্ঠানৰ আৰ্হিত সজাই তোলা হৈছিল।
- মহিলা, সমাজৰ নিম্নশ্ৰেণীৰ লোক আৰু জনজাতি সম্প্ৰদায়বোৰক প্ৰথম অৱস্থাত শিক্ষা ব্যৱস্থাৰ বাহিৰত ৰখা হৈছিল। পৰৱৰ্তী সময়ত বিভিন্ন ধৰণে এইসকল লোকৰ বাবেও আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ দুৱাৰ মুকলি কৰা হৈছিল।



১৩.৭ অধিক জানিবলৈ

১) h

২) h

৩) h

৪) h

৫) h



১৩.৮ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ উত্তৰ ঃ প্ৰশাসনীয় সহায়কাৰী সৃষ্টি কৰা।

প্ৰশ্ন নং ২ উত্তৰ ঃ সীমিত প্ৰকৃতিৰ।

প্ৰশ্ন নং ৩ উত্তৰ ঃ মৌখিক শিক্ষাদান পদ্ধতি।

প্ৰশ্ন নং ৪ উত্তৰ ঃ ১৮৫৭ চনত।

প্ৰশ্ন নং ৫ উত্তৰ ঃ সংস্কৃত আৰু পাৰ্ছী।

প্ৰশ্ন নং ৬ উত্তৰ ঃ সাৱিত্ৰীবাই ফুলে আৰু পণ্ডিতা ৰমাবাই।

প্ৰশ্ন নং ৭ উত্তৰ ঃ ১৮৫৬ চনত।



১৩.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ পৰম্পৰাগত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ উল্লেক কৰক।

প্ৰশ্ন নং ২ ঃ ঔপনিৱেশিক শিক্ষাৰ চাৰিটা প্ৰভাৱ বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ ঔপনিৱেশিক যুগত নাৰী শিক্ষাৰ ৰেহৰূপ বিষয়ক এখন ৰচনা লিখক।

প্ৰশ্ন নং ২ ঃ ভাৰতত ঔপনিৱেশিক শিক্ষা প্ৰচলনৰ আঁৰৰ উদ্দেশ্য আলোচনা কৰক।

****



প্রসংগ গ্রন্থসমূহ

- Nambissan& Rao. (2013). Sociology of Education in India: Changing Contours and Emerging Concerns. Oxford. New Delhi
- Balantine, et al. (2018).Schools and Society . A Sociological Approach to Education. Sage.Los Angeles
- Bernstein, B.B. " Towards a Sociology of Pedagogy: The Contribution of Basil Bernstein to Research", P. Lang. 2001.
- Bottomore, T.B. (1972). Sociology: A Guide to Problems and Literature. S. Chand.
- Bourdieu, P. "The Formations of Capital", (ed) in J. Richardson, Handbook of Theory and
- Research for the Sociology of Education. New York. 1986
- Bourdieu, P. "The Formations of Capital", (ed) in J. Richardson, Handbook of Theory and
- Research for the Sociology of Education. New York. 1986.
- Choudhary, S. Kumar. (2006). Thinkers and Theories in Sociology: From Comte to Giddens. Gagandeep Publications.
- Cause. L. "Bernstein's Code Theory and the Educational Researcher", Asian Social Science. 2010. 6.5.
- Freire, Paulo. (2016). Education for Critical Consciousness. Bloomsbury. Freire, Paulo. (2017). Pedagogy of the Oppressed. Penguin.
- Haralambos, M & R M Heald. (2011). Sociology Themes and Perspective. Oxford University Press
- Manheim, K. "Ideology and Utopia", Routledge and Kegan Paul. 1936. Ritzer, George. (2008). Modern Sociological Theory. McGraw Hill.
- Sadovnik, A.R. "School Autonomy and Evaluation", (ed) in Bottani and Favre, International Bureau of Education. Paris. 2001.

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ দূৰৱৰ্ত্তী শিক্ষাৰ ধাৰণা
১৪.৩.১ বিশ্বত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ
১৪.৩.২ ভাৰতবৰ্ষৰ দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস
১৪.৩.৩ ভাৰতবৰ্ষত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ আৰু প্ৰয়োগ
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্ৰগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দূৰৱৰ্ত্তী শিক্ষাৰ বিষয়ে নিৰ্ণয় কৰিব পাৰিব
- বিশ্বত দূৰৱৰ্ত্তী শিক্ষাৰ গঠন সম্বন্ধে ব্যাখ্যা কৰিবলৈ আৰু ভাৰতবৰ্ষৰ দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস বৰ্ণনা কৰিবলৈ সমৰ্থ হ'ব
- ভাৰতবৰ্ষত দূৰৱৰ্ত্তী শিক্ষাৰ গঠন আৰু প্ৰয়োগৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

শিক্ষা হ'ল এক জীৱনযোৱা প্ৰক্ৰিয়া। ইয়াৰ দ্বাৰা মানুহে অভিজ্ঞতা আহৰণ কৰি সমাজত অৰ্থপূৰ্ণভাবে স্থিতি লাভৰ প্ৰয়োজনীয়তা পুৰণ কৰিবলৈ সমৰ্থবান হয়। সেয়েহে শিক্ষাক আমাৰ আৰ্থ-সামাজিক বিকাশৰ 'মূল শিলা' বুলি অভিহিত কৰা হয়। শিক্ষাই মানুহক জ্ঞানৰ যোগান ধৰে, প্ৰয়োজন আধাৰিত সামৰ্থতা কিছুমানৰ সৈতে সজ্জিত কৰি তোলে আৰু যোগাত্মক দিশত তেওঁলোকক মনোযোগ দিয়াৰ নিৰ্দেশনা যোগান ধৰে। এখন দেশৰ বিকাশৰ প্ৰাক্ প্ৰয়োজনীয়তাখিনি হ'ল শিক্ষা আৰু ব্যক্তিসকলৰ সামগ্ৰীক বিকাশ আৰু কল্যাণত ই নানা ধৰণেৰে অৰিহনা যোগায়। সেয়েহে মানৰ সম্পদ গঠনত শিক্ষাই মূলধন হিচাপে কাৰ্য সম্পাদন কৰে। বিকাশমুখী ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষই বৰ্তমান মানৰ গতিশীলতা ক্ষীপ্ৰতৰ কৰি তুলিবলৈ যত্নপৰ হৈছে। যদিও ভৌগোলিকভাৱে ভাৰতবৰ্ষৰ বহুখিনি সামৰ্থতা আছে, তথাপি মানৱশক্তিৰ গঠন আৰু উৎপাদনমুখী কাৰ্যসূচীত জড়িত পৰ্যায়ত আজিওঁ পূৰ্ণভাৱে বাধাপ্ৰাপ্ত হৈ আছে।

উন্নত ৰাষ্ট্রসমূহৰ লগতে উন্নয়নশীল ৰাষ্ট্র যেনে শ্রীলংকা, চীন আদি দেশৰ তুলনাত ভাৰতবর্ষৰ স্বাক্ষৰতাৰ হাৰ বহুত কম। আনকি ভাৰতবর্ষৰ ভিতৰতে বিভিন্ন প্রদেশত ইয়াৰ ভিন্নতা দেখা যায়। অঞ্চলভেদে আজিওঁ নিয়োগ ব্যৱস্থা, লিংগ ভিন্নতা পূর্ণ শিক্ষা, আঞ্চলিক বৈষম্য, শিক্ষাৰ ক্ষেত্রত নামভর্ত্তিৰ হাৰৰ বৈষম্য দেখিবলৈ পোৱা যায়। আনকি স্বাক্ষৰতা পর্য্যায়তো ভিন্নতা প্রদর্শিত হৈ থকা পৰিলক্ষিত হৈছে। যিয়েই নহওঁক আমি আমাৰ লক্ষ্যৰ নিশ্চিত গঠনত উপনীত হ'ব লাগিব, সহশ্রাব্দৰ বিকাশৰ উদ্দেশ্যত উপনীত হ'ব লাগিব আৰু মানৱ মূলধনৰ গঠনত স্থিত হ'ব লাগিব। শিক্ষাই হ'ল আমাৰ প্রয়োজন আৰু আকাংক্ষা পূৰণৰ একমাত্র পথ আৰু ই আমাক লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। কাৰণ শিক্ষিত ব্যক্তিসকল সাধাৰণতে সুন্দৰ উৎপাদনশীল কর্মী হয়। তেওঁলোকে সম্পদসমূহ ফলপ্রসু হোৱাকৈ ব্যৱহাৰ কৰিব পাৰে, নতুন প্রযুক্তিগত কৌশল অৱলম্বন কৰিব পাৰে আৰু তেওঁলোকৰ ভুলবোৰৰ পৰা নিজেই শিকিব পাৰে। আমাৰ দেশত বসবাস কৰা সকলোবোৰ ব্যক্তিৰে শিক্ষা লাভ কৰাৰ অধিকাৰ আছে আৰু ইয়াক মানৱ অধিকাৰ হিচাপে অভিহীত কৰা হৈছে। সেয়েহে এইটো এটা অতি গুৰুত্বপূর্ণ কথা যে ব্যক্তিসকলক বিভিন্ন প্রকাৰৰ মাধ্যমৰ সহায়ত শিক্ষা লাভৰ সুবিধা প্রদান কৰিব লাগিব। মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাটোৱে হ'ল এই ক্ষেত্রত প্রয়োগ কৰিব পৰা আটাইতকৈ সুবিধাজনক ব্যৱস্থা। ইয়াৰ মাধ্যমত সকলো স্থানৰ সকলো ব্যক্তিৰ দু�ৱাৰ দলিলৈ শিক্ষাৰ বাতাবৰণ আনি দিব পৰা যায়। যিবিলাকে নানা ধৰণৰ অসুবিধাৰ বাবে শিক্ষা লাভ কৰিব পৰা নাই, সুবিধা লাভৰ পৰা বঞ্চিত হৈ আছে, পৰম্পৰাগত ব্যৱস্থাৰ লগত খাপ খাব পৰা নাই, আনুষ্ঠানিক শিক্ষা লাভ কৰিব পৰা নাই তেওঁলোকেওঁ এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হ'ব। এই ব্যৱস্থাটোৱে অগণন ব্যক্তিক কম সময় আৰু সুবিধাৰ মাধ্যমত শিক্ষালাভৰ বাবে সামৰি ল'ব পাৰে বিশেষকৈ গৃহিনীসকল, কর্মৰত ব্যক্তিসকল, আৰু স্ব-নিয়োগীসকলক যিসকল শিক্ষালাভৰ পৰা বঞ্চিত হৈ আছে। এনেবোৰ দিশলৈ লক্ষ্য ৰাখি আমি মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো । এই প্রচেষ্টাৰ ত্রুটি আৰু সামর্থতাখিনিৰ বিষয়েওঁ আলোচনা কৰাৰ অৱকাশ আছে। তলত উল্লেখ কৰা দিশবোৰে উদ্দেশ্যত উপনীত হোৱাত অৰিহণা যোগাব বুলি ক'ব পৰা যায়।

১4..৩ দূৰৱর্ত্তী শিক্ষাৰ ধাৰণা

দূৰৱর্ত্তী শিক্ষা হ'ল শিক্ষা সম্প্রসাৰণৰ এটি তাৎপর্যপূর্ণ ধাৰণা। ইয়াৰ মাজেৰে ভৌগোলিক, শিক্ষকৰ বৈষয়িক অস্তিত্ব, সময়, বয়স আদিৰ ব্যৱধান নোহোৱাকৈ ব্যক্তিসকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হয়। এখন জ্ঞান আধাৰিত সমাজত দূৰৱর্ত্তী আৰু মুক্ত শিক্ষণ ব্যৱস্থাটো হ'ল ব্যক্তিসকলৰ বাবে অতি গুৰুত্বপূর্ণ মাধ্যম। ভাৰত চৰকাৰে একাদশ পঞ্চম বার্ষিক পৰিকল্পনাত শতকৰা ৪০ ভাগ শিক্ষার্থীক মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ মাধ্যমত সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰি লৈছে। এই ব্যৱস্থাটোৰ নমনীয়তাৰ বাবে ইয়াক যিকোনো সময়তে যিকোনো ঠাইত যিকোনো প্রকাৰে আহৰণ কৰিব পৰা যায়। এই ব্যৱস্থাটোৰ অন্তৰালৰ মূল উদ্দেশ্য হ'ল ভাৰতবর্ষৰ সকলো প্রান্ততে শিক্ষা ব্যৱস্থাটোক গণতান্ত্রিক কৰি তোলা। মুক্ত আৰু দূৰৱর্ত্তীশিক্ষা ব্যৱস্থাৰ

কেইটামান লক্ষ্য হ'ল সুন্দৰভাবে লাভ কৰিব পৰা শিক্ষা, কম খৰছৰ, অধিক নমনীয়তাপূর্ণ আৰু উচ্চ মানদণ্ড সম্পন্ন। পেৰাটন (Perraton) নামৰ চিন্তাবিদ গৰাকীৰ মতে দূ�ৰৱৰ্ত্তীশিক্ষা হ'ল "এবিধ শিক্ষা প্রক্রিয়া য'ত শিক্ষণৰ কিছু বৈশিষ্ট্যপূর্ণ অংশ শিক্ষার্থীসকলৰ সময় আৰু স্থানৰ ব্যৱধানত ৰাখি কাৰোবাৰ দ্বাৰা সম্পন্ন কৰা হয়" (১৯৮১)। সেইদৰে অছোৱা (Ochoa) নামৰ চিন্তাবিদ গৰাকীয়ে কৈছে যে "দূৰৱৰ্ত্তী শিক্ষা হ'ল নির্বাচিত নিদের্শনাত্মক মাধ্যম ব্যৱহাৰিত এটা পদ্ধতি, ইয়াত পৰম্পৰাগত আৰু নব্য উদ্ভাৱনমূলক দুয়োবিধ আহিলাৰ ব্যৱহাৰৰ দ্বাৰা শৈক্ষিক উদ্দেশ্যত উপনীত হোৱাৰ বাবে অনাতাঁৰ শিকন শিক্ষণ প্রক্রিয়াৰ উন্নতি সাধনৰ দ্বাৰা পৰম্পৰাগত মুখামুখি শিক্ষা পদ্ধতিতকৈ অধিকভাৰে সম্ভাৱনাসূচক ভৌগোলিক পৰিসীমাৰ শিকাৰুক সামৰি লোৱা হয়"।

ওপৰৰ সংজ্ঞাৰ পৰা এইটো স্পষ্ট যে দূৰৱৰ্ত্তী শিক্ষা মানে -

- শিক্ষক আৰু শিক্ষার্থীৰ মাজত পৃথকীকৰণ বা ব্যৱধান
- আনুষ্ঠানিক স্বীকৃতি
- মিশ্র পদ্ধতিৰ পাঠ্যক্রম ব্যৱস্থা
- দ্বৈত পদ্ধতিৰ যোগাযোগ ব্যৱস্থা
- মুখামুখি যোগাযোগৰ সম্ভাৱনীয়তা
- উদ্যোগীকৰণ প্রক্রিয়াৰ ব্যৱহাৰ।

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাই হ'ল একমাত্র দুৱাৰমুখ যি ব্যৱস্থাৰ দ্বাৰা সুবিধা লাভৰ পৰা বঞ্চিতসকলে পৰম্পৰাগত শিক্ষাৰ পৰিবর্ত্তে জীৱনযোৱা শিক্ষা লাভৰ সুবিধা লাভ কৰিব পাৰে আৰু উচ্চ শিক্ষাক নমনীয়ভাৰে কম খৰছত আয়ত্ব কৰিব পাৰে।

এই পদ্ধতিয়ে সামৰি লোৱা জনসংখ্যাসমূহ হ'ল-

- যিসকলে অর্থনৈতিক বাধ্যবাধকতাৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয় শিক্ষাৰ পৰা আঁতৰি আহিছিল আৰুবর্তমান তেওঁলোক ব্যৱসায় বাণিজ্য আদিত জড়িত হৈ আছে।
- যিবিলাক মহিলাই কম বয়সতে বৈবাহিক সম্বন্ধ স্থাপন কৰি বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষা অসম্পূর্ণ কৰিছে,
- যিবিলাকে তেওঁলোকৰ বৃত্তিৰ বাবে প্রয়োজনীয় পদবীৰ বাবে শিক্ষা সম্পূর্ণ নকৰাকৈ কার্যালয় আৰু উদ্যোগ আদিত কাম কৰি আছে,
- গৃহিনীসকল যিবিলাকে সময়মতে পৰম্পৰাগত পদ্ধতিৰে শিক্ষা লাভ কৰিবলৈ সক্ষম নহ'ল আৰু বর্তমান তেওঁলোক শিক্ষা লাভৰ বাবে ইচ্ছুক,
- যিবিলাকে ভৱিষ্যতে সুন্দৰ নিয়োগ ব্যৱস্থালৈ অগ্রসৰ হ'ব পাৰিব বুলি আশা কৰি উন্নত শিক্ষা ল'ব বিচাৰে,
- ইয়াৰ উপৰিওঁ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই চাকৰি জীৱি বা বৃত্তিমুখী ব্যক্তিসকলক বৃত্তিগত ধাৰণাৰ বাবে প্রয়োজনীয় অর্হতা আৰু প্রশিক্ষণ লাভৰ বাবে কর্ম ক্ষেত্রৰ মাধ্যমতে সমর্থবান কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দূৰৱৰ্ত্তী শিক্ষা মানে আপুনি কি বুজে?

.....

.....

প্রশ্ন নং ২ঃ দূৰৱৰ্ত্তী শিক্ষাক কিয় গুৰুত্বপূর্ণ বুলি ভাবে?

.....

১4.৩.১ বিশ্বত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ

দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস বহু দীঘল। আগতে ইয়াক যোগাযোগ পাঠ্যক্রম বুলি জনা গৈছিল। যোগাযোগ শিক্ষা মানে হ'ল এনে এটা শিকণ শিক্ষণ অৱস্থা য'ত শিক্ষক আৰু শিকাৰুৰ মুখামুখী হোৱাৰ ব্যৱস্থা নাই। তেওঁলোকে পাৰস্পৰিক ক্রিয়া সম্পাদন কৰে ডাক যোগাযোগৰ মাধ্যমত। ছপা সামগ্রী হ'ল শিক্ষাৰ মাধ্যম আৰু ছপা কৰা পাঠটোকা সমূহেই হ'ল শিকাৰুৰ বাবে শিক্ষণ সমল। যোগাযোগ শিক্ষা ব্যৱস্থাই স্থিতি লাভ কৰিছিল ১৮৪০ চনত ইংলেণ্ডত আইজাক পিটমেনৰ কার্যসূচীৰ মাধ্যমত। তেওঁ ইংলেণ্ডৰ বহুবোৰ ঠাইত থকা ছাত্রক ডাক যোগাযোগৰ মাধ্যমত চমু লিখনৰ (চর্টহেণ্ড) টিউচন কৰিছিল। আর্ন্তজাতিক পর্যায়ত দূৰৱৰ্ত্তীৱর্তী শিক্ষণ ব্যৱস্থাৰ প্রচলন হৈছিল ১৮৮৩ চনত এগৰাকী ব্যক্তিগত শিক্ষকৰ শিক্ষাদানৰ মাধ্যমত। শিক্ষক গৰাকীয়ে ইংৰাজী বাক্য গঠন প্রণালীটো দ্বৈত পদ্ধতিৰে ডাকযোগে শিকাইছিল। পৰৱর্তী সময়ত শিক্ষাবিদসকলে ভাবিছিল যে 'দূৰৱৰ্ত্তী শিক্ষাৰ' ধাৰণাটো 'যোগাযোগ শিক্ষা'ৰ ধাৰণাটোতকৈ অধিকভাৱে গ্রহণ যোগ্য হ'ব। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষার্থী সমর্থিত সেৱাসমূহ আৰু বিভিন্ন ধৰণৰ মূল্যায়ন পদ্ধতি সমূহ হ'ল গুৰুত্বপূর্ণ উপাদান। ই হ'ল এক শিকাৰু আধাৰিত প্রয়াস। এই ব্যৱস্থাত ছপামাধ্যমসমূহৰ বাহিৰেওঁ বহুবোৰ অনা ছপা মাধ্যমো ব্যৱহাৰ কৰা হয়, যেনে- ৰেডিওঁ, দুৰাভাষ যন্ত্র, শ্রব্য কেচেট, ভিডিওঁ কেচেট, কম্পিউটাৰ আৰু আন আন বৈদ্যুতিক মাধ্যমসমূহ।

'মুক্ত শিক্ষণ' নামকৰণ কৰা হৈছিল ১৯২৯ চনত পিটমেনৰ এখন মুখপত্রত (ৰৌউনট্রি ১৯৯২)। মুক্ত বিশ্ববিদ্যালয় স্থাপন হোৱাৰ বহুবছৰ আগতে এই ধাৰণা প্রকাশিত হৈছিল মুখপত্রখনত। কাৰণ 'যুক্তৰাজ্য মুক্ত বিশ্ববিদ্যালয়' ইংলেণ্ডত ১৯৬৯ চনতহে স্থাপন কৰা হৈছিল। এই শিক্ষা ব্যৱস্থাটোৰ অগ্রদূত আছিল পিটমেন, তেওঁই প্রথমতে যোগাযোগ পদ্ধতিৰ মাধ্যমত চমু লিখন ব্যৱস্থাটোৰ শিক্ষা সম্প্রসাৰণ কৰিছিল। মুক্ত শিক্ষণ আৰু মুক্ত শিক্ষা নিবিড়ভাবে অনুসংগিত। আজি, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ হ'ল অতি জনপ্রিয় মাধ্যম যিটোৰ মাধ্যমত ব্যক্তিসকলে সহজে বিশ্ব শিক্ষণ ব্যৱস্থাটোক নিজৰ দুৱাৰ দলিলৈ লৈ আনিব পাৰে।

'কমন ওৱেলথ শিক্ষণ' হ'ল এটা গুৰুত্বপূৰ্ণ সংগঠন। এই সংগঠনটোৱে কমন ওৱেলথ সদস্য ৰাষ্ট্ৰবোৰক দূৰৱৰ্ত্তী শিক্ষণ আৰু প্ৰযুক্তিবিজ্ঞানৰ সম্ভাৱনীয়তাৰ বিকাশত সহায় আগবঢ়ায় আৰু ব্যক্তিসকলৰ শিক্ষণ সুগম কৰি তোলে। 'কমন ওৱেলথ শিক্ষণ'য়ে গুণগত শিক্ষণৰ সমতাসম্পন্ন সুগম ব্যৱস্থা কৰাত অগ্ৰাধিকাৰ দিছে। 'কমন ওৱেলথ শিক্ষণ' প্ৰথমতে আৰম্ভ হৈছিল ১৯৮৮ চনত কমন ওৱেলথ ৰাষ্ট্ৰবোৰৰ ১০খন মুক্ত বিশ্ববিদ্যালয়ক লৈ। ২০০৮ চনত ইয়াৰ সদস্য সংখ্যা বৃদ্ধি হয় ২৭খনলৈ। ইয়াৰ পৰা ক'ব পাৰি যে এই শিক্ষা ব্যৱস্থাটোৰ বিকাশত অনুষ্ঠানবোৰে নিস্বাৰ্থ সেৱা আগবঢ়াইছে আৰু বিকাশমুখী কমন ওৱেলথ ৰাষ্ট্ৰবোৰৰ উচ্চ শিক্ষাৰ বাতাবৰণ উন্নত কৰি তুলিবলৈ অৰিহণা যোগাইছে। এচিয়াত বিশ্বৰ ভিতৰত আটাইতকৈ বেছি সংখ্যক মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ বয়স্ক শিকাৰু আছে। এই শিকাৰু সকলক ৭০খন মুক্ত বিশ্ববিদ্যালয়ে শিক্ষা আহৰণৰ সুবিধা প্ৰদান কৰিছে তাৰ ভিতৰত ১৩খন বৃহৎ পৰিসৰৰ বিশ্ববিদ্যালয়। ভাৰতবৰ্ষত অকলেই ১৫খন মুক্ত বিশ্ববিদ্যালয় আছে, প্ৰায় ১১৭খন দ্বৈত পদ্ধতিৰ অনুষ্ঠান আছে। উক্ত অনুষ্ঠানবোৰে সামগ্ৰীকভাৱে ৭ মিলিয়ন শিকাৰুক শিক্ষা আহৰণৰ সুবিধা আগবঢ়াইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ যোগাযোগ শিক্ষা দূৰৱৰ্ত্তী শিক্ষা আৰু মুক্ত শিক্ষা মানে আপুনি কি বুজে?

.....

১৪.৩.২ভাৰতবৰ্ষৰ দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ত মাত্ৰ ২০খন পৰম্পৰাগতভাৱে চলিত বিশ্ববিদ্যালয় আৰু ৫০০খন মহাবিদ্যালয় আছিল। স্বাধীনতাৰ পিছত ভাৰতবৰ্ষত উচ্চশিক্ষাৰ সংখ্যাগত আৰু গুণগত সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা আহি পৰিছিল। ব্যক্তিসকলৰ প্ৰয়াস আৰু অৰ্থনৈতিক দিশ পূৰণৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত ল'বলগীয়া হৈছিল।১৯৬১ চনত ড° ডি এচ কোঠাৰীৰ নেতৃত্বত ১০ জন সদস্য পূৰ্ণ এখন আয়োগ ভাৰত চৰকাৰে গঠন কৰিছিল। সেই আয়োগে ব্যক্তিসকলক উচ্চশিক্ষাৰ ক্ষেত্ৰত সোমাই ল'ব পৰাৰ বিষয়ে উপায় তথা পৰামৰ্শ আগবঢ়াইছিল। আয়োগৰ পৰামৰ্শ আছিল যে পৰম্পৰাগত ভাৱে চলি থকা বিশ্ববিদ্যালয়বোৰতে একেমানদণ্ডৰে যোগাযোগ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হওঁক। সেই পৰামৰ্শ অনুসৰি দিল্লী বিশ্ববিদ্যালয়ে ১৯৬২ চনত যোগাযোগ পাঠ্যক্ৰম আৰু অবিৰত শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰে। অগ্ৰণী পৰিকল্পনা হিচাপে শিক্ষা লাভৰ বাবে আগ্ৰহীসকলৰ পৰা যথেষ্টভাৱে সমাদৰ লাভ

কৰে। পৰবৰ্ত্তী সময়ত বহুবোৰ পৰম্পৰাগতভাৱে চলি থকা বিশ্ববিদ্যালয়ে যোগাযোগ পাঠ্যক্ৰম সঞ্চালকালয় স্থাপন কৰে। বৰ্তমান সময়ত ২০০ তকৈওঁ অধিক বিশ্ববিদ্যালয়ে দূৰৱৰ্ত্তীশিক্ষা সঞ্চালকালয় খুলি দূৰৱৰ্ত্তীশিক্ষা ব্যৱস্থাৰ মাধ্যমত বিভিন্ন ধৰণৰ পাঠ্যক্ৰমৰ প্ৰসাৰণ ঘটাই আছে।

'মুক্ত আৰু দূৰৱৰ্ত্তীশিক্ষণ' ব্যৱস্থাৰ পৰিপূৰ্ণতা বিশ্বৰ দৰবাৰলৈ আহে ১৯৬৯ চনত সংযুক্ত ৰাজ্যত স্থাপন কৰা 'সংযুক্ত ৰাজ্য মুক্ত বিশ্ববিদ্যালয়' গঢ় লৈ উঠাৰ পিছতহে। ইয়াৰ প্ৰভাৱ ভাৰতবৰ্ষতো পৰিছিল। ভাৰতবৰ্ষত প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল 'অন্ধ্ৰপ্ৰদেশ মুক্ত বিশ্ববিদ্যালয়' হিচাপে বৃটিছ মুক্ত বিশ্ববিদ্যালয়ৰ আৰ্হিত। ১৯৮২ চনৰ ২৬ আগষ্টত ৰাজ্যিক আইন অনুসাৰে এই বিশ্ববিদ্যালয স্থাপন হৈছিল আৰু বৰ্তমান ইয়াৰ নাম ৰখা হৈছে 'ড° বি আৰ আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়' হিচাপে। ভাৰতবৰ্ষৰ প্ৰথম মুক্ত বিশ্ববিদ্যালয়খনৰ উদ্দেশ্য আছিল যিবিলাক বয়স্ক শিকাৰুৱে বিভিন্ন অসুবিধাৰ বাবে পৰম্পৰাগতভাৱে চলি থকা বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভৰ সুযোগ সুবিধা লাভৰ পৰা বঞ্চিত হৈ থকা দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে উচ্চ শিক্ষাৰ সুবিধাক গণতান্ত্ৰিক কৰি তোলা।

দ্বিতীয়খন মুক্ত বিশ্ববিদ্যালয় হ'ল ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় বা IGNOU। এই বিশ্ববিদ্যালয়খন সংসদৰ আইন মতে ১৯৮৫ চনত স্থাপন কৰা হয় দিল্লীত আৰু ইয়াৰ পৰিসৰ সমগ্ৰ ভাৰতবৰ্ষ আবৰি আছে। পৰ্য্যায়ক্ৰমে কোটা মুক্ত বিশ্ববিদ্যালয় (২০০২), নালণ্ডা মুক্ত বিশ্ববিদ্যালয় (১৯৯৫), যশোৱন্ত ৰাওঁ চৱন মহাৰাষ্ট্ৰ মুক্ত বিশ্ববিদ্যালয় (১৯৮৯) আদিৰ দৰে মুক্ত বিশ্ববিদ্যালয়বোৰ ৰাজ্য চৰকাৰসমূহৰ প্ৰচেষ্টা আৰু আইন অনুসাৰে গঢ় লৈ উঠে। অসম চৰকাৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ৰাজ্যিক আইন অনুসাৰে ২০০৬ চনত স্থাপন কৰিছিল। শেহতিয়াকৈ উৰিষ্যা চৰকাৰে ২০১৫ চনত উৰিষ্যা

ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰিছে।বৰ্তমান ভাৰতবৰ্ষত ১৪ খন মুক্ত বিশ্ববিদ্যালয় বিভিন্ন ৰাজ্যত স্থাপিত হৈছে আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় হ'ল একমাত্ৰ ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা প্ৰতিষ্ঠানসমূহ মূল উদ্দেশ্য হ'ল ভাৰতবৰ্ষত শিক্ষাক গণতান্ত্ৰিকভাৱে জনসমাজলৈ সম্প্ৰসাৰণ কৰা। বৰ্তমান মুক্ত শিক্ষা ব্যৱস্থাৰ নামভৰ্ত্তিৰ হাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত শতকৰা ১১.৪৫% যিটো বিশেষভাৱে বৈশিষ্ট্যপূৰ্ণ।



জানি থোৱা ভাল

কেন্দ্ৰীয় বা ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়

১) ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU), ১৯৮৫

ভাৰতবৰ্ষৰ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়সমূহ-

১) অন্ধ্রপ্রদেশ- ড° বি আৰ আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়, (হাইদৰাবাদ, ১৯৮২)
২) মহাৰাষ্ট্ৰ- যশোৱন্তৰাওঁ চৱন মহাৰাষ্ট্ৰ মুক্ত বিশ্ববিদ্যালয়, ১৯৮৯
৩) মধ্য প্ৰদেশ- মধ্যপ্ৰদেশ ভোজ (মুক্ত) বিশ্ববিদ্যালয়, ১৯৯১
৪) গুজৰাট- ড° বাবা চাহেব আম্বেদ্কাৰ মুক্ত বিশ্ববিদ্যালয়, ১৯৯৪
৫) বিহাৰ-নালণ্ডা মুক্ত বিশ্ববিদ্যালয়, ১৯৯৫
৬) কর্ণাটক - কর্ণাটক ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়, ১৯৯৬
৭) পশ্চিমবংগ- নেতাজী সুভাষ মুক্ত বিশ্ববিদ্যালয়-কোলকাতা, ১৯৯৭
৮) উত্তৰ প্ৰদেশ- ৰাজৰ্শী টেণ্ডন মুক্ত বিশ্ববিদ্যালয়, ১৯৯৯
৯) ৰাজস্থান- বৰ্ধমান মহাবীৰ মুক্ত বিশ্ববিদ্যালয়, (আগৰ কোটা) ২০০২
১০) তামিলনাড়ু- তামিলনাড়ু মুক্ত বিশ্ববিদ্যালয়, চেন্নাই, ২০০২
১১) চটিচ্গড় - পণ্ডিত সুন্দৰ লাল শৰ্মা মুক্ত বিশ্ববিদ্যালয়, চট্টিচ্গড়, ২০০৪
১২) উত্তৰাঞ্চল- উত্তৰাঞ্চল মুক্ত বিশ্ববিদ্যালয়, ২০০৬
১৩) অসম- কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ২০০৬
১৪) উৰিষ্যা- উৰিষ্যা ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ২০১৫



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক-

(ক) বিশ্বত প্ৰথমখন বিশ্ববিদ্যালয় স্থাপন হৈছিল ..... চনত।

(খ) বৰ্তমান ভাৰতবৰ্ষত ..... খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু ..... খন ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় আছে।

(গ) ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় স্থাপিত হৈছিল ..... চনত।

(ঘ) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয় ..... চনত স্থাপন কৰা হৈছিল।

(ঙ) দিল্লী বিশ্ববিদ্যালয়ত ..... চনত যোগাযোগ পাঠ্যক্ৰম আৰু অবিৰত শিক্ষা প্ৰতিষ্ঠান স্থাপিত হৈছিল।

১৪).৩.৩ ভাৰতবৰ্ষত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ আৰু প্ৰয়োগ

আমি যেতিয়াই দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ আৰু বিকাশৰ কথা ভাবো তেতিয়াই জানিব পাৰো যে এই শিক্ষাই বহু পর্য্যায় অতিক্ৰম কৰি আহিছে। এই সন্দর্ভত অধ্যাপক জেমচ্ চি টেইলৰে দূৰৱৰ্ত্তী শিক্ষাৰ পাঁচটা ভাগৰ বা পর্যায়ৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল -

- ছপা প্ৰযুক্তিবিদ্যাৰ ওপৰত আধাৰিত যোগাযোগ আৰ্হি
- ছপা,শ্ৰৱন আৰু ভিডিওঁ প্ৰযুক্তিবিদ্যাৰ ওপৰত আধাৰিত বহু মাধ্যম আৰ্হি
- সমসাময়িক যোগাযোগ যোগান, তাৰ সংযোগ প্ৰযুক্তি বিজ্ঞানৰ প্ৰয়োগৰ ওপৰত

সমকালীন (চিনক্রোন
সমসাময়িক আহিলা বা এ
আহিলাসমূহে এক 'একে
বিভিন্ন স্থানত' ধাৰণাৰে
সময়ৰ যোগাযোগ সম্ভ
তোলে।
আহিলাসমূহে সময়ত এট
যোগাযোগ স্থাপন কৰে অ
সময়তে সমসাময়িক
ৰূপেওঁ কার্য সম্পাদন কৰে
শ্ৰৱন অভিবর্ত্তন, ভিডিওঁ অ
ৰূপে অভিবর্ত্তন আদি
'চিনক্রোনাচ্' আহিলা।

অসমকালীন (অচিনক্রে
অচিন ক্রোনাচ্ বা অসম
আহিলাসমূহে 'বিভিন্ন সময়
স্থানৰ' ধাৰণাৰে কিছুসময়
যোগাযোগ সম্ভব কৰি তো
আহিলাবোৰে ব্যক্তি
প্ৰত্যেককে নিজৰ সুবিধ
অনুসাৰে সংযোজিত
অৱহণা যোগায়। অচিন
আহিলাবোৰ উক্তি আৰু সহ
প্ৰদর্শন কৰাৰ ক্ষেত্ৰত উপ
কিছুসময়ৰ বাবে ব্যক্তি
সমলসমূহ দিবা বা ৰাতিৰ
যোগান ধৰাৰ লগতে ত
কৰি তোলে।
অচিন ক্রোনাচ্ আহিল
ব্যক্তিসকলক বহু বিকল্প
ক্ষেত্ৰত সুবিধা আনি দিয়ে
এই আহিলাবোৰে এট
পাৰস্পৰিক ক্রিয়াৰ ইতিহাস
লোকাটো সহায় কৰে। ই যৌ
কৰিছে। প্ৰদান কৰে
সহজভাৰে অংশ গ্ৰহণৰ
বিতৰণ ক্রিয়া সম্পাদন
কথোপকথন ফলি,ৰেৱে
বৈদ্যুতিক ডাক প্ৰেৰণৰ অ
পৃথি আদি হ'ল কিছুমান

আধাৰিত তাৰ-শিক্ষণ আৰ্হি

- অন লাইন বা ইণ্টাৰনেট আধাৰিত শিথিলতাপূর্ণ শিক্ষণ আৰ্হি
- অগ্রবর্ত্তী তাৰ সংযোগ বা অনলাইন প্রযুক্তিসমূহৰ ওপৰত আধাৰিত বুদ্ধি সম্পন্ন শিথিলতাপূর্ণ শিক্ষণ আৰ্হি।

আজি মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষণ ব্যৱস্থাই সামৰি লৈছে–

- আন্তঃ সক্রিয় বহুমাধ্যম প্রেৰণ, চিডি ৰ'ম ইণ্টাৰনেট আধাৰিত শিক্ষাদান
- যিকোনো স্থানত যিকোনো সময়ত শিকাৰু সমর্থিত বৃদ্ধিপূর্ণ গুণ
- ***সমকালীন (চিনক্রোনাচ)*** আৰু ***অসমকালীন (অচিনক্রোনাচ)*** যোগাযোগ,
- অংশগ্রহণ/অবদান আগবঢ়াবলৈ ইচ্ছুক শিকাৰুসকলৰ বাবে সমান ধৰণৰ সুবিধা
- শিক্ষক শিকাৰু সমবন্ধুসকলৰ মাজত পাৰস্পৰিক আলোচনা
- সামাজিক সংযোগ আৰু সহযোগী কর্ম

আমি দেখিবলৈ পাইছো যে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাটোৱে আমাৰ দেশত কেইবাটাও পদক্ষেপ আগবাঢ়ি গৈ দীঘলীয়া পথ অতিক্রম কৰিছে। কিন্তু এতিয়াওঁ সকলোকে শিক্ষাৰ সুবিধা প্রদান কৰাৰ ক্ষেত্রত বহুবোৰ কাম বাকী আছে। তলত দিয়া তালিকাখনত বিকাশৰ ধাৰাৰ ক্ষেত্রত অৰিহণা যোগোৱা শিক্ষানুষ্ঠান আৰু শিকাৰুৰ সংখ্যা দেখুওৱা হৈছে।

তালিকা ১ .১ ঃ ভাৰতবর্ষৰ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ অনুষ্ঠানসমূহ ১৯৬২-২০১০

বছৰ	দ্বৈত ধৰণ বিশ্ববিদ্যালয়/প্রতিষ্ঠান	একক ধৰণ মুক্ত বিঃ বিঃ সমূহ	মুঠ মুক্ত শিক্ষাৰ অনুষ্ঠানসমূহ
১৯৬২	১	---	১
১৯৭৫	২২	---	২২
১৯৮২	৩৪	১	৩৫
১৯৮৫	৩৮	২	৪০
১৯৯০	৪৬	৫	৫১
২০০০	৭০	৯	৭৯
২০০৫	১০৬	১৩	১১৯
২০১০	২৪২	১৪	২৫৬
২০১৭	১১৭	১৫	১৩২

উৎস ঃ Distance Education Bureau, UGC.

ওপৰত দেখুওঁৱা তালিকাখনৰ পৰা বুজা গ'ল যে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা অনুষ্ঠানৰ গঠনৰ ধাৰা কিছুপৰিমাণে ক্ষীপ্রতৰ। এই অনুষ্ঠানসমূহে দূৰৱর্ত্তী আৰু মুক্ত শিক্ষণ আমাৰ দেশৰ বহুসংখ্যক ব্যক্তিক সহজে লাভ কৰাৰ ক্ষেত্রত বৈশিষ্ট্যপূর্ণ ভূমিকা গ্রহণ কৰিছে আৰু অৱদান আগবঢ়াইছে। দ্বিতীয়খন তালিকাত দূৰৱর্ত্তী শিক্ষাৰ অনুষ্ঠানত শিকাৰুৰ নামভর্ত্তি কৰণৰ ক্রমাগত হাৰ দেখুওৱা হৈছে।

তালিকা ১ .২ ঃ দূৰৱৰ্ত্তী শিক্ষাত নামভর্তিৰ গঠন

বর্ষ	দূৰৱৰ্ত্তী শিক্ষাত মুঠ নামভর্তি
১৯৮৩-৮৪	৬২৩১
১৯৮৮-৮৯	৬২৯২৩
১৯৯৩-৯৪	১৭০৩৭২
১৯৯৮-৯৯	৩৪১৪৪৪
২০০৩-০৪	৭৫০৩৪২
২০০৮-০৯	১৪৭২৩৭৯
২০১৩-১৪	২১০৪২৯১
২০১৪-১৫	৩৮১১৭২৩

উৎস ঃ Distance Education Bureau, UGC.

আমি ক'ব পাৰো যে মুক্ত শিক্ষণ ব্যৱস্থাটো এটা সমর্থবান শিক্ষা আহৰণৰ বিকল্প আৰু ইয়াৰ মাজেৰে সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক ব্যৱধান নোহোৱাকৈ সকলোৱে শিক্ষা লাভৰ সুবিধা ল'ব পাৰে।

মুক্ত শিক্ষা ব্যৱস্থাটোৱে সঠিক সময়ত শিক্ষা লাভৰ পৰা বঞ্চিতসকল আৰু যিবিলাকে শিক্ষা আহৰণ প্রক্রিয়াটোক অবিৰত কৰি ৰাখিব বিচাৰে তেওঁলোকক শিক্ষা লাভৰ সুবিধা কৰি দিয়ে আৰু সামাজিক তথা শৈক্ষিক বৈষম্য আঁতৰ কৰাত অৰিহণা যোগায়। শিক্ষা ব্যৱস্থাই শিকাৰুসকলে পৰম্পৰাগতভাৱে চলি থকা শিক্ষাত আৰোপিত হোৱা নিষেধ তথা বাধা-খিনি আঁতৰোৱাৰ ক্ষেত্রত সুবিধা প্রদান কৰে। এই শিক্ষা ব্যৱস্থাটোৱে বহু বিস্তৃতভাৱে থকা ব্যক্তিসকলক মুক্তভাৱে শিক্ষণ লাভৰ সুবিধা প্রদান কৰে। এই শিক্ষা সৌহার্দ্যপূর্ণ হয় আৰু সাময়িকভাবেও ল'ব পৰা যায়।

দূৰৱৰ্ত্তী আৰু মুক্ত শিক্ষণ ব্যৱস্থা হ'ল কম খৰচী ফলদায়ক পদ্ধতি। ই বহু লোকক কম খৰচত শিক্ষালাভৰ সুবিধা প্রদান কৰে। অনলাইন (Online) পাঠ্যক্রমসমূহ প্রস্তুতিৰ ক্ষেত্রত এবাৰহে খৰচ হয়। ই বহুসংখ্যক ব্যক্তিক বহুবছৰৰ বাবে সামৰি লয়। দূৰৱৰ্ত্তী আৰু মুক্ত শিক্ষা ব্যৱস্থাৰ কাৰণে প্রস্তুত কৰা ছপা সামগ্রীসমূহ প্রস্তুত কৰাৰ সময়ত এবাৰ খৰচ হয়। সেই সামগ্রীসমূহ বছৰ বছৰ ধৰি শিক্ষার্থীসকলক যোগান ধৰি থকা হয়। এনেবোৰ দিশৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাক কম খৰচী ফলদায়ক পদ্ধতি বুলি কোৱা হয় কাৰণ পৰম্পৰাগত পদ্ধতিৰ স্কুলবোৰত শিক্ষার্থীসকলৰ পৰা বাৰে বাৰে বুজন পৰিমাণৰ মাছুল আদায় লোৱাৰ ব্যৱস্থা আছে। সাধাৰণতে পৰম্পৰাগত ব্যৱস্থাৰ শিক্ষণ হ'ল শিক্ষক কেন্দ্রিক, যদিওঁ ইয়াক শিশুকেন্দ্রিক বুলি প্রচাৰ কৰা হয়।

মুক্ত বিদ্যালয়সমূহ আৰু মুক্ত বিশ্ববিদ্যালয়বোৰে সকলোকে শিক্ষালাভৰ সুবিধা প্রদানৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা লোৱা পৰিলক্ষিত হৈছে। মুক্ত বিশ্ববিদ্যালয়বোৰ আৰু মুক্তবিদ্যালয়সমূহৰ মূল উদ্দেশ্য হ'ল শিকাৰুৰসকলক নিজৰ দুৱাৰদলিতে বিভিন্ন মাধ্যম আৰু প্রযুক্তিবিদ্যাৰ সহায়ত নির্দেশনা যোগান ধৰা। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ধাৰণাটোক 'স্বাধীন শিক্ষণ' 'শিথিল শিক্ষণ' তথা 'আত্ম শিক্ষণ' বুলিও ধৰা বা জনা

যায়। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাক শিথিল আৰু অভিনৱ কৰাৰ বহুল পৰিসৰ আছে। বিভিন্ন স্থানত সিঁচৰিত হৈ থকা শিকাৰু সকলৰ প্ৰয়োজনীয়তা পূৰণ আৰু সমাজৰ চাহিদা পূৰ্ণ কৰাৰ বাবে সময়ৰ পৰিৱৰ্ত্তনৰ ব্যৱস্থা ইয়াত থাকে। সেয়েহে আজি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটো বহুজন সমাদৃত হৈছে আৰু সমগ্ৰ বিশ্বত ইয়াৰ গুৰুত্ব বাঢ়িছে। 'বাচনি আধাৰিত মান ব্যৱস্থা' (Choice based credit system) আৰু কনভাৰজেঞ্চ দৃষ্টিভংগী' (Convergence approach) এই দুয়োটা হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সুবিধা। এই ব্যৱস্থাটোৱে বহুবিস্তৃত মানৱ সম্পদ বিকাশ, শিকাৰুসকলক চাকৰিৰ বজাৰ আৰু আত্ম নিয়োজনৰ ক্ষেত্ৰত সহায় কৰিছে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ভূমিকা বৰ্তমান সমাজত অতি গুৰুত্বপূৰ্ণ আৰু ই শিকাৰু সকল সামৰ্থতা অনাত অৰিহণা যোগাইছে। অভিনৱ ধাৰণা আৰু শিথিল আদৰ্শক আকোৱালি লৈ ই শিক্ষাৰ ক্ষেত্ৰখনক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। সামগ্ৰীকভাৱে ভাৰতবৰ্ষ আৰু নিৰ্দিষ্টভাৱে উত্তৰ পূৰ্বাঞ্চলত দূৰৱৰ্ত্তী আৰু মুক্ত শিক্ষা ব্যৱস্থাটো জণগণৰ বাবে এটা উন্নত ধৰণৰ শিক্ষা আহৰণৰ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে।

উত্তৰ পূব ভাৰতত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোৰ আৰম্ভণি হয় ১৯৮৬ চনত যেতিয়া ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰথম অধ্যয়ন কেন্দ্ৰ এটা স্থাপন কৰে। বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰত আঞ্চলিক কেন্দ্ৰ স্থাপন কৰি বিশ্ববিদ্যালয়খনে কৰ্ম সম্পাদন কৰি আছে। অঞ্চলটোৰ বিভিন্ন মহাবিদ্যালয়ত এই বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ আছে। ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ উপৰিও অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় নামেৰে এখনি মুক্ত বিশ্ববিদ্যালয় ২০০৬ চনত গুৱাহাটীত স্থাপন কৰা হয়। কিছুমান বিশ্ববিদ্যালয়ত দূৰৱৰ্ত্তী শিক্ষাৰ সঞ্চালকালয় আছে আৰু সেই সঞ্চালকালয়সমূহে দূৰৱৰ্ত্তীশিক্ষা সম্প্ৰসাৰণৰ কাম কৰি আছে। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৯৮ চনৰ কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০০১চনৰ পৰা, ৰাজীৱ গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ইটানগৰ ২০০৫ চনৰ পৰা, উত্তৰ পূৰ্ব পাৰ্বত্য কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে ১৯৯৬ চনৰ পৰা, আগৰতলাস্থিত ত্ৰিপুৰা বিশ্ববিদ্যালয়ে ১৯৯৬ চনৰ পৰা আৰু তেজপুৰ বিশ্ববিদ্যালয়ে ২০১১ চনৰ পৰা । ওপৰত উল্লেখ কৰা বিশ্ববিদ্যালবোৰ হ'ল কেন্দ্ৰীয় বা ৰাজ্যিক ব্যৱস্থাৰে নিয়ন্ত্ৰিত। বৰ্তমান সময়ত বহুবোৰ ব্যক্তিগতখণ্ডৰ বিশ্ববিদ্যালয়ে দূৰৱৰ্ত্তী শিক্ষা সম্প্ৰসাৰণত ব্ৰতী হৈ উত্তৰ পূৰ্বাঞ্চলত সেৱা আগবঢ়াই আছে। তাৰ ভিতৰত চিকিম মণিপাল বিশ্ববিদ্যালয় গেংটক (চিকিম), ইকফাই বিশ্ববিদ্যালয়, আগৰতলা (ত্ৰিপুৰা), ইকফাই বিশ্ববিদ্যালয়, আইজল (মিজোৰাম)। ওপৰত উল্লেখ কৰা ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়বোৰৰ উপৰিও এই অঞ্চলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ স্থাপন হৈছে আৰু নামভৰ্ত্তিকৰণৰ মাধ্যমেৰে দূৰৱৰ্ত্তী শিক্ষা সম্প্ৰসাৰণত অৰিহণা যোগাই আছে। যিয়েই নহওঁক সেই বাহিৰৰ বিশ্ববিদ্যালয়বোৰে সন্মানীয় ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰৰ

বিৰুদ্ধে কাম কৰি আছে আৰু উত্তৰ পূৰ্বাঞ্চলৰ কেন্দ্ৰবোৰ চলাই আছে। বৰ্তমান বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে দূ�ৰৱৰ্ত্তীৱৰ্তী শিক্ষাৰ সম্প্ৰসাৰণৰ সীমা বান্ধি দিয়াৰ পিছত, বাহিৰত দূ�ৰৱৰ্ত্তীৱৰ্তী শিক্ষা অনুষ্ঠানসমূহে উত্তৰ পূৰ্বাঞ্চলত নিজৰ কাৰ্য্যসূচীসমূহ বন্ধ কৰিবলগীয়া হৈছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কাৰাগাৰত থকা লোকসকলক শিক্ষাদানৰ সুবিধা দিয়াৰ লগতে অন্ধ আৰু বিশেষভাবে সক্ষম লোকক বিনামূলীয়াকৈ শিক্ষা দি এক সৰ্বাঙ্গসুন্দৰ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। মুক্ত আৰু দূৰৱৰ্ত্তীৱৰ্ত্তী শিক্ষা ব্যৱস্থাই শিথিল আৰু অনানুষ্ঠানিক দৃষ্টিভংগীৰ মাধ্যমত মূল মানৰ অধিকাৰ হিচাপে শিক্ষাৰ অধিকাৰ সাব্যস্ত কৰিবলৈ জনগণক সুবিধা প্ৰদান কৰিছে। এই শিক্ষা ব্যৱস্থাৰ ধৰণ যথেষ্টভাৱে সুবিধাজনক আৰু ই সামগ্ৰীকভাৱে ৰাষ্ট্ৰৰ কল্যাণ সাধনত উল্লেখযোগ্য অৰিহণা যোগাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ প্ৰাসংগিকতা কেনেধৰণৰ?

.....

.....

প্ৰশ্ন নং ৬ ঃ উত্তৰ পূব ভাৰতত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ কি কি অনুষ্ঠান স্থাপিত হৈছে?

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষাক এখন দেশৰ আৰ্থসামাজিক বিকাশৰ 'মূল শিলা' বুলি অভিহীত কৰা হয়।
- শিক্ষাই মানুহক জ্ঞানৰ যোগান ধৰে; প্ৰয়োজন আধাৰিত কিছুমান কৌশলক অনুধাৱন কৰায় আৰু যোগাত্মক দিশৰ প্ৰতি মনযোগৰ নিৰ্দেশনা দিয়ে।
- ভৌগোলিক অৰ্থত সামগ্ৰীকভাৱে ভাৰতবৰ্ষৰ বৃহৎ সম্ভাৱনীয়তা আছে। কিন্তু বৰ্তমান অৱস্থা মানৰ শক্তিৰ গঠন আৰু উৎপাদন কাৰ্যসূচীৰ ক্ষেত্ৰত নিয়োগৰ পূৰ্ণতা আহি পৰা নাই।
- ভাৰতবৰ্ষৰ ভিতৰত আজিওঁ নিয়োগৰ ক্ষেত্ৰত ৰাজ্যিক আৰু আঞ্চলিক ভেদে ভিন্নতা,

শিক্ষাৰ সকলো পর্যায়ত লিংগ বৈষম্য, সামগ্রীক নামভর্ত্তিৰ হাৰ আৰু স্বাক্ষৰতাৰ পর্যায় আদিত বৈষম্যতা পৰিলক্ষিত হয়।

- ইয়াৰ উপৰিও আমি সামৰি লোৱা গঠনৰ লক্ষ্যত উপনীত হৈ সহশ্রাব্দৰ বিকাশৰ লক্ষ্যৰ প্রতি অগ্রসাৰিত হ'ব লাগিব আৰু মানৱ মূলধনৰ গঠনৰ প্রতি আমাৰ প্রচেষ্টাক নির্দেশিত কৰিব লাগিব।
- শিক্ষাই হ'ল আমাৰ প্রয়োজন আৰু প্রয়াস মতে লক্ষ্যসমূহ পূর্ণ কৰিব পৰা একমাত্র পথ। কাৰণ শিক্ষিত ব্যক্তিসকল সাধাৰণতে উন্নত উৎপাদনশীল কর্মী, যিয়ে মূলধনক অধিক ফলপ্রসুভাবে ব্যৱহাৰ কৰিব পাৰে; নতুন প্রযুক্তিসমূহ প্রয়োগ কৰিবপাৰে আৰু তেওঁলোকে কৰা ভুলৰ পৰা শিকিব পাৰে।
- আমাৰ দেশৰ সকলোবোৰ ব্যক্তিয়ে মানৱ অধিকাৰ হিচাপে শিক্ষাৰ অধিকাৰ পোৱাটো বাঞ্চনীয়। সেয়েহে ব্যক্তিসকলক শিক্ষাৰ বিভিন্ন পন্থাৰ মাধ্যমেৰে তথ্য আৰু জ্ঞানৰ যোগান ধৰাটো অতিশয় প্রয়োজনীয়।
- মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা হ'ল সকলো ব্যক্তিৰ বাবে সহজে সম্ভৱ কৰি তুলিব পৰা এটি সম্ভাব্য বিকল্প শিক্ষাৰ পথ।
- দূ�ৰৱর্ত্তী শিক্ষা মানে হ'ল এক শিক্ষণৰ ধৰণ যিটোৰ মাজেৰে কোনো ভৌগোলিক ব্যৱধান, শিক্ষকৰ শাৰীৰিক উপস্থিতি, স্থান, সময় আৰু বয়স আদিৰ ক্ষেত্রত বাধা নোহোৱাকৈ লাভ কৰিব পৰা শিক্ষা।
- একাদশ পঞ্চবার্ষিক পৰিকল্পনাত দেশৰ সমগ্র শিক্ষার্থীৰ শতকৰা ৪০% ক মুক্ত আৰু দূৰৱর্ত্তীৱর্তী শিক্ষা পদ্ধতিৰ ভিতৰত সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে।
- আজি ইয়াৰ নমনীয়তা তথা শিথিলতাৰ বাবে, এই পদ্ধতিটোক 3A (৩-যিকোনো) যেনে যিকোনো সময়ত, যিকোনো স্থানত, যিকোনো লোককে শিক্ষালাভ কৰিব পৰা ব্যৱস্থা বুলি ক'ব পৰা যায়।
- মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাটোৱে খৰচ ফলপ্রসু ধৰণৰ মাধ্যমেৰে জীৱন জোৰা শিক্ষালাভৰ সুবিধা প্রদানকৰিবলৈ সক্ষম হৈছে। যিবিলাকে উচ্চ শিক্ষা লাভৰ পৰা নিজকে বঞ্চিত হোৱা বুলি ভাবিছে বা তথাকথিত শিক্ষা লাভৰ পৰা বঞ্চিত হোৱা বুলি ভাবি শিক্ষা লাভৰ প্রতি আগ্রহান্বিত হৈছে তেওঁলোকক এই পদ্ধতিয়ে আকোৱালি লৈছে।
- এই শিক্ষা ব্যৱস্থাটোক আগতে যোগাযোগ শিক্ষা নামেৰে জনা গৈছিল। যোগাযোগ শিক্ষা মানে হ'ল এনে ধৰণৰ শিক্ষা য'ত শিকাৰু আৰু শিক্ষকে মুখামুখিভাৱে সংস্পর্শলৈ আহিব নোৱাৰে। তেওঁলোকে মাত্র ডাক যোগাযোগৰ মাধ্যমতহে পা�ৰস্পৰিক ক্রিয়া সম্পাদন কৰে। ছপা সামগ্রীয়ে হ'ল একমাত্র শিক্ষাৰ মাধ্যম আৰু ছপাপাঠবোৰেই হ'ল শিকাৰু সকলৰ বাবে একমাত্র শিক্ষাৰ সমল।
- যোগাযোগ শিক্ষাই ১৮৪০ চনত আনুষ্ঠানিক ধৰণ বা আকৃতি লাভ কৰে আইজাক পিটমেনৰ প্রচেষ্টাত। তেওঁ চমু লিখন পদ্ধতিৰ মাধ্যমত ইংলেণ্ডৰ বিভিন্ন স্থানত সিঁচৰিত

হৈ থকা ছাত্রসকলক ডাকযোগে পঢ়োৱাৰ ব্যৱস্থা কৰাৰ ফলত এই ব্যৱস্থাটোৰ প্রচলন হয়।

- পৰৱৰ্ত্তী সময়ত শিক্ষাবিদসকলৰ চিন্তাধাৰাত প্রকাশিত হ'ল যে 'দূৰৱৰ্ত্তী শিক্ষা' ধৰণটো যোগাযোগ শিক্ষাৰ ধৰণতকৈ অধিক গ্রহণ যোগ্য হ'ব। দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থীৰ সহায়কাৰী সমল সেৱা আৰু মূল্যায়ণ পদ্ধতিৰ ভিন্নতা হ'ল গুৰুত্বপূর্ণ উপাদান। ই হ'ল এক শিকাৰু আধাৰিত প্রয়াস। ছপা মাধ্যমৰ বাহিৰেওঁ এই পদ্ধতিত অনা ছপা মাধ্যম যেনে ৰেডিওঁ, দুৰাভাষ যন্ত্র, শ্রব্য কেছেট, ভিডিওঁ কেছেট, কম্পিউটাৰ আৰু আন আন বৈদ্যুতিক মাধ্যমসমূহো সামৰি লোৱা হয়।
- দূৰৱৰ্ত্তী শিক্ষাক আজি সাধাৰণভাৱে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ বুলি জনা যায়। 'মুক্ত শিক্ষণ' নামকৰণ হৈছিল পিটমেনৰ এখন মুখপত্রত ১৯২৯ চনত।
- মুক্ত শিক্ষণ আৰু মুক্ত শিক্ষা পৰস্পৰভাৱে সম্বন্ধিত। মুক্ত বিশ্ববিদ্যালয় প্রথমতে ইংলেণ্ডত ১৯৬৯ চনত স্থাপন কৰা হৈছিল।
- আজি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থা বহু সমাদৃত এক শিক্ষণ ব্যৱস্থা। ইয়াৰ মাধ্যমত ব্যক্তিসকলে বিশ্বৰ বিভিন্ন প্রান্তৰ শিক্ষণ পদ্ধতিক নিজৰ ঘৰতেই বহি শিকিব পাৰে।
- বর্ত্তমান সময়ত ভাৰতবর্ষত ১৪ খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু এখন কেন্দ্রীয় মুক্ত বিশ্ববিদ্যালয় আছে। সেইখনৰ নাম হ'ল ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয়।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই বিভিন্ন পর্যায় বা অৱস্থা অতিক্রম কৰি আহিছে আৰু আজিৰ দিনত অনলাইন প্রযুক্তিবিদ্যা ব্যৱহাৰ কৰিছে।
- বর্তমান সময়ত মুক্ত আৰু দূৰৱৰ্ত্তী বিশ্ববিদ্যালয় আৰু অনুষ্ঠানসমূহ স্থাপনৰ ধাৰা ক্ষীপ্রভাৱে বৃদ্ধি হ'বলৈ ধৰিছে আৰু এইবোৰে জনসাধাৰণক সহজে শিক্ষালাভ কৰিব পৰা বৈশিষ্ট্যপূর্ণভাবে অৰিহণা যোগাই আছে।
- মুক্ত শিক্ষাই পৰম্পৰাগতভাৱে শিক্ষালাভ কৰিবলৈ যোৱাৰ ক্ষেত্রত থকা বাধা আৰু নিষেধসমূহ আতঁৰাইছে আৰু বহু পৰিসৰত থকা ব্যক্তিসকলক শিক্ষণ সুবিধা প্রদান কৰিছে। ই ব্যক্তিসকলক অধিক সহজভাৱে আৰু সময় উপযোগীকৈ শিক্ষা লাভ কৰিবলৈ সমর্থবান কৰি তুলিছে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ হ'ল কম খৰচী ফলপ্রসু শিক্ষণ ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাই কম খৰচতে বহু ঠাইত বিস্তৃত হৈ থকা ব্যক্তিসকলক একে সময়তে সামৰি লয়। উদাহৰণ স্বৰূপে অন লাইন পাঠ্যক্রমত খৰচ হয় এবাৰ। সেই খৰচতে প্রস্তুতি সম্পূর্ণ কৰা হয় আৰু বহু বছৰৰ কাৰণে এই পাঠ্যক্রমে বহু সংখ্যক ব্যক্তিক সামৰি লোৱা হয়।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ ধৰণক "স্বাধীনভাৱে শিক্ষণ" "নমনীয় শিক্ষণ" আৰু 'আত্মশিক্ষণ' হিচাপেওঁ জনা যায়।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ নতুনত্ব আৰু নমনীয়তা অনাৰ ক্ষেত্রত যথেষ্ট পৰিসৰ আছে। ইয়াৰ উপৰিও এই ব্যৱস্থাটোত সমাজৰ প্রয়োজন আৰু আৱশ্যকতা পুৰণৰ অর্থে বিভিন্ন

স্থানত সিঁচৰিত হৈ থকা শিকাৰুসকলক সামৰি সময়ৰ পৰিৱৰ্তনৰ লগত শিক্ষণৰ ব্যৱস্থা সম্ভৱ কৰি তোলে।

- উত্তৰ পূব ভাৰতত ১৯৮৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ স্থাপনৰ সময়তে মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ আৰম্ভণী হয়।
- কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে অসমৰ কাৰাগাৰৰ কাৰাবাসী শিকাৰুসকলক শিক্ষালাভৰ সুবিধা প্ৰদান কৰি সৰ্বাঙ্গ সুন্দৰ ভূমিকা গ্ৰহণ কৰিছে।



১৪.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Baruah, Srinath (2011): *"Education Beyond Barriers: Role of Open and Distance learning with special reference to Krishna Kanta Handiqui State Open University"*, Horizon, The Newsletter of KKHSOU, Vol-V, No II, July 2011

২) Kanwar, Asha (2011): *"Crisis in ODL: What is the response?"*, Lecture presented at Symbiosis International Conference on ODL, 23rd February, Pune, India

৩) Srivastava, Manjulika and Swaraj Basu, *"Distance Learning in North East : An Overview "*, University News, 48 (38) September, 2010

৪) *STRIDE Handbook on Distance Education*, IGNOU



১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষা হ'ল শিক্ষা সম্প্ৰসাৰণৰ এটি তাৎপৰ্যপূৰ্ণ ধাৰণা। ইয়াৰ মাজেৰে ভৌগোলিক, শিক্ষকৰ বৈষয়িক অস্তিত্ব, সময়, বয়স আদিৰ ব্যৱধান নোহোৱাকৈ ব্যক্তিসকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হয়। এই ব্যৱস্থাটো অসংখ্য সুবিধা লাভৰ পৰা বঞ্চিত ব্যক্তিৰ লগতে আত্ম সংস্থাপিত, গৃহিনীসকলক শিক্ষা লাভৰ সুবিধা প্ৰদান কৰিছে। যিবিলাকে উন্নত আৰু উৎপাদনমুখী জীৱন গঢ়ি তুলিব বিচাৰে তেওঁলোককো এই ব্যৱস্থাটোৱে সুবিধা দিয়ে।

২ নং প্রশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষা হ'ল এনে এক ব্যৱস্থা যাৰ জৰিয়তে প্রচলিত পদ্ধতিৰ মাধ্যমত যিসকলে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে তেনেলোকসকলক শিক্ষা লাভৰ সুবিধা প্রদান কৰা। কম খৰচতে এই ব্যৱস্থাৰ মাধ্যমত জীৱনযোৰা শিক্ষা লাভৰ ইচ্ছা কৰে তেনে ব্যক্তিয়ে এই ব্যৱস্থাত সোমাই ল'ব পাৰে। এই শিক্ষা ব্যৱস্থা তলত উল্লেখ কৰাবোৰৰ বাবে বৰ সহায়ক।

- যিবিলাকে বিদ্যালয়সমূহ আৰু মহাবিদ্যালয়সমূহৰ পৰা অর্থনৈতিক কাৰণৰ বাবে আঁতৰি আহিছে আৰু বর্তমান ব্যৱসায় বাণিজ্য আদিত মকৰল হৈছে।
- মহিলাসকল যিবিলাকে কম বয়সতে বিবাহ পাশত আৱদ্ধ হৈ বিদ্যালয় মহাবিদ্যালয়ৰ শিক্ষা অসম্পূর্ণ কৰিছে।
- যিবিলাকে কার্যালয় আৰু উদ্যোগসমূহত পঢ়া শুনা সম্পূর্ণ নকৰাকৈ নিয়োজিত হৈছে কিন্তু তেওঁলোকক পদবী আৰু শিক্ষা লাভৰ প্রমাণ পত্রৰ প্রয়োজন হৈছে।
- ব্যক্তিসকলৰ লগতে গৃহিণীসকলে যিয়ে সহজভাৱে পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিক্ষা লাভ কৰিব নোৱাৰিলে এতিয়া শিক্ষা লাভৰ ইচ্ছা কৰে তেওঁলোকৰ বাবে এই ব্যৱস্থা অতি সুবিধাজনক।
- যিবিলাকে তেওঁলোকৰ কার্য ক্ষেত্রৰ ভৱিষ্যত সুবিধাৰ বাবে পৰবর্ত্তী শিক্ষা লাভ কৰিব বিচাৰে।
- ইয়াৰ উপৰিওঁ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই চাকৰি কৰি থকা ব্যক্তিসকল বা বৃত্তিধাৰীসকলক চাকৰি কৰি থকা সময়তে বৃত্তিগত অর্হতা বৃদ্ধি আৰু প্রশিক্ষণৰ সুবিধা প্রদান কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ

- যোগাযোগ শিক্ষা মানে হ'ল এনে ধৰণৰ শিক্ষা যি শিক্ষাৰ মাধ্যমেৰে ব্যক্তিয়ে নিজৰ কর্মৰ স্থানতে বা বাস কৰি থকা ঠাইতে থাকি অধ্যয়ন কৰিব পাৰে। এই ব্যৱস্থাৰ পাঠবোৰ শিক্ষানুষ্ঠানখনে ডাক যোগাযোগৰ মাধ্যমত শিকাৰুলৈ প্রেৰণ কৰে।
- দূৰৱৰ্ত্তী শিক্ষা হ'ল এনে এটা শিক্ষণ পদ্ধতি য'ত শিক্ষণ সূচীসমূহ ছপা সামগ্রী আৰু বৈদ্যুতিক মাধ্যমৰ মাধ্যমত শিকাৰুক যোগান ধৰা হয়। এই ব্যৱস্থাত প্রয়োজন অনুসৰিহে শিক্ষক আৰু শিকাৰুৰ যোগ স্থাপন হয় বিশেষকৈ বিদ্যায়তনিক, প্রশাসনিক, কাৰিকৰী আৰু ব্যক্তিগত সমস্যাসমূহ সমাধানৰ ক্ষেত্রত। শিক্ষক আৰু শিকাৰুৰ যোগাযোগ মাধ্যম আৰু প্রযুক্তিবিদ্যা ব্যৱহাৰৰ মাধ্যমেৰেহে সম্ভৱ হৈ উঠে।
- মুক্ত শিক্ষণ হ'ল এটা শিক্ষণ ব্যৱস্থা যিটোৰ মাধ্যমত শিক্ষাৰ অগ্রগতি হয় পৰম্পৰাগত ভাৱে চলি থকা শিকণ-শিক্ষণৰ বাহিৰত। নামভর্তিৰ নীতি নিয়ম, আসনৰ সংখ্যা, উপস্থিতি, পৰীক্ষা, পাঠ্যক্রমৰ সময়, বিষয় গাথা আদিৰ

নমনীয়তা হ'ল ইয়াৰ কিছুমান বৈশিষ্ট্য। ১৯২৯ চনত পিটমেনৰ মুখপত্রত 'মুক্ত শিক্ষণৰ' ধাৰণাটো প্রবর্ত্তিত হৈছিল। এইটো এটা শিক্ষা ব্যৱস্থা য'ত নুন্যতম বাধা নিষেধৰ মাধ্যমত সকলো ব্যক্তিযে শিক্ষালাভৰ সুবিধা গ্রহণ কৰিব পাৰে। নমনীয়তা প্রকৃতিৰ বাবে এই ব্যৱস্থাত ব্যক্তিসকলে ভৌগোলিক, শিক্ষকৰ অৱস্থিতি সময়, স্থান, বয়স আদিৰ ব্যৱধান নোহোৱাকৈ শিক্ষা লাভ কৰিব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৯৬৯ চন

খ) ১৪ খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু ১খন কেন্দ্রীয় বিশ্ববিদ্যালয়

গ) ১৯৮৫ চন

ঘ) ২০০৬ চন

ঙ) ১৯৬২ চন

৫ নং প্রশ্নৰ উত্তৰ ঃ মুক্ত শিক্ষণৰ প্রাসংগিকতাই সাধাৰণতে তলত দিয়া দিশসমূহক সুচায়। সেইবোৰ হ'ল ঃ

- মুক্ত শিক্ষা ব্যৱস্থা বর্তমান সময়ত অতি প্রয়োজনীয়। কাৰণ এই ব্যৱস্থাৰ প্রধান লক্ষ্য হ'ল - সামাজিক আৰু শৈক্ষিক অসমতাসমূহ আঁতৰ কৰা, পৰম্পৰাগত পদ্ধতিৰ পৰা বঞ্চিত সকলক শিক্ষা লাভৰ সুবিধা দিয়া, লগতে যিসকলে অবিৰতভাৱে শিক্ষা আহৰণ কৰিব বিচাৰে তেওঁলোকক শিক্ষা লাভৰ বাবে অনুপ্রেৰণা আগবঢ়োৱা আদি। মুক্ত শিক্ষাই পৰম্পৰাগত ভাৱে চলি থকা শিক্ষাৰ শিক্ষার্থীয়ে সন্মুখীন হোৱা বাধা আৰু নিষেধসমূহ আঁতৰাই পেলাই। ই বহল ভিত্তিক ব্যক্তিসকলক শিক্ষা লাভৰ সুবিধা প্রদান কৰে আৰু তেওঁলোকক অধিক সহজভাৱে সময় উপযোগীকৈ শিক্ষালাভৰ বাবে সমর্থবান কৰি তুলিছে।
- মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষণ হ'ল কম খৰচতে বহল পৰিসৰৰ ব্যক্তিক অন্তভূক্তি কৰি লোৱা এক ফলপ্রসু শিক্ষা ব্যৱস্থা। উদাহৰণস্বৰূপে তাৰ সংযোগ (অনলাইন) পাঠ্যক্রমত প্রস্তুতিৰ ক্ষেত্রত মাত্র এবাৰহে খৰচৰ ব্যৱস্থা আছে, যিটোৱে বহুবোৰ ব্যক্তিক কেইবা বছৰৰ বাবে শিক্ষাৰ বাবে সামৰি লয়। মুক্ত আৰু দূৰৱর্ত্তীশিক্ষাৰ ছপা সামগ্রীসমূহ প্রস্তুতকৰণ এবাৰতে কৰি লোৱা হয়। অনুষ্ঠানবোৰৰ প্রস্তুতকৰণৰ খৰচ এবাৰহে হয় আৰু সেহ সামগ্রীসমূহৰ প্রচলন বা ব্যৱহাৰ বহুবছৰৰ বাবে কৰি থকা হয়। সেই ক্ষেত্রত মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাটোক পৰম্পৰাগত ব্যৱস্থাতকৈ অধিক কম খৰচী বুলি কব পৰা যায়। পৰম্পৰাগত বিদ্যালয়সমূহত শিক্ষার্থীৰ পৰা অধিক মাচুল বাৰে বাৰে লোৱাৰ ব্যৱস্থা আছে আনহাতে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ অনুষ্ঠানত নামভর্ত্তিকৰণৰ সময়তে মাচুল লোৱা হয়।
- মুক্ত আৰু দূৰৱর্ত্তী শিক্ষণ ব্যৱস্থাত সমাজৰ বিভিন্ন স্থানত সিঁচৰিত হৈ থকা শিকাৰু সকলৰ পিনে লক্ষ্য ৰাখি সময়ৰ পৰিবর্ত্তন, প্রয়োজন আৰু আৱশ্যকতা

আদিবোৰৰ ক্ষেত্ৰত নতুনত্ব আৰু নমনীয়তা আনিবলৈ বহল পৰিসৰ আছে। সেয়েহে, আজি মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষণ ধাৰণাটো সমগ্ৰ বিশ্বতে প্ৰত্যেক দিনে অধিক গুৰুত্ব লাভ কৰিবলৈ ধৰিছে আৰু প্ৰয়োজনীয়তাওঁ বৃদ্ধি পাইছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উত্তৰ পূব ভাৰতত মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোৰ আৰম্ভণি হয় ১৯৮৬ চনত যেতিয়া ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰথম অধ্যয়ন কেন্দ্ৰ এটা স্থাপন কৰে। বৰ্তমান উত্তৰ পূৰ্বৰ ৰাজ্যবোৰত আঞ্চলিক কেন্দ্ৰ স্থাপন কৰি বিশ্ববিদ্যালয়খনে শৈক্ষিক কৰ্ম সম্পাদন কৰি আছে। এই বিশ্ববিদ্যালয়ৰ অঞ্চলটোৰ বিভিন্ন মহাবিদ্যালয়ত অধ্যয়ন কেন্দ্ৰ আছে। ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় উপৰিও অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় নামেৰে এখনি মুক্ত বিশ্ববিদ্যালয় ২০০৬ চনত গুৱাহাটীত স্থাপন কৰা হয়। তাৰোপৰি বিশ্ববিদ্যালয়ত দূৰৱৰ্ত্তী শিক্ষাৰ সঞ্চালকালয় আছে। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৯৮ চনৰ পৰা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০০১ চনৰপৰা, ৰাজীৱ গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে (ইটানগৰ) ২০০৫ চনৰ পৰা, আগৰতলাস্থিত ত্ৰিপুৰা বিশ্ববিদ্যালয়ে ১৯৯৬ চনৰ পৰা আৰু তেজপুৰ বিশ্ববিদ্যালয়ে ২০১১ চনৰ পৰা দূৰৱৰ্ত্তী শিক্ষা সম্প্ৰসাৰণৰ কাম কৰি আছে। ওপৰত উল্লেখ কৰা বিশ্ববিদ্যালয়বোৰ হ'ল কেন্দ্ৰীয় বা ৰাজ্যিক বিশ্ববিদ্যালয়। বৰ্তমান সময়ত বহুবোৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ে দূৰৱৰ্ত্তী শিক্ষা সম্প্ৰসাৰণত ব্ৰতী হৈ উত্তৰ পূৰ্বাঞ্চলত শিক্ষাৰ কেন্দ্ৰ গঢ়ি তুলিছে। তাৰ ভিতৰত চিকিম মণিপাল বিশ্ববিদ্যালয় গেংটক (চিকিম), ইকফাই বিশ্ববিদ্যালয় আগৰতলা (ত্ৰিপুৰা), ইকফাই বিশ্ববিদ্যালয় আইজল (মিজোৰাম) ইত্যাদি।



১৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষা কিয় গুৰুত্বপূৰ্ণ?

প্ৰশ্ন ২ ঃ দূৰৱৰ্ত্তী শিক্ষা মানে আপুনি কি বুজে?

প্ৰশ্ন ৩ ঃ দূৰৱৰ্ত্তী শিক্ষা কিয় গুৰুত্বপূৰ্ণ?

প্ৰশ্ন ৪ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ প্ৰাসংগিকতা কেনেধৰণৰ?

প্ৰশ্ন ৫ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ গঠন সম্বন্ধে আপুনি কি বুজে?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বর্তমান সময়ত মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা গুৰুত্বপূর্ণ বুলি আপুনি কিয় ভাৱে? ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ যোগাযোগ শিক্ষা, দূৰৱর্ত্তী শিক্ষা আৰু মুক্ত শিক্ষা বা মুক্ত শিক্ষণ বুলিলে কি বুজে? ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ বিশ্বত দূৰৱর্ত্তী শিক্ষাৰ গঠন সম্বন্ধে চমুকৈ লিখক।

প্রশ্ন ৪ ঃ ভাৰতবর্ষৰ দূৰৱর্ত্তী শিক্ষাৰ ইতিহাস সম্বন্ধে বর্ণনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতবর্ষৰ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ মূল সুবিধা কিছুমান উল্লেখ কৰক।

প্রশ্ন ২ঃ ভাৰতবর্ষত দূৰৱর্ত্তী শিক্ষাৰ গঠন আৰু প্রাসংগিকতা সম্বন্ধে ব্যাখ্যা কৰক।

*** ***** ***